দুটি নক্ষত্ৰৰ ছাঁ

বিভূতিভূষণ

আৰু

মালিক

ড° অঞ্জু বৰা

কৌস্তুভ প্ৰকাশন
ডিব্ৰুগড- ৩

DUTI NAKSHTRAR CHAN BIBHUTIBHUSAN ARU MALIK A comparative study of the novels of Bibhutibhusan Bondopadhyaya and Sayed Abdul Malik by Dr Anju Borah and published by Bijayananda Borah Dibrugarh Printed at Kaustubh Printers Milan Nagar Dibrugarh 786 003 Assam First Publication February 2003

দুটি নক্ষত্ৰৰ ছাঁ বিভূতিভূষণ আৰু মালিক ড অঞ্জু বৰাৰ দ্বাৰা ৰচিত গৱেষণা গ্ৰন্থ। প্ৰকাশক বিজয়ানন্দ বৰা। প্ৰিণ্টাৰ্ছ্ • কৌস্তুভ প্ৰিণ্টাৰ্ছ। প্ৰথম প্ৰকাশ ফেব্ৰুৱাৰী ২০০৩ খ্ৰীষ্টাব্দ।

মূল্য • ১১৫ ০০ টকা মাত্ৰ।

পৰম পূজনীয় দেউতা,

আপুনি আমাৰ মাজৰ পৰা
যোৱা এবছৰেই হ'ল।
আপোনাৰ পবিত্ৰ স্মৃতিত
শ্ৰদ্ধাৰে গ্ৰন্থখনি
উছৰ্গা কৰিলোঁ।

—মিনু

দুটি নক্ষত্ৰৰ ছাঁ : এটি অনুভৱ

অসমীয়া আৰু বাংলা উপন্যাসৰ গতি-প্ৰকৃতি আৰু বৈশিষ্ট্যৰ মাজত এক অদৃশ্য এনাজৰীৰ বান্ধোন দেখা যায়, এই দুয়োবিধ সাহিত্যই স্বতন্ত্ৰ যদিও ভাৰতীয় মনৰ বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ শান্ত নিবিড় জীৱনধাৰাৰ বিচিত্ৰ প্ৰকাশে অসমীয়া আৰু বাংলা সাহিত্যত কিছু সাদৃশ্য প্ৰদান কৰিছে। দুয়ো ক্ষেত্ৰতে অসংখ্য তাৰকা ব্যক্তিৰ বৈশিষ্ট্যপূৰ্ণ অৱদান লক্ষ্য কৰা যায়, অসম আৰু বংগৰ সাহিত্য-জগতৰ দুই ঘাই ব্যক্তিত্ব চৈয়দ আব্দুল মালিক আৰু বিভূতিভূষণ বন্দোপাধ্যায়ৰ অৱদানসমূহৰ আলমত এই কথা বহলাই বিচাৰ কৰিব পাৰি।

অসমীয়া উপন্যাসৰ মাজত বহুতো কৃতিমান লেখকৰ অৱদান থাকিলেও জাকত-জিলিকা হৈ আছে মালিকৰ উপন্যাসসমূহ। অসমীয়া জনজীৱনৰ মাটিৰ ৰস টানি যেন এইবোৰ অংকুৰিত আৰু বিকশিত হৈছে। অসমৰ নিবিড় সেউজেৰে ভৰা গ্ৰাম্যাঞ্চল পথাৰৰ বোকামাটিৰ গোন্ধ, নদী নিজৰাৰ উচ্ছলতা আৰু গাঁৱলীয়া জীৱনৰ আশা-সপোনৰ ছবি মালিকৰ ৰচনাত স্পষ্ট। তাৰ কাষে কাষে আছে নগৰীয়া জীৱনৰ সংঘাত আৰু আধুনিক মানুহৰ সমস্যা। মালিকৰ উপন্যাস প্ৰেমৰ বন্দনাৰে মুখৰ। সেই প্ৰেমত দেহ আৰু প্ৰাণ একীভূত হৈ পৰে। দেহৰ কামনাৰ দৰে জীৱনৰ চৰম সত্যক মালিকে সাহসেৰে আৰু কলা সুলভভাৱে প্ৰকাশ কৰে। চৰিত্ৰৰ অন্তৰ্দ্বন্দ্ব প্ৰকাশৰ ক্ষেত্ৰতো মালিক অদ্বিতীয়। বিশাল সংখ্যক উপন্যাস ৰচনা কৰোঁতা মালিকৰ ৰচনাই সুখপাঠ্যতাৰ অন্যতম কাৰণ তেওঁৰ গদ্যশৈলীৰ কাব্যিকতা। তদুপৰি অসমীয়া সাহিত্যত জীৱনী-ভিত্তিক উপন্যাস ৰচনাৰ মালিকেই হ'ল বাটকটীয়া। গতিকে এই কথা নিঃসন্দেহে ক'ব পাৰি যে অসমীয়া উপন্যাস সাহিত্যৰ আকাশত মালিকেই হ'ল সবাতোকৈ উজ্জ্বল নক্ষত্ৰ।

বাংলা সাহিত্যত বিভূতিভূষণৰ অৱদান বৰণীয় আৰু ৰমনীয়। তেওঁৰ ৰচনাৰ সৰ্বোত্তম বিশেষত্ব হ'ল মানুহৰ মনৰ সুন্দৰ দিশবোৰৰ প্ৰতিফলন আৰু প্ৰকৃতি-জগতৰ মনোৰম চিত্ৰণ। মানুহ তেওৰ ৰচনাৰ ঘাই বিষয়। বংগদেশৰ সমাজৰ সকলো শ্ৰেণীৰ সৰু-বৰ মানুহে তেওৰ ৰচনাত ঠাই পাইছে। প্ৰতিজনৰে সৰুসুৰা সমস্যাবোৰেও লেখকৰ প্ৰতিভাৰ অসামান্য আলোকত উজ্জ্বল হৈ আত্ম-প্ৰকাশ কৰিছে। তেওঁৰ বাবে প্ৰেম এক শান্ত, স্নিগ্ধ আৰু নিস্বাৰ্থ অনুভূতি। জীৱন-মৃত্যু আৰু বিশ্বাস-সংস্কাৰেৰে ভৰা গ্ৰাম্য জীৱন তেওঁৰ প্ৰিয়। তেওৰ

সবাতোকৈ মনোমোহা গুণ হ'ল প্ৰকৃতিৰ অনবদ্য চিত্ৰাংকন। সৰু এটি চৰাইৰ মাত বনৰীয়া ফুলৰ গোন্ধ অৰণ্যৰ সেউজ জোনাক ৰাতিৰ মাদকতা আদি উপাদানে কেতিয়াবা উপন্যাসসমূহত চৰিত্ৰৰ দৰেই গুৰুত্ব লাভ কৰে

মালিক আৰু বিভূতিভূষণ এই দুই মহাৰথী সাহিত্যিকৰ ৰচনাৰ তুলনামূলক বিচাৰ এক প্ৰয়োজনীয় বিষয়। কাৰণ ইয়াৰ দ্বাৰা এই দুই প্ৰতিবেশী সাহিত্যৰ নৈকট্য নিৰূপণ কৰিব পৰা যায়। অসমীয়া সাহিত্যত এই গুৰুত্বপূৰ্ণ কামটো এতিয়ালৈকে কোনেও কৰা নাছিল। ড° অঞ্জু বৰাই তেওঁৰ 'বিভূতিভূষণ বন্দোপাধ্যায় আৰু চৈয়দ আব্দুল মালিকৰ উপন্যাসৰ তুলনামূলক অধ্যয়ন নামৰ গৱেষণা-গ্ৰন্থত এই বিষয়ে বিস্তৃত আলোচনা কৰিছিল। আজি তাৰে সম্পাদিত ৰূপ 'দুটি নক্ষত্ৰৰ ছাঁ বিভূতিভূষণ আৰু মালিক প্ৰকাশ কৰি এটি প্ৰয়োজনীয় কাম সম্পন্ন কৰিলে। তেওঁলৈ মোৰ অভিনন্দন থাকিল।

৩ ফেব্ৰুৱাৰী ২০০৩ খ্ৰীষ্টাব্দ | কৰবী ডেকা হাজৰিকা

অসমীয়া বিভাগ
ডিব্ৰুগড় বিশ্ববিদ্যালয়

ব্যক্তিগত একাষাৰ

বৰ্তমান Globalisation আৰু Internetৰ যুগত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই গোটেই পৃথিবীখন সৰু কৰি পেলাইছে। Globalisationৰ লগত সংগতি ৰাখি সাহিত্য অধ্যয়নৰ ক্ষেত্ৰলৈ অহা পৰিবৰ্ত্তনৰ ভিতৰত তুলনামূলক সাহিত্য-অধ্যয়ন অন্যতম। ভাষা সাহিত্য সংস্কৃতিৰ ক্ষেত্ৰত অসমৰ চুবুৰীয়া ৰাজ্য পশ্চিমবংগৰ লগত অসমৰ সাদৃশ্য আছে। পশ্চিমবংগ আৰু অসমৰ দুজন প্ৰখ্যাত ঔপন্যাসিক বিভূতিভূষণ বন্দোপাধ্যায় আৰু চৈয়দ আব্দুল মালিকৰ উপন্যাসসমূহ তুলনামূলক অধ্যয়ন পদ্ধতিৰে বিচাৰ-বিশ্লেষণ কৰাই গ্ৰন্থখনিৰ প্ৰধান উদ্দেশ্য। বিষয়বস্তুৰ গভীৰতা আৰু বিশালতাৰ তুলনাত মোৰ অধ্যয়ন আৰু বিচাৰ-বিশ্লেষণৰ সীমাবদ্ধতাক স্বীকাৰ কৰিছোঁ।

ডিব্ৰুগড বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাধ্যাপিকা ড° কৰবী ডেকা হাজৰিকা বাইডেউৰ উৎসাহ পৰামৰ্শ আৰু তত্বাৱধানত পাঁচ বছৰ গৱেষণাৰ অন্তত ডিব্ৰুগড বিশ্ববিদ্যালয়ত ২০০১ চনৰ ডিচেম্বৰ মাহত 'বিভূতিভূষণ বন্দোপাধ্যায় আৰু চৈয়দ আব্দুল মালিকৰ উপন্যাসৰ তুলনামূলক অধ্যয়ন শীৰ্ষক গৱেষণা-পত্ৰ দাখিল কৰিলোঁ। ২০০২ চনৰ জুন মাহত ডিব্ৰুগড বিশ্ববিদ্যালয়ে মোক উক্ত গৱেষণাৰ বাবে পি এইচ ডি ডিগ্ৰী প্ৰদান কৰিলে। সেই গৱেষণা পত্ৰকে গ্ৰন্থাকাৰে 'দুটি নক্ষত্ৰৰ ছাঁ - বিভূতিভূষণ আৰু মালিক শিৰোনামেৰে প্ৰকাশ কৰা হৈছে। দুই এটা বানানত হাত ফুৰোৱাৰ বাহিৰে মূলৰ কোনো সালসলনি কৰা নাই।

মোৰ অনুৰোধ ৰক্ষা কৰি ভূমিকা এখন লিখি দি ড কৰবী ডেকা হাজৰিকা বাইদেৱে গ্ৰন্থখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰিছে। বাইদেউৰ প্ৰীতিপূৰ্ণ দিহা-পৰামৰ্শ আৰু আন্তৰিক সহযোগিতাৰ কৃতজ্ঞচিত্তে শলাগ ল'লোঁ। মোৰ স্বামী শ্ৰীবিজয়ানন্দ বৰাৰ আন্তৰিক সহায় অবিহনে গ্ৰন্থখন প্ৰকাশ নহ'লহেঁতেন। তেওঁৰ সহযোগিতাৰ শলাগ কি বুলিনো ল'ম। আগ্ৰহেৰে গ্ৰন্থখনি প্ৰকাশৰ দায়িত্ব ল'লে কৌস্তুভ প্ৰকাশনৰ পৰিচালন উপদেষ্টা ভাতৃপ্ৰতীম শ্ৰীমান বীৰেন বৰুৱাই। তেওঁৰ লগতে কৌস্তুভ প্ৰকাশনৰ স্বত্বাধিকাৰী গায়ত্ৰী বৰুৱা প্ৰমুখ্যে সমূহ কৰ্মকৰ্তালৈ কৃতজ্ঞতা জনালোঁ।

১ ফেব্ৰুৱাৰী ২০০৩ খ্ৰীষ্টাব্দ — অঞ্জু বৰা

এম ডি কে জি কলেজ

ডিব্ৰুগড়

বিষয়সূচী

অৱতৰণিকা ১-৩

বিষযবস্তুৰ বিশিষ্টতা পৰিসৰ ব্যাপকতা
আৰু অধ্যয়নৰ প্ৰযোজনীযতা
পূৰ্বকৃত কৰ্ম
আলোচ্য বিষযৰ চমু আভাস

প্ৰথম অধ্যায় ৪-৩৩

বাংলা আৰু অসমীয়া উপন্যাসৰ পটভূমি বিকাশ আৰু বিস্তৃতি

দ্বিতীয় অধ্যায় ৩৪-৮৫

বিভূতিভূষণ আৰু মালিকৰ উপন্যাসত চৰিত্ৰ

তৃতীয় অধ্যায় ৮৬-১৩৮

বিভূতিভূষণ আৰু মালিকৰ উপন্যাসত প্ৰকৃতি

চতুৰ্থ অধ্যায় ১৩৯-১৮৬

বিভূতিভূষণ আৰু মালিকৰ উপন্যাসত গ্ৰাম্য জীৱনৰ
তুলনামূলক অধ্যযন

পঞ্চম অধ্যায় ১৮৭-২৪২

বিভূতিভূষণ আৰু মালিকৰ উপন্যাসত নাগৰিক জীৱন

ষষ্ঠ অধ্যায় ২৪৩-২৬১

দেবযান - বিভূতিভূষণৰ আধ্যাত্মচেতনা প্ৰধান উপন্যাস
মালিকৰ জীৱনীভিত্তিক উপন্যাস
বিভূতিভূষণৰ উপন্যাসৰ কথনভংগী
মালিকৰ উপন্যাসৰ কথনশৈলী

উপসংহাৰ ২৬২

গ্ৰন্থপঞ্জী ২৬৪

অৱতৰণিকা

পথের-পাঁচালী ৰচনাৰে উপন্যাস সাহিত্য জগতত প্ৰৱেশ কৰা বাংলা ঔপন্যাসিক বিভূতিভূষণ বন্দোপাধ্যায প্ৰথম ৰচনাৰেই দেশে-বিদেশে প্ৰতিষ্ঠা লাভ কৰিবলৈ সক্ষম হয। ছাপন্ন বছৰীয়া চুটি জীৱনকালত বিভূতিভূষণে চৈধ্যখন ভিন্নস্বাদৰ উপন্যাসেৰে বাংলা উপন্যাস সাহিত্যিক সমৃদ্ধ কৰিলে।

অসমীয়া সাহিত্য জগতত চৈযদ আব্দুল মালিক এজন সকলোৰে প্ৰিয় ঔপন্যাসিক। মহাযুদ্ধৰ পিছলৈকে অসমীয়া উপন্যাস সাতিহ্যত সুখপাঠ্য ৰচনাৰ কিছু পৰিমাণে অভাৱ আছিল। মালিকৰ উপন্যাসে অসমীয়া পাঠকৰ সেই অভাৱ দূৰ কৰিলে। বিংশ শতাব্দীৰ বিৰল প্ৰতিভাৰ অধিকাৰী কথাশিল্পী আব্দুল মালিকে ষাঠি বছৰৰো অধিক কাল সাহিত্য সাধনাৰে অসমীয়া সাহিত্যক সমৃদ্ধ কৰিছে। বাংলা আৰু অসমীয়া সাহিত্যৰ দুই উজ্জ্বল তাৰকা ক্ৰমে বিভূতিভূষণ বন্দোপাধ্যায় আৰু চৈযদ আব্দুল মালিকৰ উপন্যাসৰ তুলনামূলক অধ্যযনৰ প্ৰয়োজনীযতা নুই কৰিব নোৱাৰি। কাৰণ দুযোজনাৰ উপন্যাসসমূহৰ মাজেদি যথাক্ৰমে বাঙালী আৰু অসমীয়া জন-জীৱনৰ বৈশিষ্ট্যপূৰ্ণ ছবি ফুটি উঠিছে। নিজা নিজা আঞ্চলিক ভাষালৈ দুযোজনে অতি মূল্যৱান অৱদান আগবঢাইছে। তেওঁলোকৰ উপন্যাসে দুযোটা ভাষাৰে সাহিত্যিক শক্তিশালী কৰি তোলাৰ লগতে এচাম নিষ্ঠাৱান সাহিত্যপ্ৰেমীৰো জন্ম দিলে। এই দুযোজন ঔপন্যাসিকৰ উপন্যাসৰ তুলনামূলক অধ্যযনৰ দ্বাৰা অসমীয়া আৰু বাংলা ভাষাৰ উপন্যাসৰ মাজত থকা কিছুমান উমৈহতীয়া লক্ষণ বিচাৰি পোৱা যায। ইয়াৰ দ্বাৰা সৰ্বভাৰতীয সাহিত্যৰ মাজত থকা সংহতিৰ বিষযেও জনাৰ অৱকাশ আছে।

বিভূতিভূষণ বন্দোপাধ্যায়ৰ উপন্যাসৰ সংখ্যা চৈধ্যখন আৰু চৈযদ আব্দুল মালিকৰ উপন্যাসৰ সংখ্যা প্ৰায় পযষষ্ঠিখন। গৱেষণাৰ ক্ষুদ্ৰ পৰিসৰত দুযোজন ঔপন্যাসিকৰ সকলো উপন্যাসৰ আলোচনা সম্ভৱ নহয। গতিকে বিভূতিভূষণৰ দহখন আৰু মালিকৰ বিশখন প্ৰতিনিধিত্বমূলক উপন্যাসৰ আলমত ধাইকৈ এই আলোচনা আগবঢোৱা হৈছে।

বাংলা ঔপন্যাসিক বিভূতিভূষণ বন্দোপাধ্যাযৰ উপন্যাসৰ সমালোচনামূলক অধ্যযন বাঙালী সাহিত্যত অনেক হৈছে যদিও অসমীয়া সাহিত্যত এনে অধ্যয়ন চকুত পৰা বিধৰ নহয। অসমীয়া উপন্যাসৰ আলোচনাৰ প্ৰসংগত দুই এজন সমালোচকে বিভূতিভূষণৰ **পথেৰ পাঁচালীৰ** আলোচনা কৰিছে যদিও ই তেনেই

বিৰল। বিভূতিভূষণৰ উপন্যাসৰ **সকলো দিশ** সামৰি কৰা আলোচনা অসমীয়া সাহিত্যত পাবলৈ নাই। মালিকৰ উপন্যাসৰ সীমিত সংখ্যক আলোচনা অসমীয়া সাহিত্যত ইতিমধ্যে হৈছে। ড° সতেন্দ্ৰনাথ শৰ্মাৰ **অসমীয়া উপন্যাসৰ গতিধাৰা** ড° প্ৰফুল্ল কটকীৰ **স্বৰাজোত্তৰ অসমীয়া** উপন্যাস প্ৰফুল্ল চন্দ্ৰ বৰাৰ- **চৈয়দ আব্দুল মালিক আৰু অসমীয়া সাহিত্য ঃ আধুনিক যুগ** হোমেন বৰগোহাঞিৰ সম্পাদিত **মালিক**, গোলাঘাট সাহিত্য সভাৰ হৈ পবিত্ৰ বৰবৰা আৰু হেমেন চন্দ্ৰ হাজৰিকাৰ সম্পাদিত **সাহিত্যাচাৰ্য চৈয়দ আব্দুল মালিক** অভিনন্দন গ্ৰন্থত মালিকৰ উপন্যাসৰ দুই এটা আলোচনা হৈছে। চন্দ্ৰপ্ৰসাদ শইকীয়াৰ সম্পাদিত মাহেকীয়া আলোচনী **গৰীয়সী** মাৰ্চ ২০০১ সংখ্যাত চৈয়দ আব্দুল মালিকৰ ৰচনাৱলীৰ বিস্তৃত আলোচনা হৈছে। মালিকৰ উপন্যাসৰ বিশাল আযতনলৈ চাই তেওঁৰ উপন্যাস যিমানেই আলোচনা কৰা নহওক সিমানেই কম। দুযোজন ঔপন্যাসিকৰ উপন্যাসৰ তুলনামূলক অধ্যয়ন এতিয়ালৈকে হোৱা নাই।

গ্ৰন্থখন ছটা অধ্যয়ত বিভক্ত কৰা হৈছে।

প্ৰথম অধ্যায়ত বাংলা উপন্যাসৰ পটভূমি বাংলা উপন্যাসৰ চমু ইতিহাস বিভূতিভূষণৰ জীৱন আৰু সাহিত্যকৰ্ম অসমীয়া উপন্যাসৰ পটভূমি অসমীয়া উপন্যাসৰ চমু ইতিহাস আৰু চৈয়দ আব্দুল মালিকৰ জীৱন আৰু সাহিত্যকৰ্ম আলোচনা কৰা হৈছে।

দ্বিতীয অধ্যায আৰম্ভ কৰা হৈছে উপন্যাসত চৰিত্ৰৰ ভূমিকা শীৰ্ষক আলোচনাৰে। বিভূতিভূষণৰ অপু জিতু হাজাৰিঠাকুৰ সৰ্বজয়া দুৰ্গা আৰু পদ্ম আৰু মালিকৰ উপন্যাসৰ প্ৰতিনিধিত্বমূলক চৰিত্ৰ গুলচ হিৰণ্য শশাংক কপাহী পৰী আৰু অপৰাজিতা চৰিত্ৰকেইটাৰ চাৰিত্ৰিক বৈশিষ্ট্য বিশ্লেষণ কৰা হৈছে। লগতে বিভূতিভূষণ আৰু মালিকৰ চৰিত্ৰ-চিত্ৰণৰ তুলনামূলক অধ্যযন কৰা হৈছে।

তৃতীয অধ্যাযৰ বিযযবস্তু বিভূতিভূষণৰ প্ৰকৃতি-চেতনাৰ উৎস বিভূতিভূষণৰ উপন্যাসত প্ৰকৃতি আৰণ্যকত অৰণ্য আৰু মানুহ, অপৰাজিতত অৰণ্য বিভূতিভূষণৰ উপন্যাসত নদী অপৰাহ্ন জোনাকবাতি পৰ্বত-পাহাৰ সৰস্বতী হ্ৰদ আদিৰ সৌন্দৰ্য্য বৰ্ণনা মালিকৰ প্ৰকৃতিচেতনাৰ উৎস মালিকৰ উপন্যাসত প্ৰকৃতি মালিকৰ উপন্যাসত নদী অৰণ্য, পৰ্বত-পাহাৰ জোনাকবাতিৰ সৌন্দৰ্য্য বৰ্ণনা আৰু বিভূতিভূষণ আৰু মালিকৰ উপন্যাসত প্ৰকৃতি-চেতনাৰ তুলনামূলক অধ্যযন।

চতুৰ্থ অধ্যাযত বাংলা উপন্যাসত গ্ৰাম্য জীৱনৰ পটভূমি বিভূতিভূষণৰ গ্ৰাম্য জীৱনকেন্দ্ৰিক উপন্যাস বিভূতিভূষণৰ উপন্যাসত গ্ৰাম্য নাৰী-পুৰুষৰ প্ৰেম বিভূতিভূষণৰ উপন্যাসত গ্ৰাম্য আৰ্থ-সামাজিক জীৱন অসমীয়া উপন্যাসত গ্ৰাম্য

জীৱনৰ পটভূমি মালিকৰ গ্ৰাম্য আৰ্থ-সামাজিক জীৱন আৰু বিভূতিভূষণ আৰু মালিকৰ উপন্যাসৰ গ্ৰাম্য জীৱনৰ তুলনামূলক অধ্যয়ন কৰা হৈছে।

পঞ্চম অধ্যায়ৰ বিষয়বস্তু বাংলা উপন্যাসত নাগৰিক জীৱনৰ পটভূমি, দ্বিতীয় বিশ্বযুদ্ধ আৰু বাংলা উপন্যাস দ্বিতীয় বিশ্বযুদ্ধ আৰু বিভূতিভূষণৰ উপন্যাস, বিভূতিভূষণৰ উপন্যাসত নাগৰিক নাৰী-পুৰুষৰ প্ৰেম, বিভূতিভূষণৰ উপন্যাসত নাগৰিক আৰ্থ-সামাজিক জীৱন, অসমীয়া উপন্যাসত নাগৰিক জীৱনৰ পটভূমি, দ্বিতীয় বিশ্বযুদ্ধ আৰু অসমীয়া উপন্যাস দ্বিতীয় বিশ্বযুদ্ধ আৰু মালিকৰ উপন্যাস, মালিকৰ উপন্যাসত নাগৰিক নাৰী-পুৰুষৰ প্ৰেম, মালিকৰ উপন্যাসত নাগৰিক আৰ্থ-সামাজিক জীৱন আৰু বিভূতিভূষণ আৰু মালিকৰ উপন্যাসত নাগৰিক জীৱনৰ তুলনামূলক অধ্যয়ন।

ষষ্ঠ অধ্যায়ত বিভূতিভূষণ আৰু মালিকৰ উপন্যাসৰ কথনভংগী, বিভূতিভূষণৰ আধ্যাত্মচেতনা-প্ৰধান উপন্যাস দেৱযান মালিকৰ জীৱনীমূলক উপন্যাস— এইকেইটা বিষয়ত আলোচনা কৰি শেষত গৱেষণাৰ এটা সিদ্ধান্ত যুগুত কৰা হৈছে।

ভাৰতীয় সাহিত্যৰ দুটা বিশিষ্ট শাখাৰ এই দুজন সফল সাহিত্যিকৰ উপন্যাসৰ তুলনামূলক অধ্যয়নৰ দ্বাৰা কেৱল অসমীয়া আৰু বাংলা সাহিত্যৰেই নহয়, ভাৰতীয় সাহিত্যৰো কিছু বিশিষ্টতা বিচাৰি পোৱা যায়। অসমীয়া সাহিত্যত মালিকৰ যি অনুপম অৱদান তাক তুলনামূলক বিচাৰৰ মানদণ্ডৰে জুখি চালে দেখা যায় যে বাংলা সাহিত্যত বিভূতিভূষণৰ অৱদানতকৈ ই কোনো গুণে কম নহয়। এই গৱেষণা গ্ৰন্থৰ বিভিন্ন বিশ্লেষণত এই দুজন বিশিষ্ট সাহিত্যিকৰ অৱদান আলোচনাৰ দ্বাৰা সাহিত্যিক দুজনৰ ৰচনাৰ গুণাগুণ বিশেষত্ব আৰু গুৰুত্ব আলোচনা কৰা হৈছে।

প্ৰথম অধ্যায়

বাংলা উপন্যাসৰ পটভূমি, বিকাশ আৰু বিস্তৃতি

বাংলা সাহিত্যৰ অন্যতম শ্ৰেষ্ঠ সম্পদ উপন্যাস। যি কোনো সমাজৰ আৰ্থ সামাজিক আৰু সাংস্কৃতিক পৰিমণ্ডলৰ পৰিবৰ্তনৰ লগত তাল মিলাই সাহিত্যৰ বিষয়বস্তু আৰু আঙ্গিকৰো উত্তৰণ ঘটে। বাংলা উপন্যাসৰ আবিৰ্ভাৱৰ লগত সেযেহে সংযুক্ত হৈ আছে বাঙালী সমাজৰ দ্বন্দ্ব সংঘাতপূৰ্ণ অভ্যন্তৰীণ বিকাশ প্ৰক্ৰিয়া আৰু বাহ্যিক উপাদানসমূহৰ ঘাত-প্ৰতিঘাত। বঙ্গদেশত বৃটিছ উপনিবেশৰ বিস্তাৰৰ লগে লগে পাশ্চাত্য সভ্যতাৰ লগত বাঙালী মনৰ সংযোগ ঘটে। ফলত মধ্যযুগীয় বাঙালী সমাজৰ পৰিবৰ্তনৰ সূচনা হয়। সামাজিক পৰিবৰ্ত্তনৰ এই চৌৰে বাংলা সাহিত্যকৰ্মত নতুন দিগন্ত সূচনা কৰে। সময় আৰু সমাজৰ দ্বন্দ্বত ব্যক্তিসত্বা হৈ পৰে আত্মপৰিচয় সন্ধানী আৰু এই আত্মপৰিচয়ৰ তাগিদাই জন্ম দিয়ে বাংলা গদ্য সাহিত্যৰ।

বাংলা সাহিত্যৰ ইতিহাসত প্ৰাচীন মধ্য আৰু আধুনিক এই তিনিটা যুগত ভাগ কৰিব পাৰি। উপন্যাস সাহিত্য আধুনিক যুগৰ সৃষ্টি হ'লেও প্ৰাচীন আৰু মধ্যযুগৰ বাংলা সাহিত্যত উপন্যাসধৰ্মী কাহিনীৰ কিছু আভাস পোৱা যায়। বাংলা উপন্যাসৰ পটভূমি ৰচনাত এই কাহিনীসাহিত্যসমূহৰ অবদান নুই কৰিব নোৱাৰি।

মধ্যযুগৰ বাংলা সাহিত্য ঃ

কথা সাহিত্যৰ মৌলিক উপাদান গল্পৰস। বাংলা সাহিত্যৰ প্ৰাচীন যুগ মৌখিক লোক সাহিত্যৰ যুগ। মৌখিত সাহিত্যৰ এনে এক প্ৰাণশক্তি আছে যাৰ ফলত অতি সহজে দেশ দেশান্তৰত তাৰ বিস্তৃতি ঘটে। বাংলাদেশত প্ৰচলিত মৌখিক সাহিত্যৰ ভিতৰত ৰূপকথা উপকথা ব্ৰতকথা আৰু গীতিকা বিশেষভাৱে উল্লেখযোগ্য। গাঁও অঞ্চলত এই মৌখিক ৰচনাই নিৰক্ষৰ সমাজৰ গল্প পিপাসাক চৰিতাৰ্থ কৰিছিল ৰূপকথা উপকথা আৰু ব্ৰতকথাত একোটা ধৰাবন্ধা কাহিনী থাকে। এই কাহিনীসমূহে বিভিন্ন কথক মুখ বাগৰি বিভিন্ন ৰূপ লয় প্ৰত্যেকেই নিজৰ নিজৰ ভাললগা ধৰণে কাহিনীৰ সংযোগ-বিযোগ ঘটায়। কাহিনীৰ পৰিবৰ্ত্তিত ৰূপত সমকালীন ব্যক্তি-চেতনা আৰু সমাজচেতনাৰ প্ৰকাশ ঘটে। এই সমকালীন চেতনা উপন্যাসৰ এটা অন্যতম উপাদান। এই প্ৰসঙ্গত শ্ৰী কুমাৰ বন্দোপধ্যায়ৰ মন্তব্য স্মৰণীয়। আমাদেৰ দেশেৰ প্ৰাচীন সাহিত্যেৰ সমস্ত ছদ্মবেশেৰ মধ্য দিয়া উপন্যাসেৰ প্ৰথম অংকুৰ ও আদি লক্ষণগুলি আবিস্কাৰ কৰা যায়।[১]

প্ৰাচীন মহাকাব্যৰ ভাষান্তৰৰ দ্বাৰা বঙ্গ সাহিত্যই নতুন দিগন্ত লাভ কৰিছিল। কৃত্তিবাসৰ ৰামায়ণৰ অনুবাদ আৰু কাশীৰাম দাসৰ মহাভাৰতৰ অনুবাদ ইয়াৰ নিৰ্ভৰযোগ্য উদাহৰণ। ৰামায়ণ আৰু মহাভাৰতৰ চৰিত্ৰসমূহ কোনো কোনো ক্ষেত্ৰত বাস্তৱ বাঙালী লোকৰ সঁচা চৰিত্ৰ যেনেই লাগে। ৰামায়ণৰ দশৰথ ৰাম সীতা আদি চৰিত্ৰসমূহ এই ক্ষেত্ৰত উল্লেখযোগ্য। শ্ৰীকুমাৰ বন্দোপাধ্যায়ে এই ক্ষেত্ৰত উচিত মন্তব্য কৰিছে— তৰণীসেন বধ আৰু চন্দ্ৰকেতু বিষয়ক উপাখ্যান এইৰূপে ৰন্ধ্ৰে ৰন্ধ্ৰে বঙ্গদেশেৰ বিশেষ ভাৱমাধুৰ্য্যৰ দ্বাৰা অভিসক্তি হইয়া বাঙালীৰ ভক্তিৰস ও সুকুমাৰ স্নেহ দ্বাৰা অনুৰঞ্জিত হইয়া আমাদেৰ বাস্তৱ জীৱনেৰ একটি পৃষ্ঠায় ৰূপান্তৰিত হইয়াছে।[২] কৃত্তিবাসৰ ৰামায়ণত বাঙালী লোকৰ ব্যংগ বিদ্ৰূপেও ঠাই পাইছে। সেয়ে মহাকাব্যৰ অনুবাদত বাস্তৱ জীৱনৰ জীৱন্ত প্ৰকাশে উপন্যাসৰ বাৰ্ত্তা প্ৰেৰণ কৰিছে।

ইয়াৰ পিছতে উপন্যাসৰ স্পষ্ট পূৰ্বাভাস পোৱা যায় মুকুন্দৰামৰ কবিকঙ্কণ চণ্ডীত। এই চণ্ডীসমূহৰ আখ্যান আৰু চৰিত্ৰবিলাকৰ মাজত সূক্ষ্ম সম্বন্ধ স্থাপন হৈছে, যিটো আধুনিক উপন্যাসৰ বাবে অপৰিহাৰ্য।

বঙ্গদেশৰ লৌকিক গল্প ৰূপকথাৰ মাজত মানুহৰ লৌকিক আৰু সামাজিক জীৱনৰ ছবি প্ৰকাশ পোৱাৰ পিছত চৈতন্য চৰিত পুথিসমূহত ষোড়শ আৰু সপ্তদশ শতিকাৰ সামাজিক জীৱনৰ নিৰ্ভৰযোগ্য বিৱৰণ পোৱা যায়। সমকালীন সমাজৰ ৰীতি-নীতি চাল চলন ৰুচি-আদৰ্শ সাধাৰণ লোকৰ লৌকিক দৈনন্দিন জীৱনযাত্ৰা তীৰ্থ পৰ্য্যটন ধৰ্ম বিষয়ক বিচাৰ বিতৰ্ক আদিৰ বিষয়ে যি বিৱৰণ পোৱা যায় সি বাস্তৱতাৰ ওপৰত প্ৰতিষ্ঠিত।

ষোড়শ-সপ্তদশ শতিকাত ৰচিত ময়মনসিংহ গীতসমূহো এইক্ষেত্ৰত উল্লেযোগ্য। ময়মনসিংহৰ কৃষিজীৱি লোকৰ দ্বাৰা ৰচিত এই গীতসমূহ প্ৰকাশ কৰে কলিকতা বিশ্ববিদ্যালয়ে ময়মনসিংহ গীতিকা নামদি। ময়মনসিংহ গীত আখ্যানৰ মাজত সমসাময়িক সমাজৰ বাস্তৱচিত্ৰ ফুটি উঠিছে।

ইংৰাজী সাহিত্যৰ সৈতে পৰিচয় হোৱাৰ আগতে বাংলা সাহিত্য বৈদেশিক মুছলমানী ৰোমান্স আখ্যানৰ সংস্পৰ্শলৈ আহে। এই আখ্যানসমূহৰ মাজত সমসাময়িক সমাজৰ যি চিত্ৰ ফুটি উঠিছে সি আংশিকভাবে হ'লেও নিখুঁট বাস্তৱ সমাজৰ ছবি। শ্ৰী কুমাৰ বন্দ্যোপাধ্যায়ৰ মতে— কি প্ৰকৃতি বৰ্ণনা কি ৰূপবৰ্ণনা ও চৰিত্ৰচিত্ৰণ— সৰ্বত্ৰই এই অকুণ্ঠিত বাস্তৱতাৰ চিহ্ন সুপৰিস্ফুট।[৩] মুছলমান ৰোমান্স সাহিত্যৰ দুটা ধাৰা লক্ষ্য কৰা যায়। এটা সপ্তদশ শতিকাৰ শেহৰফালে ৰচিত আৰাকান ৰাজসভাৰ সাহিত্য আৰু আনটো ঊনবিংশ শতিকাৰ মজভাগত ৰচিত আৰব্য পাৰস্য ৰোমান্স কাহিনীসমূহ। বাংলা সাহিত্যৰ এক অভিনৱ সংযোজন আৰাকান ৰাজসভাৰ মুছলমানী গাথা সাহিত্য। এই কবিসকলৰ ভাষা— প্ৰযোগ আৰু উপমাৰ ক্ষেত্ৰত সংস্কৃত সাহিত্যৰ সমপৰ্য্যায়ৰ হলেও ধৰ্মীয় প্ৰভাৱমুক্ত প্ৰণয়কাহিনীৰ প্ৰৱৰ্ত্তনত নতুনত্ব আছে।

আৰবা উপন্যাসৰ হাতেমতাই, লাইলা মজনু চাহাব-দৰবেশ গোলে বকাগুলি আদি আখ্যানসমূহে বাঙালী পাঠকৰ মনত অভুতপূর্ব ৰহস্য আৰু সৌন্দর্য্যৰ সন্ধান দিছিল। এইশ্রেণী গল্পৰ বাংলা অনুবাদ বাংলা সাহিত্যিক প্রচেষ্টাৰ এটা প্রধান অঙ্গ আছিল।

নাথ-সাহিত্যৰ আখ্যানভাগ প্রাচীন নিৰক্ষৰ কৃষকৰ মুখে মুখে প্রচলিত। কাহিনীঅংশৰ লগত ৰূপকথৰ সাদৃশ্য থাকিলেও ৰূপকথাৰ অতি প্রাকৃত পৰিৱেশ ইয়াত নাই। নাথ সাহিত্যত গ্রাম্য উপমা আৰু গ্রাম্যজীৱনৰ সমালোচনা ঠায়ে ঠায়ে দৃষ্টিগোচৰ হয়। আধুনিক বাংলা উপন্যাসৰ গ্রাম্য বিষয়বস্তু নির্বাচনত নাথ-সাহিত্যৰ প্রভাব পৰিলক্ষিত হয়।

আধুনিক যুগ ঃ বাংলা উপন্যাসৰ বিকাশৰ যুগ ঃ

অষ্টাদশ শতিকাৰ শেহৰফালে ইংৰাজী শিক্ষা সংস্কৃতিযে লাহে লাহে বাঙালী জনসাধাৰণৰ মনত প্রভাব বিস্তাৰ কৰে। ১৮১৭ চনত প্রতিষ্ঠিত হিন্দু কলেজ পাশ্চাত্য শিক্ষাৰ কেন্দ্রস্বৰূপ আছিল। তাৰ আগতেও ৰাজা ৰামমোহন ৰাযে ইংৰাজী শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰিছিল। ৰাজা ৰামমোহন ৰাযে পোনপ্রথমতে এই কথা স্পষ্ট কৰি দিলে যে বঙ্গসমাজ কেৱল ইংৰাজসকলৰ বাণিজ্য বা সাম্রাজ্য বিস্তাৰৰ বাহনমাত্র নহয। তেওঁলোকৰ শিক্ষা সংস্কৃতিৰো উত্তৰাধিকাৰী। তেৱেঁই পাশ্চাত্য যুক্তিবাদ বাংলা সামাজিক আৰু ধর্মবিষযক আলোচনাত প্রয়োগ কৰি বাংলা সাহিত্যিক প্রচেষ্টাক নতুন দিশত প্রৱহিত কৰিলে। এই বাদ প্রতিবাদৰ কোলাহলমুখৰ পৰিৱেশতেই বাংলা উপন্যাসে জন্মলাভ কৰে। **সমাচাৰ দর্পন** প্রথম বাংলা সংবাদ পত্র। সংবাদপত্রৰ সৈতে উপন্যাসৰ ঘনিষ্ঠ সম্পর্ক। প্রথম বাংলা উপন্যাসৰ পূর্বাভাস **সমাচাৰ দর্পন**ৰ বুকুতেই বিচাৰি পোৱা যায। ১৮২১ চনত **সমাচাৰ দর্পণ**ত সম্পাদকে বাবু চৰিত্রৰ আলোচনাৰ যোগেদি তথাকথিত বাবু সমাজৰ ভণ্ডামি অহংকাৰ আদি সুন্দৰকৈ প্রকাশ কৰিছিল। এই বাবুসকলে ইংৰাজৰ আদব-কাযদা অনুকৰণ কৰি নিজকে ইংৰাজবাবুৰ সমপর্য্যয়ৰ বুলি বিবেচনা কৰিছিল।

১৮২৩ চনত ৰচিত প্রমথনাথ শর্মাৰ **নববাবুৰ বিলাস** প্রথম বাংলা উপন্যাস। উপন্যাসখনৰ বিষয়বস্তু ব্যঙ্গাত্মক। ১৮৫৮ চনত পাৰীচাঁদ মিত্রৰ আলালেৰ ঘৰেৰ দুলাল ৰচনা হয়। ১৮৬২ চনত ৰচনা হয় কালীপ্রসাদ সিংহৰ হুতোম প্যাচাৰ নক্সা। এই তিনিওখন উপন্যাসতে বাবু চৰিত্র আৰু বাবু সমাজৰ দৃষ্টিভংগীৰ প্রকাশ ঘটিছে। বাবু সমাজৰ অমিতব্যয়ী স্বভাৱৰ কাৰণে ইংৰাজী শিক্ষা দায়ী নহয দাযী ইংৰাজৰ বাণিজ্যৰ প্রসাৰতা। এই সময়ত বৈদেশিক বাণিজ্যৰ সৈতে প্রথম সম্পর্ক স্থাপনৰ ফলত বঙ্গদেশত অর্থনৈতিক সমৃদ্ধিৰ এক ক্ষণস্থায়ী জোৱাৰ উঠিছিল। বাঙালী ব্যৱসায়ী সকলে ইংৰাজৰ পণ্যদ্রব্য দেশত প্রচলন কৰি আৰু ইংৰাজৰ বাণিজ্য বিস্তাৰৰ কাৰণে

কেচাঁমালৰ যোগান ধৰি লাভৰ কিছু অংশ পাইছিল। এই নতুন ধনী বাবুসকলে নিজৰ সংস্কৃতি পৰিহাৰ কৰি ইংৰাজৰ আদব কায়দাৰে বিলাসী জীৱন যাপন কৰিছি। তিনিওখন উপন্যাসতে এইদৰে সৃষ্টি হোৱা বাবুসকলৰ বিশৃঙ্খল জীৱনৰ বৰ্ণনা আছে।

শ্ৰীমতী হ্যানা ক্যাথাৰিনৰ ১৮৫২ চনত ৰচিত **কৰুণা আৰু ফুলমণিৰ বিৱৰণ** নামৰ উপন্যাসখন আলালেৰ ঘৰেৰ দুলালৰ আগৰ। গতিকে প্ৰথম বাংলা উপন্যাসৰ গৌৰৱ **কৰুণা আৰু ফুলমণিৰ বিৱৰণ** উপন্যাসেও দাবী কৰিব পাৰে। উপন্যাসখনৰ বিষয়বস্তু খৃষ্টান ধৰ্মান্তৰিত এটা বঙালী পৰিয়ালৰ জীৱনযাত্ৰাৰ ইতিহাস। উপন্যাসখন খৃষ্টানধৰ্ম প্ৰচাৰধৰ্মী। লেখিকাই উপন্যাসখনৰ যোগেদি খৃষ্ট ধৰ্মৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ যত্ন কৰিছে। উপন্যাসখনত পোনপ্ৰথমবাৰৰ বাবে বাঙালী জীৱনৰ গভীৰ সমস্যা আৰু পাৰিবাৰিক জীৱনৰ সুখ-শান্তিৰ চিত্ৰ প্ৰতিফলিত হৈছে। সেই সময়তে ৰেভাৰেণ্ড লালবিহাৰী দেৰ চন্দ্ৰমুখীৰ উপাখ্যান আৰু ভূদেৱ মুখোপাধ্যায়ৰ আঙুৰীয় বিনিময় ৰচিত।

প্ৰাক্ বঙ্কিমচন্দ্ৰ যুগৰ সাহিত্যিক প্ৰমথনাথ শৰ্মা হ্যানা ক্যাথাৰীন প্যাৰীচাঁদ মিত্ৰ ৰেভাৰেণ্ড লালবিহাৰী দে ভূদেৱ মুখোপাধ্যায় আৰু কালীপ্ৰসাদ সিংহ আদি লেখকসকলে তেওঁলোকৰ সৃষ্টিৰ মাজেদি বাংলা উপন্যাসৰ ভেটি গঢ়াত সহায় কৰিছে। প্ৰমথনাথ শৰ্মা আৰু প্যাৰীচাঁদ মিত্ৰৰ সমাজ বাস্তৱতাৰ কাহিনীৰ ভিত্তিত নীতিকথাৰ প্ৰকাশ ঘটিছে। অন্যহাতে খৃষ্টধৰ্ম প্ৰচাৰধৰ্মী হলেও হ্যানা কাথেৰীনৰ ৰচনাত বংগৰ খৃষ্টানধৰ্মীসকলৰ জীৱন কথাৰ পৰিচয় আছে। লালবিহাৰী ৰচনাত গাৰ্হস্থ্য জীৱনৰ ছবি লক্ষণীয়। এইদৰে ক্ৰমশ বঙ্কিমচন্দ্ৰৰ আবিৰ্ভাৱৰ পথ সুগম হ'ল।

প্ৰথম যুগৰ ঐতিহাসিক উপন্যাস ঃ

বাংলা ঐতিহাসিক উপন্যাসৰ আবিৰ্ভাৱ ঘটে বঙ্কিমচন্দ্ৰৰ হাতত। বাংলা সাহিত্য বিচাৰত এই কথা নিসন্দেহে ক'ব পাৰি যে বঙ্কিমচন্দ্ৰৰ হাততেই বাংলা উপন্যাসৰ যথাৰ্থ প্ৰতিষ্ঠা আৰু পূৰ্ণাঙ্গ ৰূপে আত্মপ্ৰকাশ কৰে। বঙ্কিমচন্দ্ৰৰ **দুৰ্গেশনন্দিনী** বাংলা উপন্যাসৰ মাইলৰ খুটি। বঙ্কিমচন্দ্ৰই মুঠতে চৌধ্য খন ঐতিহাসিক ৰচনা কৰিছিল। তাৰ ভিতৰত **কপালকুণ্ডলা** (১৮৬৬) **মৃণালিনী** (১৮৬৯) **যুগলাঙ্গুৰীয়** (১৮৭৮) **চন্দ্ৰশেখৰ** (১৮৭৫) **ৰাজসিংহ** (১৮৮১) **আনন্দমঠ** (১৮৮২) **দেবী চৌধুৰাণী** (১৮৮৪) **সীতাৰাম** (১৮৮৭) উল্লেখযোগ্য।

বঙ্কিমচন্দ্ৰৰ **দুৰ্গেশনন্দিনী ৰাজসিংহ** আৰু **চন্দ্ৰশেখৰ** খাটি ঐতিহাকি উপন্যাস। মৃণালিনীত যি ঐতিহাসিক কাহিনী অৱতাৰণা কৰা হৈছে সি বহুপৰিমাণে আনুমানিক। দেৱী-চৌধুৰাণী ঐতিহাসিক পটভূমিত ৰচিত পাৰিবাৰিক উপন্যাস। আনন্দমঠৰ বিষয়বস্তু কাল্পনিক। কপালকুণ্ডলাত ৰোমান্সৰ অতিমাত্ৰাই ঐতিহাসিক ঘটনাক বিশেষত্বহীন কৰি তুলিছে। বঙ্কিমচন্দ্ৰৰ হাততেই বাংলা ঐতিহাসিক আৰু সামাজিক উপন্যাসৰ ভেটি স্থাপন হয়। বিজিতকুমাৰ দত্তৰ মন্তব্য এইক্ষেত্ৰত প্ৰণিধানযোগ্য 'বঙ্কিমচন্দ্ৰই সাহিত্যেৰ

এই শাখাটিকে ফুটন্ত-ফলন্ত কৰে তোলবাৰ জন্যে নিজ প্ৰতিভাকে নিয়োজিত কৰলেন। বহু প্ৰতিভাবানকে আহ্বান জানালেন উপন্যাসেৰ প্ৰাঙ্গনে। তাৰ ফল যে কী অসামান্য হয়েছিল সে কথা সাহিত্যেৰ ইতিহাস অনুধাৱন কৰলে বোঝা যায়।[4]

ৰমেশচন্দ্ৰৰ চাৰিখন ঐতিহাসিক উপন্যাস৷ **বঙ্গবিজেতা** (১৮৭৩) **মাধৱীকঙ্কণ** (১৮৭৬) **জীৱন-প্ৰভাত** (১৮৭৮) আৰু **জীৱনসন্ধ্যা** (১৮৭৯)। ইয়াৰ বাহিৰেও ৰমেশচন্দ্ৰ দখন সামাজিক উপন্যাস **সংসাৰ** (১৮৮৬) আৰু **সমাজ** (১৮৯৩) ৰ লেখক। দুযোখন উপন্যাসত ঐতিহাসিক কোলাহলৰ পৰা মুক্ত গ্ৰাম্য পাৰিবাৰিক জীৱনৰ সুখ দুখৰ ছবি সুন্দৰভাৱে পৰিস্ফুট হৈছে।

প্ৰতাপচন্দ্ৰ ঘোষৰ **বঙ্গাধিপতিৰ পৰাজয়** দুটা খণ্ডত ৰচিত বৃহৎ কলেৱৰৰ বঙ্কিমচন্দ্ৰৰ আদৰ্শত লিখা ঐতিহাসিক উপন্যাস। উপন্যাসখন বিভিন্ন অপ্ৰয়োজনীয় চৰিত্ৰ আৰু ঘটনাৰে ভাৰাক্ৰান্ত।

বঙ্কিমচন্দ্ৰৰ সমসাময়িক আনজন ঔপন্যাসিক তাৰকনাথ গঙ্গোপাধ্যায়৷ তেখেতৰ জনপ্ৰিয় উপন্যাস **স্বৰ্ণলতা** (১৮৭৪)। উপন্যাসখনৰ বিষয়বস্তু বাঙালী সাধাৰণ গাৰ্হস্থ্য জীৱনৰ কাৰুণ্য আৰু ধৰ্মীয় পৰিৱেশ। উপন্যাসখনত এফালে বাস্তৱধৰ্মী চিন্তাধাৰ আৰু আনফালে ধৰ্মীয় নীতিত আস্থাশীল লোকৰ ৰোমান্সধৰ্মী কৌতহলী মনৰ পৰিচয় পোৱা যায়।

ঊনৈশ শতিকাত এলানি ঐতিহাসিক উপন্যাস ৰচনা কৰি ইংৰাজী সাহিত্যত স্কটে বিশ্বজোৰা খ্যাতি অৰ্জন কৰিছিল। স্কটলেণ্ডৰ অতীত বুৰঞ্জী জনশ্ৰুতি কিংবদন্তি আৰু সৰুতে বুঢ়ীমাকৰ পৰা শুনা সাধুকথাবিলাকে স্কটক অধিকভাৱে আকৰ্ষণ কৰিছিল। সেয়ে স্কটে তেওঁৰ উপন্যাসসমূহত অতীতৰ ইতিহাস জীৱন্ত ৰূপত প্ৰকাশ কৰিছিল। বঙ্কিমচন্দ্ৰৰ ঐতিহাসিক উপন্যাস ৰচনাৰ মূলতে স্কটৰ প্ৰেৰণা নুই কৰিব নোৱাৰি স্কটৰ ঐতিহাসিক উপন্যাসসমূহে বঙ্কিমচন্দ্ৰকে নহয় ৰমেশচন্দ্ৰ তাৰকনাথ আৰু প্ৰতাপচন্দ্ৰকো অনুপ্ৰাণিত কৰিছিল।

বঙ্কিমচন্দ্ৰৰ পিছত উপন্যাস ৰচনাৰে খ্যাতি আৰ্জন কৰা ঔপন্যাসিক ৰবীন্দ্ৰনাথ বঙ্কিমচন্দ্ৰৰ পিছত বাংলা উপন্যাস সাহিত্যত এক নতুন যুগৰ সূচনা হয়। এই যুগৰ উপন্যাসৰ দুটা লক্ষণ চকুত পৰে। প্ৰথমতে এই যুগত ঐতিহাসিক উপন্যাসৰ তিৰোভাৱ হয় দ্বিতীয়তে বাস্তৱ-সামাজিক উপন্যাস ব্যাপকভাৱে ৰচিত হয়। বঙ্কিমচন্দ্ৰৰ পিছৰ যুগত বাস্তৱ সামাজিক উপন্যাসে প্ৰসাৰ লাভ কৰে ৰবীন্দ্ৰনাথৰ হাতত। ৰবীন্দ্ৰনাথৰ প্ৰথম উপন্যাস **বৌঠাকুৰাণীৰ হাট** (১৮৮৩) আৰু **ৰাজৰ্ষি** (১৮৮৭) ঐতিহাসিক উপন্যাসৰ আদৰ্শত ৰচিত সামাজিক উপন্যাস তেখেতৰ **নৌকাডুবিত** (১৯০৬) ৰোমান্স আৰু বিস্ময়কৰ ঘটনাক বিষয়বস্তু হিচাপে গ্ৰহণ কৰিছে। **চোখেৰ বালি** (১৯০৩) উপন্যাস ঘটনা বিন্যাস আৰু চৰিত্ৰ বিশ্লেষণত ঔপন্যাসিকে অনন্য প্ৰতিভাৰ সন্ধান দিছে। **গোৰা** (১৯০৯) উপন্যাসৰ পৰিসৰ বিস্তৃত। বিষয়বস্তু আৰু চৰিত্ৰৰ

বিশালতালৈ লক্ষ্য ৰাখি উপন্যাসখনক মহাকাব্যিক উপন্যাস আখ্যা দিব পাৰি। ৰবীন্দ্ৰনাথৰ গোৰাৰ পিছৰ উপন্যাসসমূহত ৰচনাভংগী আৰু চৰিত্ৰ-চিত্ৰণৰ নতুনত্ব লক্ষ্য কৰা যায়। শেষেৰ কবিতাৰ ভাষা আৰু বৰ্ণনাভংগীত কবি ৰবীন্দ্ৰনাথৰ প্ৰকাশ ঘটিছে। **ঘৰে-বাইৰে** (১৯৯৬) উপন্যাসৰ দুটা স্তৰ পৰিলক্ষিত হয়। প্ৰথমটো ৰাজনৈতিক দ্বিতীয়টো সামাজিক। স্বদেশী আন্দোলনত দেশপ্ৰেমৰ জোৱাৰৰ অন্তৰালত যি নীতিজ্ঞান বৰ্জিত দৃষ্টিভংগীৰ গোন্ধ আছিল উপন্যাসখনৰ মাজেদি তাক অনাবৃতভাবে প্ৰকাশ কৰা হৈছে।

বঙ্কিমচন্দ্ৰৰ পিছতে বাংলা উপন্যাসৰ গতি যেতিয়া ৰুদ্ধপ্ৰায় হৈছিল তেতিয়াই ৰবীন্দ্ৰনাথে দেখুৱাই যোৱা পথেৰেই গতি কৰিছে বঙ্গদেশৰ জনবহুল গাঁও দ্বন্দ্ব বহুল পাৰিবাৰিক জীৱন দৰিদ্ৰতা আৰু ঈৰ্ষাবিদ্বেষেৰে পৰিপূৰ্ণ গৃহস্থীজীৱনৰ চিত্ৰ ৰবীন্দ্ৰনাথৰ উপন্যাসত সততে দেখিবলৈ পোৱা যায়। বিষয়-নিবাচন চৰিত্ৰ-চিত্ৰণ চৰিত্ৰৰ অন্তৰ্নিহিত সমস্যাৰ বিশেষত্ব সকলোতে ৰবীন্দ্ৰনাথে অসাধাৰণ প্ৰতিভাৰ পৰিচয় দিছে। ৰবীন্দ্ৰনাথৰ কবি প্ৰতিভাৰ দ্বাৰাও উপন্যাসসমূহ প্ৰভাৱান্বিত হৈছে।

ৰবীন্দ্ৰনাথৰ পিছতেই শৰৎচন্দ্ৰই বাঙালী সামাজিক জীৱনৰ সকলো দিশ বিশ্লেষণ কৰি প্ৰণালীবদ্ধভাৱে উপন্যাস ৰচনা কৰিছিল। তেওঁৰ উপন্যাসৰ অন্য এটা বৈশিষ্ট হৈছে গ্ৰাম্য সমাজৰ প্ৰতি অধিক দৃষ্টিপাত। বঙ্কিমচন্দ্ৰৰ আদৰ্শত উপন্যাস আৰু চুটিগল্প লিখা আৰম্ভ কৰিলেও শৰৎচন্দ্ৰৰ গদ্য সাহিত্যত ৰবীন্দ্ৰনাথৰ প্ৰভাৱেই অধিক।

শৰৎচন্দ্ৰৰ **দত্তা** (১৯১৮) উপন্যাসৰ কাহিনী ৰোমাণ্টিক। **দেনা-পাওনা** (১৯২৩)ৰ কাহিনী আকৰ্ষণীয় আৰু অগতানুগতিক **পল্লীসমাজ আৰক্ষণীয়** আৰু **বামুনেৰ মেয়ে** উপন্যাসৰ কাহিনী পাৰিবাৰিক তিনিওখন উপন্যাসতে সামাজিক অত্যাচাৰ আৰু উৎপীড়নৰ বিৰুদ্ধে প্ৰতিবাদ কৰা হৈছে। তেওঁৰ উপন্যাস **চৰিত্ৰহীন** (১৯১৭) **গৃহদাহ** আৰু **শ্ৰীকান্তৰ** বিষয়বস্তু নিষিদ্ধ প্ৰেম। **চৰিত্ৰহীনত** সমাজে চৰিত্ৰহীনৰূপে আখ্যা দিয়া এজন নায়কৰ সৰল নিস্কলঙ্ক জীৱনৰ আভাস পোৱা যায়। **গৃহদাহ** উপন্যাসত অবৈধ প্ৰেমে পাৰিবাৰিক জীৱনৰ সুখ শান্তি কেনেকৈ বিনষ্ট কৰে তাক দেখুওৱা হৈছে। বাংলা গতানুগতিক উপন্যাস ৰীতিক সাধাৰণ পাঠকৰ মনৰ উপযোগী ঘৰুৱা আৰু ভাৱগধুৰ ৰূপ দি শৰৎচন্দ্ৰই তেওঁৰ উপন্যাসত উপস্থাপন কৰিলে।

বাংলা উপন্যাস সাহিত্যৰ ক্ষেত্ৰতে স্মৰণীয় ঘটনা হ'ল মহিলা ঔপন্যাসিকাৰ আবিৰ্ভাব। মহিলা ঔপন্যাসিকাৰ পথ প্ৰদৰ্শক আছিল স্বৰ্ণকুমাৰী দেৱী। তেওঁৰ উপন্যাসসমূহ **দীপনিৰ্বাৰণ ফুলেৰমালা মিৰাজৰাজ** আৰু **বিদ্ৰোহ** ঐতিহাসিক পটভূমিত ৰচিত। **মিৰাজৰাজ** আৰু **বিদ্ৰোহ** উপন্যাসত ৰাজপুতনাৰ ভীল আৰু ৰাজপুতসকলৰ জাতিগত বিৰোধৰ বিৱৰণ পোৱা যায় তেওঁৰ সামাজিক আৰু পাৰিবাৰিক উপন্যাসসমূহ হ'ল **চিন্ন-মুকুল হুগলীৰ ইমামবাড়ী কাহাকো** আৰু দুটা খণ্ডত ৰচিত **স্বৰ্ণলতা**। আটাইকেইখন সামাজিক উপন্যাসত ধৰ্ম আৰু সামাজিক বিচাৰ বিতৰ্কই আগঠাই

পাইছে। কাহাকো লেখিকাৰ উৎকৃষ্ট উপন্যাস। উপন্যাসখনত নাৰীৰ প্ৰেম নাৰীৰ সমস্যা আৰু আৱেগ-অনুভূতিৰ ওপৰত অধিক গুৰুত্ব দিয়া হৈছে।

স্বৰ্ণকুমাৰী দেৱীৰ পৰৱৰ্ত্তী ঔপন্যাসিকাসকলৰ উপন্যাসত দুটা বিপৰীতমুখী ধাৰা লক্ষ্য কৰা যায়। প্ৰথম ধাৰাত হিন্দু সমাজৰ ওপৰত আক্ৰমণ দ্বিতীয় ধাৰাত নাৰী সমাজৰ ওপৰত আধুনিক মনোবৃত্তিৰ প্ৰকাশ। অনুৰূপা দেৱীৰ উপন্যাসসমূহ হ'ল **মন্ত্ৰশক্তি মহানিশা পথহাৰা গৰীবেৰ মেয়ে মা বাগদত্তা ৰামগড** আৰু **ত্ৰিবেণী**। প্ৰথমকেইখন পাৰিবাৰিক নাৰীকেন্দ্ৰিক উপন্যাস শেহৰ দুখন ঐতিহাসিক। **পোষ্যপুত্ৰ জ্যোতিহাৰা** আৰ **চক্ৰ** উপন্যাসত নাৰী চৰিত্ৰ অংকণত লেখিকাই বিশেষ পাৰদৰ্শিতাৰ পৰিচয় দিছে।

সীতা দেৱীৰ উপন্যাস **পথিক-বন্ধু ৰজনীগন্ধা পৰভৃতিকা** আৰু **বন্যা**। লেখিকাই তেওঁৰ উপন্যাসত গাৰ্হস্থ্যজীৱনৰ মাজত অৰ্থস্বাতন্ত্ৰ্যৰ কাৰণে সংগ্ৰাম চলোৱাৰ উদাহৰণ দাঙি ধৰিছে। শান্ত দেৱীৰ জীৱন-দোলা চিৰন্তনী আদি উপন্যাসসমূহ নাৰীকেন্দ্ৰিক।

প্ৰথম পৰ্য্যায়ৰ ঔপন্যাসিকাসকলৰ উপন্যাসত নাৰী চৰিত্ৰই বিশেষ প্ৰাধান্য লাভ কৰিছিল। কিন্তু সাম্প্ৰতিক কালত পুৰুষ আৰু নাৰী ঔপন্যাসকাৰ দৃষ্টিভংগী প্ৰায় অভিন্ন। বাস্তৱ অৱস্থাৰ প্ৰভাৱ নাৰী অধিকাৰ প্ৰতিষ্ঠাৰ বাবে নাৰীসকলৰ আত্মনিৰ্ভৰশীলতাৰ অনুশীলন জীৱনৰ প্ৰতি আধুনিক দৃষ্টিভংগী এই সকলোৱে নাৰী স্বাতন্ত্ৰ্যৰ অন্তৰায়সমূহৰ পৰা মুক্তি দিছে। পাৰিবাৰিক সমস্যাও বহুপৰিমাণে কমিছে। বাঙালী পৰিয়ালসমূহ যৌথ পৰিয়ালৰ সলনি ক্ষুদ্ৰ পৰিয়ালত সীমিত হোৱাত শাহু বোৱাৰীৰ কন্দল ননদ-বৌৱেকৰ পাৰিবাৰিক সমস্যা বহুখিনি নোহোৱা হৈছে। সাম্প্ৰতিক মহিলা ঔপন্যাসিকাৰ ভিতৰত আশালতা সিংহ জ্যোতিৰ্ময়ী দেৱী প্ৰতিভা দেৱী মহাশ্বেতা দেৱী অমলা দেৱী আশাপূৰ্ণা দেৱী আৰু বাণী ৰয়ে প্ৰতিষ্ঠা লাভ কৰিছে।

নৰেশচন্দ্ৰ সেনগুপ্তই **শুভা** (১৯২০) **শান্তি** (১৯২১) আৰু **মেঘনাদ**— তিনিখন সামাজিক উপন্যাস ৰচনা কৰিছিল। ভাৰতবৰ্ষ পত্ৰিকাত ধাৰাবাহিকভাৱে প্ৰকাশ পোৱা পাপেৰ ছাপ উপন্যাসত তেও সাহসৰ পৰিচয় দিছে। যৌনভাৱমিশ্ৰিত অপৰাধমূলক মনোবৃত্তিৰ চিত্ৰণ বাঙালী উপন্যাসত এয়াই প্ৰথম।

কেদাৰনাথ বন্দোপাধ্যায়ৰ উপন্যাসত সাধাৰণ বাঙালী ভদ্ৰ পৰিয়ালৰ প্ৰত্যাহিক জীৱন আৰ ব্যৱহাৰৰ সৰস বৰ্ণনা পোৱা যায়। **কোষ্ঠীৰ ফলাফল** (১৯২৭) **ভাদুৰী মশাই** (১৯৩১) **আই হ্যাজ** (১৯৩৫) **পাওনা** (১৯৩৬) আৰু **সন্ধ্যা শংখ** (১৯৪০) তেখেতৰ উপন্যাস। কৰ্মসূত্ৰে কেদাৰনাথ ভাৰতৰ বিভিন্ন ঠাইত ঘূৰি ফুৰিছিল। এই দেশভ্ৰমণৰ অভিজ্ঞতাই তেখেতক প্ৰবাসী বাঙালী পাৰিবাৰিক আৰু সামাজিক জীৱনক লৈ উপন্যাস লিখাত সহায় কৰিছিল।

তৃতীয় দশকৰ আৰম্ভণিতে উপন্যাস ৰচনাত হাত দিয়া গকুলচন্দ্ৰ নাগ আৰ্টৰ ছাত্ৰ আছিল। তেখেতৰ সৌন্দৰ্যশিক্ষা আৰু সৌন্দৰ্যপ্ৰিয়তা উপন্যাসসমূহত প্ৰতিফলিত

হৈছে। তেখেতৰ প্ৰধান উপন্যাস **পথিক**।

দীনেশ ৰঞ্জন দাসৰ উপন্যাস **দীপক**। উপন্যাসখন **কল্লোল** আলোচনীৰ পাতত ছোৱা-ছোৱাকৈ প্ৰকাশ পাইছিল। মনীন্দ্ৰলাল বসুৰ উপন্যাসত শিক্ষিত ডেকা বাঙালী যুৱকৰ লোভনীয় কলিকতা মহানগৰত লাহ-বিলাহৰ জীৱন যাপনৰ ৰোমাণ্টিক কল্পনাৰে ভৰপুৰ। **জীৱন যমন** (১৯৩৬) উপন্যাসত যৌৱনোম্মেষৰ মনোবৃত্তি নিপুনতাৰে বৰ্ণিত হৈছে। তেখেতৰ অন্যান্য উপন্যাসসমূহ **সহযাত্ৰিনী** (১৯৪১) **অজয় কুমাৰ** (১৯৮২) আৰু **সোণৰ কাঠি** উল্লেখযোগ্য।

বিভূতিভূষণ বন্দোপাধ্যায় ঃ জীৱন আৰু সাহিত্য ঃ

বিভূতিভূষণৰ জন্ম হয় ১৮৯৪ চনৰ ১২ ছেপ্তেম্বৰত ঘোষপাৰা মুৰাতিপুৰ নামৰ গাঁৱত মোমাযেকৰ ঘৰত। তেওঁৰ পিতৃৰ ঘৰ যশোহৰ জিলাৰ (বৰ্ত্তমান ২৪ পৰগণা) বনগ্ৰাম মহকুমৰ অন্তৰ্গত ইছামতী নদীৰ পাৰৰ ব্যাৰাকপুৰ গাঁৱত। তেওঁৰ দেউতাকৰ নাম আছিল মহানন্দ বন্দোপাধ্যায় শাস্ত্ৰী আৰু মাক মালিনী দেৱী। তেওঁৰ দেউতাকৰ পেশা আছিল কথকতা। দেউতাক মহানন্দ কিছু পৰিমাণে সংসাৰৰ প্ৰতি উদাসীন আছিল কাৰণে পৰিয়ালটো আৰ্থিকভাবে স্বচ্ছল নাছিল। পৰিয়ালৰ পাচোঁটা সন্তানৰ বিভূতিভূষণ আছিল জ্যেষ্ঠ।

বিভূতিভূষণৰ ঘৰুৱা শিক্ষা আৰম্ভ হয় দেউতাকৰ ওচৰত। তাৰপিছত নিজৰ গাঁৱৰ পাঠশালা স্কুলত কিছুদিন পটি বনগাঁও উচ্চ ই্ৰাজী বিদ্যালয়ত নামৰ্ত্ত কৰে। তাত তেও বিনামাছুলে পঢ়াৰ সুযোগ লাভ কৰিছিল। অষ্টম শ্ৰেণীত পটি থাকোঁতেই তেওঁৰ দেউতাকৰ মৃত্যু হয়। নানা দুখ কষ্টৰ মাজেদি পটি তেও ১৯১৪ চনত প্ৰথম বিভাগত প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। ১৯১৬ চনত কলিকতাৰ ৰিপন কলেজৰ পৰা তেও প্ৰথম বিভাগত আই এ পাছ কৰে। ১৯১৮ খৃ ত এই কলেজৰ পৰাই ডিষ্টিংচন সহ স্নাতক ডিগ্ৰী লাভ কৰে। ইয়াৰ পিছত তেও এম এ আৰু আইনৰ শ্ৰেণীত নামভৰ্ত্তি কৰিছিল যদিও আৰ্থিক অভাৱৰ কাৰণে পঢ়া সম্ভৱ নহ'ল।

স্নাতক তৃতীয় বাৰ্ষিক শ্ৰেণীত পটি থকা সময়তে বিভূতিভূষণৰ বসিৰহাটৰ মোক্তাৰ কালীভূষণ মুখোপাধ্যায়ৰ কন্যা গৌৰী দেৱীৰ লগত বিবাহ সম্পন্ন হয়। কিন্তু বিবাহৰ এবছৰৰ পিছতেই গৌৰীৰ অকাল মৃত্যুত তেওঁ কিছুদিন সন্ন্যাস জীৱন যাপন কৰে। ইয়াৰ বহুদিনৰ পিছত ১৯৪০ চনত তেও ফৰিদপুৰ জিলাৰ অন্তৰ্গত ছয়গাঁও নিবাসী যোড়শীকান্ত চট্টোপাধ্যায়ৰ কন্যা ৰমা দেৱীক বিয়া কৰায়। বিবাহৰ সাত বছৰৰ পিছত তেওঁৰ একমাত্ৰ পুত্ৰ তাৰাদাস (ঘৰুৱা নাম বাবলু)ৰ জন্ম হয়।

জাঙ্গিপাৰাৰ হাইস্কুলত শিক্ষকৰ চাকৰিৰে বিভূতিভূষণে শিক্ষকতা জীৱন আৰম্ভ কৰে। তাৰ পিছত ২৪ পৰগনাৰ হৰিনাভি গাঁৱৰ উচ্চ ইংৰাজী বিদ্যালয়ৰ শিক্ষক হিচাপে যোগদান কৰে। এই স্কুলত শিক্ষকতা কৰি থাকোঁতেই তেওঁৰ সাহিত্যিক

জীৱন আৰম্ভ হয়। তেখেতৰ প্ৰথম সাহিত্য— উপেক্ষিতা গল্প ১৯২১ চনত **প্ৰবাসী** কাকতত প্ৰকাশ পায়। ইয়াৰ পিছত তেও **গোৰক্ষৰী সভা***ৰ প্ৰচাৰকৰ চাকৰি গ্ৰহণ কৰি বাংলা অসম ত্ৰিপুৰা আৰু আৰাকানৰ বিভিন্ন ঠাই ভ্ৰমণ কৰে। খেলাতচন্দ্ৰ ঘোষৰ ঘৰত কিছুদিন গৃহসচিব আৰু গৃহশিক্ষকতা কৰাৰ পিছত ঘোষ বাগানৰ সহকাৰী পৰিচালক নিযুক্ত হয় আৰু ভাগলপুৰ বিভাগৰ ভাৰপ্ৰাপ্ত বিষয়া হৈ বৰবাসা গৃহত থাকিবলৈ লয়। ভাগলপুৰত থাকোঁতেই তেখেতৰ অমৰ ৰচনা **পথেৰ পাঁচালী** উপন্যাস লিখে।

১৯৪২ খৃ ত দ্বিতীয় পত্নী ৰমাদেৱীক লৈ তেও ব্যাৰাকপুৰত স্থায়ীভাবে থাকিবলৈ লয়। দ্বিতীয়বাৰ বিবাহৰ পূৰ্বেই ১৯৩০ চনৰ পিছৰ পৰাই বিভূতিভূষণ বিহাৰৰ ঘাটশিলা আৰু গালভি অঞ্চলৰ প্ৰাকৃতিক পৰিৱেশৰ প্ৰতি আকৃষ্ট হয়। তেও ঘাটশিলাত এটা ঘৰ কিনি প্ৰথম পত্নীৰ স্মৃতিৰক্ষাৰ কাৰণে তাৰ নামকৰণ কৰে গৌৰীকুঞ্জ। ক্ৰমে ঘাটশিলা তেওৰ অতি প্ৰিয়স্থান হৈ পৰে আৰু অৱসৰ পালেই তেও তাত কিছুদিন কটাবলৈ যায়। পূজাৰ আৰম্ভণিতে তেও সস্ত্ৰীক তালৈ যায় আৰু মাঘৰ শেষ নাইবা ফাগুনৰ আৰম্ভণিতে দেশলৈ ঘূৰি আহে। তেও ভ্ৰমণ কৰি ভাল পাইছিল আৰু গোৰৰক্ষী সভাৰ ভ্ৰাম্যমাণ প্ৰচাৰক ৰূপে দেশৰ বিভিন্ন ঠাই ভ্ৰমণ কৰিছিল। এই ভ্ৰমণৰ বিভিন্ন অভিজ্ঞতাৰে তেখেতে অভিযাত্ৰিক গ্ৰন্থ ৰচনা কৰে। তদুপৰি তেওঁৰ অতি অন্তৰঙ্গ বন্ধু বিহাৰ চৰকাৰৰ উচ্চপদস্থ কৰ্মচাৰী যোগেন্দ্ৰনাথ সিংহৰ লগত তেও সিংভূম হাজাৰিবাগ ৰাঁচী আৰু মালভূম জিলাৰ বহু অৰণ্য আৰু পাৰ্বত্য অঞ্চল ভ্ৰমণ কৰিছিল। এইবিলাক বিচিত্ৰ আৰু ৰোমাঞ্চকৰ ভ্ৰমণ কাহিনী তেখেতৰ বনে-পাহাৰে হে অৰণ্য কথা কও নামৰ গ্ৰন্থদুখন আৰু তেওৰ দিনলিপিসমূহত মনোজ্ঞ বৰ্ণনা কৰিছে।

জীৱনৰ শেষ দহ বছৰ তেও পিতৃভূমি ব্যাৰাকপুৰত বাস কৰিছিল। মাজে মাজে ঘাটশিলালৈও গৈছিল। তেখেতৰ বিখ্যাত উপন্যাসসমূহ আৰু ৰসোত্তীৰ্ণ চুটিগল্পসমূহ এই সময়ৰে ৰচনা। জীৱনৰ প্ৰায় শেষ দিনটো পৰ্যান্ত তেও সাহিত্য সাধনাত ব্ৰতী আছিল। ১৯৫০ চনৰ পহিলা নৱেম্বৰত ঘাটশিলাৰ নিজৰ ঘৰত তেও স্বৰ্গগামী হয়। মৃত্যুৰ সময়ত তেওৰ বয়স আছিল মাত্ৰ ৫৬ বছৰ।

বিভূতিভূষণৰ ৰচনাৱলী ঃ

বিভূতিভূষণৰ সাহিত্যকৰ্মক উপন্যাস চুটিগল্প কিশোৰ-উপন্যাস শিশু সাহিত্য অনুবাদ সাহিত্য আৰু স্মৃতিকথা বা দিনলিপি এইকেইটা ভাগত ভাগ কৰিব পাৰি।

ক উপন্যাস

পথেৰ পাঁচালী অপৰাজিত দৃষ্টিপ্ৰদীপ আদৰ্শ হিন্দু হোটেল বিপিনেৰ সংসাৰ অথৈজল আৰণ্যক অশনি সংকেত দেবযান কেদাৰ-ৰাজ্য অনুবৰ্ত্তন দুই-বাড়ী আৰু ইছামতী।

খ চুটিগল্প সংকলন

মেঘ-মল্লাৰ মৌৰীফুল যাত্ৰাবদল জন্ম ও মৃত্যু কিন্নৰ-দল ৰূপ-হলুদ বেণীগীৰ ফুলবাড়ী উপলখণ্ড নবাগত তাল-নৱমী মুখোখ ও মুখশ্ৰী নীলগঞ্জেৰ ফালমন চাহেব আৰু জ্যোতিৰিঙ্গন।

গ স্মৃতিকথা

অভিযাত্ৰিক স্মৃতিৰ ৰেখা তৃণাঙ্কুৰ বিপুলা এ পৃথিৱী উৰ্ম্মিমুখৰ হে অৰণ্য কথা কও বনে পাহাৰে থলকোবাদে একৰাত্ৰি ১৯৩৪ এৰ ডায়েৰী উৎকৰ্ণ আৰু ১৯৪১ এৰ ডায়েৰী।

ঘ কিশোৰ উপন্যাস

চাঁদেঁৰ পাহাৰ মৰণেৰ ডঙ্কা বাজে হীৰা মণিক জ্বলে মিচমিদেৰ কবচ আৰু সুন্দৰবনে সাত বছৰ।

ঙ শিশু সাহিত্য

মৌচাকৰ স্মৃতি ৰাজপুত্ৰ ছালাৰাম বাসা আৰু গংগাধৰেৰ বিদ।

চ অনুবাদ সাহিত্য

টমাচ বাৰ্টাৰ আত্মজীৱনী।

ঔপন্যাসিক বিভূতিভূষণ ঃ

তৃণাংকুৰ দিনলিপিত বিভূতিভূষণে **পথেৰ-পাঁচালী** আৰু **অপৰাজিত**ৰ সমন্ধে মন্তব্য কৰিছিল যে ১৯২৪ চনৰ পূজাৰ বন্ধৰ সময়ৰ পৰা তেও এই পুথিৰ কথা ভাবিছিল। ১৯২৫ চনৰ এপ্ৰিল মাহৰ পৰা তেও এই পুথি লিখা আৰম্ভ কৰে ভাগলপুৰত আৰু শেস কৰে ১৯২৮ চনৰ এপ্ৰিল মাহত। ১৯২৮ চনৰ জুলাই মাহৰ পৰা **বিচিত্ৰা** পত্ৰিকাত উপন্যাসখন ধাৰাবাহিকভাবে প্ৰকাশ পায় **পথেৰ-পাঁচালীৰ** পৰৱৰ্ত্তী কাহিনী **অপৰাজিত**। দুয়োটা খণ্ডৰে নাযক অপু। অপুৰ শৈশৱৰ পৰা ৩৪ বছৰ বয়স পৰ্যন্ত জীৱন কাহিনী দুয়োখন উপন্যাসতে লিপিবদ্ধ হৈছে। এই সম্পৰ্কে **তৃণাংকুৰ** দিনলিপিত বিভূতিভূষণে মন্তব্য কৰিছে— 'অপুকে জন্ম থেকে ৩৪ বছৰ বযস পৰ্যন্ত আমি কলমেৰ ডাযাগ সৃষ্টি কৰেচি। তাকে ছাডতে সত্যিকাৰ বেদনা অনুভৱ কৰচি তবে সে ছিল অনেকখানিই আমাৰ নিজেৰ সঙ্গে জড়ানো সে জন্যে বেশী কষ্ট হচ্চে বিদায দিতে কাজলকে লীলাকে দুৰ্গাকে ৰাণুদিকে   যদি দু চজনেও এতটুকু ভাল লগে বই দুখানা তবে আমাৰ পাচ বছৰেৰ পৰিশ্ৰম সাৰ্থক বিবেচনা কৰবো।[৫] **পথেৰ-পাঁচালী** আৰু **অপৰাজিত** বিভূতিভূষণৰ পাঁচবছৰৰ পৰিশ্ৰমৰ ফল।

পথেৰ পাঁচালীৰ বিভিন্ন অংশ বিভূতিভূষণে বিভিন্ন শিৰোনামাৰে নামকৰণ কৰিছিল। যেনে বল্লালী বালাই আম আঁটিৰ ভেঁপু, অক্ৰুৰ সংবাদ আদি প্ৰখ্যাত বাংলা চিত্ৰ নিৰ্মাতা সত্যজিত ৰায়ে **পথেৰ-পাঁচালী** আৰু **অপৰাজিত** উপন্যাসৰ

কাহিনীৰ ভিত্তিত তিনিখন কথাছবি নিৰ্মাণ কৰিছিল। সত্যজিত ৰায়ৰ **পথেৰ-পাঁচালী** ছবিখনৰ মূল কাহিনী বিভূতিভূষণৰ আম আঁটিৰ ভেঁপু আৰু বল্লালী বলাই খণ্ড। **অপৰাজিত** কথাছবি নিৰ্মাণ কৰা হৈছে অক্ৰুৰ সংবাদৰ কাহিনীৰ ভিত্তিত যিটো প্ৰকৃততে **পথেৰ-পাঁচালী**ৰহে কাহিনী। **অপৰাজিত** উপন্যাসৰ পিছৰ অংশক ভিত্তি কৰি ৰায়ে অন্য এখন ছবি নিৰ্মাণ কৰিছে **অপুৰ-সংসাৰ** নাম দি। সত্যজিত ৰায়ৰ এই তিওিখন ছবিকে মিলাই কোৱা হয় **অপুৰ ত্ৰিলজী**।

বিভূতিভূষণৰ তৃতীয় উপন্যাস **দৃষ্টিপ্ৰদীপ** প্ৰকাশ পায় ১৯৩৫ চনত। উপন্যাসখনৰ নায়ক জিতু। দাৰ্জিলিঙৰ পৰ্বতমালা আৰু চাহ বাগানৰ প্ৰকৃতিৰ মাজত জিতুৱে শৈশৱ অতিবাহিত কৰিছিল। জিতুৱে উদাসীন সন্ন্যাসীৰ নিচিনাকৈ দেশে দেশে ভ্ৰমণ কৰিছে। জিতুৰ জীৱন ইতিহাস শিথিল বিন্যস্ত বিক্ষিপ্ত ঘটনাৰ সমষ্টি। দাৰ্জিলিঙৰ চাহবাগানৰ জীৱনযাত্ৰা দশঘৰাৰ জিতুৰ বৰদেউতাকৰ ঘনবৰ্গ শুচিতাৰ অহংকাৰ জিতুৰ মাকৰ নম্ৰতা আৰু বটতলাৰ মেলাৰ অশিক্ষিত নিমচাঁদৰ মূঢ় ভক্তি-বিহ্বলতা উপন্যাসখনত উপভোগ্যকৈ বৰ্ণনা কৰা হৈছে।

আদৰ্শ হিন্দু হোটেল ১৯৪০ চনত গ্ৰন্থৰূপে প্ৰকাশ পোৱাৰ আগতে মাতৃভূমি পত্ৰিকাত ধাৰাবাহিকভাৱে প্ৰকাশ পাইছিল। হোটেল পৰিচালনা ব্যৱসায় বুদ্ধিৰ এক সৰস আৰু উপভোগ্য চিত্ৰ উপন্যাসখনত পোৱা যায়। নাগৰিক চাতুৰ্য আৰু ব্যৱসায় বৰ্ণনাৰ মাজতো ঔপন্যাসিকে গ্ৰাম্য-জীৱনৰ সৰলতাৰ ইঙ্গিত দিছে। নায়ক হাজাৰি ঠাকুৰ চৰিত্ৰটি আকৰ্ষণীয়। উপন্যাসখনত আধুনিক যুগৰ সমস্যাবহুল জীৱনযাত্ৰাৰ বিপৰীতে গ্ৰাম্য সমস্যামুক্ত জীৱন-চিত্ৰ ৰূপায়ন কৰা হৈছে।

১৯৩৯ চনত প্ৰকাশ পোৱা বিভূতিভূষণৰ **আৰণ্যক** উপন্যাসৰ পৰিকল্পনা বিস্ময়কৰ আৰু সাধাৰণ উপন্যাসৰ পৰা ই সম্পূৰ্ণ নতন প্ৰকৃতিৰ। প্ৰকৃতিৰ সূক্ষ্ম আৰু কবিত্বপূৰ্ণ বৰ্ণনাই উপন্যাসখনৰ উৎকৰ্ষ সাধন কৰিছে। ইয়াত প্ৰকৃতি মুখ্য মানুহ গৌণ। উপন্যাসখনত প্ৰতি ঋতুতে দিবা-ৰাতিৰ প্ৰহৰে প্ৰহৰে জোনাক-অন্ধকাৰৰ বিভিন্ন পটভূমিত প্ৰকৃতিৰ পৰিৱৰ্তনশীল ৰূপক বস্তুনিষ্ঠ আৰু কাব্যসুলভভাৱে বৰ্ণিত হৈছে। প্ৰকৃতিৰ এই সৌন্দযৰ মাজত ঔপন্যাসিক নিবিড়ভাৱে বিলীনহৈ পৰিছে। জনহীন বিশাল অৰণ্যপ্ৰান্তত জোনাকৰ সৌন্দৰ্যৰাশি কেতিয়াবা পৰীৰাজ্যৰ মায়াময় অপাৰ্থিৱ স্বপ-সৌদৰ্য আৰু কেতিয়াবা বন্য প্ৰকৃতিৰ প্ৰেতলোকৰ বিভীষিকাই উপন্যাসখন বৈচিত্ৰময় কৰি তুলিছে।

১৯৮৮ চনত প্ৰকাশিত **দেবযান** উপন্যাসৰ বিষযবস্তু অলৌকিক আৰু ৰোমাঞ্চকৰ। পত্নীয়ে এৰি যোৱাৰ পিছত মৃত্যু হোৱা স্বামীয়ে কেনেকৈ স্বৰ্গলৈ গৈ পূৰ্বৰ প্ৰেমিকাক ঘূৰাই পালে আৰু পৃথিৱীত থকা পত্নীৰ কলংকিত জীৱন দৰ্শন কৰিলে তাৰ ৰোমাঞ্চকৰ কাহিনীৰে উপন্যাসখন বিন্যস্ত। সুকুমাৰ সেনৰ মতে 'বিভূতিভূষণ পৰলোকত দৃঢ়বিশ্বাসী ছিলেন। এই বিশ্বাস তাহাৰ কোন ৰচনায় প্ৰতিফলিত এবং অনেক ৰচনাকে প্ৰভাবান্বিত

কৰেছে।'[৬] জীৱিতকালত ভাল কাম আৰু পূণ্য কৰিলেহে যে মানুহে পৰলোকত শান্তিলাভ কৰিব পাৰে তাক উপন্যাসখনত বিস্তৃতভাবে বিশ্লেষণ কৰা হৈছে।

দুই-বাড়ি বিভূতিভূষণৰ নৱম উপন্যাস আৰু গ্ৰন্থৰূপে প্ৰকাশ পায় ১৯৪১ চনত। এটা দৰিদ্ৰ পৰিয়ালৰ আৰ্থিক সংকট আৰু কাষতে থকা অন্য এটা বাঙালী পৰিয়ালৰ সুখ-স্বচ্ছল জীৱন উপন্যাসখনত ওচৰাওচৰিকৈ উপস্থাপন কৰা হৈছে। **অথৈজল** বিভূতিভূষণৰ দ্বাদশতম উপন্যাস আৰু গ্ৰন্থাকাৰে প্ৰকাশ পায় ১৯৪৭ চনত। আদৰ্শবাদী নীতিজ্ঞ ডাক্তৰ শশাংক উপন্যাসৰ নায়ক। শশাংকৰ অবৈধ প্ৰেম উপন্যাসখনৰ মূল উপজীব্য। **অনুবৰ্ত্তন** বিভূতিভূষণৰ একাদশতম উপন্যাস। প্ৰথম প্ৰকাশ হয় ১৯৪৩ চনত। কেইজনমান শিক্ষকৰ শিক্ষক জীৱনৰ বিভিন্ন অভিজ্ঞতা উপন্যাসখনৰ বিষয়বস্তু। ইংৰাজ চাহাবে খোলা বিদ্যালয়ত শিক্ষকতা কৰি কোনোমতে পৰিয়াল পোহপাল দি থকা শিক্ষককেইজনৰ জীৱন কেনেকৈ দ্বিতীয় মহাযুদ্ধই জোকাৰি গ'ল উপন্যাসখনত তাৰ মৰ্মস্পৰ্শী বৰ্ণনা আছে। ১৯৪১ চনত গ্ৰন্থৰূপে প্ৰকাশ পোৱা **বিপিনেৰ সংসাৰ** উপন্যাসখন বিপিনৰ দাম্পত্য জীৱনৰ পটভূমিত ৰচিত। বিপিনৰ দাম্পত্য জীৱনত নাৰী প্ৰেমৰ মহত্বৰে উপন্যাসখন জিলিকি আছে। আৰম্ভণিৰ পৰাই বিপিনৰ প্ৰেমৰ প্ৰতি এক নিৰ্লিপ্ত মনোভাৱ থাকিলেও মানী শান্তি আৰু পত্নী মনোৰমাৰ প্ৰেমৰ প্ৰভাৱত সি পঙ্কিল জীৱনৰ পৰা ওলাই আহিবলৈ সক্ষম হৈছে।

কেদাৰ ৰাজাৰ কাহিনীৰ নায়ক গড়শিৱপুৰৰ পুৰণি ৰাজবংশৰ প্ৰতিনিধি কেদাৰ। ৰাজবংশৰ লোক হ'লেও কেদাৰ নামতহে ৰজা পুৰণি ৰাজ-অট্টালিকাৰ ভগা ইটাৰ ভগ্নৱশেষৰ মাজত বিধৱা কন্যা শৰতক লৈ কেদাৰ বাস কৰে। কেতিয়াও কলিকতা দেখি নোপোৱা পিতা-পুত্ৰী কলিকতা নগৰ চাবলৈ গৈ দুখদায়ক পৰিস্থিতিত বিচ্ছেদ হ'বলগীয়া হ'ল। উপন্যাসৰ শেষত কেদাৰৰ এজন পুৰণি বন্ধুৰ সহায়ত পিতা-পুত্ৰীৰ মিলন দেখুওৱা হৈছে। গড় শিৱপুৰৰ সেউজীয়া প্ৰাকৃতিক পৰিৱেশে উপন্যাসখনৰ অধিক ঠাই আগুৰি আছে। **অশনি-সংকেতৰ** নায়ক গঙ্গাচৰণ অসংখ্য পৈত্ৰিক সম্পত্তিৰ মালিক আছিল। অনঙ্গক বিয়া কৰোৱাৰ পিছত ককায়েকে গঙ্গাচৰণক পৈত্ৰিক সম্পত্তিৰ ভাগ দিবলৈ অমান্তি হয়। সুন্দৰী পত্নী অনঙ্গক লৈ বিভিন্ন ঠাইত ব্ৰাহ্মণ গঙ্গাচৰণে পুৰোহিত হৈ পূজা-পাতল কৰি জীৱন নিৰ্বাহ কৰে। দ্বিতীয় মহাযুদ্ধৰ সময়ৰ দুৰ্ভিক্ষই পৰিয়ালটোলৈ লগতে গাঁওখনলৈ অনা বিপৰ্যয়ৰ ছবি উপন্যাসখনত অংকিত হৈছে।

ইছামতী বিভূতিভূষণৰ শেষ উপন্যাস। উপন্যাসখন ইছামতী নদীৰ পাৰৰ গাঁওসমূহৰ অপূৰ্ব জীৱন প্ৰবাহৰ ইতিহাস। ১৯৫০ চনত বিভূতিভূষণৰ দেহাৱসানৰ আগে আগে **ইছামতী** প্ৰকাশ পায়। উপন্যাসখন পৰিকল্পনা বিভূতিভূষণে বহুদিনৰ পৰাই কৰিছিল। নিজৰ গাঁৱৰ কাষেদি বৈ যোৱা ইছামতী নদীয়েই উপন্যাসৰ ইছামতী নদী। দিনলিপি হে অৰণ্য কথা কণ্ড্ত তেখেতে লিখিছে— 'ইচ্ছে আছে এবাৰ একটা

বইয়ে হাত দেবো— নাম দেবো তাৰ ইছামতী। বড় উপন্যাস। তাতে থাকবে ইছামতীৰ ধাৰেৰ গ্ৰমগুলিৰ অপূৰ্ব জীৱন প্ৰবহেৰ ইতিহাস। বনানিকুঞ্জৰ মৰা-বাঁচাৰ ইতিহাস। কত সূৰ্যোস্তেৰ নিস্কিঞ্চন শান্ত ইতিহাস।[৭] বাংলাৰ সৰু এখন গাঁও আৰু নদী লেখকৰ বিহঙ্গম দৃষ্টিত হৈ উঠিল ভাৰতবৰ্ষ। ইয়েই উপন্যাসখনৰ বৈশিষ্ট্য।

গল্পকাৰ বিভূতিভূষণ ঃ

বিভূতিভূষণৰ চুটিগল্পসমূহত তেওঁৰ কৃতিত্বৰ পূৰ্ণ পৰিচয় আছে। বিভূতিভূষণৰ প্ৰথম গল্প **উপেক্ষিতা** তেওঁৰ সাৰ্থক ৰচনা। **পুঁইমাচা** গল্পটিত বিভূতিভূষণৰ প্ৰথম উপন্যাস **পথেৰ-পাঁচালীৰ** বীজ নিহিত হৈ আছে। পশ্চিম আৰু মধ্য বাংলাৰ ধ্বংসমুখী গাঁৱৰ অৰণ্যবিস্তৃত পৰিৱেশ আৰু দৰিদ্ৰ নৰ-নাৰীৰ অনুভূতিৰ প্ৰকাশ তেওঁৰ গল্পৰ বৈশিষ্ট। বিভূতিভূষণৰ প্ৰথম গল্প সংকলন **মেঘমল্লাৰ** প্ৰকাশৰ সময় ১৯৩১ চনত। গ্ৰন্থখনত সন্নিবিষ্ট **মেঘমল্লাৰ** গল্পটো কেৱল বিভূতিভূষণৰ গল্পৰ ভিতৰতে নহয় বাংলা সাহিত্যৰ ভিতৰতে এটা অন্যতম শ্ৰেষ্ঠ গল্প। প্ৰকাশশৈলী বিষয়বস্তু আৰু ভাব মাধুৰ্যৰ ক্ষেত্ৰত গল্পটো অনন্য সৃষ্টি দ্বিতীয় গল্প সংকলন **মৌৰীফুল** ১৯৩২ চনত প্ৰকাশ হয়। **মৌৰীফুল** গল্পটো বিভূতিভূষণৰ এটা শ্ৰেষ্ঠ গল্প। মুঠ দহোটা গল্পসমষ্টিৰে **যাত্ৰাবদল** গ্ৰন্থ প্ৰকাশ হয় ১৯৪১ চনত। **যাত্ৰাবদল** গল্পটোৰ বিষয়বস্তু অভিনৱ। জনজীৱন সম্বন্ধে বিভূতিভূষণৰ গভীৰ প্ৰজ্ঞা আৰু অভিজ্ঞতা জন্ম ও মৃত্যুৰ গল্পসমূহত প্ৰকাশ পাইছে। বাংলাৰ ভিতৰুৱা গাঁৱৰ বহু বিক্ষিপ্ত ঘটনাৰ বিষয়বস্তুৰে **কিন্নৰদল** ৰচিত। বেণীগীৰ ফুলবাডি সংকলনৰ বেণীগীৰ— ফুলবাডি গল্পটোৰ বনিয় চৰিত্ৰটো গল্পকাৰৰ অনবদ্য সৃষ্টি।

উপলখণ্ড গল্পসংকলনত মুঠ এঘাৰটা গল্প আছে। পুথিখনত **আহ্বান** আৰু **ফকীৰ** গল্পত গ্ৰাম্য পৰিৱেশ আৰু গ্ৰাম্য দৰিদ্ৰ কৃষক পৰিয়ালৰ চিত্ৰ জীৱন্তকৈ উপস্থাপন কৰিছে ১৯৪৫ চনত প্ৰকাশ পোৱা **নবাগতৰ** গল্পসমূহৰ ভিতৰত স্বপ্ন **বাসুদেব** এটা শ্ৰেষ্ঠ গল্প। **দেশ** আলোচনীত প্ৰকাশ পোৱা গল্পটোৱে পাঠকৰ মাজত আলোড়নৰ সৃষ্টি কৰিছিল। **তালনৱমী** বিভূতিভূষণৰ কিশোৰক লৈ লিখা গল্পপুথি। ১৯৮৮ চনত প্ৰকাশ পোৱা **নাম** গল্পটি তেওঁৰ বিখ্যাত গল্প। ১৪ টা গল্পসমষ্টিৰে ১৯৪৭ চনত প্ৰকাশ পোৱা **মুখোশ ও মুখশ্ৰীৰ** গল্পসমূহত কলিকতাৰ বাঙালী ধনীসমাজৰ যথাৰ্থ ছবি প্ৰতিফলিত হৈছে মুঠ বাৰটা গল্প সমষ্টিৰে **নীলগঞ্জেৰ ফালমান সাহেব** গল্পসংকলনখন প্ৰকাশ হয় ১৯৪৮ চনত। পুথিখনৰ **আচাৰ্য কৃপালনি কলোনি** গল্পত দেশৰ স্বাধীনতা প্ৰাপ্তিৰ সমকালীন আৰু দেশবিভাজনৰ উৎকণ্ঠাপূৰ্ণ জাতীয় জীৱনৰ এক অস্থিৰ সময়ৰ ছবি জীৱন্ত হৈ উঠিছে। ১৯৪৯ চনত প্ৰকাশ পোৱা **জ্যোতিৰিঙ্গন** গল্পপুথিত জোনাকৰ নিচিনা স্নিগ্ধ আভাৰ বেইটামান গল্প সংকলিত হোৱাৰ কাৰণে সংকলনটোৰ নাম **জ্যোতিৰিঙ্গন**। বিভূতিভূষণৰ মৃত্যুৰ পিছত সমসাময়িক আলোচনীত প্ৰকাশ পোৱা দহোটা গল্পৰ সমষ্টি **ৰূপহলুদ** নামদি

প্ৰকাশ কৰে চণ্ডীদাস চট্টোপাধ্যায়ে। পুথিখনৰ আটাইকেইটা গল্পই সুখপাঠ্য।

অসমীয়া উপন্যাসৰ পটভূমি বিকাশ আৰু বিস্তৃতি ঃ

আধুনিক ভাৰতীয় সাহিত্যত উপন্যাস বিস্তৃতি ঊনবিংশ শতিকাৰ আৰম্ভণিতে হ'লেও অসমীয়া উপন্যাসৰ বিকাশৰ ধাৰা স্বাভাৱিকতে ঊনবিংশ শতিকাৰ শেষ দশকতহে পৰিলক্ষিত হয়। অসমীয়া প্ৰথম উপন্যাস জোনাকী যুগতে ৰচিত হয় যাদও প্ৰকৃততে জোনাকী যুগত ৰচিত উপন্যাসত উপন্যাসৰ জঁকাটোহে বিচাৰি পোৱা যায়। আদিস্তৰৰ অসমীয়া ঔপন্যাসিকসকলে বুৰঞ্জীৰ ঘটনাক কেন্দ্ৰ কৰি উপন্যাস ৰচনাত হাত দিছিল। পিছলৈ দণ্ডিনাথ কলিতাৰ দৰে দুই এজন ঔপন্যাসিকে সাধনাৰ নিচিনা সামজিক উপন্যাস লিখিছিল যদিও ইয়াৰ প্ৰকাশভংগী দুৰ্বল। ইংৰাজৰ ঢং শিকা নগৰীয়া বাবুশ্ৰেণীক ব্যংগ কৰাহে এই যুগৰ উপন্যাসৰ মূল লক্ষ্য আছিল। প্ৰকৃততে স্বাধীনতাৰ পিছৰ পৰাহে অসমত উপন্যাস ৰচনাৰ এটা পৰিৱেশৰ সূচনা হয়। ঊনবিংশ শতাব্দীৰ শেহৰ ফালে অসমত নগৰকেন্দ্ৰিক সভ্যতা গঢ়লৈ উঠা নাছিল আৰু শিল্প উদ্যোগৰো সৃষ্টি হোৱা নাছিল। ইংৰাজী শিকা লোকৰ সংখ্যাও আছিল অতি কম। প্ৰশাসনীয় সুবিধাৰ কাৰণে ইংৰাজ চৰকাৰে শিৱসাগৰ গুৱাহাটী আদি ঠাইত নগৰ পাতিছিল যদিও তাত প্ৰকৃত নাগৰিক পৰিৱেশ গঢ়লৈ উঠা নাছিল।

দ্বিতীয় মহাযুদ্ধ আৰু স্বাধীনতাৰ পিছত অসমৰ সমাজ জীৱনলৈ পৰিৱৰ্ত্তন আহে। চাহ-শিল্পৰ অগ্ৰগতি উদ্যোগীকৰণ আৰু শিক্ষাৰ প্ৰসাৰে ঊনবিংশ শতিকাৰ পৰম্পৰাগত সামাজিক অৱস্থাৰ পৰিবৰ্ত্তন আনিলে আৰু ইয়ে অসমীয়া জাতীয় জীৱনত এক বৌদ্ধিক পটভূমি নিৰ্মাণ কৰিলে। অন্যহাতে এটা নগৰীয়া মধ্যবিত্ত শ্ৰেণীৰ জন্ম দিলে। এই শ্ৰেণীৰ লোকে নতুনকৈ আহৰণ কৰা নগৰীয়া মূল্যবোধ আৰু প্ৰাচীন গ্ৰামীণ মূল্যবোধৰ বৈপৰীত্যৰ বাবে সমাজত নতুন দ্বন্দ্বৰ সৃষ্টি কৰিলে। নতুনকৈ সমাজ জীৱনত উদ্ভৱ হোৱা এই বৈষম্য আৰু দ্বন্দ্বই স্বাধীনতাৰ পিছৰকালৰ উপন্যাসৰ মূল উপজীব্য। স্থবিৰ গাঁৱলীয়া জীৱনলৈ দ্বিতীয় মহাযুদ্ধ স্বাধীনতা আন্দোলন আৰু স্বাধীনতাই কঢ়িয়াই অনা প্ৰগতিৰ লগে লগে ব্যৰ্থতা আৰু হতাশাও স্বাধীনতাৰ পিছৰ উপন্যাসত প্ৰতিফলিত হৈছে। ড সত্যেন্দ্ৰনাথ শৰ্মাৰ মন্তব্য এইক্ষেত্ৰত প্ৰণিধান যোগ্য — 'অসমত বহিৰাগত সমস্যা গ্ৰামীণ অৰ্থনৈতিক-সামাজিক সমস্যা নতুন উদ্যোগ বিকাশৰ সমস্যা যৌথ পৰিয়ালৰ ভাঙন আৰু তাৰ ঠাইত পত্নীকেন্দ্ৰিক একক়োষী পৰিয়ালৰ উদ্ভৱ প্ৰাচীন পৰম্পৰা আৰু আচাৰ নীতিত বিশ্বাসহীনতা গ্ৰামীন অৰ্থনীতিৰ ধ্বংসমুখিতা গ্ৰামবাসীৰ নগৰাভিমুখী গতি কৃষখ বনুৱাৰ অৰ্থনৈতিক শোষণ আৰু শ্ৰেণী-দ্বন্দ্ব বস্তি সমাজৰ উদ্ভৱ মিশ্ৰ নাগৰিক সমাজৰ অভ্যুত্থান আদি বহুতো পৰিৱৰ্ত্তনৰ ধাৰা যোৱা চল্লিছ বছৰত লক্ষ্য কৰা যায়। উপন্যাস ৰচনাত বা সমল যোগানত এইবোৰে সহায় কৰিছে।[৮]

অসমীয়া উপন্যাস সাহিত্যৰ উৎস বিচাৰি প্ৰাক্-বৃটিছ যুগলৈ যাব নোৱাৰি

যদিও কাহিনী কোৱা আৰু শুনাৰ প্ৰতি আগ্ৰহ মানুহৰ প্ৰাচীন কালৰ পৰাই আছিল। প্ৰাক্ বৃটিছ যুগত কৃষিজীৱি অসমীয়া মানুহে একেলগে বহি ৰামায়ণ মহাভাৰত পুৰাণৰ কাহিনী পঢ়ি আনন্দ পাইছিল। ধৰ্মীয় প্ৰভাৱ আৰু অলৌকিক মাহাত্ম্যৰ কাৰণে ই বাস্তব জীৱনৰ ওচৰ চাপিব পৰা নাছিল। গতিকে কাহিনী কোৱাৰ আৰু শুনাৰ প্ৰৱণতা থাকিলেও আধুনিক উপন্যাসত প্ৰাচীন সাহিত্যৰ কোনো প্ৰভাৱ নাই।

খৃষ্টান মিছনেৰীৰ সাহিত্যত অসমীয়া উপন্যাসৰ পূৰ্বসূচনা ঃ

১৮২৬ চনৰ ইয়াণ্ডাবু সন্ধিৰ চৰ্ত অনুসৰি অসমত ছশ বছৰীয়া আহোম ৰাজত্বৰ অবসান ঘটিল আৰু দেশৰ শাসনভাৰ ইংৰাজৰ হাতলৈ গ'ল। ইংৰাজসকলে দেশ অধিকাৰ কৰি অসমত নতুন প্ৰশাসনীয় ব্যৱস্থা প্ৰৱৰ্ত্তন কৰিলে যদিও অসমীয়া ভাষা সাহিত্যৰ ক্ষেত্ৰত তেওঁলোকে দৃষ্টি নিক্ষেপ কৰা নাছিল। ফলত প্ৰায় চল্লিছ বছৰ কাল অসমৰ পঢ়াশালী আৰু আদালতত অসমীয়াৰ সলনি বাংলা ভাষা চলাই অসমৰ ভাষা-সাহিত্যৰ গতি প্ৰায় ৰুদ্ধ কৰি দিছিল। সেই সময়তে আমেৰিকাৰ বেপ্টিষ্ট মিছনৰ কৰ্মীসকলে অসমত পদাৰ্পন কৰিলে আৰু অসমীয়া গদ্যক সাহিত্য ৰচনাৰ বাহনৰূপে প্ৰতিষ্ঠা কৰিলে। ১৮৩৫ চনত নেথান ব্ৰাউন আৰু ওলিভাৰ কট্টৰ শদিয়ালৈ আহে আৰু তাৰ পিছত মাইলচ্ ব্ৰনচন ব্ৰাউন আদি মিছনেৰীসকল আহি তেওঁলোকৰ লগ লাগে। ১৮৪১ চনত চাইৰাদ বাৰ্কাৰ নামেৰে পাদুৰীয়ে শিৱসাগৰত খৃষ্টধৰ্ম প্ৰচাৰৰ থলী পাতে আৰু ক্ৰমে অসমৰ বিভিন্ন চহৰবোৰলৈ ইয়াৰ সম্প্ৰসাৰণ কৰে। উল্লেখযোগ্য যে মিছনেৰীসকল অসমলৈ অহাৰ মূল লক্ষ্য আছিল খৃষ্ট ধৰ্ম প্ৰচাৰ কৰা। ধৰ্মপ্ৰচাৰৰ বাহনৰূপেহে তেওঁলোকে অসমীয়া সাহিত্যত মনোনিবেশ কৰিছিল আৰু সেয়ে ইংৰাজী মহৎ গ্ৰন্থসমূহ অনুবাদ নকৰি খৃষ্ঠধৰ্মমূলক গ্ৰন্থসমূহ ৰচনা আৰু অনুবাদত গুৰুত্ব দিছিল। মিছনেৰীসকলে ছপাশাল প্ৰতিষ্ঠা সংবাদপত্ৰৰ প্ৰকাশ, বিভিন্ন গদ্যপুথি প্ৰকাশ ব্যকৰণ আৰু অভিধান প্ৰণয়ন কৰি গদ্য সাহিত্য ৰচনাৰ মাধ্যমৰূপে প্ৰতিষ্ঠা কৰি উপন্যাস সাহিত্য ৰচনাৰ পথ প্ৰশস্ত কৰিলে।

মিছনেৰীসকলে শিৱসাগৰৰ দিখৌৰ পাৰত বেপ্টিষ্ট মিছনেৰী প্ৰেছ প্ৰতিষ্ঠা কৰি সেই প্ৰেছৰ পৰা ১৮৪৬ চনৰ জানুৱাৰীত ড নাথান ব্ৰাউনৰ সম্পাদনাত **অৰুণোদই** কাকত প্ৰকাশ কৰি অসমীয়া সংবাদপত্ৰ আৰু আলোচনীৰ শুভাৰম্ভ কৰে। **অৰুণোদই** কাকতগোষ্ঠীৰ মূল উদ্দেশ্য আছিল খৃষ্টধৰ্ম প্ৰচাৰ কৰা যদিও এই কাকতে খৃষ্টধৰ্ম প্ৰচাৰধৰ্মী ৰচনাৰ লগতে দেশৰ সৰু বৰ সকলো খবৰকে প্ৰকাশ কৰি অসমীয়া পাঠকৰ মানসিক দিগন্ত প্ৰসাৰিত কৰিছিল আৰু অসমীয়া ভাষা শিক্ষা আৰু প্ৰশাসনৰ বাহন কৰাৰ বাবে গধুৰ দাবী তুলিছিল। **অৰুণোদই** নামটো সেই সময়ৰ অসমীয়া মানুহৰ মনত দকৈ সোমাই পৰিছিল। বাতৰি অৰ্থত অৰুন্দই এটা ঘৰুৱা শব্দত পৰিণত হৈছিল।

১৮৫০ চনত অৰুণোদই কাকতত প্ৰকাশ পোৱা যাত্ৰিকৰ যাত্ৰা (জাত্ৰিকৰ

জাত্রা)ই অসমীয়া কাহিনী গদ্য সাহিত্যৰ জয়যাত্ৰাৰ সূচনা কৰে। **যাত্রিকৰ যাত্রা** পুথিখন জন বনিযনৰ **Pilgrims Progress**ৰ অসমীয়া অনুবাদ। পাপী মানুহে মৃত্যুপথৰ পথিক হৈ কেনেকৈ ভাগৱত দৰ্শন লাভৰ দ্বাৰা জীৱন ধন্য কৰিব পাৰে ৰূপকৰ সহায়ত বনিয়নে সহানুভূতিৰে বৰ্ণনা কৰিছে। মিছনেৰীসকলে **যাত্রিকৰ যাত্রা** কাহিনীটো কথিত গদ্যত অনুবাদ কৰি সুদীৰ্ঘ গদ্য কাহিনী বা উপন্যাস ৰচনাৰ পথ পৰিস্কাৰ কৰি দিয়ে। সুসংবদ্ধ কাহিনীৰ অভাৱ আৰু ৰূপকধৰ্মী হ'লেও অসমীয়া উপন্যাস ৰচনাৰ সম্ভাৱনাক **যাত্রিকৰ যাত্রাই** দৃঢ কৰি তুলিলে।

মিছনেৰীসকলে অৰুণোদই কাকতত বাইবেলৰ **ৰুথ আৰু জোচেফৰ কাহিনী** মনোৰমকৈ অসমীয়া গদ্যলৈ অনুবাদ কৰি অসমীয়া গদ্য ৰচনাৰ পথ প্ৰশস্ত কৰে। এ কে গাৰ্ণীযে পিছত ১৮৮০ চনত ইয়াক পুথিৰূপে প্ৰকাশ কৰে।

১৮৪৭ চনত ৰেভাৰেণ্ড গাৰ্ণী চাহাবৰ তত্বাৱধানত **কামিনীকান্ত** ৰচিত আৰু প্ৰকাশিত হয়। **কামিনীকান্তৰ** কাহিনীটোৰ পটভূমি কলিকতাৰ কাষৰীয়া ঠাই। নায়ক-নাযিকা বাঙালী। নাযক কামিনীকান্তৰ চিঠিৰ যোগেদি নায়িকা সৰলাই খৃষ্টধৰ্মৰ শ্ৰেষ্ঠত্বত পতিয়ন গৈ নাযকক অনুসৰণ কৰে। **কামিনীকান্তৰ** শেষ অধ্যায়কেইটাত চিঠিৰ আদান-প্ৰদানৰ যোগেদি নায়ক **কামিনীকান্তই** খৃষ্টধৰ্মৰ আলোচনা কৰিছে। অসমীয়া উপন্যাস সাহিত্যত পত্ৰোপন্যাসৰ পথ-প্ৰদৰ্শক বুলি **কামিনীকান্তক** ক'ব পাৰি। চৰিত্ৰ চিত্ৰণ আৰু কাহিনী বৈচিত্ৰ্যৰ ফালৰ পৰা **কামিনীকান্ত** উপন্যাসধৰ্মী সাহিত্য ।হয় মাথো প্ৰচাৰধৰ্মী গদ্য সাহিত্য। ড হেমন্ত কুমাৰ শৰ্মাই **কামিনীকান্তক** অসমীয়া ভাষাৰ প্ৰথম উপন্যাস বুলি ক'বলৈ বিচাৰে।[৯]

ৰেভাৰেণ্ড গাৰ্ণীৰ তত্বাৱধানত ১৮৭৭ চনত **এলোকেশী বেশ্যাৰ কথা** প্ৰকাশ পায়। কিতাপখন মিচ্ এম ই লেচলী য়ে ৰচনা কৰা উদ্দেশ্যধৰ্মী উপন্যাসিকাৰ অসমীয়া ভাঙনি। কাহিনীটোৰ পটভূমি কলিকতাৰ বাঙালী সমাজ আৰু নায়ক-নায়িকা বাঙালী যুবক-যুৱতী। এলোকেশী নামৰ এগৰাকী বালিকা বিধৱাৰ জীৱনৰ বিভিন্ন জটিল সমস্যা আৰু খৃষ্টধৰ্ম গ্ৰহণৰ যোগেদি সকলো সমস্যাৰ সমাধান দেখুওৱা উপন্যাসিকাখন মূলতঃ খৃষ্টধৰ্ম প্ৰচাৰধৰ্মী। খৃষ্টধৰ্মৰ প্ৰশংসাবাণীয়ে উপন্যাসিকাখনৰ ঠায়ে ঠায়ে ৰসভঙ্গ কৰিলেও ইয়াৰ কাহিনীত পূৰ্ণাঙ্গ উপন্যাসৰ মৌলিক উপাদান আছে। চৰিত্ৰ-বিশ্লেষণৰ আৰু ঘটনা পৰম্পৰাৰ সজীৱ চিত্ৰ ইয়াত নাই।

ফুলমণি আৰু কৰুণাৰ অসমীয়া অনুবাদ কৰে শ্ৰীমতী গাৰ্ণীয়ে। পুথিখনৰ মূল মিচেচ মুলেনৰ বাংলা কাহিনী। অনুবাদ হৈছিল যদিও বৰ্ত্তমান পুথিখন পাবলৈ নাই। **ফুলমণি আৰু কৰুণা** কেৱল প্ৰচাৰধৰ্মী নহয়, সাহিত্য হিচাপেও ইয়াৰ মূল্য অস্বীকাৰ কৰিব নোৱাৰি। সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে 'কাহিনীৰ মাজেদি বাঙালী গ্ৰাম্য জীৱনৰ সুন্দৰ আৰু বাস্তৱ পৰিৱেশ, গ্ৰাম্য চৰিত্ৰৰ অভিব্যক্তি, আচাৰ-নীতি, কুসংস্কাৰ আদিৰ জীৱন্ত চিত্ৰ ফুটি উঠিছে। খৃষ্টধৰ্মৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰাৰ প্ৰয়াস আছে যদিও

উৎকট প্ৰচাৰধৰ্মীতাৰ পৰা উপন্যাসখন মুক্ত। [১০]

মিছনেৰী পৰৱৰ্ত্তী যুগৰ সাহিত্যত অসমীয়া উপন্যাসৰ উপাদান ঃ

অসমীয়া সাহিত্য অৰুণোদই যুগৰ পৰাই আলোচনীক কেন্দ্ৰ কৰি অগ্ৰসৰ হ'বলৈ ধৰে। অৰুণোদই যুগৰ খৃষ্টিয়ান আৰু অখৃষ্টিয়ান লিখকসকলে অসমীয়া মানুহৰ মনত অসমীয়া ভাষাৰ প্ৰতি আত্মপ্ৰত্যয়ৰ মনোভাব সৃষ্টি কৰে। অৰুণোদইৰ পৰৱৰ্ত্তীকালত সেই কামতে কান্ধ দিয়া সংবাদপত্ৰৰ বাটেৰে অসমীয়া সাহিত্যৰ উন্নতি সাধাৰ প্ৰচেষ্টা চলায় ক্ৰমে আউনীআটি সত্ৰাধিকাৰৰ সম্পাদনাত **আসাম-বিলাসিনী** (১৮৭২ ৮৩) হেমচন্দ্ৰ বৰুৱাৰ **আসাম-নিউচ** (১৮৮৩-৮৫) গুণাভিৰাম বৰুৱাৰ **আসাম বন্ধু** (১৮৮৫-৮৬) হৰিনাৰায়ণ বৰা সম্পাদিত **মৌ** (১৮৮৬) শ্ৰীধৰ বৰুৱাৰ **আসাম তৰা** (১৮৮৯ ৯০) আৰু কৰুণাভিৰাম বৰুৱাৰ শিশু আলোচনী **ল'ৰাবন্ধু** (১৮৮৮) আদি পত্ৰিকাসমূহে। এই পত্ৰিকাসমূহে অসমীয়া গদ্যশৈলী আৰু কথাসাহিত্যক দৃঢ়ভাৱে প্ৰতিষ্ঠা কৰে। এই যুগৰ হেমচন্দ্ৰ বৰুৱাৰ **বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী** আৰু পদ্মাৱতী দেৱী ফুকননীৰ **সুধৰ্মাৰ উপাখ্যান** উল্লেখযোগ্য উপন্যাসধৰ্মী সাহিত্য।

১৮৭৩ চনত হেমচন্দ্ৰ বৰুৱাৰ **বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী** প্ৰকাশ পায়। মিছনেৰী সাহিত্যৰ দৰে পুথিখন প্ৰচাৰধৰ্মী নহয় ব্যংগাত্মক। সুগঠিত কাহিনী আৰু নিপুন চৰিত্ৰাংকন ইয়াত নাই। এইখনেই প্ৰথম অসমীয়া ব্যংগ সাহিত্য। সম্ভৱত বাংলা সাহিত্যত ইতিপূৰ্বে প্ৰকাশিত **নববাবুৰ বিলাস** আৰু **আলালেৰ ঘৰেৰ দুলাল** উপন্যাসে হেমচন্দ্ৰ বৰুৱাক অনুপ্ৰাণিত কৰিছিল। ইংৰাজ আমোলৰ প্ৰাৰম্ভিক কালছোৱাৰ ভিতৰি ফোঁপোলা অসমীয়া সমাজৰ দুৰ্নীতিগ্ৰস্ত চৰিত্ৰহীন আৰু ভণ্ড একশ্ৰেণী লোকৰ কদৰ্য চৰিত্ৰ বৰ্ণনা উপন্যাসখনত আছে। চৰিত্ৰসমূহৰ নামবোৰো ব্যংগধৰ্মী। উপন্যাসৰূপে **বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী** সফল হ'ব নোৱাৰিলেও অসমীয়া ব্যংগ গদ্য ৰচনা হিচাপে পুথিখনৰ মূল্য অস্বীকাৰ কৰিব নোৱাৰি।

পদ্মাৱতী দেৱী ফুকননীৰ ১৮৮৪ চনত **সুধৰ্মাৰ উপাখ্যান** প্ৰকাশ হয়। সৰু পুস্তিকাখনত লেখিকাই সজ আৰু অসজ মানুহৰ কাৰ্যৰ ফল বিশ্লেষণ কৰিছে। সত্যবান আৰু মাধৱচন্দ্ৰ দুজন বন্ধুৱে নাৱেৰে বণিজলৈ যাওঁতে দুয়োৰে পত্নী ক্ৰমে সুধৰ্মা আৰু লীলাৱতীৰ লগত নাও দুৰ্ঘটনাত বিচ্ছেদ হ'ল আৰু অৱশেষত নাটকীয়ভাৱে স্বামী-পত্নীৰ কেনেকৈ মিলন হ'ল উপন্যাসধৰ্মী পুথিখনত তাক সবিস্তাৰে বৰ্ণনা কৰিছে। কাহিনীটো প্ৰাচীন আখ্যান ৰীতি অনুসৰণ কৰি পৌৰাণিক পৰিৱেশত উপস্থাপন কৰিছে। অসমীয়া কথা-সাহিত্যৰ ক্ৰমবিকাশত সুধৰ্মাৰ উপাখ্যানৰ অৱদান নুই কৰিব নোৱাৰি।

মিছনেৰী আৰু মিছনেৰী পৰৱৰ্ত্তী যুগৰ সাহিত্যিক সকলে যি অপৈণত উপন্যাস ৰচনাৰ প্ৰচেষ্টা চলায় সেই প্ৰচেষ্টাক সাফল্যমণ্ডিত কৰি তোলে জোনাকী যুগত পদ্মনাথ গোহাঞি বৰুৱাই।

অসমীয়া সাহিত্যলৈ আধুনিকতা অনাত অৰুণোদইৰ পাছতে বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিছিল জোনাকী কাকতে। উনবিংশ শতিকাৰ সামাজিক আৰু বৌদ্ধিক পটভূমি জড়িতহৈ আছে জোনাকীৰ জন্মলগ্নত। বৃটিছসকল অহাৰ পিছত মিছনেৰীসকলৰ প্ৰচেষ্টাত অসমত লাহে লাহে দুই এখন আনুষ্ঠানিক শিক্ষা প্ৰতিষ্ঠান হৈছিল যদিও সেইসমূহে এটা শিক্ষিত শ্ৰেণী গঢ় দিব পৰা নাছিল। শিক্ষাৰ প্ৰতি জনসাধাৰণৰ আকৰ্ষণো কম আছিল। উনবিংশ শতিকাৰ শেহৰফালে কলিকতাত পঢ়িবলৈ যোৱা লক্ষ্মীনাথ বেজবৰুৱা চন্দ্ৰকুমাৰ আগৰৱালা হেমচন্দ্ৰ গোস্বামী কনকলাল বৰুৱা ৰজনীকান্ত বৰদলৈ গুঞ্জানন বৰুৱা সত্যনাথ বৰা আদি প্ৰায় পঞ্চাছজন অসমীয়া ছাত্ৰই পাশ্চাত্য শিক্ষা সাহিত্য আৰু সংস্কৃতিৰ সংস্পৰ্শলৈ আহি উদাৰ মানৱতাবাদী আৰু যুক্তিবাদী দৃষ্টিভংগীৰ সৈতে পৰিচয় হয়। অন্যহাতে বঙ্গদেশৰ নৱজাগৰণৰ সংস্পৰ্শত সংস্কাৰমুখী ঐতিহ্যবাদী চেতনাৰ লগতো পৰিচয় হয়।

বাংলা সাহিত্যই সেই সময়ত ইংৰাজী শিক্ষা আৰু সংস্কৃতিৰ প্ৰভাৱত নতুন সৌষ্ঠৱ লাভ কৰিছিল। বাংলা সাহিত্যই লাভ কৰা সমৃদ্ধি দেখি অসমীয়া ছাত্ৰসকলে নিজৰ মাতৃভূমিৰ ভাষা-সাহিত্যৰ উন্নতিৰ প্ৰতি দায়বদ্ধতা অনুভৱ কৰে। ১৮৮৮ চনৰ ২৫ আগষ্টত তেওঁলোকে অসমীয়া ভাষাৰ উন্নতিসাধিনী সভা নামৰ এখন সভাৰ যোগেদি অসমীয়া ভাষা-সাহিত্যৰ বিকাশৰ চেষ্টা কৰিলে। অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ প্ৰচেষ্টাত ১৮৮৯ চনৰ ফেব্ৰুৱাৰী মাহত কলিকতাৰ পৰা চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদনাত জোনাকী নামৰ এখন মাহেকীয়া আলোচনী প্ৰকাশ হয়। এই জোনাকী কাকততে পোন প্ৰথম অসমীয়া ৰোমাণ্টিক কবিতা আধুনিক নাটক চুটিগল্প উপন্যাস জীৱনীমূলক সাহিত্য আদিয়ে প্ৰকাশ লাভ কৰে। জোনাকীৰ পিছত ১৮৯০ চনত বিজুলী প্ৰকাশ পায়। বিজুলীৰ মূল উদ্দেশ্য আছিল জোনাকীৰ সমালোচনা কৰা কিন্তু লক্ষ্য আছিল অসমীয়া সাহিত্যৰ উন্নতি। বিজুলীৰ প্ৰথম সংখ্যাৰ পৰাই পদ্মনাথ গোহাঞিবৰুৱাৰ ভানুমতী ধাৰাবাহিকভাৱে প্ৰকাশ পায়। পদ্মনাথ গোহাঞিবৰুৱাৰ সম্পাদনাত ১৯০৭ চনত উষা আলোচনী প্ৰকাশ পায়। ১৯০৯ চনত বেজবৰুৱাৰ সম্পাদনাত বাঁহী প্ৰকাশ হয়। বাঁহীৰ পিছতে ১৯১০ চনত ডিব্ৰুগড়ৰ পৰা দুৰ্গানাথ চাংকাকতিৰ সম্পাদনাত আলোচনী প্ৰকাশিত হয়। এই সময়ৰ আন এখন সাহিত্য আলোচনী চেতনা। এই কাকতসমূহে আধুনিক অসমীয়া সাহিত্যৰ উন্নতিত অভূতপূৰ্ব বৰঙণি আগবঢ়াইছিল।

অসমীয়া সাহিত্যত পোন প্ৰথম উপন্যাস লিখি সমাদৰ লাভ কৰা ঔপন্যাসিক পদ্মনাথ গোহাঞিবৰুৱা। তেখেতৰ দুখন উপন্যাস ভানুমতী আৰু লাহৰী।

গোহাঞিবৰুৱাৰ ভানুমতী উপন্যাস বিজুলী কাকতত ছোৱা ছোৱাকৈ প্ৰকাশ পাইছিল ১৯১১ চনৰ পৰা। ভানুমতী ঔপন্যাসিকৰ পোন প্ৰথম সাহিত্যিক প্ৰচেষ্টা। ভানুমতী পাৰিবাৰিক কৰুণ ৰসাত্মক উপন্যাস। কাহিনীটো ঐতিহাসিক পটভূমিত

উপস্থাপন কৰা হৈছে। মৰাণ গোহাঞিবৰুৱাৰ জীয়েক ভানুমতী উপন্যাসৰ নায়িকা। মৰাণ গোহাঞিবৰুৱাৰ ঘৰত আশ্ৰয় লোৱা সম্ভ্ৰান্ত বংশৰ যুবক চাৰু গোহাঞিবৰুৱা আৰু ভানুমতীৰ প্ৰেম উপন্যাসৰ মূল উপজীব্য। অপ্ৰত্যাশিতভাবে আহোম যুৱৰাজ ভানুমতীৰ পাণি প্ৰাৰ্থী হ'ল আৰু ভানুমতী-চাৰুৰ প্ৰেমত বাধা আহিল। উপন্যাসখনৰ শেহত চেক্সপীয়েৰৰ ট্ৰেজেদিৰ নিচিনাকৈ প্ৰেমিক-প্ৰেমিকাৰ একেলগে মৃত্যু হোৱা দেখুওৱা হৈছে।

গোহাঞিবৰুৱাৰ **লাহৰী** উপন্যাসৰ পটভূমি মানৰ অসম আক্ৰমণৰ শেষ কালছোৱা। কিন্তু বুৰঞ্জীৰ লগত উপন্যাসৰ কাহিনীৰ কোনো বিশেষ যোগসূত্ৰ নাইষ মূল কাহিনীটো গঢ় লৈছে কমল আৰু লাহৰীৰ প্ৰণযক লৈ। মানৰ আক্ৰমণত ব্ৰহ্মপুত্ৰইদি নাৱেৰে পলাই যাওতে শান্তিৰাম গোহাঞিবৰুৱাৰ একমাত্ৰ পুত্ৰ কমল পানীত পৰি যায়। গছ এজোপাক আশ্ৰয় লৈ ভটিয়াই গৈ থাকোঁতে কৃষ্ণকান্ত গোহাঞি নামৰ পামপুৰৰ এজন লোকে উদ্ধাৰ কৰি কমলক তেওঁৰ ঘৰতে আশ্ৰয় দিয়ে। কৃষ্ণকান্তৰ কন্যা কমলৰ লগৰী হয়। শৈশৱৰ খেল যৌৱনত প্ৰেমলৈ ৰূপান্তৰিত হ'ল। মানৰ আক্ৰমণত কমল লাহৰীৰ বিচ্ছেদ হয় আৰু লাহৰী পলাই কমলৰ মাক-দেউতাকৰ ওচৰত আশ্ৰয় লয়। কমলৰ সকলো কথা জানি মাক-দেউতাক পামপুৰলৈ আহে আৰু লাহৰী-কমলৰ বিয়া পাতি দিয়ে। দুয়োৰে সুখী দাম্পত্য জীৱনৰ আৰম্ভণিৰে উপন্যাসৰ কাহিনী শেষ হৈছে।

গোহাঞিবৰুৱাৰ দুয়োখন উপন্যাসৰ পটভূমি ঐতিহাসিক হ'লেও ইতিহাসৰ কোনো বিশেষ ঘটনাৰ লগত কাহিনীৰ যোগসূত্ৰ নাই। ঘটনা-বৈচিত্ৰৰ কাৰণেহে ইতিহাসৰ ভেটিত উপন্যাসৰ কাহিনী সংস্থাপিত হৈছে, ঐতিহাসিক যুগৰ প্ৰতিফলনৰ বাবে নহয়। দুয়োখন উপন্যাসৰ নায়িকাতকৈ নায়ক কিছু পৰিমাণে নিষ্ক্ৰিয়।

জোনাকী কাকতৰ মূল কৰ্ণধাৰ লক্ষ্মীনাথ বেজবৰুৱাৰ একমাত্ৰ উপন্যাস **পদুমকুঁৱৰী** **জোনাকী** কাকতত তৃতীয় বছৰত ধাৰাবাহিকভাৱে প্ৰকাশ পাইছিল। গ্ৰন্থাকাৰে প্ৰকাশ পায় ১৯০৫ চনত। উপন্যাসখনৰ পটভূমি বুৰঞ্জীখ্যাত দন্দুৱাদ্ৰোহ। বুৰঞ্জীত উল্লেখ থকা মতে মোৱামৰীয়া বিদ্ৰোহত সহযোগ কৰা বুলি ভাবি গুৱাহাটীৰ শাসনকৰ্তা বদনচন্দ্ৰ বৰফুকনে কামৰূপৰ প্ৰজাৰ ওপৰত অত্যাচাৰ চলায়। কমলেশ্বৰ সিংহৰ দিনত হৰদত্ত আৰু বীৰদত্তৰ নেতৃত্বত কামৰূপৰ প্ৰজা বিদ্ৰোহী হৈ উঠে। বদন বৰফুকনে এই বিদ্ৰোহ দমন কৰিব নোৱাৰিলে। বেজবৰুৱাই পদুমকুঁৱৰীত উক্ত ঐতিহাসিক ঘটনা আৰু সূৰ্যকুমাৰ আৰু হৰদত্তৰ কন্যা পদুমীৰ প্ৰেমৰ ঘটনাৰ সংমিশ্ৰণত উপন্যাসৰ কাহিনী অংকন কৰিছে। ইতিহাসৰ ঘটনাৰ মাজে মাজে প্ৰণয় কাহিনীটো সোমাই পৰাৰ ফলত ইতিহাসৰ ঘটনাৰ পৰা ই অভিন্ন হৈ পৰিছে। উপন্যাসৰ কাহিনীত চেক্সপীয়েৰৰ ৰোমিঅ-জুলিয়েটৰ প্ৰভাৱ পৰিছে। বেজবৰুৱাৰ পদুমকুঁৱৰীৰ বিষয়বস্তু বুৰঞ্জীৰ হ'লেও সমসাময়িক সমাজ জীৱনৰ ছবি পাবলৈ নাই। অসমীয়া উপন্যাসৰ

পথ প্ৰদৰ্শক হিচাপে পদুম কুঁৱৰীৰ মূল্য অস্বীকাৰ কৰিব নোৱাৰি।

গোহাঞিবৰুৱা আৰু বেজবৰুৱাৰ সমসাময়িক নীলকণ্ঠ বৰুৱাৰ মেম বিষয়বস্তুৰ ফালৰ পৰা উল্লেখযোগ্য কাহিনী সাহিত্য। বিজুলীৰ দ্বিতীয় বছৰত এই উপন্যাস ধাৰাবাহিকভাৱে প্ৰকাশ হৈছিল। মেম প্ৰথম অসমীয়া সমাজ-সংস্কাৰধৰ্মী উপন্যাস। আঠোটা অধ্যায়ত বিভক্ত উপন্যাসখনৰ উপস্থাপন ৰীতি ব্যংগাত্মক আৰু কাহিনী গতিশীল। নাৰী জীৱনক লৈ হেতালি খেলা সমাজৰ এটা কদৰ্য দিশ উপন্যাসখনত পোহৰলৈ আহিছে। সত্যেন্দ্ৰনাথ শৰ্মাৰ মতে 'উপন্যাসৰূপে সাৰ্থক ৰচনা নহলেও সামাজিক সমস্যা আৰু নাৰী নিৰ্য্যাতনৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি তাৰ প্ৰতিকাৰ বিচৰা কাহিনী হিচাপে মেম উপন্যাসৰ ঐতিহাসিক মূল্য অস্বীকাৰ কৰিব নোৱাৰি।[১১]

ইংৰাজ ঔপন্যাসিক স্কট আৰু বাংলা ঔপন্যাসিক বঙ্কিমচন্দ্ৰৰ দৰে ইতিহাসৰ ৰোমান্সকৰ কাহিনীক বিষয়বস্তু হিচাপে লৈ ৰজনীকান্ত বৰদলৈয়ে আঠখন ঐতিহাসিক উপন্যাস ৰচনা কৰে। তেখেতৰ একমাত্ৰ সামাজিক উপন্যাস মিৰি-জীয়ৰী মিৰি জন-জীৱনৰ সামাজিক জীৱনৰ পটভূমিত ৰচিত। অসমীয়া ৰোমাণ্টিক যুগৰ সাহিত্যিক সকলৰ উদ্দেশ্য আছিল অতীত অসমৰ শৌৰ্য্য-বীৰ্য আৰু গৌৰোজ্জ্বল কাহিনী সাহিত্যৰ মাজেদি প্ৰকাশ কৰি দেশৰ জনগণক দেশপ্ৰেমৰ প্ৰতি অনুপ্ৰাণিত কৰা। গতিকে বৰদলৈয়ে অতীতৰ গৌৰৱপূৰ্ণ কাহিনীক উপন্যাসৰ বিষয়বস্তু হিচাপে গ্ৰহণ কৰিছিল।

মিৰি-জীয়ৰী বৰদলৈৰ প্ৰথম আৰু একমাত্ৰ সামাজিক উপন্যাস। ৰচনাৰ সময় ১৮৯৪ চন। অনভিজ্ঞ নবীন লিখকৰ প্ৰথম প্ৰচেষ্টা স্বৰূপে উপন্যাসখন দোষশূন্য নহয় যদিও ই বৰদলৈৰ কথা-প্ৰতিভাৰ অন্যতম উজ্জ্বল কীৰ্তি। মিৰি ডেকা-গাভৰু জঙ্কি আৰু পানেইৰ প্ৰণয়ৰ ট্ৰেজিক পৰিণতি উপন্যাসখনৰ বিষয়বস্তু। মিৰি-জনগোষ্ঠীৰ সামাজিক ৰীতি-নীতি, বৈবাহিক নিয়ম-প্ৰথা চৰগ-পূজা নৰাছিগা বিহু, দেওধাইৰ ভৱিষ্যতবাণী আদি প্ৰসঙ্গক্ৰমে উপন্যাসখনত সন্নিবিষ্ট কৰিছে। সোৱণশিৰী নদীখনৰ ভূমিকাও উপন্যাসখনত তেজ-মঙহৰ চৰিত্ৰৰ দৰে জীৱন্ত।

১৯০০ চনত ৰচিত মনোমতী বৰদলৈৰ প্ৰথম ঐতিহাসিহ উপন্যাস। মানৰ তৃতীয় আক্ৰমণৰ পটভূমিত উপন্যাসখন ৰচিত হলেও কোনো ৰাজনৈতিক ঘটনাৰ স্পষ্ট প্ৰকাশ উপন্যাসখনত নাই। লক্ষ্মীকান্ত আৰু মনোমতীৰ প্ৰেম কেনেকৈ ৰাজনৈতিক ঘটনাৰ ধুমুহাই ঠানবান কৰিলে তাৰ বিস্তৃত বিৱৰণ উপন্যাসখনত আছে।

১৯০৯ চনত ৰচিত দন্দুৱাদ্ৰোহ উপন্যাসৰ পটভূমি হৰদত্ত আৰু বীৰদত্তৰ নেতৃত্বত কামৰূপৰ লোকৰ বদনচন্দ্ৰ বৰফুকনৰ বিৰুদ্ধে বিদ্ৰোহ। উপন্যাসখনত হৰদত্তৰ কন্যা পদ্মকুমাৰী আৰু মহীৰামৰ প্ৰণয় কাহিনী আছে যদিও ঐতিহাসিক ঘটনাৰ ওপৰত ঘাইকৈ ঔপন্যাসিকৰ দৃষ্টি নিবদ্ধ হৈছে। একে বিষয়বস্তু লৈ বেজবৰুৱাই পদুমকুঁৱৰী উপন্যাস লিখিছিল। বেজবৰুৱাই পদুমকুঁৱৰীত প্ৰণয় কাহিনীটোৰ ওপৰত অধিক গুৰুত্ব দিছে আৰু বৰদলৈয়ে দন্দুৱাদ্ৰোহত ঐতিহাসিক সত্যতাৰ ওপৰত অধিক

গুৰুত্ব দিছে।

মানৰ প্ৰথম আক্ৰমণৰ পটভূমিত ৰচিত ৰঙ্গিলীৰ ৰচনাৰ সময় ১৯২৫ চন। চাৰিহাল যুৱক-যুৱতীৰ প্ৰেমৰ কাল্পনিক কাহিনী ঐতিহাসিক ঘটনাৰ লগত সন্নিবিষ্ট কৰা হৈছে। সংৰাম-ৰঙ্গিলীৰ মূল প্ৰেমৰ ঘটনাৰ লগত শান্তিৰাম-পদুমী জয়ৰাম-কেতেকী বিচিত্ৰী-মইনাৰ উপঘটনা সংযোগ কৰা হৈছে। সংৰাম আৰু ৰজা চন্দ্ৰকান্তৰ বন্ধুত্ব ৰাজকাৰ্যৰ প্ৰতি চন্দ্ৰকান্তৰ উদাসীনতা ৰজাৰ আসৈ পোৱাত সংৰামৰ উদ্যোগুলি সংৰামৰ নিৰ্বাসন আৰু বদনচন্দ্ৰ আৰু পূৰ্ণানন্দৰ বিৰোধৰ ফলস্বৰূপে মানৰ অসম আক্ৰমণ আদি ঐতিহাসিক ঘটনা প্ৰণয় কাহিনী কেইটাৰ লগত সংযোগ কৰা হৈছে।

ঐতিহাসিক মোৱামৰীয়া বিদ্ৰোহৰ পটভূমিত ৰচিত ৰাধা-ৰুক্মিণীৰ ৰণ প্ৰকাশ হয় ১৯২৫ চনত। ক্ষুদ্ৰ কলেবৰৰ এই উপন্যাসখনত ৰাজধানীৰ দুৰ্গোৎসৱত ৰজা শিৱসিংহই মোৱামৰীয়া গোঁসাই মহন্তক অপমান কৰাৰ ফলস্বৰূপে নাহৰ মৰাণ ভাগিনীয়েক ৰাঘৱ আৰু ৰমাকান্তই লগ লাগি কেনেকৈ মোৱামৰীয়া বিদ্ৰোহৰ পাতনি মেলে তাৰ কাহিনী চমুকৈ বৰ্ণনা কৰিছে। নাহৰ মৰাণৰ প্ৰথমা পত্নী ৰাধাই এদল সৈন্য লৈ এফালৰ পৰা আৰু দ্বিতীয়া পত্নী ৰুক্মিণীয়ে এদল সৈন্য লৈ আনফালৰ পৰা আহোমৰ লগত যুদ্ধত অৱতীৰ্ণ হোৱাৰ কাৰণে উপন্যাসখনৰ নাম দিয়া হৈছে ৰাধা-ৰুক্মিণীৰ ৰণ। ঐতিহাসিক ঘটনাৰ লগত ৰাঘৱ আৰু ৰুক্মিণীৰ প্ৰেমৰ কাহিনী এটাও বৰ্ণিত হৈছে।

মানৰ দ্বিতীয় আৰু তৃতীয় আক্ৰমণৰ ভেটিত ৰচিত বৰদলৈৰ নিৰ্মল ভকত (১৯২৬) উপন্যাসৰ কাহিনী প্ৰথম পুৰুষত বৰ্ণিত হৈছে। সৰুতে খেলৰ লগ নিমল আৰু ৰূপহীৰ প্ৰেম আৰু ঘৰৰ পৰা পলায়ন কৰি যুগ্মজীৱন যাপন মানৰ আক্ৰমণৰ যুদ্ধবন্দী হৈ নিৰ্মলৰ মানদেশত চৈধ্য বছৰ যাপন দেশলৈ উভতি আহি নিৰ্মলে বাল্যবন্ধু অনিৰামৰ লগত ৰূপহীৰ সুখৰ সংসাৰ দেখি ৰূপহীৰ দাম্পত্য জীৱনত ব্যাঘাত নজন্মাই সত্ৰৰ ভকতহৈ ধৰ্মীয় চিন্তাত জীৱনৰ শেষকালছোৱা যাপন কৰা উপন্যাসৰ মূল ঘটনা।

মানৰ তৃতীয় আক্ৰমণৰ পটভূমিত ৰচিত তাম্ৰেশ্বৰী মন্দিৰ (১৯২৬) উপন্যাসৰ নায়ক ধনেশ্বৰ। ধনেশ্বৰ-আঘোণীৰ প্ৰেম উপন্যাসৰ মূল উপজীব্য। উপন্যাসখনত তাম্ৰেশ্বৰী মন্দিৰত প্ৰচলিত নৰবলি প্ৰথাৰ বিৱৰণ আছে।

মানৰ প্ৰথম আক্ৰমণৰ পটভূমিত ৰচিত ৰহদৈ লিগিৰি (১৯৩০) উপন্যাস। উপন্যাসখনৰ মূল কাহিনীটো ৰহদৈ আৰু দয়াৰামৰ প্ৰেম সম্পৰ্কীয়। মানৰ প্ৰথম অসম আক্ৰমণ ৰজা চন্দ্ৰকান্ত সিংহৰ কেন্দ্ৰ কৰি আহোম ৰাজত্বকালৰ ৰাজনৈতিক ঘটনা উপন্যাসখনত সন্নিবিষ্ট কৰা হৈছে। ৰাজকাৰেঙত দুৰ্গোৎসৱৰ বিৱৰণ ৰহদৈ লিগিৰীৰ জীৱন্ত ৰূপত প্ৰকাশ পাইছে। ৰহদৈ দয়াৰামৰ দেহজ প্ৰেম কৃষ্ণভক্তিলৈ ৰূপান্তৰ হোৱা দেখুৱাই উপন্যাসৰ কাহিনী শেষকৰা হৈছে।

বৰদলৈৰ উপন্যাস কেইখনৰ কিছুমান সাধাৰণ বৈশিষ্ট্য ড নেওগে উল্লেখ কৰিছে— কেয়োখন স্ত্ৰী চৰিত্ৰপ্ৰধান। প্ৰেমেই হ'ল কাহিনীসমূহৰ মূল সূত্ৰ। ঔপন্যাসিকে ডেকা গাভৰুৰ দেহজ প্ৰেক য'ত মিলনৰ পৰিণতি দিব পৰা নাই তাত তাক তেওঁ এক আধ্যাত্মিক স্তৰলৈ তুলি লৈ গৈছে। সমান্তৰাল প্ৰেৰ কাহিনী ঔপন্যাসিকে ইটো সিটোক ধৰাধৰিকৈ বিকশিত কৰাইছে। বুৰঞ্জীমূলক উপন্যাসকেইখনত বুৰঞ্জীয়ে যাই ঘটনাত বৰকৈ হেতা ওপৰা কৰা নাই। মাজে মাজে নাটকীয় পৰিস্থিতিৰ সৃষ্টি কৰাত বৰদলৈয়ে পটুতা দেখুৱাইছে।[১২] গোহঞিবৰুৱাৰ হাতত প্ৰথম প্ৰকাশিত উপন্যাস সাহিত্যই ৰজনীকান্ত বৰদলৈৰ হাতত পূৰ্ণপ্ৰতিষ্ঠা লাভ কৰে।

চনেট আৰু বুৰঞ্জীমূলক কাব্য প্ৰণেতা হিতেশ্বৰ বৰবৰুৱাৰ একমাত্ৰ উপন্যাস **মালিতা** ১৯১৪ চনত প্ৰকাশ হয়। আহোম আৰু কছাৰী সংঘৰ্ষৰ পটভূমিত ৰচিত উপন্যাসখনৰ কাহিনীটো ট্ৰেজিক। উপন্যাসখনত অভয় গোহাঞি আৰু মালিতাৰ প্ৰেমৰ কাহিনীটোও ৰাজনৈতিক ঘটনাৰ ওচৰা-ওচৰিকৈ উপস্থাপন কৰিছে। মালিতাৰ চুটি অথচ সৰল কাহিনীটো উপন্যাসতকৈ চুটিগল্পৰহে অধিক ওচৰচপা। অসমীয়া উপন্যাস সাহিত্যত পোন প্ৰথমবাৰৰ বাবে শৰৎচন্দ্ৰ গোস্বামীয়ে ভাৰত বুৰঞ্জীৰ কাহিনীৰ সমল গ্ৰহণ কৰি **পানিপথ** উপন্যাস লিখে। লোডী বংশৰ শেষ ৰজা ইব্ৰাহীম লোডী আৰু কাবুলৰ মোগল ৰজা বাবৰৰ মাজত হোৱা বুৰঞ্জীপ্ৰসিদ্ধ প্ৰথম পানিপথৰ যুদ্ধৰ পটভূমিত **পানিপথ** উপন্যাস লিখা হৈছে। হৰিনাৰায়ণ দত্তবৰুৱাৰ একমাত্ৰ উপন্যাস **চিত্ৰদৰ্শন** আহোম আৰু মোগলৰ যুদ্ধৰ কাহিনীৰ পটভূমিত ৰচিত। **চিত্ৰদৰ্শন**ত কামৰূপৰ মহহো বা মহখেদা উৎসৱ মাঘবিহু, বহাগবিহু নাওখেল আদি সামাজিক উৎসৱৰ যোগেদি সেই সময়ৰ সামাজিক চিত্ৰ ধৰি ৰখা হৈছে। বিংশ শতাব্দীৰ প্ৰথম দশকত ৰচিত এখন উল্লেখযোগ্য উপন্যাস হ'ল হৰেশ্বৰ শৰ্মাবৰুৱাৰ ১৯০৯ চনত প্ৰকাশিত **কুসুমকুমাৰী**। প্ৰমোদ কুমাৰ-কুসুমকুমাৰী আৰু মোহনচন্দ্ৰ সেউতীৰ প্ৰণয়ৰ বিভিন্ন সংঘাত অৱতাৰণা কৰি শেষত দুইযোৰ প্ৰেমিক-প্ৰেমিকাৰ মিলন উপন্যাসখনত দেখুওৱা হৈছে।

ছটা সৰু সৰু অধ্যায়ত বিভক্ত নবীনচন্দ্ৰ ভট্টাচাৰ্যৰ **চন্দ্ৰপ্ৰভা** উপন্যাস প্ৰকাশৰ সময় ১৯০৮ চন। শাহু-বোৱাৰী আৰু ননদৰ ঘৰুৱা কন্দলক ভেটি কৰি উপন্যাসৰ কাহিনী ৰচনা কৰা হৈছে। কম পৰিসৰত গাঁৱৰ সামাজিক জীৱনৰ এটা দিশ দাঙি ধৰাত ঔপন্যাসিক সফল হৈছে।

১৯২১ চনত প্ৰকাশিত **চিন্তহৰণ পাটগিৰিৰ সংসাৰ চিত্ৰ**ৰ বিষয়বস্তু পাৰিবাৰিক। কাহিনী গঢ় লৈছে অমূল্য আৰু প্ৰতিমা নৱদম্পতীক লৈ। শাহু-বোৱাৰীৰ তিক্ত সম্পৰ্ক আৰু সমাজৰ নিৰ্দয় চিত্ৰ প্ৰকাশ কৰাত লেখক সফল হৈছে।

১৯২২ চনত ৰচিত দণ্ডিনাথ সোনোৱালৰ **চপলা** ক্ষুদ্ৰ পৰিসৰৰ সামাজিক উপন্যাস। দুষ্টা পত্নীৰ প্ৰভাৱত গৃহস্থীজীৱন কেনেকৈ অধঃপতিত হয় চপলাৰ কাহিনীৰ

মাজেদি তাকে দেখুওৱা হৈছে। কাহিনীৰ মাজে মাজে লেখকে নৈতিক আৰু সাংসাৰিক জীৱনৰ উপদেশ দিছে। ভৱদেৱ ভাগৱতীৰ উপন্যাস ৰচনাৰ প্ৰথম প্ৰচেষ্ট **লীলা** ১৯২৪ চনত প্ৰকাশ পায়। উপন্যাসখনত প্ৰেমৰ এটা সৰল চিত্ৰ আঁকিবলৈ যত্নকৰা হৈছে। কাহিনীটো আখ্যান স্তৰতে ৰৈছে, উপন্যাসৰ স্তৰলৈ উঠিব পৰা নাই। কমলেশ্বৰ চলিহাই **প্ৰিয়া, সুন্দৰ আঘাত** আৰু **বালিগড়া** নামেৰে তিনিখন উপন্যাস ৰচনা কৰিছিল। তিনিওখন উপন্যাসেই সামাজিক সমস্যা প্ৰকাশত সফল হৈছে।

পদ্মাৱতী দেৱী ফুকননীৰ পিছতে উপন্যাস ৰচনাত হাত দিয়া ঔপন্যাসিকা স্নেহলতা বৰুৱা। ইংৰাজ ঔপন্যাসিক জেন আষ্টিনৰ দৰে পাৰিবাৰিক জীৱনৰ খুটি-নাটিক বিষয়বস্তু হিচাপে লৈ স্নেহলতা বৰুৱাই দুখন উপন্যাস ৰচনা কৰে— **বীনা** (১৯২৬) আৰু **বেমেজালি** (১৯৩৪)। লেখিকাৰ প্ৰথম প্ৰকাশ **বীনা**। হিন্দু সমাজত প্ৰচলিত বাল্য-বিবাহ আৰু বিধৱাৰ সমস্যা উপন্যাসখনৰ পটভূমি। লেখিকাই মাজে মাজে চৰিত্ৰৰ ৰোমন্থনৰ মাজেদি অতীত ঘটনাৰ কথা উপন্যাসৰ কাহিনীৰ মাজলৈ টানি আনিছে। এনে প্ৰয়াস অসমীয়া উপন্যাসত অভিনৱ। **বেমেজালিৰ** কাহিনীৰ ৰূপৰেখা স্পষ্ট নহয়। চৰিত্ৰৰো বিকাশ নাই।

চন্দ্ৰপ্ৰভা শইকীয়ানীৰ উপন্যাস **পিতৃভিঠা** প্ৰকাশ হয় ১৯৩৭ চনত। মাধৱ-মালতীৰ প্ৰেম উপন্যাসৰ মূল উপজীব্য। কাহিনীত কৃত্ৰিমতা থাকিলেও ঔপন্যাসিকাই নায়িকা মাধৱীয়ে পৈত্ৰিক ভেটিৰ আকৰ্ষণৰ কাৰণে কেনেকৈ নিজৰ প্ৰেমৰ বিসৰ্জন দিবলৈ কুণ্ঠাবোধ কৰা নাই তাক সুন্দৰভাৱে উপস্থাপন কৰিছে। দ্বিতীয় মহাযুদ্ধৰ আগতে সুপ্ৰভা গোস্বামীয়ে পাল বাৰ্কৰ **Good Earth** ৰ অসমীয়া চমু ৰূপান্তৰ **মাটিৰ মোহ** ৰচনা কৰিছিল। অসমীয়া অনুবাদ উপন্যাসৰ ই প্ৰথম পদক্ষেপ। অসমীয়া সাহিত্যত পোনপ্ৰথমবাৰৰ বাবে সমালোচনাধৰ্মী সামাজিক উপন্যাস লিখা ঔপন্যাসিকজন হ'ল দণ্ডিনাথ কলিতা। তেখেতৰ উপন্যাসসমূহ হ'ল— **ফুল সাধনা আবিষ্কাৰ পৰিচয়** আৰু **গণবিপ্লৱ**। দৈৱচন্দ্ৰ তালুকদাৰৰ উপন্যাসসমূহ হ'ল **ধুৰ্বলী কুঁৱলী** (১৯২২) **আগ্নেয়গিৰি** (১৯২৪) **বিদ্ৰোহী** (১৯২৪) **অপূৰ্ণ** (১৯৪২) **আদৰ্শপীঠ** আৰু **দুনীয়া**।

সংস্কাৰকামী মনোভাব আৰু ব্যংগাত্মক দৃষ্টিৰ সলনি বাস্তৱ সমাজৰ সৰু-বৰ সৰল আৰু জটিল কাহিনী নাৰী-পুৰুষৰ বৈচিত্ৰপূৰ্ণ জীৱন পদ্ধতি, আচাৰ-নীতি আৰু সমস্যাৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি উপন্যাস ৰচনাত এক নতুন পদক্ষেপ সূচনা কৰাত উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰে দীননাথ শৰ্মা আৰু বিৰিঞ্চিকুমাৰ বৰুৱাই।

বিংশ শতাব্দীৰ চতুৰ্থ দশকত আৱাহন কাকতত **ঊষা** উপন্যাস ধাৰাবাহিকভাৱে প্ৰকাশৰ মাজেদি দীননাথ শৰ্মাই ঔপন্যাসিকৰূপে আত্মপ্ৰকাশ কৰে। কাহিনীত বাহ্যিক সংঘাত নাই যদিও বিপিনৰ অন্তৰ্দ্বন্দ্বই ঊষাৰ মূল সংঘাত। চৰিত্ৰ সৃষ্টিত লেখকে চাৰিত্ৰিক বৈপৰীত্যৰ সহায় লৈছে। শৰ্মাৰ দ্বিতীয় উপন্যাস **সংগ্ৰাম** শিক্ষিত নিবনুৱা

যুৱক বুধিনাথৰ জীৱন সংগ্ৰামৰ কাহিনী। আদৰ্শবাদী বুধিনাথে পুহ শিক্ষকৰ পৰা আৰম্ভ কৰি কেৰেণী মহৰীলৈকে নানা ঠাইত চাকৰি কৰি জীৱন নিৰ্বাহ কৰিলেও নিজৰ আত্মসন্মান অটুট ৰাখিব নোৱাৰাত চাকৰি এৰি পৃথিৱীৰ এচুকত হেৰাই গ'ল। উপন্যাসখনৰ আকৰ্ষণ কাহিনীত নাই, আছে নিবনুৱা শিক্ষিত আদৰ্শবাদী যুৱক বুধিনাথৰ ট্ৰেজিক চিত্ৰ ৰূপায়ণত। শৰ্মাৰ তৃতীয় উপন্যাস নদাইৰ নায়ক নদাই। সি অশিক্ষিত কৰ্মঠ যুৱক। তাৰ চকুত সোণালী শস্যৰ ৰঙীণ সপোন। প্ৰবল আশাবাদ আৰু কঠোৰ পৰিশ্ৰমৰ বলত নদায়ে মৰিসুঁতিৰ বহল পথাৰ সোণালী শস্যৰে ভৰাই পেলালে। নদাইৰ অসমীয়া উপন্যাসৰ ইতিহাসত এক বিশিষ্ট স্থান আছে। দীননাথ শৰ্মাৰ বাকীকেইখন উপন্যাসৰ দৰে শান্তিৰ কাহিনী সৰল নহয় জটিল। বহু চৰিত্ৰৰ মাজত সংঘাত আৰু সমস্যাৰ প্ৰতিফলন দেখুৱাই কাহিনী জটিল কৰি তোলা হৈছে। নবাৰুণ প্ৰকাশ হয় ১৯৭৭ চনত। ইয়াত প্ৰেমৰ একনিষ্ঠতা প্ৰদৰ্শন কৰা হৈছে নায়িকা লখিমীৰ যোগেদি। গাঁৱৰ সহজ-সৰল পৰিবেশত ডাঙৰ-দীঘল হোৱা বিধৱাৰ একমাত্ৰ কন্যা লখিমীৰ প্ৰেম প্ৰেমিকৰ বিশ্বাসঘাটকতা আৰু পিছত বিবাহৰ কাহিনী ইযাত ফুটাই তোলা হৈছে।

এইখিনিতেই আহি পৰে অসমৰ সকলোতকৈ সফল বুলি ক'ব পৰা ঔপন্যাসিক বিৰিঞ্চিকুমাৰ বৰুৱাৰ কথা। মাথোন দুখন উপন্যাস ৰচনা কৰিয়েই তেওঁ সাহিত্যৰ জগতত নতুন দিশৰ সূচনা কৰিলে।

তেখেতৰ প্ৰথম উপন্যাস বীনা বৰুৱাৰ ছদ্মনামত লিখা জীৱনৰ বাটত আৰু দ্বিতীয় উপন্যাস ৰাশ্মি বৰুৱা ছদ্মনামত লিখা সেউজীপাতৰ কাহিনী।

বৰুৱাৰ প্ৰথম উপন্যাস জীৱনৰ বাটত প্ৰকাশ হয় দেশৰ স্বাধীনতাৰ আগে আগে ১৯৪৪ চনত। উপন্যাসখনৰ পটভূমি অসমৰ গ্ৰাম্য জীৱন। গ্ৰাম্য জীৱনৰ ওপৰত জটিল বাণিজ্যিক সভ্যতাই পেলোৱা হানিকৰ প্ৰভাৱ জীৱনৰ বাটত উপন্যাসত গভীৰ মৰ্মস্পৰ্শী আৰু আবেদনশীল ৰূপত প্ৰকাশ পাইছে। উপন্যাসখনৰ নায়িকা তগৰ ৰূপে-গুণে অতুলনীয়া। মৌজাদাৰৰ জীয়েকৰ বিয়াৰ হুলস্থুলীয়া পৰিবেশত লগ পায় উচ্চশিক্ষিত যুৱক কমলাকান্তক। দুয়ো দুয়োকে প্ৰথম সাক্ষাততে ভালপোৱাই নহয় কমলাকান্তই প্ৰেমৰ প্ৰতীকৰূপে তগৰৰ অনামিকাত আঙঠি এটাও পিন্ধাই দিলে। কিন্তু আঙুঠিটোৱে তগৰক প্ৰতাৰণা কৰিলে। হাকিম হোৱাৰ আশাত কমলাকান্তই ৰায়-বাহাদুৰৰ কন্যা সুপ্ৰভাক বিয়া কৰালে। শেষত মাটিৰ হাকিম কমলাকান্তৰ লগত তাৰ প্ৰেমৰ অভিজ্ঞান আঙুঠিটোৰ যোগেদিয়ে তগৰৰ সাক্ষাৎ হয়। তগৰ চৰিত্ৰৰ সংঘাত উপন্যাসখনৰ মূল আকৰ্ষণ। গাঁও আৰু নগৰৰ পৰিৱেশ বৰ্ণনাত ঔপন্যাসিক সফল হৈছে।

বৰুৱাৰ দ্বিতীয় তথা শেষ উপন্যাস সেউজীপাতৰ কাহিনী প্ৰকাশ হয় ১৯৫৮ চনত। চাহ-বাগানৰ পটভূমিত ৰচিত উপন্যাসখনত আছে 'সমসাময়িক বাণিজ্যিক

ঔদ্যোগিক সভ্যতাত মধ্যযুগীয় অসমীয়া সমাজৰ সৎ-অসৎ উভয় দিশৰে পৰম্পৰা বহন কৰি অনা এটি পৰিয়ালৰ এক সৎ, সৰল আৰু সংবেদনশীল মনৰ ডেকাই চৌদিশৰ সমাজখনত স্থান ল'ব নোৱাৰাৰ এক বিষাদময় কাহিনী।[১৩] গাঁৱৰ সমাজত তিষ্ঠিব নোৱাৰি গাঁৱৰ ঘৰৰ পৰা পলাই যোৱা নৰেশ্বৰে লগ পালে আমগুৰি বাগিচাৰ ইংৰাজ চাহাব মেমক। বাগিচাৰ চাহাব মেমৰ আলপৈচান ধৰিবলৈ সি চাহাবৰ গাড়ীত উঠিল। বাগিচাত কটোৱা প্ৰথম দিনতে সি লগপালে চনিয়া নামৰ এজনী তীক্ষ্ণবুদ্ধিসম্পন্না আৰু চঞ্চলা গাভৰুক। চনিয়াক বিয়া কৰাই জীৱন সঙ্গিনী কৰিবলৈ আগবাঢ়োতে সি গম পালে চনিয়া বগা চাহাব আৰু বনৱা গাভৰুৰ কামনাৰ প্ৰতীক সেয়ে তাইৰ ছালখন বগা। চনিয়াৰ মাকক বগাচাহাবে কৰা অত্যাচাৰৰ প্ৰমাণ পালে নৰেশ্বৰে যেতিয়া মেমৰ কামাগ্নিয়ে নৰেশ্বৰকো স্পৰ্শ কৰিবলৈ বিচাৰিলে। চনিযাৰ প্ৰেম প্ৰত্যাখান আৰু মিচেচ মিলাৰৰ ইন্দ্ৰিয়পৰাযনতাই নৰেশ্বৰক বাগান এৰি নিৰুদ্দেশ যাত্ৰা কৰিবলৈ বাধ্য কৰিলে। **সেউজী পাতৰ কাহিনীৰ** মূল নাৰী চৰিত্ৰ চনিযাই পাঠকৰ মনত এক স্থায়ী সাঁচ ৰাখি যায়।

স্বাধীনতা লাভৰ কেইবছৰমানৰ পিছতে প্ৰকাশ হোৱা **কেঁচা পাতৰ কঁপনি** চৰিত্ৰ সৃষ্টিৰ ফালৰ পৰা এখন স্মৰণীয় উপন্যাস। উপন্যাসখনৰ লেখক প্ৰফুল্লদত্ত গোস্বামী। সেইসময়ৰে কাঞ্চন বৰুৱাৰ ৰোমান্সধৰ্মী উপন্যাস **অসীমত যাৰ হেৰাল সীমা** (১৯৪৫) এখন উল্লেখযোগ্য উপন্যাস। বিংশ শতিকাৰ পঞ্চাছৰ দশকত উপন্যাস ৰচনাত মনোনিবেশ কৰা ঔপন্যাসিকসকলৰ ভিতৰত হিতেশ ডেকা অন্যতম। তেওঁৰ উপন্যাস **আজিৰ মানুহ** (১৯৫৪) **নতুন পথ** (১৯৫৬) **ভাড়াঘৰ** (১৯৫৮) **মাটিকাৰ** (১৯৬০) **এয়েতো জীৱন** (১৯৬১) **আচল মানুহ** (১৯৬৭) আৰু **জীৱন সংঘাত** (১৯৭০) গ্ৰাম্য জীৱন আৰু নাগৰিক জীৱনৰ পটভূমিত ৰচিত জনপ্ৰিয় উপন্যাস।

চৈয়দ আব্দুল মালিক ঃ জীৱন আৰু সাহিত্য ঃ

১৯১৯[১৪] চনৰ ১৬ জানুৱাৰীত ভোগালী বিহুৰ উৰুকাৰ নিশা তেতিয়াৰ অবিভক্ত শিৱসাগৰ জিলাৰ দেৰগাঁও মৌজাৰ নাহৰণি গাঁৱত চৈয়দ ৰহমত আলি আৰু লতিফুন্নিছাৰ প্ৰথম সন্তান চৈয়দ আব্দুল মালিকৰ জন্ম হয়। মালিকে ছাত্ৰ জীৱনৰ পাতনি মেলে ৩৩ নং নাহৰণি নিম্ন-বুনিয়াদী বিদ্যালয়ত। ১৯২৮ চনত নিম্ন বুনিয়াদী শেষ পৰীক্ষাত উত্তীৰ্ণ হৈ বৃত্তি পালে। তাৰপিছত দেৰগাঁও এম ই স্কুলত নামভৰ্ত্তি কৰিলে। এম ই স্কুলৰ দেওনা পাৰহৈ দেৰগাঁও হাইস্কুলত নামভৰ্ত্তি কৰে। অষ্টম শ্ৰেণীৰ পৰা নৱম শ্ৰেণীলৈ উত্তীৰ্ণ হৈ মালিকে যোৰহাট চৰকাৰী হাইস্কুলত নামভৰ্ত্তি কৰে। এই বিদ্যালয়ৰ পৰা ওলোৱা বাৰ্ষিক আলোচনী জেউতীত মালিকে লিখা গল্প আৰু কবিতা প্ৰথম প্ৰকাশ পায়। ১৯৩৫ চনত সেই সময়তে যোৰহাটত পত্তা ৰচনা প্ৰতিযোগিতাত মালিকে লিখা মানৱ ৰূপে মহম্মদ ৰচনাখনে প্ৰথম পুৰস্কাৰ

লাভ কৰে। ৰচনাখন নীলমণি ফুকনৰ সম্পাদিত দৈনিক বাতৰিত প্ৰকাশ পায়। তাৰ পিছতেই গুৱাহাটীৰ পৰা প্ৰকাশিত জয়ন্তী কাকতত মালিকে চুটিগল্প লিখিবলৈ লয়।

১৯৩৭ চনত ফাৰ্চী শাধ্যতামূলক আৰু পেৰখি— দুয়োটা বিষয়ত লেটাৰসহ যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা মালিকে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। সেই বছৰতে যোৰহাট কলেজত আই এ শ্ৰেণীত নামভৰ্ত্তি কৰি মালিকে কলেজীয়া জীৱনৰ পাতনি মেলে। যোৰহাট কলেজত পঢ়ি থকা কালত কলেজ আলোচনীৰ ইংৰাজী বিভাগৰ সম্পাদক নিৰ্বাচিত হৈ তেওঁ আলোচনী সম্পাদনাও কৰিছিল। ১৯৩৯ চনত আই এ পৰীক্ষা পাছ কৰি তেওঁ গুৱাহাটীৰ কটন কলেজত ইংৰাজী বিষযত অনাৰ্চ লৈ বি এ শ্ৰেণীত নামভৰ্ত্তি কৰে। কটন কলেজতে অসমৰ খ্যাতনামা সাহিত্যিক বাণীকান্ত কাকতি সূৰ্য্যকুমাৰ ভূঞা আৰু বিৰিঞ্চিকুমাৰ বৰুৱাক শিক্ষক হিচাপে পোৱাত মালিকৰ জ্ঞানৰ পৰিধি বিস্তৃত হয়। সেয়া আছিল দ্বিতীয় বিশ্বযুদ্ধৰ ধামখুমীয়া পৰিৱেশ আৰু স্বাধীনতা আন্দোলনৰ পয়োভৰৰ সময়। কটনৰ ছাত্ৰ অবস্থাতে তেওঁৰ প্ৰথম উপন্যাস ল সা গু ৰচিত হয় ১৯৪১ চনত। কটন কলেজৰ পৰা ১৯৪১ চনত তেওঁ ইংৰাজীত সন্মানসহ বি এ ডিগ্ৰী লাভ কৰে। আৰ্থিক দুৰৱস্থাৰ কাৰণে এম এ নপঢ়াকৈ নাহৰণি গাঁৱত খেতি বাতিত মনোযোগ দিয়ে। সেই সময়ত অসমত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা হোৱা নাছিল। ১৯৪২ চনত তেওঁ মাহিলী ৭০ টকা বেতনৰ আবকাৰী ডাৰোগাৰ চাকৰি কৰে। এবছৰৰ পিছত এই চাকৰি ইস্তফা দি দ্বিতীয় মহাসমৰৰ সৈন্য বিভাগৰ চিভিলিয়ান চেঞ্চৰ চাকৰিত যোগদান কৰে। ১৯৪৫ চনত যুদ্ধ শেষ হোৱাৰ লগে লগে তেওঁৰ সেই চাকৰিকালে শেষ হয়।

১৯৪৬ চনত মালিক যোৰহাট (বৰ্ত্তমান জে বি) কলেজৰ পাৰ্চিযান ভাষাৰ প্ৰবক্তা পদত নিযুক্ত হয়। এই চাকৰিতো তেওঁ সন্তুষ্ট হ'ব নোৱাৰিলে। ১৯৪৮ চনত শ্বিলং-গুৱাহাটী অনাৰ্তাৰ কেন্দ্ৰত প্ৰগ্ৰেম এচিষ্টেণ্টৰ চাকৰিত যোগ দিয়ে। সেই চাকৰি এৰি মালিকে আকৌ নাহৰণিৰ পথাৰত নামি খেতিত লাগিল। ১৯৫০ চনত ঢেকীয়ল হাইস্কুলৰ সহকাৰী শিক্ষক পদত যোগদান কৰে। ১৯৫১ চনত যোৰহাট ... হাইস্কুলৰ প্ৰতিষ্ঠাপক প্ৰধানশিক্ষক হয়। সেই বছৰত প্ৰাইভেটকৈ পৰীক্ষা দি তেওঁ অসমীয়া বিষয়ত এম এ পাছ কৰে আৰু যোৰহাট কলেজৰ অসমীয়া বিভাগৰ অধ্যাপক পদত নিযুক্ত হয়।

১৯৬৩ চনত এপ্ৰিল মাহত মালিকে শিৱসাগৰৰ ধাই আলিৰ জীয়াৰী হাচনা চিস্তীক বিয়া কৰাই বৈবাহিক জীৱন আৰম্ভ কৰে। ১৯৭৬ চনত যোৰহাট জে বি কলেজৰ পৰা অৱসৰ গ্ৰহণ কৰি তেওঁ একাণপতীয়াকৈ সাহিত্য সাধনাত ব্ৰতী হয়। মালিক এজন অভিনেতাও আছিল। ৰঙাপুলিচ নামৰ কথাছবিখনৰ এটা চৰিত্ৰৰ ভূমিকাতো তেওঁ অৱতীৰ্ণ হৈছিল। একাধিক সাংস্কৃতিক অনুষ্ঠানৰ লগতো জড়িত আছিল। তাৰ ভিতৰত প্ৰগ্ৰেচিভ কালচাৰেল স্কোৱাৰ্ড সৰ্বভাৰতীয় গণনাট্য সংঘ উল্লেখযোগ্য।

গণনাট্য সংঘৰ লগত সক্ৰিয়ভাৱে জড়িত থকা সময়তে তেওঁৰ সান্নিধ্যলৈ আহিছিল জ্যোতিপ্ৰসাদ বিষ্ণুৰাভা আৰু নটসূৰ্য ফণী শৰ্মা আদি শিল্পী সাহিত্যিকসকলৰ।

অসমীয়া সাহিত্যলৈ দিয়া অপৰিসীম অৱদানৰ বাবে পাঠকৰ স্বীকৃতিৰ লগতে তেওঁ ৰজাঘৰীয়া স্বীকৃতিও লাভ কৰিছিল। অঘৰী আত্মাৰ কাহিনীৰ বাবে ১৯৭২ চনত সাহিত্য অকাডেমীৰ বঁটা ১৯৮৪ চনত পদ্মশ্ৰী উপাধি ১৯৮১ চনত পশ্চিমবঙ্গ চৰকাৰৰ তথ্য আৰু জনসংযোগ বিভাগৰ দ্বাৰা পূব-ভাৰত সংস্কৃতি সংহতি বঁটা ১৯৮৮ চনত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ দ্বাৰা সন্মানীয় 'ডক্টৰ অৱ লিটাৰেচাৰ ১৯৯২ চনত অসম চৰকাৰৰ পদ্মশ্ৰী উপাধি ১৯৯৪ চনত অসম উপত্যকা সাহিত্য বঁটা (উইলিয়ামচন মেগৰ) ১৯৯৫ চনত আজান ফকীৰ বঁটা ১৯৯৭ চনত অসম সাহিত্য সভাৰ সাহিত্যাচাৰ্য উপাধি ১৯৯৯ চনত শ্ৰীমন্ত শংকৰদেৱ বঁটাৰে সন্মানিত হয়। তদুপৰি ১৯৭৭ চনত অভয়াপুৰীত হোৱা অসম সাহিত্য সভাৰ তেও সভাপতিৰ পদ অলংকৃত কৰিছিল। এইজনা মহান সাহিত্যিক ইংৰাজী দুহেজাৰ চনৰ ১৯ ডিচেম্বৰৰ মাজনিশা এই পৃথিৱী এৰি গুচি গ'ল।

মালিকৰ সাহিত্য কৰ্ম :

(ক) উপন্যাস

অগ্নিগৰ্ভা অঘৰী আত্মাৰ কাহিনী অন্য আকাশ অন্য তৰা অন্য নাম মৃত্যু অমৰ-মায়া অৰণ্য দেৱতা অক্ষয়-অব্যয় স্মৃতি আধাৰশিলা আপোন আপোন স্বৰ্গ উভতি অহাৰ গান একাঁবেকা বৃত্ত এটা সূৰ্য দুখন নদী আৰু এখন মৰুভূমি এটা ধূমকেতুৰ শৰশয্যা ওমলা ঘৰৰ ধূলি কবিতাৰ নাম লাভা কণ্ঠহাৰ কেৱল প্ৰেমেৰেই যদি খোৰ-নিদান গাঁঠনিত তেজৰ কৰাল ছবিঘৰ জীয়া-জুৰিৰ ঘাট জয়া মণিকা ইত্যাদি ত্ৰিশূল ডক্টৰ অৰুণাভৰ অসম্পূৰ্ণ জীৱনী দোকমোকালি ধন্য নৰ তনু ভাল নল বিৰিণা খাগৰি নিঃসঙ্গ মৌপিয়াৰ গীত প্ৰাচীৰ আৰু প্ৰান্তৰ প্ৰেম অমৃতৰ নদী পহুমৰা হাবিৰ বাট ফাগুনৰ শেষ হাঁহি, ফুলনিত বজ্ৰপাত বনজুই বন্দৰ-কামিজ-বেলুন বিহমেটেকাৰ ফুল বালিৰ বুকুত সোণৰ চেকুৰা ভূমিচম্পাৰ কপালত সেন্দুৰৰ ফোঁট মই মৰিনো নেযাওঁ কিয় মাটিৰ চাকি মোৰ বাবে তুমি নুৰুবা মালতী ফুল মনুষ্যত্বৰ মৰিশালীত মৌ-ভিমৰু কোঁহ মৌ-মিঠা হৃদয়ৰ ভাষা ৰথৰ চকৰি ঘূৰে ৰজনীগন্ধাৰ চকুলো ৰূপতীৰ্থৰ যাত্ৰী ৰাতিৰ কবিতা ৰূপাবৰিৰ পলস শৰীলত একুৰা জুই সূৰ্যমুখীৰ স্বপ্নভংগ সুমেৰু-কুমেৰু আৰু এটা বাঁহী সোণালী সূতাৰে বন্ধা সোণালী আন্ধাৰ সিপাৰে প্ৰাণ সমুদ্ৰ সত্যৰ পথেৰে শান্তিৰ ৰথেৰে মুক্তিৰ জয়যাত্ৰা স্মৃতিৰ ৰেখা স্বাতী নক্ষত্ৰৰ ভস্ম।

(খ) চুটিগল্প :

অলংকাৰ আবৰ্ত অৰিহণা অস্থায়ী আৰু অন্তৰা এজনী নতুন ছোৱালী, এখন নিলিখা চিঠি চাই আৰু ফিৰিঙতি ছয় নম্বৰ প্ৰশ্নৰ উত্তৰ পৰশমণি প্ৰাণাধিকা

পোৰা গাঁৱত পহিলা বহাগ বীভৎস বেদনা বহুত বেদনা এটোপা চকুলো মৃগনাভি, মৰহা পাপৰি মৰম মৰম লাগে ৰঙা গড়া শিখৰে শিখৰে শিল আৰু শিখা হাঁহিৰে চকুলো ঢাকি হাঁহি আৰু চকুলো।

(গ) নাটক আৰু সঙ্গীতালেখ্য :

অ মোৰ আপোনাৰ দেশ আলহী ঘৰত অন্য এজনী শকুন্তলা আজান ফকীৰ আধা আঁকা ছবি খান বাহাদুৰ জোবাৰৰ টৌ, দূৰৰ দেৱতা মকৰাজাল আৰু ৰাজদ্ৰোহী।

(ঘ) কবিতা আৰু গীতৰ সংকলন :

ছন্দহাৰা ছন্দ তোমাৰ কণ্ঠ মোৰ কথা (গীত সংকলন), বেদুইন স্বপ্ন, দুঃস্বপ্ন আৰু অন্য কিছু কথা স্বাক্ষৰ।

(ঙ) ভ্ৰমণ কাহিনী •

এটা চিনাকী দ্বীপ বালি-বেলি-জলমল, মাজত মাথো হিমালয়।

(চ) অনুবাদ গ্ৰন্থ •

অকুৰ কাহিনী অৰণ্য দেৱতা ইকবাল আৰু জাতীয় সংহতি গালিব চালাম নতুন পৃথিৱী চিৰকুমাৰ সভা তীৰ্থযাত্ৰী বগা ঢুলীয়া ছোৱালীজনী, বনগৰ্বাৰী, ভাৰতীয় শিক্ষাৰ পুনৰগঠন মৰণ-লগৰী আৰু সুৰদাস।

(ছ) প্ৰবন্ধ সংকলন :

অসমীয়া জিকিৰ আৰু জাৰী অসমীয়া জিকিৰ জাৰী সাৰ আজান ফকীৰ আৰু সুৰীয়া জিকিৰ চুফী আৰু চুফীবাদ জীৱন সাৰথি নাম দুৱৰা খায়য়াম নহ'ল আৰু শংকৰদেৱ আৰু অসমৰ সংস্কৃতি।

(জ) অভিধান :

অসমীয়া ভাষাত দেশ-বিদেশৰ শব্দ সম্ভাৰ।

মালিকৰ উপন্যাস :

মালিকৰ প্ৰথম প্ৰকাশিত উপন্যাস বনজুই ১৯৫৮ চনত প্ৰকাশ হয়। তাৰ পিছত এখনৰ পাচত এখনকৈ বৰ্ত্তমানলৈকে প্ৰায় তিনিকুৰিৰ অধিক উপন্যাস লিখিছে। জীৱনৰ অন্তিম সময়লৈকে তেওঁৰ কলম থমকি ৰোৱা নাছিল। মালিকৰ উপন্যাস সাধাৰণতে সুখপাঠ্য। তেওৰ উপন্যাস গাঁও আৰু নগৰৰ অভাৱগ্ৰস্ত মধ্যবিত্ত শ্ৰেণীটো, বিশেষকৈ খেতিয়ক, শিক্ষক শিল্পী কেৰাণী, ব্যৱসায়ী ডাক্তৰ ইত্যাদি সমাজৰ সকলো শ্ৰেণীৰ সমস্যাৰে সমৃদ্ধ।

গ্ৰাম্য সমাজৰ সমস্যা প্ৰকাশক উপন্যাস :

মালিকৰ প্ৰথম প্ৰকাশিত উপন্যাস বনজুইৰ পটভূমি বৰচোমনি গাঁও। নায়ক প্ৰেমধৰৰ গাভৰু-পত্নী জোনা আৰু গোলাপ মাষ্টৰৰ অবৈধ প্ৰেমৰ জুয়ে কেনেকৈ একাধিক জীৱন চাৰখাৰ কৰিলে তাৰ কাহিনী উপন্যাসখনত আছে। মালিকৰ উল্লেখযোগ্য

গ্ৰাম্য পটভূমিত ৰচিত উপন্যাস **সূৰুযমুখীৰ স্বপ্ন**। নায়ক গুলচৰ কঠোৰ পৰিশ্ৰমৰ বিনিময়ত শস্যৰে নদন-বদন হোৱা পথাৰ আৰু তৰাক নিজৰ কৰি পোৱাৰ স্বপ্নৰে ৰচিত **সূৰুযমুখীৰ স্বপ্ন**। ধনশিৰী নদীখনেও উপন্যাসখনত এটা চৰিত্ৰৰ ভূমিকা লৈছে। নদীপৰীয়া ডালিম গাঁৱৰ গুলচ যেন প্ৰকৃতিৰ সন্তান। সি প্ৰকৃতিৰ দৰেই উদাৰ আৰু দৃঢ়। **আধাৰশিলাৰ** পটভূমি গাঁও। কুমাৰী মাতৃ সোণপাহীৰ সন্তান চমীৰে গাঁৱত ডাঙৰ দীঘল হৈ গাঁৱৰ পৰিবেশত নিজকে জীণ যোৱাব নোৱাৰিলে সমাজে তাক জহৰা আখ্যা দিলে। গাঁৱৰ সমাজ পৰিত্যাগ কৰি নগৰত আশ্ৰয় ললেও তাক গাঁৱত পোৱা পৰিচয়ে নগৰতো লগ এৰা নিদিলে। **অমৰ-মায়া** উপন্যাসখন প্ৰকৃতিৰ নিৰ্মল পৰিৱেশত পাহাৰৰ নামনিৰ এটা সৰু ঘৰত আৰম্ভ কৰা হৈছে। উপন্যাসখনত মায়া আৰু অমৰৰ অন্তৰালত থকা কাহিনীটোৰ পটভূমি গাঁও। গাঁৱত জন্মগ্ৰহণ কৰি গাঁৱতে শৈশৱ কৈশোৰ আৰু যৌৱনৰ সৰহখিনি সময় অতিবাহিত কৰি মালিকে গাঁৱলীয়া জীৱন বাৰুকৈয়ে চিনি পাইছিল। সেয়ে তেওঁৰ **ৰূপাবাৰিৰ পলস নল বিৰিণা-খাগৰি শৰীলত একুৰা জুই পহমৰা হাবিৰ বাট জেতুকা পাতৰ দৰে উঁইহাফলু** আদি সৰহসংখ্যক উপন্যাসৰ বিষযবস্তু গাঁৱৰ পৰা লৈছে।

নাগৰিক জীৱন প্ৰকাশক উপন্যাস ঃ

মালিকে মধ্যবিত্ত নাগৰিক জীৱনৰ সমস্যা আবেগ-অনুভূতি আৰু নাগৰিক মনোজগতক লৈয়ো ভালেকেইখন উপন্যাস লিখে। তাৰ ভিতৰত **অঘৰী আত্মাৰ কাহিনী ড অৰুণাভৰ অসম্পূৰ্ণ জীৱনী ছবিঘৰ মাটিৰ চাকি** আদি উপন্যাসবোৰ উল্লেখযোগ্য। **আধাৰশিলাত** নায়ক চমীৰে দ্বিতীয় বিশ্বযুদ্ধৰ ব্যস্ততাৰ কালছোৱাত ঠিকাৰ কাম কৰি যুদ্ধই গচকি যোৱা সেই সময়ৰ সামাজিক পটভূমিত কেনেকৈ বিভিন্ন সমস্যাৰ সন্মুখীন হৈছে তাৰ প্ৰতিক্ৰিয়া সমাজত কেনেধৰণে পৰিছে তাৰ বিৱৰণ আছে।

জীৱনীমূলক উপন্যাস ঃ

মালিকৰ **ৰূপতীৰ্থৰ যাত্ৰী** প্ৰথম অসমীযা জীৱনীমূলক উপন্যাস। তিনিটা খণ্ডত ৰচিত **ৰূপতীৰ্থৰ যাত্ৰীৰ** মূল উপজীব্য জ্যোতিপ্ৰসাদ আগৰৱালাৰ কৰ্মবহুল জীৱন। তেখেতৰ দ্বিতীয়খন জীৱনীমূলক উপন্যাস **ধন্য নৰ তনু ভাল** শংকৰদেৱৰ জীৱনৰ আধাৰত ৰচিত। তেখেতৰ শেহতীয়া জীৱনীমূলক উপন্যাস মাধৱদেৱৰ জীৱনভিত্তিক **প্ৰেম অমৃতৰ নদী**। জীৱনীমূলক উপন্যাস ৰচনাত মালিক সফল হৈছে।

মনস্তত্বমূলক উপন্যাস ঃ

মালিকৰ **ত্ৰিশূল ৰজনীগন্ধাৰ চকুলো সোণালী সূতাৰে বন্ধা** উল্লেখযোগ্য মনস্তত্বমূলক উপন্যাস। সুদৰ্শনা সুৰুচিসম্পন্না হৃদয়াৰ পত্নী পাৰিজাত **ৰজনীগন্ধাৰ চকুলোৰ** নায়িকা। নিজকলৈ সৃষ্টি হোৱা এটা আউল লগা পৰিস্থিতি চম্ভালিবলৈ যাওঁতে হোৱা বিভিন্ন মানসিক সংঘাতৰ বিৱৰণ উপন্যাসখনত আছে। **ত্ৰিশূল** মৃণালৰ

মানসিক অন্তঃদ্বন্দ্বৰ ভিত্তিত ৰচিত। মালকৰ ছবিঘৰ মাটিৰ চাকি কবিতাৰ নাম লাভা আদি উপন্যাসত শিল্পী সাহিত্যিকৰ মানসিক দ্বন্দ্ব ফুটাই তোলা হৈছে।

মালিকৰ উপন্যাসৰ বিষয়বস্তু আৰু ভাৱবস্তুৰ পৰিসৰ ইমান বিস্তৃত যে তেওঁৰ উপন্যাসৰ বিষয়ে যিমানেই কোৱা নহওক সিমানেই কম।

গল্পকাৰ মালিক ঃ

ছাত্ৰ অৱস্থাতে জেউতী আলোচনীত প্ৰকাশিত বন্ধ কোঠা নামৰ গল্পৰে সাহিত্য জীৱনৰ পাতনি মেলা চৈযদ আব্দুল মালিক আৱাহন আৰু পৰৱৰ্ত্তী ৰামধেনু দুয়োটা যুগৰে গল্পকাৰ। কুৰিখনতকৈও অধিক গল্পপুথি ৰচনাৰে অসমীয়া চুটিগল্প সাহিত্য সমৃদ্ধ কৰা মালিকৰ গল্প মূলতে ৰোমাণ্টিক। ১৯৪৬ চনত প্ৰকাশিত পৰশমণি নামৰ সংকলনটোৱেই তেওৰ প্ৰথম গল্প সংকলন।[১৫] প্ৰাণ পোৱাৰ পিছত কাঠফুলা হৰিমাষ্টৰব দোকান যীশুখৃষ্টৰ ছবি জপনা বীভৎস বেদনা, আজোখা দুখন ভৰি ইত্যাদি মালিকৰ উল্লেখযোগ্য বহুপঠিত গল্প।

প্ৰথম অধ্যায়ৰ পাদটীকা

১। বঙ্গসাহিত্যে উপন্যাসেৰ ধাৰা পৃ ২
২। পূৰ্বোক্ত গ্ৰন্থ পৃ ১
৩। বঙ্গসাহিত্যে উপন্যাসেৰ ধাৰা পৃ ২
৪। বাংলা সাহিত্যে ঐতিহাসিক উপন্যাস পৃ ২
* বঙ্গদেশৰ এটা স্বেচ্ছসেৱী সংগঠন।
৫। বিভূতি ৰচনাৱলী চতুৰ্থ খণ্ড পৃ ২
৬। বাংলা সাহিত্যেৰ ইতিহাস চতুৰ্থ খণ্ড পৃ ২
৭। বিভূতি ৰচনাবলী ষষ্ঠ খণ্ড পৃ ২
৮। অসমীযা উপন্যাসৰ গতিধাৰা পৃ ২
৯। দ্ৰষ্টব্য ৰচনাৰীতি বা কলা কৌশলৰ ফালৰ পৰা ত্ৰুতি থাকিলেও এওৰ ৰচিত 'কামিনাকান্ত'কৈই (১৮৭৭ খৃ) অসমীযা ভাষাৰ প্ৰথম উপন্যাস বুলি ক'ব পাৰি। পৃ ২ অসমীযা সাহিত্যত দৃষ্টিপাত।
১০। অসমীযা উপন্যাসৰ ভূমিকা পৃ ২
১১। অসমীযা উপন্যাসৰ ভূমিকা পৃ ২
১২। নেওগ ড মহেশ্বৰ অসমীযা সাহিত্যৰ ৰূপৰেখা পৃ ২
১৩। শৰ্মা ড গোবিন্দ প্ৰসাদ গৰীযসী চতুৰ্থ বছৰ একাদশ সংখ্যা আগষ্ট ২
১৪। সাহিত্যাচাৰ্য্য চেযদ আব্দুল মালিক অভিনন্দন গ্ৰন্থ গোলাঘাট সাহিত্য সভা।
১৫। পৰশমণি দ্বিতীয তাঙৰণৰ কথা চৈয়দ আব্দুল মালিক।

দ্বিতীয় অধ্যায়
বিভূতিভূষণ আৰু মালিকৰ উপন্যাসত চৰিত্ৰ

উপন্যাসত চৰিত্ৰৰ ভূমিকা ঃ

উপন্যাসৰ ঘাই উপজীব্য হ'ল চৰিত্ৰ। উপন্যাস কথা-সাহিত্য আৰু ইয়াৰ আধাৰত গঢলৈ উঠে এটা পৰিপূৰ্ণ কাহিনী। চৰিত্ৰ হ'ল কাহিনীৰ মাজত সোমাই থকা ভিন ভিন মানুহ। উপন্যাসৰ কাহিনীক পূৰ্ণতা প্ৰদান কৰে চৰিত্ৰই। এই চৰিত্ৰবোৰ ঔপন্যাসিকে বাস্তব জীৱনত লগপোৱা ভিন ভিন ৰুচি আৰু ভিন ভিন আদৰ্শৰ লোক। গতিকে উপন্যাসত যেনেকৈ কাহিনীৰ প্ৰয়োজন তেনেকৈ কাহিনী ৰূপায়নৰ বাবে চৰিত্ৰৰো প্ৰয়োজন। ঔপন্যাসিকৰ কাল্পনিক ঘটনা ৰূপায়িত কৰা চৰিত্ৰসমূহ তেওঁৰ কাল্পনিক মানুহজন গঢলৈ উঠে ঔপন্যাসিকৰ জীৱন সম্পৰ্কীয় দৃষ্টিভংগী দৰ্শন আৰু বাস্তৱ অভিজ্ঞতাৰ সমন্বয়ত। ইংৰাজী Character' শব্দটোৰ অৰ্থ 'নৈতিকতা যদিও উপন্যাস যিহেতু দিশ প্ৰকাশ পায়। এম টাৰ্নেলৰ মতে Literary character is a term which is an image of the writers verbal ararngement [১] (চৰিত্ৰ লেখকৰ চিন্তা আৰু কল্পনাপ্ৰসূত এক ধাৰণা মাত্ৰ)। ঔপন্যাসিকে জীৱন সম্পৰ্কে আৰ্জন কৰা অভিজ্ঞতা চৰিত্ৰৰ মাধ্যমেৰে প্ৰকাশ কৰিবলৈ আশ্ৰয় লয় প্ৰতীকী ব্যঞ্জনা। চৰিত্ৰ ঔপন্যাসিকৰ আদৰ্শ আৰু ধাৰণাৰ প্ৰতীক।

কাহিনীৰ লগত চৰিত্ৰৰ অঙ্গাঙ্গী সম্বন্ধ। কাহিনীৰ ৰূপত যি ভাব ঔপন্যাসিকৰ মনলৈ আহে তাত প্ৰথমে চৰিত্ৰসমূহৰ চেহেৰাহে মূৰ্ত্ত হৈ উঠে। ঔপন্যাসিকে সেই চৰিত্ৰসমূহ ঘটনা পৰিক্ৰমাৰ বিভিন্ন সংঘাতৰ মাজেদি গতিশীল ৰূপ দিবলৈ বিচাৰে। মহান ঔপন্যাসিকসকলে ক্ৰমে ক্ৰমে চৰিত্ৰসৃষ্টি আৰু শিল্পৰীতিৰ মধুৰ সমন্বয় ঘটাবলৈ সক্ষম। হেন্‌ৰি জেম্‌ছে The Art of Fiction নামৰ প্ৰবন্ধত চৰিত্ৰ আৰু ঘটনাৰ মাজত থকা ওত প্ৰোত সম্বন্ধৰ কথা উল্লেখ কৰিছে।[২] চৰিত্ৰসৃষ্টি আৰু বিকাশত কাহিনী আৰু প্লটে বিশেষ ভূমিকা গ্ৰহণ কৰে। কাহিনীয়ে চৰিত্ৰ প্ৰকাশ কৰে আৰু প্লটে চৰিত্ৰৰ বিকাশ ঘটায়। কাহিনীয়ে পাঠকৰ সৈতে চৰিত্ৰৰ পৰিচয ঘটায় কিন্তু প্লটে চৰিত্ৰটো জীৱন্ত, অৰ্থবহ আৰু বৈচিত্ৰ্যপূৰ্ণ কৰি তোলে। ৱাল্টাৰ এলেনে Reading a Novel গ্ৰন্থত কৈছে— 'জীৱনক উদঙাই দিবৰ কাৰণে উপন্যাস এখনৰ কাহিনী আৰু চৰিত্ৰই ঘাই কথা। [৩]

এৰিষ্টটোলে ট্ৰেজেৰি আলোচনা প্ৰসংগত ভাল চৰিত্ৰৰ ওপৰত গুৰুত্ব দিছিল। উপন্যাসৰ চৰিত্ৰৰ ক্ষেত্ৰতো একেটা কথাই খাটে। ভাল মানে সৰ্বগুণেৰে গুণান্বিত চৰিত্ৰ নহয়। উপন্যাসৰ চৰিত্ৰ বাস্তৱভিত্তিক কল্পনাৰ মানুহ কাৰণে ইয়াত বাস্তৱ

মানুহৰ গুণ আৰু দোষ দুয়োটাকে প্ৰতিফলিত কৰা হয়। এই দোষ-গুণৰ মাজেদি চৰিত্ৰৰ ব্যক্তিত্ব প্ৰকাশ পায়। চৰিত্ৰৰ আদৰ্শ সংলাপ আচাৰ ব্যৱহাৰ আৰু সংঘাতৰ মাজেদি ব্যক্তিত্ব পোহৰলৈ আহে। সংঘাতে চৰিত্ৰক বৈচিত্ৰ্য প্ৰদান কৰে। আত্মসংঘাতৰ যোগেদি ঔপন্যাসিকে চৰিত্ৰৰ অভ্যন্তৰ জগতক পোহৰলৈ আনে। কেতিয়াবা সমাজৰ প্ৰচলিত বিভিন্ন নীতি নয়মৰ লগত চৰিত্ৰৰ সংঘাত দেখুৱাই সমকালীন সমাজ জীৱনৰ ছবি এখনো চৰিত্ৰৰ মাজেদি প্ৰকাশ কৰা হয়। ইয়াৰ মাজেদি চৰিত্ৰৰ আদৰ্শজগতখনো পোহৰলৈ আহে। শ্ৰেষ্ঠ আৰু মহৎ উপন্যাসে জীৱনৰ বাহিৰৰ ফালটোৰ বৰ্ণনাত বেছি গুৰুত্ব নিদি ভিতৰ ফালটো প্ৰকাশলৈ আনে। চৰিত্ৰৰ অন্তৰ্জগত আৰু বহিৰ্জগতৰ আনুপাতিক বিচাৰৰ দ্বাৰাহে এখন উপন্যাসৰ মূল্য নিৰ্দ্ধাৰণ কৰা হয়। Ralph Fox ৰ মতে— 'উপন্যাস ব্যক্তি আৰু সমাজৰ মাজৰ সংঘাত আৰু ব্যক্তি আৰু প্ৰকৃতিৰ মাজৰ সংঘাতৰ মূৰ্ত্তৰূপ। [৪] সংঘাতে চৰিত্ৰক গতিশীলতা প্ৰদান কৰে। সংঘাতপূৰ্ণ পৰিস্থিতিত চৰিত্ৰৰ মনৰ গতি আৰু ক্ৰিয়া প্ৰতিক্ৰিয়াতেই চৰিত্ৰৰ গতিশীলতা প্ৰদৰ্শিত হয়।

উপন্যাসৰ চৰিত্ৰ অংকন কৰোঁতে ঔপন্যাসিকে চৰিত্ৰটোক বাস্তৱসন্মত ৰূপ প্ৰদান কৰিবলৈ যত্ন কৰে। উপন্যাস কথাশিল্প আৰু শিল্পসন্মত গুণেৰে ঔপন্যাসিকে চৰিত্ৰৰ মাজেদি জীৱন সত্য চিত্ৰিত কৰে। এচ চি সেনৰ মতে— "শিল্পই প্ৰমাণ কৰিব নালাগে চিত্ৰিতহে হ'ব লাগে। [৫] জীৱনক চিত্ৰিত কৰিবলৈ ঔপন্যাসিকে আশ্ৰয় লয় বৰ্ণনাৰ। বৌদ্ধিক বিশ্লেষণ বাস্তৱ দৃষ্টিভংগী আৰু শিল্পসন্মত বৰ্ণনাৰ যোগেদি ঔপন্যাসিকে চৰিত্ৰৰ মাজেদি জীৱনৰ সত্যক চিত্ৰিত কৰে। ডক্টৰ প্ৰহ্লাদ কুমাৰ বৰুৱাই উপন্যাস নামৰ পুথিত এই সম্পৰ্কে উল্লেখ কৰিছে।[৬] উপন্যাসৰ চৰিত্ৰ ঔপন্যাসিকৰ কাল্পনিক মানুহজন বাস্তৱ জীৱনত বাটে-ঘাটে লগপোৱা লোক হ'ব লাগিব। Webster এ Character শব্দৰ অৰ্থ 'বাস্তৱসন্মত মানুহ বুলি কৈছে।[৭]

উপন্যাসৰ চৰিত্ৰই পাঠকৰ মন আকৰ্ষণ কৰিব পাৰিব লাগে। সকলো ঔপন্যাসিকেই চৰিত্ৰসমূহৰ জীৱনৰ বিভিন্ন উপাদানসমূহ মুকলিকৈ দাঙি ধৰি বিষয়বস্তুক বৈচিত্ৰপূৰ্ণ কৰি তোলে। চৰিত্ৰবিলাকে জীৱনত বিভিন্ন পৰিস্থিতত দ্বিধা সংঘাত আৰু নৈতিক সংকটৰ মাজেদি জীৱনৰ এটা নতুন ব্যাখ্যা আগবঢ়ায়। ফৰাচী ঔপন্যাসিক আলবেয়াৰ ক্যামুৰ পতন (The Fall) উপন্যাসৰ নায়ক ক্লেমেন্স এনে এটা নৈতিক সংকটত ভোগা চৰিত্ৰ। ক্লেমেন্স পেৰী মহানগৰীৰ এজন গণ্যমান্য উকীল আছিল। উকীল হিচাপে তেও বহুতো অনাথ শিশু আৰু দুৰ্দশাগ্ৰস্ত বিধৱাৰ হৈ বিনামূল্যে ওকালতি কৰিছিল। কিন্তু এনেদৰে লোকক সহায় কৰিবলৈ গৈ এদিন ক্লেমেন্স এজন মটৰচাইকেল আৰোহীৰ দ্বাৰা অপমানিত হ'ল। এদিন গভীৰ ৰাতি প্ৰেয়সীৰ কাষৰ পৰা ঘৰলৈ উভতি আহোঁতে বাটতে ছিনদীৰ দলঙৰ পৰা এগৰাকী গাভৰু তেওঁৰ চকুৰ আগতে তলৰ পানীত পৰিল। ছোৱালীজনীৰ সাহায্য ভিক্ষাৰ কৰুণ আৰ্তনাদ তেওঁৰ কাণত

পৰিছিল যদিও তেওঁ সহায়ৰ কাৰণে আগবাটি মগ'ল। কিন্তু পিছত তেও অন্তৰ্দ্বন্দ্বত জৰ্জৰিত হৈ কামনা কৰিলে ছিন্নদীৰ দলগুৰ পৰা আকৌ সেই ছোৱালীজনী পানীলৈ খহি পৰক তেতিয়া তেওঁ নদীলৈ সাঁতুৰি গৈ ছোৱালীজনীক উদ্ধাৰ কৰিব।[৮]

উপন্যাসৰ চৰিত্ৰক দুটা ভাগত ভাগ কৰিব পাৰি— শিথিল চৰিত্ৰ (Flat character) আৰু চক্ৰাকাৰ চৰিত্ৰ (Round character)। F M Fosterএ শিথিল চৰিত্ৰক Type character আখ্যা দি কৈছে যে উপন্যাসৰ শিথিল চৰিত্ৰবোৰ সহজে পাঠকৰ মনলৈ আহে। এই শ্ৰেণী চৰিত্ৰ পাঠকৰ মনত অবিকল ৰূপত বৈ যায়। কাৰণ শিথিল চৰিত্ৰ কোনো পৰিস্থিতিতে সলনি নহয় বৰং পৰিস্থিতিয়ে যেনিযে নিযে তেনিযে উটি যায়।[৯] সৰলতাৰ বাবেই শিথিল চৰিত্ৰই পাঠকৰ মনত সহজে ৰেখাপাত কৰে। ডক্টৰ মহেন্দ্ৰ বৰাৰ মতে এনে চৰিত্ৰ ঔপন্যাসিকৰ পূৰ্বপৰিকল্পিত।[১০] শিথিল চৰিত্ৰই কোনো এটা আদৰ্শ বা দৃষ্টিভংগী অন্তৰেৰে গ্ৰহণ কৰে আৰু প্ৰতিকূল পৰিস্থিতিতো নিজৰ আদৰ্শৰ পৰা বিচ্যুত নহয কাৰণে মৌলিকতাৰ অভাৱতো এনে চৰিত্ৰই বহু সময়ত পাঠকৰ সহানুভূতি আদায কৰিব পাৰে।

চক্ৰাকাৰ চৰিত্ৰ গতিশীল। বিভিন্ন প্ৰতিকূল পৰিস্থিতিক এই চৰিত্ৰবোৰে নিজস্ব চিন্তা আৰু কাৰ্যৰে অনুকূলে আনিবলৈ যত্ন কৰে। চক্ৰাকাৰ চৰিত্ৰ সহজবোধ্য নহয। E M Foster এ চক্ৰাকাৰ চৰিত্ৰৰ সংজ্ঞা নিৰূপন কৰিছে এইদৰে— 'চক্ৰাকাৰ চৰিত্ৰই পাঠকক পতিযন যোৱাকৈ আচৰিত কৰি তোলে। আচৰিত কৰি তুলিব নোৱাৰিলে ই চক্ৰাকাৰ চৰিত্ৰৰ ছদ্মবেশত শিথিল চৰিত্ৰ।[১১] চক্ৰাকাৰ চৰিত্ৰক মুক্ত চৰিত্ৰ নামকৰণ কৰি সমালোচকে কৈছে 'মুক্ত চৰিত্ৰৰ মাজেদি লেখকে মানৱজীৱনৰ গভীৰতালৈ প্ৰৱেশ কৰি জীৱনৰ মৌলিক সত্যৰ কিছুমান দিশ উন্মোচন কৰে। উপন্যাস যিহেতু জীৱনৰ যথাৰ্থ ছবি চিত্ৰণ আৰু মৌলিক সত্য উদঘাটনৰ মাধ্যম গতিকে মুক্ত চৰিত্ৰই উপন্যাস কলাৰ এই উদ্দেশ্য আৰু লক্ষ্য পূৰণ কৰাত বহুখিনি সহায় কৰে।'[১২]

শিথিলেই হওক বা চক্ৰাকাৰেই হওক উপন্যাসৰ বাবে চৰিত্ৰৰ প্ৰযোজন গুৰুত্বপূৰ্ণ। চৰিত্ৰসমূহত বাস্তৱৰ তেজ মঙহৰ মানুহৰ গোন্ধ থাকিব লাগে। ঔপন্যাসিকৰ জীৱনৰ সম্পৰ্কীয় দৃষ্টিভঙ্গী আৰু আদৰ্শ চৰিত্ৰৰ মাজেদিয়েই প্ৰকাশ পায। ঔপন্যাসিকৰ ভাৱ-অনুভূতি আৰু আবেদনৰ বাহক চৰিত্ৰ। জৱাহৰ সিংহৰ মতে 'উপন্যাসৰ চৰিত্ৰবিলাক ঔপন্যাসিকৰ অনুভূতিৰ তীব্ৰতাই সৃষ্টি কৰা উত্তেজনাৰ মাজত জন্মলাভ কৰে।[১৩] ঔপন্যাসিকৰ মনলৈ কাহিনীৰ ৰূপত যি ভাৱ আহে তাত প্ৰথমতে ব্যক্তি বা ব্যক্তিসমূহৰ ধাৰণাহে স্পষ্ট হয তেও সেই ব্যক্তিসমূহক গতিশীল ৰূপত চাবলৈ বিচাৰে। মহান ঔপন্যাসিকৰ জীৱন নিষ্ঠা প্ৰকাশলৈ আহে।[১৪] ঔপন্যাসিকৰ আদৰ্শ মানুহজনক উপন্যাসত বিচাৰি পোৱা যায়।

বিভূতিভূষণৰ উপন্যাসৰ কেইটামান চৰিত্ৰ :

আধুনিক বাংলা কথা সাহিত্যিক সকলৰ ভিতৰত বিভূতিভূষণ বন্দোপাধ্যায় অন্যতম। চৰিত্ৰাংকণেই বিভূতিভূষণৰ ডাঙৰ কৃতিত্ব। শিশু-যুবকৰ পৰা পৌঢলৈকে সকলো স্তৰৰ মানুহেই তেওঁৰ চৰিত্ৰৰ অন্তৰ্ভূক্ত। তেখেতৰ উপন্যাসৰ চৰিত্ৰসমূহৰ মাজত বহুসময়ত লেখক বিভূতিভূষণক লগ পোৱা যায়। **পথেৰ-পাঁচালী** আৰু **অপৰাজিতত** এটা বালকৰ (অপু) জীৱনকথা অপৰূপ প্ৰকৃতিৰ পৰিৱেশত বিকশিত কৰি তুলিছে। বিভূতিভূষণৰ **আৰণ্যক** উপন্যাসৰ পৰিকল্পনা বিস্ময়কৰ আৰু সাধাৰণ উপন্যাসব পৰা ই সম্পূৰ্ণ নতুন প্ৰকৃতিৰ। উপন্যাসখনত প্ৰকৃতিযেই যেন এটা জীৱন্ত চৰিত্ৰ। ইযাৰ চৰিত্ৰসমূহ প্ৰকৃতিৰ দৰে উদাৰ অনাসক্ত আৰু সৰল প্ৰকৃতিৰ। কবি বেঙ্কটেশ্বৰ অধ্যাপক মটুকনাথ উদ্ভিদবিদ্যাবিদ আৰু সৌন্দৰ্য্যপ্ৰিয় যুগলপ্ৰসাদ চাওতাল ৰাজ পান্না আৰু তেওৰ নাতিনী সৰল পৱিত্ৰ হৃদয়া ভানুমতী স্বভাৱশিল্পী নৃত্যবিশাৰদ ধাতুবিযা সকলো চৰিত্ৰৰ ওপৰতে অৰণ্য প্ৰকৃতিৰ সৰলতাৰ প্ৰভাৱ পৰিছে। **আদৰ্শ হিন্দু হোটেল** উপন্যাসত বিভূতিভূষণে নাগৰিক চাতুৰ্য আৰু ব্যৱসায় বৰ্ণনাৰ মাজতে গ্ৰাম্য সৰলতাৰে হাজাৰি ঠাকুৰ চৰিত্ৰটো আকৰ্ষণীয় কৰি তুলিছে। বিপিনেৰে সংসাৰ উপন্যাসত ঔপন্যাসিকে নাযক বিপিনৰ দাম্পত্য জীৱনত নাৰী প্ৰেমৰ মহত্ব বৰ্ণনা কৰিছে। **অনুবৰ্ত্তনত** কেইজনমান শিক্ষকৰ শিক্ষকতা অম্লমধুৰ অভিজ্ঞতাৰ বৰ্ণনা কৰা হৈছে। শিক্ষকতা কৰি কোনোমতে পৰিয়াল পোহপাল দি থকা শিক্ষককেইজনৰ জীৱন কেনেকৈ দ্বিতীয় বিশ্বযুদ্ধই জোকাৰি গ'ল আৰু তাৰ ফলত তেওলোকে সন্মুখীন হোৱা আৰ্থিক সংকটৰ মৰ্মস্পৰ্শী বিৱৰণ উপন্যাসখনত আছে। বিভূতিভূষণৰ **দৃষ্টি প্ৰদীপত** জিতু চৰিত্ৰৰ মাজেদি যি আধ্যাত্মদৃষ্টিৰ সন্ধান দিছিল **দেবযান** গ্ৰন্থত মৃত্যুৰ সিপাৰৰ অলৌকিক জগতৰ বৰ্ণনাৰে নাযক যতীনৰ দেহমুক্ত আত্মাৰ পৃথিৱীৰ প্ৰতি থকা আকৰ্ষণৰ যোগেদি সেই জীৱননিষ্ঠা প্ৰকাশ কৰিছে।

বিভূতিভূষণৰ নাৰী চৰিত্ৰসমূহ শিশুৱেই হওক কিশোৰীযেই হওক প্ৰেমিকাই হওক নাইবা মাতৃযেই হওক সকলোৰে মাজেদি নাৰীৰ চিৰন্তন মাতৃৰূপটো প্ৰকাশ পাইছে। তেওৰ উপন্যাসত সকলো নাৰীয়েই সহজ-সৰল আৰু স্নেহশীলা মাতৃ। **আদৰ্শ হিন্দু হোটেলৰ** পদ্ম আৰু **দেৱযানৰ** আশালতা ইযাৰ ব্যতিক্ৰম। সংখ্যাৰ ফালৰ পৰা বিভূতিভূষণৰ চৰিত্ৰ সংখ্যা কম নহয় যদিও বিচিত্ৰতাৰ দিশৰ পৰা তেওৰ চৰিত্ৰসমূহ সীমাবদ্ধ। তেওৰ উপন্যাসৰ প্ৰধান চৰিত্ৰসমূহত চকু ফুৰালেই এই কথাৰ সত্যতা বুজা যায়। তেওঁৰ প্ৰায সকলো চৰিত্ৰই কল্পনাপ্ৰৱণ ভাবুক প্ৰকৃতিপ্ৰীতি সম্পন্ন সংবেদনশীল আৰু কম বেছি পৰিমাণে ৰোমাণ্টিক স্বভাৱৰ। শিশু-কিশোৰ-যুবক অপু এইক্ষেত্ৰত স্মৰণীয। হিন্দু হোটেলৰ ৰান্ধনি ব্ৰাহ্মণ হাজাৰি ঠাকুৰ সন্যাসী-গৃহী ভবানী কেদাৰ ৰাজা আৰু জমিদাৰৰ তলতীযা কৰ্মচাৰী বিপিনো ইয়াৰ ব্যতিক্ৰম নহয। শিক্ষা-দীক্ষা আৰু পাৰিপাৰ্শ্বিকতাৰ পাৰ্থক্য থাকিলেও বিভূতিভূষণৰ সকলো চৰিত্ৰ অন্তৰেৰে একে।

অপু :

বিভূতিভূষণৰ পথেৰ-পাঁচালী আৰু অপৰাজিত উপন্যাসৰ নায়ক অপু। পথেৰ-পাঁচালীৰ নায়ক অপু। কিন্তু অপুৰ জন্মৰ আগৰপৰা উপন্যাসৰ কাহিনী আৰম্ভ কৰা হৈছে। দুৰ্গাৰ সৈতে হৰিহৰ-সৰ্বজয়াৰ জোৰা-তাপলি মৰা সংসাৰ। এই দুখৰ সংসাৰলৈ অপুৰ আগমণে তেওলোকৰ মনত এহাতে পুত্ৰপ্ৰাপ্তিৰ আনন্দ আনহাতে পালনৰ উদ্বেগে দেখা দিছে। অপুৰ জন্মই দুৰ্গাৰ মনত অপাৰ আনন্দ দিছে। সেই আনন্দ পালনৰ সমস্যাৰে দ্বিধামিশ্ৰিত নহয় মৰম আৰু সহানুভূতিৰে পূৰ্ণ। এই পটভূমিত অপুৰ জীৱন আৰম্ভ হৈছে— আম আঁটিৰ ভেঁপু খণ্ডৰ পৰা। যি নিশ্চিন্দিপুৰৰ পথত অপুৰ বাল্যলীলা সেই পথ অতীতৰ ইতিহাসৰ লগত সংযুক্ত।

অপুৰ মনৰ অগ্ৰগতি 'আম আঁটিৰ ভেঁপু'ৰ পৰাই। সৰস্বতী পূজাৰ আবেলি দেউতাকৰ লগত গাঁৱৰ বাহিৰৰ পথাৰত নীলকণ্ঠ চৰাই চাবলৈ যোৱাৰ পৰাই অপুৰ যাত্ৰা আৰম্ভ। ছবছৰীয়া অপু প্ৰথমবাৰৰ কাৰণে ঘৰৰ পৰা ওলাই আহিছে। ইমানদিনে নদীৰ ঘাট আৰু গাঁৱৰ সীমাই আছিল অপুৰ যাত্ৰাৰ পৰিক্ৰমা। অপুৰ এই যাত্ৰা অকল তাৰ পৰিচিত সীমাৰ পৰিধিৰ প্ৰসাৰেই নহয় মনৰ পৰিধিৰো প্ৰসাৰ।

অপু চৰিত্ৰৰ প্ৰধান বৈশিষ্ট হ'ল প্ৰকৃতি প্ৰীতি। এই প্ৰকৃতি নিশ্চিন্দিপুৰৰ প্ৰকৃতি। অপুৱে শৈশৱ কটাইছিল প্ৰকৃতিৰ লগত ঘনিষ্ঠ সংস্পৰ্শত। 'ইহাদেৰ সহিত ঘনিষ্ঠ যোগ যে ভালবাসে। ইহাৰ চাড়া সে জীৱন কল্পনা কৰিতে পাৰে না। এই বিৰাট অপৰূপ ছবি চোখেৰ ওপৰ ৰাখিয়া সে মানুষ হইতেছিল। অপুৰ স্ফুটনোন্মুখ কৈশোৰেৰ সতেজ আগ্ৰহভৰা অনাবিল মনে ইহাদেৰ অপূৰ্ব বিশাল সৌন্দৰ্য্যেৰ চিৰস্থায়ী চাপ মাৰিয়া দিয়াছিল। চুপি চুপি তাৰ কাণে অমৃতেৰ দীক্ষা মন্ত্ৰ শুনায়ছিল। অপু কখনো জীৱনে এই শিক্ষা বিস্মৃত হয নাই। চিৰজীৱন সৌন্দৰ্য্যেৰ পূজাৰী হৈবাৰ ব্ৰত নিজেৰ অলক্ষিতে মুক্তৰূপা পৃথিৱী তাহাকে ধীৰে ধীৰে গ্ৰহণ কৰাইতেছিল।[১৫] প্ৰকৃতিৰ এই মুক্তৰূপেই অপুক ঘৰৰ বন্ধনৰ পৰা বাহিৰলৈ ওলাই যোৱাত প্ৰেৰণা যোগাইছিল। অপুৱে এই প্ৰকৃতিপ্ৰিয়তা লাভ কৰিছিল উত্তৰাধিকাৰ সূত্ৰে পিতৃ হৰিহৰৰ পৰা।

প্ৰকৃতিপ্ৰেৰণাই কিশোৰ অপুক উত্তৰজীৱনত শিল্পীলৈ পৰিণত কৰিছে। শৈশৱতে তাৰ মনত বাংলাৰ পথাৰ নদী-নিজৰা অৰণ্যপ্ৰান্ত আৰু জোনাকৰাতিয়ে যি মায়াময ৰূপ অংকিত কৰিছিল উত্তৰজীৱনত সেই কল্পনাৰ মুহূৰ্ত্তসমূহে শিল্পীজীৱনত প্ৰেৰণা যোগাইছিল। প্ৰকৃতিৰ গছলতা মাকৰ মুখত শুনা সাধুকথা যাত্ৰাদল ঐতিহাসিক কাহিনী আৰু ভ্ৰমণকাহিনী— সকলোৱে অপুক উদ্দীপ্ত কৰে। প্ৰকৃতিৰ লগত নিবিড়ভাৱে কটোৱা এই দিনবিলাকত অপুৰ লগ আছিল বায়েক দুৰ্গা। দুৰ্গাৰ আদেশ অনুৰোধ আৰু সহচৰত অপুৱে পানীত তিতি পদুমফুল ছিঙা গছৰপৰা বিভিন্ন ফলমূল পৰা আনকি কলবৈশাখীৰ ধুমুহা বৰষুণত আম বোটলা আদি কামবোৰ কৰি ফুৰিছিল।

অকলে সেয়ে নহয় জেঠৰ দুপৰীয়া দুৰ্গাৰ লগত ৰাওলী গইজনীৰ পোৱালী বিচাৰিবলৈ যাওঁতে গোপনে ৰেল লাইন চাবলৈও গৈছিল।

গাঁৱৰ প্ৰসন্ন গুৰুৰ পাঠশালাত ভৰ্ত্তি হোৱা ঘটনাটো অপুৰ ক্ৰমবৰ্দ্ধমান প্ৰকৃতি চেতনাৰ ইতিহাসত এটা নতুন অধ্যায়। পাঠশালাত অপুৰ মানসিক দিগন্তৰ পৰিসৰ বৃদ্ধি হয়। পাঠশালাৰ মায়াময় পৰিৱেশত অপুৰ কল্পনাশক্তি নিবিড় হয়। অপৰাহ্নৰ দীনু পালিত ৰাজু ৰায় আৰু ৰাজকৃষ্ণ সান্যালৰ গল্পৰ মাজত তাৰ কল্পনাশক্তিৰ বিকাশ হয়। আনকি পাঠশালাৰ প্ৰসন্ন গুৰুৰ শ্ৰুতলিপিৰ মাজতো অপুৱে কল্পনা কৰিছিল দেউতাকৰ লগত নীলকণ্ঠ চৰাই চাবলৈ যাওঁতে দেখা সোণোডোঙা পথাৰৰ ৰাস্তা ৰাস্তাৰ ইপাৰে পৰ্বতৰ শিখৰ আৰু প্ৰকৃতিৰ জোপোহা ফুলৰ স্নিগ্ধ গোন্ধ। প্ৰসন্ন গুৰুৰ শ্ৰুতলিপি প্ৰাকৃতিক সৌন্দৰ্য্যৰ অপূৰ্ব সমাহাৰ— 'এই সেই জনস্থান মধ্যবৰ্ত্তী প্ৰস্ৰবন গিৰি। ইহাৰ শিখৰদেশ আকাশপথে সতত সমীৰ সঞ্চাৰমান দুলধৰ পটল সংযোগে নিৰন্তৰ নিবিড় নিলিমায অলংকৃত— অধিকাপ্ৰদেশ ঘন সন্নিবিষ্ট বন পদসমূহে সমাচন্ন থকাতে স্নিগ্ধ শীতল ও ৰমণীয় পাদদেশে প্ৰসন্ন সলিনা গোদাবৰী তৰঙ্গ বিস্তাৰ কৰিযা। [১৬]

অপু কল্পনাপ্ৰৱণ। চড়কপূজা উপলক্ষ্যে নিশ্চিন্দিপুৰ গাঁৱত যাত্ৰাদলৰ আবিৰ্ভাৱ আৰু অপুৰ যাত্ৰা উপভোগ তাৰ কল্পনা-বিকাশৰ পথত এটি তাৎপৰ্যপূৰ্ণ ঘটনা। ইমানদিনে মাকৰ মুখত শুনি অহা ৰামায়ণ মহাভাৰত আৰু সাধুকথাৰ কাহিনীৰ মাজেদি যি কল্পনাৰ জগতত সি বিচৰণ কৰিছিল যাত্ৰাদলৰ কাহিনীৰ মাজত সেই জগতৰ সন্ধান আছে। সেই কল্পনাৰ জগত তাৰ ওচৰত বিস্তৃত ৰূপত ধৰা দিছে যাত্ৰাদলৰ অভিনয়ৰ যোগেদি। এই কল্পনা জগতত নিশ্চিন্দিপুৰৰ প্ৰতিজনী ছোৱালীয়েই কোনো ধাৰাৱতী কোনো কলিঙ্গদেশৰ মহাৰাণী। এই যাত্ৰাই অপুৰ কল্পনাৰ জগত যেনেকৈ বিস্তৃত কৰিছে, তেনেকৈ সাহিত্য ৰচনাৰ কাৰণেও অনুপ্ৰাণিত কৰিছে। মাকৰ মুখত শুনা মহাভাৰতৰ কাহিনীক লৈ তাৰ মৌখিক সাহিত্য আৰম্ভ আৰু যাত্ৰাৰ অভিনয় উপভোগৰ দ্বাৰা প্ৰভাৱান্বিত হৈ আৰম্ভ হয় তাৰ লিখিত সাহিত্য।

অপুৰ মনৰ কল্পনাপ্ৰৱণতাত ইন্ধন যোগাইছে তাৰ অতীতে। পিতৃ হৰিহৰৰ কাঠৰ বাকচৰ পৰা উদ্ধাৰ কৰা পুৰণি পুথিসমূহে। সেই পুথিসমূহৰ পৰা সৰ্বদৰ্শন সংগ্ৰহ লুকাই লুকাই পঢ়ি এদিন সি অদ্ভুত এটা কথা আবিষ্কাৰ কৰিলে। শগুণৰ কণীৰ সহায়ত শূন্যত বিচৰণ কৰিব পাৰি। সি কল্পনাৰাজ্যৰ শূন্যমাৰ্গত বিচৰণ কৰাৰ হেঁপাহত কেতিযাবা দুৰ্গাৰ লগত কেতিয়াবা অকলে শগুণৰ বাহৰ সন্ধান কৰিছিল। সি আকাশত উৰি ফুৰাৰ কল্পনা কৰি এক ৰোমাঞ্চ অনুভৱ কৰিছিল।

অপু চৰিত্ৰৰ অন্যতম বৈশিষ্ট্য হৈছে ভ্ৰমণ-প্ৰিয়তা আৰু সুদূৰ-তৃষ্ণা। বিভিন্ন জগতৰ স্বাদ পায় কাৰণে কিতাপ তাৰ প্ৰিয়। ভ্ৰমণকাহিনীয়ে তাক দূৰ দেশৰ বাৰ্তা দিয়ে, জ্যোতিৰ্বিদাই নক্ষত্ৰলোকৰ সন্ধান দিয়ে আৰু প্ৰকৃতিজগতে স্নিগ্ধ প্ৰশান্তিৰ

লগতে আনে সুদূৰৰ বাৰ্তা। পথৰ দেৱতাই তাক প্ৰতি মুহূৰ্ততে সুদূৰলৈ আহ্বান জনায়। সেয়ে সুদূৰ যাত্ৰা অপুৰ জীৱনব্ৰত। অপু যেন ৰবীন্দ্ৰনাথ ঠাকুৰৰ ডাকঘৰ গল্পৰ নায়ক অমল। গোটেই পৃথিৱীখন চাবলৈ বিচাৰিলেও অমলে তাৰ কোঠাৰ খিড়িকীৰে দেখা পৃথিৱীখণ্ডকহে সদায় দেখিবলৈ পায়। কাৰণ তাৰ ভৰিৰ শিকলি তাৰ পঙ্গুতা। সজাৰ চৰাইৰ নিচিনাকৈ সি বাহিৰৰ পৃথিৱীখন চাবলৈ ওলাই যাব বিচাৰে। অমলৰ তুলনাত অপু অনেক স্বাধীন। তাৰ ওচৰত আছে নিশ্চিন্দিপুৰৰ মুকলি আকাশ মুকলি পথাৰ আৰু বনভূমি। কিন্তু অপুৰ তৃষ্ণাৰ তুলনাত নিশ্চিন্দিপুৰৰ পৰিধি ক্ষুদ্ৰ। অপুৰ ভৰিতো শিকলি আছে, কাৰণ সি বাহিৰৰ পৃথিৱী চোৱাৰ জোখাৰে ডাঙৰ হোৱা নাই। কিন্তু সি ভাবে ডাঙৰ হ'লেই সকলো হ'ব। আগবাঢ়ি গ'লেই দেশভ্ৰমণৰ বহুত সুযোগ সুবিধা পাব। এতিয়া কেৱল ডাঙৰ হোৱালৈ অপেক্ষা। [১৭] **পথেৰ-পাঁচালী**ত কাশীযাত্ৰাৰ পিছৰ পৰাই অপুৰ ভৰিৰ শিকলি খোল খাইছে। মাকৰ মৃত্যুৰ পিছত সি সম্পূৰ্ণ মুক্তি পাইছে। অপৰ্ণাই খন্তেকৰ কাৰণে অপুৰ সুদূৰ যাত্ৰাত বাধা দিছিল অপৰ্ণাৰ মৃত্যুৰ পিছত ভ্ৰমণত তাৰ অবাধ স্বাধীনতা। **অপৰাজিত**ৰ শেষত শিশুপুত্ৰ কাজলক নিশ্চিন্দিপুৰত বাযেক ৰানুৰ ওচৰত থৈ সি বিদেশযাত্ৰা কৰিছে।

সুদূৰ তৃষ্ণাই অপুৰ সংবেদনশীল মনকো কৰিছে ঘৰবিবাগী। সাধাৰণতে স্পৰ্শকাতৰ মন আসক্তিৰ বন্ধনত বান্ধ খায়। কিন্তু অপুৰ মন স্পৰ্শকাতৰ হৈও আসক্তিৰ পৰা মুক্ত। অপু ঘৰৰ বন্ধনত থাকিব নোবাৰে। নিশ্চিন্দিপুৰৰ আকাশ-বতাহ-প্ৰকৃতিৰ প্ৰতি বালক অপুৰ মমতা কম নাছিল কিন্তু কাশীৰ কল্পনাই তাৰ মনত জগায় চঞ্চলতা। মাকক সি খুউব ভাল পায়। কিন্তু সেই ভালপোৱা তাৰ বাবে বন্ধন। সেয়ে মাকৰ মৃত্যুত তাৰ স্পৰ্শকাতৰ মনে বেদনা অনুভব কৰিছে, কিন্তু বন্ধনছেদনৰ আনন্দও পাইছে। দুদিনৰ পৰিচিত কণমানি গুলকী আৰু অসংখ্য মানুহৰ বাবে তাৰ মমতা আৰু সহানুভূতি অপাৰ। কিন্তু সি ক'তো আবদ্ধ হ'বলৈ নিবিচাৰে। সুদূৰৰ এক আনন্দযজ্ঞলৈ তাক আমন্ত্ৰণ কৰা হৈছে তাৰ্লৈ যোৱাৰ পথত থমকি ৰ'লে নচলিব। অপুৰ জীৱনপথৰ পৰিক্ৰমাক লৈয়েই উপন্যাসৰ কাহিনী ৰচিত। সেয়ে উপন্যাসখনৰ নামকৰণ কৰা হৈছে **পথেৰ-পাঁচালী** (পথৰ পৰিক্ৰমা)।

অপু ঘৰ বিবাগী। **পথেৰ-পাঁচালী**ত অপুৰ ঘৰৰ কথাও আছে। কিন্তু অপুৰ বাবে ঘৰ জিৰণিবাস। সেই জিৰণিঘৰৰ মানুহ বিলাকক অপুৱে ভাল পায় কিন্তু সেই ভালপোৱা মানুহবিলাকৰ লগত চিৰকাল থাকিবৰ কাৰণে অপু পৃথিৱীলৈ অহা নাই। সেই যাত্ৰাপথৰ কোনো আশ্ৰয় বা কোনো লোকক সি তুচ্ছ জ্ঞান কৰা নাই। কম সময়ৰ কাৰণে হ'লেও তেওলোকৰ লগত প্ৰীতিৰ সম্পৰ্কও কৰিছে, কিন্তু তাৰ দৃষ্টি সুদূৰৰ পথত। শৈশৱতে অপুৱে ঘৰ আৰু পথৰ পৰস্পৰ বিৰুদ্ধে সম্পৰ্কৰ খবৰ পাইছিল। ঘৰত থাকিবলৈ তাৰ সমূলি ইচ্ছা নাছিল। তাৰ সকলোতকৈ কাম্য আছিল

'ভাৰি মজা হয় যদি তাৰা তাহাকে বলে খোকা তুমি শুধু পথে পথে বেড়িযে বেড়াও - তাহা হইলে এইৰকম বনফুল ঝুলানো ছায়াচম্ন ঝোপেৰ তলাদিয়া ঘু ঘু ডাকা দূৰ বনেৰ দিকে চোখে ৰাখিয়া এইৰকম মাটিৰ পথটি বাহিয়া শুধুই হাঁটে।[18] দেউতাকৰ ওচৰত শৈশৱত সি এই অনুমতি পোৱা নাছিল কিন্তু পিছৰ জীৱনত পথৰ দেৱতাই তাক এই আহ্বান জনাইছে আৰু অপূৱেও এই পথ অতিক্ৰম কৰিছে।

পথেৰ পাঁচালীত পথযাত্ৰা হোৱা নাই, কাৰণ এয়া অপূৰ দীক্ষাপৰ্ব। নিশ্চিন্দিপুৰৰ প্ৰকৃতি সেই শিক্ষাৰ ক্ষেত্ৰ। অপৰাজিতৰ আৰম্ভণিৰ পৰাই এই পথযাত্ৰা আৰম্ভ। পথৰ দেৱতাই তাৰ কাণত মন্ত্ৰ উচ্চাৰণ কৰিছে।[19] পথৰ প্ৰকজনে তাক পাহৰাই দিছে ঘৰ তথা গাহস্থ্য জীৱন। অৰ্থ যশ কামনা একোৰে তাৰ আকাঙ্খ্যা নাই। হৰিহৰৰ ঘৰত অৰ্থাভাৱ আছে কিন্তু অৰ্থাভাৱে অপুক কষ্ট দিয়া নাই। তাৰ প্ৰযোজনো সীমিত শৈশৱত দেউতাকে এখন চণ্ডী মাহাত্ম্য বা কালকেতু উপাখ্যান আনিলেই সি সন্তুষ্ট। পিছৰ জীৱনতো নিজৰ আৰ্থিক অৱস্থা ভাল কৰিবৰ কাৰণে কোনো চেষ্টা কৰা নাই। চকুৰ আঁতৰত থকা পৃথিৱীখন চোৱাৰ মনৰ ক্ষুধাটোৱেই তাৰ সকলো পেটৰ ক্ষুধা তাৰ কাৰণে কোনো সমস্যাই নহয়।

আপোনভোলা স্বভাৱৰ অপূৰ জীৱনজুৰি এক আবেগপ্ৰৱণ বিষাদ অন্তঃসলিলা ফল্গুৰ দৰে বৈ আছে। দুৰ্গাৰ মৃত্যুৰ পিছত অভাৱ আৰু বেদনাত হৰিহৰে নিশ্চিন্দিপুৰ ত্যাগৰ পৰিকল্পনা কৰিছে। দুৰ্গাৰ মৃত্যুৱে অপুক এহাতে বেদনাত শূন্য আৰু সকৰুণ কৰি তুলিছে আনহাতে এই মৃত্যুৱে অপুক নৱজন্ম আৰু নৱজীৱনৰ পথত যাত্ৰা কৰাৰ সুযোগ দিছে। দুৰ্গাৰ মৃত্যুৱে অপুক বৃহত্তৰ জগত সম্বন্ধে অনুসন্ধিৎসু আৰু অভিজ্ঞ কৰি তুলিছে, লগতে তাক ৰিক্ত আৰু স্মৃতিভাৰাক্ৰান্ত কৰি তুলিছে। চড়কপূজাৰ আগমনে বন্যফুলৰ দুলনিয়ে তাক বাৰেক দুৰ্গাৰ কথা মনত পেলাই দিয়ে। নিশ্চিন্দিপুৰ ত্যাগৰ আনন্দ বেদনাময় মুহূৰ্তত অকল দুৰ্গাই নহয় শৈশৱৰ বহু লগৰী আৰু ঘটনাই তাৰ মনত দোলা দি যায়।[20] লগে লগে তাৰ মন দুৰ্গাৰ কাৰণে শোকাকুল হৈ উঠে। দুৰ্গাৰ মৃত্যু হ'লেও ইমানদিনে দুৰ্গা যেন তাৰ কাষতে আছিল। কিন্তু নিশ্চিন্দিপুৰ এৰি অহাৰ লগে লগে দুৰ্গাৰ লগতো যেন তাৰ বিচ্ছেদ হ'ল।[21] ৰেলেৰে নিশ্চিন্দিপুৰ এৰি কাশীযাত্ৰাৰ পথতো দুৰ্গাৰ এষাৰ কথা অপূৰ কাণত অহৰহ বাজি আছিল। 'অপু সেৰে উঠলে আমায় একদিন ৰেলগাড়ী দেখাবি?[22]

দেওৱানপুৰ স্কুলত পঢ়া সময়ত যি বাস্তৱ জীৱনৰ লগত অপূৰ পৰিচয় হৈছিল সেই বাস্তৱ জীৱনৰ বৃত্ত কলিকতাৰ কলেজত পঢ়িবলৈ গৈ আৰু বৃহত্তৰ হৈছে। এই জীৱনত তাৰ দৈনন্দিন দুখ কষ্ট যিমান বাঢ়িছে অভিজ্ঞতাও সিমান গভীৰ হৈছে। কেতিয়াবা অখিলবাবু, সুৰেশ্বৰৰ সাহায্যত কেতিয়াবা সহপাঠী জানকীৰ স্নেহত পূজাঘৰৰ ভোগ খাই দিন কটালেও কেতিয়াবা অনাহাৰত থাকিবলগীয়া হয়। এই দুখৰ দিনবিলাকতেই সি তাৰ আত্মীয় সুৰেশদা আৰু বৰমাকৰ অৱজ্ঞা ছাত্ৰী প্ৰীতিৰ অৱমাননা হোটেলৰ ঠাকুৰৰ অপমান এইবিলাক দুখৰ অভিজ্ঞতা সঞ্চয় কৰিছে। দুখৰ

অভিজ্ঞতাৰ লগতে কলিকতাত অপুৱে প্ৰণৱ-অনিলৰ নিচিনা সংবেদনশীল বন্ধু, দাৰোৱানৰ পত্নীৰ মাকৰ নিচিনা মৰম আৰু কলেজ পুথিভঁড়ালৰ বিৰাট জ্ঞানভাণ্ডাৰৰ লগত পৰিচয় হোৱাৰ আনন্দময় অভিজ্ঞতা লাভ কৰিছে।

কলিকতাতেই অপুৰ মনৰ বিচিত্ৰ ৰূপ - উৎসাহ আত্মবিশ্বাস অভিজ্ঞতা আৰু আত্মম্ভৰিতা প্ৰকাশ পাইছে। কলেজ ইউনিয়নত প্ৰবন্ধ পাঠৰ দ্বাৰা অপু তাৰ প্ৰতিভা সম্পৰ্কে সচেতন হয়। তাৰ সুখ-দুখ আশা-নিৰাশা ভৰা উনৈশটা বছৰযে অথলে যোৱা নাই এই কথা তাৰ বিশ্বাস হয। নিশ্চিন্দিপুৰত পটুৰ লগত ইছামতীত নৌকাভ্ৰমণ কৰোঁতে যি আৰব সমুদ্ৰৰ স্বপ্ন দেখিছিল কলিকতাত অনিলৰলগত জাহাজৰ চাকৰিৰ চেষ্টাত সি সেই স্বপ্ন বাস্তৱত ৰূপায়িত কৰিবলৈ বিচাৰিছে। কাশীত অপুৱে নিজৰ দৰিদ্ৰ অৱস্থাৰ কাৰণে লজ্জাবোধ আৰু তাক গোপন কৰিবলৈ শিকিছিল। কলিকতাত নাগৰিকতাৰ প্ৰভাৱত সেই শিক্ষাৰ প্ৰসাৰ হৈছে।

গাঁৱত জন্মগ্ৰহণ কৰা অপু তাৰ আৱেগপ্ৰৱণ আৰু কল্পনাপ্ৰিয় স্বভাৱৰ কাৰণে অন্য গ্ৰাম্য শিশুৰ লগত পাৰ্থক্য থাকিলেও শিশুসুলভ স্বভাৱৰ অপুৰ মাজত এটি অতি সাধাৰণ সৰুল শিশুৰ বৈশিষ্ট্যও আছে। অপুৰ পায়স খোৱাৰ অবোধ আনন্দ তাজবিবিৰ ছবি দেখাৰ আনন্দ চুৰকৈ দুৰ্গাৰ লগত ৰেল চাবলৈ যোৱা আনে নেদেখাকৈ বিড়িৰ সোৱাদ লোৱা আৰু বিড়ি খাবলৈ তিতা কাৰণে পইচা অথলে যোৱা বুলি ভৱা দেউতাকৰ অনুপস্থিতিত ঘৰৰ পৰা কড়ি খেলিবলৈ ওলাই লৰ মৰা আনকি দেউতাকৰ অসুখৰ সময়তো ইয়াৰ ব্যতিক্ৰম নোহোৱা বন্ধুক দেউতাকৰ আৰ্থিক অৱস্থাৰ বিষয়ে বঢ়াই কোৱা— এই সকলোবিলাক যিকোনো শিশুৰ মাজতে পোৱা যায। সেয়ে মানসিক অসাধাৰণত্ব সত্বেও অপু সাধাৰণ পাঠকৰ অনাত্মীয় হৈ নেযায়।

জ্যোতিৰ্বদ্যা আৰু ইতিহাসৰ যি পথেৰে অপুৰ লগত অন্তহীন দেশকালৰ পৰিচয় সেই পথে সহপাঠী অনিলৰ মৃত্যুত আধ্যাত্মিক জগতত প্ৰৱেশ কৰিছে। এই আধ্যাত্মিক জগতৰ লগত অপুৰ পৰিচয় হৈছিল দুৰ্গাৰ মৃত্যুত। অপু তেতিয়া শিশু আছিল কাৰণে এই মৃত্যুৰ আধ্যাত্মিক প্ৰতিক্ৰিয়া তাৰ অৱচেতন মনত আছিল। অনিলৰ মৃত্যুৰ পিছত তাৰ মাক সৰ্বজয়াৰ মৃত্যু। সৰ্বজয়াৰ মৃত্যুৱে অপুৰ জীৱনত মিশ্ৰিত প্ৰতিক্ৰিয়া কৰিছে। যি বৃহত্তৰ জীৱনত খোজ দিবৰ কাৰণে অপু অস্থিৰ সেই জীৱনপথত তাৰ একমাত্ৰ বন্ধন মাক। মাকৰ মৃত্যুত সেযে সি বন্ধনমুক্তিৰ আনন্দ অনুভৱ কৰিছে। কিন্তু লগে লগে মাকৰ মৰমত আকুল হৈছে— 'দশপিণ্ড দানেৰ দিন সে কি তীব্ৰ বেদনা। পুৰোহিত বলিতেছেন প্ৰেতশ্ৰী সৰ্বজয়া দেৱী। অপু ভাৱে— কাহাকেপ্ৰেত বতিছে? সৰ্বজযা দেৱী প্ৰেত? তাহাৰ মা প্ৰীতি আনন্দ ও দু খ মুহূৰ্ত্তৰ সঙ্গিনী এত আশাময়ী হাস্যময়ী এত জীৱন্তযে ছিল কিছুদিন আগেও সে প্ৰেত?[২৩] কিন্তু তাৰপিছত মধুৰ আশাৰ বাণীত অপুৱেও যোগ দিছে— আমাৰ মা অনেক কষ্ট কৰি গৈছে, তেওঁৰ প্ৰাণত দেৱতাৰ উদাৰ আশীৰ্বাদৰ অমৃতধাৰা বৰ্ষণ কৰা।

কলিকতাৰ দৈনন্দিন জীৱনযুদ্ধৰ মাজতে অপুৱে আত্মপৰিচয় লাভ কৰিছে। কলেজৰ পৰা ইণ্টাৰমিডিয়েট পাছ কৰাৰ পিছত কাগজৰ অফিচতে সামান্য এটা চাকৰি সি যোগাৰ কৰে। সেই সময়তে সহপাঠী প্ৰণৱৰ লগত কলিকতাৰ কৰ্মব্যস্ত আৰু প্ৰকৃতিৰ সপৰ্শমুক্ত জীৱনৰ পৰা মুক্তিৰ কাৰণে অখ্যাত গাঁও গংগানন্দকাটিলৈ দুয়োৰে যাত্ৰা আৰু অপৰ্ণাৰ লগত অপুৰ পৰিচয় লগতে বিবাহ এই সকলোবোৰ ঘটনাই নাটকীয়। অপৰ্ণাৰ লগত বিবাহ অপুৰ ভাষাৰে— 'জীৱনেৰ জগতেৰ সঙ্গে একি অপূৰ্ব ঘনিষ্ঠ পৰিচয়।'[২৪] এই ঘনিষ্ঠ পৰিচয় এহাতে যেনেকৈ মাকৰ স্মৃতিৰে ভাৰাক্ৰান্ত, আনহাতে তেনেকৈ অসাংসাৰিক। অৰ্পনাৰ প্ৰসঙ্গত তাৰ ধাৰণা মাকৰ সমপৰ্যায়ৰ।[২৫] ফুলশয্যাৰ ৰাতি অনাত্মীয় এগৰাকী গাভৰুৰ লগত একেলগে থাকিবলৈ যেনেকৈ অপুৰ কুণ্ঠাবোধ হৈছে, তেনেকৈ বিয়াৰ সময়ত পাটৰ পাঞ্জাবীৰ অভাৱত তাৰ মন ব্যাকুল হৈছে। এইবিলাক অপুৰ শিশুসুলভ স্বভাৱৰ প্ৰভাৱ।

প্ৰথমে মনসাপোতাত আৰু তাৰ পিছত কলিকতাত অপু-অপৰ্নাৰ ক্ষণস্থায়ী দাম্পত্য জীৱন। মনসাপোতাৰ খেৰী ঘৰ আৰু কলিকতাৰ অপৰিচয় পৰিবেশত অপৰ্নাৰ নিচিনা সঙ্গিনীৰ সাহচৰ্য আৰু আশ্ৰয় অপুৰ ওচৰত মায়াময় হৈ ধৰা দিছে। তাৰ ভাব হৈছে, তাৰ দুখিনী মাক এই স্নেহশীলা সেৱাপৰায়ণা নাৰীৰ মাজেদি আকৌ ঘূৰি আহিছে। মনসাপোতাত বাৰিষাৰাতি অপৰ্নাৰ লগত কটোৱা সুখৰ সময়তো মৃত্যুৰ সিপাৰৰ মাকৰ অস্তিত্বই তাক আবেগপ্ৰৱণ কৰি তোলে। অপৰ্নাক লৈ অপুৰ সংসাৰ সুখ উপভোগৰ নিবিড় মুহূৰ্ত্ততে অপৰ্নাৰ মৃত্যু। অপৰ্নাৰ মৃত্যু তাৰ কাৰণে এক শূন্যতা। দুৰ্গাৰ মৃত্যুৰ পৰা অপৰ্নাৰ মৃত্যুলৈকে জীৱনৰ অপূৰণীয় শূন্যতা অমৰকণ্টকৰ নিৰ্জন অৰণ্যপ্ৰান্তই এক পূৰ্ণতাৰ ৰূপ দিছে। অৰণ্য প্ৰকৃতিৰ নিৰ্জনতাই তাক অতীত ৰোমন্থনত সহায় কৰিছে। সাহিত্যসৃষ্টিৰ প্ৰেৰণালৈ সুদীৰ্ঘ ছবছৰৰ পিছত অপু পুনৰ ঘূৰি আহিছে কলিকতালৈ। এই প্ৰত্যাবৰ্ত্তনত তাৰ লগ হৈছে পুত্ৰকাজল।

জন্মৰ পৰা কাজলৰ লগত তাৰ কোনো ঘনিষ্ঠ সম্পৰ্ক নাছিল যদিও কাজলৰ জীৱনক কেন্দ্ৰ কৰি অপুৰ বাৎসল্য অনুভূতি জাগ্ৰত হৈছে। কাজলক লৈ অপু প্ৰথমে মনসাপোতা তাৰ পিছত কলিকতালৈ আহে। কাজলৰ মাজত সি এখন পৃথক জগত দেখিবলৈ পায়। মোটামুটি কেইটামান খেলাৰ সামগ্ৰী লৈয়েই কাজল সুখী। কাজলৰ জীৱনত দেউতাক অপুৰ নিচিনা সহচৰ কোনো নাই। অপৰাজিতৰ শেষৰ ফালে কাজলক লৈ অপু পুনৰ তাৰ শৈশৱৰ নিশ্চিন্দিপুৰলৈ গৈছে। বিভতিভূষণে কাজলক কেন্দ্ৰ কৰ অপৰাজিতৰ জীৱনচক্ৰৰ পৰিধি বিস্তৃত কৰিছে। এই জীৱনচক্ৰ শৈশৱৰ পৰা কৈশোৰ কৈশোৰৰ পৰা যৌৱন যৌৱনৰ পৰা কাজলৰ মাধ্যমেৰে অপু পুনৰ দ্বিতীয় শৈশৱলৈ ঘূৰি আহিছে। ইয়াকেই বিভূতিভূষণে অপৰাজিত জীৱন ৰহস্য (Life force) বুলি কৈছে। যি পথৰ দেৱতাই অপুক নিশ্চিন্দিপুৰৰ পৰা দেশান্তৰৰ পথত বাহিৰ কৰিছিল সেই পথৰ দেৱতাই অপুক কাজল কৰি নিশ্চিন্দিপুৰলৈ ঘূৰাই

আনিছে। উপন্যাসৰ শেষত কাজলক ৰাণুদিৰ ওচৰত গতাই অপু পুনৰ সুদূৰ যাত্ৰা পথত ভৰি দিছে।

জিতু

বিভূতিভূষণৰ উপন্যাস **দৃষ্টিপ্ৰদীপ**ৰ নায়ক জিতু। **দৃষ্টিপ্ৰদীপ** জিতুৰ দিব্যদৃষ্টিৰ প্ৰদীপ। এই প্ৰদীপত তাৰ চকুত পৰে কাৰ্শিয়াৰাঙৰ পাহাৰ আৰু অৰণ্যশ্ৰেণীৰ ওপৰৰ পৰা আকাশলৈ এক জ্যোতিৰ্ময় পথ মেঘৰাজ্যৰ ফালে ওচি গৈছে। তাতো পৃথিৱীৰ নিচিনা ঘৰবাৰী আৰু অধিবাসী আছে। সকলোবোৰ সেউজীয়া ৰঙৰ পোহৰেৰে তৈয়াৰী। কেতিয়াবা কেতিয়াবা সেই পোহৰৰ ৰং সলনিহৈ বেঙুণীয়া আৰু ৰঙা ৰঙা চকা হৈ ইটোৰ পিছত সিটোকৈ শাৰীপাতি আকাশত ঘূৰি থাকে। তাৰপিছত আকৌ আগৰ গতানুগতিক দৃশ্য তাৰ চকুত পৰে— দূৰ বিস্তৃত নদী-পাহাৰ গছ-গছনি আৰু ওপৰৰ নীলা আকাশ। এই দিব্যদৃষ্টিৰ পোহৰত কেতিয়াবা সি প্ৰাকৃতিক দৃশ্যৰ পৰিবৰ্ত্তে দেখিবলৈ পায় অতাত বা বৰ্ত্তমানত ঘটি থকা কোনো ঘটনা— যেনে পানীৰ মৃত্যুৰ সময়ত তাইৰ দিদিমা তাইক নিবলৈ আহিছে সীতাৰ বিবাহত বৰদেউতাকে কন্যা সম্প্ৰদা কৰিছে মাক ৰোগশয্যাত আৰু ককায়েক নিতুৰ আসন্ন মৃত্যু।

বিভূতভূযণেঁ ইঙ্গিত দিছে যে জিতুৰ দিব্যদৃষ্টিৰ আঁৰত আছে শৈশৱৰ নিস্পাপ মনোভাব। বয়স বঢ়াৰ লগে লগে জিতুৰ দৃষ্টিপ্ৰদীপৰ পোহৰ কমহৈ আহিছে। শেষলৈ এই দিব্যদৃষ্টি নোহোৱা হৈ অহাৰ লগে লগে তাৰ ধাৰণা হৈছে যে ই তাৰ জীৱনৰ অমূল্য সম্পদ আছিল।[২৬] সি কেতিয়াবা ভাবে হয়তো সেউজীয়া ঘাঁহনিত শুই চকুমুদি ভগৱানক ভাবিলে পুনৰ সেই শক্তি ঘূৰাই পাব। নিৰ্জন পথাৰত জ্যোৎস্নাৰাতি আকাশলৈ চাই থাকিলে আকাশৰ সেই সেউজীয়া মন্দিৰ-পথ তাৰ আকৌ দৃষ্টিগোচৰ হ'ব। কিন্তু এয়া জিতুৰ উপলব্ধিহে। দৃষ্টিপ্ৰদীপৰ জিতৰ এই উপলব্ধিৰ লগত আন এটা উপলব্ধিৰ পৰিচয় হয় সেয়া মহাজীৱনৰ উপলব্ধি। এই উপলব্ধিৰ সময়ত জিতুৰ দৈহিক বিকাৰ দেখা নিদিলেও এক সীমাহীন দেৱতাৰ স্বপ্ন মনলৈ আহে। বিশাল প্ৰান্তৰৰ ধূসৰ সন্ধ্যা বনৰীয়া হাঁহৰ পাখীৰ শব্দই সেই স্বপ্ন আনে। সেই দেৱতা বৰদেউতাকৰ ঘৰৰ শালগ্ৰাম শিলাতকৈও ডাঙৰ। আঠঘৰাৰ বটতলাৰ পাথৰৰ প্ৰাচীন মূৰ্ত্তিটোতকৈও ডাঙৰ মহাপুৰুষ যিশুতকৈও ডাঙৰ। দূৰৰ স্বপৰূপে সেই দেৱতাৰেই ছায়া পৃথিৱীৰ বিশাল প্ৰান্তৰত পৰে ম্লান সন্ধ্যাৰূপে আকাশেদি উৰি যোৱা বনৰীয়া হাঁহৰ পাখীৰ শব্দত।

জিতুৰ দিব্যদৃষ্টি আৰু মহাজীৱনৰ উপলব্ধিৰ লগতে উপন্যাসখনত আছে তাৰ ব্যক্তিগত জীৱন কাহিনী। কাৰ্শিয়াৰ এখন চাহবাগানত জিতুৰ জন্ম। বঙ্গদেশৰ পাহাৰ প্ৰান্তৰৰ সেই চাহবাগিচাত মাক-দেউতাক ককায়েক ভনীয়েকক লৈ তাৰ সৰু সংসাৰ। সি কেৱল চিনি পায় চাহৰ জোপোহা ওক আৰু পাইনৰ বন ধুঁৱা গছৰ হাবি পাহাৰী ডালিয়াৰ অৰণ্য ঝৰ্ণা শীত দূৰত বৰফেৰে ঢকা ডাঙৰ পাহাৰ পৰ্বতৰ চূড়া মেঘ

আৰু বিজুলী-বৰষুণ। চাহবাগানত জিতুৰ দেউতাকে চাকৰি কৰে। মদ খাই বাগানৰ কামকাজ ভালদৰে নকৰাৰ কাৰণে এদিন জিতৰ দেউতাকৰ চাকৰি গ'ল। চাকৰি যোৱাৰ পিছত জিতুহঁতৰ পৰিয়ালে কাৰ্শিয়া বাগিচা এৰি বঙ্গদেশৰ চব্বিশ পৰগণাৰ আঠঘৰা গাঁৱৰ বৰদেউতাকৰ ঘৰত আশ্ৰয় লয়। দেউতাকে চাকৰি বিচাৰি বিভিন্ন ঠাই ঘূৰে যদিও পুনৰ চাকৰি নেপায়, এদিন উন্মাদ অৱস্থাত জিতুৰ দেউতাকৰ মৃত্যু হয়।

কলিকতাৰ শ্ৰীৰামপুৰ কলেজত এবছৰ পঢ়ি জিত কলিকতাৰ জমিদাৰৰ কাছাৰীত চাকৰিত ভৰ্ত্তি হয়। আধ্যাত্মিক বিকাৰৰ কাৰণে তাৰ এদিন চাকৰি যায় আৰু সি দেশৰ বিভিন্ন ঠাইত ঘূৰি ফুৰে। এইদৰে ঘূৰি ফুৰোতে হাববাসিনী গাঁৱৰ লোচনদাসৰ আখড়াৰ কৰ্ত্ৰী মালতীৰ লগত তাৰ পৰিচয় আৰু প্ৰেম হয়। সি মালতীক বিবাহৰ প্ৰস্তাব দিয়ে কিন্তু মালতীৰ পক্ষে আখড়া এৰি অহা সম্ভৱ নহয়। মালতীৰ অজ্ঞাতে জিত আখড়াৰ পৰা ঘূৰি আহি নিতুৰ ঘৰত উপস্থিত হয়। ৰুগ্ন নিতুৰ মৃত্যুৰ পিছত ককায়েকৰ পৰিয়ালৰ ভাৰ জিতৰ ওপৰত পৰে। ককায়েকৰ পৰিয়ালৰ গত লগাই সি কামপুৰত এখন পাঠশালা খোলে আৰু পাঠশালাৰ ছাত্ৰী হিৰন্ময়ীক বিয়া কৰাই গাঁহস্থ্য জীৱনযাপন কৰে। ৰাণাঘাট ষ্টেচনত লগ পোৱা হাববাসিনীৰ এজন বৈষ্ণৱ সাধুৰ পৰা সি জানিব পাৰিলে যে সি এৰি অহাৰ পিছৰ বছৰতেই মালতীৰ মৃত্যু হয়।

দৃষ্টিপ্ৰদীপৰ জিতুৰ সীমাহীন স্বপ্ন **অপৰাজিতৰ** অপুৰ অনুৰূপ। সীমাহীন স্বপ্ন আৰু অনুভূতি দুয়োটা চৰিত্ৰত থাকিলেও দুয়োৰে দৃষ্টিভংগী বেলেগ। দৃষ্টিপ্ৰদীপৰ জিতুৰ দিব্যদৃষ্টি জীৱনদৃষ্টি জীৱনৰ অনিবাৰ্য আকৰ্ষণত অখণ্ড নহয়। জিতৰ অলৌকিক শক্তিৰ ওৰত উপন্যাসখনত অধিক গুৰুত্ব দিয়া হৈছে। মানৰ সাধাৰণ জ্ঞানৰ বাহিৰৰ এই অলৌকিকতাৰ ওপৰত সেই জগত মানহৰ অদৃশ্য কাৰণে অবাস্তৱ। সেই অবাস্তৱ জগতৰ দিব্যদৃষ্টিতকৈ জিতুৰ জীৱনদৃষ্টি আৰু জীৱনৰ বাস্তৱ প্ৰসঙ্গহে উপন্যাসৰ মূল উপজীব্য হোৱা হলে জিতু চৰিত্ৰৰ আকৰ্ষণ বাঢ়িলহেঁতেন। উপন্যাসখনত প্ৰকাশ পোৱা জিতৰ জীৱনদৰ্শন আৰু জীৱন স্বাভাৱিক নহয়। অপুৰ জীৱনৰ সীমাহীন স্বপ্ন ইছামতী নদী, নিসঙ্গ নক্ষত্ৰালোকৰ মাজেদি, ইতিহাস জ্যোতিৰ্বিদ্যাৰ চৰ্চাৰ মাধ্যমেদি দুৰ্গা, সৰ্বজয়া, অনিল, অপৰ্নাৰ মৃত্যুৰ অভিজ্ঞতাৰ মাজেদি তাৰ কাষলৈ আহিছে। পাৰ্থিৱ দুখ সুখৰ প্ৰতি অপু নিৰ্লিপ্ততা যিমান গভীৰ, তাৰ সীমাহীন স্বপ্নও সিমান নিবিড়। জিতুৰ জীৱনৰ সীমাহীন স্বপ্ন তাৰ অভিজ্ঞতাৰ অনিবাৰ্য্য অভিব্যক্তি নহয়। অপু যেনেকৈ জীৱন আৰু প্ৰকৃতিৰ মাজত অবিচ্ছেদ্যভাৱে জড়িতহৈ পৰিছে, জিতু সিমান জীৱন আৰু প্ৰকৃতিৰ মাজত খাপ খাব পৰা নাই। অপুৰ নিচিনা সীমাহীন অভিজ্ঞতা জিতুৱে আৰ্জন কৰিব পৰা নাই। সেয়েহে জীৱনদৰ্শন প্ৰকাশত জিতুৰ উপলব্ধি অপুৰ সমান স্পষ্ট নহয়। জীৱনৰ লগত সম্পৰ্ক অত্যন্ত তৰল। জীৱনক সি কোনো দিনেই অপুৰ সমান গভীৰভাৱে চোৱা নাই। সি জীৱনত ঘটি যোৱা ঘটনাসমূহৰ পিছে পিছে উপস্থিত হৈছে মাত্ৰ। অন্যহাতে এই ঘটনাসমূহ অতি সাধাৰণ আৰু

শিথিল কাৰণে দৃষ্টিপ্ৰদীপৰ কাহিনী-গ্ৰন্থন নিটোল নহ'ল। অপুৱে যি সীমাহীনতাৰ সন্ধান পাইছিল বিভূতিভূষণে জিতুকো হয়তো সেই সন্ধান দিবলৈ চেষ্টা কৰিছিল। অপুক তেওঁ সীমাহীন উদেশ্যৰ লগত তাৰ জীৱনৰ সন্ধান দিছিল। কিন্তু জিতুক কেৱল উদেশ্য পথ আৰু আমাৰ পাৰ্থিব জগতৰ পৰিচয়ৰ পৰা ওপৰৰ দৈৱী জগতৰ অপৰিচয়ৰ সন্ধান দিছিল। জীৱনদৰ্শনৰ পৰা জীৱনৰ দূৰত্ব আৰু প্ৰথাবদ্ধ কাহিনীচয়নে দৃষ্টিপ্ৰদীপক সাৰ্থক ৰূপ দিব নোৱাৰিলে আৰু জিতু চৰিত্ৰটোও অপুৰ সমান সাৰ্থক নহ'ল।

অপু আৰু জিতু সাদৃশ্য আছে এটা দিশত দুয়ো দুখৰ মাজেদি ডাঙৰ হৈছে। জীৱনৰ নানা ঘাত-প্ৰতিঘাতৰ সন্মুখীন হৈ অপু উন্নতিৰ পথত আগুৱাই গৈছে। জিতুৰ জীৱনতো দুখ-দুৰ্দশাৰ অভাব নাই। দেউতাকে কাৰ্শিয়া চাহবাগিচাত চাকৰি কৰি থকা সময়ত জিতুৰ পৰিয়ালৰ আৰ্থিক অৱস্থা স্বচ্ছল আছিল। কিন্তু মদ খোৱাৰ অপৰাধত চাকৰি যোৱাৰ পৰাই পৰিয়ালটোৰ দুখ-দৈন্য আৰম্ভ হয়। নায়ক জিতুৰ ইতিহাস দুখৰ ইতিহাস আৰু এই দুখৰ লগত বিভূতিভূষণে জড়িত কৰিছে তাৰ জীৱনৰ দুৰ্লভ অভিজ্ঞতা।

অপু আৰু জিতুৰ মাজত প্ৰভেদ আছে এটা দিশত। অপু বন্ধনমুক্ত উদাৰ আৰু অনাসক্ত। ইয়াৰ বিপৰীতে জিতু আসক্তিপ্ৰৱণ আৰু বন্ধনমুক্ত হৈও গৃহী। অপুৰ নিচিনাকৈ জিতুৱেও দেশে দেশে ভ্ৰমণ কৰিছে, কিন্তু সি অন্তৰেৰে গৃহস্থী। ঘৰ কৰাৰ একান্ত কামনা আৰু প্ৰেমৰ উত্তপ্ত নিবিড় স্পৰ্শ তাৰ প্ৰধান আকাঙ্খা। ব্যৰ্থপ্ৰেম ৰোমন্থন কৰি সি সময় অতিবাহিত কৰে। শ্ৰীকুমাৰ বন্দোপাধ্যাযে মন্তব্য কৰিছে — 'জিতুৰ জীৱনে অপুৰ সুনিৰ্দিষ্ট ঐক্য আৰু প্ৰাণ চঞ্চলতাৰ অভাৱ। তাহাৰ জীৱন্তিহাস যে শিথিলবদ্ধ কতকগুলি বিচিন্ন পৰিছেদৰ সমষ্টি। তাহাৰ বিভিন্ন অভিজ্ঞতায সে যে সাড়া দিয়েছে তাহাৰ মধ্যে ক্ষীনতাও ব্যক্তি স্বাতন্ত্ৰ্যেৰ অভাৱ অনুভৱ কৰা যায়।[২৭] অপুৰ বায়েক দুৰ্গাৰ প্ৰতি থকা মৰমৰ নিচিনাকৈ জিতুৰো ভনীয়েক সীতাৰ প্ৰতি অকৃত্ৰিম মৰম আছে। কলেজত পঢ়া বাদ দি জিতু জমিদাৰৰ ঘৰত চাকৰিত সোমাইছে টকা গোটাই সীতাক ভাল পাত্ৰত বিয়া দিযাৰ উদ্দেশ্যৰে। কিন্তু তাৰ উদ্দেশ্য সফল নহ'ল। তাৰ অজ্ঞাতে বৰদেউতাকে এজন বিপত্নীক বয়সীযা লোক লৈ সীতাক বিয়া দিছে। সীতাৰ বিয়াৰ পিছত সি মনৰ দুখতে দেশে দেশে ঘূৰি ফুৰিছে।

দুয়োখন উপন্যাসতে দুই নায়ক অপু আৰু জিতুৰ মাজেদি— লৌকিক জীৱনৰ সুখ-দুখক তুচ্ছ জ্ঞান কৰি অফুৰন্ত অনন্ত যাত্ৰাপথৰ জয়গান গাইছে।

হাজাৰি ঠাকুৰ :

আদৰ্শ হিন্দু হোটেল উপন্যাসৰ নায়ক হাজাৰি ঠাকুৰ। ৰাণাঘাট ষ্টেচনৰ বেচু চক্ৰবৰ্ত্তীৰ হিন্দু হোটেলৰ অন্যতম ৰান্ধনি হাজাৰি ঠাকুৰ। গংগাপুৰ ষ্টেচনৰ ওচৰৰ

এড়োশালা গাঁৱৰ পৰা আহি মাহে সাতটকা বেতনত বেচু চক্ৰৱৰ্ত্তীৰ হোটেলত ৰান্ধনিৰ কামত সোমায়। গাঁৱত হাজাৰিৰ সা-সম্পত্তি নোহোৱা নহয়। কিন্তু ৰন্ধনস্পৃহাৰ কাৰণে সি হোটেলত ৰন্ধনবৃত্তি গ্ৰহণ কৰিলে। হাজাৰিৰ বয়স পঞ্চল্লিছ-ছয়চল্লিছ বচৰ সুন্দৰ চেহেৰা প্ৰথম দৰ্শনতে সি বৰ ভাল মানুহ যেন ধাৰণা হয়। ভাল ৰান্ধনি কাৰণে বেচু চক্ৰৱৰ্ত্তীৰ হোটেলত তাৰ সুনাম আছে। ৰন্ধন প্ৰতিভা হাজাৰিয়ে উত্তৰাধিকাৰীসূত্ৰে মাকৰ পৰা লাভ কৰিছিল। ৰন্ধাৰ কাৰণে সুনাম থাকিলেও হোটেলত হাজাৰিৰ দুৰ্নামৰো অভাৱ নাই। হোটেল যাৰ টকাৰে চলে সেই পদ্মৰ ওচৰত সি প্ৰায়ে অপমানিত হয়। তাৰ বিৰুদ্ধে বিভিন্ন মিছা অভিযোগ আনি পদ্মই মালিকৰ দ্বাৰা তাক অপমানিত কৰে। হাজাৰিৰ নিচিনা ভাল মানুহক পদ্মই গালি পাৰিবলৈও কুণ্ঠাবোধ নকৰে।

হাজাৰি কল্পনাপ্ৰৱণ। চূৰ্ণীনদীৰ পাৰৰ ৰাধাবল্লভ মন্দিৰত নাইবা পূজাঘাটত বহি সি অৱসৰৰ সময়খিনি কটায়। এই সময়খিনিয়েই হৈছে হাজৰিৰ ভাবিবৰ সময়। হাজাৰিৰ অৱসৰৰ সময় কম। সন্ধ্যা সাতটাৰ পৰা এঘাৰটা পৰ্যন্ত ৰন্ধাত ব্যস্ত থাকে। বাৰ বজাত ভাত পানী খাই হোটেলৰ চাউল দাইলৰ হিচাপ মালিকক দি ৰাতি একমান বজাত বিচনালৈ যায়। পুৱা পুনৰ হোটেলৰ ৰন্ধা কাম আৰম্ভ হয়। গতিকে চূৰ্ণীনদীৰ পাৰত কটোৱা আবেলিৰ এই সময়খিনি হাজাৰিৰ একমাত্ৰ অৱসৰ আৰু প্ৰিয় সময়। নদীৰ সিটো পাৰে শান্তিপুৰলৈ যোৱা কেঁচা ৰাস্তা হাত নাৱত মানুহ ইপাৰ সিপাৰ হোৱা দৃশ্য সিপাৰৰ গাঁৱৰ বাহবাৰী কলবাৰী ৰিণিকি ৰিণিকি দেখা গৃহস্থৰ ঘৰ— এই গ্ৰাম্য দৃশ্যই তাক আৱেগপ্ৰৱণ কৰি তোলে।

হাজাৰি কল্পনাপ্ৰৱণ আৰু আশাবাদী। তাৰ আশা নিজাকৈ এখন হোটেল খুলি তাৰ মালিক হোৱা। সি নদীৰ ঘাটত বহি তাৰ ভৱিষ্যৎ হোটেলৰ কল্পনা কৰে। হোটেলৰ বাহিৰত লিখা থাকিব 'হাজাৰি চক্ৰৱৰ্ত্তীৰ হিন্দু হোটেল। নিজে মালিকৰ আসনত বহি টিকট বিক্ৰি কৰিব। ৰান্ধনি চাকৰ-বাকৰ সকলোৱে তাক বাবু বুলি মাতিব। নিজে বজাৰলৈ গৈ শাক-পাচলি মাছ-মাংস কিনি আনিব। চাকৰৰ ওপৰত নিৰ্ভৰ কৰি সি নচলে। গ্ৰাহকক ভাল খাদ্য খুৱাই পইচা ল'ব। বেচুৰ হোটেলৰ নিচিনাকৈ গ্ৰাহকক বাহী আঞ্জা গেলা মাছ খুৱাই পইচা নলয়। ৰাণাঘাট ষ্টেচনৰ হোটেলবিলাকত গ্ৰাহকৰ বিশ্ৰামৰ ব্যৱস্থা নাই। হাজাৰিয়ে ভাবে বিশ্ৰামৰ ব্যৱস্থা থাকিলে গ্ৰাহকৰ স খ্যা বৃদ্ধি পাব। তাৰ নিজৰ হোটেল হ'লে স্থায়ী গ্ৰহকৰ কাৰণে এটা জিৰণিঘৰ পৃথককৈ সাজিব। তাত জিৰাবৰ কাৰণে বিচনা পৰা থাকিব। হাজাৰিৰ স্বপ্ন আকাশলঙ্ঘী নহয়। হোটেলৰ ৰান্ধনি কৰি সি গ্ৰাহকক ঠগা বিভিন্ন কৌশল দেখি আহিছে। তাৰ নিজৰ হোটেল হ'লে গ্ৰাহকৰ পৰা উচিত মূল্য লৈ সুখাদ্য দিয়া হ'ব। সি প্ৰতিদিনে ভক্তিভাৱে ৰাধাবল্লভ মন্দিৰত প্ৰণাম কৰে— "বাবা ৰাধাবল্লভ তোমাৰ চৰণে পড়ে আঠি ঠাকুৰ। মনোবাঞ্ছা পূৰ্ণ কৰো। পদ্মঝিৰ ঝাঁটা খেতে আৰ পাৰিনে।

ওই কৰ্ত্তাবাবুৰ হোটেলৰ পাশে পদ্ম ঝিকে দেখিয়ে দেখিয়ে যেন হোটেল খোলতে পাৰি। ২৮

হাজাৰি আত্মবিশ্বাসী। সি হোটেল খুলি গ্ৰাহকক সন্তুষ্ট কৰিব পাৰিব বুলি সি জানে। লোকৰ তলত কাম কৰিলে আত্মসন্মান বিসৰ্জন দিবলগীয়া হয়। ভবিষ্যৎ হোটেলৰ পৰিকল্পনাত হাজাৰিৰ প্ৰধান অন্তৰায় টকা। গাঁৱৰ জমিদাৰৰ কন্যা অতসী আৰু ৰসিকলাল ঘোষৰ ৰাণাঘাটত বাস কৰা কন্যা বিধৱা কসুমৰ অৰ্থসাহায্যেৰ সি হোটেল খোলাৰ দিহা কৰিলে।

হাজাৰি ধীৰ স্থিৰ। ৰন্ধাত হাজাৰিৰ সুখ্যাতি থকাৰ স্বত্বেও পদ্মৰ চক্ৰান্তত এদিন হোটেলৰ বাচনচুৰিৰ অপৰাধত সি হাজোতবাস কৰিবলগা হ'ল। উপযুক্ত প্ৰমাণৰ অভাৱত ছদিন হাজোটত থাকি সি মুক্তি পালেও অৱশেষত হোটেলত তাৰ চাকৰি গ'ল। চাকৰিহীন হৈ সি দেশৰ বিভিন্ন ঠাইত ঘূৰি পুনৰ ৰাণাঘাটলৈ আহিল। হাজাৰি যোৱাৰ পৰা বেচুৰ হোটেলৰ গ্ৰাহকৰ সংখ্যা কমি গৈছিল। গতিকে মালিকে হাজাৰিক পুনৰ কামত যোগ দিবলৈ অনুৰোধ কৰিলে। পুৰণা মালিকৰ অনৰোধ উপেক্ষা কৰিব নোৱাৰি সি পুনৰ কামত যোগ দিলে। পুনৰ পদ্মৰ অত্যাচাৰ আৰু ঠাট্টা-মস্কৰা আৰম্ভ হ'ল। সত্যনাৰাযণ পূজাৰ প্ৰসাদ বিচৰণক লৈ পুনৰ বেচু আৰু পদ্মৰলগত তাৰ কাজিযা লাগিল। এইবাৰ হাজাৰিযে হোটেলৰ চাকৰি এৰিবলৈ বাধ্য হ'ল।

কুসুম আৰু অতসীৰ পৰা টকা সংগ্ৰহ কৰি বংশীৰ সহযোগত ৰাণাঘাট ষ্টেচনত হোটেলৰ কাৰণে হাজাৰিযে ভাড়াঘৰ বিচাৰিলে। হোটেলৰ আচবাব পত্ৰ বজাৰৰ পৰা কিনি আনি মাহৰ পহিলা তাৰিখৰ পৰাই হোটেল আৰম্ভ কৰিলে। কৰ্মতৎপৰ হাজাৰিযে বেচু চক্ৰৱৰ্ত্তীৰ হোটেলৰ আকৰণতেই সন্মুখত গাদীৰ ঘৰ সাজিলে। গাদীত বহি বংশীৰ ভতিজা নৰেনে কাঠৰ বাকচৰ বহীত গ্ৰাহকৰ হিচাপ পত্ৰ ৰখা হ'ল। হাজাৰি আৰু বংশী দুয়ো হোটেলৰ ৰান্ধনি। কেইবাজনো চাকৰ চাকৰনী। প্ৰথমদিনাই হোটেলৰ গ্ৰাহকৰ ভিৰ পৰিলক্ষিত হ'ল। এবছৰৰ পিছত এড়োশালাৰ পৰা হাজাৰিযে পত্নী-কন্যাক ৰাণাঘাটলৈ লৈ আহিল সি তাৰ ব্যৱসাযত দোপত দোপে উন্নতি কৰিলে।

নিজে হোটেল খোলাৰ পৰাই হাজাৰিৰ সৌভাগ্য উদয হ'ল। ৰেল কোম্পানীযে যাত্ৰীৰ সুবিধাৰ কাৰণে ৰাণাঘাট প্লেটফৰ্মত এখন হোটেল খুলিবলৈ বিচাৰিলে। ষ্টেচনমাষ্টৰে হাজাৰি ভাল ৰান্ধনি আৰু হোটেল ব্যৱসাযী বুলি জানি ষ্টেচনত হোটেল খোলাৰ দায়িত্ব দিলে। অলপদিনৰ পিছতে ষ্টেচনৰ প্লেটফৰ্মত নতুন হিন্দু হোটেল খোলা হ'ল। বগা পাথৰৰ টেবুল চকী ইলেকট্ৰিক চাকি পাংখা দিয়া আধুনিক ধৰণে সজোৱা পৰিষ্কাৰ পৰিছন্ন হোটেলৰ মালিকৰ আসনত বহিল হাজাৰিৰ ভাবী জোঁৱাই নৰেন। হাজাৰিৰ ৰন্ধাৰ সুখ্যাতি গোটেই ভাৰতবৰ্ষত বিয়পি পৰিল। কলিকতাৰ এজন ভদ্ৰলোকৰ সহাযত হাজাৰিযে বম্বেৰ ৰেল কোম্পানীৰ হোটেলৰ ৰন্ধা-বঢ়া তদাৰক

কৰাৰ চাকৰি পালে। চাকৰিত যোগদান কৰাৰ সিদ্ধান্ত লৈ যোৱাৰ আগতে হাজাৰিয়ে নৰেনলৈ জীয়েক টেঁপিক বিয়া দি ৰাণাঘাটে ষ্টেচনৰ সকলো দায়িত্ব নৰেনক দি যাবলৈ বিচাৰিলে। ধুমধামেৰে জীয়েকৰ বিয়া পাতি হাজাৰি বম্বেলৈ যাবলৈ সাজু হ'ল। ইফালে বেচু চক্ৰৱৰ্ত্তীৰ হোটেল বন্ধহৈ যোৱাত হাজাৰিৰ পুৰণা মালিক বেচু আৰু তাক কথাই কথাই তিৰস্কাৰ কৰা পদ্মই হাজাৰিৰ হোটেলত কাম কৰিবলৈ বাধ্য হ'ল।

শেষযাত্ৰাৰ সময়ত হাজাৰিয়ে এক অপ্ৰত্যাশিত পুৰস্কাৰ লাভ কৰিছে। যি পদ্মই হাজাৰিক সদায় তিৰস্কাৰ কৰিছিল সেই পদ্মই তাৰ ওচৰত পৰাজয় স্বীকাৰ কৰি ক্ষমা খুজিছে।[29] চলন্ত ট্ৰেনৰ খিড়িকীৰ কাষত বহি হাজাৰিয়ে কেৱল মাত্ৰ ভাবি গৈছে সি জীৱনত লাভ কৰা সৌভাগ্যৰ কথা। বেচু চক্ৰৱৰ্ত্তীৰ হোটেলত পদ্মৰ অলপ প্ৰশংসাৰ বাবে ব্যগ্ৰ হাজাৰিক যাত্ৰাৰ সময়ত পদ্মই প্ৰণাম জনাইছে।

হাজাৰি চৰিত্ৰৰ কোনো জটিলতা নাই। তাৰ জীৱনত যি দ্বন্দ্ব আছে সিও অগভীৰ। কাহিনীৰ প্ৰথমভাগত হাজাৰিৰ জীৱন নৈৰাশ্যৰে ভৰা যদিও শেষভাগত সাফল্যৰ বন্যা। বিভূতিভূষণে হাজাৰিৰ চৰিত্ৰ সহানুভূতিৰে অংকণ কৰিছে। হাজাৰিয়ে লিখা পঢ়া শিকা নাই গাজা খোৱাৰ কু অভ্যাসো তাৰ আছে। সি মাত্ৰ ৰন্ধনবিদ্যা শিকিছে নিষ্ঠাৰে সৈতে নিপুন শিল্পীৰ দৰে চিনাকৈ। জীৱনৰ কিছুমান মৌলিক ন্যায় নীতিত হাজাৰিৰ আস্থা আছে। ব্যৱসাত সততাৰ অভাৱক হাজাৰিয়ে মনে প্ৰাণে ঘৃণা কৰে আৰু মানুহৰ অত্যাচাৰ অনাচাৰ সি যথেষ্ট মহানভৱতাৰে সহ্য কৰে। তাৰ চৰিত্ৰত আছে আশা যাৰ অন্য নাম যৌৱন। ইমানবোৰ গুণৰ সমাবেশ সচৰাচৰ এজন মানুহতে দেখা নাযায়। সেয়ে হাজাৰি সাধাৰণ হৈও অসাধাৰণ। ক্ষমা সহিষ্ণুতা আৰু নিষ্ঠাৰ মাজত যি শক্তি আছে, বিভূতিভূষণে দৰিদ্ৰ ৰান্ধনি হাজাৰি চৰিত্ৰৰ দ্বাৰা তাক পৰিস্ফুট কৰিবলৈ যত্ন কৰিছে।

পথেৰ-পাঁচালী আৰু **অপৰাজিত**ৰ অপুৰ লগত হাজাৰি চৰিত্ৰৰ কিছু সাদৃশ্য আছে। আশাবাদ দুয়োটা চৰিত্ৰৰে উল্লেখযোগ্য বৈশিষ্ট্য। অপুৰ আশা বিশ্ব প্ৰকৃতিৰ বিভিন্ন প্ৰান্তত ভ্ৰমণ কৰি প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰা হাজাৰিৰ আশা নিজাকৈ এখন হোটেল খুলি তাৰ মালিক হোৱা। আদৰ্শ হিন্দু হোটেলৰ শেহৰ ফালে হাজাৰিৰ এই আশা পূৰ্ণ হৈছে। অপুৱেও অপৰাজিতৰ শেহৰ ফালে বিদেশ যাত্ৰা কৰি তাৰ আশা বাস্তৱত ৰূপায়িত কৰিছে। দুয়োটা চৰিত্ৰই নিজৰ প্ৰশংসা শুনি ভাল পায়। দেওয়ানপুৰ স্কুলত পঢ়ি থকা সময়ত কিশোৰ অপু সহপাঠী আনকি শিক্ষকৰো প্ৰশংসা শুনিবলৈ ব্যগ্ৰহৈ থাকে। হাজাৰিয়েও হোটেলৰ গ্ৰাহকে তাৰ ৰন্ধাৰ প্ৰশংসা কৰিলে আনন্দ পায়। অপু আৰু হাজাৰি দুয়ো কল্পনাপ্ৰৱণ। অপুৱে মাকৰ মুখত সাধুকথা শুনি নিজকে কেতিয়াবা ৰাজকুমাৰ কেতিয়াবা ধপাতৰ বেপাৰী হিচাপে কল্পনা কৰে। হাজাৰিৰ কল্পনা বাস্তৱসম্মত, ভৱিষ্যৎ নিজৰ হোটেলক লৈ। অৱসৰৰ

সময়ত নদীৰ ঘাটত বহি হাজাৰিয়ে কৰা আদৰ্শ হিন্দু হোটেলৰ কল্পনা উপন্যাসত বাস্তৱত পৰিণত হৈছে।

অপুৰ নিচিনা প্ৰাকৃতিক সৌন্দৰ্য উপভোগ কৰাৰ প্ৰৱণতা হাজাৰিৰো আছিল। বহুবছৰ ধৰি হাজাৰিয়ে ৰাণাঘাট ষ্টেচনৰ হোটেলৰ স্থলস্থূলীয়া পৰিৱেশত কটাইছে, সেয়ে অৰণ্যপ্ৰকৃতিৰ নিৰৱতাতকৈ নগৰৰ কোলাহল হাজাৰিৰ প্ৰিয়। হাজাৰিৰ ভাষাত 'শহৰে-বাদাৰে থাকিয়া সে শহৰেৰ কল-কোলাহল কৰ্মব্যস্ততাকে পছন্দ কৰিয়া ফেলিয়াছে।'[৩০] অপৰাজিতৰ শেষত অপু যেনেকৈ অনন্তযাত্ৰাৰ কাৰণে ওলাই গৈছে হাজাৰিয়েও হোটেলৰ দায়িত্ব নৰেনক দি বম্বেলৈ ৰাওনা হৈছে।

সৰ্বজয়া

বিভূতিভূষণৰ **পথেৰ-পাঁচালী** আৰু **অপৰাজিত** উপন্যাসৰ মুখ্য নাৰী চৰিত্ৰ সৰ্বজয়া। উপন্যাস দুখনত সৰ্বজয়াক স্নেহপৰায়ণা মাতৃৰূপে অংকণ কৰা হৈছে। **পথেৰ-পাঁচালীৰ** আৰম্ভণিতে ইন্দিৰ ঠাকৰুণক কৰা নিষ্ঠুৰ ব্যৱহাৰৰ কাৰণে বিভূতিভূষণৰ গতানুগতিক নাৰী চৰিত্ৰৰ পৰা সৰ্বজয়াই সামান্য স্বতন্ত্ৰতা অৰ্জন কৰিছে। এই নিষ্ঠুৰতাৰ কাৰণ সৰ্বজয়াৰ পৰিয়ালৰ দৰিদ্ৰ অৱস্থা। যি পৰিয়ালৰ পুত্ৰ-কন্যা প্ৰায় অনাহাৰে থাকিব লাগে সেই পৰিয়ালত ক'ৰবাৰ দূৰসম্পৰ্কীয় লোকে বহি বহি অন্ন ধ্বংস কৰাটো সৰ্বজয়াৰ সহ্য নহয়। ইয়াৰ বাহিৰেও কন্যা দুৰ্গাই পেহীয়েকক কৰা মৰমৰ কাৰণে ইন্দিৰলৈ তাইৰ ঈৰ্ষাৰ মূলতে আছে মাতৃত্ববোধ।

ইন্দিৰ ঠাকৰুণৰ মৃত্যুৰ পিছৰ পৰা সৰ্বজয়াৰ বাৎসল্যপ্ৰেম গভীৰ হৈছে। উজ্জ্বল আশাৰ সময়ত বা কাৰোবাৰ অভিশাপৰ সন্মুখীন হ'লে বা বেদনাৰ সময়ত সৰ্বজয়াই প্ৰথমে ভাবে অপু-দুৰ্গাৰ কথা। চৰায়ে যেনেকৈ পাখীৰ আঁৰত ৰাখি পোৱালিক নিৰাপত্তা দিয়ে সৰ্বজয়াইও সকলো অভিশাপ দুখ-দুৰ্দশাৰ পৰা সন্তানক নিৰাপদ দূৰত্বত ৰাখিবলৈ বিচৰে। এটা নাৰিকলৰ কাৰণে যেতিয়া মেজ ঠাকৰুণে অপু-দুৰ্গাক শাপ দিবলৈ আৰম্ভ কৰিলে সৰ্বজয়া তেতিয়া শিয়ৰি উঠিল। তুলসীতলত চাকি জ্বলাই অপু-দুৰ্গাৰ মঙ্গলৰ কাৰণে প্ৰাৰ্থনা জনাইছে— দোহাই ঠাকুৰ - ওদেৰ তুমি মঙ্গল কৰো। তুমি ওদেৰ মুখেৰ দিকে চেও।[৩২] সন্তানৰ সুখ সমৃদ্ধিয়েই সৰ্বজয়াৰ প্ৰধান কাম্য।

সৰ্বজয়া চৰিত্ৰ স্নেহ আৰু মমতাৰ প্ৰতিমূৰ্ত্তি। অপুৰ সমবয়সীয়া যাত্ৰাদলত গানগোৱা অজয়ক নিজৰ ঘৰত ভাত খাবলৈ মাতি পৰিচয় লওতে যেতিয়া জানিব পাৰিলে যে তাৰ এই সংসাৰত আৰু কোনো নাই তেতিয়া কোমল অন্তৰৰ সৰ্বজয়াৰ চকু চকুপানীৰে উপচি পৰিল। হৰিহৰৰ দুখ-অভাৱেভৰা সংসাৰত সৰ্বজয়াই পুত্ৰ-কন্যাক ভালৰ ভালটো খুৱাবলৈ পিন্ধাবলৈ বিচাৰে। তাকে কৰিবলৈ যাওঁতে কিমান যে চুৰ কৰিবলগা হৈছে তাৰ লেখ নাই।[৩৩] পুত্ৰ-কন্যাক খুৱাই-পিন্ধাই মানুহ কৰিবৰ কাৰণে সৰ্বজয়াই গোটেই জীৱন ধৰি মাত্ৰ দুখ আৰু অপমান সহ্য কৰিবলগা হৈছে।

স্বামীক অন্তৰৰ দিনত বিভিন্ন দিহা পৰামৰ্শৰে সৰ্বজয়াই সংসাৰ চলোৱাত সহায় কৰিছে। পতি পুত্ৰ কন্যাৰ সুখৰ কাৰণে সৰ্বজয়া নিজক বিলীন কৰি দিবলৈও প্ৰস্তুত। অপুৰ ভাষাত— 'মা যে নিজেকে একেবাৰে বিলোপ কৰিয়া ফেলিয়াছিলেন তাহাৰ সুবিধাৰ জন্যে'[৩৪] আম-কঠালৰ বতৰত দুৰ্গা-অপু লোকৰ বাৰীয়ে বাৰীয়ে আম-কঠাল বিচাৰি ঘূৰি ফুৰাৰ কাৰণে তেওঁ হৰিহৰক বন্ধকত থকা আম-কঠালৰ বাৰীখন মোকোলাই লবলৈ অনুৰোধ কৰিছে।[৩৫] মৃত্যুৰ সময়তো সৰ্বজয়াৰ অপুৰ ওচৰত এটাই অনুৰোধ আছিল— পৈত্ৰিক সম্পত্তি আম-কঠালৰ বাৰীখন মোকোলাই নিশ্চিন্দিপুৰত বাস কৰা।[৩৬] সৰ্বজয়াৰ অন্তৰত উচ্চ-নীচৰ ব্যৱধান নাই। নিম্নজাতৰ লোকৰ ঘৰতো স্বামীক মন্ত্ৰদান কৰিবৰ কাৰণে সৰ্বজয়াই অনুৰোধ জনায়।

সৰ্বজয়া দায়িত্বশীলা। দুৰ্গা ডাঙৰ হৈছে। গতিকে ভাল চাই দৰা বিচাৰি তাইক বিয়া দিয়াৰ দায়িত্বও সৰ্বজয়াই নিজে লৈছে। গাঁৱৰ অন্নদা ৰায়ৰ ঘৰলৈ মাটিৰ জৰীপৰ কামত অহা কলিকতাত আইন পঢ়ি থকা নীৰেনলৈ দুৰ্গাক বিয়া দিবলৈ সৰ্বজয়াই ইচ্ছা প্ৰকাশ কৰিছে। দুৰ্গাক মৃত্যুৰ লগে লগে সৰ্বজয়াৰ দুৰ্গাক লৈ দেখা সুখৰ স্বপ্নও নোহোৱা হৈছে।

অপুৰ নিচিনাকৈ সৰ্বজয়া আশাবাদী। নাবালিকা সৰ্বজয়াক বিয়া কৰাই হৰিহৰ প্ৰায় দহ বছৰ দেশান্তৰী হৈ কটায়। এই দহ বছৰে তাই মনত সদায় এটাই আশা আছিল এদিন হৰিহৰ আহি তাইৰ লগত সংসাৰ কৰিব। বাৰে বাৰে হৰিহৰ চাকৰি বিচাৰি কাশীলৈ যায় আৰু ঘৰলৈ আহি সৰ্বজয়াক সদায় এটা নহয় এটা আশাৰ বাট দেখুৱায়। হৰিহৰৰ বিদ্যাৰ সুখ্যাতি আছে গতিকে সোনকালে এটা চাকৰি যোগাৰ হ'ব। এই আশাই সৰ্বজয়াৰ দৰিদ্ৰ জীৱনো মধুময় কৰি তুলিছে। ঔপন্যাসিকৰ ভাষাত 'জীৱন বড মধুময় শুধু এজন্যো যে— এ মাধুৰ্যেৰ অনেকটাই স্বপ্ন ও কল্পনা দিয়া গঢ়া। হোক না স্বপ্ন মিথ্যা কল্পনাৰ বাস্তৱতাৰ লেখশূণ্য নাই বা থাকিল সব সময় তাহাদেৰ পিছনে সাৰ্থকতা তাহাৰাই যে জীৱনেৰ শ্ৰেষ্ঠ সম্পদ।'[৩৭] সৰ্বজয়াই কেৱল আশাৰ স্বপ্ন দেখে। হৰিহৰৰ এটা চাকৰি হ'ব তাইৰ সংসাৰ সুখেৰে ভৰি পৰিব।

কেইবাদিনো জ্বৰত ভুগি এটা বৰ্ষণমুখৰ পুৱা চিকিৎসা আৰু খাদ্যৰ অভাৱত দুৰ্গাৰ মৃত্যু হ'ল। দুৰ্গাৰ মৃত্যুৰ পিছৰপৰাই সৰ্বজয়াই অনবৰতে স্বামীক নিশ্চিন্দিপুৰ এৰি যোৱাৰ তাগিদা দিয়ে। তেওঁলোকে নিশ্চিন্দিপুৰ এৰি কাশীলৈ যোৱাৰ সিদ্ধান্ত কৰে। পুত্ৰ-পতিৰ সৈতে ভৱিষ্যত সুখৰ স্বপ্নলৈ সৰ্বজয়াই কাশীযাত্ৰা কৰিলে। কাশীত বাসকৰা সময়ছোৱা সৰ্বজয়াৰ কাৰণে এহাতে চৰম সুখৰ আনহাতে দুৰ্ভাগ্যৰ দিন। কেতিয়াও চহৰ দেখি নোপোৱা সৰ্বজয়াই কাশীৰ বিভিন্ন মঠ-মন্দিৰ দৰ্শন কৰিলে। কাশীতে কেইবাটাও মন্দিৰত নিত্য পুৰাণ পাঠ কৰি আৰু দশাশ্বমেধ ঘাটত পাঁচালী পাঠ কৰি হৰিহৰৰ আৰ্থিক অৱস্থাৰ উন্নতি হৈছিল। সৰ্বজয়াৰ স্বপ্ন সাৰ্থক হোৱাৰ

সময়তেই কেইদিনমানৰ জ্বৰতে এদিন হৰিহৰৰ মৃত্যু হ'ল। এই সময়তে প্ৰতিবেশী নন্দবাবুৰ লোলুপ দৃষ্টিয়ে সৰ্বজয়াক বিপাণ্ডত পেলালে।

এমাহমান এজন ভদ্ৰলোকৰ ঘৰত ৰান্ধনি হিচাপে কটোৱাৰ পিছত মনসাপোতাৰ অপুৰ বৰদেউতাকৰ তত্বাৱধানত থাকিবলৈ ল'লে। মনসাপোতাতেই সৰ্বজয়াৰ গোটেই জীৱনৰ স্বপ্ন সাথক হৈছে। নাৰীৰ মূল কাম্য এখন স্বচ্ছল পৰিপাটি সুন্দৰ ঘৰ পাইছে। সৰ্বজয়াৰ আশা সাৰ্থক হ'লেও মনসাপোতাতেই অপুৰ লগত তাইৰ বিৰোধৰ সূত্ৰপাত হয়। সৰ্বজয়াৰ জীৱনৰ স্বপ্ন আছিল এখন ঘৰ। গতিকে ঘৰ হ'ল যেতিয়া অপুৰ বিয়া পাতি ঘৰখন পৰিপূৰ্ণ কৰিব লাগে। কিন্তু অপুৰ মন বহিৰ্জগতৰ প্ৰতি তৃষ্ণাতুৰ। সৰ্বজয়াই ঘৰখন পৰিপূৰ্ণ কৰিবলৈ বিচাৰে।[৩৮] অপুৱে বাহিৰত পঢ়িবলৈ বিচাৰে। ঠাকুৰপূজা এৰি অপুৱে দুমাইল দূৰৰ স্কুলত পঢ়িবলৈ নামভৰ্ত্তি কৰিলে। সৰ্বজয়াৰ স্নেহাৰ্ত হৃদয়ে এইকথা মানি ল'বলৈ টান পালে। তাইৰ সস্নেহ সংসাৰী মনে আশা কৰিছিল হয়তো পুত্ৰই বাহিৰত পঢ়িবলৈ যোৱাৰ নিচিনা দু সাহস নকৰে। কিন্তু সৰ্বজয়াৰ স্নেহৰ বান্ধ ছিঙি অপু দেওযানপুৰৰ স্কুলত পঢ়িবলৈ গ'ল।

মাক পুত্ৰকৰ এই বিৰোধৰ বেদনা অপুতকৈ সৰ্বজয়াইহে অধিক অনভৱ কৰিছে। হোষ্টেললৈ যোৱাৰ আগদিনা পুত্ৰৰ বয়-বস্তু যতনাই দি বিদেশত কেনেকৈ চলিব লাগে তাৰো পৰামৰ্শ দিছে। অপু যোৱাৰ পিছত এক অসহায ভাবে তাইক আবৰি ৰাখে। তাইৰ যেন ক'তো কোনো আত্মীয় নাই। গোটেই দিনটো অন্যমনস্কভাৱে থাকিবৰ কাৰণে ঘৰৰ সকলো কাপোৰ-কানি ধুবলৈ নদীলৈ গৈ দিনটো কটায। শিশু অপুৰ ছবিখন তাইৰ বাৰে বাৰে মনলৈ আহে। যি সৰ্বজয়াই পুত্ৰ কন্যাৰ কাৰণে লোকৰ বাৰীত চুৰ কৰি খাদ্য সংগ্ৰহ কৰিছিল পুত্ৰক মানুহ কৰিবৰ কাৰণে গোটেই জীৱন ধৰি দুখ অপমান সহ্য কৰিছিল সেই সৰ্বজয়াৰ নি সঙ্গ অৱস্থাত মৃত্যু হয়।

সৰ্বজয়া আৰু অপুৰ স্নেহমধুৰ সম্পৰ্কৰ চিত্ৰটি বাংলা-সাহিত্যৰ বাৎসল্যৰসসিক্ত শ্ৰেষ্ঠ চিত্ৰসমূহৰ অন্যতম। পিতৃৰ লগত পুত্ৰৰ সম্পৰ্ক চৰ্তহীন নহয়। পুত্ৰ যোগ্য হ'লে পিতাৰ স্নেহৰ ভাগ অধিক পায়। কিন্তু মাতৃৰ স্নেহ সম্পূৰ্ণ স্বতঃস্ফূৰ্ত আৰু পুত্ৰৰ যোগ্যতা নিৰপেক্ষ। সৰ্বজয়াৰ বাৎসল্য প্ৰেম ইয়াৰ শ্ৰেষ্ঠ নিদৰ্শন। সামান্য উপাদানক লৈযে এই স্নেহৰ আৱৰ্ত্ত। খন্তেক লুকা-ভাকু খেলা বিচাৰি পোৱা তালফলটো ভাঙি খুউৱা অভিমান ক্ষণিক আনন্দ— ইয়াৰ মাজেৰে সৰ্বজয়া-অপুৰ স্নেহপূৰ্ণ চিত্ৰই অপূৰ্ব ৰসসম্পদ অৰ্জন কৰিছে।

দুৰ্গা :

পথেৰ-পাঁচালীৰ প্ৰথম অংশৰ কেন্দ্ৰীয় চৰিত্ৰ দুৰ্গা। বিভূতিভূষণে সৰ্বজয়াৰ চৰিত্ৰত যি সস্নেহ মাতৃমনৰ ছবি অংকণ কৰিছে, বালিকা কন্যা দুৰ্গাৰ মাজেদিও তাকে প্ৰকাশ কৰিবলৈ যত্ন কৰিছে। উপন্যাসৰ আৰম্ভণিতে দুৰ্গাৰ এই মাতৃমনৰ প্ৰকাশ ঘটিছে। ইন্দিৰ ঠাকৰুণে যেতিয়া মুঠিৰ পিছত মুঠিকৈ চাউলভজা খাই পাত্ৰ নিঃশেষ

কৰি দুৰ্গাক কৈছে ওমা তোৰ জন্যে দুটো ৰেখে দিলান না তেতিয়া ছবছৰীয়া লোভী দুৰ্গাই (যি মনে মনে বহি পাত্ৰৰ পৰা তোলাৰ পৰা মুখলৈ নিয়ালৈকে কৰুণভাৱে লক্ষ্য কৰিছিল) কৈ উঠিল তা হোক পিতি তুই খা। এই অতিশিশু লোভাৰ্ত্ত অসহায় শিশুটিৰ মাজেদিয়ে দুৰ্গাৰ মাতৃমনৰ প্ৰথম প্ৰকাশ ঘটিছে। তাইৰ সৰু অন্তৰখনে ইন্দিৰ ঠাকৰুণক সৰ্বজয়াৰ ক্ৰোধদৃষ্টিৰ পৰা আতঁৰাই ৰাখিবলৈ বিচাৰে। মাক সৰ্বজয়াৰ ইন্দিৰ ঠাকৰুণৰ প্ৰতি কৰা নিষ্ঠুৰ ব্যৱহাৰত তাই অসহায় বোধ কৰে। লুকুৱাই পিসিমাক সমবেদনা জনোৱাৰ বাহিৰে তাই অন্য একো কৰিব নোৱাৰে। বয়স বঢ়াৰ লগে লগে ভায়েক অপুক কেন্দ্ৰ কৰি তাইৰ মাতৃমন বিকাশৰ ফালে অগ্ৰসৰ হৈছে। কিন্তু মাজবাটতে মাতৃৰ প্ৰতিনিধি দুৰ্গাৰ জীৱনৰ অৱসান ঘটে। বিভূতিভূষণৰ অন্যান্য নাৰী চৰিত্ৰসমূহৰ সৈতে দুৰ্গাৰ পাৰ্থক্য বয়সৰ চৰিত্ৰৰ নহয়। এই বয়সৰ ব্যৱধানক দুৰ্গাই কোনোদিনেই অতিক্ৰম কৰিবপৰা নাছিল। তেৰ বছৰতেই তাই চিৰদিনৰ বাবে ৰৈ গ'ল।

দুৰ্গা চৰিত্ৰটো বিভূতিভূষণৰ সাহিত্যত বিভিন্ন ৰূপে দেখা দিছে। যেনে পুইঁমাছা নামৰ বিখ্যাত গল্পৰ নায়িকা খেন্তি নাইবা গায়ে-হলুদ গল্পৰ পুঁটি। খেন্তি দুৰ্গাৰ নিচিনাকৈ তেলৰ অভাৱত ৰুক্ষ চুলিৰ দৰিদ্ৰ আৰু খাদ্যলোভী। ফলমূল সংগ্ৰহ কৰি খেন্তিৰ নিচিনাকৈ দুৰ্গা গাঁৱৰ হাবিয়ে বননিয়ে ঘূৰি ফুৰে। দুযো এটা-দুটা চুৰিও কৰিছে অৱশ্যে চুৰ কৰিলেও সৰ্বজয়াৰ নিচিনাকৈ চৰিত্ৰৰ গভীৰত অসৎ নহয়। বাধ্যত পৰিহে চুৰ কৰিছে। দুৰ্গা যেনেকৈ অকণ আল্তা আৰু সাধাৰণ এখন কাপোৰতেই সন্তুষ্ট খেন্তিও তেনেকৈ বনৰীয়া আলু আৰু শাক-পাচলিতেই সন্তুষ্ট। দৰ্গা আৰু খেন্তি দুয়োৰে জীৱন অকাল মৃত্যুতে সীমাবদ্ধ। মৃত্যুৰ পিছত দুৰ্গাৰ চুৰ কৰা লোভৰ বস্তু সোণৰ কৌটাটো মাটিৰ কলহত লুকুৱাই থওতে নিশ্চিন্দিপুৰৰ ভগা-ঘৰত বন্দীহৈ ৰ'ল। খেন্তীৰ লোভৰ বস্তু পুঁৰৈশাক মাটিৰ স্নেহ আৰু কাতিমাহৰ কুঁৱলীত লহপহকৈ বাঢ়ি সজীৱ হ'ল।

দুৰ্গা চৰিত্ৰত এটা জীৱনীশক্তি আছে। খেলা কাজিয়া কৰা চুৰ কৰা আদিৰ মাজেদি এই জীৱনীশক্তি গোটেই নিশ্চিন্দিপুৰ গাঁৱতে পৰিব্যাপ্ত। দুৰ্গাক বাৰে বাৰে শাসন কৰিবলৈ গৈ অকৃতকাৰ্য্য হৈছে মাক সৰ্বজয়া। পুত্ৰ-কন্যাৰ আহাৰৰ কাৰণে সৰ্বজয়াই যেনেকৈ লোকৰ বাৰীৰ কচুটো কলডিলটো চুৰ কৰিছে, দুৰ্গাইও অপু আৰু বহুক্ষেত্ৰত নিজৰ লোভৰ কাৰণে লোকৰ বাৰীৰ আমটো কঠালটো, নাৰিকলটো চুৰ কৰিছে। গাঁৱৰ কাৰ বাৰীত কি ফল পকিছে সেয়া দুৰ্গাৰ নখদৰ্পনত। হাবিৰ পৰা কষ্টকৰি গোটাই অনা অপুৰ খেলাৰ মাকাল ফলসমূহ প্ৰতিৱেশী সতুৱে চুৰকৰি নিয়াত দুৰ্গাই গোটেই দিনটো হাবিত বিচাৰি এটোপালো মাকালফল ভায়েক অপুক দিছিল। নিজৰ সাধ্যমতে মাতৃস্নেহ দিব পৰাৰ কাৰণেই দুৰ্গা কমবয়সীয়া হৈও বয়সীয়া মাতৃ।

দুৰ্গা আশাবাদী। সৰ্বজয়াৰ নিচিনাকৈ দুৰ্গাৰ কোনো উচ্চ আশা নাই। সৰ্বজয়াই যেনেকৈ দৰিদ্ৰ একচ্ছত্ৰী ৰাণী হ'বলৈ বিচাৰে, দুৰ্গাইও বন জংঘল তহলিং কৰি নানা খাদ্য আৰু অখাদ্য বস্তু সংগ্ৰহতে ব্যস্ত থাকে। হৰিহৰক নিতান্ত সাধাৰণ বস্তু এখন সেউজীয়া কাপোৰ নাইবা এটা সৰু আল্‌তা আনিবলৈ ফৰমাচ দিয়ে।

দুৰ্গা লাৱণ্যময়ী সুন্দৰী। অযত্নপুষ্ট এই সুন্দৰী বালিকাই যেতিয়া ধূলি-ধূসৰ শুকান চুলিৰে গাঁৱৰ হাবিত ঘূৰি একান্তমনে গীত গাই থাকে তেতিয়া তাই বন্য তৰু লতাৰ সৌন্দৰ্য্যৰ লগত একাত্ম হৈ পৰে। দুৰ্গা প্ৰকৃতিৰ পৰা ফলমূল সংগ্ৰহতে ব্যস্ত হ'লেও অপুক হাতত ধৰি বন্য তৰুলতাৰ লগত পৰিচয় কৰি দি তাক প্ৰকৃতিপ্ৰেমিক হোৱাত সহায় কৰিছে। মানুহৰ জগতৰ বাহিৰেও যে এক বন্য প্ৰকৃতিজগত আছে, দুৰ্গাৰ সহযোগত প্ৰকৃতিৰ সান্নিধ্যলৈ আহি অপুৱে সেই বিষয়ে সন্ধান পাইছিল। দৰিদ্ৰতা আৰু প্ৰতিৱেশীৰ লাঞ্ছনাৰ মাজতো আনন্দ সংগ্ৰহৰ প্ৰচেষ্টা শিশুমনৰ অদম্য সজীৱতা দুৰ্গা চৰিত্ৰৰ বৈশিষ্ট্য। প্ৰতিৱেশীৰ অৱজ্ঞাক সম্পূৰ্ণ আওকাণ কৰি তাই নিজৰ খেলত মত্ত হৈছে আৰু অপুকো বৈৰীজগতৰ আঘাতৰ পৰা ৰক্ষা কৰিবলৈ প্ৰাণপণে চেষ্টা কৰিছে। অপুৰ মনোজগতত দুৰ্গাৰ প্ৰভাৱ জীৱনজুৰি আছে।

দুৰ্গা চৰিত্ৰটো বিভূতিভূষণে সহৃদযতাৰে অংকণ কৰিছে। দুৰ্গা চৰিত্ৰৰ মৌলিকতা নিৰ্ভীক বিচৰণস্পৃহা নতুন নতুন খেল উদ্ভাৱনৰ শক্তি আৰু স্বাবলম্বনপ্ৰিয়তাই পাঠকক বিস্ময়াভিভূত কৰে। দুৰ্গাৰ উজ্জ্বল ব্যক্তিত্বৰ ওচৰত তাইৰ সমবয়সীয়া সকলো নিস্প্ৰভ হৈ যায়। দুৰ্গাৰ মাজত সাধাৰণ গ্ৰাম্য-বালিকাৰ লোভাতুৰতা আত্মসন্মানবোধহীনতা আনকি প্ৰলোভনত পৰি চুৰি কৰাৰ প্ৰবৃত্তিও আছে। তথাপিও তাইৰ মনত এক অদম্য প্ৰাণশক্তি আৰু অফুৰন্ত আহৰণক্ষমতা আছে যাৰ কাৰণে তাইৰ বিভিন্ন দোষ-ত্ৰুটিৰ সত্বেও পাঠকৰ চিৰপ্ৰিয় আৰু শৈশৱ চাপল্যৰ চিৰন্তন প্ৰতীকহৈ থাকে।

পদ্ম •

বিভূতিভূষণৰ সকলো নাৰী চৰিত্ৰৰ মাজেদি স্নেহশীলা চিৰন্তন মাতৃৰূপ প্ৰকাশ পাইছে। কিন্তু আদৰ্শ হিন্দু হোটেল উপন্যাসৰ পদ্ম চৰিত্ৰটো এটা অগতানুগতিক নাৰী চৰিত্ৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। ৰাণাঘাট ষ্টেচনৰ বেচু চক্ৰবৰ্ত্তীৰ হিন্দু হোটেলৰ লিগিৰী পদ্ম। হোটেল খুলিবলৈ মালিকক পইচা দিয়াৰ অজুহাতত সামান্য সহায়িকা হ'লেও পদ্মই হোটেলত নিৰ কৰ্তৃত্ব খটুৱাবলৈ বিচাৰে।

বিভূতিভূষণৰ সহজ-সৰল নাৰী চৰিত্ৰৰ তুলনাত পদ্ম চৰিত্ৰটো কিছু জটিল। হোটেলৰ আয় বঢ়াবলৈ তাই গ্ৰাহকক ঠগ-প্ৰৱঞ্চনা কৰাৰ বিভিন্ন কৌশল ব্যৱহাৰ কৰে। গ্ৰাহকক কেতিয়াবা গেলা মাছ, বাহী ভাত বেয়া দৈ খুৱাই পইচা লয়। কথাই কথাই মিছা মতা পদ্মৰ স্বভাৱ। একেখন হোটেলৰ ৰান্ধনি ব্ৰাহ্মণ হাজাৰি ঠাকুৰ। হোটেলত হাজাৰিৰ ৰন্ধাৰ সুখ্যাতি আছে। হোটেল মালিকক হাজাৰিৰ বিৰুদ্ধে নানা মিছা কথা লগাই অপদস্থ কৰিবলৈ বিচাৰে। হোটেলৰ বাচন-বৰ্তন নিজৰ ঘৰত ৰাখি

পদ্মই হাজাৰিক বাচন চুৰিৰ অপৰাধত ছদিন হাজোতবাস খাটিবলগীয়া কৰে।

পদ্ম মুখৰা স্বভাৱৰ। কথাই কথাই হোটেলৰ ৰান্ধনি-যোগালিৰ লগত কাজিয়া কৰা তাইৰ অভ্যাস। পদ্মৰ গালি-শপনিৰ সন্মুখীন হয় প্ৰায়ে ব্ৰাহ্মণ ৰান্ধনি হাজাৰি ঠাকুৰ। কেতিয়াবা গ্ৰাহকৰ পৰা বকচিচ্ লৈ ভাত তৰকাৰী বেছিকৈ দিছে বুলি, কেতিয়াবা গাঞ্জাখোৰ বুলি তাই হাজাৰিক গালি পাৰে। হাজাৰিক চোৰ অপযশ দি হোটেলৰ পৰা খেদোৱাৰ মূলতেও আছে পদ্মৰ চক্ৰান্ত।

পদ্ম পৰশ্ৰীকাতৰা। হোটেলত পদ্মৰ চক্ৰান্ত আৰু ৰুক্ষ ব্যৱহাৰৰ কাৰণে হাজাৰিয়ে অৱশেষত নিজাকৈ হোটেল খুলিবলৈ বাধ্য হ'ল। হাজাৰিৰ হোটেলৰ উন্নতি দেখি পদ্মৰ সহ্য নহ'ল। তাই ভায়েক নৃসিংহক হাজাৰিৰ হোটেললৈ গ্ৰাহক হিচাপে পঠাই হোটেলৰ বদনাম গাবলৈ শিকাইছে যাতে হাজাৰিৰ হোটেলত গ্ৰাহক কমে। পদ্ম চৰিত্ৰ মানুহৰ সকলো অশুভ বুদ্ধি আৰু অশুভ শক্তিৰ সমাহাৰ।

উপন্যাসৰ শেহৰফালে পদ্ম চৰিত্ৰৰ পৰিবৰ্ত্তন হৈছে। হাজাৰিৰ অনুপস্থিতিত বেচু চক্ৰবৰ্ত্তীৰ হোটেলৰ গ্ৰাহক লাহে লাহে কমিবলৈ ধৰিলে। অৱশেষত হোটেল বন্ধ হ'ল। যি পদ্মই হাজাৰিক চকুপাৰি দেখিব নোৱাৰিছিল সেই পদ্মই জীবিকাৰ তাড়নাত শেষত হাজাৰিৰ হোটেলত কাম কৰিবলগীয়া হ'ল। হোটেলৰ কামত হাজাৰি বম্বেলৈ যাবলৈ ওলাওঁতে— পদ্ম ঝি এক অভাৱনীয় কাণ্ড ঘটাইল। হঠাৎ ঝুকিয়া নীচু হইয়া বলিল - দাঁড়ান ঠাকুৰ মশাই পায়েৰ ধুলোটা দেন একটু।'[৩৯] বিদায় বেলাৰ সেয়া হাজাৰিৰ জীৱনৰ পৰম-প্ৰাপ্তি।

বিভূতিভূষণৰ নাৰী চৰিত্ৰৰ সৰ্বপ্ৰধান বৈশিষ্ট্য তেওঁলোকৰ স্নিগ্ধ মাতৃত্ব। স্নেহপৰায়ণা মাতৃৰূপেই এই চৰিত্ৰসমূহৰ মূল আকৰ্ষণ। সৰল মমতাময়ী সংসাৰী দ্বন্দ্বহীনা একনিষ্ঠ বাংলাদেশৰ কন্যা তেওঁৰ উপন্যাসৰ নায়িকা। পাৰিপাৰ্শ্বিকতাভেদে বাহ্য সাজ-পোচাকৰ কিঞ্চিত তাৰতম্য থাকিলেও অভ্যন্তৰত তেওঁলোক একে স্নেহময়ী নাৰী। সৰ্বজয়া অৰ্পনা দুৰ্গাৰ পৰা আৰম্ভ কৰি মালতী তিলু, শৰতলৈকে সকলো নাৰী চৰিত্ৰই ইয়াৰ ব্যতিক্ৰম নহয়।

চৈয়দ আব্দুল মালিকৰ উপন্যাসৰ কেইটামান চৰিত্ৰ ঃ

কথাশিল্পীৰূপে চৈয়দ আব্দুল মালিকৰ দক্ষতা ফুটি উঠিছে চৰিত্ৰৰ ওজস্বী প্ৰকাশভংগী আৰু সুমধুৰ বৰ্ণনাৰ ক্ষেত্ৰত। মানুহ হিচাপে মানুহৰ আচল পৰিচয় হৈছে জাগতিক সকলো বাধা বিঘিনিক নেওচি আগবাঢি যাবপৰা দক্ষতাত। তেওঁ চৰিত্ৰবিলাক সাহসীভাৱে উপস্থাপন কৰি জীৱনত সন্মুখীন হোৱা প্ৰত্যাহ্বানক জয় কৰিবলৈ অনুপ্ৰাণিত কৰিছে। সমাজৰ সাধাৰণ-অসাধাৰণ অনাদৃত উপেক্ষিত, শিক্ষিত-অশিক্ষিত বিভিন্ন স্তৰৰ মানুহৰ জীৱন আৰু জীৱনৰ অভিজ্ঞতা মালিকৰ উপন্যাসত মূৰ্ত্তহৈ উঠিছে। সাধাৰণ জীৱন যাপন কৰা সাধাৰণ মানুহৰ সমস্যাবোৰেই মালিকৰ উপন্যাসৰ প্ৰধান উপজীব্য আৰু ইয়েই তেওঁৰ চৰিত্ৰৰ জগতখনক ব্যাপক ৰূপ দিছে। মালিকৰ উপন্যাসত

প্ৰেমে প্ৰাধান্য লাভ কৰিছে। প্ৰেমিক প্ৰেমিকা চৰিত্ৰৰ মনৰ অন্তৰ্দ্বন্দ্বৰ যথাযথ ৰূপ দাঙি ধৰাত মালিক সফল হৈছে। চৰিত্ৰৰ কাৰ্য্যকলাপৰ মাজেদি মালিকে বাস্তৱ সত্যক প্ৰতিষ্ঠা কৰিবলৈ যত্ন কৰিছে। নাৰী চৰিত্ৰ ৰচনাতো মালিকে কৃতিত্বৰ পৰিচয় দিছে। সমাজত লগ পোৱা বিভিন্ন চৰিত্ৰৰ নাৰী যেনে ঐশ্বৰ্যময়ী প্ৰতিহিংসাপৰায়ণা ছলনাময়ী প্ৰৱঞ্চিতা আনকি বিপথগামী নাৰীও তেওঁৰ উপন্যাসৰ চৰিত্ৰ।

গুলচ

মালিকৰ **সূৰুযমুখীৰ স্বপ্ন** উপন্যাসৰ নায়ক গুলচ। সি ধনশিৰিপৰীয়া ডালিম গাঁৱৰ কৰ্মঠ যুৱক। সি আত্মপ্ৰতিষ্ঠাপ্ৰয়াসী। গুলচৰ ঘৰ নতুন ডালিম গাঁৱত। ইটো-সিটো কামত সি মাজে মাজে পুৰণি ডালিম গাঁৱলৈ যায়। তেনেকৈ যাওতে পূৰ্ণযৌৱনা চেনীমাইৰ লগত গুলচৰ চিনাকি হৈছিল। প্ৰথম চিনাকিতে দুয়ো দুয়োকে ভালপাই পেলাইছিল। গুলচৰ প্ৰেমৰ ইতিহাস আৰম্ভ হয় চেনীমাইৰ সান্নিধ্যলৈ অহাৰ পৰা। দেখদেখকৈ বিয়া পাতিবপৰা অৱস্থা গুলচৰ নাই। সেয়ে ছেগবুজি এদিন গুলচে চেনীমাইক পলুৱাই নিয়াৰে দিহা কৰিলে। ডালিম গাঁৱত ছোৱালী পলুৱাই নিয়াটো অপৰাধ নহয়। ছোৱালীৰ মন পোৱাটোহে ডাঙৰ কথা। জৰজৰীয়া বৰষুণৰ বতৰত মাক-দেউতাক ফুটগধূলিতে শোৱাৰ সুযোগ লৈ গুলচে এদিন চেনীমাইক পলুৱাই নিলে। ৰাতি দুয়ো ইন্দ্ৰ নেপালীৰ গোহালিঘৰত আশ্ৰয় ললে। পিছদিনা গাঁৱত হুলস্থূল লাগিল। ডালিম গাঁৱৰ ৰাইজে মেল পাতি বিচাৰ আৰম্ভ কৰিলে। ৰাইজে মত দিলে — গাৰা ছোৱালীৰ মন খাইছে যেতিয়া বিয়াপতি দিব লাগে। গুলচৰ দেউতাকে পলৰীয়া ছোৱালীক বোৱাৰী নকৰে অন্যহাতে চেনীমাইৰ দেউতাকে গুলচলৈ জীয়েকক নিদিয়ে। গতিকে বিয়াখন নহ'লগৈ। পাচদিনা গুলচৰ দেউতাকে গুলচক ঘৰৰ পৰা বাহিৰ কৰি দিলে ছোৱালী পলুৱাই আনি নাক কাণ কটাৰ অপৰাধত। মাকে গুলচৰ হৈ ওকালতি কৰিছিল গতিকে মাকো ঘৰৰ বাহিৰ হ'বলগাত পৰিল। তেতিয়াৰ পৰা মাক-পুতেক দুয়ো বেলেগকৈ আছে।

গুলচৰ আত্মপ্ৰতিষ্ঠাৰ বুৰঞ্জী আৰম্ভ হয় চেনীমাইক হেৰুৱাই দেউতাকৰ পৰা বাহিৰ থাকিবলৈ লোৱাৰ পৰা। দেউতাকে তাক ঘৰৰ পৰা বাহিৰ কৰাৰ লগতে পৈত্ৰিক সম্পত্তিৰ পৰাও বহিষ্কাৰ কৰিলে। ধনশিৰি নদীৰ সিপাৰে প্ৰচুৰ অনাবাদী মাটি পৰি আছে। দুই-এঘৰ মানুহে নতুনকৈ গৈ তাত পাম পাতিছেগৈ। সেইফালে ধনশিৰীৰ গড়া ওখ বানপানীৰ ভয় নাই। গুলচেও নদীৰ সিপাৰৰ ন ভাঙনি মাটিত পাম পাতিলেগৈ। নতুন উদ্যম আৰু আশা লৈ সি মাটিভঙাত লাগিল। পুৱাৰ পৰা আবেলিলৈকে কোৰ কুঠাৰ আৰু হাবিকটা দা লৈ সি যিমান পাৰে হাবি-বননি কাটি মাটি উলিয়ায়। তাৰ মাটিভঙা কামত বিভিন্ন প্ৰকাৰে সহায় কৰিলে পৰোপকাৰী চন্দ্ৰই।

গুলচ কল্পনাপ্ৰৱণ। কেতিয়াবা আবেলি সি গৰুকেইটা চৰাবলৈ পথাৰলৈ যায়।

গৰুকেইটাই আপোন মনে ঘাঁহ খায় ছাঁত বহি গুলচে ভৱিষ্যতৰ নানা কল্পনা কৰে— 'বগী চেঁউৰীজনী পানী-গাভিনী হৈছে হ'বলা। আঘোণ-পুহমাহত জগিব লাগে। এৰা গৰুৰ গাখীৰটোপা আৰু ন ধানৰ চাউল মুঠি। কথাষাৰ ভাবি আনন্দ লাগিল গুলচৰ।'[৪০] সি মনতে কল্পনা কৰি চায — ন-ধান ন গাখীৰ আৰু ন-ছোৱালী থকা এখন ঘৰৰ। ডালিম গাঁৱৰ তৰাক তাৰ ইতিমধ্যে পচন্দ হৈছেই। গতিকে চন্দ্ৰৰ যোগেদি খোজা-বঢা কৰি তৰাক নতুন ঘৰ সুমুওৱাৰ স্বপ্ন দেখে।

গুলচ অলপ আওকণীয়া আৰু আপোনভোলা স্বভাৱৰ। ক'ৰবালে গ'লে ঘূৰি অহাৰ কথা তাৰ মনত নপৰে। ক'ৰবাত বহি থাকিলে উঠিবলৈ পাহৰে। এনেকুৱা সময়ত প্ৰথম প্ৰেম চেনীমাইৰ স্মৃতিয়ে গুলচক আমনি কৰে। পথাৰত কোৰ মাৰি থাকোঁতে চোতালত বহি এচাৰি কুভালি থাকোঁতে এনেই অকলশৰে বাটে বাটে গৈ থাকোঁতে তাৰ কেতিয়াবা চেৰেকৈ চেনীমাইৰ কথা মনত পৰে। মনত পৰিলে তাৰ উচাট বিচাট লাগে।[৪১] তাৰ মাজতো গুলচে ন ভাঙনি মাটিত ঘৰ-সজা খেতি কৰা আদি গতানুগতিক কামবোৰ কৰি যায়। ডালিমৰ বৰহাবিত সোণাৰুৰ খুটা কাটি নতুন ঘৰটো ডাঙৰকৈ সজাৰ পৰিকল্পনা কৰে। তৰাক বিয়া কৰাই এখন পৰিপূৰ্ণ ঘৰ পতাৰ স্বপ্ন দেখে।

গুলচ প্ৰকৃতিপ্ৰিয়। তাৰ ভাল লাগে বৰগছৰ ৰঙচুৱা ঠোৰালি কুঁহিবোৰ নাহৰ গছৰ তজবজীয়া পাতবোৰ। আকাশ নদী হাবিৰ বাঘ শিয়াল সকলোলৈকে তাৰ মৰম। বাঘে কেতিয়াবা তাৰ গোহালিৰ গৰু লৈ যায়। সি চেঁধ্যা পুৰুষ উদ্ধাৰ কৰি বাঘক গালি পাৰে। জয়নৰৰ বন্দুকেৰে হাবিত থকা সকলো বাঘ মাৰি পেলোৱাৰ সিদ্ধান্ত লয়। পিছদিনা তাৰ গৰু নিয়া বাঘটোলৈ হঠাৎ মৰম ওপজে 'আমাৰে নেখাইনো সি ক'ৰ কিটো পাব? হাজাৰ হওক বাঘ। বাঘে কিবা আৰু ঘাঁহ খাব পাৰেনে?[৪২] হাবিত খৰি লুৰিবলৈ যাওতে সি বহুত বাঘ দেখিছে। ঢেকীয়াপতীয়া নাহৰফুটুকী বাঘবোৰলৈ তাৰ বৰ মৰম।[৪৩] নিজৰ পোহনীয়া হাঁহ-কুকুৰা শিয়ালে নিলেও সি শিয়ালৰ সপক্ষেহে মাত মাতে গএৱাৰে নেখাইনো শিয়াল কুকুৰে কি খাই থাকিব?[৪৪] ডালিম গাঁৱৰ কাষেদি বৈ যোৱা ধনশিৰি নদীখন গুলচৰ প্ৰিয়। নদীৰ পাৰত বহি বৰষুণৰ বতৰতো সি ঘণ্টাৰ পিছত ঘণ্টা পাৰ পৰে। এজন কবিৰ দৰে সি উপভোগ কৰে বৰষুণৰ সৌন্দৰ্য্য। 'জৰজৰীয়া বৰষুণজাকৰ বগা বগা টোপাল পৰিলেও ছিটিকনি উঠে। বগা কোমল ছিটিকনি।[৪৫] নৈৰ নীলা পানীত বগা বৰষুণৰ ছিটিকনি পৰি হোৱা মিঠা কোমল শব্দত সি ভোল যায়। হাবিৰ বনৰীয়া চৰাইৰ মিঠা চিএৰৰ অনুকৰণত তাৰো চিএৰিবৰ মন যায়। আকাশৰ বুকুত ওপঙিথকা মেঘবোৰ তাক অতীতৰ স্মৃতিলৈ লৈ যায়। হাবিৰ বনৰীয়া ফুলৰ তীব্ৰ গোন্ধে গুলচক উতলা-উন্মনা কৰে। সন্ধিয়াৰ আকাশৰ ৰঙৰ বৰ্ণালীয়ে তাৰ অতীত ভৱিষ্যত-যৌৱন একাকাৰ কৰি দি আবেগেৰে তাৰ হৃদয় পূৰ্ণ কৰি দিয়ে সুন্দৰৰ মোহে তাৰ মনৰ দীনতা মচি

দিয়ে। ঔপন্যাসিকৰ ভাষাত - 'সজীৱ প্ৰাচীন বননি সজীৱ নতুন আকাশ। গুলচে নিজকে ইয়াৰ এটা অংশ বুলি অনুভৱ কৰিলে। এই আকাশ আৰু এই বননিৰ উম লৈ লৈয়ে সি ডাঙৰ হৈছে। তাৰ তেজৰ কণাত এই প্ৰকৃতিৰে নিবিড় নিশ্বাসৰ স্পন্দন আছে। ৪৬

গুলচৰ জীৱনত তিনিগৰাকী নাৰীৰ সৈতে প্ৰেমৰ সম্পৰ্ক ঘটিছে। চেনীমাই গুলচৰ প্ৰথম প্ৰেম। তাইক পলুৱাই নি এৰাতি লোকৰ গোহালিঘৰত কটোৱাৰ পিছত ধৰা পৰি শেষত বিচ্ছেদ হ'ল। পামৰ পৰা ঘৰলৈ অহাযোৱা কৰোঁতে সি কপাহীৰ সতীয়া জী তৰাৰ প্ৰেমত পৰিল। পামৰ পৰা আহোঁতে-যাওতে সি তৰাৰ ঘৰত সোমায় যদিও তৰাৰ লগত মনৰ কথা পাতিব নোৱাৰে। হেঙাৰ হয় কপাহী। এইদৰে তৰাক বিচাৰি আহোঁতেই সি কপাহীৰ ফান্দত পৰিল। এদিন তৰা নথকা অৱস্থাত কপাহীয়ে গুলচক ৰাতি থাকিবলৈ মাতিলে। একেখন বিচনাকে শুই তাই গুলচক বুজা-নুবুজা ভাষাৰে প্ৰেম নিবেদন কৰিলে। গুলচো কপাহীৰ মৰমৰ মুগ্ধ হ'ল। ডালিমৰ বৰ হাবিত কাটি থোৱা সোণাৰুৰ খুটা চাঁচিবলৈ আহি এদিন গুলচ তৰাৰ ঘৰত সোমাল। কপাহী চফিয়ত বুঢাৰ পথাৰত ধান দাবলৈ যোৱাত ঘৰত তৰা অকলে আছিল। কপাহী নথকাৰ সুযোগতে গুলচে তৰাক প্ৰেম নিবেদন কৰিলে। তৰাই চফিয়ত বুঢাৰ অকঁৰা পুতেকলৈ তাইক বিয়া দিয়াৰ মাহীয়েকৰ পৰিকল্পনাৰ কথাও গুলচক ক'লে। গুলচ খণ্ডত জাঙুৰ খাই উঠিল। তৰাক নিৰাপত্তাৰ আশ্বাস দি গুলচে তাইক সোনকালে বিয়া কৰাই নিজৰ কৰি লোৱাৰ প্ৰতিশ্ৰুতি দিলে।

তৰাক প্ৰেম নিবেদন কৰি গুলচে পামত এটা তিনিকোঠলীয়া ঘৰ সাজিলে। চোতালখন ডাঙৰকৈ উলিয়ালে। পুৰণি ডালিমৰ ঘৰৰ পৰা বিচনা দুখন আৰু আন লাম-লাকটুবোৰ লৈ আহিল। সি ভাবিলে চোতালৰ আগতে দুজোপা ফুল ৰুব। সিপাৰে সি ছহালিচাৰো অধিক মাটি ভাঙি উলিয়ালে। তৰাক বিয়া কৰালে আৰু চিন্তা নাই। বাপেকৰ সম্পত্তিৰ ভাগ নেপালেও তাৰ সংসাৰ চলি যাব। মাত্ৰ ধনশিৰীখন অলপ সিফালে ববলে ধৰিলেই হয়। তেতিয়া তাৰ ন-ভাঙনি মাটিৰ ওচৰত নতুন বালি চাপৰি পৰিব। সি কল্পনা কৰিলে তৰাৰ সৈতে তাৰ নদন-বদন ঘৰ-পথাৰ আৰু সুখৰ সংসাৰ।[৪৭] কপাহীৰে সৈতে পৰামৰ্শ কৰি মাঘৰ বৰভোজৰ দিনা সি তৰাইতক নিয়াৰ পৰিকল্পনা কৰিলে। চন্দ্ৰক বিয়াৰ কথা কোৱাত সি গুলচক পৰামৰ্শ দিলে আনিয়ে নিকাহ কৰাই লবি নহ'লে চেনীমাইৰ নিচিনা হ'ব। চন্দ্ৰই নিকাহৰ কাৰণে মৌলবীক নিমন্ত্ৰণ কৰিলে। এদিন তৰাক অকলে লগপাই গুলচে বৰভোজৰ দিনা গধূলি ওলাই থাকিবলৈ ক'লে। ডালিম গাঁৱৰ ভোজৰ দিনটোকে সি আশাৰে বাট চাই থাকিল।

চন্দ্ৰ আৰু ভিখৰৰ সহযোগত গুলচে একঠীয়া ওৰণিৰে কইনা আনি বাহিৰে বাহিৰে নিকাহ পঢ়াই ল'লে। ওৰণিৰ তলৰ মুখখন যে তৰাৰ নহ'বও পাৰে সেই কথা ভাবিবলৈ তাৰ সময় নহ'ল। উপস্থিত সকলোকে বিদায় দি ভিতৰলৈ আহি

কইনাৰ বেশত কপাহীক দেখি গুলচ হতভম্ব হ'ল। সিতো কপাহীক বিয়া কৰোৱাৰ কথা নাছিল। দ্বিধা আৰু সংশয়ৰ মাজেৰেই সি ৰাতিটো কটালে। পিছদিনা চফিয়তৰ অকঁৰা পুতেকলৈ বিয়া পতা মাহীয়েকৰ চক্ৰান্তক বাস্তৱ হ'বলৈ নিদি তৰা পলাই আহি গুলচৰ ঘৰ ওলালহি। গুলচে মনত দুখ পালেও বাহিৰত দুখ প্ৰকাশ কৰিব নোৱাৰিলে। ইবাৰ চেনীমাইক আনি নিকাহ নপঢোৱাৰ কাৰণে তাইক হেৰুৱাবলগীয়া হৈছিল এইবাৰ নিকাহ পঢোৱাৰ কাৰণে অবাঞ্ছিত কপাহীৰ লগত সংসাৰ কৰিবলগীয়া হ'ল। অৱশ্যে সি নিজৰ মনতে কপাহীক পত্নী হিচাপে গ্ৰহণ কৰাৰ নিজস্ব যুক্তি বিচাৰি পায়।[৪৮] ঘৰখনত অৱশ্যে তাৰ অলপ অস্বস্তি লাগে। সকলো কথাতে সি তৰাকহে মাতে যদিও তৰাৰ লগত তাৰ সম্পৰ্কটো সি সহজভাৱে ল'বপৰা নাই। তৰাৰ নীৰৱতাই তাৰ মনত দুখ দিয়ে।

গুলচে নিজৰ ঘৰত কপাহী আৰু তৰাক সুমুওৱাৰ পিছৰ পৰা তাৰ আৰ্থিক অৱস্থাৰ উন্নতি হ'ল। ঔপন্যাসিকৰ ভাষাত 'কপাহী আৰু তৰাৰ লগে লগে গুলচৰ ঘৰলৈ লখিমী আহিল।'[৪৯] কঠোৰ পৰিশ্ৰমেৰে খেতি কৰি গুলচে বহুত ধান পালে। মাহ সৰিয়হ আদি বহুত হ'ল। সিপৰীয়া পামৰ গাঁৱত গুলচ এঘৰ ধনে-ধানে ভৰা লেখৰ মানুহৰূপে পৰিচিত হ'ল। খেতিৰপৰা আজৰি হৈ চন্দ্ৰৰ লগলাগি সি পূৰ্বৰ প্ৰেমিকা চেনীমাইৰ ৰুগীয়া গিৰিয়েক কলাইক গোলাঘাটৰ চৰকাৰী চিকিৎসালয়লৈ নি চিকিৎসাৰ ব্যৱস্থা কৰিলে। কলাইক হস্পিতেলত থবলৈ গৈ সি চেনীমাইৰ লগত নিবিড়ভাৱে এৰাতি যাপন কৰিলে। পিছদিনা বৰষুণৰ বতৰত চেনীমাইৰ লগত ঘৰলৈ আহি থাকোঁতে গুলচৰ এটাই মাথো ভাৱ হ'ল সি কপাহী আৰু চেনীমাই কাকো নিবিচাৰে বিচাৰে মাত্ৰ তৰাক। ঘৰলৈ আহি দেখিলে কপাহীৰ লগত তিখৰ কথা পাতি বহি আছে। কপাহীয়ে বহুদিনৰ পৰা তৰাক তিখৰলৈ দিয়াৰ যো-জা চলাই আছিল। গুলচ নথকা অৱস্থাত বাহিৰত বেপাৰীৰ কপাহীৰ ওচৰলৈ আহ-যাহৰ কথাও সি জানিব পাৰিলে। গতিকে সামান্য কথাকে কপাহীক হালোৱা এচাৰিৰে কোবাই ঘৰৰ পৰা খেদি পঠালে আৰু বঞ্চিতা প্ৰেমিকা তৰাক সাবটি ল'লে।

গুলচ চৰিত্ৰৰ কেইটামান বৈশিষ্ট্য চকুত পৰে। সি স্বাৱলম্বী আৰু কৰ্মঠ যুৱক। পিতৃৰ আৰ্জনেৰে নোখোৱাৰ প্ৰতিশ্ৰুতিৰে সি দেউতাকৰ মাটি-বাৰীলৈ আশা নকৰি কঠোৰ পৰিশ্ৰমেৰে মাটি ভাঙি নিজাকৈ এখন ঘৰ আৰু অলপ মাটিৰ গৰাকী হৈছে। গুলচ আপোনভোলা স্বাভাৱৰ। ক'ৰবাত বহিলে উঠিবলৈ মন নকৰে। স্বপ্নবিলাস গুলচ চৰিত্ৰৰ অন্যতম বৈশিষ্ট্য। কঠোৰ পৰিশ্ৰমৰ মাজেদি সি তাৰ স্বপ্নক বাস্তৱ ৰূপ দিছে। গুলচ পৰোপকাৰী দানী। স্কুলঘৰ সাজিবৰ কাৰণে ডালিম গাঁৱৰ ৰাইজক দান-বৰঙণি দিছে আনকি ডালিমৰ তাৰ মাটিডোখৰ পাঠশালা স্কুলৰ ঘৰ সাজিবৰ কাৰণে দান দিছে। চেনীমাইক কেতিয়াবা দুটকা-এটকা দি সহায় কৰিছে। গাঁঠিৰ ধন ভাঙি চেনীমাইৰ ৰুগীয়া স্বামীক চিকিৎসাৰ কাৰণে গোলাঘাটলৈ নিছে। গুলচ প্ৰকৃতিপ্ৰিয়।

ধুনীয়া বনপাত এটা, আকাশৰ এচপৰা মেঘ হাবিৰ মাজৰ অচিনাকি চৰাইৰ মাত ধনশিৰি নদীত বৰষুণৰ টোপাল পৰি হোৱা শব্দ সঁজাল ধৰা বোৱা-সকলোৱে তাক আকৰ্ষণ কৰে। প্ৰেমৰ ক্ষেত্ৰত গুলচ লেহুকা স্বভাৱৰ। তাৰ প্ৰেম গভীৰ নহয়। সি চেনীমাইক পলুৱাই নিছিল কিন্তু বিয়া কৰাব নোৱাৰিলে। তৰাক বিয়া কৰাবলৈ গৈ শেষত কপাহীকে বিয়া কৰাবলগীয়া হ'ল যদিও তাৰ মনৰ কোনো আক্ষেপ প্ৰকাশ নেপালে। উপন্যাসৰ শেষত অৱশ্যে সি কপাহীক ঘৰৰ পৰা খেদি পঠাই তৰাক নিজৰ কৰি ল'লে। ড কৰবী ডেকা হাজৰিকাৰ মতে 'বাস্তৱ বুদ্ধি গুলচৰ কম। গুলচ যেন ধনশিৰিৰ সোঁতে উটাই নিয়া বন-বিৰিখ। পৰিস্থিতিয়ে তাক টানি লৈ ফুৰে। তৰা কপাহী আৰু চেনীমাই তাৰ গতিপথৰ তিনিটা পাৰঘাট।'[৫০] গুলচৰ লগত চেনীমাই কপাহী আৰু তৰাৰ সম্পৰ্কৰ এটাই আনটোক প্ৰভাৱান্বিত কৰিছে। অৱশ্যে পৰিস্থিতিক সহজে স্বীকাৰ কৰি লোৱাটোৱেই গুলচ চৰিত্ৰৰ বৈশিষ্ট্য। আত্মনিৰ্ভৰশীল যুৱক হিচাপে গুলচ চৰিত্ৰটোৱে পাঠকক আকৰ্ষণ কৰে। ড প্ৰফুল্ল কটকীৰ ভাষাত গুলচ চৰিত্ৰক আদৰ্শাত্মককৈ চিত্ৰিত কৰা হৈছে। ৰূঢ় বাস্তৱৰ লগত যুঁজ কৰি কৰি ভাগৰি নপৰি আত্মবল আৰু দৃঢ়তাৰে আত্মপ্ৰতিষ্ঠা লাভ কৰা গুলচ চৰিত্ৰটো কৰ্মবিমুখ অসমীয়া সমাজৰ আগত লেখকে এটা আদৰ্শ হিচাপে দাঙি ধৰিছে।[৫১] আকৌঁৰগোজ কিন্তু সহজ-সৰল গুলচে সমাজৰ ৰীতি-নীতিৰ পৰা আঁতৰি স্বাধীনভাৱে থাকিবলৈ বিচাৰে। সি হিন্দু মুছলমানৰ সম্প্ৰীতিৰ সাকোঁ। সি মুছলমান পৰিয়ালত জন্ম গ্ৰহণ কৰিলেও তাৰ লগ আৰু পথ-প্ৰদৰ্শক হিন্দু পৰিয়ালৰ চন্দ্ৰ আৰু ভীম। গুলচক ধৰ্মীয় গণ্ডীৰ মাজত আবদ্ধ নাৰাখি ঔপন্যাসিকে এজন মানুহ হিচাপেহে পৰিচয় কৰি দিছে। তাৰ কাৰ্যত ফুটি উঠিছে এজন সফল মানুহৰ পৰিচয় মুছলমানৰ পৰিচয় নহয়।

হিৰণ্য :

মালিকৰ মাটিৰ চাকি উপন্যাসৰ নায়ক শিল্পী হিৰণ্য। আঢ্যৱন্ত আৰু নামকৰা উকীল জগন্নাথ চৌধুৰীৰ পঞ্চম পুত্ৰ হিৰণ্য। বগা বৰণৰ ধুনীয়া গঢ়ৰ হিৰণ্য অস্থিৰ মনৰ কোনো কামতে মন লগাব নোৱাৰে। কিছুদিন নাচৰ চৰ্চা কৰিছিল আমনি লাগিল। বাঁহী বজাবলৈ শিকিছিল অভ্যাস এৰি পেলালে। খেলাধুলা -বিশেষকৈ টেনিচ খেলত ধাপ আছিল, কিন্তু খেলাত থাকিলে অন্য কাম নহ'ব বুলি খেলাও কমাই দিলে। তাৰপিছত ভ্ৰমণ কৰো বুলি মাকৰপৰা কেইশমান টকা লৈ ওলাই গৈ চাৰিবছৰৰ মূৰত পশ্চিম ভাৰতৰ কোনোবা এটা স্কুলত ছবি আঁকা অধ্যয়ন কৰি ডিগ্ৰী নোলোৱাকৈয়ে ঘৰলৈ ঘূৰি আহিল।

হিৰণ্য অৰবী স্বভাৱৰ। হিৰণ্যৰ উৰণীয়া মনে সদায় একে ঠাইতে থাকিবলৈ নিবিচাৰে। তথাকথিত সংসাৰী হোৱাটো তাৰ পক্ষে সম্ভৱ নহয়। সেইবাবে ককায়েককেইটাৰ লগত পৰিয়ালৰ জমিদাৰী চলোৱাৰ দায়িত্ব তাক দিয়াত সি একেবাৰে প্ৰতিবাদ কৰি উঠিল। তাৰ শিল্পীমনে জীৱনৰ সৰু অভাৱবোধৰ সাধাৰণ সমস্যাৰ মাজত আবদ্ধ হৈ

থাকিবলৈ নিবিচাৰে।

হিৰণ্য কল্পনাপ্ৰিয়। সি বাস্তৱ জগতত‌কৈ কল্পনাৰ জগতত বাস কৰি তৃপ্তি পায়। এই কল্পনা জগতত প্ৰাকৃতিক সৌন্দৰ্য্যই বাৰে বাৰে ভুমুকি মাৰিছে।[৫২] তাৰ ভাল লাগে প্ৰকৃকিৰ মুক্ত সৌন্দৰ্য্যৰ মাজত মাটিত বহি ছবি আঁকিবলৈ। তাৰ আকাশৰ ৰূপৰ মাজত ধ্যনমগ্ন ঋষিৰ নিচিনাকৈ নিবদ্ধ হয় হৃদযৰ মাজত গ্ৰহণ কৰে ৰূপময় মুক্ত আকাশৰ সৌন্দৰ্য্য। হৃদয দি বুজি পায় আকাশৰ ভাষা। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যই হিৰণ্যক উন্মনা কৰে প্ৰেৰণা যোগায 'দূৰৰ পৰ্বতৰ টিঙত সূৰ্য্যাস্তৰ ক্ষীণ উজ্জ্বল হেঙুল লাগিছে। আকাশৰ বুকুত বগা মেঘৰ টুকুৰাবোৰ সোণবৰণীয়া হৈ উঠিছে। দূৰণিৰ গাঁওখনৰ সৰু সৰু ঘৰবোৰ সপোনৰাজ্যৰ এখন চিত্ৰৰ দৰে সেউজ আৰু হেঙুলৰ সংমিশ্ৰণত অপূৰ্ব সুন্দৰ হৈ উঠিছে। গাঢ নীল আকাশৰ বুকুৰেদি এজাক বগলী উৰি গৈছে - নি শব্দে। [৫৩]

হিৰণ্য আত্মবিশ্বাসী আৰু স্বাবলম্বী। সি নিজে ছবি আঁকি বেচি নিজৰ উপাৰ্জনেৰে নিজৰ খৰচ উলিযাই আত্মনিৰ্ভৰশীল হ'ব খোজে। তাকে কৰিবলৈ সি নবৌৰেকৰ কেইটামান টকা মূলখন হিচাপে লৈ নতুন চহৰখনত ষ্টুডিঅ খুলিছে। হিৰণ্যৰ মতে 'স্বাবলম্বী হ'বলৈ সি শিকিব। আৰ্ট কৰি হয়তো ধনী হোৱা নেযায় কিন্তু এটা আত্মনিৰ্ভৰশীল জীৱনতো যাপন কৰা যায়। তাৰ নিজৰ ওপৰত বিশ্বাস আছে, সি পাৰিব।[৫৪] কিন্তু আত্মনিৰ্ভৰশীল হবলৈ নতুন চহৰখনলৈ গৈ সি পদে পদে পৰীৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছে। নতুন চহৰখনত হিৰণ্যই কেইদিনমান হোটেলত থাকি ভাড়াঘৰৰ সন্ধান কৰিলে। ভাড়াঘৰ বিচাৰি ঘূৰি ফুৰোতে ৰমজান বুঢ়াৰ দোকানত উপস্থিত হ'ল। ৰমজানৰ দোকানৰ ওপৰৰ একোঠাৰ ঘৰটো ভাড়ালৈ লৈ সি আতে ষ্টুডিঅ খুলিলে। ঘৰ চাফা কৰা চাহ-ভাত খোৱা সকলোতে সি পৰীৰ ওপৰত নিৰ্ভৰ কৰি চলিবলৈ ধৰিলে।

হিৰণ্যৰ জীৱনত চাৰিগৰাকী নাৰীৰ প্ৰভাৱ পৰিছে। প্ৰথমগৰাকী কিশোৰী পৰী। পৰীয়ে প্ৰেম ভালপোৱাৰ অৰ্থ বুজি নেপায়। তাই হিৰণ্যৰ যাৱতীয় সকলো কাম-কাজ দ্বিধাই কৰে। মাজে মাজে হিৰণ্যক শাসন কৰি, মাজে মাজে হিৰণ্যৰ ওপৰত অভিমান কৰি তাই হিৰণ্যৰ মনৰ মাজত ঠাই কৰি লয়। হিৰণ্য ঘৰটোলৈ অহাৰ পৰাই তাই তাক নিজৰ ঘৰৰ মানুহৰ দৰে ব্যৱহাৰ কৰি আহিছে। তাক চাহ-ভাতৰ যোগান ধৰিছে, ক'ৰবালৈ গ'লে সোনকালে আহিব কাৰণে নিৰ্দেশ দিছে। হিৰণ্যৰ জীৱনত পৰীয়ে এগৰাকী মৰমী মাকৰ ভূমিকা পালন কৰিছে। হিৰণ্যৰ ধাৰণা হৈছে এই আপোন-পৰ চিনি নোপোৱা ছোৱালীজনীৰ প্ৰতিও তাৰ দায়িত্ব আছে।

হিৰণ্যৰ সান্নিধ্যলৈ অহা দ্বিতীয়গৰাকী নাৰী হ'ল জবা। জয়াৰ অবৈধ সন্তান। জবাৰ মাক জয়া চহৰখনৰ গণ্যমান্য লোক মাধৱ চলিহাৰ ৰক্ষিতা। গানৰ স্কুললৈ অহাযোৱা কৰোঁতে এদিন হিৰণ্যৰ ঘৰৰ সন্মুখৰ ৰাস্তাত উজুটি খাই হিৰণ্যৰ আড়াৰত

সোমাবলগীয়া হৈছিল। এইদৰেই জবাৰ লগত হিৰণ্যৰ চিনাকি। জবাই মাকৰ পাপৰ পইচা নলয়। সেয়ে উলগুঠি চিলাই কৰি তাই নিজৰ খৰচ উলিয়ায়। হঠাৎ এদিন তাইৰ টি বি হ'ল। হিৰণ্যই নাইনিতাললৈ নি তাইক চিকিৎসা কৰাৰ দায়িত্ব ললে। সি জবাৰ লগত নিজৰ সাদৃশ্য বিচাৰি পায। দেউতাকৰ বহু ধন সম্পত্তি থকা সত্বেও সি স্বাৱলম্বী হোৱাৰ আশাৰে ছবি আঁকি জীৱন নিৰ্বাহ কৰিবলৈ ঘৰৰ পৰা ওলাই আহিছিল। জবাইও মাকৰ পাপৰ পইচা নোলোৱাকৈ স্বাৱলম্বী হ'বলৈ বিচাৰে।

হিৰণ্যৰ একেবাৰে কাষৰ ঘৰটোতে থাকে ৰাধা। ৰাধাক হিৰণ্যই ঘিণ কৰে কাৰণ তাই বেশ্যা। কিন্তু ৰাধাই সুন্দৰকৈ চেতাৰ বজায়। তাইৰ চেতাৰৰ সুৰে তাক অভিভূত কৰে। সি যেতিয়া নিৰিবিষ্টমনে ছবি আঁকে সেই সময়তে তাৰ কাণত পৰে ৰাধাৰ চেতাৰৰ ঠুনঠুননি। ৰাধাৰ চেতাৰৰ মাজেৰে 'বসন্ত বিদায়ৰ উদাসীন কৰুণ ধ্বনি ভাহি আহে। নতুন কুঁবিপাতৰ কোমল কঁপনি তাৰ লগত মিহলি হৈ পৰিছে সৰাপাতৰ মৰ্মৰ ধ্বনি। দিগন্তৰ পৰা দিগন্তলৈ মানুহৰ বেদনাৰ খীন উচুপনি যেন চেতাৰৰ সুৰ নহয় কাৰোবাৰ কান্দোনৰ দুৰ্বল প্ৰতিধ্বনি।"[৩] হিৰণ্যৰ ছবিতো প্ৰতিফলিত হয় বেদনা আৰু আৰ্তজনৰ প্ৰতিচ্ছবি। হিৰণ্যই ৰাধাৰ লগতো নিজৰ সাদৃশ্য বিচাৰি পায়। ৰাধাই দেহা বেচি জীৱন নিৰ্বাহ কৰে। সিও তাৰ সপোন-কল্পনা বেচি জীৱন নিৰ্বাহ কৰে। হিৰণ্যই শ্ৰম কৰি আঁকা ৰজা হৰিশ্চন্দ্ৰৰ ছবিখনো প্ৰদৰ্শনীৰ পৰা ৰাধাইহে কিনি আনি তাইৰ ঘৰৰ বেৰত আঁৰি থয়।

নতুন চহৰখনত হিৰণ্যৰ সান্নিধ্যলৈ আহে নমিতা। নমিতা মাধৱ চলিহাৰ একমাত্ৰ কন্যা। অসমৰ বাহিৰৰ কলেজত পঢি বি এ পাছ কৰিছে। আধুনিক ৰুচিসম্পন্না নমিতই পুৰবীত ভেৰাইটি শ্ব চাবলৈ মাতি হিৰণ্যৰ লগত চিনাকি হয়। শ্ব'ত নমিতাৰ নৃত্য চাই শিল্পী হিৰণ্য মুগ্ধ হয়। নমিতাৰ প্ৰচেষ্টাত চহৰত হিৰণ্যৰ এখন শিল্প প্ৰদৰ্শনী পতা হ'ল। চহৰখনত মানুহখিনিৰ মাজত হিৰণ্যক এইদৰে চিনাকি কৰি দি ক্ৰমে নমিতা হিৰণ্যৰ ওচৰ চাপি আহিল। নমিতাই হিৰণ্যক তাইৰ এখন ছবি আঁকিবৰ কাৰণে অনুৰোধ কৰিলে। নমিতাৰ ছবি আঁকিবলৈ লৈ সি বাৰে বাৰে আঁকিলে বেদনাভৰা জবাৰ ছবি। তাৰ মতে য'ত বেদনা নাই তাত তাৰ ছবি অচল। চিটিং দিবলৈ আহি নমিতাই এদিন দেখিলে— হিৰণ্যৰ বাহুৰ মাজত পৰী। আনদিনা দেখিলে হিৰণ্যৰ বিচনাত ৰাধা। হিৰণ্যৰ চৰিত্ৰ সম্পৰ্কেই তাই সন্দেহী হৈ পৰিল। নমিতাই হিৰণ্যৰ স্বভাৱক সন্দেহ কৰিলেও তাইৰ প্ৰেমিক পৱনতকৈ হিৰণ্যকহে অধিক ভাল পায়। হিৰণ্যৰ কাৰণে তাই গোটেই জীৱন বাট চাবলৈও প্ৰস্তুত।

বন্ধু চিৰাজলৈ লিখা চিঠিত হিৰণ্যই প্ৰকাশ কৰিছে তাৰ জীৱনত লগপোৱা নাৰীকেইগৰাকীৰ লগত থকা তাৰ আন্তৰিক সম্পৰ্কৰ কথা। পিতৃ পৰিচয় নোহোৱা জবাক জীৱনলৈ ঘূৰাই আনিবৰ কাৰণে প্ৰেম আৰু পোহৰৰ জগতত প্ৰাণৰ আনন্দ দিবৰ কাৰণে হিৰণ্য ব্ৰতী হৈছে তাইৰ চিকিৎসাত। শিক্ষিতা অভিজাত ৰূপহী আৰু

আনৰ বাগদত্তা নমিতাই তাক ভাল পায়, নমিতাৰ প্ৰেমকো সি প্ৰত্যাখ্যান কৰিব নোৱাৰে। ধুনীয়া গাভৰু বেশ্যা ৰাধা তাৰ ঘৰৰ কাষতে থাকে। সি তাইক সৰ্বান্তকৰণে ঘিণ কৰিলেও তাইক এৰি সি যাব নোৱাৰে তাইৰ চেতাৰৰ সুৰে তাক বান্ধি ৰাখে।

এই নাৰীকেইগৰাকীৰ সান্নিধ্যই হিৰণ্যৰ মানৱীয় অনুভূতিত বৈচিত্ৰ্য প্ৰদান কৰিছে। চিৰাজলৈ লখা চিঠিত সি উল্লেখ কৰিছে— তোৰ আগত অস্বীকাৰ কৰি আত্মপ্ৰতাৰণা নকৰো যে মোৰ শিল্পী মানসত মানৱীয় অনউভূতিয়ে কিছু বৈচিত্ৰ্য দিছে। হয়তো মই দুৰ্বলো হৈ পৰিছো। পৰীৰ আবাদৰবোৰ মোৰ ভাল লাগে জবাৰ অভিমান আৰু বেদনা ভাল লাগে নমিতাৰ নিৰ্ভীক আত্মসমৰ্পন ভাল লাগে আৰু ভাল লাগে বেশ্যা ৰাধাৰ অদৃশ্য শ্ৰদ্ধা আৰু অনুৰক্তি।[৫৬]

জীৱনৰ পৰা পলাই আহি হিৰণ্যই নতুন চহৰখনত আশ্ৰয় লৈছিল। কিন্তু পৰিয়ালৰ কোনো নথকা চহৰখনতো সি অকলশৰে থাকিব নোৱাৰিলে। জবাক সি আৰোগ্য কৰিবলৈ বিচাৰে। বেশ্যা ৰাধাক সৎপথলৈ আনিবলৈ বিচাৰে। অন্ধ নানাকৰ বাহিৰে কোনো নথকা পৰীৰ দায়িত্ব লোৱা উচিত বুলি ভাবে। এই সমস্যাবোৰৰ মাজত সোমাই পৰাৰ ফলত শিল্প আৰু জীৱনৰ মাজত খেলিমেলি লাগিছে। সন্ধিয়াৰ আকাশৰ দৃশ্য আঁকিবলৈ ল'লেও কাৰোবাৰ মৰণকাতৰ পাণ্ডুৰ ওঠৰ বোল লাগে অস্তগামী সূৰ্য্যৰ মুখত। ঋতুত প্ৰথম ফুলা পদুম এপাহি আঁকিবলৈ ল'লেও প্ৰতিটো অনাঘ্ৰাত পাহিত মূৰ্ত্তহৈ উঠে কোনোবা বাৰাঙ্গণাৰ কোমল লাৱণ্য।[৫৭] শিল্প সৃষ্টিত বাধা পৰিব বুলিয়ে এদিন সি ঘৰৰ বন্ধনৰ পৰা ওলাই আহিছিল। কিন্তু অচিনাকি ঠাইখনতো বিভিন্নজনৰ সমস্যা সমাধানত সি ব্যস্ত থাকিব লগা হয়। তাৰ মাজতো সি ছবি আঁকে— মানুহৰ আশাৰ বেদনাৰ ছবি।

আঢ্যৱন্ত পৰিয়ালৰ ল'ৰা হ'লেও হিৰণ্যই সহজ সৰল জীৱন যাপন কৰি ভাল পায়। বৃদ্ধ ৰমজানৰ বুঢাৰ নাতিনীয়েক পৰীয়ে যি ৰান্ধি দিয়ে-খায়। সৰু অস্বাস্থ্যকৰ কোঠা এটাতে থকা-খোৱা ষ্টুডিঅ সকলো। পিন্ধিবৰ বাবে দুসাজৰ অধিক কাপোৰ নাই। তাৰ প্ৰতিবেশী সকলো সাধাৰণ মানুহ কল-কাৰখানাৰ মেকানিক ড্ৰাইভাৰ বনুৱা ইত্যাদি। সহজ-সৰল সেই মানুহখিনিৰ মাজত থাকিয়ে সি শিল্পসৃষ্টিৰ প্ৰেৰণা পায়।

শশা‌ংক

অঘৰী আত্মাৰ কাহিনী উপন্যাসৰ শশাংক মালিকৰ এটা অগতানুগতিক চৰিত্ৰ। একালৰ অসমৰ মন্ত্ৰী মন্মথ চৌধুৰীৰ সৰু পুতেক। একেধাৰে কেইবাবছৰো মন্ত্ৰী হৈ অজস্ৰ টকা সা-সম্পত্তি ঘটা আৰু তিনিখন বাগিচাৰ মালিক মন্মথ চৌধুৰীক সৰু পুতেক শশাংকই সৰুৰেপৰা ভাল নাপাইছিল। গতিকে দেউতাকৰ ছিলং নাইবা গুৱাহাটীৰ ঘৰত নাথাকি তেজপুৰৰ মোমায়েকৰ ঘৰত থাকি হাইস্কুলত পঢ়িছিল। সি পঢ়া-শুনাত মেধাৱী আছিল। কিন্তু নিয়মমতে পঢ়া শুনা নকৰিছিল কাৰণে প্ৰতিবছৰে

কোমোমতেহে উত্তীৰ্ণ হৈছিল। সি নামকৰা ফুটবল খেলুৱৈ আছিল। হাইস্কুলত পঢ়ি থকা কালত যিখন খেলত শশাংকই খেলিছিল সেই খেলত তাৰ পক্ষৰ কোনোদিনে পৰাজয় হোৱা নাছিল। ছাত্ৰ অৱস্থাত শশাংক খোলাখুলি মনৰ নিৰ্ভীক স্পষ্টবাদী সাহসী আৰু দৃঢ়মনৰ আছিল। এযা শশাংকৰ বন্ধু নিৰঞ্জনৰ পত্নী অপৰাজিতাক দিয়া বন্ধু পৰিচয়। তেজপুৰত দুয়ো একেলগে পঢ়িছিল আৰু দুয়ো অন্তৰঙ্গ বন্ধু আছিল।

ল'ৰাকালত টাংগুটি খেলি থাকোঁতে শশাংকৰ টাংগুটি লাগি এজনী ছোৱালীয়ে এটা চকু চিৰদিনৰ কাৰণে হেৰুৱাবলগীয়া হৈছিল। সেই ছোৱালীজনীয়েই আছিল নিৰঞ্জনৰ পত্নী অপৰাজিতা। এই ঘটনাটোৱে শশাংকক অনুশোচিত কৰিছিল। সি নিজকে এক অক্ষমনীয় অপৰাধত অপৰাধী বুলি ভাবিছিল। কিন্তু ইচ্ছা কৰিলেও সি অপৰাজিতাৰ চকুটো কি হ'ল খবৰ কৰিবলৈ নাইবা তাইক ক্ষমা খুজিবলৈ সুযোগ নাপালে। কাৰণ দেউতাকে তাক অপৰাজিতাৰ ঘৰলৈ নেযাবলৈ আৰু তাইক লগ নকৰিবলৈ কঠোৰ নিৰ্দেশ দিছিল। এই ঘটনাটোৱে তাৰ দেউতাকৰ প্ৰতি আৰু তাৰ পৰিয়ালৰ প্ৰতিপত্তিৰ প্ৰতি বিদ্ৰোহী কৰি তুলিছিল। ভালকৈ নুবুজাকৈয়ে ল'ৰাকালতে সি এটা ডাঙৰ প্ৰতিজ্ঞা কৰিছিল। যিজনী ছোৱালীৰ সি এটা চকু বেয়া কৰিছিল সেই ছোৱালীজনীক যদি কোনেও বিয়া নকৰায় তেন্তে সি বিয়া কৰাব। অৱশ্যে বিয়া কৰোৱাটো কি তাৰ ধাৰণা সেই বয়সত শশাংকৰ অস্পষ্ট আছিল। তেজপুৰৰ স্কুলত পঢ়ি থাকোঁতে তাৰ এই প্ৰতিজ্ঞাৰ কথা সহপাঠী নিৰঞ্জনক কৈছিল আৰু অপৰাজিতকাৰ বিয়া কৰোৱাৰ সময়ত নিৰঞ্জনে চিঠিৰে শশাংকৰ পৰা অনুমতি লৈছিল।

ল'ৰাকালৰ আৰু এটা ঘটনাই শশাংকক দেউতাকক ঘৃণা কৰিবলৈ বাধ্য কৰিছিল অপৰাজিতাৰ চকু এটা এটা বেয়া হোৱাৰ কিছুদিনৰ পিছতে তাইৰ পৰিয়ালক সান্ত্বনা দিয়াটো নাইবা কিবা সহায় কৰাটো দেউতাকে হয়তো নিজৰ কৰ্ত্তব্য বুলি ভাবিলে আৰু অপৰাৰ মাকক ঘৰলৈ মাতি আনিলে। অপৰাৰ মাক টকা-পইচা নিবলৈ প্ৰায়ে চৌধুৰীৰ ঘৰলৈ অহা-যোৱা কৰা হ'ল। ক্ৰমে দেউতাক চৌধুৰীয়ে অপৰাৰ মাকক ৰক্ষিতা হিচাপে ব্যৱহাৰ কৰিবলৈ ল'লে। শশাংকৰ দুজনী মাক থকা অৱস্থাতো দেউতাকৰ এই কাৰ্য্যত শৈশৱতে তাৰ মনত ঘৃণা আৰু অনুশোচনা হ'ল। সি তেতিয়াৰ পৰা ঘৰ এৰি তেজপুৰৰ মেমোয়েকৰ ঘৰত থাকিবলৈ ল'লে।

শশাংক স্বাৱলম্বী হ'বলৈ বিচাৰে। শৈশৱৰ পৰা দেউতাকৰ প্ৰতি থকা তাৰ বিদ্ৰোহী মনোভাৱ ডাঙৰ হৈ অহাৰ লগে লগে ক্ৰমে তীব্ৰতৰ হৈ উঠিল। বি এ পাছ কৰাৰ পিছত আইন পঢ়িবলৈ সি কলিকতালৈ গ'ল। কলিকতাত সি দেউতাকৰ পইচা নলৈ নিজৰ উপাৰ্জনেৰে পঢ়াৰ খৰচ উলিযাইছিল। সেয়ে কোনো হোষ্টেল বা মেছত নেথাকি মাৰাঠী যোশী পৰিয়ালৰ পেযিং গেষ্ট হৈ আছিল। মাজে মাজে আইনৰ শ্ৰেণীত উপস্থিত থকাৰ উপৰিও সি নিজৰ খৰচ উলিয়াবলৈ এখন দৈনিক ইংৰাজী কাকতৰ খেলবিভাগৰ সহকাৰী পৰিচালকৰূপে বাতৰি যোগান ধৰিছিল। তদুপৰি

খেল-সম্পৰ্কীয় প্ৰবন্ধ-পাতি লিখি কিছু উপাৰ্জন কৰিছিল। কলিকতাত চলিবৰ কাৰণে তাৰ এই উপাৰ্জন যথেষ্ট নাছিল সেয়ে প্ৰায়ে সি টকাৰ অভাৱত পৰিছিল। কেতিয়াবা তাৰ চোলা-কোপোৰ মাত্ৰ দুসাজহে আছিল। ধোবাক কাপোৰ ধুবলৈ দিলে একে সাজকে দুই-তিনিদিন পিন্ধিবলগীয়া হৈছিল। পঢা শেষ কৰিও সি অসমলৈ আহি স্বাধীনভাৱে ব্যৱসায় আৰম্ভ কৰে।

যোশী পৰিয়ালত পেয়িং গেষ্ট হৈ থাকোঁতেই শশাংক ছায়াৰ সান্নিধ্যলৈ আহে। ছায়া যোশী দম্পত্তিৰ তোলনীয়া কন্যা। যোশীৰ ঘৰত থাকোঁতে মাজে মাজে ছায়াই কেতিয়াবা তাৰ কোপোৰ ধুই, কেতিয়াবা তাৰ কোঠাটো পৰিষ্কাৰ কৰি অন্তৰঙ্গতা স্থাপন কৰিছিল। শশাংকই কাৰো অনুগ্ৰহ ভাল নাপাইছিল যদিও ছায়াৰ কাৰ্য্যৰ প্ৰতিবাদ কৰিব পৰা নাছিল। জীৱনত কাৰো প্ৰতি অনুভৱ নকৰা এক দুৰ্বলতা সি ছায়াৰ প্ৰতি অনুভৱ কৰিছিল। যোশী দম্পত্তিয়ে ছায়াক বিয়া দি আজৰি হ'বলৈ বিচাৰিছিল আৰু বিয়াৰ এটা চৰ্ত ৰাখিছিল। যিয়ে ছায়াক বিয়া কৰাব তেওঁ যোশী পৰিয়ালত ঘৰ-জোঁৱাই হৈ থাকিব লাগিব। শশাংকই ছায়াক ভাল পালেও সি ঘৰ-জোৱাই হ'বলৈ প্ৰস্তুত নাছিল। ছায়াই যেতিয়া জানিব পাৰিলে যে শশাংক অসমৰ মন্ত্ৰীৰ পুত্ৰ তেতিয়া তাই তাইৰ নিচিনা পৰিচয়হীনা ছোৱালীক বিয়া কৰাই নিজৰ পৰিয়াল এৰিবলৈ তাক বাধা দিলে। শশাংকক পাহৰি নোযোৱাৰ প্ৰতিশ্ৰুতিৰে ছায়া আমেৰিকাত পঢ়িবলৈ যোৱাৰ অলপ দিনৰ পিছতে তাতে তাই আত্মহত্যা কৰিলে। শশাংকৰ প্ৰেমৰ এইদৰে করুণ সমাপ্তি ঘটিল।

শশাংক যুক্তিবাদী আৰু আত্মাভিমানী। দেউতাকৰ সম্পত্তিৰ ফুটাকটি এটাও সি নিবিচাৰে। কিন্তু দেউতাকে বেয়া উপায়েৰে ঘটা সম্পত্তি কোনোবাই বেয়া উপায়েৰে ধ্বংস কৰাটো সি মানি ল'ব নোৱাৰে। সেয়ে ককায়েক মৃগাংকই চলোৱা দেউতাকৰ বাগানখন ককায়েকৰ কবলৰ পৰা মুক্ত কৰিবৰ কাৰণে বন্ধু উকীল হেমিদোৰ পৰামৰ্শ বিচাৰিছে। তাৰ মতে 'বাগিচা কিনাৰ সৰহখিনি টকা হয়তো দেউতাই মন্ত্ৰী হিচাপে পোৱা ঘোচৰ টকা। কিন্তু দেউতাই কিনিলে বুলিয়ে বাগিচাখনতো বেয়া হৈ নেযায়। এজনে বেয়া উপায়েৰে ঘটিলে কাৰণেই আন এজনে বেয়া উপায়েৰে উৰাই দিব এইটো সমৰ্থনযোগ্য নহয়।[৫৮] বাগানখন দেশৰ সম্পত্তি, ই বৈদেশিক মুদ্ৰা আনে। শ শ মানুহে বাগানত কামকৰি জীৱন নিৰ্বাহ কৰে। গতিকে ই এটা জাতীয় সম্পত্তি আৰু জাতীয় উদ্যোগ। তাক ধ্বংস হোৱাত বাধা দিয়াটো সি তাৰ কৰ্ত্তব্য বুলি ভাবে।

শশাংক অঘৰী। সি বুৰ্জোৱা মানসিকতাৰ প্ৰতিনিধি। তাৰ ঘৰত সম্পত্তিৰ অভাৱ নাই। তাৰ যাযাবৰ জীৱন যাপনৰ মূল কাৰণ তিনিটা— এজনী সৰু ছোৱালীক সৰুতে অজানিতভাৱে অন্ধ কৰি দিয়াৰ অনুতাপ দেউতাকৰ লম্পট স্বভাৱৰ দৰ্শক হোৱা আৰু আত্মমৰ্য্যাদাৰ কাৰণে ছায়াক বিয়া কৰাব নোৱাৰা আৰু ছায়াৰ আত্মহত্যা।

নিৰঞ্জনৰ ঘৰত আলহীহৈ থাকি দেউতাকৰ চৌধুৰীবাৰী চাহ-বাগিচা ককায়েক

মৃগাংকৰ কৱলৰ পৰা মুক্ত কৰিবলৈ গৈ শশাংকই আৰু এটা সত্য আৱিষ্কাৰ কৰিলে— নিৰঞ্জনৰ পত্নী অপৰাৰ লগত মৃগাংকৰ গোপন সম্পৰ্ক আছে। সমাজসেৱা আৰু ৰাজনীতি কৰা অপৰাৰ মৃগাংকৰ লগত থকা সম্পৰ্ক আৱেগিক। স্পষ্টবাদী শশাংকেই অপৰাক এই অবৈধ সম্পৰ্কৰ কাৰণে দোষাৰোপ কৰিছে। শশাংক নিৰঞ্জনৰ ঘৰৰ পৰা যাবলৈ ওলাওঁতেই খবৰ আহিল যে নিৰঞ্জনৰ মটৰ দুৰ্ঘটনা হৈছে। নিৰঞ্জনৰ খবৰ কৰি যাবলৈ বুলি ওলাই এটা গধূৰ বেগ লৈ অপৰা তাৰ গাড়ীত উঠিল। অপৰাই হয়তো শশাংকৰ পৰাই অধিক নিৰাপত্তা আশা কৰিছিল। অঘৰী শশাংকৰ জীৱনত আৰু এটা অঘৰী আত্মাৰ সংযোগ হ'ল।

মালিকৰ **সূৰুযমুখীৰ স্বপ্ন** উপন্যাসৰ গুলচ **মাটিৰ চাকিৰ** হিৰণ্য আৰু **অঘৰী আত্মাৰ কাহিনীৰ** শশাংক— চৰিত্ৰকেইটাৰ কিছু সাদৃশ্য পৰিলক্ষিত হয়। অৱশ্যে চৰিত্ৰকেইটাৰ বৈসাদৃশ্য ও নোহোৱা নহয়।

গুলচ হিৰণৰ আৰু শশাংক তিনিও স্বাৱলম্বী যুৱক। গুলচে কঠোৰ পৰিশ্ৰম কৰি মাটি ভাঙি খেতি কৰি স্বাৱলম্বী হৈছে। হিৰণ্যই দেউতাকৰ অশেষ সা-সম্পত্তি থকা স্বত্বেও নিজে ছবি আঁকি বেচি সাধাৰণ জীৱন যাপন কৰিছে। শশাংকই মন্ত্ৰী দেউতাকৰ অসৎ উপায়েৰে ঘটা সম্পত্তিৰ মোহ এৰি নিজৰ খৰচেৰে পটি গাড়ীৰ ব্যৱসায় কৰি জীৱন নিৰ্বাহ কৰিছে। তিনিওটা চৰিত্ৰই বিভিন্ন কাৰণত ঘৰৰ পৰা বিছিন্ন।

তিনিওটা চৰিত্ৰৰ জীৱনতে নাৰীয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছে। গুলচৰ জীৱনলৈ তিনিগৰাকী নাৰী আহিছে। চেনিমাইক সি পলুৱাই নি বিয়া কৰাব নোৱাৰিলে। তৰাক বিয়া কৰাবলৈ গৈ কপাহীক বিয়া কৰাবলগীয়া হ'ল। অৱশ্যে উপন্যাসৰ শেষত সি তৰাক নিজৰ কৰি ল'লে। হিৰণ্যৰ সান্নিধ্যলৈও চাৰিগৰাকী নাৰী আহিছে। জবা নমিতা আৰু ৰাধাৰ প্ৰেমক অস্বীকাৰ কৰি সি নিজৰ দায়িত্ব পালনতহে গুৰুত্ব দিছে। কিশোৰী পৰীৰ প্ৰতি তাৰ আছে ভগ্নীসুলভ মৰম আৰু দায়িত্ব। শশাংকই শৈশৱতে অপৰাক বিয়া কৰোৱাৰ প্ৰতিজ্ঞা কৰিছিল কিন্তু সেই প্ৰতিজ্ঞা সি ৰক্ষা কৰিব নোৱাৰিলে। ছায়াক বিয়া কৰোৱাৰ প্ৰতিশ্ৰুতি দিলেও তাইৰ বিয়াৰ চৰ্ত মানিবলৈ সি প্ৰস্তুত নহয়। অৱশেষত ছায়াই আত্মহত্যা কৰিলে। প্ৰেমৰ ক্ষেত্ৰত হিৰণ্য গুলচ আৰু শশাংক এটা চৰিত্ৰও দৃঢ় নহয়।

গুলচ হিৰণ্য আৰু শশাংক তিনিওটা চৰিত্ৰই প্ৰকৃতিপ্ৰেমী। গুলচক প্ৰকৃতিৰ গছ-বিৰিখ নদী মেঘ আৰু জোনাক-বৰষুণ আদিয়ে কামত প্ৰেৰণা যোগায়। হিৰণ্যক সন্ধিয়াৰ সিন্ধ আকাশ ধুমুহা-বৰষুণে ছবি অঁকাত প্ৰেৰণা যোগায় আৰু শশাংৰ গধূলিবোৰ কুঁৱলীৰ ধূসৰ আৱৰণ আৰু বৰষুণৰ টপ্ টপ্ শব্দই ৰহস্যময় আবেগময় কৰি তোলে।

তিনিওটা চৰিত্ৰই কম-বেছি পৰিমাণে পৰোপকাৰী। গুলচে চেনীমাইৰ ৰুগীয়া

স্বামীক চিকিৎসা কৰি স্কুলঘৰৰ কাৰণে দান-বৰঙণি দি প্ৰতিবেশী তথা ৰাইজৰ পৰোপকাৰ কৰিবলৈ বিচাৰিছে। হিৰণ্যই টি বি হোৱা জবাক চিকিৎসাৰ কাৰণে নাইনিতাললৈ লৈ গৈছে আৰু শশাংকই বাগানৰ বনুৱা আৰু দেশৰ উপকাৰৰ স্বাৰ্থত কৰকায়েকৰ পৰা বাগিচা উদ্ধাৰৰ চেষ্টা চলাইছে।

তিনিওটা চৰিত্ৰৰ জীৱন এক বিষাদময় অনুভূতিয়ে কৰুণ কৰি তুলিছে। গুলচৰ বিষাদ — মনে বিচৰা ছোৱালীৰ লগত সংসাৰ কৰিব নোৱাৰাত। হিৰণ্যৰ জীৱনৰ কাৰুণ্য প্ৰকাশ পাইছে নিজে একান্তমনে শিল্পসৃষ্টিত মনোনিবেশ কৰিব নোৱাৰাত আৰু জবা পৰী জাফৰইতৰ জীৱনৰ মানদণ্ড উন্নত কৰিব নোৱাৰাত আৰু শশাংকৰ দুখৰ কাৰণ প্ৰেমিকা ছায়াৰ মৃত্যু আৰু নিজৰ প্ৰতিজ্ঞাভঙ্গৰ অপৰাধ।

কপাহী

মালিকৰ সুৰুযমুখীৰ স্বপ্ন উপন্যাসৰ অন্যতম নাৰী চৰিত্ৰ কপাহী। কপাহী সুন্দৰী। বৰ বেছি বগা কাৰণেই সৰুতে তাইৰ নাম দিছিল কপাহী। চৌধ্য বছৰ বয়সতে পুৰণি ডালিম গাঁৱৰ নাহৰৰ লগত তাইৰ বিয়া হৈছিল। নাহৰে আগতে কপাহীৰ বায়েক জুতিক বিয়া কৰাইছিল। তৰাৰ জন্মৰ পাছত প্ৰসূতা ৰোগত জুতিৰ মৃত্যু হয়। নাহৰৰ ইচ্ছাতে গাঁৱৰ ৰাইজে তাৰ লগত কপাহীৰ বিয়া পাতি দিয়ে।

কপাহী বহুপুৰুষকামী। আহিনমহীয়া ধনশিৰিয়েদি উজাই দুই চাৰিজন বেপাৰী আহে নাৱত আলু, মাহ সৰিয়হ ইত্যাদি শস্যৰ কঠীয়া লৈ। ডালিম গাঁৱৰ ৰাইজৰ আগতীয়া শস্যৰ কঠিযা দি যায। কেতিয়াবা কোনোবা ডেকা বেপাৰীয়ে ডালিম গাঁৱৰ জীযৰী-বোৱাৰীৰ মন চুই যায়। তেনে এজন বেপাৰী কেইদিনমানৰ কাৰণে নাহৰৰ ঘৰত আছিল। চঞ্চল কপাহীয়ে বচিৰতৰ হাতত ধনৰ মোনা দেখি ভোল গৈ গোপন সম্পৰ্ক ৰাখিছিল। গিৰিয়েক নাহৰে এই কথা জানিব পাৰি কপাহীক অলপ মাৰধৰ কৰিলে আৰু মনৰ বেজাৰতে ঘৰৰ পৰা নিৰুদ্দেশ হ'ল। নাহৰৰ নিৰুদ্দেশৰ পিছত তৰাৰ আকৰ্ষণত তাইৰ ঘৰলৈ আহ-যাহ কৰা গুলচক ছলনাৰে বিয়া কৰাই ল'লে। গুলচৰ লগত বিয়া হোৱাৰ পিছতো তাই বচিৰত বেপাৰীৰলগত অবৈধ সম্পৰ্ক ৰাখিছিল।

কপাহী দায়িত্বশীলা আৰু সাহসী। বায়েকৰ মৃত্যুৰ পিছত তৰাক তাই নিজৰ ছোৱালীৰ নিচিনাকৈ তুলি তালি ডাঙৰ দীঘল কৰিলে। নাহৰ ঘূৰি আহিব বুলি কপাহীয়ে কিছুদিন বাট চালে। এদিন নাহৰৰ বাঁৰী ভনীয়েকৰ লগত কাজিয়া লাগি তৰাক লৈ নিজৰ ঘৰলৈ আহি মাহীয়েকৰ লগত থাকিবলৈ ল'লে। মাহীয়েকৰ মৃত্যুৰ পিছত লগত লৈ কপাহী অকলেই আছে। গাঁৱৰ এমূৰীয়া ঘৰটোত তৰাক লৈ থাকিবলৈ তাই ভয় নকৰে। গাঁৱৰ ৰাইজে কিছুকাল কপাহীক এঘৰীয়া কৰি থৈছিল। পিছত সমাজত ঠাই দিলেও তাইৰ বদনামৰ কথা সকলোৱে জানিলে। গাঁৱৰ মানুহৰ সৎনাম, বদনামলৈ কাণ নিদি সাহসেৰে তাই আত্মস্বাৰ্থ পূৰণত ব্যস্ত থাকে।

অতিৰিক্ত যৌনস্পৃহা কপাহী চৰিত্ৰৰ অন্যতম বৈশিষ্ট্য। নিজৰ যৌনস্পৃহা পূৰণৰ বাবে তাই এজনৰ পিছত এজনকৈ নাহৰ গুলচ আৰু বচিৰতৰ জীৱনত প্ৰৱেশ কৰিছে।

কপাহী ছলনাময়ী। তৰাৰ আকৰ্ষণত মাজে মাজে গুলচ কপাহীৰ ঘৰলৈ আহে। সম্পৰ্কত গুলচ কপাহীৰ একো নহয়। তথাপি বয়সত তাতকৈ ডাঙৰ কাৰণে সি কপাহীক বাইটি বুলি মাতে। তৰাৰ আকৰ্ষণত আহিলেও কপাহীয়ে তৰাক গুলচৰ লগত বৰ মিলামিচা কৰিবলৈ নিদিয়ে। তৰাক ভিতৰত ইটো-সিটো কৰিবলৈ পঠিয়াই কপাহীয়ে গুলচৰ লগত অকলশৰীয়াকৈ কথা পাতে। তৰা মোমায়েকৰ ঘৰলৈ যোৱাৰ সুযোগ লৈ গুলচক তাই ৰাতি থাকিবলৈ মাতে। গুলচে তৰাক বিয়া কৰাবলৈ বিচৰাৰ কথা কম কম বুলি ভাবি থাকোঁতেই কপাহীয়ে কয়— 'তই বাৰু ভয় খাব নেলাগে। চিন্তা নকৰিবি। মই তোৰ ওপৰত কাহানিবাৰ পৰা চকু দি আছো। মই তোক এৰি নিদিওঁ জানিছ্। ৫৯ কপাহীৰ কথাৰ দূতৰপীয়া অৰ্থ নুবুজি গুলচৰ মনত আনন্দ লাগিল। তৰাক তেনেহ'লে কপাহীয়ে তালৈ দিলে। গুলচে ইযাৰ অৰ্থে একো নুবুজিলে।

কপাহীয়েঁ তলে তলে তৰাক আঁতৰাই নিজে গুলচৰ লগত বিয়া হোৱাৰ পথ প্ৰশস্ত কৰিবলৈ আৰু এক ছলনাৰ আশ্ৰয় ল'লে। ডালিম গাঁৱৰ চফিয়ত বুঢ়া অলপ ধনী মানুহ। খেতিৰ মাটি বহুত। তেওৰে সৰু পুতেক বফি অঁকৰা বাওনা— এটা চকু ওপজাৰে পৰা কণা। দেখিবলৈ কুৎচ্চ। চফিযতৰ ধাৰণা সৰু ল'ৰাটোৰ বিয়াখন পাতিথৈ যাব নোৱাৰিলে পিতৃৰ কৰ্ত্তব্য অপূৰ্ণ হৈ থাকিব। গতিকে চফিয়তৰ চকু পৰিল তৰাৰ ওপৰত। তৰাৰ মাহীমাক কপাহীৰ বদনামৰ কাহিনী পুৰণি হৈছে আৰু চফিয়তৰ বোৱাৰীয়েকলৈ আঙুলি টোঁৱাব পৰা লোক ডালিম গাঁৱত নাই। কপাহী আৰু তৰাই চফিয়তৰ ঘৰত ৰোৱা-তোলা কৰে। কপাহয়ে ধান বানি পানী আনিও দিয়ে। সুযোগ চাই চফিয়তে অঁকৰালৈ তৰাক বিয়া পতাৰ প্ৰস্তাৱ দিয়ে। কপাহীক ভাল আশাও দিছে। তৰাৰ অঁকৰাৰ লগত বিয়াখন হৈ গ'লে কপাহীৰো এটা দিহা কৰিব। কপাহীয়ে হা-না একো নকয়। অৱস্থা চাই তাই ব্যৱস্থা কৰিব। তাই মনে মনে ভাবে তৰাক অঁকৰালৈ দিব পাৰিলে তাইৰ গুলচলৈ বিয়া হোৱাৰ পথ মুকলি হ'ব।

কপাহীৰ গুলচৰ লগত বিয়া হোৱাৰ পৰিকল্পনাও অভিনৱ। গুলচৰ লগত গোপনে আলোচনা কৰি কপাহীয়ে মাঘৰ বৰভোগৰ দিনা গুলচৰ ঘৰলৈ যোৱাটো ঠিক কৰিলে। এদিন চফিয়তৰ ঘৰলৈ গৈ তৰা-গুলচে কোনেও নজনাকৈ ভোজৰ দিনা ৰাতি অঁকৰা আৰু তৰাৰ নিকাহৰ সকলো বন্দোৱস্ত কৰিথৈ আহিল। পৰিকল্পনা মতে ভোজৰ আগদিনা চফিয়ত বুঢ়া নিজে আহি তৰাক ভোজৰ পিঠাগুৰি খুন্দিবৰ কাৰণে মাতিথৈ গ'লহি। ৰাতিপুৱাতে কপাহীয়ে তৰাক চফিযতৰ ঘৰলৈ পঠালে। কপাহীয়ে ঘৰৰ বয়বস্তুবোৰ দিনতে গুলচে পঠোৱা গাড়ীত সিপাৰলৈ নিলে। ৰাতি

গুলচে পঠোৱা গৰুৰ গাড়ীত মুগাৰ মেখেলা পাটৰ ৰিহা আৰু চেলেঙৰ দীঘল ওৰণি লৈ উঠিল। গুলচৰ ঘৰ আহি পোৱাৰ লগে লগে মৌলবীয়ে নিকাহ পঢ়িলে। নিকাহৰ লগে লগে তৰাৰ সলনি কপাহী গুলচৰ ঘৈণী হৈ পৰিল। কপাহীৰ চতুৰালি গৰু-গাড়ী চালক তিখৰ নাৱৰীয়া ভীম আৰু চেনীমাই কোনেও ধৰিব নোৱাৰিলে। সকলো মানুহ ঘৰাঘৰি যোৱাৰ পিছতহে গুলচে গম পালে সি কপাহীকহে বিয়া কৰালে। তৰাৰ কথা সোধোতেও কপাহীয়ে 'ইয়ালৈকে নাহিনো ক'লৈ আহিব— ধৰণৰ গাত নলগা মন্তব্য দিলে। ইফালে কপাহীৰ নিখুঁট পৰিকল্পনা বাস্তৱ হ'বলৈ নিদি তৰাই চফিয়তৰ ঘৰৰ পৰা পলায়ন কৰিলে। হাবিৰ মাজেৰে আহি নিজৰ ঘৰ পাইহে তাই গম পালে যে গুলচৰ লগত বিয়া হোৱাৰ সপোন থানবান কৰি কপাহীহে গুলচৰ ঘৰলৈ গ'ল। পিছদিনা ৰাতিপুৱা তৰাক গুলচৰ ঘৰত দেখি কপাহী আচৰিত হ'ল। কিন্তু এতিয়া তৰা আহিলেও কপাহীক গুলচে খেদি পঠাব নোৱাৰে। তাই ইতিমধ্যে গুলচৰ জীৱনত ঠাই কৰি লৈছে।

কপাহী ছলনাময়ী হ'লেও কৰ্মপটু। গুলচৰ নতুন ঘৰখন তাই কেইদিনমানতে সজাই পৰাই তুলিলে। গুলচৰ হতুৱাই দুখন তাঁতশাল পতালে লগত অনা সাঁচতীয়া টকাৰে সূতা কিনাই আনিলে। দুখন শালত দুখন তাঁত লগাই কপাহী আৰু তৰা দুয়োজনীয়ে বোৱাত লাগিল। বাৰীখনত তামোল কল বেঙেনা-জলকীয়াৰ পুলি ৰুই বাৰীখন চালে চকুৰোৱা কৰি তুলিলে। ৰোৱা তোলা সকলো কামতে কপাহী পাকৈত। ঔপন্যাসিকৰ ভাষাত— 'কপাহী আৰু তৰাৰ লগে লগে গুলচৰ ঘৰলৈ লখিমী আহিল। অনাবাদী সাৰুৱা মাটি নৈৰ চাৰণ পৰা পলস পৰা মাটি আঙুলিৰ মূৰেৰে গুটি এটা হেঁচা মাৰি থলেও লহপহকৰে গজি-বাঢ়ি আহে।'৬০ গুলচৰ ঘৰখনলৈ চালে পামৰ ঘৰ যেন নেলাগেই। পুৱা গধূলি ঢেকীৰ মাতটো গুলচৰ ভাল লগে। গুলচৰ ঘৰখন কপাহীৰ আগমনত এখন প্ৰাণময় জীয়া ঘৰ হৈ উঠিল আৰু তাৰ জীৱনলৈ আহিল জীৱন-ৰসৰ উভৈনদী প্ৰাচুৰ্য্য।

কপাহীৰ জীৱনলৈ পুনৰ বচিৰতৰ আগমনে কপাহীৰ নিজে পতা সংসাৰলৈ ভাঙোন আনিলে তৰাক গুলচৰ ঘৰৰপৰা আঁতৰোৱাৰ কপাহীয়ে নতুন পৰিকল্পনা কৰিলে। প্ৰতিবেশী তিখৰক তৰালৈ চপাই লোৱাৰ কথা কৈ তাই প্ৰায়ে গুলচক অসন্তুষ্ট কৰিছিল। চেনীমাইৰ ৰুগ্ন স্বামীৰ চিকিৎসাৰ কাৰণে গুলচ গোলাঘাটলৈ যোৱাৰ সুযোগতে কপাহীযে তিখৰৰ লগত তৰাৰ সম্পৰ্ক গঢ়ি তুলিবৰ কাৰণে চেষ্টা চলালে। গুলচৰ অৱৰ্ত্তমানত বচিৰতো কপাহীৰ ঘৰলৈ আহিবলৈ ল'লে। গুলচে গোলাঘাটৰ পৰা আহি কপাহীৰ সকলো কথা গম পাই হালোৱা এচাৰিৰে কোবাই ঘৰৰ পৰা তাইক উলিয়াই দিলে। নদীৰ ঘাটত বচিৰতৰ নাও আছিল। দবাপিটা বৰষুণৰ মাজেৰে নিজৰ ঘৰখনলৈ সতৃষ্ণ দৃষ্টিৰে চাই তাই বচিৰতৰ কাষ চাপিল।

কপাহী চৰিত্ৰটো এটা জটিল চৰিত্ৰ। সকলো নাৰীৰ দৰে তাইও বিচাৰে

কোনোবা পুৰুষৰ প্ৰেম আৰু আশ্ৰয়। কিন্তু কোনো এজন পুৰুষৰ লগতে তাই স্থায়ী আশ্ৰয় লাভ কৰিবলৈ সক্ষম নহ'ল। কপাহীয়ে প্ৰথম ঘৰ কৰিবলৈ গৈছিল নাহৰৰ লগত। অৱশ্যে নাহৰৰ লগত বিয়া কপাহীৰ ইচ্ছাকৃত নাছিল। গাঁৱৰ ৰাইজেহে বায়েক ঢুকোৱাৰ পিছত নাহৰৰ লগত কপাহীৰ বিয়া পাতি দিছিল। গতিকে বচিৰতৰ লগত তাইৰ সম্পৰ্ক অস্বাভাৱিক হৈও স্বাভাৱিক। কিন্তু তৰাৰ লগত গুলচৰ হ'বলগীয়া বিয়া ভাঙি, কৌশলেৰে তাই নিজে গুলচৰ লগত বিয়া হৈছিল। কিন্তু পুনৰ গুলচৰ পত্নী কপাহীৰ বচিৰতৰ লগত সম্পৰ্কই কপাহী চৰিত্ৰৰ অতিমাত্ৰা যৌনস্পৃহা আৰু বহুপুৰুষকামীতাৰহে প্ৰমাণ দিয়ে। কপাহীৰ প্ৰেম সুবিধাবাদী। তাইৰ প্ৰেমত দৃঢ়তাৰ অভাৱ।

কপাহী স্বাৰ্থপৰ সুবিধোলোভী আৰু হৃদয়হীনা। দেহৰ ক্ষুধা নিবাৰণৰ কাৰণে কপাহীয়ে নাহৰ বচিৰত আৰু গুলচৰ জীৱনত অশান্তিৰ সৃষ্টি কৰিছে। তৰাৰ প্ৰেম থামবান হোৱাৰ মূলতেও আছে কপাহীৰ সুবিধালোভী মন। গুলচক পাবৰ কাৰণে তাই তৰাক অঁকৰা কুৰূচ বফিলৈ বিয়া দিয়াৰ নিখুঁট পৰিকল্পনা কৰিছে। এই পৰিকল্পনা ব্যৰ্থ হোৱাত তাই তৰাক সম্বলহীন দৰিদ্ৰ তিখৰলৈ দিয়াৰ কথা ভাবিছে। এইদৰে তৰাক গুলচৰ জীৱনৰ পৰা আঁতৰাবলৈ যাওঁতে ভাগ্যচক্ৰত পৰি কপাহীয়েই গুলচৰ জীৱনৰপৰা আঁতৰিব লগা হ'ল।

কপাহী চৰিত্ৰটো অংকন কৰোঁতে ঔপন্যাসিকে তেজীমলা সাধুটোৰ মাহীমাকৰ চৰিত্ৰটো সততে চকুৰ আগত ৰাখিছিল যেন ধাৰণা হয়। কপাহী যেন তেজীমলাৰ মাহীমাকজনীৰ আধুনিক ৰূপ। সতীয়া জীয়েক তেজীমলাক ধ্বংস কৰিবৰ কাৰণে মাহীমাকে যেনেকৈ বিভিন্ন কৌশল অৱলম্বন কৰিছিল কপাহীয়েও সতীয়া জীয়েক তৰাৰ সকলো সুখ-আনন্দ-প্ৰেম নিজৰ কৰি কাঢ়ি ল'বলৈ বিভিন্ন প্ৰকাৰৰ কূট-কৌশলৰ আশ্ৰয় লৈছিল। মালিকৰ কণ্ঠহাৰ উপন্যাসৰ আইকণৰ লগত কপাহীৰ সাদৃশ্য আছে আইকণে জীয়েক মৰিয়মৰ বিয়াৰ হাৰডাল চুৰ কৰি প্ৰেমিকৰ লগত পলাই গৈছিল। কপাহীৰ তৰাৰ প্ৰতি থকা ঈৰ্ষাৰ নিচিনাকৈ হয়তো আইকণৰ অৱচেতন মনতো গাভৰু জীয়েকৰ প্ৰতি ঈৰ্ষাৰ বীজ নিহিত আছিল।

পৰী

মালিকৰ মাটিৰ-চাকি উপন্যাসৰ এটা ভাললগা চৰিত্ৰ পৰী। অন্ধ ৰমজান বুঢ়াৰ কিশোৰী নাতিনীয়েক পৰী। ৰমজানৰ দুমহলীয়া কাঠৰ ভাড়া ঘৰটোৰ তলত এখন নিত্য প্ৰয়োজনীয় বস্তুৰ দোকান দুজনীয়া পৰিয়ালটোৰ একমাত্ৰ জীৱিকা।

কিশোৰী হ'লেও নানাকৰ সৈতে দুজনীয়া পৰিয়ালটোৰ পৰী গৃহিনী। অন্ধ নানাকক তাই দোকানৰ ইটো-সিটো বস্তু গ্ৰাহকক দি সহায় কৰি দিয়ে। ঘৰখনৰ ৰন্ধা-বঢ়া, ঘৰ পৰিষ্কাৰ কৰা আদি যাৱতীয় কামবোৰ কৰে। বৃদ্ধ নানাকৰ একমাত্ৰ অৱলম্বন তাই।

পৰী প্ৰগলভা কৰ্মপটু আৰু দায়িত্বশীলা। হঠাৎ এদিন পৰীহঁতৰ সান্নিধ্যলৈ আহিল শিল্পী হিৰণ্য। পৰীহঁতৰ ওপৰতলাৰ এটা মাত্ৰ কোঠাৰ ঘৰটো শিল্পী হিৰণ্যই ভাড়ালৈ ল'লে। ঘৰটোলৈ প্ৰথম অহাৰ দিনাই পৰীয়ে হিৰণ্যৰ মনৰ মাজত ঠাই কৰিল'লে। তাই হিৰণ্যৰ সৈতে লগলাগি কোঠাটো পৰিষ্কাৰ কৰিলে বেৰ-মজিয়া সাৰিলে ওপৰত লাগি থকা এলান্ধু-মকৰাজালবোৰ গুচালে। এনেকুৱা এজনী কৰ্মপটু ছোৱালীৰ লগত থাকিবলৈ পাই হিৰণ্য আনন্দিত হ'ল। ঘৰ পৰিষ্কাৰ কৰাৰ মাজতে তাই হিৰণ্যৰ কাৰণেও ভাত ৰান্ধি আহিল। আবেলিলৈ পৰী হিৰণ্যৰ অভিভাৱক হৈ পৰিল। কোনটো বস্তু ক'ত কেনেকৈ থব লাগে তাই হিৰণ্যক শিকাই দিলে, অথচ তাই নিজেও এজনী সৰু ছোৱালী। অন্ধ নানাকৰ ওপৰত অভিভাৱকত্ব খটুৱাত অভ্যস্ত পৰীয়ে হিৰণ্যৰ ওপৰতো অভিভাৱকত্ব খটুৱাবলৈ ধৰিলে।

কিশোৰী পৰীৰ চৰিত্ৰত ঔপন্যাসিকে এগৰাকী দায়িত্বশীলা মাতৃৰ বৈশিষ্ট্য আৰোপ কৰিছে। পৰীৰ ধাৰণা হ'ল যে হিৰণ্য ঘৰৰ ওচৰতে থাকিব আৰু তাৰ লগত আৰু কোনো নাই কাৰণে তাৰ থকা-খোৱাৰ সকলো দায়িত্ব তাইৰে। হিৰণ্যই তাই ৰন্ধা ভাত এসাজ খাইছে যেতিয়া সদায় দিয়াটো তাইৰ কৰ্তব্য। আবেলি চাহ দিবলৈ আহোঁতে যেতিয়া হিৰণ্যই তাইৰ লগত অলপ সময় কথা পাতিব খুজিলে, তাই তাক নিজৰ দায়িত্বৰ কথা সোঁৱৰালে— এতিয়া দোকানলৈ গ্ৰাহক আহিবৰ হৈছে। নানাই চকুৰে নেদেখে কাৰণে তাই দোকানত থাকিব লাগিব। হিৰণ্যক তাৰ দায়িত্বৰ কথা সোঁৱৰাই দিবলৈও পৰীৰ বাহিৰে কোনো নাই। নগৰত নমিতা চলিহাই পতা ভেৰাইটি শ্ব চাবলৈ তাই হিৰণ্যক মনত পেলাই দিছে। হিৰণ্য শ্ব চাবলৈ গ'ল কিন্তু আহোঁতে বতাহ বৰষুণৰ বাবে জবাৰ ঘৰত সোমাই থাকিবলগীয়া হ'ল। পৰীয়েই জাফৰৰ হাতত ছাটি দি হিৰণ্যক ঘৰলৈ আনিছে। এয়াই দৰদী পৰী। হিৰণ্যৰ প্ৰতি তাইৰ আছে এক মৰমভৰা অনুকম্পা। হিৰণ্যৰ ওপৰত তাইৰ অভিভাৱকত্বৰো অন্ত নাই। গধুলিকৈ কেনিবা যাবা নেকি? গ'লে সোনকালে আহিবা মই সদায় বহুত ৰাতিলৈকে বহি থাকিব নোৱাৰো। ছাতি লৈ যাবা বৰষুণ দিলে মই ছাতি দি থৈ আহিবগৈ নোৱাৰো।' পৰীৰ সকলো কথাতে অভিভাৱকৰ সুৰ। এদিন হিৰণ্যৰ ঘৰলৈ নমিতা চলিহা আহিল। পৰীয়ে ওপৰলৈ উঠিগৈ দেখিলে হিৰণ্যই পিন্ধি থকা গেঞ্জিটো ফটা। তাই লৰালৰিকৈ হিৰণ্যৰ গালৈ আলনাৰ পৰা এড়ীচাদৰ এখন দলিমাৰি দি আহিল ফটা গেঞ্জিটো ঢাকি ৰাখিবৰ কাৰণে। হিৰণ্যৰ আলহীক চাহ-তামোল দিয়াৰ দায়িত্বও পৰীৰ।

হিৰণ্য ঘৰত নথকা অৱস্থাত পৰী শিল্পী। হিৰণ্যৰ পৰা খুজি লোৱা ৰং আৰু তুলিকাৰে তাই ছবি আঁকে। তাই ফটা কাগজ ঘৰৰ দুৱাৰ হাতৰতলুৱা সকলোতে ছবি আঁকে। তাই আঁকা মানুহবোৰ দীঘল দীঘল কিম্ভূত-কিমাকাৰ হয়। চকু দিলে কাণ দিবলৈ ঠাইযেই নোজোৰে। নিজৰ ছবি চাই তাই নিজে নিজে হাঁহে। হিৰণ্যই কেনেবাকৈ দেখে বুলি তাই আঁকা সকলোবোৰ ছবি লুকুৱাই থয়। তাই নিজৰ ওপৰতে অসন্তুষ্ট

হয়। হিৰণ্যই যে আঁকিলেই ছবি হয় তাই আঁকিলে নহয় কিয়? সময় পলে পৰীয়ে নানাকৰ দোকানৰ দুৱাৰৰ দুপটাত দুখন ছবি আঁকে। এখন পটাত ৰঙালাউটোৰ নিচিনা থোপোকা এখন মুখ। তাইৰ মতে সেয়া হিৰণ্য। সদায় তাই তাত অলপ অলপ যোগ দিয়ে। পৰীৰ হাতৰ পৰশত হিৰণ্যই বিচিত্ৰ ৰূপ লয়। দুৱাৰৰ আনটো পটাত দীঘল একোচা চুলি, দুটা ডাঙৰ চকু আৰু এটা ভোটা নাকেৰে পৰীৰ ছবি। নানাকৰ দোকানৰ দুফালে দুই প্ৰহৰী। পৰীৰ বাহিৰে অন্য কোনেও সেই দুটা মানুহৰ ছবি বুলি ধৰিব নোৱাৰে।

পৰীৰ মানুহৰ প্ৰতি আছে অকৃত্ৰিম মৰম সহানুভূতি। পৰীৰ ঘৰৰ কাষতে ৰাধা থাকে। লগত বোবা সোণ। ৰাধাক সকলোৱে বেয়া পায বুলি তাই জানে। আনকি হিৰণ্যই ৰাধাৰ লগত মিলা-মিচা কৰিবলৈ নিদিলে। কিন্তু কিয ৰাধাবাইক সকলোৱে বেয়া পায় তাৰ কাৰণ পৰীয়ে বিচাৰি নেপায। পৰীৰ ধাৰণা ৰাধা বাযে দোকানৰ মাল দেখোন সদায় নগদ পইচা দি খায়। কিছুমান ভাল মানুহে আকৌ বাকীকৈ মাল নি পইচা নিদিযেই। তাইৰ মতে ৰাধাই দোকানৰ মাল পইচাদি নিয়ে কাৰণে তাই ভাল মানুহ। কিন্তু তাইৰ দৃঢ়বিশ্বাস যে হিৰণ্য ভাল মানুহ। তাইক মৰম কৰে কেতিয়াবা ৰং খুজিলে দিয়ে আৰু তাইৰ ছবিও আঁকে। পৰী সহানুভূতিশীলা। এদিন জবাৰ পৰীৰ ঘৰৰ সন্মুখতে ৰাস্তাত উজটি খাই তেজ ওলাল। তাই হিৰণ্যৰ কেঁঠাত জবাক বহুৱাই কাপোৰেৰে দৰব বান্ধি দিলে। জবাৰ টি বি হোৱা বুলি শুনি তাই চিন্তিত। হিৰণ্য জবাক লৈ চিকিৎসাৰ কাৰণে নাইনিতাললৈ যাব। জবাৰ চিকিৎসাৰ কাৰণে বহুত টকাৰ প্ৰয়োজন। গতিকে পৰীয়ে হিৰণ্যৰ ছবি জাফৰৰ হতুৱাই বেচি চুঙাৰ সাঁচতীয়া পইচাকেইটা উলিয়াই হিৰণ্যক দিছে।

পৰী অভিমানী। তাইক জাফৰে ভাল পাইছিল। এদিন নানাকৰ লগত জাফৰ আৰু মোস্তাকে পৰীৰ বিযাৰ কথা পাতি থকা শুনি তাই কান্দি কান্দি বিচনাত পৰিল। বিয়া সম্পৰ্কে তাইৰ স্পষ্ট ধাৰণা নাথাকিলেও তাইৰ ধুনীয়া মনটোৱে হিৰণ্যৰ নিচিনা এটা বেলেগ মানুহৰ কাৰণে প্ৰতীক্ষা কৰি আছিল। সেযে হিৰণ্যই অভিমান ভঙিবলৈ যাওতে পৰীৰ আব্দাৰ— 'তুমি আকৌ জবাকহে ভালপোৱা। হিৰণ্য জবাক লৈ নাইনিতাললৈ যাবলৈ ওলাল। পৰীয়ে নিজৰ সাঁচতীয়া যিমান টকা আছিল তাক দিলে হিৰণ্যৰ বস্তুবোৰ বান্ধি দিলে ষ্টেচনলৈ যাবলৈ জাফৰৰ হতুৱাই গাড়ীৰ যোগাৰকৰিলে। কিন্তু যাবৰ সময়ক মাত লগাই যাবলৈ হিৰণ্যই অভিমানী পৰীক বিচাৰি নেপালে। সদায ঘৰত থকা তাইৰ লগত কাজিযা কৰা ৰান্ধি-বাঢি খুউৱা মানুহ এজনহঠাৎ গুচি যাব— পৰীৰ কিশোৰী মনে হয়তো তাক মানি ল'ব নোৱাৰিলে। হিৰণ্য যেতিয়া ৰেলত উঠিল দূৰত দেখিলে সোণক লগতলৈ পৰীয়ে তালৈ অপলক দৃষ্টিৰে চাই আছে। হিৰণ্যৰ ছবিৰ ভাষাত— পৰীজনীৰ গাত জাতি ধৰ্ম সমাজ যুগ একোৰে বান্ধোন নাই। তাই সনাতন মানুহৰ প্ৰতিকৃতি।

অপৰাজিতা •

মালিকৰ **অমৰী আত্মাৰ কাহিনী** উপন্যাসৰ নায়িকা অপৰাজিতা। গুৱাহাটী চহৰৰ স্বৰ্ণলতা বৰুৱাৰ একমাত্ৰ কন্যা অপৰাজিতা বৰুৱা। অপৰাজিতাৰ পিতৃৰ সৰুতেই মৃত্যু হৈছিল— গতিকে দুখীয়া বিধৱা স্বৰ্ণলতাই বহু কষ্টত দুজনীয়া পৰিয়ালটো চলাইছিল। অপৰাজিতাৰ শৈশৱৰ প্ৰতিবেশী আছিল মন্ত্ৰী মন্মথ চৌধুৰী। প্ৰতিবেশী হ'লেও চৌধুৰীৰ ঘৰৰ লগত অপৰাইতৰ আহ যাহ নাছিল। ধনী-দুখীয়াৰ ব্যৱধানে দুযোটা পৰিয়া'ল নিলগাই ৰাখিছিল। কিন্তু চৌধুৰীৰ ল'ৰা-ছোৱালীকেইটাৰ লগত ওচৰৰে স্কুলৰ আগৰ পথাৰখনত খেলিছিল। এইদৰে খেলি থাকোঁতে শৈশৱতে অপৰাৰ জীৱনৰ প্ৰথম অঘটনটো ঘটিল। এদিন পথাৰখনত খেলি থাকোঁতে শশাংকৰ টাংগুটি লাগি অপৰাৰ এটা চকু ফুটিল। এজনী দৰিদ্ৰ বিধৱাৰ কন্যাৰ এটা চকু মন্ত্ৰীপুত্ৰ শশা.কই টা গুটি মাৰি নষ্ট কৰাত প্ৰতিবেশী কোনেও বিশেষ গুৰুত্ব নিদিলে। এজনী ধুনীয়া ছোৱালীয়ে এটা চকু হেৰুৱাই চিৰদিনৰ কাৰণে ঘৃণীয়া হ'ল। ডাঙৰ হৈ অহাৰ লগে লগে অপৰাই এযোৰ ক'লা চচমাৰে তাইৰ কণা চকুটো ঢাকি ৰাখিবলৈ যত কৰিলে।

মন্ত্ৰীপুত্ৰ শশা কই অপৰাৰ এটা চকু ঘৃণীয়া কৰাৰ পিছত একেজন মন্ত্ৰীৰে পুত্ৰ মৃগা.ক অপৰাৰ জীৱনলৈ আহিল তাইৰ যৌৱ' ঘৃণীয়া কৰিবলৈ। হাইস্কুলৰ ওপৰশ্ৰেণীত পঢ়ি থাকোঁতেই এদিন অপৰাৰ ঘৰৰ চোতালত খোজ পৰিল মৃগাংক চৌধুৰীৰ।

কলেজত না'লগাই লৈ মৃগাংকই তেতিয়া গুৱাহাটীত সংস্কৃতিৰ কাম কৰিছিল। অপৰূপা নাট্যগোষ্ঠীৰ যোগেদি নাট মঞ্চস্থ কৰিলে 'বিথোফেন সঙ্গীতায়ন'ৰ যোগেদি স.গীত সাধনাৰ পৰম্পৰা সৃষ্টি কৰিলে আৰু 'নটৰাজ নৃত্যালোকৰ যোগেদি নৃত্যৰ চৰ্চা আৰম্ভ কৰিলে। আলোচনীৰ যোগেদি গোটেই অসমতে অসমীয়া সংস্কৃতি প্ৰচাৰৰ দিহা কৰিলে তেতিয়া গুৱাহাটী চহৰত মৃগা.কক চিনি নোপোৱা মানুহ প্ৰায় নাছিল। হঠাৎ দুৱাৰমুখত তেনে এজন লোকক দেখি অপৰা কিছু অপ্ৰস্তুত হৈছিল, যিজন ডেকা মৃগা.ক কলেজীয়া ছোৱালীৰ কথাই নাই স্কুলীয়া ছোৱালীৰ আলোচনাৰ পাত্ৰ আছিল তেনে এজন ৰহস্যমধুৰ ডেকা দৱাৰমুখত সৌশৰীৰে উপস্থিত হোৱাত তাই বিব্ৰত হোৱাটোৱেই স্বাভাবিক আছিল। অপৰাৰ মাক ওলাই আহি মৃগা.কক অহাৰ কাৰণ সুধিলে। মৃগা.কই জনালে যে সি আহিছে শিল্পী অপৰাক বিচাৰি এখন নৃত্য-নাট্যৰ নায়িকাৰ ভূমিকাত অভিনয় কৰিবৰ কাৰণে। সেইদিনাৰ পৰাই গুৱাহাটীৰ সংস্কৃতিৰ জগতত এটা নতুন নক্ষত্ৰৰ আবিৰ্ভাৱ হ'ল— অপৰাজিতা বৰুৱাৰ। তাইৰ নিচিনা বহুমুখী প্ৰতিভাসম্পন্না এগৰাকী শিল্পী পাই চহৰৰ মানুহ ধন্য হ'ল। প্ৰতিভাৰ নতুন নতুন স্বীকৃতিয়ে দিয়ে তাইক নতুন প্ৰেৰণা উদ্দীপনা আৰু আত্মবিশ্বাস। মঞ্চত নিজক সুপ্ৰতিষ্ঠিতা কৰিবৰ কাৰণে অপৰাই নিজক বিলাই দিলে কলামোদী

দৰ্শকৰ মাজত অভিনয় শিল্পী হিচাপে আৰু নৃত্যশিল্পী হিচাপে। গুৱাহাটীৰ সংস্কৃতিৰ জগতত মৃগাংকৰ লগতে অপৰাজিতাও অপৰিহাৰ্য হৈ পৰিল।

মেট্ৰিক পাছ কৰি কলেজত নাম লগাই মৃগাংকক পালে কলেজৰ সাংস্কৃতিক সম্পাদক হিচাপে। শিল্পী হিচাপে কলেজতো অপৰা জানাজাত হৈ পৰিল। অপৰাৰ ঘৰৰ অৱস্থাৰ কথা বুজি পাবলৈ মৃগাংকৰসৰহদিন নেলাগিল। যেতিয়া সি দেখিলে যে অপৰাৰ সলাই পিন্ধিবৰ কাৰণেও দুসাজৰ বেছি কাপোৰ নাই অনুগ্ৰহ প্ৰকাশ কৰি অপমান কৰাতকৈ প্ৰতিটো অনুষ্ঠানৰ পাৰিতোষিক হিচাপে অনুষ্ঠানৰ ফালৰ পৰা দিয়া বুলি নিজৰ পৰাই বহুত টকা অপৰাৰ মাকক দিছিল। অপৰাৰ মাকে অপৰাৰ যোগেদিয়ে পৰিয়ালটোলৈ আৰ্থিক উন্নতি অহাত আনন্দ পাইছিল। সদায় মৃগাংকই গাড়ীলৈ অপৰাক শান্তিপুৰৰ ঘৰৰ পৰা লৈ গৈ অনুষ্ঠানৰ শেষত পুনৰ ৰাতি তাইক ঘৰত থৈ গৈছিল।

অপৰাৰ লগত শিল্পী হিচাপে মৰমৰ সম্পৰ্ক গঢ়ি তুলিলেও মৃগাংকৰ মনত তেতিয়ালৈকে অপৰাৰ প্ৰতি কোনো দুৰ্বলতা নাছিল। মৃগাংকৰ উদ্দেশ্য আছিল সমাজলৈ সংস্কৃতিৰ ক্ষেত্ৰত কিবা বৰঙণি আগবঢ়োৱা আৰু সেই উদ্দেশ্য সফল কৰিবলৈ সি অপৰাক শিল্পী হিচাপেহে বিচাৰিছিল। মৃগাংকৰ প্ৰেমৰ পাত্ৰী আছিল অপৰাতকৈ আগতে মৃগাংকৰ সাংস্কৃতিক জগতত সোমাই পৰা ৰচনা নামৰ ছোৱালীজনীহে। লাহে লাহে অপৰাই বুজিব পাৰিছিল যে শিল্পী হিচাপে মৃগাংকই তাইক বিচাৰিলেও তাৰ মৰমৰ পাত্ৰী ৰচনাহে। অপৰা ক্ষুণ্ণ হৈছিল আৰু মনতে ভাবিছিল যে তাইৰ চকু এটা বেয়া কাৰণেহে মৃগাংকৰ মৰম লাভ কৰিবলৈ সক্ষম হোৱা নাই। মৃগাংকৰ হৃদয়ৰ পৰা ৰচনাক অপসাৰিত কৰি তাত নিজৰ ঠাই কৰিবলৈ তাই নৃত্য-গীত-অভিনয়ত চৰম পাৰদৰ্শিতা প্ৰকাশ কৰাত একাণপটীয়াকৈ লাগিল। অপৰাৰ দিনে দিনে বাঢ়ি অহা সাফল্যৰ ৰচনাক নিস্প্ৰভ কৰি মৃগাংকৰ হৃদয়ত অপৰাই ঠাই কৰিলে। মৃগাংকৰ মঞ্চৰ নায়িকা ক্ৰমে হৃদয়ৰ নায়িকাহৈ পৰিল। জয়ৰ আনন্দত মতলীয়া অপৰাই নিৰ্ভয়ে আৰু নিঃসংকোচেৰে মৃগাংকৰ ওচৰত নিজক সমৰ্পন কৰিলে। ৰচনা নামৰ ছোৱালীজনী মৃগাংকৰ জীৱনৰ পৰা ক'ৰবাত হেৰাই গ'ল।

এই সময়তে অপৰাৰ জীৱনৰ চৰম অঘটনটো ঘটিল। এদিন জেপত এগাল টকা আৰু লগত অপৰাক লৈ মৃগাংক বম্বেমুখী ৰেলত উঠিল। বন্ধু-বান্ধৱক ক'লে যে অপৰাজিতাক বম্বেৰ চিনেমাত অভিনয় কৰিবৰ কাৰণে লৈ গৈছে। মৃগাংক আৰু অপৰা বম্বে পালেগৈ সঁচা কিন্তু চিনেমাৰ নায়ক-নায়িকা হ'বলৈ নহয় ডাক্তৰৰ সহায়ত অপৰাক অবাঞ্ছিত মাতৃত্বৰ কলঙ্কৰ পৰা ৰক্ষা কৰিবৰ কাৰণেহে। অপৰাই বম্বেত কি চিনেমাত কি অভিনয় কৰিবৰ কাৰণে গৈছে, এইকথা স্বৰ্ণলতা মৃগাংক আৰু অপৰাৰ বাহিৰে আন কোনেও নেজানিলে। কোনো কোনোৱে হয়তো সন্দেহ কৰিছিল কিন্তু সন্দেহ বিশ্বাসলৈ পৰিণত হ'বলৈ নৌপাওঁতেই তেওঁলোকে অসম

এৰিলে। আহি পাই মৃগাংকৰ প্ৰচেষ্টাত যেতিয়া অপৰাই প্ৰবঞ্চনা নামৰ নাটকখনত সুন্দৰ অভিনয় কৰি দেখুৱালে তেতিয়া তাইৰ সম্পৰ্কে অবাঞ্ছনীয় সন্দেহ প্ৰায় সকলোৰে মনৰ পৰা নোহোৱা হ'ল। ইয়াৰ কিছুদিনৰ পিছতে মৃগাংক গুৱাহাটী এৰি কলিকতালৈ গ'ল। অপৰা শৰীৰৰ অসুখ বুলি নাচ-গান-অভিনয়ৰ পৰা আঁতৰি থাকিল। মন্মথ চৌধুৰীয়ে পুতেকৰ কীৰ্ত্তিৰ কথা গম পাইছিল সেয়ে মন্ত্ৰীহে থাকোঁতে কিনি থোৱা চৌধুৰীবাৰী বাগিচাখন চলাবলৈ দি মৃগাংকৰ অপৰাৰ পৰা নিলগাই ৰাখিছিল।

সংস্কৃতি জগতত সোমাই প্ৰথম যৌৱনৰ আত্মবিকাশৰ সৌভাগ্যক নিষ্ঠুৰ অপমান কৰি অপৰা সচেতনহে পৰিছিল। কিন্তু তেতিয়াও মৃগাংকৰ প্ৰতি অপৰাৰ ভালপোৱা কমা নাছিল। মৃগাংকক অপৰাই অন্তৰেৰে ভাল পাইছিল আৰু তাই বুজি পাইছিল যে প্ৰধানতঃ আত্মৰক্ষা কৰিবৰ কাৰণেই সি ফাঁকিৰ আশ্ৰয় লৈছিল। অসংযমৰ পৰিণতি স্বৰূপে তেওঁলোকৰ প্ৰথম প্ৰেমৰ অবাঞ্ছনীয় সমাপ্তি ঘটিল। মৃগাংকৰ প্ৰণয়-গভীৰ প্ৰতিশ্ৰুতিবিলাকো তাই পাহৰি যাব পৰা নাছিল। ক্ৰমে অপৰাই এইকথা উপলব্ধি কৰিলে যে মৃগাংক প্ৰতিপত্তিশালী মন্ত্ৰীৰ পুত্ৰ। তাৰ ধন প্ৰভাৱ-প্ৰতিপত্তিৰ লগতে আছে উজ্জ্বল ভবিষ্যত। তাক তাই সামাজিকভাৱে নিজৰ কৰি পোৱাৰ আশা ক্ষীণ। কেবাখনো চিঠি দি যেতিয়া তাই মৃগাংকৰ কোনো উত্তৰ নেপালে তেতিয়া মৃগাংকৰ আশা বাদ দিবলৈ বাধ্য হ'ল।

অপৰাৰ মাকৰ স্বাস্থ্য ভাগি পৰিছিল। মাকৰ অসুস্থ অৱস্থাৰ কাৰণে তাই নাচ গান-অভিনয়ৰ পৰা আঁতৰি আহি দেশসেৱাৰ কামত মনোনিবেশ কৰিছিল। সেই সময়তে তাইৰ চিনাকি হ'ল বিপ্লৱী দেশকৰ্মী নিৰঞ্জনৰ লগত। নিৰঞ্জনে গতানুগতিক কথা নকৈ বিপ্লৱী দৃষ্টিভংগীৰে ডেকাচামক অনুপ্ৰাণিত কৰিছিল। নিৰঞ্জনৰ সান্নিধ্যলৈ আহি অপৰাই এক নতুন অভিজ্ঞতা লাভ কৰিলে। নিৰঞ্জন জ্ঞান বুদ্ধিত বয়সস্থ হ'লেও অনুভূতি ডেকা মানুহ। তেও আদৰ্শবাদী বিপ্লৱী হ'লেও যৌৱনৰ ধৰ্মক অস্বীকাৰ কৰিবলৈ প্ৰস্তুত নহয়। ভাৱ-সম্পদত ঐশ্বৰ্যশালী হ'লেও তেও আৰ্থিকভাৱে দুখীয়া স্বাধীনমনা আৰু আত্মবিশ্বাসী। প্ৰথমে নিৰঞ্জনে অপৰাক আদৰ্শ জগতৰ সহচৰী হিচাপে বিচাৰিছিল পিছলৈ বিচাৰিলে জীৱনৰ সহচৰী ৰূপে। নিৰঞ্জনৰ নিচিনা এজন ডেকাক আকৰ্ষণ কৰিব পৰাত অপৰা অভিভূত আৰু বিস্মিত হ'ল।

অপৰাই সহজ-সৰল নিৰঞ্জনক প্ৰৱঞ্চনা কৰিবলৈ বিচৰা নাছিল। নিজৰ স্বাৰ্থত আৰু নিৰঞ্জনকো হেৰুৱাব ভয়ত অপৰাই নিজৰ অতীত জীৱনৰ গোপন কথাখিনি তাক নকলে। অপৰাৰ মাকৰ স্বাস্থ্য দিনক দিনে পৰি আহিছিল। মাক জীয়াই থাকোতেই অপৰাই নিৰঞ্জনক বিয়া কৰাই গুৱাহাটীত মাকৰ লগতে থাকিল। বিয়াৰ ডেৰ বছৰৰ পিছত অপৰাৰ মাকৰ মৃত্যু হোৱাত নিৰঞ্জনে কাৰ্যক্ষেত্ৰ সলনি কৰি গুৱাহাটীৰ পৰা অপৰাক লৈ গুচি আহিল। বিয়াৰ তিনিবছৰমানৰ পিছলৈকে অপৰা-নিৰঞ্জনৰ দাম্পত্য জীৱন সুখৰেই আছিল। কিন্তু এদিন এক অসৰ্তক মুহূৰ্ত্তত অপৰাই মৃগাংকৰ লগত

হোৱা তাইৰ সম্পৰ্ক আৰু তাৰ ফলত মাতৃ হ'বলৈ ওলোৱাৰ কথা নিৰঞ্জনক কৈ দিলে। তাইৰ সেই ঘটনাৰ কথা শুনি সি মৰ্মান্তিক আঘাত পালে আৰু সকলো কথাতে নিস্পৃহ আৰু উদাসীন হৈ পৰিল। মৃগাংকৰ লগত অপৰাৰ দৈহিক সম্পৰ্কৰ কথা জনাৰ পিছৰ পৰা ক্ৰমে তাইৰ লগত নিৰঞ্জনৰ দৈহিক-মানসিক একো সম্পৰ্ক নোহোৱা হৈ গ'ল। দুয়ো একেটা ঘৰতে একেলগে থাকিও মানসিকভাৱে অঘৰী হৈ পৰিল।

নিৰঞ্জনৰ পত্নী হৈ থাকোঁতে পুনৰ অপৰাৰ মৃগাংকৰ লগত সম্পৰ্ক স্থাপন হ'ল। সমাজসেৱাৰ কামত লাগি থাকি অপৰাই বিভিন্ন সভা সমিতিত যোগদান কৰিছিল। মৃগাংকই পৰিচালনা কৰা চৌধুৰীবাৰী বাগিচালৈ চহৰৰ পৰা বেচি দূৰ নহয়। বনুৱা-কল্যাণৰ কামৰ লগতে মৃগাংকৰ লগ পাবলৈ তাই প্ৰায়ে চৌধুৰীবাৰী বাগিচালৈ যায়। মৃগাংকই অপৰাৰ প্ৰথম প্ৰেমিক আৰু তাই তাক এতিয়াও ভাল পায়। অপৰাই পুনৰ মৃগাংকৰ লগত দৈহিক সম্পৰ্ক স্থাপন কৰিলে। নিৰঞ্জনে মৃগাংকৰ লগত অপৰাৰ অতীত সম্পৰ্কৰ কথা যিদৰে জানে বৰ্ত্তমানৰ সম্পৰ্কৰ কথাও সেইদৰে জানে। কিন্তু অপৰা নেথাকিলে সি বৰ অসহায় অনুভৱ কৰে। কিন্তু থাকিলেও এক কৰুণ নিসংগতাৰ বেদনা অনুভৱ কৰে। ঔপন্যাসিকৰ ভাষাত— 'অপৰা যেন নিৰঞ্জনৰ কাৰণে এটা ৰুগ্ন হৃদপিণ্ড। ৰুগ্ন হ'লেও সেয়ে তেওঁৰ জীৱনৰ অৱলম্বন।'[৬১] মৃগাংকৰ ওচৰত নিজকে সমৰ্পন কৰিলেও অপৰা নিৰঞ্জনক এৰি যাবলৈ প্ৰস্তুত নহয়। ইচ্ছা কৰা হ'লে তাই নিৰঞ্জনক এৰি বৈধভাৱেই মৃগাংকৰ ওচৰত থাকিব পাৰিলেহেঁতেন। কাৰণ বিবাহ-বিচ্ছেদ তেতিয়া বৈধ হৈছে। কিন্তু তাই নেথাকিলে নিৰঞ্জনৰ জীৱনটো থানবান হৈ যাব। সেয়ে তাই নিৰঞ্জনক এৰিব নোৱাৰে। শশাংকক নিজৰ জীৱনৰ অতীত আৰু বৰ্ত্তমানৰ কাহিনীত তাইৰ অসুখী দাম্পত্য জীৱনৰ বিষয়ে কৈছে— 'আমি দুয়ো অসুখী খাউণ্ড আৰু মই। এই কথা আনে নেজানে নুবুজে। আপোনাৰ বাহিৰে আজিলৈকে মই কাকো কোৱা নাই। আমাৰ ঘৰুৱা জীৱনৰ বিষয়ে তেখেতক একো নুসুধিব দেই।'[৬২]

অপৰা অতিথিপৰায়ণা। নিৰঞ্জনৰ বন্ধু শশাংকক অচিনাকি যদিও প্ৰথম ঘৰলৈ আহোঁতে পুৰণি চিনাকিৰ নিচিনাকৈ সোধ পোচ কৰিছে। অনুসন্ধিৎসু মনেৰে শশাংকৰ জীৱনৰ কাহিনী শুনি তাই তাৰ প্ৰতি সমবেদনা জ্ঞাপন কৰিছে। অপৰাই জীৱনত শশাংকৰ নিচিনা কামনা-বাসনাৰ উৰ্দ্ধত থকা লোক পোৱা নাছিল। শশাংকৰ লগত কথা পাতি কেইদিনমান অন্তৰঙ্গভাৱে কটাই তাই অনুমান কৰিলে যে তাইক ককায়েকৰ নিচিনাকৈ নিৰাপত্তা দিব পৰা পুৰুষ শশাংকৰ বাহিৰে আৰু নাই। শশাংকৰ লগত অন্তৰঙ্গতা গঢ়ি উঠোঁতেই অপৰাই খবৰ পালে নিৰঞ্জনৰ মটৰ দুৰ্ঘটনা হৈছে। নিৰঞ্জনৰ মৃত্যু নিশ্চিত বুলি জানিও অপৰা গাড়ীত চিভিল হস্পিতেলত নিৰঞ্জনৰ খবৰ কৰিবলৈগৈ আৰু ঘূৰি নহাৰ মনোভাৱেৰে অঘৰী শশাংকৰ লগত নিজৰ কাপেৰ কানি কেইটা

সামৰি লৈ গুচি গ'ল।

বিভূতিভূষণ আৰু মালিকৰ চৰিত্ৰ-চিত্ৰণৰ তুলনামূলক অধ্যয়ন :

বিভূতিভূষণ আৰু মালিকৰ উপন্যাসৰ চৰিত্ৰ চিত্ৰণৰ তুলনামূলক বিচাৰত এটা কথা প্ৰতীয়মান হয় যে বিভূতিভূষণ আৰু মালিকৰ উপন্যাসৰ চৰিত্ৰ সামাজিক বাস্তৱ পটভূমিত গঢ়লৈ উঠা সংবেদনশীল মানুহ। বিভূতিভূষণে হয়তো অনুভৱ কৰে যে সামাজিক আবেষ্টনী আৰু পৰিৱৰ্ত্তনৰ প্ৰক্ৰিয়া মানুহৰ স্বাভাৱিক জীৱন যাপন আৰু সহজ-সৰল মানসিকতাৰে বিকাশত প্ৰতিকূল। গতিকে চৰিত্ৰৰ স্বাভাৱিক জীৱনৰ দিশটো চিত্ৰিত কৰিবলৈ যাওতে বিভতিভূষণে প্ৰায়ে নিৰ্বাচন কৰি লৈছে তেওঁৰ পৰিচিত প্ৰকৃতিৰ পটভূমিত গঢ় লোৱা সহজ সৰল গ্ৰাম্য জীৱন। মালিকৰ প্ৰায়বোৰ উপন্যাসৰ পটভূমি গ্ৰাম্য জীৱন যদিও তেওৰ চৰিত্ৰসমূহ প্ৰকৃতিতকৈ সমাজৰ লগতহে অধিক জড়িত আৰু সমাজ জীৱনৰ লগত ব্যক্তি জীৱনৰ সংঘাতৰ ফলত উদ্ভৱ হোৱা সমস্যা সংকট দুখ আৰু বিষাদৰ অনুভূতি তেওৰ চৰিত্ৰসমূহত প্ৰায়ে দেখা যায়।

বিভূতিভূষণৰ তুলনাত চৈয়দ আব্দুল মালিকৰ উপন্যাসৰ সংখ্যা অধিক আৰু চৰিত্ৰৰ পৰিসৰো বিস্তৃত। দুয়োজন ঔপন্যাসিকৰ উপন্যাসৰ প্ৰতিনিধিত্বমূলক কেইটামান চৰিত্ৰহে আলোচনাৰ মাজলৈ অনা হৈছে। বিভূতিভূষণৰ **পথেৰ-পাঁচালী** আৰু **অপৰাজিত** উপন্যাসৰ নায়ক অপুৰ লগত মালিকৰ **সূৰুযমুখীৰ স্বপ্নৰ** গুলচ চৰিত্ৰটোৰ সাদৃশ্য আছে। অৱশ্যে দুযোটা চৰিত্ৰৰ বৈসাদৃশ্যও নোহোৱা নহয। অপুৰ শৈশৱ কৈশোৰ আৰু যৌবনৰ কাহিনী দুযোখন উপন্যাসৰ বিষযবস্তু। মালিকৰ **সূৰুযমুখীৰ স্বপ্ন** উপন্যাসৰ নায়ক যুবক। অপুৰ শৈশৱ বৰ্ণনাই **পথেৰ-পাঁচালীৰ** বহুখিনি ঠাই আগুৰি থকাৰ নিচিনাকৈ গুলচৰ যৌৱনৰ প্ৰেম প্ৰীতি আৰু তাৰ স্বাৱলম্বনৰ কাহিনীয়ে **সূৰুযমুখীৰ স্বপ্নৰ** বহুখিনি ঠাই আগুৰি আছে। যৌৱনৰ প্ৰেম-প্ৰীতিৰে মালিকে গুলচ চৰিত্ৰটো ৰোমান্টিক কৰি গঢ় দিছে। অপুৰ জীৱনত প্ৰেমৰ প্ৰাধান্য নাই। কলেজীযা জীৱনত দুই-এগৰাকী নাৰীৰ প্ৰতি অপু আকৰ্ষিত হ'লেও তাৰ জীৱনত নাৰীপ্ৰেমৰ প্ৰবলতা কম। অপৰ্নাৰ লগত বিবাহো অপুৰ জীৱনত হঠাৎ ঘটা এটা ঘটনাহে। অপৰ্নাৰ মাজতো অপুৱে মৃত মাক আৰু বায়েক দুৰ্গাৰ প্ৰতিৰূপহে দেখবলৈ পাইছিল। গুলচৰ জীৱনত চেনীমাই কপাহী তৰা তিনিগৰাকী নাৰীৰ প্ৰেমৰ পয়োভৰ।

অপু আৰু গুলচ দুয়োজনেই প্ৰকৃতিপ্ৰেমিক। অপু দ্বিজ। তাৰ প্ৰথম জন্ম সৰ্বজযাৰ কোলাত দ্বিতীয় জন্ম প্ৰকৃতিৰ কোলাত। প্ৰকৃতিযেই তাৰ কাৰণে শিক্ষালয। নিশ্চিন্দিপুৰৰ প্ৰকৃতিযে তাৰ কাণত অমৃতৰ দীক্ষামন্ত্ৰ শুনাইছিল সেয়ে তাৰ উপনয়ন। নিশ্চিন্দিপুৰৰ চৰাইৰ মাতত ৰাতিপুওৱা দিনবিলাক অপুৰ গুৰুগৃহ। গুৰুগৃহত পোৱা শিক্ষাৰ দৰে প্ৰকৃতিযে অপুক দিছে সৰল কল্পনাদৃষ্টি। গুলচৰ প্ৰকৃতিপ্ৰিয়তাৰ মূলতে আছে তাৰ সৌন্দৰ্য্যপ্ৰিয় মন আৰু আপোনভোলা স্বভাৱ। বৰষুণৰ বতৰত জৰজৰীয়া

বৰষুণৰ টোপালবিলাক ধনশিৰি নদীৰ নীলা পানীত অবিৰামভাৱে পৰি হোৱা শব্দ আৰু সৌন্দৰ্য্যই তাক আপোনপহৰা কৰে। ধুনীয়া গছপাত এখিলা দেখিলেও সি তালৈ চাই কাম কৰিবলৈ পাহৰে। আকাশৰ বগা মেঘ এডোখৰৰ সৌন্দৰ্য্যই তাক অভিভূত কৰে হাবিৰ মাজৰ অচিন চৰাইৰ মাতে তাক ব্যাকুল কৰে। মালিকৰ **মাটিৰ চাকি** উপন্যাসৰ নায়ক হিৰণ্যও প্ৰকৃতিপ্ৰিয়। হিৰণ্যৰ শিল্পীমনে তাক প্ৰকৃতিৰ ওচৰ চপাই নিয়ে। বিভূতিভূষণৰ অপুৰ নিচিনাকৈ **দৃষ্টিপ্ৰদীপ**ৰ জিতুৱেও প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰি আত্মহাৰা হ'লেও প্ৰকৃতিৰ লগত একাত্মতা স্থাপন কৰিব পৰা নাই। নিজৰ মানসিক অশান্তি পাহৰি থাকিবৰ কাৰণেহে সি প্ৰকৃতিৰ নিৰ্জনতাৰ আশ্ৰয় লৈছে। **আদৰ্শ হিন্দু হোটেল**ৰ হাজাৰি ঠাকুৰে নগৰৰ কোলাহলৰ মাজত জীৱন কটালেও অৱসৰ পালেই বটতলাৰ নিৰ্জন প্ৰকৃতিত বিচৰণ কৰে।

বিভূতিভূষণৰ অপু চৰিত্ৰৰ অন্যতম বৈশিষ্ট্য সুদূৰতৃষ্ণা। আত্মীয়-স্বজনৰ বন্ধনৰ পৰা সি প্ৰতিমুহূৰ্ততে মুক্ত হৈ থাকিবলৈ বিচাৰে। সি ঘৰৰ বন্ধনভীৰু পথিক। আত্মীয়লোকে তাৰ সুদূৰপিয়াসী প্ৰাণবিহঙ্গমক শৃঙ্খলিত কৰিব পাৰে এয়ে তাৰ ভয়। বিবাহকো সি ভাবে সোণৰ শিকলি। সকলো প্ৰকাৰৰ বন্ধনকে সি ভয় কৰে। দেশে দেশে ভ্ৰমণ কৰি স্নি ভাল পায়। অপুৰ নিচিনকৈ মালিকৰ গুলচ সংসাৰবিৰাগী নহয়। সংসাৰৰ বন্ধন সি ভাল পায়। চেনীমাইক পলুৱাই নি সংসাৰৰ বন্ধনত সোমাবলৈ বিচাৰিছিল যদিও সি সফল নহ'ল। তৰাক বিয়া কৰাবলৈ গৈ কপাহীক ঘটনাক্ৰমে বিয়া কৰালে যদিও তাৰ কোনো আক্ষেপ নাই। ঘৰখনত কাম-বন কৰিবলৈ পথাৰত ৰোৱা-তোলা কৰিবলৈ মানুহ এজনী লাগে। কপাহীয়েই হওক বা তৰাই হওক। অপুৰ দৰে গুলচ ভ্ৰমণ প্ৰিয় নহয়। সি ডালিম গাঁৱৰ চাৰিসীমাৰ মাজতে আবদ্ধ থাকি ঘৰ আৰু খেতি পথাৰৰ কামত আত্মনিয়োগ কৰিছে। চেনীমাইৰ ৰুগ্ন স্বামীৰ চিকিৎসাৰ কাৰণে সি এবাৰেই মাত্ৰ ডালিমগাঁৱৰ নিকটৱৰ্ত্তী গোলাঘাট চহৰলৈ গৈছে।

বিভূতিভূষণৰ অপু কল্পনাপ্ৰৱণ। অপুৱে গোটেই দিনটো হাবিৰ মাজৰ বাটেৰে ঘুৰি ফুৰি সি নিজকে কেতিযাবা ৰাজপুত্ৰ কেতিয়াবা ধপাতৰ দোকানী কেতিযাবা ভ্ৰমণকাৰী কেতিয়াবা যাত্ৰাদলৰ বীৰৰ লগত কল্পনা কৰি আনন্দ পায়। অপুৰ কল্পনাত পাৰ্থিৱ বস্তুতকৈ অপাৰ্থিৱ বস্তুৰহে প্ৰাধান্য অধিক। গুলচ কল্পনাপ্ৰৱণ হ'লেও তাৰ কল্পনা বৈষযিক। তাৰ কল্পনাত আছে এখন সুন্দৰ ঘৰ লহপহকৈ বাঢি অহা শস্যৰ পথাৰ আৰু সৌন্দৰ্য্যশালী নাৰী।

সুনীলকুমাৰ চট্টোপাধ্যায়ে **পথেৰ-পাঁচালী** আৰু **অপৰাজিত**ৰ অপুৰ লগত Roman Rollandৰ **Jean Christophe** উপন্যাসৰ জাঁ ক্ৰিস্তফ চৰিত্ৰটোৰ সাদৃশ্য বিচাৰি পাইছে। তেওঁৰ মতে অপু আৰু জাঁ ক্ৰিস্তফ এহাতে যেনেকৈ কেন্দ্ৰীয় চৰিত্ৰ আনহাতে উভয়েই শৈশৱৰ পৰা সহজাত সৌন্দৰ্যবোধৰ অধিকাৰী আৰু উত্তৰজীৱনত দুয়ো বিপুল সুখ-দুখৰ অভিজ্ঞতাৰে পৰিণত। বিভূতিভূষণে **পথেৰ-পাঁচালী**ত যেনেকৈ

হৰিহৰ-অপু আৰু কাজল এই তিনিপুৰুষৰ কাহিনী বিবৃত কৰিছে, ৰ'মাঁ ৰোলাৰ জাঁ ক্ৰিস্তফতো জাঁ ক্ৰিস্তফ জাঁ মাইকেল আৰু মেল শিয়ল এই তিনিপুৰুষৰ কাহিনী আছে। অপুৱে এডাল বেঁকা কাঠ লৈ অভিনয় কৰি যেনেকৈ আনন্দত আপোন পাহৰা হয় জাঁ ক্ৰিস্তফেও এডোখৰ ভগা কঠৰ টুকুৰা পালে তেনেকৈ আনন্দত আপোনপাহৰা হয়। অপু আৰু পটুৰ বন্ধুত্বৰ লগত জাঁ ক্ৰিস্তফ আৰু অটোৰ বন্ধুত্ব তুলনীয়।'[৬৩]

বিভূতিভূষণৰ নাৰী চৰিত্ৰৰ সৰ্বপ্ৰধান বৈশিষ্ট্য হৈছে তেওলোকৰ স্নিগ্ধ মতৃত্ব। স্নেহ পৰায়ণতাই বিভূতিভূষণৰ নাৰী চৰিত্ৰসমূহৰ মূল উপাদান। সৰল মমতাময়ী সংসাৰী দ্বন্দ্বহীনা আৰু একনিষ্ঠা বাংলাদেশৰ কন্যা তেওৰ উপন্যাসৰ নায়িকা। পাৰিপাৰ্শ্বভেদে বাহ্য সাজ-পোচাকৰ তাৰতম্য থাকিলেও ভিতৰি তেওঁলোক একে চিৰন্তন স্নেহময়ী মাতৃ। সৰ্বজয়া অপৰ্না দুৰ্গাৰ পৰা শৰৎ, মানী ভিনুলৈকে সকলো নাৰী চৰিত্ৰই সতী-সাধ্বী একনিষ্ঠা প্ৰেমিকা আৰু স্নিগ্ধ সৰলতাৰ প্ৰতীক। সেৱানিপুণতা মঙ্গল আকাংক্ষা গৃহস্থীৰ কল্যাণসাধন দুখত সহানুভূতিশীলা আৰু কৌতুকপূৰ্ণ হাস-পৰিহাসত অপুৰ মাক আৰু পত্নী অপৰ্না একে। লীলা আধুনিক শিক্ষাৰে শিক্ষিতা আৰু অভিজাত পৰিয়ালৰ হ'লেও তাই সহজ-সৰল আৰু সহানুভূতিশীলা। বিভূতিভূষণৰ অবৈধ প্ৰেমিকাসকলো সংসাৰী সেৱানিপুনা আৰু সহজ-সৰল।

বিভূতিভূষণৰ নাৰী চৰিত্ৰসমূহে সংসাৰ বন্ধনত সদায় আবদ্ধ থাকিবলৈ বিচাৰে। তেওৰ নাৰী চৰিত্ৰ গৃহগত প্ৰাণা সংসাৰৰ স্নেহ-মমতাৰে মহীয়ান আৰু পৰিয়লৰ কল্যাণকামী। বিভূতিভূষণৰ সকলো নাৰী চৰিত্ৰই বিচাৰে সীমিত স্বাচ্ছন্দ্যৰে নিজৰ সংসাৰৰ ৰাজৰাণী হ'বলৈ। দেৱীমূৰ্ত্তিৰ মহিমাময় স্নিগ্ধ সৌন্দৰ্য্য নদীপাৰৰ সেউজীয়া গছ-লতা আৰু বনফুলৰ দৰে সৰলতা আৰু কমনীয়তা বিভূতিভূষণৰ প্ৰায় সকলো নাৰী চৰিত্ৰৰ উমৈহতীয়া বৈশিষ্ট্য। তেওৰ দৃষ্টিত সকলো নাৰীয়েই খাঁটি বাংলা কন্যা।

চৈয়দ আব্দুল মালিকৰ উপন্যাসত বিচিত্ৰ নাৰী চৰিত্ৰই আত্মপ্ৰকাশ কৰিছে। ঐশ্বৰ্যময়ী প্ৰতিহিংসাপৰায়ণা প্ৰবঞ্চিতা ছলনাময়ী প্ৰেমিকা আনকি বিপথগামী নাৰীজীৱনৰ চিত্ৰও তেও উপন্যাসত অংকন কৰিছে। মালিকৰ উপন্যাসৰ নাৰী চৰিত্ৰৰ বিষয়ে ছবিঘৰ উপন্যাসৰ মীৰ্জা আৰিফৰ ভাষাৰেই ক'ব পাৰি— 'নাৰী চৰিত্ৰৰ সকলো বৈশিষ্ট্য ৰূপাক কেন্দ্ৰকৰি মীৰ্জাই চিত্ৰিত কৰিবৰ প্ৰয়াস কৰিলে। মুক্তনাৰী বন্দিনী নাৰী সুৰূপা নাৰী কুৰূপা নাৰী অভিজাত নাৰী, দৰিদ্ৰ নাৰী সধৱা নাৰী বিধৱা নাৰী সতী প্ৰতিভা প্ৰগতিশীলা, সংৰক্ষণশীলা, পুণ্যাত্মা পাপাত্মা নাৰী একক ব্যক্তিৰূপে আৰু নাৰী বৃহৎ সমাজৰ অংগ হিচাপে।'[৬৪] মীৰ্জা আৰিফৰ এই উক্তি যেন মালিকৰ নিজৰ উক্তি।

বিভূতিভূষণৰ উপন্যাসৰ নাৰী চৰিত্ৰৰ স্নেহময়ী মাতৃৰূপ মালিকৰ উপন্যাসত প্ৰায় নাই। মাতৃচৰিত্ৰও মালিকৰ উপন্যাসত কেতিয়াবা দায়িত্বহীনা আৰু কেতিয়াবা

অবৈধ মাত্ৰ। মালিকৰ নাৰী চৰিত্ৰত মনৰ সমস্যাৰ লগে লগে দেহৰ সমস্যাও প্ৰকট হৈ পৰে। এনে সমস্যা বিভূতিভূষণৰ উপন্যাসত অনপস্থিত। মালিকৰ দৃষ্টিভংগীত নাৰীৰ যৌন জীৱনৰ সমস্যা বেছিকৈ ধৰা পৰিছে। ড০ কৰবী ডেকা হাজৰিকাৰ ভাষাৰেই ক'ব পাৰি— ধনী দুখীয়া আধুনিক আৰু অশিক্ষিত সকলো নাৰীৰ ভিতৰখন একে। প্ৰেমৰ হেপাহ কামনাৰ দাহ আৰু অপত্য স্নেহৰ স্পৃহাই সকলো শ্ৰেণীৰ নাৰীক এটা নিৰ্দ্দিষ্ট বৃত্তৰ ভিতৰলৈ আনে। ভাল আৰু বেয়াৰ অৰ্থ মালিকৰ ৰচনাত এক হৈ পৰিছে। তেওঁ ভদ্ৰঘৰৰ নাৰীৰ অমাৰ্জিত মন আৰু বাৰাংগনা নাৰীৰ বহল হৃদয়ৰ পৰিচয় সমান মনোযোগিতাৰে দিছে।"[৬৫]

বিভূতিভূষণৰ **পথেৰ-পাঁচালী** আৰু **অপৰাজিতৰ** প্ৰধান নাৰী চৰিত্ৰ সৰ্বজয়া। সৰলতা সৰ্বজয়া চৰিত্ৰৰ অন্যতম বৈশিষ্ট্য। মালিকৰ **জীয়া জুৰিৰ ঘাট** উপন্যাসৰ কণমাই তেনে এটি চৰিত্ৰ। মালিকৰ **সূৰুযমুখীৰ স্বপ্নৰ** কপাহী সহজ-সৰল গ্ৰাম্য পৰিৱেশত ডাঙৰ দীঘল হ'লেও সৰলতাতকৈ কুটিলতাহে চৰিত্ৰটোৰ লক্ষণীয় বৈশিষ্ট্য। কপাহী চৰিত্ৰৰ সকলোতকৈ উল্লেখনীয় বৈশিষ্ট্য হৈছে তাইৰ সুবিধাভোগী ৰূপ। নাহৰৰ লগত সংসাৰ কৰি বটিৰতৰ ধনৰ মোনা দেখি ভোলগৈ তাৰ লগত গোপন সম্পৰ্ক কৰিছিল। তঁৰাক দেখুৱাই গুলচক ঘৰ লগাই অৱশেষত চক্ৰান্ত কৰি নিজেই তাৰ লগত বিয়া হ'ল। বিভূতিভূষণৰ সৰ্বজয়াই বিয়াৰ পিছত স্বামী হৰিহৰ দহবছৰ দেশান্তৰ হৈ থাকিলেতো সতী-সাধ্বী তিৰোতাৰ নিচিনাকৈ পিতৃগৃহত স্বামীৰ কাৰণে প্ৰতীক্ষা কৰিছিল। কাশীত থাকোঁতে কাষৰ ঘৰৰ নন্দবাবুৰ কামুক দৃষ্টিৰ পৰা ৰক্ষা পাবলৈ প্ৰতিবেশী পাঞ্জাবী মহিলাগৰাকীৰ ঘৰত আশ্ৰয় লৈছিল। ঈৰ্ষাপৰায়ণা গুণত কপাহী বিভূতিভূষণৰ **আদৰ্শ হিন্দু হোটেলৰ** পদ্ম চৰিত্ৰৰ তুলনীয়।

বিভূতিভূষণৰ **পথেৰ-পাঁচালী** উপন্যাসৰ দুৰ্গা আৰু মালিকৰ **মাটিৰ চাকিৰ** পৰী চৰিত্ৰ দুটাৰ সাদৃশ্য লক্ষণীয়। দুৰ্গা আৰু পৰী দুয়ো কিশোৰী। দুয়োগৰাকী কিশোৰী স্নেহশীলা। দুৰ্গাই ভায়েক অপুক স্নেহেৰে আৱৰি ৰাখে। ইন্দিৰ ঠাকৰুণ পটু অন্নদা ৰায়ৰ পুত্ৰবধূ আনকি গৰুৰ গাড়ীত পতিগৃহামুখী অচিনাকি কন্যাগৰাকীৰ প্ৰতি দুৰ্গাৰ স্নেহৰ অন্ত নাই। পৰীয়ে তাইৰ ভাড়াঘৰত থকা হিৰণ্যক মৰম কৰে অন্য মানুহে বেয়া পোৱা বেশ্যা ৰাধা বোবা সোণ জাফৰ জবা আৰু মোস্তাক সকলোৰে প্ৰতি আছে তাইৰ দৰদভৰা অনুকম্পা। দুৰ্গা আৰু পৰী দুয়ো কাৰোবাৰ অভিভাৱকত্ব কৰি ভাল পায়। দুৰ্গাই অপুক লৈ বনে-জংঘলে বিচৰণ কৰিলেও সকলো সময়তে অভিভাৱকত্ব খটুৱায়। পৰীয়ে শিল্পী হিৰণ্যৰ অভিভাৱকৰ দায়িত্ব গ্ৰহণ কৰে।

স্নেহশীলা দুৰ্গাই যেতিয়া বয় সন্ধিৰ কালত নীৰেনক দেখাৰ কাৰণে ব্যগ্ৰ হয় লাজত তলমূৰ কৰে আৰু অহেতুক আনন্দত অধীৰ হয় তেতিয়া কিশোৰী দুৰ্গাৰ লগত পাঠকৰ নতুনকৈ পৰিচয় হয়। নীৰেনৰ দৃষ্টিৰে পাঠকেও দেখা পায় নিৰ্জন গ্ৰাম্য প্ৰান্তত প্ৰস্ফুটিত বন্যাফুলৰ স্নিগ্ধতাযুক্ত দুৰ্গাৰ ডাঙৰ চকুৰ সৌন্দৰ্য্য। মালিকৰ

কিশোৰী পৰীয়ে প্ৰেম ভালপোৱাৰ অৰ্থ বুজি নেপালেও তাইক বিয়া কৰাবলৈ বিচৰা জাফৰৰ মৰম নেওচি শিল্পী হিৰণ্যৰ মৰমৰ মাজত জীয়াই থাকিবলৈ বিচাৰে।

দুৰ্গা আৰু পৰী চৰিত্ৰৰ পাৰ্থক্যও নোহোৱা নহয়। দুগাই দিনটো হাবিয়ে বননিয়ে ঘূৰি ফুৰি ফলমূল সংগ্ৰহ কৰে। লোকৰ বাৰীৰ আম-কঠাল বিচাৰি অনাটোৱেই দুৰ্গাৰ কাম। ঘৰত তাই এগছ কুটা দুগছ নকৰে। দুৰ্গাৰ তুলনাত পৰী বহুখিনি গৃহিনী। অন্ধ নানাকৰ দোকানৰ সীমিত উপাৰ্জনেৰে তাই ঘৰখনৰ বন্ধা বঢ়া কৰি দুজনীয়া পৰিয়ালটো চলায়। তাই হিৰণ্যৰ চাহ ভাতৰো যোগান ধৰে। হিৰণ্যৰ কোঠাটো পৰিপাটিকৈ সজায়। পৰী ঘৰৰ চাৰিবেৰৰ মাজতে আবদ্ধ দুৰ্গাৰ দৰে প্ৰকৃতিৰ লগত তাইৰ যোগসূত্ৰ নাই। দুৰ্গাৰ আছে লগৰ লগৰীয়াৰ লগত খেলাৰ আৰু নতুন নতুন খেল উদ্ভাৱনৰ দুৰন্ত শক্তি। খেলা ধূলা কাজিয়া সকলোতে তাই পাকৈত পৰীয়ে আজৰি পালে হিৰণ্যৰ পৰা খুজি লোৱা ৰং, তুলিকাৰে ঘৰৰ দুৱাৰ চকী মেজ সকলোতে তাইৰ অপৈণত হাতেৰে ছবি আঁকে।

বিভূতিভূষণ আৰু মাণিক দুয়োজন ঔপন্যাসিকৰ উপন্যাসৰে নাৰী চৰিত্ৰসমূহ অপৰূপ দৈহিক সৌন্দৰ্য্যৰ অধিকাৰী। বিভূতিভূষণৰ নাৰী চৰিত্ৰৰ দৈহিক কমনীয়তাৰ লগতে মানসিক কমনীয়তাও অন্যতম বৈশিষ্ট্য। মাণিকৰ দৈহিক সৌন্দৰ্য্যৰে সৌন্দৰ্য্যশালী সকলো নাৰীয়েই মানসিক সৌন্দৰ্য্যৰ অধিকাৰী নহয়। মাণিকৰ উপন্যাসৰ সৰহ সংখ্যক সুন্দৰী নাৰীয়েই চৰিত্ৰহীনা আৰু নিয়ন্ত্ৰণহীনা। সমাজে স্বীকাৰ নকৰা অবৈধ কামৰ মাজতেই এইবিলাক নাৰীয়ে পায় তৃপ্তি। ফ্ৰয়েদীৰ মনোবিজ্ঞানে এনেবোৰ চৰিত্ৰ সৃষ্টিত সহায় কৰিছে। অৱশ্যে তাৰ মাজতো সূৰুযমুখীৰ স্বপ্নৰ তৰা জীয়া জুৰিৰ ঘাটৰ চাৰা জেতুকা পাতৰ দৰে উপন্যাসৰ ৰাধা আদি চৰিত্ৰসমূহ আপোন সৌন্দৰ্য্যৰে জিলিকি আছে। নিষিদ্ধ অঞ্চলৰ নাৰী চৰিত্ৰও মাণিকে সহৃদয়তাৰে অংকন কৰিছে।

এইখিনি আলোচনাৰ ভিত্তিত দেখা যায় যে মাণিকৰ উপন্যাসৰ চৰিত্ৰসমূহ বিভূতিভূষণৰ উপন্যাসৰ চৰিত্ৰতকৈ বিভিন্ন আৰু বিচিত্ৰ ৰূপত আত্মপ্ৰকাশ কৰিছে

দ্বিতীয় অধ্যায়ৰ পাদটীকা

১। M Turnel The Novel in French P 6

২। What is character? But the determination of incident What is incident? But the illustration of character
Henry James Theory of the Literature P 216

৩। Plot and character are the language for novelist employs to express the discoveries about life
Walter Allen Reading a Novel P 22

৪। It is the epic of the struggle of the individuals against sosciety against nature

Ralph Fox The Novel and the People, P 82

৫। Art does not prove It only depicts
S C Sen The art of Bernard Show P 47

৬। 'শিল্পসম্মতভাৱে সজাইতোলা কাল্পনিক মানুহৰ ভাবমূৰ্ত্তিয়ে উপন্যাসৰ চৰিত্ৰ।

৭। "In truth character is what a person is
Welster– New international Dictionary of English Language P 461

৮। ডক্টৰ মহেন্দ্ৰ বৰা সাহিত্য আৰু সাহিত্য পৃ ৩০ ৩১

৯। Type character are easily remembers by the readers afterwards They remain in his mind as unalterable for the reason that they wear not change bycircumstances
E M Foster Aspects of the novel P 77

১০। এনেবোৰ চৰিত্ৰৰ গুণ গৰিমা পূৰ্বনিৰ্দ্দিষ্ট। চাৰিচকু চুটিমাজি কাটি থোৱা বিধৰ।
ডক্টৰ মহেন্দ্ৰ বৰা সাহিত্য উপক্ৰমণিকা পৃ ১৫৬

১১। The Test of a round character is whether it is capable of sursrising in a convincing way If it never surprises it is flat It is does not convince it is a flat Pretending to be round
E M Foster Aspect of the novel P 86

১২। ডক্টৰ প্ৰহ্লাদ কুমাৰ বৰুৱা উপন্যাস পৃ ৩৫

১৩। জবাহৰ সিংহ হিন্দীকে আঞ্চলিক উপন্যাসোকি শিল্পবিধি পৃ ১২৮

১৪। "জীৱনেৰ প্ৰতি নিষ্ঠা না থাকলে জীৱনকে সত্য-সত্য ভালবাসতে না জানলে কবি যদি বা হওয়া চলে কথা সাহিত্যিক বিশেষ কৰে ঔপন্যাসিক কদাপি হওয়া সম্ভব নয়।
সাহিত্য ও সাহিত্যিক বোপদেব শৰ্মা পৃ ৮৯

১৫। বিভূতি ৰচনাৱলী প্ৰথম খণ্ড পৃ ১৩২ পথেৰ পাঁচালী

১৬। বিভূতি ৰচনাৱালী প্ৰথম খণ্ড পৃ ৫১ ৫২ পথেৰ পাঁচালী

১৭। 'বড হইলেই সব হইবে। অগ্ৰসৰ হইলেই সকল সুযোগ সুবিধা পথেৰ মাঝে কুডইয়া পাইবে। এখন শুধু বড হইবাৰ অপেক্ষা মাত্ৰ। স বড হইলে তাহাৰ সাদৰ আমন্ত্ৰণ আসিবে। সে জগৎ জানাৰ মানুষ চেনাৰ দিগ্বীজয়ে যাইবে।

পৃ ১৫১ বিভূতি ৰচনাৱালী প্ৰথম খণ্ড।

১৮। বিভূতি ৰচনাৱালী প্ৰথম খণ্ড পৃ ১৩২ পথেৰ পাঁচালী।

১৯। পথ তো আমাৰ শেষ হয়নি পথ আমাৰ চলে গেল সামনে। শুধুই সামনে। দেশ ছেড়ে বিদেশৰ দিকে সূৰ্যোদয ছেড়ে সূৰ্য্যাস্তৰ দিকে জানাৰ গণ্ডী এডিয়ে অপৰিচয়ৰ উদ্দেশ্য সে পথেৰ বিচিত্ৰ আনন্দযাত্ৰাৰ অদৃশ্য তিলক তোমাৰ ললাটে পাৰিযেই তে তোমায ঘৰছাডা কৰে এনেছি, চল এগিয়ে যাই।

পৃ ১৮০ বিভূতি ৰচনাৱালী প্ৰথম খণ্ড পথেৰ পাঁচালী।

২০। 'কত কি মনে আসিল অগ্ৰ এক মুহূৰ্ত্তেৰ জন্যে। আতুৰী ডাইনী - নদীৰ ঘাট তাহাদেৰ কোঠাবাড়ীটা ৰাণুদি কত বৈকাল কত দুপৰ কত দিনেৰ হাসিখেলা পটু দিদিৰ কত না মেটা সাধ।

বিভূতি ৰচনাৱালী প্ৰথম খণ্ড, পৃঃ ১৪২

২১। 'দিদি যাবা গেলেও দুজনেৰ খেলাকৰাৰ পাথঘাটে বাশঁবনে আমতলায় সে দিদিকে যেন এতদিন কাছে, কাছে পাইয়াছে দিদিৰ অদৃশ্য স্নেহস্পর্শ ছিল নিশ্চিন্দিপুৰেৰ ভঙা কোঠাবাৰীৰ প্রতি গৃহ কোনে আজ কিন্তু সত্য সত্যই দিদিৰ সহিত চিৰকালেৰ ছাড়াছাৰি হইয়া গেল।

পূর্বোক্ত গ্রন্থ পৃ° ১৪২

২২। বিভূতি ৰচনাৱালী প্রথম খণ্ড পৃ ১৪৭ পথেৰ পাঁচালী।

২৩। বিভূতি ৰচনাৱালী দ্বিতীয় খণ্ড পৃ ১৩৪ অপৰাজিত।

২৪ বিভূতি ৰচনাৱালী দ্বিতীয় খণ্ড পৃ ১২৪ অপৰাজিত।

২৫। ঠিক এইভাবেই কথা বলিত মা। অপুৰ অদ্ভুত মনে হয় মায়েৰ মত স্নেহশীলা সেবাপৰাযণা সেই ৰকম অন্তর্যামিনী বার্ধক্যেৰ কর্মক্লান্ত মা যেন ইহাৰই নবীন হাতে সকল ভাৰ সপিযা দিয়া চলিযা গিয়াছেন।

বিভূতি ৰচনাৱালী দ্বিতীয় খণ্ড পৃ ১৪৮ অপৰাজিত।

২৬। এই জ্যোৎস্নাৰাতে আমাৰ কেৱল মনে হয আমি আৰ সে সব জিনিচি দেখি নে। অতদিন দেখিনে। যখন চিনতে শিখিনি তখন ৰোগভোবে যাকে ভয় কৰেছি এখন তা হাৰিযে বুঝছি কি অমূল্য সম্পদ ছিল তা জীৱনে।

বিভূতি ৰচনাৱালী, তৃতীয় খণ্ড পৃ ৪৬

২৭। বঙ্গ সাহিত্যে উপন্যাসেৰ ধাৰা পৃ ৬১২

২৮। বিভূতি ৰচনাৱলী চতুর্থ খণ্ড পৃ ৮

২৯। পদ্ম দিদি তাহাৰ পায়েৰ উপৰ উপুৰ হৈয়া পডিযা পায়েৰ ধুলা লইতেছে। এমন এটা দৃশ্য কল্পনা কৰিবাৰও দু সাহস কখনো তাহাৰ হয নাই। কোন সৌভাগ্য বাকী ৰহিল তাৰ জীৱনে?

বিভূতি ৰচনাবালী চতুর্থ খণ্ড পৃ. ১২৯

৩০। বিভূতি ৰচনাৱলী চতুর্থ খণ্ড পৃ ৬৩

৩১। 'আজকাল তাহাৰ আৰও মনে হয় যে বুটী ডাইনী সাতকুলখাগীটাকে তাহাৰ মেয়ে যেন তাহাৰ চেয়েও ভালবেসে। হিংসাতো হয়ই ৰাগও হয়। পেটেৰ মেয়েকে পৰ বাৰিয়া দিতেছে

বিভূতি ৰচনাবালী প্রথম খণ্ড পৃ ৯৫

৩২। বিভূতি ৰচনাৱলী প্রথম খণ্ড পৃ ২৭

৩৩। চেলেমেযেকে খাওযাইতে অমুকেৰ গাছেৰ কলাৰ কাঁদিতা অমুকেৰ গাছেৰ শৰাটা লুকাইয়া ৰাখিতে তক্তাপোষেৰ তলায়।

বিভূতি ৰচনাবালী, দ্বিতীয় খণ্ড, পৃ ৩৩

৩৪। বিভূতি ৰচনাৱলী, দ্বিতীয় খণ্ড পৃ ১০২

৩৫। 'আম-কঠালেৰ সময়ে একটা আম-কঠাল ঘৰে নেই। মেয়েটা কাদেৰ বাৰী থেকে আজ দুটো আধপচা আম নিয়ে এল এই ঘৰেৰ দোৰ থেকে ঝুৰি ঝুৰি আম পেড়ে নিয়ে যায় বাচাবা আমাৰ চেয়ে চেয়ে দ্যাখে - এ কি কং কষ্ট। ।

বিভূতি ৰচনাবালী প্রথম খণ্ড পৃ ৪৩

৩৬। একটা সাধ আছে অপু-বটাঠাকুৰেৰ দৰুণ নিশ্চিন্দিপৰেৰ বাগানখানা তই মানুষ হয়ে যদি নিতে পাৰতিস ভূবন মুখুয্যেদেৰ কাছ থেকে।

বিভূতি ৰচনাৱালী প্ৰথম খণ্ড পৃ ৯১

৩৭। বিভূতি ৰচনাৱলী প্ৰথম খণ্ড পৃ ১৬৭

৩৮। বেচতো সংসাৰ গুচাইয়া উঠিতেছে। আৰ বছৰ কযেক পৰে চেলেৰ বিবাহ। তাৰ পৰা একঘৰ মানুষেৰ মন মানুষ।

বিভূতি ৰচনাৱালী দ্বিতীয় খণ্ড পৃ ১৫

৩৯। বিভূতি ৰচনাৱলী চতুৰ্থ খণ্ড পৃ ১৩০

৪০। সূৰুযমুখীৰ স্বপ পৃ ২৭

৪১। সূৰুযমুখীৰ স্বপ্ন পৃ ১০

৪২। সূৰুযমুখীৰ স্বপ্ন পৃ ৯

৪৩। 'বৰ ধুনীয়া বাঘবোৰ দেখিবলৈ। তাৰ গা চুই হাত ফুৰাই মৰম কৰিবৰ মন যায। ঢেকীয়াপতীযাব গাৰ ৰঙটো চতুক লগা। বাঘে তাঁলৈ অকণো ভয নকৰে সিও বাঘলৈ ভয নকৰে। বাঘে গৰুহে খায় মানুহ নেখায়। বাঘলৈ গুলচৰ বৰ মৰম'

সূৰুযমুখীৰ স্বপ্ন পৃ ৯

৪৪। সূৰুযমুখীৰ স্বপ্ন পৃ ৯

৪৫। সূৰুযমুখীৰ স্বপ্ন পৃ ৫৫

৪৬। সূৰুযমুখীৰ স্বপ্ন পৃ ২৯

৪৭। 'সি যেন চকুৰ আগত দেখিলে— ধনশিৰিখন তাৰ মাটিৰ পৰা আঁতৰি দূৰে দূৰে বৈছে। তাৰ মাটি দিনক দিনে ওখ হৈ গৈছে। বাও শালি আহুৰে তাৰ পথাৰ নদন-বদন হৈছে। লহপহীয়া সেউজীয়া শইচেৰে তাৰ পথাৰ ভৰি পৰিছে। তৰাই ধান দাইছে-কপাহীয়ে ধান দাইছে— সি ডাঙৰী বান্ধিছে বিৰিয়াত সি পথাৰৰ পৰা ঘৰলৈ নিছে মেটমৰা ডাঙৰীৰ ভাৰ। ন'ভজা ধানৰ গোন্ধত ঘৰ চোতাল আমোলমোলাই উঠিছে।

সূৰুযমুখীৰ স্বপ্ন পৃ ৬০

৪৮। 'তিৰোতা এজনী ঘৰখনত লাগে— কপাহীয়েই হওক বা অন্যই হওক কোনেনো সিংহাসনত তুলি থ'ব?

সূৰুযমুখীৰ স্বপ্ন পৃঃ ১১৬

৪৯। সূৰুযমুখীৰ স্বপ্ন পৃ° ১২৫

৫০। ডেকাহাজৰিকাৰ ড কৰবী সাহিত্য আৰু চিন্তা পৃঃ ৭৬

৫১। কটকী ড প্ৰফুল্ল স্বাধীনোত্তৰ অসমীয়া উপন্যাস পৃ ১৬

৫২। 'হিৰণ্যাই বিজ্ঞানৰ কথা ভবা নাই মানুহৰ ৰাজনীতিৰ কথা ভবা নাই। প্ৰকৃতি মানুহতকৈ বহুত বেছ ডাঙৰ প্ৰকৃতি মানুহতকৈ বেছি সুন্দৰ বেছি ৰহস্যময় সৃষ্টিৰ আদিম স্পৰ্শৰ বোলা প্ৰকৃতিৰ প্ৰতিটো ৰেখাৰ ওপৰত বিয়পি আছে, ৰাতিৰ ৰহস্য দিনৰ বৈচিত্ৰ্য অৰণ্যৰ আদিম গন্ধ আকাশৰ নিবিড় মৌনতা— এইবোৰতকৈ জীৱনৰ চঞ্চলতা বেছি অৰ্থপূৰ্ণ নহয়।'

মাটিৰ চাকি পৃঃ ১১৫

৫৩। মাটিৰ চাকি পৃ ১৫৯
৫৪। মাটিৰ চাকি পৃ ১৮
৫৫। মাটিৰ চাকি পৃ ৫১
৫৬। মাটিৰ চাকি পৃ ১৬৮
৫৭। মাটিৰ চাকি পৃ ১৬৭
৫৮। অঘৰী আত্মাৰ কাহিনী পৃ ৮৫
৫৯। সূৰুযমুখীৰ স্বপ্ন পৃ ৫৩
৬০। সূৰুযমুখীৰ স্বপ্ন পৃ ১২৫
৬১। অঘৰী আত্মাৰ কাহিনী পৃ ১৪৯
৬৩। চট্টোপাধ্যায় সুনীলকুমাৰ বিভূতিভূষণ জীৱন আৰু সাহিত্য পৃ ২৫৭
৬৪। ছবিঘৰ পৃ ৩৬
৬৫। গৰীয়সী অষ্টম বছৰ ষষ্ঠ সংখ্যা মাৰ্চ ২০০১ গৰীয়সী ৩৮

তৃতীয় অধ্যায় ঃ
বিভূতিভূষণ আৰু মালিকৰ উপন্যাসত প্ৰকৃতি

বিভূতিভূষণৰ প্ৰকৃতি চেতনাৰ উৎস ঃ

বিভূতিভূষণৰ সাহিত্যত প্ৰকৃতিয়ে উচ্চ স্থান পাইছে। ৰোমাণ্টিক কবিসকলৰ পক্ষে ই নতুন কথা নহয় আৰু কথাশিল্পী বিভূতিভূষণো প্ৰকৃত প্ৰীতিৰ ক্ষেত্ৰত ৰোমাণ্টিক কবিসকলৰ সমদৃষ্টিৰ। ৰোমাণ্টিক প্ৰকৃতিপ্ৰীতিৰ সাধাৰণ লক্ষণসমূহ বিভূতিভূষণৰ সাহিত্যতো বিদ্যমান। প্ৰাচীন কবিসকলৰো যে প্ৰকৃতিপ্ৰেম নাছিল এনে নহয়। কিন্তু প্ৰাচীন কবিৰ প্ৰকৃতিদৃষ্টি আৰু আধুনিক ৰোমাণ্টিক কবিৰ প্ৰকৃতিদৃষ্টিৰ মাজত বহুত পাৰ্থক্য আছে। বিভূতিভূষণৰ প্ৰকৃতিচেতনা ৰোমাণ্টিক কবিৰ প্ৰকৃতিচেতনাৰ লগত তুলনীয়।

প্ৰাচীন কালত প্ৰকৃতিৰ প্ৰতি মানুহৰ প্ৰেমৰ লগতে ভয়ভাব থকাটোৱেই স্বাভাৱিক আছিল। মানুহে তেতিয়া প্ৰকৃতিক নিজৰ দক্ষতাৰে আৰু বুদ্ধিৰে অনুকূল কৰি ল'ব পৰা নাছিল। বিজুলী-বৰষুণ ধুমুহা-ভূমিকম্প আদি প্ৰকৃতিৰ ৰুদ্ৰৰূপে মনুহৰ অস্তিত্বৰ ওপৰত প্ৰতি মুহূৰ্ততে আঘাত হানিছিল। এই অৱস্থাত প্ৰকৃতিৰ প্ৰতি প্ৰীতিৰ সলনি ভীতি ওপজাটোৱেই মানুহৰ কাৰণে স্বাভাৱিক আছিল। তেতিয়া মানুহৰ প্ৰকৃতিৰ লগত সম্পৰ্ক মৈত্ৰীৰ নহয় বৈৰীৰ আছিল। আদিম মানুহৰ প্ৰকৃতিৰ প্ৰতীক দেৱতাৰ কল্পনাৰ ভয়ংকৰত্বৰ মাজত সেই ভয় ভাৱৰ কিছু পৰিচয় পোৱা যায়।

মানৱ সভ্যতাৰ অগ্ৰগতিৰ লগে লগে বিশেষকৈ কৃষি সভ্যতাৰ আৰম্ভণিৰ পৰাই প্ৰকৃতিৰ লগত মানুহৰ মৈত্ৰীৰ সম্পৰ্ক স্থাপিত হ'ল। মানুহে নিজৰ বুদ্ধিৰ বলেৰে প্ৰকৃতিক নিজৰ সহায়িকা কৰি তুলিলে। প্ৰকৃতিৰ মাজত নিষ্ঠুৰ হিংস্ৰ সত্বা তেতিয়া তেওলোকৰ দৃষ্টিগেচৰ নহৈ কোমল কৰুণাময় এটা প্ৰাণক আৱিষ্কাৰ কৰিলে। আদিকবি বাল্মীকি আৰু কালিদাসৰ সাহিত্যত এই দৃষ্টিৰ শ্ৰেষ্ঠ প্ৰকাশ দেখা যায়। প্ৰকৃতি আৰু মানুহৰ আত্মীয়তাৰ বাণী পোন প্ৰথমতে এই দুজন সাহিত্যিকৰ সাহিত্যতেই পোৱা যায়। কিন্তু বাল্মীকি আৰু কালিদাসৰ প্ৰকৃতিদৃষ্টিৰ লগত আধুনিক ৰোমাণ্টিক কবিৰ প্ৰকৃতিচেতনাৰ পাৰ্থক্য আছে। অৱশ্যে মানুহৰ জীৱনযাত্ৰাৰ পৰিবৰ্ত্তনৰ লগে লগে প্ৰকৃতিৰ প্ৰতি দৃষ্টিভংগীৰো সলনি হৈছে।

আধুনিক মানুহ প্ৰকৃতিবিচ্ছিন্ন আৰু সমাজৰ জটিলতা আৰু কৃত্ৰিমতাৰে জটিল আৰু কৃত্ৰিম। এই কৃত্ৰিম বাতাবৰণৰ পৰি মুক্তি পাবৰ কাৰণে তেওঁলোকে প্ৰকৃতিলৈ প্ৰত্যাৱৰ্তন কৰিব বিচাৰে। এই প্ৰত্যাৱৰ্তন প্ৰৱণতাৰ উদ্দেশ্য মানুহক প্ৰকৃতিমুখী কৰি তোলে। প্ৰাচীন মানুহৰ প্ৰকৃতিক মানুহকৰি তোলাৰ প্ৰৱণতা (Humanize of Nature)

আছিল আৰু আধুনিক মানুহৰ প্ৰৱণতা মানুহক প্ৰকৃতিমুখী (Naruralize of Man) কৰি তোলা। অৱশ্যে এয়া সাধাৰণ প্ৰৱণতাহে ইয়াৰ ব্যতিক্ৰমো নোহোৱা নহয়। প্ৰাচীন কবি কালিদাসৰ মেঘদূত কাব্যত মেঘক দূত কৰি বিৰহী যক্ষই প্ৰিয়ালৈ বাৰ্ত্তা পঠাইছিল। এয়া প্ৰকৃতিক মানুহ কৰাৰ প্ৰৱণতা। একেজন ভাৰতীয় কবি কালিদাসেই **অভিজ্ঞান শকুন্তলমত** প্ৰকৃতিক অত্যন্ত সূক্ষ্মভাৱে মানবীয় অনুভূতিৰে মানুহ কৰি তুলিছে। ৰোমাণ্টিক কবি Wordsworth ৰ লুচি মানুহ হৈও প্ৰকৃতিৰ অংশবিশেষ। বঙ্কিমচন্দ্ৰৰ **কপাল-কুণ্ডলাও** অৰণ্যসত্বা। ৰবীন্দ্ৰনাথৰো এই প্ৰৱণতা আছে। বিভূতিভূষণৰ **পথেৰ-পাঁচালীৰ** অপুকো নিশ্চিন্দিপুৰৰ প্ৰকৃতিৰ পৰা বিচ্ছিন্ন কৰি চাব নোৱাৰি।

বাংলা সাহিত্যত ৰোমাণ্টিক প্ৰকৃতিচেতনাৰ উদ্ভৱকাল উনবিংশ শতাব্দী। তাৰ আগতে প্ৰকৃতিক বাৰমাহৰ গতানুগতিকতাৰ খাতিৰত অথবা কোনো ৰীতিৰক্ষাৰ খাতিৰত বৰ্ণনা কৰা হৈছিল। সাহিত্যৰ আংগিক আৰু বিষয়বস্তুৰ পুনৰাবৃত্তিত যেনেকৈ মধ্যযুগৰ বাঙালী সাহত্যিকৰ ক্লান্তি নাই প্ৰকৃতিৰ সৌন্দৰ্য্য বৰ্ণনাতো তেওঁলোক অক্লান্ত। কিন্তু এই বৰ্ণনাসমূহৰ অধিকাংশই এটা পটভূমি মাত্ৰ শিল্পীমনৰ ভাব অনুভতিৰে প্ৰাণৱন্ত নহয়। উনবিংশ শতাব্দী পাশ্চাত্যৰ সংস্পৰ্শৰ যুগ গতানুগতিকতাৰ বিৰুদ্ধে বিদ্ৰোহৰ যুগ আৰু ব্যক্তি স্বাতন্ত্ৰ্যৰ উদ্বোধনৰ যুগ। তেতিয়াৰ ৰোমাণ্টিক কবিসকলে পাশ্চাত্য কবিসকলৰ পৰা প্ৰেৰণা লাভ কৰিছিল। বঙ্গৰ উনবিংশ শতিকাৰ কবি-সাহিত্যিকসকলে ৰোমাণ্টিক কবিসকলৰ প্ৰেৰণাত পুৰণি সংস্কাৰ বৰ্জন কৰাৰ দু সাহস লৈ অগ্ৰসৰ হ'ল আৰু প্ৰকৃতিৰ মাজত আত্মবিলীন কৰি কাব্য ৰচনা কৰিবলৈ অনুপ্ৰাণিত হ'ল।

বিভূতিভূষণে তেওৰ প্ৰকৃতিপ্ৰেম পৰম্পৰাগত ভাৰতীয় মনৰ পৰাই লাভ কৰিছে। উপনিষদৰ যুগত ঋষিসকলে অৰণ্যক আশ্ৰয় কৰি সাধনাৰ জীৱন-যাপন কৰিছিল যদিও তেওলোক জীৱনবিমুখ নাছিল। বিভূতিভূষণৰ কবিসত্বা উপনিষদৰ ঋষিসকলৰ দৰেই অৰণ্যপালিত। তেও বানপ্ৰস্থ গমন কৰি অধ্যাত্মচিন্তাত প্ৰকৃতিৰ মাজত কাল কটোৱা নাছিল যদিও সেউজীয়া প্ৰকৃতিৰ মাজত তেওঁৰ প্ৰকৃতিপ্ৰেমে পৰিপুষ্টি লাভ কৰিছিল। বিভূতিভূষণৰ উপনিষদৰ লগত পৰিচয় হৈছিল প্ৰধানত৹ ৰবীন্দ্ৰ সাহিত্যৰ যোগেদি। প্ৰকৃতপক্ষে বাংলা সাহিত্যত উপনিষদৰ প্ৰভাৱ পৰে ৰবীন্দ্ৰ সাহিত্যৰ মাজেদি। বিভূতিভূষণে মনে-প্ৰাণে প্ৰকৃতিৰ সৌন্দৰ্য্য উপভোগ কৰিছে আৰু মাজে মাজে পৰম-পুৰুষৰ লগত এক প্ৰকৃতিৰ সংযোগ অনুভৱ কৰি আপ্লুত হৈছে। বিভূতিভূষণৰ প্ৰকৃতি প্ৰেমৰ অন্যতম প্ৰেৰণা ৰবীন্দ্ৰ সাহিত্য। কেৱল বিভূতিভূষণেই নহয়, ৰবীন্দ্ৰনাথৰ ওচৰত সেই সময়ৰ বাঙালী কবি শিল্পীসকলৰ ঋণৰ বোজা বিপুল। এইকথা প্ৰকৃতিৰ প্ৰসঙ্গত ৰবীন্দ্ৰনাথৰ প্ৰভাৱ সম্পৰ্কে বিভূতিভূষণে বিশদভাৱে লিখিছে—

প্ৰকৃতিৰ বিপুলতা আৰু ৰহস্যকে আমৰা ৰবীন্দ্ৰনাথেৰ মাঝখানে প্ৰথম চিনতে শিখি। ৰবীন্দ্ৰনাথেৰ নৱ দৃষ্টিভংগীৰ প্ৰত্যেক জিনিসটি নতুন কৰে দেছেন বিশ্ব মানবেৰ সঙ্গে বিশ্ব প্ৰকৃতিৰ যোগসূত্ৰ আবিষ্কাৰ কৰছে।"[১] Wordsworth ক কেন্দ্ৰ কৰি ইংৰাজী

সাহিত্যৰ ৰোমাণ্টিক কবিৰ প্ৰভাৱত বাংলা সাহিত্যত প্ৰকৃতি উপাসনা আৰম্ভ হয়। উনবিংশ শতিকাৰ বাংলা গীতি-কবিতাৰ মাজতেই প্ৰকৃতিচেতনাৰ আত্মপ্ৰকাশে সুস্থ অৱলম্বন বিচাৰি পায়। প্ৰকৃতিৰ লগত সচেতনভাৱে আত্মিক সম্বন্ধ স্থাপন উনবিংশ শতিকাৰ নতুন বাংলা কবিতাৰ এটা প্ৰধান বৈশিষ্ট্য। কবি বিহাৰীলালৰ কবিতাত প্ৰথমতে খাঁটি প্ৰকৃতিগত চিত্ৰই সাৰ্থক ৰূপ পায়। ৰবীন্দ্ৰনাথৰ ৰচনাত মুখ্যতঃ কবিতাত হ'লেও কথাসাহিত্যৰ ক্ষেত্ৰতো প্ৰকৃতিচেতনা বিশ্বচেতনা আৰু আধ্যাত্মিক চেতনাৰ লগত গ্ৰন্থিতহৈ বাংলা সাহিত্যক ভাৱ-কল্পনাৰ ক্ষেত্ৰত মূল্যৱান কৰি তুলিছে। বিভূতিভূষণে ৰবীন্দ্ৰনাথৰ প্ৰকৃতিৰ মাজত যি বিপুল ৰহস্যৰ সন্ধান পাইছিল সিয়ে তেওঁৰ প্ৰকৃতিবোধৰ অন্যতম উৎস। প্ৰকৃতিৰ অনিৰ্বচনীয় বিপুলতা আৰু ৰহস্যময়তাৰ বাৰ্ত্তা নিবেদনৰ কাৰণে বিভূতিভূষণ ব্যাকুল।

ৰবীন্দ্ৰনাথতকৈ বিভূতিভূষণৰ প্ৰকৃতিপ্ৰেম কিছু সুকীয়া বৈশিষ্ট্যসম্পন্ন। ৰবীন্দ্ৰনাথৰ সাহিত্যত প্ৰকৃতিপ্ৰেম বিশ্বপ্ৰকৃতিৰ অনুভূতিৰ মাজেদি বিশ্বদেৱতাৰ কল্পনাত প্ৰতিষ্ঠিত হৈছে। বিভূতি সাহিত্যত প্ৰকৃতি সৌন্দৰ্য্য বৰ্ণনা প্ৰকৃতিমুগ্ধতাত মূৰ্ত্তহৈ উঠিছে। বিভূতিভূষণ প্ৰকৃতিপ্ৰেমত বিহ্বল। শিশুৰ কাৰণে মাক যেনেকৈ সুন্দৰ বিভূতিভূষণৰ কাৰণে প্ৰকৃতি তেনেকৈ সুন্দৰ।

ৰবীন্দ্ৰনাথৰ সাহিত্যত আছে বিমূৰ্ত্ত সৌন্দৰ্যপ্ৰৱণতা। বিভূতিভূষণৰ সাহিত্যত আছে প্ৰকৃতিত জীৱনৰসৰ সন্ধান। সেই কাৰণেই ৰবীন্দ্ৰনাথ'ৰ কল্পনাত পদ্মানদী শেষত **বলাকাত** বৃহৎনদীত পৰিণত হৈছে। বিভূতিভূষণৰ প্ৰথম উপন্যাস **পথেৰ-পাঁচালী** ইছামতী নদীৰ বৰ্ণনাৰে আৰম্ভ হৈ সেই ইছামতী নদীৰে বৰ্ণনাৰেই **ইছামতী** উপন্যাস শেষ হৈছে। বিভূতিভূষণক ৰবীন্দ্ৰনাথৰ প্ৰকৃতিয়ে আৰম্ভণিতে প্ৰেৰণা যোগালেও পিছলৈ তেওঁৰ কবিচিত্তত এনে এক মাধুৰ্যময় মায়ালোকৰ সৃষ্টি কৰিছে যে ৰবীন্দ্ৰসাহিত্যতো তাৰ সন্ধান পোৱা নাযায়।

প্ৰকৃতিৰ মাজত এক নিগূঢ় প্ৰাণসত্ত্বাৰ বিশ্বাসত বিভূতিভূষণ আৰু ৰবীন্দ্ৰনাথৰ প্ৰধানতঃ মিল থাকিলেও বিভূতিভূষণৰ প্ৰকৃতিৰ কিছু অমিল আছে। ৰবীন্দ্ৰনাথৰ প্ৰকৃতি বিভিন্ন ঋতুত আপোন বৈচিত্ৰ আৰু সৌন্দৰ্য্য লৈ গাঁৱৰ জনজীৱনৰ কাষে কাষে এক সহানুভূতিশীল মুক আত্মীয়ৰ দৰে অৱস্থান কৰে। তেওঁৰ সাহিত্যত মানুহ আৰু প্ৰকৃতি পৰস্পৰে পৰস্পৰৰ সম্পূৰক। এফালে পদ্মানদীতীৰৱৰ্ত্তী মুক্ত পথাৰ আৰু পুষ্পিত গছ-বনলৈ সমগ্ৰ প্ৰকৃতি আৰু আনফালে বন্ধনভীৰু বালক তাৰাপদ আৰু মূক বালিকা শুভাকলৈ সমগ্ৰ মানৱজীৱন। ইয়াত কাকোৱেই স্বতন্ত্ৰ বা স্বয়ংসম্পূৰ্ণ বুলি ভবা নহয়। বিভূতিভূষণৰ সাহিত্যত নিশ্চিন্দিপুৰৰ গাঁও প্ৰকৃতিৰ লগত অপুৰ নিবিড় সম্পৰ্কৰ মাজেদি মানুহৰ লগত প্ৰকৃতিৰ আত্মীয়তা উপলব্ধি কৰিব পাৰি। কিন্তু তাৰ লগে লগে বিভূতি সাহিত্যৰ **অপৰাজিত আৰণ্যক বনে-পাহাৰে** প্ৰভৃতি ৰচনাত প্ৰকৃতিৰ আৰু এটা ৰূপও প্ৰকাশিত হৈছে। সেই ৰূপ-সৌন্দৰ্য্যই ঋতুৰে

ঋতুৰে ৰং পৰিবৰ্ত্তন কৰে, অৰণ্য পশু-পক্ষীক লৈ এক স্বয়ংসম্পূৰ্ণ মনুষ্য নিৰপেক্ষ সজীৱ প্ৰকৃতিৰ ৰূপ গ্ৰহণ কৰে। বিভূতিভূষণৰ এই মানৱসম্পৰ্ক নিৰপেক্ষ আৰু প্ৰকৃতিৰ খুঁটিনাটি বৰ্ণনাৰ প্ৰবৃত্তি ৰবীন্দ্ৰসাহিত্যতো অনুপস্থিত। প্ৰকৃতিৰ প্ৰতি দুয়োজনৰ দৃষ্টিভংগী ৰোমাণ্টিক হ'লেও ৰবীন্দ্ৰনাথৰ প্ৰকৃতিচেতনা দাৰ্শনিক আৰু তত্ত্বাশ্ৰয়ী। প্ৰকৃতিৰ সৌন্দৰ্য্যৰচনাত তেওঁ চিন্তাশীল আৰু পৰিমাৰ্জিত। বিভূতিভূষণৰ প্ৰকৃতি-সৌন্দৰ্য্য বৰ্ণনাত বিস্ময় প্ৰকাশ পাইছে। প্ৰকৃতিচেতনাত বিভূতিভূষণ বিস্মিত আৰু মুগ্ধ এজন চিৰকিশোৰ। ফলত সৌন্দৰ্য্যৰচনাত তেওঁ অকৃত্ৰিম আৰু কম-বেছি পৰিমাণে অপৈনত।

উনৈশ শতিকাৰ ইংৰাজ ৰোমাণ্টিক কবি গোষ্ঠীৰ মাজত প্ৰকৃতিৰ আধ্যাত্মিক আৰু সাধাৰণ মানুহৰ সুখ-দুখৰ প্ৰতি অন্তদৃষ্টি ক্ষেত্ৰত বিশেষকৈ Wordsworth ৰ লগত বিভূতিভূষণৰ কিছু মিল দেখা যায়। নিশ্চিন্দিপুৰৰ সেউজীয়া প্ৰকৃতি আৰু ইছামতী নদীৰ নিৰ্জন তীৰ এই সকলোৰে মাজত **পথেৰ-পাঁচালী**ৰ অপু ডাঙৰ হৈছে। বিভূতিভূষণৰ অপুৰ লগত Wordsworth ৰ 'Prelude ৰ 'There was a boy ৰ তুলনা কৰিব পাৰি। কুলু কুলু ঝৰ্ণাৰ গান তৰাৰ ভাষা অপুৰ নিচিনাকৈ তাৰো অন্তৰত প্ৰৱেশ কৰিছে। অপু চৌবিছ বছৰৰ পিছত কাজলক লৈ পুনৰ নিশ্চিন্দিপুৰলৈ ঘূৰি অহাক বিভূতিভূষণে 'অপৰাজিত জীৱন ৰহস্য [২] আখ্যা দিছে। তেনেকৈ Prelude তো Wordsworth ৰ মনত তেনে ভাবৰে উদয় হৈছে।[৩] নিশ্চিন্দিপুৰৰ গাঁৱৰ সেউজীয়া প্ৰকৃতি ফুলকিয়া-বাইহাৰ-লবটুলিয়াৰ অৰণ্য প্ৰকৃতি উভয় প্ৰকৃতিতেই বিভূতিভূষণৰ যেনেকুৱা প্ৰকৃতিসত্বাৰ স্পৰ্শ আছে, Wordsworth ৰ কিশোৰ নায়কৰ দৃষ্টিটো একেই প্ৰকৃতিসত্বা প্ৰকাশ পাইছে। বিভূতিভূষণৰ সাহিত্যৰ প্ৰকৃতিৰ লগত যি মানৱমমতাৰ স্পৰ্শ আছে, Wordsworth ৰ সাহিত্যতো সি বিদ্যমান। Wordsworth ৰ লগত বিভূতিভূষণৰ প্ৰকৃতিপ্ৰীতিৰ বাহিৰেও অন্য এটা মৌলিক কথাত সাদৃশ্য আছে। বিভূতিভূষণৰ নিচিনাকৈ Wordsworth ৰ প্ৰকৃতি এক পৰম ঐশীচেতনা আৰু ভাগৱতী অস্তিত্বৰে স্পন্দিত। অকল কল্পনাদৃষ্টিতে নহয় মৰমী প্ৰকৃতিৰ গভীৰ তত্ত্বদৃষ্টিতো দুয়োজন সাহিত্যিকৰে মিল আছে। Wordsworth ৰ লগত বিভূতিভূষণৰ প্ৰকৃতি দৃষ্টিৰ যেনেকৈ মিল আছে তেনেকৈ কিছু অমিলো আছে। অবিমিশ্ৰিত মুগ্ধদৃষ্টিত বিভূতিভূষণৰ কাৰণে প্ৰকৃতি য'ত পৰম বিস্ময় Wordsworth ৰ সাধুদৃষ্টিত প্ৰকৃতি কেতিয়াবা কেতিয়াবা নীতিবাদী শিক্ষক। সেয়ে Wordsworth ৰ বাণী 'Let nature be your teacher। বিভূতিভূষণে প্ৰকৃতিপ্ৰেমীৰ নিচিনাকৈ অৰণ্যপ্ৰান্ত আৰু গছ-লতাৰ সৌন্দৰ্য্য যেনেকৈ কৰিছে, Wordsworth এ আধ্যাত্মতত্ব সৰ্বস্ব বৰ্ণনা তেনেকৈ কৰিব পৰা নাই।

প্ৰকৃতি সম্বন্ধে আলোচনাৰ ক্ষেত্ৰত ইংৰাজ ৰোমাণ্টিক কবিগোষ্ঠীৰ মাজত Wordsworth ৰ প্ৰসঙ্গ যেনেকৈ আছে, তেনেকৈ ইংৰাজী কথা সাহিত্যত প্ৰকৃতিৰ

ৰূপময়তা প্ৰকাশত যি দুজনৰ প্ৰসঙ্গ আহে তেওঁলোক হ'ল হাডচন আৰু থমাচ হাৰ্ডি। হাডচন বিভূতিভূষণৰ আটাইতকৈ প্ৰিয় সাহিত্যিক আছিল। হাড্‌চন আৰু বিভূতিভূষণ উভয়েই মানুহৰ লগত প্ৰকৃতিৰ নিবিড় সম্পৰ্কৰ কথা বিশ্বাস কৰে। বিভূতিভূষণৰ নিচিনাকৈ হাডচনৰ সাহিত্যত প্ৰকৃতিৰ উদাৰ শান্তৰূপে প্ৰকাশ লাভ কৰিছে। *পথেৰ-পাঁচালী*ৰ সোণাডাঙা পথাৰ অথবা *আৰণ্যক*ৰ সৰস্বতী কুণ্ডীৰ তীৰৰ বৰ্ণনাত বিভূতিভূষণে সি সৌন্দৰ্য্যময়ী প্ৰকৃতিৰ চিত্ৰ আঁকিছে, Green Mansions ৰ দক্ষিণ আমেৰিকাৰ ট্ৰপিকেল অৰণ্যৰ বৰ্ণনাত হাডচনেও সেই সৌন্দৰ্য্যময়ী প্ৰকৃতিৰ চিত্ৰ আঁকিছে। সৌন্দৰ্য্যময়ী প্ৰকৃতিৰ পৰ্য্যবেক্ষণ আৰু বৰ্ণনাৰ মিল দুযোজনৰে আছে যদিও বিভূতিভূষণে সৌন্দৰ্য্যময়ী প্ৰকৃতিৰ পৰ্যবেক্ষণ আৰু চিত্ৰাংকণ কৰিও প্ৰকৃতিৰ নিগূঢ় প্ৰাণসত্বাৰ যি সন্ধান দিছিল হাডচনৰ প্ৰকৃতি বৰ্ণনাত সি অনুপস্থিত।

বাংলা উপন্যাস সাহিত্যত প্ৰকৃতিৰ প্ৰাধান্য যেনেকৈ বিভূতি উপন্যাসত প্ৰথম তেনেকৈ ইংৰাজী উপন্যাস সাহিত্যত হাৰ্ডিৰ উপন্যাসতেই প্ৰথম। বিভূতিভূষণ আৰু হাৰ্ডি দুয়োজনৰ উপন্যাসতে মানুহৰ লগত প্ৰকৃতিৰ নিবিড় সম্পৰ্ক থাকিলেও জীৱনবোধৰ পাৰ্থক্যৰ কাৰণে দুয়োজনৰ প্ৰকৃতিদৃষ্টি মাত্ৰ ভিন্ন নহয় সম্পূৰ্ণ বিৰোধী। জীৱনৰ মূলতে যি গভীৰ সাৰ্থকতাবোধ বিভূতিভূষণে উপলব্ধি কৰিছে, তাৰ ফলত তেওৰ দৃষ্টি শান্ত আৰু স্নিগ্ধ। এই দৃষ্টিৰ পোহৰত তেওৰ প্ৰকৃতি কোমল আৰু মধুৰ। হাৰ্ডিৰ জীৱনৰ মূলতে যি দুখবাদ আছে, সেই দুখবাদে তেওঁৰ প্ৰকৃতি দুৰ্জ্জেয় আৰু নিষ্ঠুৰ কৰি তুলিছে।

The Return of the Native উপন্যাসত হাৰ্ডিয়ে ইংলণ্ডৰ দক্ষিণাঞ্চলৰ এক দিগন্তজোৰা উষৰ প্ৰান্তৰ Egdon Heath ৰ মানৱ মানৱীক ৰূঢ় বাস্তৱৰ হাতত অসহায়ৰ দৰে বৰ্ণনা কৰিছে। উভয়ৰে দৃষ্টিভংগীৰ পাৰ্থক্যৰ কাৰণে এজনৰ প্ৰকৃতি য'ত কোমল আৰু মধুৰ আনজনৰ প্ৰকৃতি তাত ৰুক্ষ আৰু বিষণ্ণ। অৱশ্য বিভূতিভূষণৰ *আৰণ্যক* হে *অৰণ্য কথা কও বনে-পাহাৰে* প্ৰভৃতি গ্ৰন্থত প্ৰকৃতিৰ ৰুক্ষ ৰূপয়ে একেবাৰে নাই তেনে নহয়। তথাপিও বিভূতি সাহিত্যত প্ৰকৃতি প্ৰধানতঃ কোমল আৰু মধুৰ। Wordsworth য়েও মানুহৰ নিষ্ঠুৰতাৰ তুলনাত প্ৰকৃতিৰ উদাৰতাৰ কথা তেওঁৰ কবিতাত প্ৰকাশ কৰিছে।

আধুনিক বাংলা কথা সাহিত্যিকসকলৰ ভিতৰত বিভূতিভূষণ যেনেকৈ প্ৰকৃতিৰ সৌন্দৰ্য্যত সকলোতকৈ মুগ্ধ আধুনিক বাংলা কবিসকলৰ মাজত তেনেকৈ জীৱনানন্দও প্ৰকৃতিৰ ৰূপত মুগ্ধ। সেয়ে আধুনিক বাংলা সাহিত্যত প্ৰকৃতিৰ কথা উঠিলেই দুয়োজনৰ নাম একেলগে মনলৈ আহে। বিভূতি উপন্যাসত যেনেকৈ সোঁদালিফুল শিমলু, ভাসাঁ খেজুৰ সোণাডাঙা মাঠ বৌকথাকও আৰু পাপিয়াৰ ভিৰ জীৱনানন্দৰ কবিতাতো তেনেকৈ হিজলেৰ ছঁায়া, বটেৰ লাল ফল, ঘাস, ৰোদ, মাছডাঙা, বুণোহাঁস প্ৰভৃতিৰ ভিৰ। প্ৰকৃতিৰ চিত্ৰৰূপময়তা প্ৰকাশত জীৱনান্দৰ লগত বিভূতিভূষণৰ মিল আছে।

বিভূতিভূষণৰ প্ৰকৃতিৰ মাজত যি সুদূৰ আৰু নিৰ্জন শান্ত আৰু উদাৰ পৰিৱেশ আছে, সেই পৰিৱেশ জীৱনানন্দৰ প্ৰকৃতিৰ মাজতো আছে। দুয়োজনেই নিজৰ নিজৰ ভাবাৱেগত বিহ্বল। তথাপিও দুয়োজনৰে প্ৰকৃতিৰ প্ৰতি শান্তদৃষ্টিৰ অন্তৰালত আছে দুইজনাৰ দুইৰকমৰ বিশ্বাসৰ ভিত্তি। বিভূতিভূষণ য'ত অনন্ত জীৱনৰ বিশ্বাসত প্ৰসন্ন আৰু উদাস জীৱনানন্দ তাত অৰ্থহীন অস্তিত্বৰ বেদনাৰ বিষণ্ণ আৰু নিৰ্জন। প্ৰকৃতিদৃষ্টিৰ ক্ষেত্ৰত তেওলোকৰ মাজত আৰু এটা পাৰ্থক্য চকুত পৰে। বিভূতিভূষণৰ প্ৰকৃতি অকল চিত্ৰৰূপময় নহয় আধ্যাত্মিকও। সেই আধ্যাত্মিকতাৰ কাৰণে তেওঁ প্ৰকৃতিৰ মাজত নিগুঢ় প্ৰাণসত্বাৰ সন্ধান পাইছে। অন্যহাতে জীৱনানন্দৰ প্ৰকৃতি চিত্ৰৰূপময়। এইক্ষেত্ৰত সুনীলকুমাৰ চট্টোপ্যাধ্যায়ৰ এটা উক্তি উল্লেখযোগ্য— "জীৱনানন্দৰ প্ৰকৃতি একান্তভাৱে চিত্ৰৰূপময যে তাকে Keats এৰ প্ৰকৃতিৰ মত ইন্দ্ৰিয়নিৰ্ভৰ বলা চলে।"[৪]

বিভূতিভূষণৰ বাংলা প্ৰকৃতিৰ প্ৰতি আকৰ্ষণ বিশুদ্ধ সৌন্দৰ্য্যপ্ৰেম নহয়। প্ৰকৃতিৰ ৰূপগত ৰমণীয়তাই তেওক কেৱল মুগ্ধ কৰিছিল এনে নহয় এই আকৰ্ষণৰ মূলতে আছে তেওৰ শৈশৱপ্ৰীতি। বিভূতিভূষণে শৈশৱ কটোৱা ব্যাৰকপুৰ গাঁৱৰ ছবি তেওঁৰ বেছিভাগ সাহিত্যতে ফুটি উঠিছে। শৈশৱ আৰু কৈশোৰত বিভূতিভূষণৰ অন্তৰত যি প্ৰকৃতিপ্ৰেম জাগি উঠছিল সেই প্ৰেমেই তেওক বিশ্বপ্ৰকৃতিক ভাল পাবলৈ প্ৰেৰণা যোগাইছিল। প্ৰকৃতিৰ বিচিত্ৰ ৰূপে তেওক মুগ্ধ কৰিছিল। শিশুৱে যেনেকৈ মাকৰ মুখলৈ চাই আপোনপাহৰা হয় তেও তেনেকৈ প্ৰকৃতিৰ সৌন্দৰ্য্য উপভোগ কৰি আপোন পাহৰা হয়। পথেৰ-পাঁচালী আৰু অপৰাজিতৰ অপুৰ মাজেদি তেওঁ বাংলা প্ৰকৃতি ভাৰত প্ৰকৃতি আৰু বিশ্ব প্ৰকৃতিৰ প্ৰতি এক অনুৰাগ প্ৰকাশ কৰিছে। এই অনুৰাগ গভীৰ অনুভূতি আৰু জিজ্ঞাসা অভিমুখী। বাংলাদেশৰ প্ৰকৃতিৰ ৰূপ দেখি শৈশৱ আৰু কৈশোৰত বিভূতিভূষণৰ অন্তৰত যি প্ৰকৃতিপ্ৰেমৰ সঞ্চাৰ হৈছে, বিহাৰ মধ্যপ্ৰদেশৰ অৰণ্য দৰ্শনত সেই প্ৰেম এক গভীৰ অনুভূতিত পৰিণত হৈছে। অপৰাজিত উপন্যাসত সেই অনুভূতিৰ আভাস আছে, আৰণ্যকত সেই অনুভূতি গাঢ় হৈছে।

বিভূতি উপন্যাসত মানুহ আৰু প্ৰকৃতিৰ সহাৱস্থান লক্ষ্য কৰা যায়। উভয়ৰে উভয়ৰ লগত সজীৱ সত্বাৰ কাৰণে এটাৰ পৰা আনটোক বিছিন্ন কৰাৰ উপায় নাই। অপু নাইবা জিতু নিশ্চিন্দিপুৰ নাইবা কাৰ্শিয়াৰ প্ৰকৃতি— দুয়ো মিলি এক হৈছে। নিশ্চিন্দিপুৰৰ পৰা অপুৰ যেনেকৈ বিছিন্ন কৰি চাব নোৱাৰি তেনেকৈ কাৰ্শিয়াৰ পাহাৰ প্ৰান্তৰ পৰা জিতুক নিলগাই চাব নোৱাৰি। মানৱ-জীৱনৰ বেদনা-কৰুণাৰ লগত প্ৰকৃতিৰ অন্তৰৰ গভীৰ অনুভূতি একেলগে অনুভৱ কৰে শৈশৱ আৰু কৈশোৰত বিভূতিভূষণে। মানৱ মনৰ আনন্দ-বেদনা আশা-অভিমান কামনা-অনুৰাগে যেনেকৈ তেওঁৰ উপন্যাসত প্ৰকাশ পাইছে তেনেকৈ প্ৰকৃতি চেতনাও মানৱিক গুণত আত্মপ্ৰকাশ কৰিছে। বিভূতি সাহিত্যত সেয়েহে সাঁই-বাবলা বন্যফুল হিজল ইছামতী নদী জীৱন প্ৰেম আৰু অপু, জিতু মালতী, শৰৎ ভৱানীচৰণৰ জীৱন সকলো একেডাল সূতাৰে

গাঁথা। **ইছামতীৰ** নায়ক ভবানী যেন ইছামতী নদীৰ পাৰৰ এজোপা সৰল চতিয়না গছ। চাৰিওফালৰ ঘন হাবিৰ মাজত মূৰতুলি সূৰ্য্যৰ পোহৰত স্নান কৰি আছে। মাটিত সহস্র শিপা প্রবেশ কৰোৱাই পৃথিবীৰ ৰসধাৰা পান কৰিছে। প্রকৃতিজগতৰ নিচিনাকৈ তেওঁৰ মনত কোনো ক্ষোভ বেদনা আবেগৰ আতিশয্য নাই। তেওঁৰ উপন্যাসৰ সকলো চৰিত্রই একে উপাদানেৰে গঢ়া। মানুহো গছ-লতা চৰাই ফুলৰ নিচিনাকৈ তেওঁৰ প্রকৃতিৰ অংশবিশেষ। মানুহ তেওঁৰ প্রকৃতি জগতৰ পৰা নির্বাসিত নহয় জৈব সূত্রে সংযুক্ত। তেওঁৰ মানুহ সেউজীয়া সুন্দৰ প্রকৃতি পৰিয়ালৰ অন্যতম সদস্য।

আৰণ্যকত অৰণ্য আৰু মানুহ ঃ

আৰণ্যক উপন্যাসত বিভূতিভূষণৰ প্রকৃতিপ্রেমৰ উজ্জ্বল দৃষ্টান্ত পোৱা যায়। **পথেৰ-পাঁচালী** আৰু **অপৰাজিত** উপন্যাসৰ নায়ক অপুৰ যোগেদি বিভূতিভূষণে প্রকৃতিৰ সীমাহীন সৌন্দর্য্য বর্ণনা কৰিছে। **আৰণ্যকত** বিভূতিভূষণৰ প্রকৃতিৰ ৰূপ বৈচিত্রৰ পর্যবেক্ষণ ক্ষমতা তীক্ষ্ণতৰ হৈছে। **আৰণ্যক** নামটোৰ উৎস বিচাৰি প্রাচীন বৈদিক যুগলৈ যাব লাগিব। বেদৰ উপসংহাৰ ভাগ ব্রাহ্মণ আৰু ব্রাহ্মণৰ উপসংহাৰ ভাগ হ'ল আৰণ্যক। ব্রহ্মচর্য্য গ্রহণৰ সময়ত আশ্রমত বাস কৰোঁতে শিষ্যৰ গুৰুৰ ওচৰত যি শিক্ষালাভ হয় আৰণ্যকত তাৰ লিপিবদ্ধ কৰা হৈছিল। অৰণ্য আশ্রমত ইয়াৰ উৎপত্তি কাৰণে ইয়াৰ নাম আৰণ্যক। যজ্ঞাদি ধর্মানুষ্ঠানৰ কাৰণে যেনেকৈ বেদৰ ব্রাহ্মণ খণ্ড প্রযোজন তেনেকৈ আৰণ্যক বানপ্রস্থাৱলম্বীৰ কাৰণে প্রযোজন। অন্যহাতে উপনিষধৰ অন্য এটা নাম আৰণ্যক। উপনিষদৰ অর্থ ৰহস্যগ্রন্থ। বিভূতিভূষণৰ আৰণ্যক উপন্যাসতো অৰণ্যৰ নির্জন গভীৰ সৌন্দর্য্যৰহস্যই লাহে লাহে পাঠকচিত্তক ব্যাকুল কৰি তোলে।

আৰণ্যকৰ কাহিনীৰ নায়ক সত্যচৰণ নগৰীয়া পৰিৱেশত ডাঙৰ দীঘল হোৱা উচ্চশিক্ষিত যুৱক। সেয়ে প্রথমতে তাৰ চকুত বন্য আদিম প্রকৃতিৰ প্রতি বিতৃষ্ণা আৰু ভয়। পিছলৈ ক্রমে ক্রমে বিস্ময় বিহ্বল ৰোমাণ্টিক পিপাসা জাগিছে। সর্বশেষত প্রকৃতিৰ অন্তর্লীন অতিন্দ্রীয় ৰহস্যচেতনাই এই যুৱকজনৰ মনক আধ্যাত্মিক আৰু মিষ্টিকবোধৰ পোহৰ উদ্ভাষিত কৰি তুলিছে। সেই পোহৰ মনুষ্যত্বৰ আৰু মানবপ্রাণৰ। অৰণ্য যে কেৱল ৰহস্যগভীৰ নহয় তাৰ মাজতো মানৱ জীৱনৰ সুখ-দুখ হাঁহি কান্দোনৰ বোলেৰে ভৰা প্রতিদিনৰ এটা বাস্তৱ সচল প্ৰৱাহ আছে এই সত্যৰ প্রতি বিভূতিভূষণে প্রথম বাংলা পাঠকৰ দৃষ্টি আকর্ষণ কৰিছিল।

আৰণ্যক উপন্যাসৰ মূল চৰিত্র দুটা অৰণ্য আৰু মই (নায়ক সত্যচৰণ)। উপন্যাসৰ আৰম্ভণিতে দুই নায়কৰ সাক্ষাৎ দুই অপৰিচিতৰ আনুষ্ঠানিক পৰিচয় পর্ব। শেষত এজনৰ মৃত্যুৰ মাজেদি আনজনৰ চিৰবিচ্ছেদ। অৰণ্যৰ প্রতি নায়ক সত্যচৰণৰ দৃষ্টি প্রথমতে অপ্রসন্ন। তাৰ নির্বাসিত নিংসঙ্গ দৃষ্টিত অৰণ্য প্রকৃতিৰ মোহাৱেশ তেতিয়া লগা নাছিল। অৰণ্য এৰি কলিকতালৈ পলাই যাবৰ কাৰণে ব্যাকুল তাৰ

মনক গোমস্তা গোষ্ঠই সান্ত্বনা দি কৈছিল— 'কিছুদিন এখানে থাকুন-জংঘলে আপোনাকে পেয়ে বসবে।'[৫] সত্যচৰণক ভৱিষ্যতৰ অৰণ্যপ্ৰেমৰ ইংগিত দিছিল গোমস্তাই। কিন্তু সত্যচৰণৰ প্ৰকৃতিৰ লগত তেতিয়া বৈৰী সম্পৰ্ক। নায়ক সত্যচৰণৰ নিঃসঙ্গতাৰ শূন্য পিযলা ক্ৰমে অৰণ্যই পূৰ্ণ কৰি তুলিবলৈ ধৰিলে। নায়কৰ প্ৰকৃতিপ্ৰেমৰ নিচা লাগিল। জ্যোৎস্না ৰঙৰ সাজ পিন্ধি সেউজীয়া গছ-গছনিৰ মাজত প্ৰকৃতিৰাণী আবিৰ্ভাব হ'ল। নতুন শস্য চপোৱাৰ ব্যস্ততাৰ মাজত প্ৰকৃতিৰাণীৰ দেহৰ সুগন্ধ বিয়পি পৰিল। সৰস্বতী কুণ্ডৰ কৰবীত ফুলি উঠিল বিচিত্ৰ ৰঙৰ ফুল। নায়কৰ মনৰ পৰা প্ৰকৃতিৰ প্ৰতি থকা বৈৰীভাব মৈত্ৰীভাৱলৈ ৰূপান্তৰিত হ'ল। সভ্যতাৰ অনিবাৰ্য্য দাবীত অৰণ্যই যেতিয়া শস্যক্ষেত্ৰ আৰু শিল্প উদ্যোগৰ কাৰণে মাটি এৰি দিবলগীয়া হ'ল তেতিয়া প্ৰকৃতিৰ সৌন্দৰ্য্য নষ্ট হোৱা আৰু অৰণ্যনিবাসী সহজ-সৰল মানুহখিনিৰ নিৰাপত্তাৰ কাৰণে সত্যচৰণ অনুতপ্ত হ'লেও তাত বাধা দিব নোৱাৰিলে। অৰণ্যৰ চৰণ কাষত ব্যথিত হৃদয়েৰে ক্ষমা প্ৰাৰ্থনাৰ প্ৰণাম কৰিছে মাত্ৰ— ' হে অৰণ্য হে অৰণ্যানীৰ আদিম দেৱতাৰা আমায় ক্ষমা কৰিও।'[৬]

আৰণ্যক কেৱল প্ৰকৃতিপ্ৰেমৰ কাহিনী নহয নাইবা প্ৰকৃতিৰ অসংলগ্ন চিত্ৰৰ প্ৰদৰ্শনী নহয। এই সকলোৰে অন্তৰালত মানুহৰ অন্তৰবেদনা ফল্গুসোঁতৰ নিচিনাকৈ প্ৰৱাহিত হৈ আছে। সেই মানৱ প্ৰেমৰ দুখ-বেদনাই আৰণ্যকৰ আচল পৰিচয়। গ্ৰন্থৰ প্ৰস্তাৱনাত বিভূতিভূষণে উল্লেখ কৰিছে— 'আমাৰ এই স্মৃতি আনন্দেৰ নয দুঃখেৰ। এই স্বচ্ছন্দ প্ৰকৃতিৰ লীলাভূমি আমাৰ হাততেই বিনষ্ট হইছিল বনেৰ দেৱতাৰা সেজন্যে আমায কখনো ক্ষমা কৰিবেন না জানি। নিজেৰ অপৰাধেৰ কথা নিজেৰ মুখে বলিলে অপৰাধেৰ ভাব শুনিযাছি লঘু হইযা যায।'[৭]

ভাৰতীয সাহিত্যত অৰণ্য পৰ্বত-সমুদ্ৰৰ সাধাৰণ ৰূপ সৌন্দৰ্য্য বাৰে বাৰে অংকিত হৈছে। তদুপৰি এই সৌন্দৰ্য্য বৰ্ণনা সাধাৰণ নিৰ্বিশেষ অৰ্থাৎ সেই বৰ্ণনা ভাৰতৰ প্ৰায যিকোনো অঞ্চলৰ অৰণ্য পৰ্বত-সমুদ্ৰ হ'ব পাৰে। বিভূতিভূষণৰ 'আৰণ্যক'ত অৰণ্য কিন্তু বিশেষ স্বতন্ত্ৰ যিটো কেৱল সেই ভূখণ্ডৰেই— লবটুলিয়া বাইহাৰ নাঢ়া বাইহাৰ মোহনপুৰ ৰিজাৰ্ভ ফৰেষ্ট মহালিখাৰূপেৰ পাহাৰ আৰু তাৰ আশে-পাশে থকা অঞ্চল তাৰ গছ-গছনি ঘাঁহ মুকলি পথাৰ জীৱ-জন্তু মানুহ আৰু ৰ'দ-বতাহ-বৰষুণক লৈ একক ব্যক্তিক। ত্ৰিছৰ দশকত প্ৰকৃতিক ব্যক্তিত্ব প্ৰদানৰ প্ৰৱণতা বাংলা সাহিত্যত সুপৰিস্ফুট। কালিন্দীৰ চৰ পদ্মানদীৰ তীৰ লাল মাটিৰ ৰাঢ় সকলো বিশিষ্ট স্বতন্ত্ৰ আৰু ব্যক্তিক। তদুপৰি এই অঞ্চলসমূহ পৰিচিত জনবসতিৰ আয়ত্বাধীন। বিশেষ জনবসতিৰ প্ৰাধান্যৰ কাৰণে ই বিশিষ্ট ৰূপ লাভ কৰিছে। ভাৰতীয় সাহত্যত বহু সময়ত প্ৰকৃতিৰ ওপৰত এনে এক মনুষ্যত্ব আৰোপ কৰা হয় যে তাত প্ৰকৃতি সম্পূৰ্ণৰূপে নিচিহ্ন হৈ যায। যেনেকৈ কলিদাসৰ সাহিত্যত হিমালয়। ইযাত প্ৰকৃতি হিমালয়ৰ চিহ্ন নাই। হিমালয় কুমাৰসম্ভৱত সম্পূৰ্ণৰূপে এজন ব্যক্তি। মেনকাৰ

স্বামী পাৰ্বতীৰ পিতৃ। কিন্তু প্ৰকৃতিক প্ৰকৃতি কৰি ৰাখি তাৰ মাজেদি ব্যক্তিক ফুটাই তোলা বা প্ৰকৃতিৰ লগত অন্তৰঙ্গ হোৱা দুৰূহ। বিভূতিভূষণে এই দুৰূহ কামটো কৰিছে অনায়াসে। তেওঁৰ অৰণ্য অৰণ্য হৈও এক অনুভূতিময় সত্তা। এই বৃহৎ সত্তাৰ অংগীভূত হৈ আছে মানুহসমূহ। সদ্যজাত মানৱশিশু যেনেকৈ মাকৰেই সম্প্ৰসাৰিত বৃত্ত তেনেকৈ আৰণ্যক প্ৰকৃতিজাত মানৱ প্ৰকৃতিৰে অংশবিশেষ। আনন্দ সৌন্দৰ্য্য আৰু সৰলতাৰ প্ৰতিমূৰ্ত্তি মঞ্চী যেন বনভূমিৰ বনলক্ষ্মী। পৰিপূৰ্ণ যৌৱনা প্ৰাণময়ী তেজস্বিনী অথচ মুগ্ধা অনভিজ্ঞা আৰু বালিকা স্বভাৱা। ভানুমতী যেন 'মূৰ্ত্তমতী বনদেৱী কৃষ্ণা বনদেৱী।[৮] অৰণ্যপ্ৰান্ত যেনেকৈ উদাৰ অৰণ্যৰ মেঘমালা শৈলশ্ৰেণী যেনেকৈ মুক্ত আৰু দূৰব্যাপী ভানুমতীৰ ব্যৱহাৰ তেনেকৈ সংকোচহীন সৰল আৰু বাধাহীন। মনুহৰ লগত মানুহৰ ব্যৱহাৰৰ নিচিনা স্বাভাৱিক প্ৰকৃতি আৰু মানুহৰ ব্যৱহাৰ। অৰণ্য আৰু পাহাৰে এওলোকৰ মনক মুক্তি দিছে, দৃষ্টিক উদাৰতা দিছে। তেওঁলোকৰ ভালপোৱাও সেই অনুপাতে মুক্ত দৃঢ আৰু উদাৰ। উদাৰ মনৰ কাৰণে তেওঁলোকৰ ভালপোৱাও উদাৰ। ভানুমতীৰ মাজত যি আদিম উদাৰ নাৰী আছে, সভ্য সমাজত সেই নাৰীৰ আত্মা সংস্কাৰ আৰু বন্ধনৰ হেঁচাত ৰুদ্ধ।

এই বৃহৎ অৰণ্য পৰিয়াললৈ নায়ক সত্যচৰণৰ আগমন প্ৰথমে দ্বিধাৰ। কিন্তু প্ৰকৃতিৰ লগত পৰিচয় ক্ৰমে প্ৰগাঢ হৈ পৰে শেষত অৰণ্য পৰিয়ালৰ অন্তৰ্ভূক্ত হোৱাৰ বাসনাও জাগে।[৯] কিন্তু শেষত সেয়া হৈ নুঠিল। জমিদাৰৰ হেঁচাত আৰু খেতিয়কৰ তাগিদাত অৰণ্য ধ্বংস কৰি তাত খেতিৰ পথাৰ মোকোলোৱা হ'ল। সত্যচৰণে অৰণ্য ধ্বংসযজ্ঞত কুণ্ঠিত হৈ শেষত কলিকতালৈ প্ৰত্যাবৰ্ত্তন কৰিছে।

অৰণ্যবাসী লোকসকল সৎ আৰু স্বাস্থ্যবান। তেওঁলোকৰ নিস্পাপ সৰলতাত সত্যচৰণ মুগ্ধ। তেওঁৰ সকলোতকৈ বিস্ময় লাগে এই লোকসকলৰ বিষয়বুদ্ধি হীনতাত। সাধাৰণ লোকসকল সাংসাৰিক বিষয়ত আসক্তিহীন হোৱাৰ উপৰিও মহাজনসকলৰো কোনো কোনো অৰ্থ-আসক্তিহীন। আৰণ্যকত শিল্পী ভাবুক আৰু দাৰ্শনিক মনৰ অধিকাৰী লোক বহুত আছে। অৰণ্য নিজেও এজন মহান শিল্পী। প্ৰতিদিনে বিভিন্ন ৰঙেৰে পোহৰে-ছায়াঁৰে নানা ধ্বনি সৌন্দৰ্য্য ৰচনা কৰাত ব্যস্ত। অৰণ্যৰ সন্তি-সন্ততিবিলাকো বহুক্ষেত্ৰত একে। অৰণ্যৰ 'গোধূলিবেলায় ৰক্তমেঘস্তূপ বা দিগন্তজোৰা জনহীন জ্যোৎস্নালোকিত প্ৰান্তৰৰ ফালে চা‌ই যি দেৱতীৰ স্বপ্ন মনলৈ আহে, সেই স্বপ্নই প্ৰেম আৰু ৰোমান্স কবিতা আৰু সৌন্দৰ্য্য শিল্প আৰু ভাবুকতা। এই স্বপ্নসমূহে জন্ম দিছে কেইবাটাও চৰিত্ৰ— কবি গায়ক নৃত্যশিল্পী আৰু পুষ্পশিল্পীৰ। যাযাবৰ আদিম প্ৰকৃতিৰ চৰিত্ৰও বহুত আছে। যিবিলাক বিভূতিভূষণে সদায় বিচাৰি ফুৰিছিল। বংগবাসীৰ দৃষ্টিত অৰণ্য আদিম অথচ ৰমণীয়। অৰণ্যসন্তান সকলেও সেই ৰমণীয়তা উত্তৰাধিকাৰীসূত্ৰে লাভ কৰিছে। এই অৰণ্যপ্ৰদেশত প্ৰথম বসন্তৰ প্ৰস্ফুটিত ৰঙা পলাশ ফুল, গোলগোলিফুলৰ নিস্পত্ৰ দুগ্ধশুভ্ৰকান্ত, হালধীয়া ৰঙৰ ডাঙৰ ডাঙৰ সূৰ্য্যমুখী

ফুল যিমান সহজভাৱে ফুলি উঠে অৰণ্যবাসী মানুহসমূহো সিমান সহজভাবে আত্মপ্ৰকাশ কৰে। মাটিপ্ৰাৰ্থী আৰু নিঃসম্বল ৰোগী যিসকল হতভগীয়াই সত্যচৰণৰ ওচৰত আশ্ৰয়ভিক্ষা কৰিছে তেওঁলোকৰ সংখ্যা আৰু চৰিত্ৰগত বৈচিত্ৰ কম নহয়। তেওঁলোকৰ ভিতৰত আছে শিক্ষক গণোৰী টেঁওৱাৰী সমগ্ৰ জীৱন যাৰ নিস্ফল। কুন্তা ধাওতাল সাহু, ধাতুৰিয়া ৰাজুপাড়েঁ, যুগলপ্ৰসাদ মটুকনাথ প্ৰভৃতি সহজ-সৰল লোকসকল। কঠোৰ সংগ্ৰাম কৰি তেওলোকে জীৱননিৰ্বাহ কৰিব লাগে তথাপি ছলনা বা কুটিলতাৰ আশ্ৰয় নলয়। তেওঁলোকৰ মহাজন ধাওতাল সাহু পৰ্য্যন্ত এই সংক্ৰামক সৰলতাৰ বশীভূত। ধাওতালে শস্যৰ বীজ বিক্ৰী কৰি বহুত টকা উপাৰ্জন কৰিছিল। টকা ধাৰলৈ দি টকাৰ সুদ খোৱাটো সাহুৰ চখ। কোনো কোনো লোকে টকা ধাৰলৈ নি পুনৰ ঘূৰাই নিদিয়াত সুদৰ ঠাইত মূলো হেৰাল। সেই হিচাপ মাত্ৰ দলিলতহে আছে। কিন্তু ধৰ্মভীৰু ধাওতালে আইন-আদালতৰ কাষ চাপিব নিবিচাৰে। সেয়ে পোন্ধৰ-যোল্লহাজাৰ টকা ধাৰ দিয়া দলিল অনায়াসে ফালি পেলাইছে।

কুন্তাৰ চৰিত্ৰতো অৰণ্যৰ সৰলতা বিদ্যমান। কাশীৰ বাঈজীৰ কন্যা কুন্তা ৰাজপুত দেৱী সিঙৰ পত্নী। সৰ্বশ্ৰান্ত অৱস্থাত দেৱী সিঙৰ মৃত্যু হ'ল। স্বামীৰ মৃত্যুৰ পিছত সকলোৱে কুন্তাক বাঈজীৰ ছোৱালী বুলি পৰিত্যাগ কৰে। নিৰাশ্ৰয় কুন্তা সন্তান কেইটা লৈ বিপন্ন। লোকলজ্জাৰ কাৰণে অন্ধকাৰ ৰাতি পথাৰলৈ গৈ শস্যৰ লেচেৰি গোটাই আনে। দৰিদ্ৰতা আৰু ভাগ্যৰ কঠোৰ আঘাততো কুন্তাৰ চৰিত্ৰৰ স্বচ্ছ নিজৰাৰ পানীৰ দৰে পবিত্ৰতা নষ্ট হোৱা নাই। ৰাজু পাডেঁ নিঃসহায়। গভীৰ অৰণ্যৰ মাজত সৰু এটা ঘৰত সেন্দুৰ সানি কৃষ্ণমূৰ্ত্তিক পূজা কৰে। হাবিত ম'হ চৰাই ৰামায়ণ পাঠ কৰি দিন অতিবাহিত কৰে। আহাৰৰ কাৰণে আছে মাত্ৰ চীনাঘাঁহৰ দানা তথাপিও তাৰ মনত ক্ষোভ নাই। গাঁৱত মহামাৰী হ'লে নিজৰ কবিৰাজী ঔষধৰ সামান্য সম্বল হাতত লৈ যথাসাধ্যে লোকৰ উপকাৰ কৰে। শিশুৰ নিচিনা তাৰ মন সেয়ে সি ক'ব পাৰে 'উইঁমাটিৰ ঢাপৰ পৰা আকাশত ৰামধেনু ওলায়।'

এজন নিৰ্লোভ সংসাৰিক বিষযত উদাসীন লোক ব্ৰাহ্মণ পণ্ডিত মটুকনাথ। জনহীন অৰণ্যত টোল খোলাৰ অসাৰ্থকতা সিবুজি নেপায়। নিজে অনাহাৰে থাকিও সি টোলৰ উন্নতিসাধনত সংকল্পবদ্ধ। তাৰ নিষ্ঠাৰ কাৰণেই বিভিন্ন ছাত্ৰই টোলৰ সংস্কৃত পঢ়িবলৈ ল'লে। অন্তহীন দুখ আৰু দৰিদ্ৰতা কলেৰা বসন্ত আদি মহামাৰীৰ মাজতো মটুকনাথৰ জীৱনধাৰা ৰুদ্ধ নহয়। অন্য চৰিত্ৰসমূহো একে। গোটেই বছৰৰ আৰ্জিত শস্য তেওলোকে দুদিনৰ আনন্দৰ বিনিময়ত ব্যৱসায়ীৰ হাতত তুলি দি চটপৰবৰ উৎসৱত মতলীয়া হ'ব পাৰে। অকপট অন্তৰে এই সকলো নৰ-নাৰীক দুৰ্লভ গৌৰৱেৰে গৌৰৱান্বিত কৰে। সাওতাল বিদ্ৰোহৰ পৰাজিত বীৰ বৃদ্ধৰজা দেবৰুপান্নাৰ আবিৰ্ভাৱে উপন্যাসৰ কাহিনীত ভিন্নসুৰৰ অৱতাৰণা কৰিছে। পান্না স্বল্পভাষী ৰজা হৈও তেওঁ পাহাৰত ম'হ চৰায়। দৃপ্ত তেজস্বিতাৰে তেওঁ পূৰ্ণ। ধনঝিৰ পাহাৰত

দেবৰুপান্নাৰ তৰুণী কন্যা শিলাখণ্ডেৰে পৰিবেষ্টিত সমাধিস্থলে সত্যচৰণৰ মন অভিভূত কৰিছিল। দেবৰুপান্নাৰ তৰুণী কন্যা আৰু ভানুমতী আৰু তৰুণ ৰাজপুত্ৰ জনৰুপান্নাৰ চৰিত্ৰত সৰলতা বিদ্যমান। ৰজা দেবৰুপান্নাৰ শান্ত সমাহিত মৃত্যুৰ মাজেদি দেবৰুপান্নাৰ কাহিনী অন্ত হৈছে।

আৰণ্যকৰ কেইটামান শিল্পীসুলভ স্বভাৱৰ চৰিত্ৰ সদায় শ্ৰদ্ধাৰ পাত্ৰ। তেওঁলোক হ'ল ধাতুৰিয়া বেঙ্কটেশ্বৰ প্ৰসাদ আৰু যুগলপ্ৰসাদ। নটুৱা বালক ধাতুৰিয়া। তাৰ চেহেৰা যাত্ৰাদলৰ কৃষ্ণগোসাঁইৰ নিচিনা ধুনীয়া। মূৰত কেকুঁৰা-কেকুঁৰি চুলি শান্ত সুন্দৰ চকু কিচকিচিয়া ক'লা মুখ। অকল খাই জীযাই থাকিবৰ কাৰণেই সি যাত্ৰাদলত যোগ দিছে, পইচাৰ ভাগ সি নাপায়েই। ধাতুৰিয়াক খাজানা নোহোৱা মাটিত খেতি কৰি কাছাৰীত থাকিবলৈ দিয়া সত্যচৰণৰ প্ৰস্তাৱ সি সবিনয়ে উপেক্ষা কৰিছে। সি শিকা চক্কৰবাজি নাচ অৱশ্যে সভ্যসমাজত সমাদৃত হোৱাৰ সম্ভাৱনা কম। কিন্তু তাৰ নৃত্যশিক্ষাৰ অনুৰাগৰ মাজত ফাকি নাছিল। ধাতুৰিয়াৰ নিস্পৃহতা আৰু উদাসীনতা আচল শিল্পজনোচিত গুণ। কবি বেঙ্কটেশ্বৰ প্ৰসাদৰ শিল্পপ্ৰীতি ধাতুৰিয়াৰ নিচিনা একাগ্ৰচিত্তৰ নহয়। জীৱনত এবাৰ মাত্ৰ কবিতা পাঠ কৰি দূত কাকতৰ সম্পাদকৰ প্ৰশংসা লাভ কৰাতেই সি ধন্য। সত্যচৰণক তাৰ কবিতা পাঠ কৰি শুনাবৰ কাৰণে সুদূৰ বাট খোজকাটি কাছাৰীলৈ আহিছিল। যুগলপ্ৰসাদৰ চৰিত্ৰ অদ্ভুত। অৰণ্যচাৰী মানুহতকৈ সি ব্যতিক্ৰম। দূৰ-দূৰান্তৰ পৰা ফুলৰ গুটি আৰু ডাল সংগ্ৰহ কৰি সি সৰস্বতী হ্ৰদৰ পাৰত ৰোপন কৰে। নিস্বাৰ্থভাৱে বিস্তৃত বনভূমিত সৌন্দৰ্য্য বৃদ্ধি কৰিবৰ কাৰণে সি নিজৰ সময় খৰছ কৰিছে। অথচ অৰণ্যত তাৰ ভূস্বত্ব একো নাই।

আৰণ্যকত যে কেৱল সহজ সৰল মানুহ বা শিল্পীৰ কথা আছে এনে নহয় এই অৰণ্য প্ৰদেশত কুচক্ৰান্তকাৰী আৰু নিষ্ঠুৰ বিষযলোভীৰো অভাৱ নাই। কাছাৰীৰ মাটি বিলোৱাৰ সুযোগ লৈ কুচক্ৰান্তকাৰী দল গোপন পথেৰে লবটুলিযাত প্ৰৱেশ কৰিছে আৰু ষড়যন্ত্ৰেৰে আকাশ প্ৰতাহ দূষিত কৰিছে। নন্দলাল গোৱালা আৰু ৰাসবিহাৰী সিং এনে শ্ৰেণীৰ লোক আৰু আছে খেতি চপোৱাৰ পিছৰ মেলালৈ অহা ব্যৱসাযীসকল তেওঁলোকৰ প্ৰসাৰিত দুৰ্নীতি আৰু প্ৰলোভনৰ জালত পৰি হেৰাই গৈছে সদাহাস্যময়ী মঞ্চী। তথাপিও সামগ্ৰিকভাৱে আৰণ্যকৰ জগত অপকট মানুহৰ জগত। বিভূতিভূষণে ইয়াত সাধাৰণ মানুহৰ জীৱনৰ পছন্ন সুখ-দুখৰ ছবি প্ৰকাশ কৰিবলৈ যত্ন কৰিছে।

অৰণ্যবাসীসকলে অবৰ্ণনীয় দৰিদ্ৰতাৰ মাজত জীৱন যাপন কৰে। খোৱাপাতৰ পৰিত্যক্ত উচ্ছিষ্ট ভাতৰ কাৰণে প্ৰতি ৰাতি জাৰত কঁপি কাছাৰীৰ ওচৰত কুন্তা বৈ থাকে। সত্যচৰণ কাছাৰীলৈ আহিব বুলি তাই আনন্দত মতলীয়া হয ভাত খাবলৈ পোৱাৰ আশাত। ঘাঁহৰ দানা আৰু বাথুৱা শাকৰ আঞ্জা অৰণ্যবাসীসকলৰ প্ৰধন খাদ্য। তাকো সকলোৱে পেট ভৰাই খাবলৈ নেপায়। পৰিয়ালৰ পৰা আঁতৰত অকলে অৰণ্যৰ মাজত মাহৰ পিছত মাহ থাকি ম'হ চৰায় সামান্য খেতিৰ মাটি মুকলি কৰে। কলেৰা বসন্ত, মহামাৰীত অসংখ্য মানুহ মৰে জাতিভেদ অলৌকিক বিশ্বাস আদি

নানা কুসংস্কাৰত অৰণ্যবাসীৰ জীৱন আছন্ন। ঘন্টাৰ পিছত ঘন্টা এটা যাত্ৰাদলে পৰিশ্ৰমেৰে নৃত্য প্ৰদৰ্শন কৰি পা মাত্ৰ এটা সিকি। বাঘ বনৰীয়া ম'হ আৰু হাতীৰ আক্ৰমণৰ সন্মুখীন হয় অসাধু ব্যৱসায়ীৰ দ্বাৰা শোষিত হয়। জমিদাৰ মহাজনৰ ইচ্ছামতে তেওঁলোক পৰিচালিত। ভোকাতুৰা নাৰীয়ে কেইটামান ফল পাৰি খালে মহজ্ঞানে নৃশংসভাৱে মৰিয়ায়। উপন্যাসৰ নায়ক সত্যচৰণ জমিদাৰ শ্ৰেণীৰ প্ৰতিনিধি। গতিকে অৰণ্য পৰিচালনা কৰিবলৈ আহি অৰণ্যৰ সাধাৰণ মানুহৰ দুখ মোচন কৰিবলৈ সি অপাৰগ। অৰণ্যবাসী সাধাৰণ মানুহৰ কাৰণে সত্যচৰণে মাত্ৰ দুখ অনুভৱ কৰে।

বাংলা সাহিত্যত আৰণ্যক অৰণ্যক লৈ লিখা প্ৰধান উপন্যাস। আৰণ্যক কেৱল অৰণ্য বৰ্ণনা নহয় অৰণ্যসত্বাৰো পৰিচয়। অৰণ্যসত্বা য'ত তাৰ ৰহস্যময় অসীমতা আৰু দুৰধিগমতা বিশালতা আৰু মধুৰতাৰ মাধুৰ্যত অনিৰ্বচনীয় প্ৰাণৱন্ত হৈ আছে সেই অৰণ্যসত্বাৰ লগত অন্তৰঙ্গ পৰিচয়ৰ কাৰণে ঔপন্যাসিকে আৰণ্যকত প্ৰচেষ্টা চলাইছে। পৰিচয়ৰ নিবিড় মুহূৰ্ত্তত সত্যচৰণৰ কাৰণে বাস্তৱ পৃথিবীখনেই স্বপ্ন যেন লাগে। তাৰ মতে অৰণ্যৰ এই সৌন্দৰ্য্য বৰ্ণনাতীত।[১০]

'অপৰাজিত'ত অৰণ্য ঃ

অপৰাজিত উপন্যাসৰ অৰণ্য বৰ্ণনা অভিনৱ আৰু সৌন্দৰ্য্যৰে পূৰ্ণ। অপৰ্নাৰ মৃত্যুৰ পিছত অপু অলপদিনৰ কাৰণে প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপুৰ উমৈৰিয়া অৰণ্যভূমিত অবনীবাবু আৰু তেওৰ স্ত্ৰীৰ আলহীহে আছিল। অপ্ৰত্যাশিতভাৱে অবনীবাবুৰ বন্ধু মি ৰায়চৌধুৰীয়ে উমৈৰিয়া অৰণ্যৰ পৰা কিছু দূৰত গভীৰ অৰণ্যভূমিত অপুক ড্ৰিল তাবুঁৰ তত্বাৱধায়ক চাকৰি কৰিবৰ কাৰণে অনুৰোধ কৰিলে। টকাৰ কাৰণে নহ'লেও অৰণ্যৰ প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগৰ কাৰণে সি চাকৰি কৰিবলৈ মান্তি হ'ল। নতুন ঠাইত চাকৰিত যোগদান কৰি অপু অবাক হৈ গ'ল। সি অৰণ্য ভাল পালেও অৰণ্যৰ এনে সৌন্দৰ্য্য আগতে কেতিয়াও দেখা নাছিল। নিবিড় অৰণ্যপ্ৰান্তত উচ্চ তৃণভূমি তাৰ মাজত খেৰৰ বাংলো এটা পানীখোৱা নাদ কাষত বুলিবিলাকৰ বাসৰ জুপুৰিঘৰ। ঘৰৰ পিছফালে আৰু দক্ষিণে পাহাৰ। পাহাৰৰ সীমান্তৰ পৰা ঘণ অৰণ্য কিমা দূৰলৈকে বিস্তৃত হৈ আছে তাক অনুমান কৰিব নোৱাৰি। ক্ৰোশেৰ পৰ ক্ৰোশ ধৰিয়া পাহাড় একটাৰ পৰ আৰ একটা আৰ গভীৰ জনমানৱহীন অৰণ্য, সীমা নাই কুল কিনাৰা নাই। চাৰিদিকেৰ দৃশ্য অতি গম্ভীৰ। তাবুঁৰ পিছনেই ঠিক পাহাৰশ্ৰেণীৰ একটা স্থান আবাৰ অনাবৃত বেজায় খাড়া ও উচুঁ বিৰাটাকায় নগ্ন গ্ৰাণাইট চুঢাতা ধেকালেৰ শেষ ৰোদে কখনও দেখা ৰাঙা কখনো ধূসৰ কখনো ঈষৎ আভ্ৰাড কালোৰঙেৰ এৰূপ গম্ভীৰ দৃশ্য অৰণ্যভূতিৰ কল্পনাও জীৱনে সে কৰে না কখনও।'[১১]

অৰণ্যপ্ৰান্তৰ ৰাতিৰ সৌন্দৰ্য্য অতি মনোৰম। অপুৰ গোটেই দিনটোৰ কাম অতি পৰিশ্ৰমৰ। ৰাতিপুৱাই ঘোঁৰাত উঠি চাৰি মাইল দূৰৰ অৰণ্যত কামৰ তদাৰক কৰাৰ পিছত প্ৰায়ে বোল্ল মাইল দূৰৱৰ্ত্তী ৰায়চৌধুৰীৰ তাবুঁত খতিয়ান দিব লাগে।

ঘূৰি আহোঁতে কেতিয়াবা সন্ধিয়া আৰু কেতিয়াবা ৰাতি দুপৰ হয়। সকলো মিলাই অৰণ্যপ্ৰান্তত বিছ/পচিছ মাইল যাতায়ত কৰিব লাগে। পথ কৰবাত সমতল ক'ৰবাত এঢলীয়া ক'ৰবাত দুৰ্গম। এঢলীয়া অৰণ্যখণ্ড অধিক পৰিষ্কাৰ কিন্তু দুৰ্গম অৰণ্যখণ্ডত মানুহৰ জগতৰ পৰা সম্পূৰ্ণ বিছিন্ন হৈ ঘন অৰণ্যৰ নিৰ্জনতৰ মাজত ডুবি যাব লাগে। তাত মানুহ নাই চাৰিওফালে ডাঙৰ ডাঙৰ গছ। গছৰ ডালে পাতে নিস্তব্ধতা বিৰাজমান। পথ নাই বুলিলেও হয়। কেতিয়াবা গভীৰ অৰণ্যৰ পাহাৰী নদীৰ ৰূপালী বালিয়েদি কাঁইটীয়া বেতৰ জোপোহা ভেদ কৰি ঘোঁৰা চেঁকুৰাব লাগে। অপুৰ দুৰ্গম অৰণ্যৰ কষ্টকৰ ভ্ৰমণ অৰণ্যৰ সৌন্দৰ্য্যই সুগম কৰি তোলে। নানা ধৰণৰ গছ লতাৰ গভীৰ জংঘলৰ দুৰ্ভেদ্য বেত-বন ভাঙি বনৰীয়া গাহৰি আৰু সম্বৰ হৰিণ দলে যাতায়ত কৰে। অপুৰ গোটেই পৰিৱেশটো বিচিত্ৰ ৰঙৰ সমাবেশেৰে এখন ছবিৰ নিচিনা লাগে।[১২] অপুৰ এই জীৱন অতি পছন্দৰ। গল্পৰ কিতাপত পঢ়াৰ নিচিনা এই অৰণ্যপ্ৰকৃতিৰ সৌন্দৰ্য্য। মুকলি ঠাই পালেগৈ সি দুৰ্বাৰ গতিত ঘোঁৰা চেঁকুৰায়। পথৰ দুয়োপাৰৰ গছ-বন ছবিৰ নিচিনাকৈ জিলিকি থাকে।[১৩] গতিৰ আনন্দই তাৰ গোটেই শৰীৰত এক উত্তেজনা আনি দিয়ে।

অৰণ্যৰ নিৰ্জনতাত অপুৰ মন উদাৰ হয়। চহৰ বা লোকালয়ত মানুহে যি আত্মসমস্যা লৈ ব্যস্ত থাকে অৰণ্যৰ উদাৰ নক্ষত্ৰখচিত আকাশৰ তলত সেই সকলো আশা আকাঙ্ক্ষা সমস্যা অতি তুচ্ছ আৰু অনাৱশ্যকীয় জ্ঞান হয়। অৰণ্যই মানুহৰ মন উদাৰ ব্যাপক আৰু মহান কৰি তোলে। পাহাৰৰ পাদদেশত বহুদূৰ ব্যাপি ফুলা লোহিয়া আৰু বিজনি ফুলৰ বনে অপুক আপোন পাহৰা কৰে।[১৪] অমৰকন্টক পাহাৰশ্ৰেণীৰ সৌন্দৰ্য্য আৰু মনোৰম। এটাৰ পিছত আন এটা সৰুবৰ পাহাৰ এডাল মালাৰ নিচিনকৈ গাঁথা আছে। দূৰে দূৰে উত্তৰে আৰু পশ্চিমে নীলা পৰ্বমালা। নিম্নৰ উপত্যকাত ঘন বননিৰে অকোঁৰা-পকোঁৰা বাটেৰে ঘোঁৰা চেঁকুৰাই অপুৱে পাহৰি যায় অৰ্পনাৰ মৃত্যুশোক আৰু কলিকতাৰ অফিচত বন্ধ কোঠাত আঠঘণ্টা কেৰেণীগিৰি কৰি কটোৱা দুৰ্বিসহ জীৱনৰ কথা।

বিভূতিভূষণৰ উপন্যাসত নদী ঃ

বিভূতিভিূষণৰ জীৱনত জন্মভূমি ব্যাৰাকপুৰৰ কাষেদি বৈ যোৱা ইছামতী নদীৰ স্থান গুৰুত্বপূৰ্ণ। তেখেতৰ দিনলিপি হে অৰণ্য— কথা কওত ইছামতী নদীৰ সৌন্দৰ্য্য বৰ্ণনাই বহু ঠাই আগুৰি আছে। স্বচ্ছসলিলা ইছামতী নদীৰ দুপাৰৰ ঘন সেউজীয়া উলুবন পানীযুঁৱলীত জলজ ঘাঁহ আৰু বনৰীয়া গছৰ জোপোহা নদীৰ পাৰৰ পটলখেতিৰ পথাৰৰ শান্ত স্তব্ধ প্ৰকৃতিয়ে বিভূতিভিূষণক সদায় আপোনপাহৰা কৰি ৰাখে। সুদীৰ্ঘ জীৱন কলিকতাত কটোৱাৰ পাছত ইছামতীৰ পাৰৰ সৌন্দৰ্য্য তেওঁৰ চকুত আৰু মনোৰম হৈ উঠে।[১৫] নদীৰ ঘাটত বহুদিনৰ মূৰত গা ধুবলৈ গৈ শৈশৱলৈ ঘূৰি যায়।[১৬] নিজৰ জীৱনত ইছামতী নদীৰ বিশেষ প্ৰাধান্য থকাৰ কাৰণে

বিভূতিভূিষণৰ প্ৰথম উপন্যাস পথেৰ-পাঁচালী আৰু শেষ উপন্যাস ইছামতীত ইছামতী নদীৰ সৌন্দৰ্য্য বাৰে বাৰে অংকিত হৈছে।

বিভূতিভূিষণৰ গাঁৱৰ পটভূমিত ৰচিত উপন্যাসসমূহত নদীৰ ভূমিকা অপৰিসীম। পথেৰ-পাঁচালীৰ নায়ক অপুৰ শৈশৱত নিশ্চিন্দিপুৰৰ কাষেদি বৈ যোৱা ইছামতী নদী আছিল অপূৰ্ব কল্পনাৰ বস্তু। গাঁৱৰ সকলোৱে নদীত গা ধোৱে। মাক সৰ্বজয়া ৰাতিপুৱা আৰু আবেলি নদীত গা ধুবলৈ যোৱা সময়লৈ শৈশৱতে অপু উৎকণ্ঠাৰে বাট চাইছিল। কাৰণ সৰ্বজয়াৰ লগত নদীলৈ যোৱাটো তাৰ কাৰণে আটাইতকৈ ভাললগা কাম আছিল। কৈশোৰত সি ঘণ্টাৰ পিছত ঘণ্টা নদীৰ পাৰত বহি কটায়। বহুত সৰু ডাঙৰ নাও ইছামতীৰ পানীৰে দূৰদেশলৈ যাত্ৰা কৰে। নাওবিলাকৰ অহা যোৱা চাই অজান দেশৰ কল্পনাত মুগ্ধ মনেৰে সি বহুদিন ভাবিছিল— এনেকৈয়ে নেপালে মাঝিৰ নাওখন লৈ সি নিৰুদ্দেশ বাণিজ্যযাত্ৰাত ওলাই যাব।

মাছ ধৰাৰ চখ অপুৰ অত্যন্ত বেছি। ইছামতী নদীত বৰশীত খুউব মাছে খোটে। প্ৰায়ে অপু নদীৰ পাৰলৈ গৈ এজোপা ডাঙৰ চতিয়না গছৰ তলত বৰশী বাবলৈ বহে। এটা সৰু পুঠিমাছ বৰশীৰ চিপত উঠিলেই সি আনন্দত আত্মহাৰা হয়। বৰশী বাই থাকোঁতে সন্ধিয়া হয় সন্ধিয়াৰ নদীপাৰৰ সৌন্দৰ্য্যই তাক বহু সময়লৈকে ধৰি ৰাখে।[১৭] ইছামতী নদীয়েদি অনেক দূৰদেশৰ পৰা নাও আহে। অপুৰ ইচ্ছা হয় নাৱৰীয়াৰ লগত বহি দূৰদেশৰ খবৰ সুধিবলৈ। নেদেখাকৈয়ে সি সাগৰৰ কল্পনা কৰে কাৰণ নদীৰ পানী সাগৰত পৰে বুলি সি জানে। ইছামতীৰ পানীৰ সোঁতৰ দৰে তাৰ মনৰ কল্পনাই গতি কৰে ভৱিষ্যতলৈ ইছামতীত নাও মেলে দূৰ দিগন্তত ঘূৰি ফুৰা স্বপ্নৰাজ্যলৈ। ৰঙীণ ভৱিষ্যতৰ সাগৰ দেখা বিভোৰেই সি সদায় আবেলি ইছামতীৰ পাৰত কটায়।[১৮]

কাশীযাত্ৰাৰ সময়ত ৰেলগাড়ী নতুন ঠাই দেখাৰ আনন্দত আত্মহাৰা অপুক মাজে মাজে তাৰ মৰমৰ ইছামতী নদী আৰু দুৰ্গাৰ মৰম লাগি থকা নিশ্চিন্দিপুৰ এৰি যোৱাৰ কাৰণে দুখত ম্ৰিয়মান কৰিছিল। ইছামতী নদীত বৰশী বাই নাও চলাই শেষবাৰৰ কাৰণে সি এটা হেঁপাহৰ আবেলি অতিবাহিত কৰিছিল। লগত আছিল তাৰ বন্ধু পটু। দুয়োজনে ঘাটৰ পৰা এখন নাৱত উঠি ভটিয়নি সোঁতত নাও এৰি দিছিল। নদীৰ পানীৰ ঠাণ্ডা আৰ্দ্ৰ গোন্ধ আৰু কলমৌ শাকৰ সেউজীয়াই পৰিৱেশটো সেউজীয়া কৰি তুলিছিল। পটুৰ অনুৰোধত অপুৱে গীত জুৰিছিল। প্ৰবল বতাহে তাৰ নাও কোবাই গৈছিল পটুৱে ককালৰ গামোচাখন খুলি বতাহমুৱাকৈ পালৰ নিচিনাকৈ ধৰি উৰাই থাকোতে অপুৰ নিজকে কোনোবা মহাসমূদ্ৰৰ নাবিক যেন লাগিছিল। নিশ্চিন্দিপুৰ এৰি যোৱাৰ বহুদিনৰ পিছতো অপুৰ মনঃচক্ষুত সেই ছবিখন স্পষ্টকৈ জিলিকি আছিল।

অপৰাজিতৰ অপু বন্ধু প্ৰণৱৰ লগত তাৰ মোমায়েকৰ গাঁও গংগানন্দকাটিৰ

ঘৰলৈ যাওঁতে বহুদিনৰ কলিকতাবাসৰ পিছত নিশ্চিন্দিপুৰ গাঁৱলৈ ঘূৰি যোৱা যেন অনুভৱ হৈছিল। এই গাঁও অপুৰ সপোনৰ কল্পনাৰ গাঁও।[১৯] ঘটনাক্ৰমে এই সপোন গাঁৱতে অৰ্পনাৰ লগত তাৰ বিয়া হয়। বিয়াৰ পিছত অৰ্পনাক লৈ নাৱেৰে কলিকতালৈ যাওঁতে নদীপাৰৰ সৌন্দৰ্য্যত সি আপ্লুত হৈছিল। অপুৰ পুত্ৰ কাজলৰো শৈশৱতে গঙ্গানন্দকাটি গাঁৱৰ কাষেৰে বৈ যোৱা নদীখনেই সুখ-দুখৰ লগৰী আছিল। মাক অৰ্পনাৰ কাজলৰ জন্মৰ পিছতে মৃত্যু হয়। কাজলক ডাঙৰ দীঘল কৰা আইতাকৰ মৃত্যুৰ পিছত সি নদীৰ পাৰৰ নিৰ্জনতাত মৃত আইতাকৰ কথা ভাবি চকুপানী টোকে। 'নদীৰ বাঁধাঘাটে সেদিন সন্ধ্যাবেলা বসিয়া সে অনেকক্ষণ দিদিমাৰকথা ভাবিল।[২০]

অপৰ্নাৰ মৃত্যুৰ পিছত উঁমৈৰিয়া অৰণ্যত চাকৰি কৰি থাকোঁতে অপু এক পাহাৰী নদীৰ সংস্পৰ্শলৈ আহিছিল। একাবেঁকা বাটেৰে বৈ যোৱা পাহাৰৰ সেই অনামী নদীখনৰ সি নাম ৰাখিছিল বক্ৰতোৱা। পাহাৰী শিলৰ ওপৰেৰে শালছৰ জোপোহাৰ মাজেৰে বৈ যোৱা নদীখনে ঠাইডোখৰৰ সৌন্দৰ্য্য বৃদ্ধি কৰিছিল।[২১] সোণালী ৰঙৰ নদীৰ বালি সূৰ্য্যৰ পোহৰত জিলিকি থাকে। ওচৰত সুগন্ধি লতাফুলৰ হাবি। ফুলৰ গোন্ধে আকাশ-বতাহ ভাৰাক্ৰান্ত কৰি ৰাখে।

বিভূতিভূষণৰ ইছামতী উপন্যাস আৰম্ভ হৈছে, ইছামতী নদীৰ বৰ্ণনাৰে। ইছামতী বংগদেশৰ যশোৱা জিলাৰ মাজেদি বৈ গৈছে সেই অংশৰ সৌন্দৰ্য্য অতি মনোৰম। নদীৰ দুযোপাৰে মদাৰৰ ৰঙা ফুল জলজ বন্যফুল বনৰীয়া লতাৰ হালধীয়া ফুলৰ শোভা কৰবাত ওখ পুৰনি বট আৰু আঁহতগছৰ নদীৰ পানীত পৰা ছাঁ বাঁহগছৰ জোপোহা বনৰীয়া চৰাইৰ বাহ এই সকলোৱে নদীপাৰৰ পৰিৱেশ মনোৰম কৰি তোলে। নদীৰ পাৰত মানুহৰ বসতি কম। মাত্ৰ সেউজীয়া খেতিৰ পতাৰ ৰূপালী বালিৰ ঘাট বনৰীয়া ফুলেৰে ভৰি থকা জোপোহা বনৰীয়া চৰাইৰ মাতত মুখৰিত নদীৰ পাৰ। চীনা চিত্ৰকৰৰ ছবিৰ নিচিনাকৈ কোনো পানীঅনা ঘাটত ৰূপহী কন্যাই গা ধুইছে। কাষত পানীঅনা কলহ লৈ স্নানৰতা লগৰীয়াৰ লগত কথা পাতিছে। কৰবাত নদীৰ পাৰত গ্ৰীষ্মকালত ফুলা অকন্দফুলৰ সুবাসে নদীপাৰৰ বতাহ সুবাসিত কৰিছে।

ইছামতী নদী গাঁৱৰ বিভিন্ন অতীত ঘটনাৰ সাক্ষী। নদীৰ পাৰত থকা পুৰণা অট্টালিকাৰ ভগ্নাৱশেষে মনত পেলায় ঐতিহাসিক নীলবিদ্ৰোহৰ সময়ৰ শিপ্‌টন ডেভিদ চাহাবৰ প্ৰজাশোষণৰ কাহিনী আৰু শিপ্‌টন-গয়ামেমৰ প্ৰেমৰ কাহিনী। শতাব্দীযে শতাব্দীয়ে ইছামতী তীৰৱৰ্ত্তী জনজীৱনৰ সুখ-দুখৰ চলমান জীৱনৰ কাষেদি চলমান ইছামতী নদী অবিৰামভাবে বৈ আছে। কত লোকৰ চিতাৰ চাই ইছামতীৰ পানীয়ে ধুই নিছে সাগৰৰ বুকুলৈ। কত তৰুণী বধূৰ ভৰিৰ চিহ্ন নদীৰ দুপাৰৰ ঘাটত লীনহৈ গৈছে। গাঁৱৰ মঙ্গল শঙ্খধ্বনি আৰু বিভিন্ন উৎসৱৰ হাঁহি-আনন্দ লীনহৈ আছে ইছামতীৰ

বুকুত। এই সকলো ন-পুৰণি স্মৃতি বহনকৰি ইছামতীৰ জলধাৰা চঞ্চল বেগেৰে বৈ গৈছে লোনা গাঙৰ দিকে, সেখানে থেকে মোহনা পেৰিয়ে ৰায় মঙ্গল পেৰিয়ে, গঙ্গাসাগৰ পেৰিয়ে মহাসমুদ্ৰৰ দিকে।[২২]

ইছামতী নদীৰ লগত ভবানী-তিলুৰ ৰোমান্টিক প্ৰেমো জড়িতহৈ আছে। ভবানী তিলুক লৈ সদায় নদীত গা ধুবলৈ যায়। ইছামতীৰ নিৰ্জন ঠাইত নিবিড় নল-খাগৰিৰ জোপোহাৰ মাজেদি ভবানীয়ে নিজৰ এটা ঘাট তৈয়াৰ কৰি লৈছে। গাঁৱত স্বামী স্ত্ৰী একেলগে ঘৰৰ বাহিৰলৈ যোৱাৰ নিয়ম নাই। সেয়ে ভবানীয়ে লোকচক্ষুৰ আঁৰত নিজস্ব এটা ঘাটৰ সৃষ্টি কৰিছে। সেই ঘাটত বাবলা ফুলৰ পাহি নদীৰ নিৰ্মল পানীত সৰি পৰে। গুলঞ্চ ফুলৰ সৰু সৰু লতা পানীত উপঙি থাকে। স্নানৰতা তিলুৰ চাৰিওফালে অসংখ্য সৰু সৰু মাছে অহা-যোৱা কৰে। নদীপাৰৰ হাবিত অচিন চৰায়ে গীত গায়। দুয়ো নদীত সাঁতোৰে। তিলুৰ সুন্দৰ ঋজুদেহ পানীৰ তলত নিশব্দে অহা-যোৱা কৰে। তিলুৰ কাষে কাষে ভবানীয়ে নদীত গা ধুই জোনাকে ধোৱা গধুলি ঘৰ পায়গৈ। ভবানী-তিলুৰ উপৰিও নিস্তাৰিণীয়ে নদীৰ পাৰত গোবিন্দক লগ কৰে। তাৰ উপহাৰ নতুন সোণৰ আঙুঠিয়ে তাইক ৰোমাঞ্চিত কৰে।

ইছামতী উপন্যাসৰ কাহিনীয়ে পৰিসমাপ্তিৰ পথলৈ গতি কৰিছে ইছামতী নদীৰ বৰ্ণনাৰে। ইছামতীৰ পাৰে পাৰে নতুন গছ-লতা গজি উঠিছে। সোঁদালি গছৰ সৰু পুলিবোৰ কেইবছৰমানৰ ভিতৰতে ঘন জংঘলত পৰিণত হৈছে। যাযবৰ চৰাইৰ কূজনত ইছামতীৰ পাৰ মুখৰিত হয়।[২৩] ইছামতীৰ আৰম্ভণিতে আছে ইছামতী নদীৰ বৰ্ণনা আৰু শেষ হৈছে ইছামতী নদীৰ সৌন্দৰ্য্য বৰ্ণনাৰে।

বিভূতিভূষণৰ উপন্যাসত আবেলি ঃ

অপৰাহ্নত বিশ্বপ্ৰকৃতিয়ে অপৰূপ সৌন্দৰ্যৰ পোহাৰ মেলে। প্ৰকৃতিপ্ৰিয় ঔপন্যাসিক বিভূতিভূিষণৰ স্বভাৱত যি উদাসীনতা আছে, সি অপৰাহ্নৰ পোহৰত যিমান সুন্দৰকৈ ফুটি উঠে দিনটোৰ আৰু কোনো সময়তেই সিমান স্বাভাৱিকভাৱে ফুটি নুঠে। সন্ধ্যা প্ৰকৃতিৰ বিচিত্ৰ ৰূপে বিভূতিভূিষণৰ মন ঈশ্বৰাভিমুখী কৰি তোলে। বিভূতিভূিষণে তেও দিনলিপি হে অৰণ্য কথা কওত ইয়াৰ আভাস দিছে।[২৪]

বিভূতিভূিষণৰ উপন্যাসৰ প্ৰধান চৰিত্ৰসমূহৰ উপলব্ধিৰ বহুতো নিবিড় মুহূৰ্তই এই দিনৰ শেষত। পথেৰ-পাঁচালীৰ নিশ্চিন্দিপুৰ গাঁৱৰ পৰিৱেশ অপৰাহ্নৰ সূৰ্য্যৰ পোহৰত সৌন্দৰ্য্যশালী হৈ পৰে।[২৫] সৰস্বতী পূজাৰ দিনা অপু দেইতাকৰ লগত নীলকণ্ঠ চৰাই চাবলৈ গৈ যি মুক্ত প্ৰকৃতিৰ লগত তাৰ পৰিচয় হৈছিল সেয়া আছিল এক মনোৰম আবেলি।

অপুৱে প্ৰথম শিক্ষালাভ কৰা প্ৰসন্ন গুৰু মহাশয়ৰ পাঠশালাত শিক্ষাদান আৰম্ভ হয় সুন্দৰ আবেলিৰ পৰিবেশত। পাঠশালাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম। অস্তগামী সূৰ্য্যৰ ৰঙাৰ'দে পাঠশালাৰ চাৰিওফালৰ পৰিৱেশ মোহনীয় কৰি তোলে। পাঠশালাৰ

চাৰিওফালে আবৰি থকা গছ-লতাত টুনটুনী চৰাইৰ মিঠা গীতে সৰব কৰি তোলে। পাঠশালা ঘৰৰ বনৰ সুগন্ধৰে ভৰা লতাপাতৰ চাতাহি, ফটাচিতা বহী কাগজ পাঠশালাৰ মাটিত বহিবলৈ পাৰিলোৱা ঢাৰি আৰু গুৰুমহাশয়ৰ ধোঁৱাখোৱাৰ শব্দই আৰু ধপাতৰ গোন্ধে গোটেই আবেলিটোত এটা জটিল গোন্ধৰ সৃষ্টি কৰে। কেতিয়াবা গুৰুমহাশয়ৰ অবৰ্ত্তমানত গাঁৱৰ দীনু পালিত আৰু ৰাজু ৰায়ৰ সৈতে পাঠশালাত কাহিনী শুনা আবেলিসমূহ অপুৰ প্ৰিয়। এনেকুৱা এটা আবেলিতে অপুৱে লগৰীয়া নীলুৰ লগত গভীৰ হাবিলৈ চৰাইৰ পোৱালি বিচাৰি গৈছিল। প্ৰায় প্ৰতিটো আবেলি অপুৱে দুৰ্গাৰ লগত ফলমূল বিচাৰি লোকৰ বাৰীয়ে বাৰীয়ে ঘূৰি ফুৰিছিল। নিশ্চিন্দিপুৰৰ তেনেকুৱা এটা কালবৈশাখীৰ ধুমুহা-বৰষুণৰ আবেলি বৰষুণত তিতি জুৰুলি-জুপুৰি হৈ হাবিৰ গছৰ তলত আশ্ৰয় লৈ অপু-দুৰ্গা সন্ধিয়া ঘৰ সোমাইছিলহি।

পথেৰ-পাঁচালীত দুৰ্গাৰ মৃত্যুৰ পিছতো অপুৱে অপৰাহ্নৰ মায়াময় পৰিৱেশত ইছামতী নদীৰ পাৰৰ চতিয়না গছৰ ছাঁত বহি বৰশীৰ চিপ টানিছিল। যেতিয়া আবেলিটো খেজুৰৰ গোন্ধেৰে ভৰপূৰ হৈ উঠে স্নিগ্ধ বতাহত ফুলৰ সুগন্ধি বিয়পি পৰে, চাৰিওফালৰ পৰা বৌ কথাকও কুলি কেতেকী আদি চৰাইৰ মাত ভাঁহি আহে, সূৰ্য্য সোণাডাঙা পথাৰৰ বটগছজোপাৰ আঁৰত অস্ত যায় নদীৰ পানী আন্ধাৰত কজলা হয় ঘৰশালিকাৰ জাক হুলস্থূল কৰি বাহমুৱা হয় তেনেকুৱা আবেলি অপুৰ মন আনন্দত বিভোৰ হয়।

অপৰাজিত উপন্যাসত অপু যেতিয়া কৈশোৰত উপনীত হৈছে, তেতিয়া তাৰ অপৰাহ্নপ্ৰীতিৰ সম্পৰ্কে সি নিজেই সচেতন হৈছে। মাকক মানসাপোতাত অকলে এৰি দেওয়ানপুৰ হাইস্কুলত পটি থাকোতে সি প্ৰতিটো আবেলি আবাসঘৰৰ কাষৰ গছ এজোপাৰ তলত বহি মাকলৈ মনত পেলায় আৰু আবেলিৰ সৌন্দৰ্য্যক লৈ কবিতা লিখে। কলিকতাৰ কলেজত পটি থাকোতে তাৰ বাৰে বাৰে মনত পৰে নিশ্চিন্দিপুৰত বায়েক দুৰ্গাৰ লগত কটোৱা প্ৰতিটো আবেলিলৈ। তাৰ অপৰাহ্ন প্ৰীতিৰ কথা সি নিজেই স্বীকাৰ কৰিছে — 'নৃপেনবাবু বিকেল এত ভালবাসি সেই বিকেল দেখিনি যে আজ কতদিন।[২৬] কলেজৰ বন্ধৰ দিনত মনসাপোতাত সি প্ৰতিটো আবেলি মাকৰ লগত মনৰ কথাপাতি কটায় আৰু কলেজৰ কাহিনী মাককশুনায়। অপৰাজিতৰ শেষত সুদীৰ্ঘ চৌব্বিছ বছৰৰ পিছত অপু কাজলক লৈ নিশ্চিন্দিপুৰলৈ ঘূৰি আহিছে এক মধুৰ অপৰাহ্নত। নিশ্চিন্দিপুৰৰ পুৰণি চিনাকি ৰাস্তাৰে খোজকাঢ়ি যাওঁতে তাৰ মন অতীতলৈ উৰা মাৰিছে।[২৭]

অপুৰ নিচিনাকৈ **আৰণ্যক**ৰ সত্যচৰণৰ প্ৰকৃতিৰ লগত পৰিচয় হৈছে শীতৰ এক অপৰাহ্নত। শীতৰ আবেলি বিস্তীৰ্ণ প্ৰান্তৰত ঘন ছায়া নমা দূৰৰ পৰ্বতশ্ৰেণীৰ ওপৰত অলপ কুঁৱলীয়ে আবৰা সময়তে সত্যচৰণ কলিকতাৰ পৰা আহি লবটুলিয়া অৰণ্যত পদাৰ্পন কৰিছে। অৰণ্যৰ লগত পৰিচয় ক্ৰমে গাঢ় হৈছে মটৰ খেতিৰ

পথাৰত শীতৰ সন্ধ্যা ৰতাহে সজীৱ মটৰ গছৰ গোন্ধ ৰতাহত বিয়পাই দিয়া মুহূৰ্তত। সাওতাল ৰজা দেবৰু পান্না আৰু ৰজাৰ নাতিনী কন্যা ভানুমতীৰ লগত সত্যচৰণৰ পৰিচয় হৈছে এনেকুৱা এটা অপৰাহ্নতে। আবেলি দেবৰুপান্নাৰ লগত ৰাজ পৰিয়ালৰ সমাধি চাবলৈ গৈ গছে ঢকা পাহাৰৰ ওপৰত সত্যচৰণৰ মন মহাকালৰ যি স্বপ্নৰে আচ্ছন্ন হৈছে, সেই স্বপ্ন অপৰাহ্নৰ ধূঁৱলী-কুঁৱলী পোহৰ-আন্ধাৰৰ ছায়াত সজীৱ হৈছে। উপন্যাসৰ শেষত কলিকতাৰ ঘৰৰ কাষৰ বাদাম গছৰ তলত বহি সত্যচৰণে অপৰাহ্নতেই অৰণ্যাবাসৰ স্মৃতি ৰোমন্থন কৰিছিল।

বিভূতিভূষণৰ আদৰ্শ হিন্দু হোটেলৰ নায়ক হাজাৰি ঠাকুৰৰ আটাইতকৈ ভাললগা সময় অপৰাহ্ন। দিনটো হোটেলৰ কাম কৰি আবেলি দুঘণ্টামানৰ কাৰণে সি আজৰি পায়। এই আজৰি সময়ত সি তাৰ প্ৰিয় ঠাই চুৰ্ণীনদীৰ ঘাটত নাইবা ৰাধাবল্লভ মন্দিৰত বহি ভৱিষ্যত নিজৰ আদৰ্শ হিন্দু হোটেলৰ পৰিকল্পনা কৰে। কেতিয়াবা ৰাণাঘাটত বাস কৰা কন্যাসম কুসুমৰ পৰিচৰ্যাত আৰু নাতি-নাতিনীৰ কাহিনীৰে তাৰ আবেলিবোৰ আনন্দময় হৈ উঠে। উপন্যাসৰ শেষত এনেকুৱা এটা আবেলিতে হাজাৰিয়ে চকুত উজ্জ্বল ভৱিষ্যতৰ স্বপ্ন লৈ ৰাণাঘাট ষ্টেচনৰ পৰা বম্বেমুখী ৰেলত যাত্ৰা কৰিছে।

বিভূতিভূষণৰ শেষ উপন্যাস ইছামতীত অপৰাহ্নৰ সৌন্দৰ্য্য বাৰে বাৰে বৰ্ণিত হৈছে। আবেলিৰ সূৰ্য্যাস্তত ভবানীয়ে প্ৰকৃতিত এক গভীৰ ৰহস্যৰ সন্ধান পায়।[২৮] ভবানীয়ে মনত পেলায মৃতা পত্নী বিলুলৈ এনেকুৱা গহীন আবেলি। শিশু পুত্ৰক লৈ ভবানী আবেলি ইছামতীৰ পাৰত বহেগৈ। চৰাইৰ কাকলিপূৰ্ণ অপৰাহ্ন আৰু নদীজলৰ স্নিগ্ধতাই ভভানীক ভগৱানৰ কাষ চপাই নিয়ে। অপৰাহ্নৰ প্ৰকৃতিৰ মাজত ভগৱান দৰ্শন হোৱাৰ নিচিনাকৈ অপৰাহ্নৰ প্ৰকৃতিৰ সৌন্দৰ্য্যৰে মনোৰম হৈ ধৰা দিয়ে ভবানীৰ চকুত। ভাদমাহৰ আবেলি কদম ডালত পৰা ৰঙা ৰ'দ আৰু বনৰীয়া ফুলৰ নাচোন দূৰৰ পৰা ৰিণি ৰিণি শুনা বনৰীয়া চৰাইৰ মাত আৰু শিশু পুত্ৰৰ অৰ্থ নোহোৱা কথাৰ মাজত ভবানীয়ে সীমাহীন সৌন্দৰ্য্যৰ সন্ধান পায়।

বিভূতিভূষণৰ উপন্যাসত জোনাকৰাতি ঃ

বিভূতিভূষণৰ সাহিত্যত প্ৰকৃতিৰ সৌন্দৰ্য্য প্ৰকাশত জোনাকৰাতিয়ে বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছে। তেওঁৰ নিঃসংগমনে জোনাকৰাতিক আজীৱন সংগী কৰি ল'বলৈ বিচাৰে। দিনলিপি হে অৰণ্য কথা কওত জোনাকৰাতিৰ অপৰূপ সৌন্দৰ্য্য বৰ্ণনা কৰিছে এনেদৰে— সেই জ্যোৎস্নাস্নাত শালবন ও উদাস প্ৰান্তৰেৰ মধ্যে বসে আমি যেন ক্ষণকালেৰ জন্যে সেখানদাৰ অধিবাসী হয়ে গিয়েছি, মনে হ'লো। কি সুন্দৰ হবে যখন এখানে নিজেৰ ঘৰেৰ চামনে বসে থাকবো এমনি নিৰ্জন ৰাত্ৰিৰ জ্যোৎস্নাৰ মধ্যে।[২৯] বিভূতিভূষণে নিজে জোনাকক সংগী কৰি ল'বলৈ বিচৰাৰ দৰে তেওঁৰ উপন্যাসৰ চৰিত্ৰসমূহেও জোনাকৰ সৌন্দৰ্য্য উপভোগ কৰি আপোনাপাহৰা হয়।

পথেৰ-পাঁচালীৰ অপুৰ প্ৰিয় জোনাকৰ সৌন্দৰ্য্য। শৈশৱতে অপুৰ জোনাকৰ প্ৰতি আকৰ্ষণ বৃদ্ধি পায়। গভীৰ ৰাতি সি জোনাকৰ সৌন্দৰ্য্য চাই আপোনপাহৰা হয়।[৩০] অকলে প্ৰথম দুৰৱৰ্ত্তী গাঁৱত পেহীয়েকৰ ঘৰলৈ ফুৰিবলৈ গৈ গুল্কীক পথৰ কাষত এৰি থৈ এটা জোনাকৰাতি সি ঘৰমুৱা হৈছিল। গুল্কীক সি ভৱিষ্যত জীৱনত কেতিয়াও লগ নাপলেও সাৰে থকা জোনাকৰাতিবোৰে গুল্কীৰ স্মৃতি ৰোমন্থন কৰায়।[৩১] কাশীলৈ যোৱাৰ আগতে নিশ্চিন্দিপুৰৰ লগতে নিজৰ ভগাঘৰৰ কাষৰ নাৰিকল জোপাত জোনাকৰ পোহৰ পাৰি হোৱা সৌন্দৰ্য্য আকৌ দেখিবলৈ নোপোৱাৰ দুখত অপু আবেগিক হৈ পৰিছিল। নতুন ঠাইলৈ যোৱাৰ তাৰ যি উৎসাহ আছিল যি তৎক্ষণাত নোহোৱা হৈ গ'ল। সি যি ঠাইলৈ যাব তাত হয়তো এনেকুৱা জোনাকে ধোৱা নাৰিকল গছ নেথাকিব। জ্ঞান হোৱাৰ পৰাইসি এই নাৰিকল গছজোপা দেখি আহিছে— জোনাকৰাতি গছজোপা সুন্দৰ দেখায়। ৰান্ধনিঘৰৰ বাৰান্দাত বহি জোনাকভৰা নাৰিকল গছৰ পাতবিলাকলৈ চাই কিমান ৰাতি সি দুৰ্গাৰ লগত খেলা কৰিছিল।

কাশীলৈ যোৱাৰ পথত অপুৱে দেখিবলৈ পালে বেত্ৰৱতী নদী পাৰ হোৱাৰ সময়তে জোন ওলাল। জোনৰ পোহৰত নদীৰ পানী চিকচিক কৰিছে। বট-আঁতহগছৰ ডালৰ মাজত কৰবাত কুলীয়ে গীত গাইছে— আঁহতৰ কোমল কেচাপাত জোনৰ পোহৰত জিলিকি উঠিছে। বাংলা প্ৰকৃতিৰ এই অপৰূপ সৌন্দৰ্য্যই শিশু অপুক পিছৰ জীৱনত শিল্পীলৈ পৰিণত কৰাত সহায় কৰিছিল। 'বাংলাৰ বসন্ত চৈত্ৰ বৈশাখেৰ মাঠে বনে-বাগানে যেখানে সেখানে কোকিলেৰ এলোসেলো ডাকে নৱ-পল্লৱ নাবাকেশৰ গাছেৰ অজস্ৰ ফুলেৰ ভাৰে বনফুলেৰ গন্ধভৰা জ্যোৎস্নাস্নিগ্ধ দক্ষিণহাযওয়ায উল্লেখ আনন্দ নৃত্য শুৰু কৰিয়াছে— এৰূপ অপৰূপ বসন্ত দৃশ্য অপু জীৱনে প্ৰথম দেখিল বনপ্ৰান্তেৰ সমুখ জ্যোৎস্না ৰাত্ৰিৰ যে মায়াময় ৰূপ অংকিত হইযা গিয়াছিল তাহাৰ উত্তৰকালেৰ শিল্পীজীৱনেৰ কল্পনা মুহূৰ্তগুলি মাধুৰ্য আৰু প্ৰেৰণায় কৰিযা তুলবাৰ তাহাই ছিল শ্ৰেষ্ঠ উপাদান।'[৩২] উত্তৰজীৱনত অপৰ্নাৰ লগত ক্ষণস্থায়ী দাম্পত্য জীৱনত এনেকুৱা জোনাকৰ ৰূপালী পোহৰত দুয়ো বহি গল্প কৰিছিল গীত গাইছিল।

অপুৰ মাক সৰ্বজয়াৰ জীৱনতো জোনাকৰাতি নিজস্ব মহিমাৰে মণ্ডিত। বিয়াৰ সুদীৰ্ঘ দহ বছৰৰ পিছত হৰিহৰ-সৰ্বজয়াৰ নিবিড় সান্নিধ্যলৈ আহে এক ৰহস্যময় জোনাকৰাতি। ৰাতিৰ চৰায়ে গীত গোৱা পৰিৱেশত বছৰৰ পিছত বছৰ প্ৰতীক্ষাৰ অন্তত সৰ্বজয়াই দাম্পত্য জীৱনৰ পাতনি মেলিলে জোনাকৰ সৌন্দৰ্যসনা নিবিড় মুহূৰ্তত।[৩৩] মনসাপোতাৰ ঘৰত অকলে থকা দিনকেইটাত সুন্দৰ জোনাকৰাতিবোৰত সৰ্বজয়াৰ অপুৰ কথাই কেৱল মনলৈ আহে। সৰ্বজযাৰ ভাব হয় জোনাকৰ পোহৰত খিড়িকীৰ কাষত অপু থিয়হৈ আছে। ডেকা অপু নহয় বালক অপু। নিশ্চিন্দিপুৰৰ বহুতো জোনাকৰাতি বাঁহবনৰ ঘৰত ভগা খিড়িকীৰ ফাঁকেৰে জোনৰ পোহৰ আহি

পৰিছিল তাৰ দন্তহীন ফুলৰ নিচিনা কোমল মুখত। সৰ্বজয়াৰ কাৰণে মৃত্যুও আহিছে জোনাকৰ ৰূপত।[৩৪]

বাল্যকালৰ পৰাই অপুক জোনাকৰ সৌন্দৰ্য্যই আকৰ্ষণ কৰিছিল। উমেৰিয়া অৰণ্যত কটোৱা নিদবিলাকত অপুৰ নিঃসঙ্গতা দূৰ কৰিছিল সুন্দৰ জোনাকৰ সৌন্দৰ্য্যই। অবনীবাবুৰ ঘৰত আলহী হৈ থাকোঁতে সুন্দৰ জোনাকৰাতিবোৰত অপুৱে দেউতাক হৰিহৰৰ পৰা শিকা কথকতা আৰম্ভ কৰিছিল ঘৰৰ বাৰান্দাত বহি। জোনৰ পোহৰত অবনীবাবুৰ পত্নীৰ আনন্দভৰা চকুপানী তিৰবিৰাই জিলিকি উঠিছিল। উমেৰিয়াৰ জোনাকে অপুক বাৰে বাৰে মনত পেলাই দিয়ে নিশ্চিন্দিপুৰৰ শৈশবলৈ— "এই জ্যোৎস্না মাখা বনভূমি - এই ৰাত্রিৰ স্তব্ধতা এই শিশিৰাদ্ৰ নৈশবায়ু— এযা যেন কত কালেৰ কথা মনে কৰাইযা দেয়।"[৩৫]

আৰণ্যকৰ নাযক সত্যচৰণৰ অৰণ্যবাসৰ দিনবিলাকৰ বহুতো মায়াময় প্ৰহৰৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ ৰোমাঞ্চকৰ অনুভৱ হয এই জোনাকৰাতি। প্ৰকৃতিয়ে বিভিন্ন ৰূপেৰে বিভিন্ন সাজেৰে তাক মুগ্ধ কৰাৰ দৰে জোনাকৰাতিয়েও তাক মুগ্ধ কৰিছিল। অৰণ্যপ্ৰকৃতিলৈ জোনাক আহে গভীৰ ৰাতি সুন্দৰীৰ সাজেৰে হিমস্নিগ্ধ বনৰীযা ফুলৰ সুবাসেৰে আকাশ ভৰা তৰাৰ মালাপিন্ধি। এনেকুৱা এটা জোনাকৰাতিৰ কথা সি কেতিয়াও পাহৰিব নোৱাৰেয সেইদিনা আছিল দৌলপূৰ্ণিমা। শীতকালৰ গভীৰ ৰাতি। কেতিযাও বাহিৰলৈ নোলোৱা সত্যচৰণে ফুলকিয়া বাইহাৰ পৰিপূৰ্ণ জোনাকৰাতিৰ ৰূপ সেইদিনাই প্ৰথম দেখিবলৈ পাইছিল।[৩৬] ফাগুনৰ মাজভাগত যেতিয়া অৰণ্যত দুধুলি ফুল ফুলি উঠে বন প্ৰান্তৰত ৰঙীণ ফুলৰ দলিছা পাৰি দিয়ে— তেতিয়া জোনাকৰ বগা পোহৰত ৰাতিৰ বতাহে তাৰসুগন্ধ অৰণ্যত বিলাই দিয়ে। ফুলকিয়া বাইহাৰৰ সেই জ্যোৎস্নাৰ সৌন্দৰ্য্য অপৰূপ হয।

মহালিখাৰূপেৰ পাহাৰৰ জোনাকৰ সৌন্দৰ্য্য আৰু মনোৰম। পথৰ দুয়োকাষে অনুচ্চ পৰ্বতমালা। পাহাৰৰ নামনিত গোলগোলি আৰু পলাশ ফুলৰ জংঘল। পাহাৰৰ ওপৰত শালগছ আৰু অন্য ডাঙৰ ডাঙৰ গছ। জোনৰ পোহৰত গছৰ ছাঁ চুটি হৈ যায়। নাম নজনা বনৰীয়া ফুলৰ সুবাসেৰে জ্যোৎস্নাশুভ্ৰ প্ৰান্তৰ ভৰপূৰ। দূৰ পহাৰত সাওতাল খেতিয়কে ঝুমখেতিৰ কাৰণে হাবিত জুই দিয়ে। এই পৰিৱেশে সত্যচৰণক ৰোমাঞ্চিত কৰে। জনশূন্য বিশাল লবটুলিয়া বাইহাৰৰ দিগন্তব্যাপী বনৰ জোপোহাৰ মাজেদি জোনাকৰাতি অকলে ঘোঁৰাত উঠি যাওতে সত্যচৰণৰ মনত বিভিন্ন অনুভূতিৰ উদয় হয়। কেতিয়াবা জোনাকৰ ৰূপে তাৰ মনত অসীম ৰহস্যানুভূতিৰে আছন্ন কৰে কেতিয়াবা জোনাক আহিছে ভয়ৰ ৰূপে কেতিয়াবা নিস্পৃহ উদাস গম্ভীৰ মনোভাৱেৰে আৰু কেতিয়াবা মধুময় স্বপ্ন আৰু দেশ-বিদেশৰ নৰ-নাৰীৰ বেদনাৰ ৰূপত। জোনাকৰাতিয়ে যেন নক্ষত্ৰৰ ক্ষীন পোহৰৰ তালত জিলীৰ তানত ধাৱমান উল্কাৰ অগ্নিপুঞ্জৰ জ্যোতিৰ

লয় সংগীতত মধুৰ গীতেৰে অৰণ্যপ্ৰকৃতি মুখৰিত কৰি তোলে। সত্যচৰণৰ মতে এনেকুৱা জোনাকৰ সৌন্দৰ্য্যৰ প্ৰেমত পৰি দুৰ্বলচিত্তৰ গৃহস্থী মানুহো গৃহত্যাগী হ'বলৈ বিচাৰে। জোনাকৰ এই সৌন্দৰ্য্যই তাক পাগল কৰি তুলিছিল।[৩৭]

আৰণ্যকৰ প্ৰায় পৃষ্ঠাই পৃষ্ঠাই জোনাক ৰাতিৰ অপৰূপ সৌন্দৰ্য্যৰ বৰ্ণনা আছে। 'জ্যোৎস্না আৰও ফুটিযাছে— সে কি জ্যোৎস্না। কি ৰূপ ৰাত্ৰিৰ। নিৰ্জন বালুৰ চৰে দীৰ্ঘ বনঝাউৰেৰ জংঘলেৰ পাশেৰ পথে জ্যোৎস্না যাহাৰা কখনও দেখে নাই তাহাৰা বুঝিতে না এ জ্যোৎস্নাৰ কি চেহাৰা। এমন উন্মুক্ত আকাশতলে ছায়াহীন উদাস গভীৰ জ্যোৎস্না ভৰা ৰাত্ৰিতে বন পাহাৰ-প্ৰান্তৰেৰ পথেৰ বালুচৰেৰ জ্যোৎস্না ক'জন দেখিয়াছে?'[৩৮] শীতৰ জোনাক ৰাতি কাছাৰীৰ সন্মুখৰ মুকলি ঠাইত জুই জ্বলাই সত্যচৰণে যুগলপ্ৰসাদ আৰু ৰাজুৰ লগত গল্প কৰিবলৈ বহে। কাছাৰীৰ অলপ দূৰত এটা বস্তি আছে। তাৰো দুই এজন লোক আহে। সন্ধ্যাৰ পিছত জোনাকৰাতি লবটুলিয়াৰ নতুন বস্তিসমূহ দেখিবলৈ ধুনীয়া হয়। কুঁৱলীয়ে ঢকা ৰাতিৰ অস্পষ্ট পোহৰত বিস্তীৰ্ণ প্ৰান্তব্যাপী কৃষিক্ষেত্ৰৰ বনৰীযা শেৱালিফুলৰ গোন্ধ ৰাতিৰ বতাহে কেইফালে বিয়পাই দিয়ে। দূৰত বিভিন্ন বস্তিত ঠায়ে ঠাযে মানুহে জুই জ্বলাই একেলগে বহি গল্প কৰে। দূৰৰ অস্পষ্ট জুইৰ শিখাসমূহ এডাল মালাৰ দৰে লাগে। কুঁৱলীৰে আবৃত জোনৰ পোহৰত দূৰবৰ্ত্তী বস্তিসমূহ কুঁৱলীৰে আছন্ন জ্যোৎস্নাময়ী ৰাতিৰ ৰহস্যময়ী কৰি তোলে।

দৃষ্টিপ্ৰদীপত জিতু-মালতীৰ প্ৰেম গভীৰ হয জোনাকৰ সুধাসনা পৰিৱেশত। গভীৰ ৰাতি গছৰ আঁৰত জোন অস্ত যোৱাৰ আগতে দুয়ো আহি পুখুৰীৰ পাৰৰ গছৰ তলত বহে অস্পষ্ট জোনৰ পোহৰে মালতীৰ সুন্দৰ মুখ আৰু সৌন্দৰ্য্যৰে পূৰ্ণ কৰি তোলে। দ্বাৰবাসিনীৰ আসৰ এৰি অহাৰ পিছতো সেই তৰাভৰা জোনাকৰাতিৰ স্মৃতি জিতুৰ মনৰ মাজত সজীৱ হৈ থাকে।[৩৯] জিতু-মালতীৰ প্ৰেমৰ নিচনিাকৈ বিপিনেৰ সংসাৰত বিপিনৰ বিধৱা ভগ্নী বীনা আৰু পটলৰ প্ৰেম গভীৰ হয় কুঁৱলীযে ঢকা জোনাকৰাতি বাৰীৰ পিছফালৰ গছৰ ছাঁত।

বিভূতিভূষণৰ **ইছামতী** উপন্যাসৰ আৰম্ভণিতে ইছামতী নদীৰ পাৰৰ জোনাকৰ সুন্দৰ বৰ্ণনা আছে। সেউজীযা কৃষিক্ষেত্ৰত যেতিযা জোনাকৰাতি নিৰ্মল জোনৰপোহৰ পৰে গ্ৰীষ্মকালৰ বগা থোপাথোপা অকন্দফুল ফুলি থাকে বনৰীয়া ফুলৰ সুবাস নদীৰ মৃদু বতাহে বিযপাই দিয়ে হেমন্তৰ আকাশ কুঁৱলীয়ে ঢাকি পেলায় তেতিয়া জ্যোৎস্না পক্ষেৰ চাঁদ জ্যোৎস্না ঢালে এদেৰ বুকে।[৪০] ইছামতীৰ নাযক ভবানীৰ জীৱনলৈ জোনাক আহিছে ৰোমাণ্টিক বেশেৰে। পঞ্চাছ বছৰীযা পৌঢ ভবানীয়ে সন্ন্যাসী জীৱন ত্যাগ কৰি গৃহস্তী হৈছে, তিলু বিলু আৰু নীলুক বিযা কৰাই। তিলু ভালগৃহিণী আৰু সুন্দৰী। সুবিধা পালেই ভবানী তিলুক লৈ সুন্দৰ জোনাক ৰাতি নদীৰ পাৰত বহে। গছে গছে আমৰ মুকুলৰ সুগন্ধ বিয়পি পৰে। বকুল গছৰ ডালত

বহি কেতিয়াবা কুলিয়ে গীত গায়। বসন্তৰ আগমনৰ ৰোমাণ্টিক পৰিৱেশত ভবানীয়ে তিলুক কাষ চপাই লয়।[৪১] কেতিয়াবা পুত্ৰ খোকাক লৈ স্বামী স্ত্ৰী দুয়ো ইছামতী নদীত সাঁতুৰি-নাদুৰি গা ধুই জোনে ধোৱা বাটেৰে জোনাকী পৰুৱা জ্বলা ৰাতি ঘৰলৈ উভতে।

বিভূতিভূষণৰ উপন্যাসত পৰ্বত-পাহাৰ ঃ

বিভূতিভূষণৰ **পথেৰ-পাঁচালী** আৰু **অপৰাজিত** উপন্যাসৰ নায়ক অপু বাল্যকালৰ পৰাই প্ৰকৃতিৰপ্ৰতি আকৃষ্ট হয়। **অপৰাজিত** উপন্যাসত অপুৱে উঁমৈৰিয়া অৰণ্যভূমিত অলপদিন চাকৰি কৰিবলৈ গৈ পাহাৰৰ যি সৌন্দৰ্য্য দেখিছিল সিয়ে মাক সৰ্বজয়া বায়েক দুৰ্গা আৰু পত্নী অৰ্পনাৰ মৃত্যুশোক পাহৰিবলৈ তাক সহায় কৰিছিল। উঁমৈৰিয়া পৰ্বতশ্ৰেণী ঘন আৰু নিবিড় জনমানৱহীন ৰুক্ষ আৰু গভীৰ। দিনৰ শেষত পশ্চিম আকাশত সূৰ্য্যাস্তৰ পোহৰত পাহাৰৰ যি অংশ উচ্চ আৰু অনাবৃত তাৰ গ্ৰাণাইট বেৰত সূৰ্য্যৰ ৰং প্ৰথমে হালধীয়া আৰু পিছত সেন্দুৰৰ নিচিনা আৰু শেষত কমলাৰঙৰ হৈ হঠাৎ ধুসৰহৈ নেদেখা হয়। পাহাৰৰ অৰণ্য ঘন অন্ধকাৰত ক্ৰমে ডুব যায়। শালগছ আৰু পাহাৰী বাঁহৰ ডাল-পাতত বতাহ লাগি একপ্ৰকাৰশব্দ হয। চাৰিওফালে শিয়ালে চিঞৰিবলৈ ধৰে পৃথিবী-আকাশ-বতাহ সকলোতে অপূৰ্ব ৰহস্যভৰা নিস্তব্ধতাই বিৰাজ কৰে। গভীৰ ৰাতি কৃষ্ণপক্ষৰ আধা ডুখৰীয়া চন্দ্ৰ পাহাৰৰ পিছৰ পৰা লাহে লাহে উদয় হয়। এই সৌন্দৰ্য্যৰ তুলনা নাই।

উঁমৈৰিযাৰ পৰা এদিন অমৰকণ্টক পৰ্বত চাবৰ কাৰণে অপু ৰাওনা হৈছিল অমৰকণ্টকৰ অভিমুখে। লগত ৰামচৰিত নামৰ এজন লোক। সৰু সৰু পাহাৰৰ মাজেৰে অমৰকণ্টকলৈ যোৱাৰ পথ। দূৰৰ পৰা অমৰকণ্টক পৰ্বতৰ সৌন্দৰ্থ্য অপৰূপ। দূৰবিস্তৃত নীলা পৰ্বতমালাৰ তলত মালভূমিৰ ঘন বনত অজস্ৰ বনৰীয়া ফুলৰ শোভা। পলাশৰ গছত যেন জুই জ্বলিছে। অপুৰ ভৰিৰ খোজ বৈ গৈছিল দূৰৰ পৰা দেখা অমৰকণ্টকৰ সৌন্দৰ্য্য উপভোগ কৰি। তাৰ মুগ্ধ আৰু বিস্মিত চকুৰ সম্মুখত শৈশৱৰ কল্পনাৰ স্বৰ্গক এনেকৈ বাস্তৱত পৰিণত কৰি উদঙাই দিলে— এত দূৰবিসৰ্পিত দিগ্‌বলয় সে কখনও দেখি নি। এত নিৰ্জনতাৰ কখনও ধাৰণা ছিল না তাহাৰ— বহুদূৰে পশ্চিম আকাশৰ অনতিস্পষ্ট সুদীৰ্ঘ নীল শৈলৰেখাৰ উপৰকাৰ আকাশটাতে সে কি অপৰূপ বৰ্ণসমুদ্ৰ।'[৪২] দূৰবিস্তৃত পৰ্বতমালাৰ কোনো অংশ দূৰৰ পৰা ধুঁৱলী-কুঁৱলীকৈ দেখা দিয়ে। অস্পষ্ট পৰ্বতৰ সেউজীয়া গছলতা সন্ধ্যা দিগন্তত বিলীন হয়। কোনোবাফালে বগা বগলীৰ জাক আকাশৰ নীলপটত পাখিমেলি দূৰদেশলৈ উৰি যায়। এই সুদূৰপ্ৰসাৰী পৰ্বতৰ বিশালতাই অপুৰ মনক উদাৰ দৃষ্টি দিয়ে পৰিচয়ৰ সীমা পাৰহৈ তাৰ মন অদৃশ্য অজান দেশৰ কল্পনালৈ গতি কৰে। অপুৰ ধাৰণা হয় এই শান্ত নিৰ্জন অৰণ্যভূমিৰ ডালপাতৰ ছাঁ-পোহৰত ফুলিথকা বনৰীয়া ফুলৰ সুগন্ধই দিনে দিনে এক নৱজগতৰ জন্ম দিয়ে। এই নৱজগতৰ মোহস্পৰ্শত মাজে মাজে

শালবনত উন্মাদ সুবাসে, সন্ধ্যা ধূসৰ গিৰিমালাৰ সীমাৰেখাই আৰু বনৰীয়া জন্তুৰ চিঞৰে ভৰা জ্যোৎস্নাস্নাত শুভ্ৰ জনহীন পৰ্বতভূমিৰ গাম্ভীৰ্যই অপুক লৈ যায় এৰি থৈ অহা তাৰ অতীতলৈ।

দৃষ্টিপ্ৰদীপৰ নায়ক জিতুৰ জন্ম কাৰ্সিয়াঙৰ পাহাৰৰ কাষৰ এখন চাহ বাগিচাত। পাহাৰী পৰিৱেশত ডাঙৰ হোৱা জিতুৱে কেৱল জানে— 'চা ঝোপ ওক আৰ পাইনেৰ বন, ধুৰা গাছেৰ বন পাহাৰী ডালিয়াৰ বন ঝৰ্ণা কন্‌কনে শীত দূৰে বৰফে ঢকা বড বড় পাহাৰ পৰ্বতেৰ চুডা মেঘ কুয়াশা বৃষ্টি।'[৪৩] দেউতাকৰ বাগানত চাকৰি যোৱাৰ পিছত জিতু যেতিয়া বংগদেশৰ সমতলভূমিত বৰদেউতাকৰ ঘৰত থাকিবলগীয়া হ'ল তেতিয়া তাৰ বাৰে বাৰে মনলৈ আহে কাঞ্চনজংঘাৰ পাৰ্শ্ববৰ্ত্তী পাহাৰী বাগানৰ সৌন্দৰ্য্যৰ ছবি।

বিভূতিভূষণৰ **আৰণ্যক** উপন্যাসৰ লবটুলিয়া বাইহাৰ অৰণ্যত এটা সুন্দৰ পাহাৰ আছে। নাম মহালিখাৰূপেৰ পাহাৰ। নিস্তব্ধ দুপৰীয়া দূৰৈৰপৰা মহানিলখাৰূপেৰ পাহাৰ আৰু অৰণ্যই ৰহস্যময় ৰূপ লয়। পাহৰটো দুৰ্গম বনাকীৰ্ণ শঙ্খচুড সাপৰ বাসভূমি। বনৰীয়া কুকুৰা দুষ্প্ৰাপ্য বনৰীয়া চন্দ্ৰমল্লিকা ফুল ডাঙৰ ডাঙৰ ভালুকেৰে পাহাৰী অৰণ্য ভৰা। পাহাৰৰ ওপৰত পানী নাই কাৰণে তাত বিভিন্ন প্ৰজাতীৰ সাপৰ ৰাজত্ব। দীৰ্ঘ নীলৰেখাৰ নিচিনা পৰিদৃশ্যমান এই পাহাৰ আৰু অৰণ্য স্বপ্নভূমিৰ নিচিনা মনোৰম। পাহাৰৰ গছ-বন নিৰ্জনতা নিৰৱ ৰহস্য সৌন্দৰ্য্য চৰাইৰ কোলাহল বনৰীয়া ফুলৰ শোভা— এই সকলোৱে মনলৈ এক গভীৰ শান্তি আৰু আনন্দ আনি দিয়ে। আবেলিৰ ৰঙা ৰ'দ আহিপৰে মহালিখাৰূপৰ পাহাৰৰ ওপৰত। পাহাৰৰ গছে-বনে অপৰূপ সৌন্দৰ্য্যই বিৰাজ কৰে। বনৰীয়া শেৱালিফুলৰ গন্ধভৰা বতাহে আৰু কুঁৱলীৰ ঈষৎ আৱৰণেৰে হেমন্তৰ আবেলিবোৰত পাহাৰৰ সৌন্দৰ্য্য আৰু মনোৰম হৈ উঠে।

'আৰণ্যক'ত সৰস্বতী হ্ৰদ :

আৰণ্যক উপন্যাসৰ লবটুলিযা অৰণ্যৰ উত্তৰ প্ৰান্তত এটা ডাঙৰ হ্ৰদ আছে। এই হ্ৰদটো নাম সৰস্বতী হ্ৰদ। বিশাল জলাশয়ক লবটুলিয়াৰ লোকে কুণ্ডী বোলে। সৰস্বতী হ্ৰদৰ পাৰৰ চাৰিওফালে নিবিড অৰণ্য। এই ধৰণৰ ডাঠ অৰণ্য লবটুলিয়াত নাই। সৰশ্বতীৰ পাৰৰ অৰণ্যত ডাঙৰ বনস্পতিৰ সমাবেশ। হ্ৰদৰ পানীৰ সান্নিধ্যৰ কাৰণে অৰণ্যৰ পাদদেশত নানা ধৰণৰ বিচিত্ৰ লতাগছ আৰু বনৰীয়া ফুলৰ দলিছা। এই অৰণ্যই সৰস্বতী হ্ৰদৰ নীলা পানীক তিনিওফালে অৰ্দ্ধচন্দ্ৰাকাৰে আৱৰি ৰাখিছে। এফালে মুকলি। তাৰপৰা পূবফালৰ বহুদূৰ প্ৰসাৰিত নীলা আকাশ আৰু দূৰৰ পৰ্বতশ্ৰেণী চকুত পৰে। সেয়ে হ্ৰদৰ পূব-পশ্চিম কোনো এটা পাৰত বহিলে সৰস্বতী হ্ৰদৰ অপূৰ্ভ সৌন্দৰ্য্য দৃষ্টিগোচৰ হয। গভীৰতৰ অৰণ্যৰ ফালে দৃষ্টি দিলে গভীৰ নিৰ্মল শ্যামলতাৰ মাজত নিজকে হেৰুৱাই পেলাব লাগে। দক্ষিণে হ্ৰদৰ পানীত দৃষ্টি দিলে হ্ৰদ স্বচ্ছ

নীলা পানীৰ ওপৰত সুদূৰব্যাপী আকাশ আৰু অস্পষ্ট পৰ্বতশ্ৰেণীৰ সৌন্দৰ্য্যই মনক পৃথিৱীৰ মাটিৰ পৰা কল্পনাজগতত বিচৰণ কৰায়।

আৰণ্যকৰ নায়ক সত্যচৰণৰ অবসৰ বিনোদনৰ ঠাই হ'ল এই সৰস্বতী হ্ৰদৰ পাৰ। হ্ৰদৰ পাৰৰ এটা শিলৰ ওপৰত সি কেতিযাবা অকলে বহি থাকে। কেতিয়াবা হ্ৰদৰ পাৰৰ অৰণ্যত আপোনমনে ঘূৰি ফুৰে। ডাঙৰ গছৰ ছাঁত বহি কেতিয়াবা চৰাইৰ গীত শুনে। নানা ধৰণৰ বনৰীয়া ফল খাবলৈ পায় কাৰণে আৰু ওখ গছত বাহ সজাৰ সুবিধাৰ কাৰণে হ্ৰদৰ পাৰৰ অৰণ্যত চৰাইৰ সংখ্যা অধিক। হ্ৰদৰ পাৰৰ নিবিড অৰণ্য প্ৰায় তিনিমাইল দূৰ ব্যাপি। হ্ৰদৰ পাৰৰ পৰা অৰণ্যৰ মাজত গছলতাৰ ছাঁত এটা লুংলুঙীয়া পথ আছে, এই পথত থিয় হ'লে গছলতাৰ মাজে মাজে সৰস্বতী হ্ৰদৰ পানীৰ পৰা নীলা আকাশৰ ছবি আৰু দিগন্তব্যাপি পৰ্বতশ্ৰেণী চকুত পৰে। স্নিগ্ধ বতাহত বনৰীযা ফুলৰ সুগন্ধি বিয়পি পৰে। চৰাইৰ সুললিত গীতে মন মতলীয়া কৰে।

সৰস্বতী হ্ৰদৰ পাৰৰ হাবিত যেনেকৈ বিভিন্ন বনৰীযা চৰাইৰ বাসৰ ঠাই তেনেকৈ সৰস্বতীৰ নীলা পানীত পানীকাউৰী ৰঙাহাঁহ, মাণিকচৰাই পানীবগলী আদি জলচৰ পখীৰ কাকলিৰে মুখৰ হৈ থাকে।[৪৪] হ্ৰদৰ পানীত জলচৰ পখীৰ কোলাল কলৰৱে পৰিৱেশটো কোলাহলমুখৰ কৰি তোলে। হ্ৰদৰ পাৰৰ অৰণ্যৰ গছবিলাকত জাকপাতি বগলী পৰি থাকে দূৰৰ পৰা দেখিলে এনে লাগে যেন গছবিলাকত বগা বগা ফুল থোপাথোপে ফুলি আছে।

সৰস্বতী হ্ৰদৰ পাৰৰ অৰণ্যত বহুতো শিমলুগছ আছে। হ্ৰদৰ পাৰৰ ডাঙৰ ডাঙৰ শিলা খণ্ডৰ ওপৰত বসন্ত আগমণৰ ৰাতিপুৱা পাহে পাহে শিমলু ফুল সৰি পৰি থাকে। নানা বিচিত্ৰ আৰু বিভিন্ন গঢৰ গছবিলাকৰ গা-গছত বিভিন্ন লতাৰ সমাবেশ। এনে ধৰণৰ এবিধ লতাৰ নাম ভিৰোঁৰা লতা। বসন্তৰ সময়ত ভিৰোঁৰালতাৰ ফুল ফুলে। এই ফুলৰ সুঘ্ৰাণে হ্ৰদৰ পাৰ সুবাসিত কৰি ৰাখে।

সৰস্বতী হ্ৰদৰ লগত বহুত অলৌকিক কাহিনীও জডিতহৈ আছে। হ্ৰদৰ লগত পঁচিছ/ত্ৰিছ বছৰৰ পৰিচয় থকা আমীন ৰঘুবীৰ প্ৰসাদৰ মতে এইটো এটা মায়াৰ হ্ৰদ। জোনাকৰাতি হ্ৰদৰ পানীত পৰীয়ে গা ধুবলৈ আহে।[৪৫] জোনাকৰাতি অৰণ্যৰ শোভা দেখিলে অনুমান হয যে সঁচাকৈযে মায়াবিনী বনদেৱী গভীৰ ৰাতি জ্যোৎস্নাস্নাত হ্ৰদত জলকেলি কৰিবলৈ নামে। চাৰিওফালে নীৰৱ নিস্তব্ধ। পাৰৰ ঘন বনত শিয়ালৰ মাত শুনা যায়। দূৰৰ পৰ্বতমালাৰ অস্পষ্ট ছবি চকুত পৰে। জোনাকৰ বতাহে বনৰীয়া নৈশফুলৰ মৃদুসুবাস চাৰিওফালে বিয়পাই দিয়ে। অৰণ্য আৰু পাহাৰ বেষ্টিত বিস্তীৰ্ণ হ্ৰদৰ বুকুত পূৰ্ণিমাৰ জোনৰ পোহৰে জলজ ফুলৰ সৌন্দৰ্য্য আলোকিত কৰি অপাৰ্থিৱ দেৱলোকৰ সন্ধান দিয়ে।

প্ৰাকৃতিকভাৱে সৌন্দৰ্য্যশালী সৰস্বতী হ্ৰদৰ সৌন্দৰ্য্য বৃদ্ধিৰ কাৰণে এজন লোকে আপ্ৰাণ চেষ্টা চলাইছিল। তেওঁ হ'ল যুগলপ্ৰসাদ। যুগলপ্ৰসাদে বহুত বনৰীয

ফুল আৰু সুদৃশ্য গছ লতাৰ খবৰ ৰাখে। হালধীয়া ধুতুৰাজাতীয় একপ্ৰকাৰ গছ সি হ্ৰদৰ কেউপাৰত ৰুই দিছিল। খুউব সোনকালে তাৰফুল ফুলিল। পূৰ্ণিমাৰ হাবিৰ পৰা বন্য বয়ডা লতাৰ গুটি আনিছিল। পুলি ওলোৱা ছয়-সাত মাহৰ পিছৰ পৰা ফুল ফুলবলৈ আৰম্ভ কৰিলে। এই ফুল দেখিবলৈ যিমান সুন্দৰ তাৰ সুবাস সিমান মৃদু। হ্ৰদৰ পানীত ওৱাটাৰ ক্ৰোফট বুলি একপ্ৰকাৰ জলজ ফুলৰ শিপা পুতিছিল। সেই গছ ইমান খৰকৈ বাঢিবলৈ ধৰিলে যে যুগলৰ ভয় হ'ল হ্ৰদৰ পদুমৰ ঠাই ই বেদখল কৰে বুলি। সৰস্বতী হ্ৰদৰ পূবফালৰ অৰণ্যত হংসলতা ফুল ৰুই অলপদিনৰ ভিতৰতে ফুলি উঠা দেখি যুগলপ্ৰসাদ আনন্দত মতলীয়া হয়। নায়ক সত্যচৰণেও যুগলপ্ৰসাক অৰণ্য সৌন্দৰ্য্যশালী কৰি তোলা কামত সহায় কৰিছিল। কলিকতাৰ পৰা আনি দিয়া স্পইডাৰ লিলিৰ পুলি হ্ৰদৰ পানীত যুগলপ্ৰসাদে ৰুই দিছিল। সেই ফুলপুলি লহপহকৈ বাঢি কলি পেলোৱা আৰম্ভ কৰাত সত্যচৰণ-যুগলপ্ৰসাদ আনন্দত আত্মহাৰা হয়। এইদৰে প্ৰকৃতি আৰু মানুহৰ প্ৰচেষ্টাত সৰস্বতী হ্ৰদ এক গছ-লতা-ফুলেৰে মনোৰম হ্ৰদলৈ ৰূপান্তৰিত হয়।

অসমৰ প্ৰাকৃতিক পৰিৱেশ আৰু অসমীয়া সাহিত্য ঃ

অসম প্ৰাকৃতিক সৌন্দৰ্য্যেৰে সৌন্দৰ্য্যশালী এখন দেশ। বিভিন্ন সময়ত অকল শিল্পীমনৰে নহয় সাধাৰণ মানুহকো অসমৰ প্ৰকৃতিয়ে আকৰ্ষণ কৰি আহিছে। অসমৰ প্ৰকৃতি বুলিলে গছ গছনিৰে ভৰা অৰণ্য নদ-নদী পৰ্বত-পাহাৰ চৰাই-চিৰিকতি জীৱ জন্তুৰে ভৰা সেউজীয়া অঞ্চলকে বুজায়। অকল কাজিৰঙা ইত্যাদি সংৰক্ষিত বনাঞ্চলসমূহেই নহয় অসমৰ গাঁওসমূহো সেউজীয়া গছ গছনিৰে ভৰা। খেতিৰা পথাৰসমূহ শস্যৰে সেউজীয়া হৈ থাকে গৃহস্থৰ বাৰীবোৰ আম কঠাল লেতেকু পনিযল পান-তামোল আৰু বিভিন্ন বতৰ বিভিন্ন ফলমূল আৰু শাক-পাচলিৰ খেতিৰে সেউজীযা হৈ থাকে। অসমৰ সেউজীযা প্ৰকৃতি প্ৰতিজন অসমীযাৰে চিনাকি। বিভিন্ন ঋতুত প্ৰকৃতিৰ বুকুলৈ বিভিন্ন পৰিবৰ্ত্তন আহে। বিশেষকৈ শৰৎ আৰু বসন্ত ঋতুত অসমৰ প্ৰকৃতি ফুলে-পাতে জতিষ্কাৰ হৈ বিনন্দীয়া সৌন্দৰ্য্যৰ অধিকাৰী হয়। বৰ্ষাৰ ৰিমজিন বৰষুণে অসমৰ প্ৰকৃতিলৈ আনে অপৰূপ সৌন্দৰ্য্যৰ মাদকতা।

কঁহুৱা খাগৰিৰে ঢকা বৰলুইতৰ পাৰ পৰ্বতৰ পৰা নাচনী গাভৰুৰ দৰে একাবেঁকা পথেৰে বৈ আহি লুইতত মিলিত হোৱা বিভিন্ন উপনৈ, সেউজীয়া পৰ্বতমালা দেহ মন জুৰোৱা শস্যৰ পথাৰে অসমৰ প্ৰকৃতিক মোহময়ী কৰি তোলে। অসমৰ জলবায়ু কৃষিৰ অনুকূল। অসহ্য তাপ নাইবা হাড-কঁপোৱা শীত অসমত নাই। সেয়ে অসমীয়া মানুহে ওৰেটো বছৰ খেতিৰ-পথাৰ পৰ্বত-পাহাৰ নৈ-বিল আদিত জীৱন নিৰ্বাহৰ কামত ঘূৰি ফুৰিব পাৰে। মুকলি প্ৰকৃতিত ঘূৰি ফুৰোঁতে তেওঁলোকৰ মনত বিভিন্ন কল্পনা আৰু বিচিত্ৰ অনুভূতিৰ জন্ম হয়। প্ৰকৃতিৰ লগত অন্তৰঙ্গতাৰ কাৰণে অসমীয়া মানুহৰ প্ৰকৃতিৰ কেতিয়াবা শান্ত-সৌম্য মূৰ্ত্তি আৰু কেতিয়াবা সংহাৰ মূৰ্ত্তিৰ

সূক্ষ্ম নিৰীক্ষণ সম্ভৱ হৈছে। কেৱল প্ৰকৃতিৰ ফুল-ফল চৰাই চিৰিকতিৰ সৌন্দৰ্য্যই নহয় মেঘৰ গাজনি বিজুলীৰ চমকনি বাৰিষাৰ বাঢনী পানীৰ লগতো অসমীয়া মানুহৰ সমানে চিনাকি। কথাশিল্পী চৈয়দ আব্দুল মালিককো অসমৰ এই বৈচিত্ৰপূৰ্ণ প্ৰকৃতিয়ে আকৰ্ষণ কৰিছিল। তেওঁৰ উপন্যাসত অসমৰ প্ৰকৃতিৰ শান্ত সৌন্দৰ্য্যশালী আৰু সংহাৰ ৰূপ দুয়োটাই পোৱা যায়।

অসমীয়া সাহিত্যত প্ৰাচীন কালৰ পৰা বৰ্ত্তমানলৈকে অসমৰ প্ৰকৃতিয়ে বহুতো কবি সাহিত্যিকক আকৰ্ষণ কৰি আহিছে। অসমীয়া সাহিত্যৰ আদিস্তৰৰ চহাকবিৰ ৰচনা লোকগীতসমূহতেই পোনপ্ৰথম অসমৰ প্ৰকৃতিয়ে আত্মপ্ৰকাশ কৰে। লোকগীতসমূহৰ ভিতৰত বিহুগীতসমূহতেই অসমৰ প্ৰকৃতি বিচিত্ৰ আৰু মনোৰম ৰূপত উজ্জ্বল হৈ উঠিছে। বিহুগীতত অসমৰ নদ-নদী নদীৰ পাৰৰ নল খাগৰিৰে ভৰা চাপৰি, চৰণীয়া সেউজীয়া পথাৰ শাওনৰ সেউজীয়া আৰু আঘোণৰ সোণালী পথাৰ নানা গছ-গছনি আৰু ফুল লতাৰে ভৰা সেউজীয়া পৰ্বতমালা বিচিত্ৰ বৰ্ণ আৰু সুবাসেৰে সমৃদ্ধ ফুল আৰু বিচিত্ৰ কণ্ঠী পশু-পক্ষীৰ চিত্ৰ ৰূপায়িত হৈছে। অকল সেয়ে নহয় মনোমোহা ঋতু বসন্তৰ সৌন্দৰ্য্যশালী প্ৰাকৃতিক ৰূপ বিহুগীতত সুন্দৰকৈ পৰিস্ফুট হৈছে।

লোকগীতসমূহৰ পিছতে অসমীয়া ভাষাৰ প্ৰথম লিখিত সাহিত্য মাধৱকন্দলিৰ ৰামায়ণত প্ৰকৃতিয়ে উজ্জ্বল ৰূপত ধৰা দিছে। কন্দলিৰ ৰামায়ণখন বাল্মিকী ৰামায়ণৰ অসমীয়া অনুবাদ। কন্দলি ৰামায়ণৰ বিশেষকৈ অৰণ্যকাণ্ড আৰু সুন্দৰাকাণ্ডত প্ৰকৃতিৰ মনোমোহা ছবিয়ে আত্মপ্ৰকাশ কৰিছে। এই ছবি অসমৰ চিনাকি প্ৰকৃতিজগতৰ ছবি। অৰণ্যকাণ্ডত সীতাৰ ৰূপ বৰ্ণনা কৰিবলৈ গৈ কবিয়ে বাৰে বাৰে প্ৰকৃতিৰাজ্যত বিচৰণ কৰিছে। ড কৰবী ডেকা হাজৰিকাৰ মতে — 'প্ৰিয়াৰ ৰূপৰ মাজত জিলিকি থকা প্ৰকৃতিৰ সকলো সুন্দৰতাৰ ছবি আঁকাত কন্দলিৰ নিপুণতা আছিল চমকপ্ৰদ।[৪৬] সুন্দৰাকাণ্ডত অসমৰ প্ৰকৃতিৰাজ্যত বিচৰণ কৰা পশু-পক্ষী বিভিন্ন ফুল-ফল গছ-গছনিৰ মাজত অসমৰ সজীৱ প্ৰকৃতি জিলিকি আছে।

নৱবৈষ্ণৱ যুগৰ শ্ৰেষ্ঠ সাহিত্যিক শংকৰদেৱৰ ভক্তিধৰ্ম প্ৰচাৰমূলক সাহিত্যসমূহৰ মাজতো অসমৰ চিনাকি প্ৰকৃতিজগতৰ ছবিয়ে ভূমুকি মাৰিছে। শংকৰদেৱৰ দশমত অসমৰ বৰ্ষা ঋতুৰ প্ৰকৃতিয়ে মোহময়ী ৰূপ লাভ কৰিছে। ঈশ্বৰভক্তিৰ লগত সংগতি ৰাখি কবিয়ে কম পৰিসৰতে বৰ্ষা ঋতুৰ প্ৰাকৃতিক সৌন্দৰ্য্য বৰ্ণনা কৰাত সফল হৈছে।[৪৭] ইয়াত বৰ্ষা প্ৰাকৃতিক সৌন্দৰ্য্য আৰু কৃষ্ণভক্তিৰ আন্তৰিক সৌন্দৰ্য্য এৰে হৈ পৰিছে।

শংকৰদেৱৰ কীৰ্ত্তনৰ ৰাসক্ৰীড়া খণ্ডত শৰতৰ বিতোপন জোনাকৰাতিৰ সৌন্দৰ্য্যৰ বৰ্ণনা আছে। পূবদিশত উদযহোৱা পূৰ্ণিমাৰ চন্দ্ৰই শৰতৰ কুঁৱলীসনা প্ৰমোদবনৰ সৌন্দৰ্য্য দুগুণে চৰায়। শৰতৰ বিতোপন ৰাতি কৃষ্ণ ৰাসক্ৰীড়া কৰিবলৈ উত্ৰাৱল হয়—

'ধনকো দেখিলে চন্দ্ৰ ৰশ্মিয়ে ৰঞ্জিল।
সুস্বৰ মধুৰ কৰি হৰি গাইলা গীত।[৪৮]

অসমীয়া সাহিত্য ৰোমাণ্টিক যুগতহে প্ৰকৃতিৰ বৈভৱশালী ৰূপৰ বৰ্ণনাৰে উপচি পৰে। ৰোমাণ্টিক কবিসকলে প্ৰকৃতিৰ সৌন্দৰ্য্য চিত্ৰণৰ অনুপ্ৰেৰণা লাভ কৰিছিল ইংৰাজ ৰোমাণ্টিক কবিসকলৰপৰা। ইংৰাজী কাব্য সাহিত্যত Wordsworth ৰ হাততেই প্ৰকৃতি কবিতাই চমকপ্ৰদ অভিব্যক্তি লাভ কৰে। ইংৰাজ ৰোমাণ্টিক কবিৰ অনুপ্ৰেৰণা লাভ কৰাৰ আগতেই ৰচিত ভোলানাথ দাসৰ মেঘ এটা সুন্দৰ প্ৰকৃতিবিষযক কবিতা। ৰোমাণ্টিক কবিসকলে প্ৰকৃতিৰ ফুল-চৰাই পৰ্বত-পাহাৰ নদ-নদীৰ সৌন্দৰ্য্যৰ বৰ্ণনাত তেওঁলোকৰ সৌন্দৰ্য্যপ্ৰিয় মনৰ পৰিচয় দিছিল। আনহাতে প্ৰাকৃতিক সৌন্দৰ্য্যশালী শৰৎ, বসন্ত আৰু বৰ্ষা ঋতুৰ সজীৱ ছবি ৰোমাণ্টিক কবিসকলৰ কবিতাত পোৱা যায়।

চৈযদ আব্দুল মালিক নিজেও এজন কবি 'স্বপ্ন দু স্বপ্ন আৰু কিছু কথা কবিতাসংকলনত প্ৰকৃতি জগতখনেও মানুহৰ আত্মপ্ৰকাশৰ বেদনাৰে পৰিপূৰ্ণ— কৰুণ-মধুৰ ৰূপ গ্ৰহণ কৰিছে—

'চ'তৰ কান্দোন বিহুগীত হৈ
ভাঙে বহাগৰ বুকু
পদুম পাহিত শেতেলি বিচাৰি
সূৰুযে পাতেহি সাঁকো।[৪৯]

বেদুইনৰ কেইশাৰীমান কবিতাত প্ৰকৃতিজগত আৰু মানুহৰ জগত একাকাৰ হৈ পৰিছে।[৫০]

মালিকৰ শৈশৱ আৰু প্ৰাকৃতিক পৰিৱেশ ঃ

কথা সাহিত্যিক চিৰসেউজ শিল্পী মালিকৰ জন্ম হৈছিল তেতিযাৰ জিলাৰ গোলাঘাট মৌজাৰ আৰু এতিয়াৰ গোলাঘাট জিলাৰ দেৰগাঁৱৰ চিৰসেউজীযা নাহৰণি গাঁৱত। নাহৰণি উজনি অসমৰ এখন প্ৰসিদ্ধ ঠাই। হিন্দু-মুছলমান সকলো লোকেৰে একাকাৰ হৈ থকা নাহৰণি আছিল একালত বৃহত্তৰ নাহৰণি মৌজা। জন্ম ঠাই নাহৰণিৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰ বিষয়ে মালিকে নিজে কৈছে— 'নাহৰ গছ থকাৰ কাৰণেই বোধকৰো গাঁওখনৰ নাম নাহৰণি। নাহৰণি গাঁৱত নাহৰ গছৰে আছিল প্ৰাধান্য। বহাগমহীযা বসন্ত ঋতুক সজাই পৰাই তুলিছিল বাৰী ঘৰ হাবি-বন সকলোতে ফুলা বগা বগা নাহৰ ফুলে। বহাগৰ নাহৰণিৰ সেই নাহৰফুলৰ গোন্ধ মোৰ নাকে-মুখে এতিয়াও লাগি আছে, বহাগমহীয়া এই মিঠা গোন্ধেৰেই নাহৰণি গাঁওখন ভৰি থাকে ভৰি থাকে মানুহৰ মনবোৰো।[৫১] অসমৰ চুকে-কোণে জীৱন আৰু জীৱিকাৰ তাড়নাত বেদুইনৰ দৰে ঘূৰিফুৰা কথাশিল্পীজনৰ নিৰ্ভৰযোগ্য আশ্ৰয়স্থল আছিল তেওঁৰ ওপজা ঠাই নাহৰণি। নাহৰণিৰ প্ৰতিজোপা গছ, প্ৰতিখন ঘৰ আৰু প্ৰতিজন মানুহেই তেওঁৰ

চিনাকি। এই চিনাকি গাঁওখনৰ লগত তেওঁৰ নিবিড় আত্মীয়তা। নির্ভৰ কবিতাত নাহৰণি গাঁওখনৰ লগত কবিৰ নিবিড় আত্মীয়তা প্ৰকাশ পাইছে তেওৰ মানত পৃথিৱীসদৃশ গাঁওখনত তেওঁৰ নিজৰ সম্পূৰ্ণ অধিকাৰ আছে।[৫২]

নাহৰণিৰ কিছু পূবত আছে কাকডোঙা নৈ। নগা পাহাৰৰ পৰা বৈ অহা সুৰুষমুখীৰ স্বপ্নৰ ধনশিৰিৰ দৰে চঞ্চল খৰস্ৰোতা কাকডোঙা। তাৰ পাৰে পাৰে ঐতিহ্যপূৰ্ণ পুৰণি গাঁওসমূহ। গাঁৱৰ প্ৰাচীন ঐতিহ্যৰ সাক্ষী হিচাপে কাকডোঙা আজিও বৈ আছে। কাকডোঙা বোধহয় মালিকৰো প্ৰিয় নদী। সেয়েহে তেখেতৰ উপন্যাসত সততে পোৱা যায় কাকডোঙাৰ নিচিনা পাৰৰ সৌন্দৰ্য্যৰে পূৰ্ণ নাহৰণিৰ প্ৰকৃতিতে নিহিতহৈ আছে শিল্পীগৰাকীৰ শৈশৱ কৈশোৰ আৰু যৌৱনৰ অনেক পাহৰিব নোৱাৰা স্মৃতি অনেক আকৰ্ষণ। এই আকৰ্ষণৰ কাৰণেই অৱসৰৰ পিছতো তেও সুবিধা পালেই যোৰহাট নগৰৰ পৰা ঢাপলি মেলিছিল পুৰণি গাঁও নাহৰণিলৈ। মৃত্যুৰ মাজেদিও মালিক নাহৰণিৰ প্ৰকৃতিৰ লগত বিলীনহৈ গ'ল।

অসমীয়া উপন্যাসত প্ৰকৃতি :

পদ্মনাথ গোহাঞিবৰুৱাৰ হাতত প্ৰতিষ্ঠা লাভ কৰা অসমীয়া উপন্যাসে শতাধিক কাল অতিক্ৰম কৰিলে। সাহিত্যৰ আনবিলাক বিভাগৰ দৰে অসমৰ সেউজীয়া প্ৰকৃতিয়ে উপন্যাস সাহিত্যকো প্ৰভাবান্বিত কৰি আহিছে। গোহাঞিবৰুৱাৰ **ভানুমতী** আৰু **লাহৰী** উপন্যাসত সততে অসমৰ প্ৰকৃতিয়ে জীৱন্ত ৰূপ লাভ কৰিছে। বিশেষকৈ **লাহৰী** উপন্যাসত কমল-লাহৰীৰ মিলনৰ ঠাই পুখুৰীৰ পাৰৰ ফুলনিৰ বৰ্ণনাই এক ৰোমাণ্টিক পৰিৱেশ সৃষ্টি কৰিছে। উপন্যাসখনত অসমৰ প্ৰধান নদী ব্ৰহ্মপুত্ৰৰ ভূমিকাও গুৰুত্বপূৰ্ণ। বেজবৰুৱাৰ **পদুমকুঁৱৰী** আৰম্ভ হৈছে ৰাতিৰ প্ৰকৃতিৰ এক মায়াময় পৰিৱেশত প্ৰকৃতিৰ কাম্যবন আকাশলংঘা পৰ্বতমালাৰে মেৰখোৱা ব্ৰহ্মপুত্ৰৰ পবিত্ৰ পানীৰে ধুতি অলেখ তীৰ্থস্থানেৰে ভৰপূৰ কামৰূপৰ প্ৰধান নদী গুৱাহাটীত।[৫৩] গাঁৱৰ প্ৰাকৃতিক সৌন্দৰ্য্য আৰু অসমৰ সীমান্তবৰ্ত্তী অৰণ্যৰ সৌন্দৰ্য্যই **পদুমকুঁৱৰীৰ** জেউতী চৰাইছে।

অসমৰ সেউজীয়া প্ৰকৃতিয়ে বিচিত্ৰ ৰূপত আত্মপ্ৰকাশ কৰে উপন্যাস সম্ৰাট ৰজনীকান্ত বৰদলৈৰ হাতত। প্ৰাকৃতিক পৰিৱেশৰ প্ৰভাৱত মানুহৰ স্বভাৱ চৰিত্ৰ কেনেকৈ ভিন্ ভিন হয় **মিৰি-জীয়ৰী** উপন্যাসত তাৰ প্ৰকাশ ঘটিছে। তেওৰ উপন্যাসৰ চৰিত্ৰসমূহ ডাঙৰ দীঘল হৈছে উদাৰ প্ৰকৃতিৰ কোলাত। গতিকে প্ৰাচীন কালৰপৰা মানুহে প্ৰকৃতিক শান্তিৰ আধাৰৰূপে কল্পনা কৰি অহাৰ দৰে বৰদলৈৰ উপন্যাসতো প্ৰকৃতিক শান্তি আৰু উদাৰতাৰ প্ৰতীকৰূপে কল্পনা কৰা হৈছে। অৱশ্যে **মিৰি জীয়ৰীৰ** পৰ্বতীয়া মিৰিৰ উদণ্ড স্বভাৱ প্ৰকৃতিৰ প্ৰভাৱ। চৰিত্ৰৰ আনন্দত প্ৰকৃতিও আনন্দত মতলীয়া হয় আৰু চৰিত্ৰৰ দুখত প্ৰকৃতিও দুখত ম্ৰিয়মান হয়। প্ৰকৃতিৰ অনবদ্য উপাদান নদীৰ ভূমিকাও বৰদলৈৰ উপন্যাসত উল্লেখযোগ্য। **মিৰি-জীয়ৰী** উপন্যাসত সোৱণশিৰি নদীখন উপন্যাসৰ এটা চৰিত্ৰৰ দৰেই সক্ৰিয়।

বীনা বৰুৱাৰ ছদ্মনামেৰে ৰচনা কৰা বিৰিঞ্চিকুমাৰ বৰুৱাৰ জীৱনৰ বাটত উপন্যাসত অসমৰ গ্ৰাম্য প্ৰকৃতি পোহৰলৈ আহিছে। একেজন ঔপন্যাসিকৰে ৰাস্না বৰুৱা ছদ্মনামত লিখা সেউজী পাতৰ কাহিনীত অসমৰ সেউজীয়া চাহ-বাগিচাৰ প্ৰকৃতিয়ে আত্মপ্ৰকাশ কৰিছে। মালিকৰ পূৰ্ববৰ্ত্তী আৰু সমসাময়িক অনেক ঔপন্যাসিকৰ উপন্যাসত অসমৰ গ্ৰাম্য প্ৰকৃতিয়ে ঠাই পাইছে।

মালিকৰ উপন্যাসত প্ৰকৃতি ঃ

মালিকৰ উপন্যাসসমূহৰ মাজত বিভূতিভূষণৰ আৰণ্যকৰ দৰে খাঁটি প্ৰকৃতিবিষয়ক উপন্যাস নাই। কিন্তু গ্ৰাম্য পটভূমিত ৰচিত উপন্যাসসমূহত ঔপন্যাসিকে সততে গ্ৰাম্য প্ৰকৃতিৰ চিত্ৰ আঁকিছে। মালিকৰ সূৰুযমুখীৰ স্বপ্ন মাটিৰ চাকি বনজুই নল-বিৰিণা খাগৰি শৰীলত একুৰা জুই অমৰ মায়া আৰু জীৱনীমূলক ধন্য নৰ তনু ভাল আৰু প্ৰেম অমৃতৰ নদী উপন্যাসত কাহিনীৰ মাজে মাজে অসমৰ প্ৰকৃতিয়ে ভূমুকি মাৰিছে। মাটিৰ চাকি উপন্যাসৰ নায়ক হিৰণ্য নগৰবাসী হ'লেও সি আন্তৰিকভাৱে প্ৰকৃতিবাসী। হিৰণ্যৰ বাবে— প্ৰকৃতি মানুহতকৈ বেছি ডাঙৰ প্ৰকৃতি মানুহতকৈ বহুত বেছি সুন্দৰ স্নেহ ৰহস্যময়। সৃষ্টিৰ আদিম স্পৰ্শৰ বোল প্ৰকৃতিৰ প্ৰতিটো ৰেখাৰ ওপৰত বিয়পি আছে। ৰাতিৰ ৰহস্য দিনৰ বৈচিত্ৰ্য অৰণ্যৰ আদিম গন্ধ আকাশৰ নিবিড় মৌনতা— এইবোৰতকৈ জীৱনৰ চঞ্চলতা বেছি অৰ্থপূৰ্ণ নহয়।[৫৪] শিল্পী হিৰণ্যই কল্পনা কৰে বহুত পুৰণি এখন পৃথিৱীৰ য'ত তৰা আৰু ফুলে কথা কয় সাগৰৰ উপকণ্ঠত জোৱাৰে সাধু কয় বগা কঁহুৱাৰ আকাশত অনাদি সংগীতৰ প্ৰতিধ্বনি হয়।

অসমীয়া উপন্যাসত নদী ঃ

যুগ যুগ ধৰি অসমৰ ভূখণ্ডৰ পৰিৱৰ্তন ঘটাইছে নদ-নদীসমূহে। এহাতে যেনেকৈ নদীৰ ক্ষয়কাৰ্যৰ ফলত নদীপৰীয়া অঞ্চলসমূহ নদীগৰ্ভত বিলীন হৈ গৈছে আনহাতে তেনেকৈ নদীগৰ্ভত অধিক মাটি অৱক্ষেপণৰ ফলত নদীপাৰৰ জনবসতিপূৰ্ণ অঞ্চলসমূহ নদীৰ পৰা দূৰৱৰ্তী হৈ পৰিছে। কোনো কোনো নদীৰ গতিৰ পৰিৱৰ্ত্তনৰ ফলত প্ৰাচীন সমৃদ্ধিশালী গাঁৱৰ ঐশ্বৰ্য হেৰাই গৈছে, কোনো কোনো ঠাইত নদীয়ে এৰিযোৱা মাটিত নতুন গাঁও গঢ়ি উঠিছে। নদীৰ এই পৰিৱৰ্ত্তনে ইতিহাসৰ পাতত তাৰ ছাপ ৰাখি গৈছে।

আধুনিক সাহিত্যৰ অন্যতম বিভাগ উপন্যাস সাহিত্যত মানুহৰ বিচিত্ৰ জীৱন অভিজ্ঞতাৰ লগতে নদী আৰু প্ৰকৃতিৰ বিভিন্ন ৰূপে আত্মপ্ৰকাশ কৰিছে। অসমীয়া সাহিত্যত বিভিন্ন ঔপন্যাসিকৰ উপন্যাসৰ পাতত মানুহ আৰু নদীৰ সম্পৰ্কই কলাত্মক ৰূপ লাভ কৰিবলৈ সক্ষম হৈছে। যি উপন্যাসত কোনো বিশেষ নদীক কেন্দ্ৰকৰি সেই অঞ্চলৰ লোকৰ জীৱনযাত্ৰা জড়িতহৈ থাকে তেনে উপন্যাসক নদীকেন্দ্ৰিক আঞ্চলিক উপন্যাস বুলি কোৱা হয়। অন্য কিছুমান উপন্যাসৰ কাহিনীত নদীয়ে

গুৰুত্বপূৰ্ণ স্থান লাভ কৰে।

উপন্যাসসম্ৰাট ৰজনীকান্ত বৰদলৈৰ **মিৰি-জীয়াৰী** এখন সাৰ্থক নদীকেন্দ্ৰিক উপন্যাস। সোৱণশিৰি নদীৰ পটভূমিত উপন্যাসখনৰ কাহিনী নিৰ্মাণ হৈছে। আধুনিক অসমীয়া কবি নৱকান্ত বৰুৱাৰ **কপিলী পৰীয়া সাধুত** কপিলী নৈখন ৰোমাণ্টিকতাৰ প্ৰতীক। মানুহ আৰু নদীৰ মাজত থকা ওতপ্ৰোত সম্পৰ্ক কাহিনীৰ মাজেদি প্ৰকাশ পাইছে। নিৰুপমা বৰগোহাঞিৰ **সেই নদী নিৰবধিৰ** পটভূমি পাগলাদিয়া নদী। নৈখনৰ পাৰৰ গাঁৱৰ এহাল ডেকা-গাভৰুৰ প্ৰেমৰ চিত্ৰ উপন্যাসখনত বৰ্ণিত হৈছে। বৰগোহাঞিৰ অন্য দুখন উপন্যাস **ইপাৰৰ ঘৰ সিপাৰৰ ঘৰ** আৰু **অন্য জীৱনত** ক্ৰমে পাগলাদিয়া আৰু টুনটুনি নদীয়ে প্ৰাধান্য লাভ কৰিছে। নিৰোদ চৌধুৰীৰ **পানী** উপন্যাস পাগলাদিয়া নদীকেন্দ্ৰিক। ইয়াত পাগলাদিয়াৰ প্ৰলয়ংকৰী ৰূপ চিত্ৰিত হৈছে। পাগলাদিয়াৰ বানে বৰজহা গাঁৱলৈ অনা আতংকৰ ছবি বাস্তৱ ৰূপত ইয়াত প্ৰতিফলিত হৈছে। পাগলাদিয়াক পটভূমি হিচাপে লৈ লিখা অন্য এখন উপন্যাস মজাফৰ হুচেইনৰ **শেষ-পথ**। বৰলুইতৰ পাৰৰ এখন মাছমৰীয়া গাঁৱৰ পটভূমিত ৰচিত অমূল্য বৰুৱাৰ **এই পদুমণি** উপন্যাস। সুৰেশ গোস্বামীৰ **মোহন-মায়াত** বৰলুইতে কাহিনীৰ মাজে মাজে ভুমুকি মাৰিছে। লক্ষ্মীনন্দন বৰাৰ **পাতাল-ভৈৰৱীত** বৰলুইত কাহিনীৰ অপৰিহাৰ্য অংগ। বৰাৰ **গংগাচিলনীৰ পাখি** উপন্যাসত সোণাই নৈৰ পাৰৰ সৌন্দৰ্য আৰু দুয়োপাৰৰ গাঁৱৰ ৰেহ-ৰূপ কলাসুলভভাৱে বৰ্ণিত হৈছে। বীৰেণ বৰকটকীৰ **ভৰলীৰ পাৰে পাৰেত** ভৰলী নদীয়ে বিশেষ প্ৰাধান্য লাভ কৰিছে।

শীলভদ্ৰৰ **আগমনিঘাট** উপন্যাসত অখ্যাত গংগাধৰ নৈৰ বৰ্ণনা আছে। পশুপতি ভৰদ্বাজৰ **চিমচাঙৰ দুটা পাৰ** উপন্যাসত চিমচাঙ নদীৰ ভূমিক উল্লেখযোগ্য। মামনি ৰয়চম গোস্বামীৰ **চীনাবৰ সোঁতত** চীনাব নদী **অহিৰণত** অহিৰণ লৈ **নীলকণ্ঠী ব্ৰজত** যমুনা **মামৰে ধৰা তৰোৱাল** আৰু **দঁতাল হাতীৰ উঁৱে খোৱা হাওদাত** হুগলী নদীৰ ভূমিকা আছে যদিও সংশ্লিষ্ট নদীসমূহ কোনো উপন্যাসৰে পটভূমি হৈ পৰা নাই। গোস্বামীৰ উপন্যাসত নদীসমূহ ঘটনাচক্ৰৰ এক প্ৰতীক হৈ ধৰা দিছে। লোকসংস্কৃতিবিদ ড° লীলা গগৈৰ **নৈ বৈ যায়** উপন্যাসত দিখৌ নদীয়ে বিশেষ স্থান লাভ কৰিছে। নদী আৰু মানুহৰ গভীৰ সম্পৰ্ক উপন্যাসখনত বৰ্ণিত হৈছে। দুই-এখন উপন্যাস নদীৰ নামেৰে নামকৰণ কৰা হ'লেও তাত নদীৰ বিশেষ ভূমিকা নাই। কুমাৰ কিশোৰৰ **কপিলী নীৰৱে কান্দে** কৃষ্ণ বৰঠাকুৰৰ **লুইতৰ ইপাৰে-সিপাৰে লুইতৰ পাৰৰ ধুনীয়া ছোৱালী** ৰত্ন ওজাৰ **নদীৰ নাম নখঙাত** নদীৰ কোনো ভূমিকা নাই।

মালিকৰ উপন্যাসত নদী ঃ

বিশিষ্ট কথাশিল্পী চৈয়দ আব্দুল মালিকৰ উপন্যাসত নদীৰ ভূমিকা অপৰিসীম। তেখেতৰ উপন্যাসত নদীৰ সৌন্দৰ্য্যৰ বৰ্ণনাৰ লগতে নদীৰ বানপানীয়ে সৃষ্টি কৰা

ধ্বংসলীলাৰ বৰ্ণনাও আছে। নদীৰ লগত মানুহৰ নিবিড় সম্পৰ্কৰ কথাও তেওঁৰ উপন্যাসত বৰ্ণিত হৈছে।

মালিকৰ এখন সুন্দৰ উপন্যাস **সূৰুযমুখীৰ স্বপ্ন** আৰম্ভ কৰা হৈছে ডালিম গাঁৱৰ মাজেদি বৈ যোৱা ধনশিৰি নদীৰ সৌষ্ঠৱ বৰ্ণনাৰে। ধনশিৰি নদী নগা পাহাৰৰ পৰা কোনোবা নাগিনী গাভৰুৰ নাচনী ককাঁলৰ চেও ধৰি বৈ গৈছে ব্ৰহ্মপুত্ৰৰ বুকুলৈ। ধনশিৰিয়ে পৰ্বতৰ কথা জানে ভৈয়ামৰ কথা জানে ভৰপুৰ ডালিম গাঁৱৰ সুখ-দুখ হাঁহি-কান্দোনৰ কথা জানে। ধনশিৰিযে গাঁওখনৰ অনন্তকালৰ কথা কয়। কথাবোৰ দুয়োপাৰৰ গচাত পাৰত বিৰিণাৰ পাতত বহুদিনলৈকে লাগি থাকে। ফাগুনৰ বতাহে কথাবোৰ ক'ৰবালৈ উৰাই লৈ যায। ডালিম গাঁৱৰ মানুহৰ অহা যোৱা কৰা বাটো ধনশিৰি নদীযেই। 'যিকোনো ফালৰ পৰা নদীৰ পাৰ ওলাব পাৰিলেই হ'ল আৰু বাটৰ দৰকাৰ নাই।[৫৫] নদীখন গাঁৱৰ সকলোৰে নিৰ্ভয় আশ্ৰয়স্থল। চফিয়ত বুঢাৰ অকৰা কথা পুতেকৰ লগত হ'ব লগা অবাঞ্ছিত বিয়াখন নোহোৱাকৈ হাবিয়ে বননিয়ে পলাই আহি তৰাই যেতিয়া ধনশিৰিৰ কোমল বালিত খোজ পেললে তেতিয়া তাই নিৰ্ভয হ'ল— "এইখন চিনাকি ধনশিৰি সকলোৱে ঠগিলেও ধনশিৰিয়ে কেতিযাও নধগে ধনশিৰি নিৰাশ্ৰযৰ আশ্ৰয় অসহাযৰ সহায়।[৫৬]

খৰালি শীৰ্ণ ধনশিৰিৰ পানী জিলিকি থাকে। শুকান গডাবোৰ থিযদি থাকে বাৰিষাৰ বানপানীৰ আকণ্ঠ তৃষ্ণাত ধনশিৰি এখন বেলেগ নৈ। তেতিয়া ধনশিৰি বাউলী হয গুৰু গোসাঁই নেমানে গডা খহায গাঁও পোতে পথাৰ উটুৱাই নিয়ে নৈপৰীযা খেতিয়কৰ ঘৰ বাৰী ভাঙি তহলিং কৰে।[৫৭] সেইবুলি ধনশিৰিক গাঁৱৰ কোনেও বেয়া নেপায। ধনশিৰি আই। আযে কেতিযাবা বোকাৰ পৰা কোলাত তুলি লয় কেতিয়াবা কোলাৰ পৰা বোকাত থেকেচা মাৰি থয। কেতিযাবা ধনশিৰিয়ে পলস পেলাই পাৰৰ পথাৰ শস্যশ্যামলা কৰে কেতিয়াবা বানে ঘৰ দুৱাৰ ভাঙি শস্য নষ্ট কৰ গৰু-ম'হ উটাই ডালিম গাঁৱত আতংকৰ সৃষ্টি কৰে।

সূৰুযমুখীৰ স্বপ্নৰ নাযক গুলচৰ লগত ধনশিৰিৰ সম্পৰ্ক এৰাবনোৱাৰা। কল্পনাপ্ৰৱণ আপোনভৰা গুলচৰ কাৰণে ধনশিৰিৰ পাৰ তাৰ অৱসৰ বিনোদনৰ ঠাই। কলকলাই বৈ যোৱা ধনশিৰিৰ লগত সি কথা পাচে জীয়ন্ত মানুহৰ লগত কথা পতাৰ নিচিনাকৈ।[৫৮] ধনশিৰি যেন গুলচৰ প্ৰেমিকাহে দিনটো লগ পাই থাকিলেও হেপাহ নপলায়। তাৰ বাবে কেতিযাবা ধনশিৰি আৰু তৰা অভিন্ন হৈ পৰে। বুকুত এবুকু দুখৰ বোৱৰ্তী সোঁতেৰে নিমাতী তৰাজনীযেই যেন ধনশিৰি। তৰাৰ প্ৰতি কৰা অবিচাৰৰ কাৰণেও গুলচে অনুতাপ কৰে ধনশিৰিৰ নিৰিবিলি পাৰত। **সূৰুযমুখীৰ স্বপ্নত** ধনশিৰি নদীখনে যি ভূমিকা গ্ৰহণ কৰিছে, মালয়ালম ঔপন্যাসিক টাকাজী শিৱশংকৰ পিল্লাইৰ **চেম্মীন** উপন্যাসত সাগৰখনেও একে ভূমিকা গ্ৰহণ কৰিছে। মালিকৰ উপন্যাসত ধনশিৰি নদী ডালিম গাঁৱৰ সুখ-দুখ প্ৰেম-বিৰহৰ লগৰী হোৱাৰ

নিচিনাকৈ তেম্নীনত সাগৰৰ চৰিত্ৰৰ সুখ-দুখৰ লগৰী হৈছে। ড° মহেন্দ্ৰ বৰাৰ ভাষাৰে ক'ব পাৰি— 'দুয়োজনেই জীৱনক প্ৰকৃতিৰ লগত নিবিড বন্ধনেৰে বান্ধি উলিয়াইছে। এখনত আছে সাগৰৰ ভয়ংকৰ অথবা করুণাময় ৰূপ আনখনত আছে খঙাল-শান্ত মাজে মাজে পাৰৰ মানুহক আমনি দি ভালপোৱা ধনশিৰি। দুয়োখন উপন্যাসেই একোটা মনোমুগ্ধকৰ ৰমন্যাসিক সুৰত বন্ধা।'[৫৯]

ৰূপাবৰিৰ পলস উপন্যাসত ৰূপাবাৰি গাঁৱৰ মাটিত পলস পেলাই শস্যশ্যামলা কৰা বৰলুইতৰ ভূমিকা উল্লেখযোগ্য। ৰূপাবৰি গাঁৱৰ কিছু উত্তৰে ব্ৰহ্মপুত্ৰ নদী। গভীৰ বহল শান্ত নৈ। কাৰোফালে নোচোৱাকৈ আপোনমনে বৈ আছে। নদীৰ পানীবোৰ ফটফটীয়া নিকা। নদীৰ দুয়োপাৰে বিস্তীৰ্ণ চৰণীয়া পথাৰ। নল-বিৰিণা-খাগৰিৰে ভৰা চৰণীয়া পথাৰত ম'হগুৱাল আৰু গৰখীয়াৰ গীতেৰে দিনটো মুখৰিত কৰি ৰাখে। আহিনৰ পৰা নৈৰ পাৰৰ বগা কঁহুৱাবোৰ ফুলিবলৈ আৰম্ভ কৰে। গাঁওবুঢ়াৰ ঘৰৰ হালোৱা উপন্যাসৰ নায়ক বাবৰৰ মন নদীপৰীয়া প্ৰকৃতিৰ এই বিচিত্ৰ ৰূপত উত্ৰৱল হয়। **সূৰুযমুখীৰ স্বপ্নৰ** গুলচৰ নিচিনাকৈ সি লুইতৰ পাৰত ঘণ্টাৰ পিছত ঘণ্টা বহি থাকি এৰিথৈ অহা দেশখন মানুহবোৰৰ স্মৃতি ৰোমন্থন কৰে। কেতিয়াবা লুইতৰ বানে পাৰৰ পথাৰ বুৰাই পেলায়। লুইতৰ পলস পৰি পথাৰৰ শস্য লহপহকৈ বাঢি আহে। লুইতৰ বৰবানত কোমল সাৰুৱা পলসৰ আশীৰ্বাদ আছে।'[৬০]

নল-বিৰিণা-খাগৰি উপন্যাসত দুখন নদীৰ প্ৰাধান্য। এখন বুঢ়া বৰলুইত আনখন মৌজুৰি গাঁৱৰ কাষেদি বৈ যোৱা ৰাংঢালী মৌজুৰি নদী। মৌজুৰি গাঁৱৰ মানুহৰ মতে গাঁওখনৰ ভিতৰত আটাইতকৈ বুঢ়াজন হ'ল ব্ৰহ্মপুত্ৰ আলৰ বুঢ়া।[৬১] বহুত শ বছৰৰ আগতে ব্ৰহ্মপুত্ৰ নৈখন মৌজুৰি গাঁৱৰ কাষেদিয়ে বৈছিল। পাৰ ভাঙি গড়া খহাই আহি আছিল। কেইবাবছৰো সেইফালে বোৱাৰ পিছত আকৌ উত্তৰলৈ বাগৰ সলালে। বছৰি বছৰি আঁতৰিগৈ এতিয়া মৌজুৰি গাঁৱৰ পৰা ব্ৰহ্মপুত্ৰ বহুত দূৰত। ব্ৰহ্মপুত্ৰই পেলোৱা ওখ বালিচাপৰিত এদিন আহি এঘৰ-দুঘৰকৈ মানুহ বহিল ক্ৰমে মৌজাৰ এখন গাঁও হ'ল। বৰনৈয়ে পিছত মৌজুৰি গাঁৱত নিজৰ এটা চিনথৈ গ'ল বৰবিলখন। ব্ৰহ্মপুত্ৰৰ মৰিসুঁতি এটাই পিছত বৰবিল হ'ল।

ব্ৰহ্মপুত্ৰ আঁতৰি গৈছে সঁচা। ব্ৰহ্মপুত্ৰৰে উপনৈ মৌজুৰি নৈখন গাঁওখনৰ মাজেদি বৈ আছে। সদায় নাচিথকা মৌজুৰি নৈখন নাচনী নটিনী। 'বহাগ আহিল কি নাহিল মৌজুৰিৰ গা সাতখন আঠখন লাগিলেই।' মৌজুৰিয়ে গাঁওখনৰ সকলো ভাল পায়। গাঁৱৰ জীয়ৰী বোৱাৰীহঁতে মৌজুৰিৰ পাৰৰ বিৰিণাৰ জোপোহাত ভৰি মেলি বহি নাইবা নদীৰ গড়াত ভৰি ওলোমাই বহি আগ গুৰি নোহোৱা কথা পাতে। কাৰ জীয়েকৰ জহৰা ল'ৰা হ'ল কোনো কাক পলুৱাই নিলে কোন ডেকাৰ লগত কোন গাভৰুৰ লগত প্ৰেমৰ সম্পৰ্ক কোন ডেকাই কোন গাভৰুক জোকালে ইত্যাদি। ৰাংঢালী মৌজুৰিয়ে কথাবোৰ বুকুত সামৰি থৈ দিয়ে। গাঁৱৰ প্ৰেমিক-প্ৰেমিকাৰ মিলনৰ

ঠয়ো নিজম ৰাতিৰ মৌজুৰিৰ ঘাট। পানীঅনা গাভৰু-বোৱাৰীৰ হাঁহি খিকিন্দালিৰে মুখৰহৈ থাকে মৌজুৰিৰ ঘাট। মৌজুৰিৰ পাৰত জীৱন-মৰণ প্ৰেম-পীৰিতিৰ বেহানিৰ শেষ নাই। মৌজুৰি গাঁৱৰ জীয়ৰী বোৱাৰীৰ কাৰণে নৈখন বাই-ভনীৰ নিচিনা আপোন। মৌজুৰিৰ পাৰ পালে কাৰে ঘৰলৈ মনত নপৰে। মৌজুৰি অতিকৈ আপোন বুকুৰ কুটুম।[৬২]

মৌজুৰিলৈ গাঁৱৰ কোনেও ভয় নকৰে। মৌজুৰি গাঁৱৰ ডেকা-বুঢা সকলোৰে মৰমৰ। কিন্তু বাৰিষা গাঁৱৰ বৰনামঘৰলৈ ভয় কৰা দৰেই গাঁৱৰ মানুহে ব্ৰহ্মপুত্ৰলৈ ভয় কৰে। বাৰিষা এবাৰ বৰনৈৰ বান মৌজুৰি গাঁৱলৈ আহে। গাঁৱৰ মানুহে বৰনৈৰ পানী গাঁৱলৈ আহিলে আগবাঢ়ি গৈ পানী এচলু মুৰে-কপালে লৈ বৰনৈক প্ৰণাম জনায়। অৱশ্যে গাঁওখনৰ একো হানি-বিঘিনি নকৰাকৈ দুই তিনিদিন থাকি বৰনৈৰ বান অহা বাটেৰেই গুছি যায়।[৬৩] মৌজুৰিৰ পথাৰত পলস পেলাই থৈ যায়। নল-বিৰিণা-খাগৰিত দাগ কাটিথৈ যায়। খাল-বিল-পুখুৰীত মাছ-পুঠি এৰিথৈ যায়। ঘৰৰ ভেটিত আঁচ পাৰি চিন থৈ যায়।

বনজুইৰ এখন সৰু নদী চাৰিকডিয়াৰ পাৰত অখ্যাত চাৰিকড়িয়া গাঁও। বাৰিষা চাৰিকডিয়া ফেনে-ফুটুকাৰে বাটি আহে। খৰালি ই এখন বেলেগ নদী। চ'তমহীয়া চাৰিকডিয়াৰ শুকান বালিবোৰ তিৰবিৰাই থাকে। পানীঅনা ঘাটত গাভৰুৰ পিতলৰ কলহবোৰ চিকচিকায়।[৬৪] ফটফটীয়াকৈ হৈ যোৱা নীলা পানীবোৰৰ তলত শকত বালিবোৰ আৰু শিলগুটিবোৰ জিলিকি থাকে। পাৰৰ চাপৰ ঝাওবন আৰু বিৰিণাবনে নৈৰপাৰৰ পৰিৱেশটো নিৰৱ কৰি তোলে।

জীয়া-জুৰিৰ ঘাটত মৰিসুঁতিৰ শুকান বালি আৰু উদাসীন ঝাও বননিৰ কাষেৰে বৈ যোৱা জীয়া-জুৰিৰ ফটিকপানীৰ ধাৰ নিচিগা সোঁত। উপন্যাসৰ কাহিনীৰ কাৰণে অপ্ৰয়োজনীয় হ'লেও জীয়াজুৰিৰ ঘাটৰ প্ৰাকৃতিক সৌন্দৰ্য্যই পাঠকক আপ্লুত কৰি ৰাখে। নদীপাৰৰ কঁহুৱা-খাগৰিৰ বুকুত ফাগুনৰ মৰমী স্পৰ্শই হাঁহিথকা আকাশখন পৃথিৱীলৈ নমাই আনে।

পহমৰা হাবিৰ বাট উপন্যাসত বৰচোমনি গাঁৱৰ মাজেদি বৈ যোৱা খৰস্ৰোতা ৰূপজুলি নৈ। নৈখনে গাঁওখনক জীৱনৰস যোগাইছে, নৈখনেই গাঁওখনৰজীৱন। সেইকাৰণে ৰূপজুলি গাঁওখনৰ সকলোৰে মৰমৰ। গাঁওখনৰ মানুহে কাপোৰ গা-ধোৱা আৰু খোৱাপানীৰ ব্যৱহাৰ কৰে ৰূপজুলি নৈৰ পৰা। বাৰিষা ফেনে-ফুটুকাৰে বাঢ়ি আহি গাঁৱৰ খেতি-পতাৰ নষ্ট কৰিলেও খৰালি নৈখনে শান্তৰূপ ধাৰণ কৰে। ৰিব্‌ৰিব বতাহে নৈৰপাৰৰ বিৰিণাবোৰ কঁপাই তোলে। কাতিমহীয়া এখন ফটফটীয়া নীলা আকাশৰ ছাঁ নৈৰ নিকা ফটফটীয়া পানীত পৰি পানীখিনি শীতল কৰিতোলে। ৰূপজুলিৰ পানীঅনা ঘাটত বহি গাঁৱৰ জীয়ৰী-বোৱাৰীয়ে মনৰ কথা পাতে।

জেতুকা পাতৰ দৰেত কৈৱৰ্ত্ত গাঁওখনৰ কাষেদি বৈ গৈছে দিঁচৈ নদী।

গাঁৱৰ গাভৰুৱে লগৰ লগৰীয়াৰ লগত নদীত গা ধুই, সাঁতুৰি মনৰ কথা পাতে।[৬৫] গাঁওখনৰ মানুহৰ জীৱিকাৰ সম্বলো দিচৈখনেই। নদীত মাছমাৰি গাঁওখনৰ সৰহভাগ মানুহে জীৱন নিৰ্বাহ কৰে।

ধন্য নৰ তনু ভাল উপন্যাসত দুখন নদীৰ ভূমিকা অপৰিসীম। টেম্বুৱাণী আৰু ব্ৰহ্মপুত্ৰ।

বাৰভূঞা গাঁৱৰ কাষেদি টেম্বুৱালী-জান বৈ গৈছে। খৰালি টেম্বুৱাণী ঘাটত গাঁৱৰ জীয়াৰী বোৱাৰীয়ে সাঁতুৰি-নাদুৰি গা-ধুই কলহত পানী ভৰাই তিতা কাপোৰ পিন্ধি ঘৰলৈ আহিলেও বাৰিষা টেম্বুৱাণীয়ে গাঁৱৰ অনিষ্ট কৰে। বাৰিষা লুইতৰ পানী আহে টেম্বুৱাণীলৈ। 'বাৰিষা টেম্বুৱাণীয়ে গাঁৱৰ অনিষ্ট কৰে। বাৰিষা লুইতৰ পানী আহে টেম্বুৱাণীলৈ। টেম্বুৱাণীৰ সোঁত উভতি বয়। টেম্বুৱাণীৰ পাৰ বুৰে পাৰৰ ৰাইজৰ বাৰী ঘৰত সোমায় খেতি শইচ নষ্ট কৰে। বামুণ গাঁও, শূদিৰৰ গাঁও, নদীয়াল মাছীমৰীয়াৰ গাঁও ভূঞাৰ গাঁও সকলেতে টেম্বুৱাণী জানৰ পানী সোমাই অনিষ্ট কৰে। গৰু গাইৰ ঘাঁহ-বন পানীৰ তলত পচে।[৬৬] বছৰছৰ ধৰি হোৱা টেম্বুৱাণী জানৰ পানীৰ উপদ্ৰৱৰ পৰা পাৰৰ গাঁও বচাবৰ ব্যৱস্থা কৰিবৰ কাৰণে ওচৰ পাজৰৰ ৰাইজে টেম্বুৱাণীৰ পাৰত গোট খায়। বামুণ শূদিৰ, কায়স্থ, কৈৱৰ্ত্ত সকলো লোক একগোট হৈ ভেটা দিয়েহে দিয়ে বান্ধ নবয়। অৱশেষত শংকৰদেৱৰ প্ৰমুখ্যে সকলোৱে আলোচনা কৰি সিদ্ধান্ত কৰে যে এগৰাকী সতী-শান্তিয়ে এপল পানী দিলেহে জানৰ বান্ধ ৰব। সেই মৰ্মে প্ৰথমতে ব্ৰাহ্মণ পত্নীসকলক আমন্ত্ৰণ জনোৱা হ'ল। তেওঁলোকে নিজৰ সতীত্বক সন্দেহ কৰি নাহিল। কায়স্থ, শূদ্ৰ, কৈৱৰ্ত্তৰ পত্নীসকলে নীচজাতৰ বুলি আহিবলৈ সাহ নকৰিলে। সেই সময়তে ব্ৰহ্মপুত্ৰইদি উজনিলৈ যোৱা নাও এখনত গৈছিল এহাল কৈৱৰ্ত্ত পূৰ্ণানন্দ আৰু ৰাধিকা। ৰাধিকাই নিজকে সতী বুলি পৰিচয় দি বান্ধত পানী দিবলৈ আগবাঢ়ি আহিল। ৰাধিকা শান্তিয়ে এপল পানী আৰু এপল মাটি দি ব্ৰাহ্মণ সজ্জনে বান্ধিব নোৱাৰা টেম্বুৱাণী জান বন্ধাৰ কাৰণে টেম্বুৱাণী শান্তি জা হ'ল।

বৰদোৱাৰ গা চুই বৈ গৈছে ব্ৰহ্মপুত্ৰ নদী। নদীখন গাঁওখনৰ জীৱন। খৰালি বৰনৈৰ পানী শুকায়। নদীৰ পানী ফটিক ধাৰযেন পৰিষ্কাৰ হয়। বাৰিষা ফেনে-ফুটুকাৰে পাৰে-বামে উপচি বয়। গড়া খহায় গাঁও বুৰায়, গৰু-ছাগলী ঘৰ-বাৰী আনকি মানুহো উটুৱাই নিয়ে। বাৰিষা লুইতৰ কোবাল উত্তাল সোঁত। বিভিন্ন উপনৈবোৰৰ পানী লুইতত পৰি বানপানীৰ সৃষ্টি কৰে। নদীৰ পাৰৰ কৃষকৰ খেতি-পথাৰ নষ্ট কৰে। খৰালি লুইতৰ পাৰ কঁহুৱা-খাগৰিৰে সেউজীয়া কৰি ৰাখে। বাৰিষাৰ নদীৰ আগুৱ ৰূপ খৰালিৰ বগা কঁহুৱাফুলে পোহৰাই ৰাখে।

শংকৰদেৱৰ সময়ত মানুহৰ যাতায়তৰ উপায় আছিল একমাত্ৰ নদীৰ বুকুয়েদি নৌকাযাত্ৰা। আহোম ৰাজৰোষত পৰি শংকৰদেৱ তেওঁৰ অনুগামীসকলৰ লগত ধুবাঁহাট

এৰি নৰনাৰায়ণ ৰজাৰ ৰাজ্য কোচবিহাৰলৈ নাওযাত্ৰা কৰিছিল ব্ৰহ্মপুত্ৰইদি ভটিয়াই। বিভিন্ন ঠাইত বৰনৈৰ সান্নিধ্যই শংকৰক আবেগিক কৰি তুলিছিল।[৬৭] বৰলুইতৰ বুকুত সোমাই আছে পাৰৰ হেজাৰ হেজাৰ লোকৰ সুখৰ দুখৰ আনন্দৰ বেদনাৰ ইতিহাস, লুকাই আছে হেজাৰ হেজাৰ যুগৰ সাধুকথা।

নদীদ্বীপ মাজুলী লুইতেৰে দুটা ভাগৰ মাজৰ ওখ ঠাই। পুবা-পশ্চিমাকৈ বৰলুইতৰে দুটা ভাগ দুখন নৈ হৈ ফাটি আঁতৰি গৈ আকৌ লুইতৰ লগত মিলিছে। এই মাজুলীৰে পশ্চিমত এখন হাবিতলীয়া গাঁও ধুৰাঁহাট। ধুৰাঁহাট নামৰ সৰু জান এটাৰ পাৰত। বৰদোৱৰ পৰা কাছাৰীৰ উপদ্ৰৱৰ হাত সাৰিবৰ কাৰণে শংকৰদেৱে অলপদিনৰ কাৰণে আশ্ৰয় লৈছিল ধুৰাঁহাটত। আহোম ৰাজৰোষত পৰি ব্ৰহ্মপুত্ৰৰে ধুৰাঁহাটৰ পৰা ভটিয়াই গৈ আশ্ৰয় লৈছিল পাটবাউসীত। শংকৰদেৱৰ জীৱনত লুইতৰ প্ৰাধান্য অসীম। ডেকাকালত বাৰিষাৰ ব্ৰহ্মপুত্ৰ সাঁতুৰি পাৰ হোৱা শংকৰদেৱে শান্তিত ধৰ্ম তথা সাহিত্য চৰ্চা কৰিবৰ কাৰণে জীৱনত বহুবাৰ ব্ৰহ্মপুত্ৰইদি এঠাইৰ পৰা আনঠাইলৈ গৈ বসবাস কৰিছিল। বৰদোৱা ধুৰাঁহাটৰ পৰা কোচবিহাৰলৈকে ব্ৰহ্মপুত্ৰৰ পাৰৰ বিৰাট-ভূখণ্ড শংকৰদেৱৰ নাম-কীৰ্ত্তনৰ ধ্বনিত মুখৰিত হৈ উঠিছিল। মহেন্দ্ৰ কন্দলিৰ টোলত পঢ়িবলৈ গৈ ল'ৰা শংকৰে কেতিয়াবা পঢ়াশালীৰ পৰা পলাই আহি বৰনৈৰ বুকুত সাঁতুৰি-নাদুৰি সময় অতিবাহিত কৰে। নৈৰ কোলাতে ডাঙৰ-দীঘল হোৱা শংকৰে 'নৈৰ লগতে হাঁহিছে, নৈৰ লগতে কান্দিছে, নৈৰ লগতে কথা হৈছে। নৈৰ কল্‌কলনি শুনি টোপনি গৈছে। [৬৮]

প্ৰেম অমৃতৰ নদীত দুখন নদীৰ ভূমিকা উল্লেখযোগ্য। এখন বৰনৈ আনখন ঘাগৰ নৈ। ব্ৰহ্মপুত্ৰ নদীপৰীয়া নাৰায়ণপুৰতেই মাধৱদেৱৰ জন্ম হয়। ল'ৰা মাধৱে ব্ৰহ্মপুত্ৰৰ পৰৰ হাবিৰ লেতেকু গছজোপাৰ তলত বহি সদায় নদীখনৰ ইপাৰে সূৰ্য্য উদয় হোৱাৰ দৃশ্য চায়। শৈশৱ আৰু কৈশোৰ পৰাই যৌৱনত ভৰি দিয়া মাদৱে ঘাগৰ নদীৰ পাৰৰ ঘাগৰ মাজীৰ ঘৰত অলপদিন আছিল। ঘাগৰ নদীৰ পাৰৰ সাৰুৱা মাটিত ডেকা মাধৱে খেতি কৰি স্বাৱলম্বী হ'বলৈ শিকে।

মালিকৰ উপন্যাসত অৰণ্য :

অসমভূমি চিৰসেউজ অৰণ্যৰে ভৰপূৰ। অৰণ্যৰ গছ-লতা বিভিন্ন প্ৰজাতিৰ চৰাই-জীৱ-জন্তুৱে দেশৰ সৌন্দৰ্য্য বৃদ্ধি কৰাৰ উপৰিও অৰণ্যই মানুহক দি আহিছে অনেক সম্পদ। মালিকৰ দুই এখন উপন্যাসত অসমৰ অৰণ্যাঞ্চলৰ বৰ্ণনা আছে।

শৰীলত একুৰা জুই উপন্যাসৰ পটভূমি অসমৰ এখন সংৰক্ষিত বনাঞ্চল। উপন্যাসৰ নায়ক সেই বনাঞ্চলৰ প্ৰকৃতিপ্ৰেমী বন বিষয়া। নিৰ্জন অৰণ্যৰ মাজত অকলশৰীয়া জাহিদ পত্নী ফিৰোজাক লৈ থাকে। অৰণ্যৰ অকলশৰীয়া ঘৰত প্ৰকৃতিৰ নিবিড় পৰিবেশত থাকি ফিৰোজাই কেতিয়াবা অস্বস্তি অনুভৱ কৰিলেও অৰণ্যত থাকি জাহিদৰ ভাল লাগে। অৰণ্যৰ এটা নিজস্ব সৌন্দৰ্য্য আছে। হাবিৰ মাজত নিবিড়

পৰিৱেশত থাকি হাবিৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব বন-বিষয়াৰ। হাতী গঁড় হৰিণা আদি বনৰীয়া জন্তু চৰাই শিল গছ-গছনি নৈ-পৰ্বত সকলো বন বিভাগৰ শম্পদ আৰু তাৰ লগতে বন বিভাগৰ চাকৰি কৰা মানুহকেইটাক লৈ জাহিদ তাৰ ৰখীয়া। বন-বিভাগৰ সকলো তাৰ ওপৰত।

বন ৰক্ষাৰ দায়িত্ব পালন কৰিও জাহিদ অৰণ্যৰ সেউজীয়া আৰু নিবিড়তাত মুগ্ধ হয়। অৰণ্যৰ এক বিচিত্ৰ আবেদন আছে। অৰণ্যৰ প্ৰাচীনতা আৰু বিশালতাই অৰণ্যপ্ৰেমীক মুগ্ধ কৰিব পাৰে। বিভিন্ন ঋতুত বিভিন্ন বনৰীয়া ফুলৰ সৌৰভে জাহিদৰ মন মতলীয়া কৰে। অৰণ্যৰ মাজৰ একোজোপা গছ কিমান পুৰণি কোনেও নেজানে। অৰণ্যৰ মাজেদি বৈ যোৱা নিজৰাটো বহু শতিকাৰ পৰা হয়তো একেদৰেই বৈ আছে। বহু বছৰৰ আগতে বন বিষয়াৰ চাকৰিত যোগদান কৰি জাহিদে যিবিলাক শাল নাহৰ আৰু এজাৰ পুলি ৰুৱাইছিল সেইবোৰ ইমান ধুনীয়াকৈ বাঢ়িছে যে দেখিলেই তাৰ মনত আনন্দ লাগে। মাজে মাজে জাহিদৰ নিজকে এজোপা উদ্ভিদ যেনেই লাগে। অৰণ্য বহু প্ৰাচীন। এই প্ৰাচীনতাই অৰণ্যক ৰহস্যময় কৰি তোলে।[৬৯] হাবিৰ মাজে মাজে বনৰীয়া জন্তুৰ গছকত হোৱা একাঁবেকাঁ ঠেক বাট অলেখ। এই বাটত সৰি পৰি থকা গছৰ শুকান পাতে অৰণ্যৰ হাজাৰ বছৰৰ ৰহস্যৰ সন্ধান দিয়ে।

'অৰণ্যৰ স্থায়ী বাসিন্দা বনৰীয়া পশু চৰাই-চিৰিকতি। হাতী বাঘ ভালুক হৰিণা আদি জন্তুবোৰ দলপাতি বাস কৰে। গছৰ ডালে পাতে ছানি থকা অৰণ্যৰ তলে তলে আকোঁৱা পকোঁৱা বাটেৰে সিহঁত দলপাতি ঘূৰি ফুৰে। কিন্তু সকলো জন্তুৱে নিজৰ নিজৰ বাট চিনি পায়। হাতীৰ জাকৰ খোজত হাতীপটিয় পশুৰ খোজত হয় পশুবাট। 'বাঘৰ বাটত হৰিণাই ভূলতো ভৰি নিদিয়ে। জোপোহাই জোপোহাই লুকাই থকা বন্য হিংস্ৰ মৃত্যু আৰু তাৰ মাজে মাজে আগবাঢ়ি আহি থাকে জীৱনৰ ৰে নথকা সোঁত।[৭০] মাছ-কাছ বুকুত লৈ হাবিৰ মাজৰ নিজৰটো বৈ যায় জিৰজিৰ শব্দ কৰি, গছপাতবোৰ বতাহত জিৰজিৰকৈ কঁপে। অৰণ্যৰ বনৰীয়া ফুলৰ সৌৰভ বতাহে বিয়পাই দিয়ে। বনৰীয়া চৰাইৰ কলৰৱত অৰণ্য মুখৰ হয়।

অৰণ্যৰ আদিম ৰহস্য আৰু সৌন্দৰ্যই বন বিষয়া জাহিদক মুগ্ধ কৰি ৰাখে। হাবিৰ প্ৰতিজোপা গছেই তাৰ চিনাকি আত্মীয় যেন লাগে। জিলিৰ মাত কপৌৰ ৰুণ বনৰীয়া চৰাইৰ অবিৰাম কিৰিলি— সকলো তাৰ আপোন যেন লাগে। নিজৰাৰ কুলু কুলু ধ্বনিত তাৰ অন্তধ্বনিৰ উমান পায়। গছপাতৰ মাজেদি সৰকি অহা ৰ'দৰ কোমল পোহৰত আপোন পাহৰা হয়। অৰণ্যই যেন তাক মৌন ভাষাৰে বহুত নোকোৱা কথা কয়। অৰণ্যৰ লগত অন্তৰংগতা গঢ়ি তুলি অৰণ্যক আপোন কৰি ল'ব পাৰিলেও আঠ বছৰ বৈবাহিক জীৱন যাপনকৰা পত্নী ফিৰোজাৰ লগত তাৰ অন্তৰংগতা গঢ়ি নুঠে। তাৰ কেতিয়াবা অৰণ্যতকৈ ফিৰোজাক ৰহস্যময় যেন লাগে।

বনজুই উপন্যাসৰ মাখন চাকৰিসূত্ৰে চাৰিকড়িয়া নামৰ এখন ভিতৰুৱা ঠাইত

থাকিবলগীয়া হৈছিল। নগৰৰ কোলাহলৰ পৰা আহি চাৰিকড়িয়া নামৰ সৰু গাঁওখনত থাকিবলৈ প্ৰথমে বেয়া পালেও পিছলৈ মাখনে ঠাইখনৰ লগত আত্মীয়তা গঢ়ি তুলিবলৈ সক্ষম হয়। চিকিৎসালয়, থানা স্কুল আদি দুই এটা চৰকাৰী ঘৰৰ বাহিৰে অঞ্চলটো প্ৰায় হাবিৰে আবৰা। বহুদূৰলৈকে নদীপাৰৰ ঝাওবনৰ অৰণ্যই আগুৰি আছে। 'দূৰে দূৰে থকা ঘৰবোৰৰ সৈতে চাৰিকডিয়া গাঁওখন তাৰ এখন ছবি যেন লাগে। যেন এখন জাপানী লেণ্ডস্কেপ— কোমল সেউজীয়া নীলা। মানুহৰ ভক্তিৰ নিচিনা গভীৰ প্ৰেমৰ নিচিনা উদাৰ আশাৰ নিচিনা উজ্জ্বল। [৭১] চাৰিকডিয়াৰ শান্ত স্নিগ্ধ নিৰ্মল প্ৰকৃতিযে মাখনক মুগ্ধ কৰে অভিভূত কৰে। এই প্ৰাচীন অৰণ্যৰ মাজত সি নিজৰ লগত নিজৰ আত্মীয়তা অনুভৱ কৰে। নিজৰ লগত কথা পতাৰ সুবিধা পায়। নিজকে আদিম ৰূপত চাব পাৰে। 'কি প্ৰাচীন অথচ নতুন এই প্ৰকৃতি আৰু কি প্ৰাচীন অথচ নতুন এই মানুহ। প্ৰকৃতিৰ বুকুৰ এটা শান্ত নিশ্বাসে যেন জীৱনৰ অন্য সকলো অভাৱৰ কথা পহৰাই দিব পাৰে। হয়াত সেউজৰ ৰহণ লাগে কল্পনাই যেন ঘৰৰ ছোৱালীজনী হৈ কাণে কাণে কিবাকিবিবোৰ কৈ যায়হি। [৭২] অৰণ্যৰ লগত মাখনৰ গভীৰ আত্মীয়তা। প্ৰকৃতিৰ নিসংগতাৰ মাজত সি নিজৰ মনৰ ভিতৰখন চাবলৈ সুবিধা পায়।

সুৰুষমুখীৰ স্বপ্ন উপন্যাসৰ ডালিম গাঁৱৰ কাষতে পশ্চিমে আৰু দক্ষিণে নামবৰ হাবৰ কিছু অংশ আছে। ডাঙৰ ডাঙৰ গছ, সাপ, বাঘ হাতী ভালুক আদিৰে নামবৰ অটব্য অৰণ্য। মাজে মাজে বাঘ আহি ডালিম গাঁৱৰ মানুহৰ গোহালিৰ গৰু লৈ যায়। চৰণীয়া পথাৰৰ পৰা গৰু-ছাগলী ধৰি খায়। বনৰীয়া হাতীয়ে ধাননি-পথাৰ মহতিয়ায়। গাঁৱৰ মানুহে ঘৰ সাজিবৰ কাৰণে কাঠ-বাঁহ বাবিৰ পৰাই সংগ্ৰহ কৰে। গাঁৱৰ গৰখীয়া ল'ৰাই গৰু চৰাবলৈ গৈ হাবিত বনৰীয়া ফল মূল বিচাৰি পিংপিঙাই ফুৰে। এনেদৰে গৰু চৰাবলৈ গৈ গুলচে এবাঁহ বৰমৌ দেখি ভীমৰ সৈতে পূৰ্ণিমাৰ জোনাকৰাতি পাৰি আনিছিল। গুলচৰ পাম্মৰ ঘৰৰ ওচৰতে ধনশিৰিৰ পাৰত এখন হাবি। হাতী নাই যদিও এই সৰু হাবিখনত পহু আৰু বাঘ আছে। পহুৱে মাজে মাজে পথাৰৰ ধান নষ্ট কৰে। কাতিমহীয়া পথাৰত ধান ৰোৱাৰ পিছত ম'হটো চৰাবলৈ গুলচ ম'হটোৰ পিঠিত উঠি ধাননি পথাৰ পাৰহৈ হাবিলৈ যায়। ম'হটো পিতনি এডোখৰত চৰিবলৈ এৰি দি সি হাবিৰ ভিতৰলৈ সোমাই যায়। অৰণ্যৰ সেউজীয়াৰ মাজত সি আনন্দত আপোন পাহৰা হয়। অকাৰণ আনন্দত সি উত্ৰাৱল হৈ হাবিৰ মাজে মাজে বাট উলিয়াই ঘূৰি ফুৰে।[৭৩]

ধন্য নৰ তনু ভালৰ নায়ক শংকৰদেৱৰ প্ৰিয় ঠাই নদীৰ পাৰৰ অৰণ্যখন। গুৰুৰ পাঠদানলৈ ভয় কৰি নহয় অৰণ্যপ্ৰীতিৰ কাৰণে কিশোৰ শংকৰ কেতিয়াবা মহেন্দ্ৰ কন্দলিৰ টোলৰ পৰা পলাই আহি নৈপৰীয়া হাবিৰ মাজত চৰাই বনৰীয়া ফুল দেখি ভোল যায়। হাবিৰ বনৰীয়া পহুৰ পিছে পিছে দৌৰে। সাপ-বাঘলৈকো ভয়

নকৰি অটব্য অৰণ্যৰ মাজত সোমাই চৰাইৰ মাতৰ লগত মাত মিলাই গীত গায়। শংকৰদেৱৰ দৰে প্ৰেম অমৃতৰ নদীৰ মাধৱদেৱৰ প্ৰিয় ঠাই নদীৰ পাৰৰ হাবিখন। মাধৱ ৰাতিপুৱাৰ হাবিৰ প্ৰাকৃতিক সৌন্দৰ্য্যত আকৃষ্ট হয়।[৭৪] হাবিৰ চৰাই-চিৰিকটি বনৰীয়া জীৱ-জন্তু আৰু গছ গছনিৰ মাজত মাধৱে আজৰি সময় অতিবাহিত কৰে।

অন্য যুগ ভিন্ন তীৰ্থ উপন্যাসত চৌডি আৰব, কুৱেইট আদি মধ্য এচিয়াৰ দেশবোৰৰ মূল্যৱান খনিজ সম্পদৰ দ্বাৰা ধনী হবলৈ যোৱা অসমৰ যুৱকে সন্মুখীন হোৱা অভাৱনীয় সমস্যা আৰু অভিজ্ঞতাৰ আভাস আছে। উপন্যাসখনৰ আৰম্ভণিতে ঔপন্যাসিকে অসমৰ অৰণ্য প্ৰকৃতিৰ সজীৱ বৰ্ণনা দিছে। অৰণ্যৰ দেশ অসমক গছ-বন-লতাই সেউজীয়া কৰি ৰাখে। নৈ জান জুৰি বিল, খাল পুখুৰী, মৰিসুঁতি, এৰানৈ— সকলোৰে পাৰত হাবি বননি অৰণ্য। অৰণ্যৰ বুকুত মাজে মাজে নৈ নিজৰাৰ ছন্দ চপল গতি[৭৫] বিশাল ব্ৰহ্মপুত্ৰত অৰণ্য ফালি অসমৰ ইমূৰৰ পৰা সিমূৰলৈ বৈ গৈছে। বাৰিষাৰ কথাই নাই খৰালিও অসমত একোজোপা বৰষুণ দিয়ে। শুকান মাটি আকৌ তিতে। অৰণ্যৰ মাটিয়ে বৰষুণৰ টোপালবোৰ সামৰিথয়। নল-বিৰিণা-খাগৰি-ঢেকীয়া কচুৰে পৰিবেষ্টিত অৰণ্যৰ মাজে মাজে একোজোপা ডাঙৰ গছ। হাবিৰ মাজত গছৰ গুটি পকি মাটিলৈ সৰে তাৰপৰা আকৌ নতুন পুলি গজে। লহপহীয়া একোজোপা নতুন গছৰ জন্ম হয়। 'লতা বগায ডালৰ পৰা ডাললৈ, গছৰ পৰা গছলৈ বগায়। হাবিৰ সকলো গছ মেৰিযাই বান্ধি একাকৰ কৰে। ঘিলা ঔৱালতা কাঁইটীয়া বেত আৰু ক'ত সৰু ডাঙৰ বনৰীয়া লতা। গছ-লতাই লগ লাগি হাবি হয় অৰণ্য হয়। ঢেকীয়াপতীয়া নাহৰফুটুকী শিয়াল জহামালৰ ৰাজ্য হয়। তাৰ মাজতে কৰবাত একোজোপা আমোলমোলাই গোন্ধাই বনৰীয়া ফুলৰ গছ হয়।[৭৬] বেলিৰ পোহৰ আৰু জোনৰ জোনাকে অৰণ্যৰ পৰিৱেশ ৰহস্যময় কৰি তোলে। আন্ধাৰ ৰাতি অৰণ্যৰ মাজে মাজে জোনাকী পৰুৱা উৰি ফুৰে। পুৱা-গধুলি বনৰীয়া চৰাইৰ মাতত অৰণ্য সজীৱ হয়। হাবিখনত শালগছ বহুত কাৰণে গাঁওখনৰ নাম শালনি। হাৰিত আৰু গাঁৱৰ মানুহৰ বাৰীৰ ঢাপতো সাঁচি গছ গজছিল। সাঁচি গছৰ বুকুত থকা আগৰ কাঠৰ যোগেদিয়ে গাঁওখনত এক আতৰৰ ব্যৱসায় গঢ়ি উঠিল। সুদুৰ আৰৱতো আগৰ কাঠৰ আতৰে চাহিদা পাবলৈ ধৰিলে। এই সাঁচিগছৰ আতৰৰ যোগেদিয়ে আৰৱ দেশসমূহৰ লগত অসমৰ যোগসূত্ৰ স্থাপন হ'ল।

মালিকৰ উপন্যাসত পৰ্বত পাহাৰ :

মালিকৰ অমৰ-মায়া উপন্যাসৰ পটভূমি পাহাৰৰ নামনিৰ এখন সৰু গাঁও। নগৰৰ কোলাহলৰ পৰা দূৰৰ পাহাৰৰ প্ৰাকৃতিক পৰিৱেশ গাঁওখনক মোহনীয় ৰূপ প্ৰদান কৰিছে। সেউজীয়া পাহাৰটো অতি পুৰণি পাহাৰৰ কাষৰ আটকধুনীয়া এটা ঘৰত কণ্মা মাকৰ সৈতে কাহিনীৰ নায়িকা মায়া থাকে। এজন ধনী ব্যৱসায়ীৰ কন্যা মায়াৰ এসময়ত সকলো আছিল। কিন্তু বিয়াৰ চাৰি বছৰৰ পিছত বিধৱাহে তাই

দেউতাকে যৌতুকত দিয়া পাহাৰৰ নামনিৰ প্ৰাকৃতিক সৌন্দৰ্য্যৰে ভৰপূৰ ঘৰটোত থাকিবলৈ ল'লে। এতিয়া মায়াৰ লগ বুঢ়া পাহাৰটোৰ নিবিড় আত্মীয়তা আৰু তাইৰ চেতাৰখন। কেতিয়াবা অকলে মনে মনে থাকি আমনি লাগিলে তাই চেতাৰখন হাতত তুলি লৈ গীতৰ লহৰ তোলে। পাহাৰৰ গহীন পৰিৱেশটো চেতাৰৰ করুণ সুৰে ৰহস্যময় কৰি তোলে।

ধন্য নৰ তনু ভাল উপন্যাসত অৰুণাচলৰ পৰ্বতমালাৰ বৰ্ণনা আছে। বৰলুইতৰ পাৰলৈকে ঠাল ঠেঙুলি মেলি আছে ওখ চাপৰ বহুতো পাহাৰ। বৰলুইতৰ উত্তৰলৈকে কিছু আঁতৰত একে ধৰণৰ পাহাৰে হিমালয় চুইছেগৈ। পাহাৰৰ মাজেৰে বাট বিচাৰি বিচাৰি ভৈয়ামলৈ নামি বৰলুইত পূবৰ পৰা পশ্চিমলৈ বৈ গৈছে। হিমালয় পৰ্বতশ্ৰেণী সৰ্বোচ্চ আৰু গছ-গছনিৰে ভৰা অটব্য অৰণ্যৰে ভৰপূৰ।[৭৭] হিমালয় পৰ্বতৰ গভীৰ অৰণ্যৰ ওখ গছবোৰৰ ওপৰেৰে মেঘবোৰ এটা পাহাৰৰ পৰা অন্য এটা পাহাৰলৈ যায়। পৰ্বতৰ ওপৰৰ এই ক'লা-বগা মেঘবোৰ বতাহজাকে এফালৰ পৰা আনফালে উৰাই লৈ যায়। কাষতে নগাপাহাৰ। দিনত এই পৰ্বতমালা ওচৰতে থকা যেন লাগে। তালৈ যাবলৈ পাহাৰৰ মাজেৰে গছৰ শুকান সৰাপাতেৰে ঢাকি থোৱা অঁকোৱা-পকোৱা বাট। ক'ৰবাত শিলৰ পাহাৰ। পাহাৰৰ গছবোৰত বান্দৰ জহামাল কেৰ্কেটুৱা তলৰ হাবিত বাঘ ভালুক হৰিণা হাতী আদি বনৰীয়া জন্তু। নগাপাহাৰৰপৰাই ওলাই আহিছে ধনশিৰী দিখৌ আদি নদীসমূহ। সেই পৰ্বতীয়া নদীৰ বুকুত শেষ নোহোৱা অচিনাকি দেশৰ সাধুকথা। খাচীয়া পাহাৰৰ পৰা বৈ আহছে কপিলী নৈ। কপিলীৰ বুকুত মেঘৰ পাহাৰ থৈৰামৰ বতৰা। পাহাৰৰ ডাৱৰৰ দেশৰ মানুহৰ চলন-ফুৰণ কথা-বতৰা সুকীয়া। মেঘৰ দেশত ঘন শ্যামল অৰণ্যৰ মাজত নিজৰ গীত মাত-নৃত্য বাদ্যলৈ শান্তিৰে জনগোষ্ঠীৰ বাসস্থান।[৭৮] নদীদ্বীপ মাজুলীৰ শ্যামল কোলাত থিয় দিলেও দেখা যায় সুদূৰৰ শাৰী শাৰী পৰ্বতৰাজিৰ সৌন্দৰ্য্য।

মাণিকৰ উপন্যাসত জোনাকৰাতি ঃ

জোনাকৰ এক নিজস্ব সৌন্দৰ্য্য আছে। মাণিকৰ গ্ৰাম্য পটভূমিত ৰচিত প্ৰায়বোৰ উপন্যাসতে জোনাকৰাতিৰ প্ৰকৃতিৰ মোহময়ী ৰূপ প্ৰকাশ পাইছে।

সূৰ্য্যমুখীৰ স্বপ্ন উপন্যাসৰ নায়ক গুলচৰ জীৱনত জোনাকৰাতিৰ প্ৰভাৱ অপৰিসীম। ভীমৰ লগত হাবিৰ গছৰ মৌ পাৰিবৰ কাৰণে গুলচ কান্ধত গামোচাৰে টোপোলা বন্ধা মাটিৰ কলহটো আৰু দীঘল নলৰ দাকন লৈ নৈপৰীয়া বাটেৰে গৈ আছে। পূৰ্ণিমাৰ ফৰিংফুটা জোনাক। হঠাৎ সি দেখিলে "ফটফটীয়া বগা জোনাকবোৰ চাৰিওফালে বিয়পি পৰিছে। ধনশিৰিৰ পানীত ৰূপালী জোনাকৰ তিৰবিৰনি।[৭৯] জোনাকৰ পৰিৱেশে গুলচৰ মন বহুত ধুনীয়া কল্পনাৰে ভৰাই তুলিলে। সি তৰাক ভাল পায়, বিয়া কৰাব। লাজ-মান কাতি কৰি থৈ সি তৰাৰ মাহীয়েক ৰূপাহীক কথাটো কৈ দিব। মনৰ আনন্দত তাৰ সন্মুখৰ জোনাকখিনিও সুন্দৰ আৰু মিঠা

লাগিল।[৮০] জোনাকত কঁপি থকা বিৰিণাৰ পাতবোৰৰ লগতে গুলচৰো নাচি দিবৰ মন গ'ল। আগতে এনেকুৱা ধুনীয়া জোনাক সি কেতিয়াও দেখা নাছিল। 'কিছুমান বগা জোনাক তাৰ মনৰ ভিতৰলৈও সোমাই গ'ল। দূৰত কোনোবা ডেকাই বেসুৰা সুৰত বাঁহী বজাইছিল। ৰাতিৰ জোনাকত গুলচৰ তাকো মিঠা লাগিল। জোনাকৰ এই অপৰূপ সৌন্দৰ্যাৰ বৰ্ণনা মালিকৰ কাপত হৃদয়গ্ৰাহী হৈ ধৰা দিছে।

কপাহীৰ লগত হোৱা অবাঞ্ছিত বিয়াখনৰ পিছত জোনাকৰাতি পামৰ নতুন ঘৰৰ চোতালত ঢাৰি-পাটি পাৰি গুলচ আৰু কপাহী বহি থাকে। সিহঁতে ঘৰৰ সৰু সৰু অভাৱ-অভিযোগবোৰৰ কথা আলোচনা কৰে ভৱিষ্যতৰ আঁচনি কৰে। তৰাই এই আলোচনাত ইচ্ছা কৰিয়ে যোগ নিদিয়ে। গুলচৰ ভাবহয় তৰাৰ উপস্থিতিয়ে জোনকৰ মধুৰ পৰিৱেশটো আৰু ঐশ্বৰ্য্যময় কৰি তুলিলেহেঁতেন। কিন্তু সি তৰাক এই জোনাকৰ মেলাত যোগ দিবলৈ মাতিবলৈ কুণ্ঠাবোধ কৰে। নতুন ঘৰলৈ অহাৰ পৰা তৰাজনী একেবাৰে নিমাতী হৈ পৰিছে। জোনাকৰ পৰিৱেশে গুলচ-কপাহী দুয়োকে ৰোমাঞ্চিত কৰি তোলে।[৮১]

বনজুই উপন্যাসত চাৰিকডিযাত থকা চৰকাৰী চাকৰিয়াল মাখনৰ ঘৰত এদিন আলহী হ'লহি প্ৰেমধৰৰ জোনাক পলুৱাই আনি গোলাপ মাষ্টৰ। চঞ্চলা জোনাক ভনী হিচাপে আদৰি ল'লেও জোনাৰ শাৰীৰিক সৌন্দৰ্যই মাখনক আকৰ্ষণ কৰিছিল। মাখনৰ আশ্ৰয়ত জোনাক থৈ গোলাপ মাষ্টৰ চাৰিকডিয়াৰ পৰা কেইদিনমানৰ কাৰণে দূৰলৈ যাবলগা হ'ল। গোলাপমাষ্টৰৰ অনুপস্থিতিত এদিন জোনাকৰাতি মাখন আৰু জোনা চোতালৰ জোনাকবোৰৰ মাজত বহিলহি। জীৱনৰ দৰে মধুৰ প্ৰেমৰ দৰে গভীৰ, কল্পনাৰ দৰে দিগন্তবিযপা জোনাকৰাতিৰ শুভ্ৰ আলোকত জোনা-মাখন দুয়োৰে মাজৰ পৰা জোনাৰ গাঁৱলীয়া স্বামী— প্ৰেমধৰ পলাতক গোলাপমাষ্টৰ,সমাজ সকলো নিচিহ্ন হৈ গ'ল। বননিৰ কেঁচা গোন্ধ, জোনাকৰ বগা পোহৰ দূৰৰ পৰা ভাঁহি অহা কোনোবা ডেকাৰ বাঁহীৰ মধুৰ সুৰে দুয়োৰে মন আদিম বাসনাৰে আকুল কৰি তুলিলে।[৮২] নগৰলৈ যাওঁতে নদীপাৰৰ ডাকবাংলাত জোনাৰ লগত কটোৱা জোনাকৰ লুকাভাকু খেলা ৰাতিটোত মাখনে অনুভৱ কৰিলে জোনা এজনী ন-গাভৰু। তাইৰ কোনো অতীত নাই, তাইৰ কোনো স্বামী নাই মাখনেই তাইৰ সকলো।

বনজুইত মাখন আৰু জোনাৰ অবৈধ প্ৰেমৰ সাক্ষী হোৱাৰ নিচিনাকৈ নল-বিৰিণা-খাগৰিৰ নায়িকা ৰূপহী আৰু ডেকা গোঁসাইৰ অবৈধ মিলনৰ সাক্ষী এটা কাতিৰ কুঁৱলীৰে ঢকা জোনাকৰাতি। মৌজুৰি গাঁৱলৈ অহা ডেকা গোঁসাইৰ বাহৰলৈ গাঁৱৰ সকলো মানুহ সেৱা কৰিবলৈ যোৱাৰ দৰে এদিন সন্তানহীন স্বামী-স্ত্ৰী ভোগ-ৰূপহীও গৈ গোঁসাইৰ ওচৰত সেৱা কৰি আৰ্শীবাদ বিচাৰিলে। ৰূপহীৰ ৰূপে ডেকা ঈশ্বৰক তেতিয়াই আকৰ্ষণ কৰিলে। তেওঁ ওচৰতে থকা ভোগ-ৰূপহীৰঘৰলৈ এদিন অহাৰ প্ৰতিশ্ৰুতিও দিলে। কিন্তু দিনত সেৱকী বেছি হোৱাৰ কাৰণে আহিব নোৱাৰে,

ৰাতিহে আহিব। গোঁসাই অহাৰ আশাত ৰূপহীয়ে কেইবাটাও উজাগৰী জোনাকনিশা কটালে। অৱশেষত এদিন কুঁৱলীসনা শীতৰ জোনাকৰাতি ডেকা ঈশ্বৰ আহিল ৰূপহীৰ পদূলিলৈ। ধূলিযৰি চোতালখনত ইফাল-সিফাল কৰিথাকোঁতে পদুলিমুখত ডেকা ঈশ্বৰত দেখি গাত লৈ থকা ৰিহাখনেৰেই মূৰত ওৰণী লৈ তাই প্ৰভূঈশ্বৰক ভৰিচুই সেৱা জনালে। ডেকাগোঁসাইৰ লগত ৰূপহী জোনাকত নদীৰ পাৰত ফুৰিবলৈ গ'ল। ডেকা গোঁসাইৰ পাছে পাছে ৰূপহীও নদীৰ গড়াইদিন নামি গৈ ৰূপজুলিৰ বালিত ভৰি দিলে। ধকধকীয় বগা বালি চাপৰিটো ৰূপোৱালী হৈ জিলিকিছে। কজলা পানীবোৰ বালিৰ ওপৰেদি শান্ত নিৰ্জুভাৱে বৈ গৈছে গাত জোনাক সানি। বতাহজাকত হাবিৰ মাজত ফুলা বনৰীয়া ফুলৰ গোন্ধ।[৮৩] নদীৰ পাৰৰ জোনাক অপৰূপ সৌন্দৰ্য্যই ডেকা গোঁসাইক উতলা কৰিলে। গাত লৈ অহা সোণবৰণীয়া এড়ী কাপোৰখন বালিত পাৰি ডেকা গোঁসাই বহিল। ৰূপহীকো কাষতে বহিবলৈ মাতিলে। অলপ ইতস্তত কৰাত হাতমেলি ৰূপহীক ওচৰচপাই আনি তেও কাপোৰখনৰ ওপৰতে বহুৱালে। প্ৰভূঈশ্বৰৰ হাত লাগি তাইৰ গা শিৰশিৰাই উঠিল। ৰূপহীয়ে অনুভৱ কৰিলে গোঁসাইৰ হাতখন ৰূপহীৰ গাৰ ওপৰত। ক্ৰমে তাই ডেকা গোঁসাইৰ দুবাহুৰ মাজত সোমাই পৰিল।[৮৪] মায়াময় জোনাকৰাতিৰ ৰূপালী বালিত ৰূপহীৰ ৰূপে প্ৰভূঈশ্বৰক মানুহ কৰিলে।

চ'ত মাহৰ এটা পূঁৱতি জোনাকনিশা প্ৰথম পৃথিৱীৰ পোহৰ দেখা আধাৰশিলাৰ সোণপাহীৰ জাৰজ চমীৰৰ জীৱনত জোনাক ৰাতিয়ে ৰোমাণ্টিক ৰূপ লাভ কৰিছে। চমীৰৰ শৈশৱৰ লগৰীয়া পাভ। বয়সত দুবছৰমান ডাঙৰ হ'লে পাভই কেতিয়াবা চমীৰৰ বায়েক কেতিয়াবা মাক আৰু কেতিয়াবা প্ৰেমিকাৰ ভূমিকা পালন কৰিছে। চহৰৰ স্কুলত পঢ়িবলৈ ওলোৱা চমীৰে পাভৰ ঘৰত ৰাতিটো কটাবলৈ গৈ কৈশোৰত উপনীত হোৱা পাভৰ ৰূপ দেখি মুগ্ধ হৈছিল। যৌৱনত ভৰি দিয়া পাভৰ লগত দুপৰ জোনাকৰাতি পুখুৰীৰ পাৰত বহি পাভৰ যৌৱনপুষ্ট শৰীৰ দেখি চমীৰ প্ৰথম ৰোমাঞ্চিত হয়। জোনাকত পাভৰ কোলাত শুই পাভৰ যৌৱনপুষ্ট শৰীৰ দেখি চমীৰ প্ৰথম ৰোমাঞ্চিত হয়। জোনাকত পাভৰ কোলত শুই পাভৰ হ'বলগীয়া বিয়াৰ কথা শুনি চমীৰৰ এনে লাগিল যেন সি বুজি নোপোৱা কোনোৱা ৰাজকুমাৰী সপোন দেখিছে। উজ্জ্বল জোনাকত পাভৰ বিয়াৰ কথাই পৰিৱেশটো ৰহস্যময় কৰি তুলিলে। 'বহুত জোনাক আকাশৰ বুকুৰ পৰা পৃথিৱীলৈ নামি আহিছে। বহুত কুঁৱলীয়ে সেই জোনাকক ম্লান কৰি পেলাইছে— উচ্ছল এখনি বগা জোনাকে পাভৰ উন্মুক্ত যৌৱনৰ পাহে পাহে সোণালী-ৰূপালী পোহৰ সানি দিছে।"[৮৫] যুদ্ধ শেষ হোৱাৰ পিছত পাভক লগ পাবলৈ সি গভীৰ ৰাতি নিজাম পাভৰ গাঁৱলৈ যোৱা বাটত উঠিল। যুদ্ধৰ চাকৰিত থকাৰ কাৰণে সি পাভৰ বিয়াত আহিব নোৱাৰিলে। জোনাকৰ এখন শান্ত পৃথিৱী সি বাটৰ একাষে বহি চাই চাই আহি থাকিল। জোনাকবোৰ আলিৰ কাষৰ সেউজীয়া গছ-

বনত পৰি জিলিকি উঠিছে। দূৰলৈ ধুঁৱলী কুঁৱলী ৰহস্যময় পৰিৱেশ। যুদ্ধৰ ব্যস্ততাৰ মাজত থাকি ৰাতিৰ প্ৰকৃতিৰ এনে ৰূপ বহুদিন চমীৰৰ দৃষ্টিগোচৰ হোৱা নাছিল। বাচৰ পৰা নামি পুৱতি নিশা মাৰ যাব ধৰা জোনৰ শেঁতা পোহৰৰ মাজে মাজে শেষনিশাৰ মৃদু বতাহজাকৰা মৰমী নিশ্বাস সানি খোজকাটি চমীৰ পাভৰ ঘৰলৈ বুলি গৈ থাকিল। লাহে লাহে জোনৰ পোহৰ নিস্তেজ হৈ আহিল শান্ত-শীতল বতাহজাকত কাষৰ মছজিদৰ পৰা অহা আজানৰ শব্দ বিয়পি পৰিল। পৰিৱেশটো চমীৰৰ নিচেই চিনাকি আৰু আপোন যেন লাগিল।

পাভৰ লগত ওপজা গাঁৱলৈ গৈ চমীৰে পাভৰ ঘৰৰ এৰাবাৰীৰ পুখুৰীৰ পাৰত নিবিড় জোনাকত পাভৰ কাষত বহি মাক সোণপাহীয়ে জীৱনত কৰা ভুলবোৰৰ বাবে অনুশোচনা কৰিছে। জোনাকৰ পৰিৱেশ চমীৰক লৈ গ'ল এক ৰহস্যময় পৰিৱেশৰ মিঠা অনুভৱেৰে ভৰা জগতলৈ।[৮৬]

অমৰ মায়াত পাহাৰৰ নামনিত নিৰ্জন পৰিৱেশত অন্ধ মাকৰ সৈতে বাসকৰা মায়াক নোকৰ পৰিৱেশে উন্মনা কৰি তোলে। জোনাকাৰ মাদকতাসনা ৰাতি মায়াৰ 'মনটো উৰি যায় এক অনামী স্বপ্নৰ দিগন্তলৈ বেদনাধূসৰ স্মৃতিলোকলৈ।[৮৭] তেতিয়া তাইৰ চিএঞৰি চিএঞৰি গান গাবৰ মন যায়। পাহাৰৰ বুকুৰ লুংলুঙীয়া বাটবোৰেৰে দৌৰি ফুৰিবৰ মন যায়। কিন্তু তাই একো কৰিব নোৱাৰে। মাত্ৰ খোলা খিড়িকীখনেদি জোনাকত ধূসৰ হোৱা অস্পষ্ট দিগন্তৰ ফালে চাই থাকে জোনাকবোৰ লাহে লাহে তাইৰ কোঠাৰ ভিতৰলৈ সোমাই আহে।[৮৮] তাই অনুভৱ কৰে জোনাকবোৰ যেন মনে মনে তাইৰ চুলিৰ মাজলৈ সোমাই গৈছে। তাইক যেন কাণে কাণে কিবা কৈছে। তেতিযাই মায়াই মেজখনত থকা চেতাৰখন তুলি লয় আৰু আলফুলে তাঁৰকেইডালত হাত দিযে। জোনাকৰ পোহৰৰ লগত চেতাৰৰ শব্দ মিহলিহৈ পৰিৱেশটো গহীন কৰি তোলে। তাইৰ 'কোঠাৰ ভিতৰৰ আৰু বাহিৰৰ সেমেকা জোনাকবোৰ চেতাৰৰ সুৰৰ মাজত।'[৮৯] চেতাৰৰ সুৰৰ লগত তাইৰ প্ৰাণৰ কথা একহৈ যায়। তাইৰ আত্মা— জোনাক ধূসৰ নৈশ দিগন্তত হেৰোৱা স্মৃতিৰ চেকুৰা বিচাৰি ব্যাকুল হৈ উঠে।[৯০] জীৱনৰ সৰ্বস্ব হেৰুৱাই নি সঙ্গ হৈ পৰা মায়াৰ জীৱনত জোনাকৰাতি হৈ পৰিছে সঙ্গী আৰু অতীতৰ স্মৃতি বাহক।

শৰীলত একুৰা জুই উপন্যাসৰ জাহিদ-ফিৰোজাৰ অৰণ্যপ্ৰান্তৰ নিৰ্জন এটা ঘৰ এখন ফুলনি এদিন চাজ্জাদৰ গীতৰ সুৰেৰে সুৰময হৈ উঠিছিল এটা জোনাকেৰে উজ্জ্বল মধুৰ ৰাতি। গীতৰ মজলিচ শেষ কৰি চাজ্জাদ যেতিয়া গ'ল কোঠাটোৰ খিড়িকীখনেদি সোমাই অহা এখিনি আন্ধাৰ মিহলি শান্ত জোনাকে তাক লৈ গৈছিল লক্ষ্ণৌত সঙ্গীত শিক্ষা কালত কটোৱা উন্মাদভৰা দিনবোৰলৈ লগতে বন্ধুপত্নী ফিৰোজাৰ সৈতে কটোৱা তাৰ প্ৰেমপূৰ্ণ ৰোমাঞ্চকৰ দিনবোৰলৈ। পল্লাতক স্মৃতি উৰণীয়া মনলৈ গভীৰ ৰাতি শান্ত জোনাকত দুৱাৰ-খিড়িকী খুলি চাজ্জাদ টোপনি যাবলৈ যত্ন

কৰিলেও বাহিৰৰ জোনাকে ভৰা পৰিৱেশটো সি বুকুত সাৱিটি লোৱাৰ যত্ন কৰিলে।[৯১] জোনাকৰ সৌন্দৰ্য্যত আত্মহাৰা হৈ থাকোঁতেই বন্ধুপত্নী আৰু তাৰ এসময়ৰ প্ৰেমিকা ফিৰোজাৰ আগমনে কোঠাটো ৰহস্যময় কৰি তুলিলে। 'দূৰ আকাশৰ হেলনীয়া জোনাক এখিনি ৰাতিৰ অৰণ্যৰ শ্যামলীমা আৰু আকাশৰ গাঢ় নীলাৰ পাতল বোল সানিলৈ আপোনমনে সোমাই আহিছে।'[৯২] জোনাকৰ এই পৰিৱেশে চাজ্জাদক লৈ গ'ল অন্য এক ৰহস্যময় জগতলৈ।

মালিকৰ **প্ৰাণ পোৱাৰ পিছত** গল্পটোত জোনাকৰ এক মনোৰম বৰ্ণনা আছে। গল্পৰ নায়ক হেমন্তই বৈকুণ্ঠ সোণাৰীৰ জীয়েক জুৰিক এটা নাচ শিকাইছে। নাচটোৰ নাম ৰাতি আৰু ৰজনীগন্ধা। দিনটো সেউজীয়া পাতৰ আঁৰত নিজকে লুকুৱাই ৰাখি ৰঝনীগন্ধা ফুলপাহ ফুলিবৰ কাৰণে ৰাতিলৈ অপেক্ষা কৰে। ৰাতি লাহে লাহে আহে গাত জোনাকৰ ৰহন সানি।[৯৩] জোনাকত গা ঢালি জুৰিয়ে ৰজনীগন্ধাৰ ৰূপত নাচি নাচি আঁতৰি যায় যেনেকৈ জোনাক শেষ কৰি ওপঙি উঠে নিশাৰ শেষৰ মেঘে ধুঁৱলীয়া পোহৰ। প্ৰাণ পোৱাৰ পিছত গল্পৰ জোনাকৰ সৌন্দৰ্য্য বৰ্ণনাত মালিকে অনন্য প্ৰতিভাৰ পৰিচয় দিছে।

মাটিৰ চাকি উপন্যাসৰ হিৰণ্যৰ কাৰণে জোনাকৰ মাজত দেখা দিছে মৃত্যুৰ দৰে ৰহস্যময এক পৰিৱেশ। এটা শেঁতাজোনৰ বুকুৰ পৰা কিছুমিন নিস্তেজ জোনাক পৃথিৱীলৈ নামি আহিছিল। দেখদেখকৈ কুঁৱলিৰ পাতল আৱৰণ এখনে পৃথিৱীখনক সাবটি ধৰিছিল। মৃত্যুৰ দৰে ৰহস্যময় এটা স্নিগ্ধ নীৰৱতা বিযপি পৰিছিল।[৯৪] ইয়াত নিস্তেজ জোন লাহে লাহে নিস্তেজ কৰা জবাৰ ক্ষযৰোগৰ প্ৰতীক।

বিভূতিভূষণ আৰু মালিকৰ প্ৰকৃতি চেতনাৰ তুলনামূলক অধ্যয়ন ঃ

বিভূতিভূষণৰ উপন্যাসত প্ৰকৃতিয়ে প্ৰধান ভূমিকা গ্ৰহণ কৰিছে। **পথেৰ-পাঁচালীৰ** অপু আৰু **আৰণ্যকৰ** সত্যচৰণক প্ৰকৃতিৰে এক অংশবিশেষ যেন ধাৰণা হয়। প্ৰকৃতিৰ পৰা বিচ্ছিন্ন কৰি দুই নায়কক চাব নোৱাৰি। অপু নিশ্চিন্দিপুৰৰ গ্ৰাম্য প্ৰকৃতি আৰু সত্যচৰণ অৰণ্য প্ৰকৃতিৰ লগত মিলি আছে। মালিকৰ উপন্যাসত প্ৰকৃতিতকৈ মানুহে প্ৰধান ভূমিকা গ্ৰহণ কৰিছে। মালিকৰ উপন্যাসৰ চৰিত্ৰ প্ৰকৃতিনিৰ্ভৰ হলেও প্ৰকৃতিৰ অংশবিশেষ নহয়।

বিভূতিভূষণ আৰু মালিক দুয়োজন ঔপন্যাসিকেই প্ৰকৃতিপ্ৰেমিক। নগৰত বাস কৰিবলগা হ'লেও অপৰাজিতৰ অপুৰ নিচিনাকৈ বিভূতিভূষণৰ মনে বাৰে বাৰে বিচৰণ কৰে শৈশৱৰ গাঁও প্ৰকৃতিত।[৯৫] আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ গ্ৰন্থৰ প্ৰবন্ধত মালিকে তেওঁৰ প্ৰকৃতি প্ৰীতিৰ কথা উল্লেখ কৰিছে— 'মুক্ত আকাশ মুক্ত প্ৰকৃতি পথাৰ নদীৰ যি সৰলতা আছে আকৰ্ষণ আছে তাৰ লগতহে মই একাত্মবোধ কৰো।[৯৬] আৰু সেই অৰ্থতেই মালিকে নিজৰ লেখা বন্য বুলি অভিহিত কৰিবলৈ বিচাৰে।

বিভূতিভূষণে প্ৰকৃতিৰ মাজত মানুহৰ মমতা দেখা পাইছে। সকলো জীৱন যন্ত্ৰণাৰ উপশমৰ কাৰণে তেওঁ প্ৰকৃতিৰ উদাৰ কোলাত আশ্ৰয় বিচাৰে। মালিকৰ প্ৰকৃতিচেতনা নিসন্দেহে তেওঁৰ মৰ্ত্যপ্ৰীতিৰ প্ৰকাশ। তেওঁৰ সহজ-সৰল জীৱনে প্ৰকৃতিৰ আশ্ৰয় বিচাৰে। প্ৰকৃতি তেওৰ ওচৰত জীৱনৰ অংশৰূপে জিলিকি উঠিছে।

বিভূতিভূষণৰ উপন্যাসত প্ৰকৃতিৰ শান্ত সমাহিত ৰূপৰ বৰ্ণনা আছে। মালিকৰ উপন্যাসত প্ৰকৃতিৰ শান্ত-সৌন্দৰ্য্যময়ী ৰূপৰ লগতে ধ্বংসকাৰী ৰূপো প্ৰকাশ পাইছে। সূৰুযমুখীৰ স্বপ্নত জীৱনদায়িনী ধনশিৰি নদীৰ বানে উপন্যাসৰ শেষত তাণ্ডৱ ৰূপ ধাৰণ কৰিছে। নল-বিৰিণা-খাগৰিৰ ৰহনৰ ধুমুহা-বৰষুণত বজ্ৰপাত পৰি মৃত্যু হৈছে।

বিভূতিভূষণৰ অপৰাজিত আৰু আৰণ্যকৰ অৰণ্যপ্ৰকৃতিয়ে পাঠকক বিস্ময়বিমুগ্ধ কৰি তোলে। আৰণ্যকৰ বিহাৰৰ ব্যাপক অৰণ্য বিভূতিভূষণৰ কাপত চিৰনতুন হৈ ধৰা দিছে। আৰণ্যকৰ পাতে পাতে অৰণ্য প্ৰকৃতিৰ চিৰনতুন সৌন্দৰ্য্যই আত্মপ্ৰকাস কৰিছে। বিভূতিভূষণৰ পথেৰ-পাঁচালীৰ নিচিনাকৈ মালিকৰ উপন্যাসত প্ৰকৃতি প্ৰধানত গ্ৰাম্য প্ৰকৃতি। শৰীলত একুৰা জুই উপন্যাসত পটভূম হিচাপে অৰণ্যক বাচি লোৱা হৈছে যদিও ঔপন্যাসিকে অৰণ্য প্ৰকৃতিৰ গছ-লতা পশু-পক্ষীতকৈ নায়ক জাহিদৰ পাৰিবাৰিক জীৱনৰ ওপৰতহে অধিক গুৰুত্ব আৰোপ কৰিছে।

বিভূতিভূষণ আৰু মালিক দুয়োজন ঔপন্যাসিকৰ প্ৰকৃতিচেতনা ৰমন্যাসিক। বিভূতিভূষণ আৰু মালিক দুয়োজনৰে প্ৰকৃতিপ্ৰেমী চৰিত্ৰসমূহৰ মন ৰোমাণ্টিক আৱেগেৰে ভৰা। ৰোমাণ্টিক কবিৰ প্ৰকৃতিপ্ৰীতিৰ সাধাৰণ লক্ষণসমূহে দুয়োজনৰ উপন্যাসকে প্ৰভাৱান্বিত কৰিছে। প্ৰাকৃতিক সৌন্দৰ্য্য বৰ্ণনাত দুয়োজন ঔপন্যাসিকেই অনুভূতি প্ৰৱণ। গতিকে প্ৰকৃতি-বৰ্ণনাত দুয়োজনৰ উপন্যাসৰে ভাষা কেতিয়াবা কেতিয়াবা গদ্য-কবিতালৈ ৰূপান্তৰিত হ'ব খুজিছে।

আৰণ্যক উপন্যাসক বিভূতিভূষণৰ প্ৰকৃতি প্ৰেমৰ শ্ৰেষ্ঠ নিদৰ্শন বুলি ক'ব পাৰি। তেওৰ অন্য কোনো উপন্যাসতে আদিৰপৰা অন্তলৈকে আৰণ্যকৰ নিচিনা প্ৰকৃতি-সৌন্দৰ্যৰ সূক্ষ্ম বৰ্ণনা নাই। বিশাল অৰণ্যৰ এনে প্ৰাণৱন্ত বৰ্ণনা সমগ্ৰ বাংলা সাহিত্যতে দুৰ্লভ। মাটিৰ চাকিৰ শিল্পী হিৰণ্যৰ যোগেদি ঔপন্যাসিক মালিকে প্ৰকৃতিৰ চিৰশ্বাশ্বত ৰূপ কম কথাতে দাঙি ধৰিছে। প্ৰকৃতি মানুহতকৈ বহুত বেছি ডাঙৰ প্ৰকৃতি মানুহতকৈ বেছি সুন্দৰ বেছি ৰহস্যময়। সৃষ্টিৰ আদিম স্পৰ্শৰ বোল প্ৰকৃতিৰ প্ৰতিটো ৰেখাৰ ওপৰত বিয়পি আছে। ৰাতিৰ ৰহস্য দিনৰ বৈচিত্ৰ্য অৰণ্যৰ আদিম গন্ধ আকাশৰ নিবিড় মৌনতা— এইবোৰতকৈ জীৱনৰ চঞ্চলতা বেছি অৰ্থপূৰ্ণ নহয়। [৯৭]

তুলনামূলক বিচাৰত এই কথা প্ৰতীয়মান হয় যে বিভূতিভূষণৰ প্ৰকৃতি বেছি জীৱন্ত। প্ৰকৃতিৰ বৰ্ণনাবোৰ ছবিৰ দৰে।[৯৮] প্ৰকৃতিৰ ৰূপ-ৰং-গোন্ধ বিভূতিভূষণৰ বেছি স্পষ্ট।

তৃতীয় অধ্যায়ৰ পাদটীকা

১। 'ৰবীন্দ্ৰনাথেৰ দান বিচিত্ৰা আলোচনী আশ্বিন ১৩৩৮।

২। বিভূতি ৰচনাৱলী দ্বিতীয় খণ্ড পৃ ২৬৬ অপৰাজিত।

৩। Effort and expectation and desire And something evermore about to he Prelude The table turned

৪। চট্টোপাধ্যায় সুনীলকুমাৰ বিভূতিভূষণ জীৱন ও সাহিত্য পৃ ২২৩

৫। বিভূতি ৰচনাৱলী পঞ্চম খণ্ড পৃ ৮ আৰণ্যক।

৬। বিভূতি ৰচনাৱলী পঞ্চম খণ্ড পৃ ১৫৩ আৰণ্যক।

৭। বিভূতি ৰচনাৱলী পঞ্চম খণ্ড প্ৰস্তাৱনা আৰণ্যক।

৮। বিভূতি ৰচনাৱলী পঞ্চম খণ্ড পৃ ১৫১ আৰণ্যক।

৯। 'ভানুমতীক বিবাহ কৰিতাস। এই মাটিৰ ঘৰে জ্যোৎস্না উঠা দাওৱাল সৰলা বন্যবালা বাঁধিতে এমনি কৰিয়া চেলে মানুষীৰ গল্প কৰিত আমি ৰসিয়া ৰসিয়া শুনিতাম। আৰ শুনিতাম বেছি ৰাত্ৰে হাসি। ভানুমতী কালো কিন্তু নিটোল স্বাস্থ্যৱতী। ওই সতেজ সৰল মন। ভাবিতেও বেশ লাগে। কি সুন্দৰ স্বপ্ন।

বিভূতি ৰচনাৱলী পঞ্চম খণ্ড পৃঃ ১৫২

১০। যে কথাটা নানাভাবে বলিবাৰ চেষ্টা কৰিতেছি, কিন্তু কোনো বাৰই ঠিকমতে বুঝাইতে পাৰিতোছি না সেটা হইতেছে এই প্ৰকৃতিৰ একটা ৰহস্যময় অসীমতাৰ দুৰাধিগম্যতাৰ বিৰাটত্বৰ ও ভযাল গা ছম ছম কৰানো সৌন্দৰ্য্যৰ দিকটা।

বিভূতি ৰচনাৱলী পঞ্চম খণ্ড পৃ ৮৫

১১। বিভূতি ৰচনাৱলী দ্বিতীয খণ্ড পৃ ১৮১

১২। 'কত ধৰণেৰ গাছ, লতা গাছেৰ ডালে এখানে ওখানে বিচিত্ৰ ৰঙযেৰ আৰ্কিড নিচে য্যাজোলিয়াৰ হলুদ ফুল ফুটিয়া প্ৰভাতেৰ বাতাসকে গন্ধভাৰাক্ৰান্ত কৰিযা তোলে। ঘোড়া চালাইতে চালাইতে অপুৰ মনে হয সে যেন জগতে সম্পূৰ্ণ একা সাৰা দুনিযাৰ সঙ্গে তাৰ কোন সম্পৰ্ক নাই। শুধ আছে সে আৰ আছে তাহাৰ ঘোড়াটি ও চাৰিপাশেৰ এই অপূৰ্ৰ্বদৃষ্ট বিজয়ৰ বন। আৰ কি সে নিৰ্জনতা। কলিকতাৰ বাসায় নিজেৰ বন্ধ দুয়াৰ ঘৰটাৰ কৃত্ৰিম নিৰ্জনতা নয় এ ধৰণেৰ নিৰ্জনতাৰ সঙ্গে তাহাৰ কখনো পৰিচয় ছিল না।

বিভূতি ৰচনাৱলী দ্বিতীয় খণ্ড পৃ ১৮১

১৩। শুধুই উচুঁ-নীচু অৰ্ধশুষ্ক তৃণভূমি ছোট বড শিলাখণ্ড ছড়ানো মাঝে মাঝে শাল ও বাদাম গাছ। আৰ এক জাতীয় বড বন্য গাছেৰ কি অপূৰ্ভ আঁকাবাঁকা ডালপালা চৈত্ৰেৰ ৰৌদ্ৰে পাতা ঝৰিয়া গিয়েছে। নীল আকাশেৰ পটভূমিতে পত্ৰশূণ্য ডালাপালা যেন ছবিৰ মন দেখা যায়।

বিভূতি ৰচনাৱলী দ্বিতীয় খণ্ড পৃ ১৮৩

১৪। পথেৰ বামদিকেৰ পাহাৰী ঢালুতে বহুদূৰ ব্যাপিয়া শীতেৰ শেষে লোহিয়া ও বিজনিৰ ফুলেৰ বন। ঘোড়া থমাইয়া অনেকক্ষণ ধৰিয়া দেখিত তাঁবুতে ফিৰিবাৰ কথা ভুলিয়া যাইত। যে কখনো এখন নিৰ্জন অৰণ্যভূমিতে যেখানে ক্ৰোশেৰ পৰ ক্ৰোশ যাও লোক

নাই, জন নাই, গ্রাম নাই, বস্তি নাই, সে সব স্থানেৰ মুক্ত আকাশেৰ তলে কঠিন ব্যাসাণ্ট কি গ্রানাইটেৰ ৰুক্ষ পর্বত প্রাচীৰেৰ ছায়ায় নিম্নভূমিতে ঢালুতে ঝাঁ ঝাঁ দুপুৰে ৰাশি ৰাশি অগনিত বেগুনি জৰাদা ও শ্বেতাভ হলুদ ৰঙেৰ বন্য লোহিয়া ও বিজনিৰ ফুলেৰ বন না দেখিয়াথে-তাহকে এ দৃশ্যেৰ ধাৰণা কৰানো অসম্ভৱ হইবে।

বিভূতি ৰচনাৱলী দ্বিতীয় খণ্ড পৃ ১৮৪

১৫। ইছামতীৰ তীৰেৰ সৌন্দর্য্য আৰও ৰহস্যময় হয়ে উঠলো। যেন তীৰভূমিৰ এই প্রাচীন অশ্বথ গাছটা ওই প্রাচীন ধাঁড়া গাছগুলো আমায় চেনে আমাৰ বাল্যকাল থেকে যেন এখনি বলবে— এই দ্যাখো সেই খোকা কত বড হয়েছে।

বিভূতি ৰচনাৱলী ষষ্ঠ খণ্ড পৃঃ ৪৪৩

১৬। কুলে কুলে ভৰা নদীৰ ধাৰে বনঝোপ সাইবা বলা গাছ, নীল আকাশ, ঘু ঘুৰ ডাক সত্যিই যেন বহুদিন পূর্বেৰই বিস্মৃত বাল্যদিনে ফিৰিয়ে নিয়ে যায়।

বিভূতি ৰচনাৱলী ষষ্ঠ খণ্ড পৃ ৪৪৩

১৭। 'নদীৰ ধাৰে ধাৰে নতশীর্ষ বাবলা ও সাঁইবাবলাৰ বন নদীৰ স্নিগ্ধ কালো জলে ফুলেৰ ভাৰ ঝৰাইয়া দিতেছে। সোণাডাঙা মাঠেৰ মাঝে ঠ্যাঙাডে বটগছটাৰ আড়েলে প্রকাণ্ড ৰক্তবর্ণ সূর্য্য হেলিয়া পৰিয়াছে— যেন কোন দেৱশিশু অলকাৰ জলন্ত ফেনিল সোণাৰ সমুদ্র হইতে ফুঁ দিয়া একটু বুদ্বুদ তুলিয়া খেলা চ্ছলে আকাশে উডাইয়া দিয়াছিল।

বিভূতি ৰচনাৱলী প্রথম খণ্ড পৃ ১২৯

১৮। এই ইছামতীৰ জলেৰ মতই কালো গভীৰ ক্ষদ্ধ দূৰেৰ সে অদেখা মহাসমুদ্রবক্ষ। এই ৰকম সবুজ বনঝোপ আৰব সমুদ্রৰ সেই দ্বীপটেতেও। সেখানে এইৰকম সন্ধ্যায় গছতলায় বসিয়া এডেন বন্দৰে এই বিলাত যাত্রী লোকটিৰ মত সে ৰূপসী আৰবী মেযেৰ হাত হইতে এক গ্লাচ জল চাহিযা লৈযা খাইবে।

বিভূতি ৰচনাৱলী প্রথম খণ্ড পৃ ১৩০

১৯। অনেকবাৰ অপু এ ধৰণেৰ বাৰীৰ ছবি কল্পনা কৰিযেছে। এই ধৰণেৰ বড নদীৰ ঠাবে চহৰ বাজাৰেৰ ছোঁযাচ ও অবহাওবা হইতে বহুদূৰ কোন এক অখ্যাত ক্ষুদ্র গাডাগাঁয়েৰ সম্ভ্রান্ত গৃহ।

বিভূতি ৰচনাৱলী দ্বিতীয় খণ্ড পৃঃ ১১৫

২০। বিভূতি ৰচনাৱলী দ্বিতীয় খণ্ড পৃ ২১১

২১। 'স্বর্ণাভ বালুৰ উপৰ অন্তর্হিত বন্য নদীৰ উপল ঢাকা চৰণ চিহ্ন হাত কয়েক মাত্র প্রশস্ত নদীখাত উভয তীৰই পাহাৰময। ওফাৰে কঠিন ও দানাদাৰ কোয়াট জাইট ও ফিকে হলদে ৰঙেৰ বড বড পাথৰেৰ চাহয়ে ভৰা। অতীত কোম হিম যুগেৰ তুষাৰ নদীৰ শেষ প্রবাহে আসিয়া আসিয়া এখানে হয়তো আটকাইয়া গিয়াছে।

বিভূতি ৰচনাৱলী দ্বিতীয় খণ্ড পৃঃ ১৮৩

২২। বিভূতি ৰচনাৱলী নৱম খণ্ড পৃ ২১৩ ইছামতী।

২৩। ঐ বর্ষাশেষেই আবাৰ কাশফুল উডে উঢে জল সৰা কাদায় পড়ে বীজ পুতে পুতে কত কাসঝাডেৰ সৃষ্টি কৰলো বছৰে বছৰে। কাশবন কালে সৰে গিয়ে শেওৰাকন সৌদালি গাছ গজালো তাৰপৰ এল কত ঝুন্ধৰে লতা কাটাবাঁশ বনচালতা, দুললো গুলঞ্চলতা

মটৰফাপৰ লতা ছোট গোয়ালে বড় গোয়ালে। সুবাস ভৰা বসন্ত মুৰ্ত্তিমান হয়ে উঠলো কতবাৰ ইছমতীৰ নিৰ্জন চৰেৰ ঘেঁটফুলেৰ দলে।

বিভূতি ৰচনাৱলী নৱম খণ্ড পৃঃ ২১৩

২৪। 'সন্ধ্যায় সীমাহীন আকাশেৰ দিগন্তশীল অভ্ৰবাহু যে দেৱতাৰ ছবি মনে আনে তিনি আৰ তাৰ এই শস্যশ্যামল বৰ্ষাপুষ্ট বনকুঞ্জ সুবাসিত লতাপুষ্পক মুক্তি দিতে সমৰ্থ।

বিভূতি ৰচনাৱলী ষষ্ঠ খণ্ড পৃ ৪৬৪

২৫। 'মাঠেৰ বনঝোপগুলো উলুখড বনকলমী সোঁদাল আৰু কুলগাছে ভৰা। কলমীলতা সাৰা ঝোপগুলাৰ মাথ বড বড সবুজ পাতা ডাকিয়া দিয়াছে— ভিতৰে স্নিগ্ধ ছায়া ছোট গোৱালে নাটাকাটা ও নীল বন অপৰাজিতা ফুল সূৰ্য্যেৰ আলোৰ দিকে মুখ উঁচু কৰিযা ফুটিয়া আছে। পডন্ত বেলাৰ স্নিগ্ধ ছায়াৰ বনভূমিৰ শ্যামলতা পাখীৰ ডাক চাৰিধাৰে প্ৰকৃতিৰ মুক্ত হাতে ছড়ানো ঐশ্বৰ্য।

বিভূতি ৰচনাৱলী প্ৰথম খণ্ড পৃ ৫

২৬। বিভূতি ৰচনাৱলী দ্বিতীয় খণ্ড পৃ ২০৬ ইছামতী।

২৭। 'অপৰাহ্নেৰ ৰাঙা ৰোদ গছটাৰ গায়ে পডিযা কি উদাস বিষাদমাখা দৃশ্যটা ফুটায়াছে যে ছায়া ছায়া ঘন হইয়া আসে কাঁচাকলায়েৰ ডালেৰ মন সেই লতাটাৰ গন্ধ আৰও ঘন হয়। অপুৰ শৰীৰ যেন শিহৰিয়া উছে— এ গন্ধ তো শুধু গন্ধ নয় এই অপৰাহ্ন এই গন্ধেৰ সঙ্গে জড়ানো আছে মায়েৰ কত ৰাত্ৰেৰ আদৰেৰ ডাক দিদিৰ কত কথা বাবাৰ পদাৱলীৰ গনেৰ সুৰ।

বিভূতি ৰচনাৱলী দ্বিতীয় খণ্ড পৃ ২৫৪

২৮। ঐ সন্ধ্যাসূৰ্যৰ ৰক্তাচ্ছটা নিস্তাৰিণীৰ বুদ্ধিপ্ৰোজ্জল কৌতুক দৃষ্টি তিলুৰ সপ্ৰেম চাহনি এই কবিচেলেৰ নীল শিশুনযন সবই সেই ৰহস্যৰ অংশ। কাৰ ৰহস্য সেই মহাৰহস্যমযেৰ গহন গভীৰ শিল্পৰহস্য।

বিভূতি ৰচনাৱলী নৱম খণ্ড পৃ ১৫২

২৯। বিভূতি ৰচনাৱলী ষষ্ঠ খণ্ড পৃ ৫১৯

৩০। 'ৰাত্ৰি গভীৰ হয় চাতিম ফুলেৰ উগ্ৰ সুবাসে হেমন্তৰ আঁচলগা শিশিৰাত্ৰ নৈশ বায়ু ভৰিয়া যায়। মধ্যেৰাত্ৰে বেণু শীৰ্ষে কৃষ্ণপক্ষেৰ চাঁদেৰ ম্লান জ্যোৎস্না উঠিয়া শিশিৰসিক্ত গাছপালায় চালে পাতে চিকচিক কৰে।

বিভূতি ৰচনাৱলী প্ৰথম খণ্ড পৃ ৭৪

৩১। সেদিন পূৰ্ণিমা কি চতুৰ্দ্দশী এমনি একটা তিথি। সে এদিকে আৰ কখনো আসে নাই কিন্তু বাল্যেৰ এ কথা প্ৰথম বিদেশ গমন সম্পৰ্কিত একটা ছবি অনেক দিন পৰ্যন্ত তাহাৰ মনে ছিল। সোজা মাঠেৰ পথে দূৰ প্ৰাণে গাছপালাৰ ফাঁকে পূৰ্ণচন্দ্ৰ উঠিতেছে— পিছনে পিছনে অলপ দিনেৰ পৰিচিতা অবোধ ঝাঁকডাচুল ছোট একটি মেযে তাহাকে আগাইয়া দিতে আসিযাছে।

বিভূতি ৰচনাৱলী প্ৰথম খণ্ড পৃ ১৩৬ ১৩৭

৩২। বিভূতি ৰচনাৱলী প্ৰথম খণ্ড পৃ ১৪২

৩৩। 'ৰাত জাগা পাখীপুটা একেযেয়ে ডাকিতেছিল। বাহিৰেৰ জ্যোৎস্না ক্ৰমে ক্ৰমে ম্লান

হইয়া আসিতেছে। এক হিসেবে এই ৰাত্রি তাহাৰ কাছে বড় ৰহস্যময় ঠেকিয়েছিল।

বিভূতি ৰচনাৱলী প্ৰথম খণ্ড পৃ ১৪

৩৪। জ্যোৎস্না অপূর্ব ভয় হয় না— কেমন একটা আনন্দ— আকাশটা পুৰাতন আকাশটা যেন স্নেহে প্ৰেমে জ্যোৎস্না হইয়া গলিয়া ঝৰিয়া বিন্দুতে বিন্দুতে নিজেকে নি-শেষ কৰিযা দিতেছে— বুঝি মৃত্যু আসিয়াছে।

বিভূতি ৰচনাৱলী দ্বিতীয় খণ্ড পৃ ১০২

৩৫। বিভূতি ৰচনাৱলী দ্বিতীয় খণ্ড পৃ ১৮৪

৩৬। 'দৰজা খুলিযা বাহিৰে আসিয়া দড়াইলাম। কেহ কোথাও নাই। সিপাহিৰা সাৰাদিন আমোদ প্ৰমোদৰ পৰে ক্লান্তদেহে ঘুমাইয়া পৰিয়াছে। নিশব্দ অৰণ্যভূমি নিস্তব্ধ জনহীন নিশীথৰাত্রি। সে জ্যোৎস্নাৰাত্রিৰ বর্ণনা নাই। কখনো সে ৰকম ছায়াবিহীন জ্যোৎস্না দেখি না— শীতেৰ ৰৌদ্রে অর্ধশুস্ক বাঁশবনে জ্যোৎস্না পৰিয়া এমন এক অপার্থিব সৌন্দর্য্য সৃষ্টি কৰিযাছে।

বিভূতি ৰচনাৱলী পঞ্চম খণ্ড পৃ ১৫

৩৭। 'ছায়াহীন ধু ধু জ্যোৎস্নাভৰা ৰাত্রিৰ ৰূপ। তাৰ সৌন্দর্য্য পাগল হইতে হয। একটুও বঢাইয়া বলিতেছি না— আমাৰ মনে হয় দুর্বলচিত্তৰ মানুষ যাহৰা তাহাদেৰ পক্ষে সে ৰূপ না দেখাই ভাল। সর্বনাশী ৰূপ সে সকলেৰ পক্ষে তাল সামলানো বৰ কঠিন।

বিভূতি ৰচনাৱলী ষষ্ঠ খণ্ড পৃ ৫৯

৩৮। বিভূতি ৰচনাৱলী ষষ্ঠ খণ্ড পৃ ৫০

৩৯। বিভূতি ৰচনাৱলী তৃতীয় খণ্ড পৃ ১১৩

৪০। বিভূতি ৰচনাৱলী নৱম খণ্ড পৃ ২

৪১। জ্যোৎস্না বাকা ভাবে এসে সুন্দৰী তিলুৰ সমস্ত দেহে পৰেছে। বয়স ত্রিশ হ'লেও— ও যেন উদ্ভিন্নযৌৱনা কিশোৰী হয়ে গিযেছে।

বিভূতি ৰচনাৱলী নৱম খণ্ড পৃ ৩১

৪২। বিভূতি ৰচনাৱলী তৃতীয় খণ্ড পৃ ৯

৪৩। 'কাঞ্চনজংঘাকে ভালাবাসি সে যে আমাদেৰ চেলেবেলা থেকে সাথী এই বাৰটি পর্বত-প্রাচীৰ ওক পাইনেৰ বন শেওলা ঝর্ণা পাহাৰী নদী মেঘ ৰোদ-কুয়াশাৰ খেলা— এৰাই মধ্যে আমৰা জন্মেছি— এদেৰ সঙ্গে আমাদেৰ বত্রিশ নাডীৰ যোগ।

বিভূতি ৰচনাৱলী তৃতীয় খণ্ড পৃ° ১৮

৪৪। 'সৰস্বতী কুণ্ডা সেখানে ঠুংৰী সুমিষ্ট সুৰেৰে মধুৰ ও কোমল বিলাসিতায মনকে আদ্র আৰু স্বপ্নময কৰিয়া তোলে। স্তব্ধ দুপৰে ফাল্গুন চৈত্র মাসে এখানে তীৰে তৰুৰ ছায়ায় বিসয়া পাখীৰ কুজন শুনিতে শুনিতে মন কত দূৰে কোঠায চলিয়া ডাইত বন্য নিমগাছেৰ সুগন্ধ নিমফুলেৰ সুবাস চডাইতা বাতাসে জলে জলজ লিলিৰ দল ফুটিত।

বিভূতি ৰচনাৱলী পঞ্চম খণ্ড পৃ ৬৪

৪৫। ওখানে ৰাত্রে হুৰী পৰীয়া নামে। জ্যোৎস্নাৰাত্রে তাৰা কাপড খুলে ডাঙায় পাথৰেৰ ওপৰ ৰেখে জলে নামে। সে সময় যে তাদেৰ দেখতে পায় তাকে ভুলিয়া জলে

নামিয়ে ডুবিয়ে মাৰে। জ্যোৎস্নাৰ মধ্যে দেখা যায়— মাঝে মাঝে পৰীজ্ৰেৰ মুখ জলেৰ ওপৰ পদ্মফুলেৰ মত জেগে আছে।

বিভূতি ৰচনাৱলী পঞ্চম খণ্ড পৃ ৬৬

৪৬। ডেকা-হাজৰিকা ড কৰবী সাহিত্যৰ চিন্তা ছায়া পৃ ১৪৩

৪৭। দ্ৰষ্টব্য — 'হবৈ সুকুমাৰ মহা ৰূপ মনোহৰ।
হৰিভক্তি কৰৈ যেন লোকক সুন্দৰ।।
ছয়া নদী সব সমে সঙ্গম সাগৰ।
কৰিল কল্লোল মহা উৰ্মি ভয়ংকৰ।।

দশম।

৪৮। কীৰ্ত্তনঘোষা আৰু নামঘোষা পৃ ১৯৮

৪৯। স্বপ্ন দুঃস্বপ্ন আৰু কিছু কথা পৃ ৩৭

৫০। 'ইয়াত বৰষুণ দিয়ে
আকাশৰ পৰা মুকুতাৰ দৰে ডোখৰ ডোখৰ
চেচা পানী সৰি আছে।
উ বৰ তৃপ্তি
গছৰ সেউজীয়া পাতত বৰষুণ পৰে
গা-ধুই উঠা গাভৰুৰ চুলিৰ আগেদি
বাগৰি অহাৰ দৰে
টোপাটোপে জৰজৰকৰে পানীৰ মুকুতাবোৰ
বাগৰি আহে
কিযে অপৰূপ।

মালিক ৰচনাৱলী দ্বিতীয় খণ্ড পৃ ৩৪৪

৫১। মোৰ জীৱনৰ আগে পাছে, সৌৰে-বাঁৰে পৃ ৮

৫২। কোনেও কাঢ়ি নিব নোৱাৰে
এইখন মোৰ পৃথিৱীক
এইখন মোৰ ঘৰ
এইয়া মোৰ মাটি
এইজনী মোৰ আই
এইখনি মোৰ গাঁও যাৰ নাম নাহৰণি।

স্বপ্ন-দুঃস্বপ্ন আৰু কিছু কথা পৃ ৭

৫৩। বেজবৰুৱা গ্ৰন্থাৱলী পৃ ৫৫৩

৫৪। মাটিৰ চাকি পৃ ১১৪

৫৫। সূৰ্য্যমুখীৰ স্বপ্ন পৃ ৩

৫৬। সূৰ্য্যমুখীৰ স্বপ্ন পৃ ১০০

৫৭। পূৰ্বোক্ত গ্ৰন্থ পৃ ৪৯

৫৮। 'বহাগ আহিছে, বিহু হৈছে অকণ বৈ এপাক নাচি গ'লিহেঁতেন যদি তই আৰু যাবহে

জান। ক'ৰনো ৰঙামুৰা পৈযেৰটো বৈ আছে তোৰ কাৰণে। যা যা লোক এদিন নচুৰাব নোৱাৰিলো। খেদ বৈ গ'ল।

সুৰুযমুখীৰ স্বপ্ন পৃ ১৬৪

৫৯। বৰা ড মহেন্দ্ৰ সাহিত্য আৰু সাহিত্য পৃ° ১৭২

৬০। ৰূপাবৰিৰ পলস পৃ° ৪৯

৬১। 'ব্ৰহ্মপুত্ৰ কেতিয়া যে উপজিল কোনেও নেজানে। আছে, আছে আৰু আছেই। বাৰিষা হওক খৰালি হওক জাৰ হওক জহ হওক বৰহমপুতৰ আছেই। কেতিয়াৰ পৰা আছে কোনোবাই ক'ব পাৰে নেকি?

মালিক ৰচনাবলী প্ৰথম খণ্ড পৃ ৪০২

৬২। মৌজুৰিৰ পানীযে দেহ শাঁত কৰে। দুখ ভাগৰ পাহৰায়। হেজাৰ চিন্তা-ভাৱনা মনত লৈ আহি মৌজুৰিৰ পাৰত খন্তেক বহি গাত নৈপৰীয়া বতাহজাকে লগালে গা শাঁত পৰে মনৰ দুখ পাতলে।

মালিক ৰচনাবলী পৃ ৪০৯

৬৩। 'ব্ৰহ্মপুত্ৰৰ পানী আহি বৰনামঘৰৰ পিৰালি পাইহি। এবাতিমান তাতে থমকি মাৰি বৈ থাকে তাৰ পিছত নামঘৰৰ ভেটিৰ মাটি গাল মুখে সানি লৈ মণিকুট চুই সিংহাসনলৈ নিলগৰ পৰা সেৱা এটি জনাই আকৌ ঘূৰি যায়।

চৈ আ মা ৰচনাবলী প্ৰথম খণ্ড পৃ ৪৩৬

৬৪। বালিঘাটত পিতলৰ কহলবোৰ চিক্‌মিকায গাভৰুৰ হাঁহিবোৰ জিকমিকায় কিছুকিচীযা ক'লা চুলবোৰত পিছল তিৰবিৰণি উঠে।

চৈ আ মা ৰচনাবলী প্ৰথম খণ্ড পৃ ১৬৩

৬৫। লগৰ গভৰুহঁতৰ লগত যেতিয়া ৰাধাই নৈত সাঁতুৰি-নাদুৰি এপৰ বেলিলৈ গা ধুই থাকে তেতিয়া তাইৰ গাৰ শিৰাই শিৰাই তাইৰ জীৱনৰ কেঁচা উন্মাদনা উপলব্ধি কৰে। তাই হাঁহে— লগৰ ছোৱালীবোৰৰ লগত টনা আজোৰা কৰে দেহা দূৰ কৰা নৈৰ শীতল পানীলৈ খেলে।

প হা বা জে পা দ আৰু অগ্নিগৰ্ভা পৃ ১১৫

৬৬। ধন্য নৰ তনু ভাল পৃ ১৬৬

৬৭। 'বৰনৈখন বৈ আছে অবিৰাম। বাৰিষা খৰালিৰ মাজেদি ইযাৰ নিছিগা সোঁত। ইমুক্ত প্ৰশস্ত উদাৰ। ইতিহাসে ঢুকি নোপোৱা কোন সুদূৰ অতীতৰ হিমলয়ৰ এই পানী সোঁতাই বাট বিচাৰি লৈছিল সাগৰলৈ। তাৰ পৰা বৈ আছে, বৈয়েই আছে।

ধন্য নৰ তনু ভাল পৃ ৪৪৪

৬৮। ধন্য নৰ তনু ভাল পৃ ৬১

৬৯। এই প্ৰাচীনতা অৰণ্যৰ এক নিজস্ব সৌন্দৰ্য্য। মিহলি এক গোন্ধ ছাঁ আৰু পোহৰৰ ৰহস্যমধুৰ জিল্‌মিলনি এটা চিনাকি নিশ্বাস মাটিৰ ঘামৰ সেমেকা গোন্ধ আপুনি পকি সৰা কেঁচা ফলৰ গন্ধ এইবোৰ চিনাকি অৰণ্যক অচিনাকি কৰি তোলে। এই নিবিড়তা শাশ্বত।

শৰীলত একুৰা জুই, পৃ ৫২

৭০। শৰীলত একুৰা জুই, পৃ. ৫২
৭১। চৈ আ মা ৰচনাৱলী প্ৰথম খণ্ড পৃ ১২৭
৭২। চৈ আ মা ৰচনাৱলী প্ৰথম খণ্ড পৃ ১২৬
৭৩। 'নিয়ৰত তিতি থকা বনপাতবোৰ তাৰ বৰ আপোন যেন লাগিছিল। তাৰ প্ৰাণৰ কোনোবা এখিনিত আছিল অৰণ্যৰ প্ৰতি আদিম প্ৰীতি। হাবিৰ সেমেকা নিশ্বাসে তাক উন্মনা কৰি তুলিছিল।

সূৰুযমুখীৰ স্বপ্ন পৃ ১২৭

৭৪। 'ৰাতি শেষ হয় নতুন দিন আহে। পৃথিৱীৰ মুখ উজ্জ্বল হয়। আকাশখনে হাঁহে গছ পাত বন লতাবোৰে হাঁহে। হাবিৰ গছ-গছনিৰ ডালে পাতে পৰি চকু মুদি শুই থকা বনৰীয়া চৰাইবোৰে পাখি ডাঙি মাৰি কিৰিলিয়াই কাহিলী পুৱাৰ পোহৰবোৰ জগাই দিয়ে। ইমানবোৰ বনৰীয়া ঘৰচীয়া চিনাকি অচিনাকি চৰাই ৰাতিটো জানো ক'ত থাকে। আৰউ ৰাতিপুৱাল কি নৌ পুৱাল সিহঁতে পাখি ডাবি মাৰি চিঞৰি কিৰিলিযাই নিজৰ নিজৰ মাত কথাৰে নিজ নিজ গীত জুৰি বাহিৰ ওলাই আহে।

প্ৰেম অমৃতৰ নদী পৃ ১৬

৭৫। অন্য যুগ ভিন্ন তীৰ্থ পৃ ২
৭৬। অন্য যুগ ভিন্ন তীৰ্থ পৃ ২
৭৭। সেউজীয়া ধুৰলীয়া নীলা ধুঁৱলী-কুঁৱলী তাৰ সিপাৰে আকাশ। আকাশৰ বুকুত উঠি ফুৰা বগা-ক'লা মেঘ খৰালি মেঘ আহিন কাতিত মেঘ ফাগুন চ'ততো মেঘ। শেইটো মেঘৰ পৰ্বত সেইখন মেঘৰ দেশ।

ধন্য নৰ তনু ভাল পৃ ৮২

৭৮। 'নদীৰ পাৰে পাৰে অৰণ্যৰ ভিতৰে বাহিৰে আৰু পৰ্বতৰ বসবাসৰ উপযোগী অঞ্চলত ওপৰত নামনিত সৰু বৰ জনগোষ্ঠী।

ধন্য নৰ তনু ভাল পৃ ২২৬

৭৯। সূৰুযমুখীৰ স্বপ্ন পৃ ৪৭
৮০। পৃথৱীখন বগা জোনাকত উজ্জ্বল হৈ পৰিছে। গছ-গছনিবোৰৰ সেউজীয়া পাতত ৰূপালী জোনাকবোৰ তিৰবিৰা জিলিকিছে। নৈৰ কঁপি থকা পানীত চিল্‌মিলীয়া পোহৰৰ জিলমিলীয়া ৰূপালী ঢউ। গুলচে আন সকলো কথা পাহৰি গ'ল। বতাহজাকৰ বুকুত বহুত মিঠা কথাৰ গুণ্‌গুণনি জিৰজিৰ চিৰচিৰ গছৰ লিহিৰি পাতবোৰ কঁপিছে। নৈপৰীয়া বিৰিণা পাতবোৰত মিহি শব্দ হৈছে। মিট মিট মিৰ মিৰ মিঠা জোনাক মিঠা জোনাকৰ কঁপনি।

সূৰুযমুখীৰ স্বপ্ন পৃ ৪৮

৮১। 'মাজে মাজে ডাঙৰ ডাঙৰকৈ মাজে মাজে ফুচফুচাই সিহঁতে মৰমৰ দুআষাৰ সৰু কথা পাতে। জীৱনৰ অভাৱনীয় কাহিনীবোৰৰ কথা সোঁৱৰি ৰোমাঞ্চিত অনুভৱ কৰে। জোনাকবোৰ সিহঁতৰ মিঠা লাগে সিপৰীয়া বতাহজাক আপোন আপোন লাগে।

সূৰুযমুখীৰ স্বপ্ন, পৃ ১১৮

৮২। 'বাঁহী বজোৱা ডেকাটো কেনিবা গুচি গৈছে। বাঁহীৰ সুৰ নাই আছে সুৰৰ প্ৰতিধ্বনি।

জোনটো আগবাঢ়ি আহি আহি মাখনহঁতৰ মূৰৰ ওপৰত ৰৈছেহি। জোনত কলংক আছে, জোনাকত নাই।— শান্ত জোনাক আৰু ৰাতিৰ কোমল বতাহজাকে টোপনি যোৱা পৃথিৱীৰ কাণত মুখ ৰাখি কথা কয়। তাৰ অৰ্থ জীৱনৰ দৰে গভীৰ।

চৈ আ মালিক ৰচনাৱলী প্ৰথম খণ্ড পৃ ১৯২

৮৩। চৈ আ মা ৰচনাৱলী প্ৰথম খণ্ড পৃ ৪৭০

৮৪। জোনাকবোৰ আৰু বগা হৈ নামি আহিছে। কুঁৱলীবোৰে পৃথিৱীখন ঠেক কৰি পেলাইছে। মৌজুৰিৰ কজলা পানীত জোনাকৰ তিৰবিৰনি ৰূপহীৰ মনত লাগিল যেন গোটেই জীৱন তাই আদিৰ এই ৰাতিটোৰ কাৰণে বাটচাই আছিল।

চৈ আ মা ৰচনাৱলী প্ৰথম খণ্ড পৃ ৪৭১

৮৫। আধাৰশিলা পৃ ১০৪

৮৬। পুখুৰীৰ পানীত জোনটোৱে শান্তভাৱে নাচিছে। দূৰণিত কোনোবাই উকিয়াই উকিয়াই কিবা কৈছে। কোনোবা এজোপা গছত জিলি এটাই একেসুৰে চিঞৰি আছে। ঘাঁহ বনবোৰৰ পৰা এটা মিঠা গোন্ধ ওলাইছে। গোন্ধটো পাভৰ চুলিৰ লগত মিলি গৈছে। বহাগৰ উষ্ণতাসনা ৰাতিটো এক জোনালী ৰহস্যৰ মাজলৈ ক্ৰমে সোমাই গৈছে।

আধাৰশিলা পৃ ৩৫১

৮৭। অমৰ মায়া পৃ ৫

৮৮। 'সৰু খিড়িকীখনেদি জোনাকবোৰ ভিতৰলৈ সোমাই আহে। খিড়িকীৰ কাষতে থকা বগা বিচনাখনত খেলি মেলি ছবি আঁকে।

অমৰ মায়া পৃ ৫

৮৯। অমৰ মাযা পৃ ৩৪

৯০। অমৰ মাযা পৃ ৩৪

৯১। এতিযা জোনাকভৰা ৰাতিশেষত পৃথিৱীৰ সকলো ঘৰৰ সকলো কোঠাৰ দুৱাৰ খিড়িকী খুলি দিব পাৰি। মনৰ দুৱাৰবোৰ খুলি দিযা বুকুৰ মাজত জোনাকবোৰ সাৱটি লোৱা।

শৰীলত একুৰা জুই পৃ ৬২

৯২। পূৰ্বোক্ত গ্ৰন্থ পৃ ৬৩

৯৩। 'ৰাতিৰ আগমণত ৰজনীগন্ধাৰ পাহিবোৰ মেল খালে এটা এটাকৈ। আকাশৰ পৰা লাহে লাহে বাগৰি আহিল বগা জোনাকৰ ঢৌ। জোনাকক বুকুতলৈ আৰম্ভ হ'ল ৰজনীগন্ধাৰ নাচ। নাচোতে নাচোতে কেতিয়াবা ৰাতিৰ বুকুত ৰজনীগন্ধা লুকাই থাকে কেৱল জোনাক শুভ্ৰ বিমল জোনাক। কেতিযাবা আকৌ ৰজনীগন্ধাৰ বুকুত লুকাই পৰে ৰাতি থাকে কেৱল শুভ্ৰ ৰজনীগন্ধাৰে জোনাকসনা পাপৰিত নাচৰ ধবল ছন্দ।

পৰশমণি পৃ ৫৩

৯৪। মাটিৰ চাকি পৃ ১১৩

৯৫। 'বহুকালেৰ আগেৰ শৈশবে সেই শিউলিফুলেৰ তলায ওদিকাকাৰ ঘাসবনে যখন পাখী দোয়ল পাখী বসতো এই শীতেৰ দিনেৰ প্ৰথম প্ৰভাতে ৰাঙ্গা ৰৌদ্ৰে পিঠ পেতে বসে মায়েৰ হাতেৰ পিঠে খেতে যি অপূৰ্ভ কল্পনাজগতেৰ স্বপ্ন দেখেছি— আমাৰ কাঁশবনেৰ ভিটাৰ প্ৰতি ধূলিকণায় তাৰ লিখন আছে।

বিভূতি ৰচনাৱলী তৃতীয় খণ্ড পৃ ২৩৮ স্মৃতিৰ ৰেখা।

৯৬। আধুনিক অসমীয়া সাহিত্যৰ অভিলেখ পৃ ২

সম্পাদনা ড নগেন শইকীয়া।

৯৭। মাটিৰ চাকি পৃ ১১৪

৯৮। 'ভয়েৰ অনুভূতি চাৰিপাশেৰে সৌন্দর্য্যকে যেন আৰ ও বাড়াইয়া তুলিল। এক এক স্থানে পথ দক্ষিণ হইতে খাড়া উত্তৰে ও উত্তৰে হইতে পূবে ঘুৰিয়া গিয়াছে। পথেৰ খুব কাছে বাম দিকে সৰ্বত্ৰই একটানা অনুচ্চ শৈলমালা। তাদেৰ ঢালুতে গোলগোলি

বিভূতি ৰচনাবলী পৃ ৩৮

চতুৰ্থ অধ্যায়

বিভূতিভূষণ আৰু মালিকৰ উপন্যাসত গ্ৰাম্য জীৱন ঃ

গ্ৰাম্য জীৱন আৰু বাংলা উপন্যাস ঃ

সময়ৰ নিৰৱছিন্ন গতিৰ নিৰ্দেশত ইতিহাসৰ পটত এটাৰ পাছত এটাকৈ সভ্যতাৰ জন্ম হৈ অতীত হৈ যোৱা সকলো সভ্যতাৰ মূল কেন্দ্ৰস্থল হ'ল নগৰ। বিশাল অজগৰে খাদ্যবস্তু গ্ৰহণ কৰাৰ দৰে গাঁও বিলোপ হৈ তাৰ ঠাইত নগৰ গঢ়ি উঠিছে। এই বিলোপ শক্তি হ'ল সভ্যতা। সভ্যতা যিমানে আগবাঢ়ি যায় সিমানে আধুকিতাৰ ফালে গতি কৰে। বিজ্ঞানৰ যিমান উন্নতি হয় গাঁও সিমানেই চহৰৰ সোঁতত বিলীন হয। সভ্যতা যিমানেই প্ৰসাৰিত হয নগৰজীৱনে সিমানেই গ্ৰাম্য জীৱনক আকৰ্ষণ কৰে। গাঁৱৰ নিজস্ব সম্পদ পোৱাৰ কাৰণে নগৰবাসী সদায় ব্যাকুল হয।

প্ৰথম বিশ্বযুদ্ধৰ পিছৰ পৰাই বা ্লাৰ গ্ৰাম্য জীৱনতকৈ নগৰজীৱন অধিক উজ্জ্বল হৈ পৰিছে। দ্বিতীয় বিশ্বযুদ্ধই কলিকতা চহৰক বা ্লাদেশৰ হৃদপিণ্ড কৰি গঢ়ি তুলিলে। বাংলাৰ কথা সাহিত্যত সেযেহে চহৰজীৱনৰ অফুৰন্ত অভিনন্দন পোৱা যায। যুদ্ধ অভিশাপ বিজ্ঞানৰ জয়যাত্ৰা সভ্যতা আৰু মানুহৰ সামাজিক অৰ্থনৈতিক আৰু ৰাজনৈতিক জীৱনৰ দ্ৰুত পৰিৱৰ্তনে কবিতা নাটক বোলছবি ইত্যাদি শিল্পৰ সকলো দিশৰ নিচিনাকৈ কথা সাহিত্যকো আকৰ্ষণ কৰে। সেয়ে বা ্লা উপন্যাস সাহিত্যক নাগৰিক জীৱনে সহজে আকৰ্ষণ কৰে। চেপমেনে তেওঁৰ ৰচনাত নগৰজীৱনে আধুনিক লিখকক প্ৰভাৱান্বিত কৰাৰ কথা উল্লেখ কৰিছে।[১] কলিকতা মহানগৰৰ লগত বাংলাগাঁৱৰ নিবিড় সম্পৰ্ক। কিন্তু কলিকতাত থাকি বাংলাগাঁৱৰ ছবি আঁকা সম্ভৱ নহয়। সেযে যিসকল চহৰজীৱন সম্পৰ্কে অধিক কৌতূহলী আৰু নিবিষ্ট তেনে সাহিত্যিকে বহুত কথা-সাহিত্যতে গ্ৰাম্য জীৱন সম্পৰ্কে গভীৰ অনুৰাগ প্ৰকাশ কৰিছে। উপন্যাসত গ্ৰাম্য-জীৱনক প্ৰধান বিষযবস্তু কৰাৰ কা ৰণে যিমান লিখকৰ নিজস্ব বিশেষ প্ৰৱণতা আৰু অগ্ৰাধিকাৰ প্ৰকাশ পাইছে, তেনেকুৱা বহুত লেখকৰ ক্ষেত্ৰত নগৰজীৱনৰ বিৰূপ প্ৰতিক্ৰিযাৰ ফল হৈছে গ্ৰাম্য জীৱনকেন্দ্ৰিক উপন্যাস।

আদিস্তৰৰ বাংলা ঔপন্যাসিক বঙ্কিমচন্দ্ৰৰ উপন্যাসসমূহ মূলত ঐতিহাসিক আছিল যদিও তেখেতে গ্ৰাম্য সমাজজীৱনক বিষয়বস্তু হিচাপে লৈ কেইখনো ৰসোত্তীৰ্ণ উপন্যাস ৰচনা কৰিছিল। তাৰ ভিতৰত **বিষবৃক্ষ ইন্দিৰা ৰজনী** আৰু **কৃষ্ণকান্তেৰ উইল** লাভ কৰে। ৰবীন্দ্ৰনাথৰ হাততে বা ্লা ঐতিহাসিক উপন্যাসৰ তিৰোভাৱ ঘটে। ৰবীন্দ্ৰনাথৰ **নৌকাডুবি গোড়া শেষেৰ কবিতা যোগাযোগ** আৰু **চোখেৰ**

বালি উপন্যাসত বাংলা পাৰিবাৰিক সমাজজীৱনৰ চিত্ৰ আছে, ৰবীন্দ্ৰনাথৰ পিছত শৰৎচন্দ্ৰৰ সামাজিক সমস্যামূলক উপন্যাসসমূহত বংগদেশৰ গ্ৰাম্য সমাজে ভুমুকি মাৰিছে। আৰক্ষণীয় বামুনেৰ মেয়ে আৰু পল্লীসমাজ ইয়াৰ উজ্জ্বল দৃষ্টান্ত। শৰৎচন্দ্ৰৰ পিছত আশাপূৰ্ণা দেৱী প্ৰতিভা বসু, মহাশ্বেতা দেৱী মানিক বন্দোপাধ্যায় তাৰাশংকৰ বন্দোপাধ্যায় আদি বহু ঔপন্যাসিকৰ উপন্যাসত গ্ৰাম্য সমাজজীৱনৰ ছবি পোৱা যায়।

কেইবাজনো ঔপন্যাসিকে সচেতনভাৱেই দ্বিতীয় বিশ্বযুদ্ধৰ পিছতো গ্ৰাম্যজীৱনক বিষয়বস্তু হিচাপে লৈ উপন্যাস লিখিছে। তেওলোকৰ ভিতৰত বিভূতিভূষণ বন্দোপাধ্যায় অন্যতম। বিভূতিভূষণৰ মানস প্ৰৱণতাৰ কাৰণে গ্ৰাম্য জীৱনক বিষয়বস্তু হিচাপে গ্ৰহণ কৰা সহজ হৈছে। প্ৰথম উপন্যাস পথেৰ-পাঁচালীতে ঔপন্যাসিকে বাংলাৰ গ্ৰাম্য জীৱনৰ এক অনুপম ছবি আঁকি পাঠকৰ মন জয় কৰিছে। তেওৰ মতে প্ৰাকৃতিক সৌন্দৰ্য্য উপভোগ কৰিবৰ কাৰণে দূৰদেশলৈ যাব নালাগে। বাংলাৰ গাঁৱতেই প্ৰকৃতিৰ অনুপম সৌন্দৰ্য্য আছে। গাঁৱৰ জীৱনতো যে সকলোৰে চকুত প্ৰাকৃতিক সৌন্দৰ্য্যই ধৰা দিয়ে তেনে নহয়। তাৰ বাবে লাগে পথেৰ-পাঁচালী আৰু অপৰাজিতৰ নায়ক অপুৰ নিচিনা এটা কল্পনাপ্ৰৱণ সৌন্দৰ্য্যপ্ৰিয় মন। নাগৰিক জীৱনৰ কল্পনাৰ স্থবিৰতাৰ তুলনাত গাঁৱৰ" জীৱনত হয়তো কল্পনাৰ উদ্বোধন নহয। গাঁৱৰ প্ৰকৃতিয়ে মানুহক বেছিভাগ সময়তে এটা আবেগময় বাতাবৰণত আবদ্ধ কৰি ৰাখে। নগৰৰ মানুহক চিন্তাৰ আঘাতে কল্পনা বিকশিত হোৱাত বাধা দিয়ে। গাঁৱৰ সেউজীয়া প্ৰকৃতিৰ প্ৰভাৱ মানুহৰ মনৰ গহনত নিহিতহৈ থাকে। নাগৰিক দৃষ্টিত গাঁৱৰ মানুহৰ যি ঋজুতা আৰু সৰলতা গ্ৰাম্য বুলি ধাৰণা হয় তাৰ মূলতে আছে প্ৰকৃতিৰ প্ৰভাৱ।

গাঁৱৰ প্ৰতি আকৰ্ষণ বিভূতিভূষণৰ সংস্কাৰগত আছিল। নগৰৰ জীৱনৰ বিচিত্ৰ ৰূপে তেওৰ চকুত খন্তেকৰ কাৰণে মোহাৱেশ আনিছিল যদিও বাংলা গাঁৱে তেওৰ হৃদয় জয় কৰিছিল। ব্যক্তিগত জীৱনত এইকাৰণেই তেও নগৰৰ আকৰ্ষণ পৰিহাৰ কৰি গাঁৱত কটাইছিল। বাংলাৰ গাঁৱে যে সাহিত্যৰচনাত তেওক প্ৰেৰণা যোগাইছিল— তেওৰ সাহিত্যৰ মাজেদিয়ে তাৰ পৰিচয় পোৱা যায়। কেৱল সেয়ে নহয় গ্ৰাম্য প্ৰকৃতিৰ উন্মুক্ত কোলাত বিভূতিভূষণৰ প্ৰতিভাৰ আত্মবিকাশে উপযুক্ত পৰিসৰ লাভ কৰিছিল। তেও আজন্ম গাঁওপ্ৰেমিক। তেও গাঁৱৰ সন্তান। জীৱিকাৰ প্ৰয়োজনত চহৰত বাস কৰিলেও গাঁৱেই আছিল তেওঁৰ অতিকৈ প্ৰিয় ঠাই। তেওৰ বেশ ভূষাও উদাসীন আছিল আৰু চহৰৰ কৃত্ৰিম ৰীতি-নীতিক অৱজ্ঞাৰ চকুৰে চাইছিল। তেও অকল গাঁৱক ভালপোৱাই নহয় গ্ৰাম্য প্ৰকৃতিৰ সৌদৰ্য্য তেও গভীৰ অন্তৰংগতাৰে উপভোগ কৰে। দিনলিপি উৎকৰ্ণত তেও লিখিছে— গ্ৰামেৰ জীৱন ইছামতীৰ ঘোলাজল মটৰলতাৰ দুলুনি কতকাল ভোগ কৰি নি। এবাৰ গাৰ্হস্থ্য জীৱন যাপন কৰবাৰ বৰ আগ্ৰহ হয়েছে।[২] বিভূতিভূষণৰ অন্তৰ্জগতত জন্মভূমি ব্যাৰাকপুৰ আৰু তাৰ কাষেদি বৈ যোৱা ইছামতী নদীৰ সম্পৰ্ক গভীৰ। সাধাৰণ দৰিদ্ৰঘৰত বিভূতিভূষণে জন্মলাভ

কৰিছিল আৰু গাঁৱৰ মাজত স্বচ্ছন্দে ঘূৰি ফুৰিছিল। অপুৰ শৈশৱত গ্ৰাম্য প্ৰকৃতিৰ সৌন্দৰ্য্যৰ প্ৰতি যি বিমুগ্ধ কৌতুহল ফুটি উঠিছিল সি বিভূতিভূষণৰ নিজৰ কৌতূহলপূৰ্ণ প্ৰকৃতিৰ লগত একে। বিভূতিভূষণৰ দৃষ্টিত গাঁও কেৱল প্ৰাকৃতিক সৌন্দৰ্য্যৰ লীলাভূমি নহয় গাঁও বুলিলে তেওঁ দেশৰ হৃদয়স্থলকে বুজাইছিল। তেওঁৰ মতে গাঁৱৰ ধূলিকণাৰ লগত দেশৰ প্ৰাণ এনেদৰে জড়িতহৈ আছে যে গাঁও ধ্বংস হ'লে দেশৰ চিৰন্তন ঐতিহ্য নষ্ট হোৱাৰ আশংকা আছে। সেয়ে উপন্যাসৰ মাজেদি তেও বংগৰ গ্ৰাম্য জনসাধাৰণৰ অন্তৰ্নিহিত অৱচেতন শক্তি প্ৰকাশ কৰিবলৈ বিচাৰিছিল। বিভূতিভূষণৰ অগ্ৰজ ঔপন্যাসিক শৰৎচন্দ্ৰয়ো গ্ৰাম্য জীৱনক বিষয়বস্তু হিচাপে লৈ উপন্যাস লিখিছিল। কিন্তু শৰৎচন্দ্ৰৰ উপন্যাসত গ্ৰাম্য জীৱনচিত্ৰইহে বিশেষ প্ৰাধান্য লাভ কৰিছিল। বিভূতিভূষণে তেওৰ উপন্যাসত গ্ৰাম্য প্ৰকৃতিৰ সৌন্দৰ্য্য ৰচনাত বিশেষ প্ৰাধান্য দিছিল।

বিভূতিভূষণ সমসাময়িক সকলো ঔপন্যাসিকতকৈ নিৰ্জনতাপ্ৰিয় ঔপন্যাসিক। নিৰ্জনতা শব্দটো বাংলা কবি জীৱনানন্দৰ লগত জড়িত। বিভূতিভূষণৰ সমসাময়িক ঔপন্যাসিকসকলে যেতিয়া জীৱনৰ কোলাহলমুখৰ পটভূমিত উপন্যাস ৰচনাত মনোযোগ দিছিল সেই সময়তে বিভূতিভূষণে গ্ৰাম্য নিৰ্জনতাত বিচৰণ কৰি উপন্যাস ৰচনা কৰিছিল নিৰ্জন গ্ৰাম্য পটভূমিত। জীৱনানন্দ ৰোমাণ্টিক কবি নিৰ্জনতা তেওঁৰ কাৰণে স্বাভাৱিক কাৰণ বেছিভাগ ৰোমাণ্টিক কবিয়েই নিৰ্জনতাপ্ৰিয়। নিৰ্জন কথা-সাহিত্যিক কদাচিৎহে লগ পোৱা যায়। বিভূতিভূষণে গাঁওবাংলাক দেহ মনেৰে গ্ৰহণ কৰিছিল। এই গাঁওপ্ৰীতিৰ মাজেৰেই তেওঁৰ দেশপ্ৰেম প্ৰকাশ পাইছে। তেওঁৰ গাঁওপ্ৰেম অনুভূতিৰেসজীৱ। বাংলা গাঁৱৰ গছ, লতা পাত কেঁচা মাটিৰ গোন্ধ একোৱেই তেওঁৰ বাবে অবাস্তৱ নহয়। গাঁওবাংলাৰ ধূলি-বালিত লেটি লৈ তেওঁ তৃপ্তি পায়। তেওৰ উপন্যাসৰ পাতত সেই ধূলি-মাটিৰ গোন্ধ লাগি আছে। দেশৰ মাটি আৰু মানুহৰ প্ৰতি প্ৰীতি আছে কাৰণেই বিভূতিভূষণ দেশপ্ৰেমিক। মানুহৰ জটিলতা লোভ-মোহ নিৰ্দয়তাৰ প্ৰতি তেওঁৰ আছিল আন্তৰিক বিৰাগ। তেওঁ ভালপায় গ্ৰামীণ আৰু অৰণ্যনিবাসী সহজ-সৰল মানুহক। যিবিলাকৰ মন প্ৰকৃতিমুখী, অজটিল আৰু অকৃত্ৰিম।

বিভূতিভূষণৰ গ্ৰাম্য-জীৱনকেন্দ্ৰিক উপন্যাস :

বিভূতিভূষণৰ প্ৰথম উপন্যাস **পথেৰ-পাঁচালীৰ** পটভূমি বাংলাৰ গ্ৰাম্য-জীৱন। উপন্যাসখনৰ নায়ক অপু। অপুৰ জন্ম নিশ্চিন্দিপুৰ গাঁৱত। গাঁৱৰ প্ৰকৃতিৰ কোলাত উমলি-জামলি ইছামতী নদীত সাঁতুৰি-নাদুৰি অপুৱে পাৰ কৰিছিল তাৰ শৈশৱ। শৈশৱত অপুৰ পথ-প্ৰদৰ্শক দুৰ্গা। **পথেৰ-পাঁচালীৰ** কাহিনীভাগ গাঁৱৰ অতি সাধাৰণ মানুহৰ। হৰিহৰৰ দৰিদ্ৰ ব্ৰাহ্মণ পৰিয়াল। পত্নী সৰ্বজয়া কন্যা দুৰ্গা আৰু পুত্ৰ অপুৰে নিশ্চিন্দিপুৰৰ শান্ত গ্ৰাম্য পৰিৱেশত হৰিহৰে কায়ক্লেশে সংসাৰজীৱন নিৰ্বাহ কৰিছে। উপন্যাসৰ সকলো ঘটনা আৰু চৰিত্ৰ পোহৰলৈ অনা হৈছে অপু আৰু দুৰ্গাৰ বিমুগ্ধ দৃষ্টিৰ যোগেদি। গ্ৰাম্য সৰলতাই **পথেৰ-পাঁচালীৰ** প্ৰধান বৈশিষ্ট্য। উপন্যাসৰ আৰম্ভণিতে

ইন্দিৰ ঠাকৰুণৰ জীৱনৰে শেষ অধ্যায়ৰ বৰ্ণনা আছে। অপু-দুৰ্গাই পেহীয়েকৰ ইন্দিৰৰ পুৰণি দিনৰ কাহিনী শুনি ভাল পায় কিন্তু হৰিহৰৰ পৰিয়াল ইমান দৰিদ্ৰ যে দূৰ সম্পৰ্কীয় পেহীয়েক ইন্দিৰৰ খোৱা-বোৱাৰ যোগান ধৰিবলৈ সক্ষম নহয়। গতিকে ঘৰৰ পৰা ওলাই গৈ পথত পৰি ইন্দিৰৰ করুণভাৱে মৃত্যু হয়। গাঁৱৰ সাধাৰণ মানুহৰ সাধাৰণ জীৱনতে বিভূতিভূষণে **পথেৰ-পাঁচালী**ত অনুভূতিৰ গভীৰতাৰে উপস্থাপন কৰিছে।

অপৰাজিতৰ নায়ক অপু গাঁৱৰ পৰিৱেশৰ পৰা ওলাই আহি কলিকতা চহৰৰ কলেজত পঢ়িছে আৰু নগৰতে চাকৰি কৰি আছে। কলিকতা মহানগৰৰ কোলাহল মুখৰ পৰিৱেশত তাৰ বাৰে বাৰে মনত পৰে নিশ্চিন্দিপুৰ গাঁৱলৈ। **অপৰাজিত**ৰ প্ৰথম অংশ কলিকতা নগৰকেন্দ্ৰিক হ'লেও উপন্যাসৰ শেষত অপু শিশুপুতৰ কাজলক লৈ পুনৰ নিশ্চিন্দিপুৰ গাঁৱলৈ ঘূৰি গৈছে। **অপৰাজিত**ৰ নায়ক অপুৰ গাঁওপ্ৰীতি উপন্যাসখনত জীৱন্তভাৱে প্ৰকাশ পাইছে।

আৰণ্যক উপন্যাসত অৰণ্যপ্ৰকৃতিৰ সৌন্দৰ্য্য বৰ্ণনাৰ লগতে অৰণ্য সংলগ্ন গ্ৰাম্য সৰলতাৰে সৰল মানুহৰ ছবি বিভূতিভূষণে শিল্পসম্মতভাৱে উপস্থাপন কৰিছে।

দৃষ্টিপ্ৰদীপ উপন্যাসৰ পটভূমি দাৰ্জিলিঙৰ চাহ বাগিচাৰ জীৱন হ'লেও উপন্যাসখনত বাংলাৰ এখন ভিতৰুৱা গাঁৱৰ ছবি আছে। নায়ক জিতুৰ দেউতাকৰ বাগানৰ চাকৰি যোৱাত দশঘৰা গাঁৱৰ বৰদেউতাকৰ ঘৰত সপৰিয়ালে থাকিবলৈ লয়। দশঘৰা গাঁৱৰ বৰমাকৰ আভিজাত্যৰ গৌৰৱ আৰু অন্ধ-কুসংস্কাৰ জিতুৰ মাকৰ গ্ৰাম্য নম্ৰতা আৰু বটতলাৰ মেলাত অশিক্ষিত নিমচাঁদৰ মূঢ় ভক্তি বিহ্বলতাৰ বৰ্ণনাৰে উপন্যাসখনৰ সৰহঠাই আগুৰি আছে। উপন্যাসখন গাঁও আৰু নগৰ জীৱনৰ বৈচিত্ৰপূৰ্ণ বৰ্ণনাৰ সমাহাৰ।

আদৰ্শ হিন্দু হোটেল উপন্যাসত বিভূতিভূষণে হোটেল পৰিচালনাৰ ব্যৱসাযবুদ্ধিৰ এক উপভোগ্য চিত্ৰ দাঙি ধৰিছে। উপন্যাসখনত আধুনিক যুগৰ সমস্যাবহুল নাগৰিক জীৱনযাত্ৰাৰ বিপৰীতে গ্ৰাম্য সমস্যামুক্ত জীৱনৰ প্ৰতি আকৰ্ষণ প্ৰকাশ পাইছে।

অনুবৰ্ত্তন উপন্যাসৰ পটভূমি কলিকতা মহানগৰৰ শিক্ষকজীৱন যদিও উপন্যাসৰ প্ৰতিটো চৰিত্ৰই বাংলাৰ কোনো কেনো গাঁৱৰ পৰা অহা আৰু সেই সেই গাঁৱৰ জীৱন-পদ্ধতিয়ে উপন্যাসৰ সৰহ ঠাই অধিকাৰ কৰিছে।

বিপিনেৰ সংসাৰ উপন্যাসৰ নায়ক বিপিন এখন গাঁৱৰ ল'ৰা। গাঁৱৰ ধনী জমিদাৰৰ নায়েব বিপিনৰ আৰ্থিক দুৰৱস্থাৰ বিপৰীতে জমিদাৰৰ আৰ্থিক স্বাচ্ছন্দ্যৰ চিত্ৰ উপন্যাসখনত আছে।

দেৱযান উপন্যাসৰ পটভূমি মৃত্যুৰ পৰপাৰৰ অলৌকিক জীৱন যদিও উপন্যাসখনত নায়ক যতীন আৰু পত্নী আশালতাৰ গাঁৱৰ বৈবাহিক জীৱনৰ বহু কথা নায়ক যতীনৰ যোগেদি উপন্যাসখনত বৰ্ণনা কৰা হৈছে।

দম্পতি উপন্যাসৰ নায়ক চুয়াভাঙাৰ ওচৰৰ উত্তৰপাৰা গাঁও নিবাসী গদাধৰ বসু। ঠিকাদাৰ কৰি গাঁৱত তেওঁ ভাল উপাৰ্জন কৰিছিল। বিশ্বাসী কৰ্মচাৰী ভৱমণাই আৰু পত্নী অনঙ্গৰ সৈতে গদাধৰৰ অভাৱমুক্ত জীৱন। গাঁৱৰ নিষ্কৰ্মা যুৱক নিৰ্মলৰ প্ৰৰোচনাত এদিন গদাধৰ নগৰলৈ গৈ কেনেকৈ বিপথে পৰিচালিত হ'ল— তাৰ বিৱৰণ উপন্যাসখনত আছে।

কেদাৰ-ৰাজা উপন্যাসৰ কাহিনী প্ৰাচীন এক ৰাজবংশৰ উত্তৰাধিকাৰী কেদাৰক লৈ ৰচিত। কেদাৰ ৰাজবংশৰ সন্তান। পিতৃপুৰুষৰ ৰাজঅট্টালিকাৰ ভগ্নাৱশেষৰ মাজত বিধৱা কন্যা শৰতক লৈ কেদাৰ গড়শিৱপুৰত থাকে। বৰ্ত্তমান দৰিদ্ৰ হ'লেও গাঁৱৰ লোকে তেওঁক সন্মান কৰে। উপন্যাসৰ পিছৰছোৱা কাহিনী কেদাৰৰ বিধৱা কন্যা শৰতক লৈ গাঁৱৰ পৰা কলিকতালৈ যোৱা কলিকতা নিবাসী প্ৰভাসৰ অসৎ প্ৰেম চৰিতাৰ্থ কৰাৰ চেষ্টা আৰু কলিকতাৰ পতিতাগৃহৰ বৰ্ণনাই উপন্যাসখনৰ সৰহ ঠাই আগুৰি আছে। গ্ৰাম্য কন্যা শৰলতা আৰু গড়শিৱপুৰৰ অশৰীৰী দেৱতাই তাইক-কলিকতীয়া ডেকাৰ কামুক প্ৰবৃত্তিৰ পৰা ৰক্ষা ঘটনাই উপন্যাসখন উপভোগ্য কৰি তুলিছে।

অথৈজল উপন্যাসৰ কাহিনীৰ পটভূমি বাংলাৰ এখন ভিতৰুৱা গাঁও। উপন্যাসৰ নায়ক শশাংক কাহিনীৰ বক্তা। গাঁৱৰ চিকিৎসক হিচাপে নতুনকৈ যোগদান কৰি পত্নী সন্তানেৰে সৈতে সি গাঁৱত বাস কৰে। গাঁৱৰ সমাজত তাৰ যথেষ্ট প্ৰতিপত্তি আছে। সি গাঁৱৰ বিবাদত মুখ্য বিচাৰকৰ ভূমিকা পালন কৰে। গাঁৱৰ মানুহক সি নীতিশিক্ষা প্ৰদান কৰে। কিন্তু এনে এজন নীতিবাগীশ সমাজ শাসক এদিন নিজেই অবৈধ প্ৰেমত মত্ত হ'ল। পান্না নামৰ এজনী খেমতাৱালী নৰ্ত্তকীৰ প্ৰেমত পৰি সি পত্নী-সন্তানক এৰি নৰ্ত্তকীৰ লগত নগৰত থাকিবলৈ লৈছে।

অশনি-সংকেত উপন্যাসৰ পটভূমি এখন বাংলাৰ ভিতৰুৱা গাঁও। নায়ক গংগাচৰণ ককায়েকৰ লগত বিবাদ লাগি হৰিহৰপুৰ গাঁৱৰ পৰা আহি গোৱালাপাড়া গাঁৱৰ এক প্ৰান্তত পত্নী অনঙ্গৰ সৈতে বাস কৰিছে। পুৰোহিতগিৰি কৰি আৰু কেইজনমান ছাত্ৰৰ এখন পাঠশালা খুলি গংগাচৰণে গোৱালাপাড়া গাঁৱত স্বচ্ছন্দ জীৱন যাপন কৰিছে। দ্বিতীয় বিশ্বযুদ্ধৰ খাদ্য অনাটনে এই ভিতৰুৱা গাঁওখনো কেনেকৈ কোবাই গ'ল উপন্যাসখনত তাৰ বৰ্ণনা আছে।

বিভূতিভূষণৰ উপন্যাসত গ্ৰাম্য নাৰী-পুৰুষৰ প্ৰেম ঃ

সাহিত্যৰ অন্যতম মুখ্য বিষয়বস্তু প্ৰেমে বিভূতিভূষণৰ উপন্যাসথ বিশেষ প্ৰাধান্য পোৱা নাই। প্ৰেমৰ ৰহস্য উন্মোচনত তেওঁৰ উৎসাহ কম। তেওঁৰ উপন্যাসত প্ৰেমৰ আলোকেৰে গৃহশ্ৰী শান্ত। সেই আলোকৰ পৰিধি সৰু প্ৰকৃতিস্নিগ্ধ। তেওঁৰ উপন্যাসত প্ৰেম ইমানেই উত্তাপহীন যে জোনৰ পোহৰত দৰে ইয়াৰ উত্তাপ স্নিগ্ধ। সেই স্নিগ্ধ উত্তাপে কল্পলোকত ভাবুকতা আনে জুইৰ শিখা সৃষ্টি কৰিব নোৱাৰে।

উত্তেজনা বা উন্মাদনা তেওঁৰ প্ৰেমৰ জগতৰ পৰা নিৰ্বাসিত। বিভূতিভূষণৰ প্ৰেম ইছামতী নদীৰ সোঁতৰ দৰেই স্তিমিত আৰু তৰঙ্গহীন। সেই প্ৰেমৰ সৰ্বনাশী ৰূপ নাই। সেই প্ৰেমে নদীয়ে পাৰ নেভাঙে পাৰত শস্য-শ্যামল উপত্যকাৰ সৃষ্টি কৰি। সেউজীয়া কৰি ৰাখে। তেওঁৰ প্ৰেম প্ৰৱল নহয় কোমল। তেও প্ৰেমৰ কঠোৰ শক্তি নেদেখে তেওৰ সাহিত্যত প্ৰেম পৰম শান্তি। বিভূতিভূষণৰ উপন্যাসত দাম্পত্যপ্ৰেমৰ অন্তৰালত বাৎসল্য প্ৰেম অন্তঃস্ৰোতৰ দৰে বৈ আছে।

বিভূতিভূষণৰ সাহিত্যত ক'তো নায়ক-নায়িকাৰ প্ৰেমৰ ক্ষেত্ৰত অযুক্তিকতা নাই। তেওৰ প্ৰেম ভীৰু ধীৰ খোজেৰে গতি কৰা গ্ৰাম্য নাৰীৰ নিচিনা লাজুক। সমাজৰ বন্ধন তেওঁৰ প্ৰেমে মানি চলে। প্ৰেম সম্পৰ্কে বিভূতিভূষণৰ নিজস্ব দৃষ্টিভংগী আছিল। এই দৃষ্টিভংগীৰে তেওঁ প্ৰেমৰ ক্ষেত্ৰত নিজস্ব এটা দৰ্শনৰ সূচনা কৰিছিল। এই দৰ্শনৰ মূলতে আছিল ভাৰতীয় আদৰ্শ ঐতিহ্য আৰু ভাৰতীয় জীৱনবোধৰ ধাৰা। ভাৰতীয় জীৱন দৰ্শনজাত কাৰণেই তেওঁৰ প্ৰেম কল্যাণদায়ক। ভাৰতীয় নৰ-নাৰীৰ প্ৰেম আমি প্ৰাচীন ভাৰতীয় সাহিত্যত যিদৰে দেখিছো বিভূতিভূষণেও সেইদৰে প্ৰেমক গ্ৰহণ কৰিছেঁ ভাৰতীয় সাহিত্যৰ ঐতিহ্যৰ পৰা।

ভাৰতীয় সাহিত্যৰ প্ৰাচীনতম প্ৰেম কাহিনী বোধহয় উৰ্বশী-পৰুৰবাৰ প্ৰেম কাহিনী। ঋগ্বেদত এই কাহিনী আছে। উৰ্বশী স্বৰ্গৰ অপ্সৰা। ঋষিৰ শাপত স্বৰ্গভ্ৰষ্ট হৈ পৃথিৱীলৈ অহা উৰ্বশীয়ে প্ৰেমত পৰিল ৰাজকোঁৱৰ পুৰুৰৱা। উৰ্বশীয়ে পুৰুৰৱাক এৰিথৈ যাব এইকথা জনাৰ পিছতো উৰ্বশীৰ অন্তৰ্ধ্যানত পুৰুৰৱাৰ মন হাহাকাৰ কৰি উঠিছে। সেই হাহাকাৰৰ আকুতি পুৰুৰৱাৰ হৃদয়জাত। পুৰুৰৱা প্ৰেমৰ আকুতিৰ মাজত ৰূপ আৰু দেহৰ কাৰণে হাহাকাৰ আছে, কিন্তু সেয়া একমাত্ৰ সম্ভোগগত নহয়। তাৰমাজত পৰিশুদ্ধ প্ৰেমৰ বাণীও আছে। ৰামায়ণৰ ৰামৰ কাৰণে সীতাৰ অবিহনে জীয়াই থকা সম্ভৱ নহয় সীতাক হেৰুৱাই ৰামৰ অন্তৰ ব্যাকুল হৈছে। কিন্তু প্ৰজাৰ মঙ্গলৰ কাৰণে ৰামে সীতাকো ত্যাগ কৰিছে। বিশ্বসাহিত্যত প্ৰজা আৰু ৰাষ্ট্ৰৰ মঙ্গলৰ কাৰণে প্ৰেমক এইদৰে ত্যাগ কৰাৰ কাহিনী বিৰল। কালিদাসৰ প্ৰেম কাহিনীতো ভোগৰ মাজেদি ত্যাগ কৰাৰ আদৰ্শ আছে। বিভূতিভূিষণৰ উপন্যাসৰ প্ৰেম কাহিনীত এইবিলাক প্ৰাচীন কাহিনীৰ প্ৰেৰণা লক্ষ্য কৰিব পাৰি। সেয়ে বিভূতিভূষণৰ উপন্যাসত প্ৰেম সমাজৰ মঙ্গলময় ৰূপত প্ৰকাশ হৈছে।

বিভূতিভূষণৰ সাহিত্যত নিযিদ্ধ প্ৰেমৰ কাহিনী বহুত আছে। কিন্তু সেই প্ৰেমত চৰিত্ৰৰ হৃদয়ৰ স্পৰ্শ আছে আৰু এই নিষিদ্ধ প্ৰেমে সমাজত কোনো প্ৰতকূল পৰিস্থিতিৰ সৃষ্টি কৰা নাই। বিশ্বৰঞ্জন সেনগুপ্তৰ মতে বিভূতিভূষণৰ নিষিদ্ধ প্ৰেম নদীৰ বানৰ নিচিনাকৈ অবাটে নবয় তাৰো এটা শৃংখলিত ৰূপ আছে।[৩] এইক্ষেত্ৰত বিভূতিভূষণ বঙ্কিমচন্দ্ৰ ৰবীন্দ্ৰনাথ আৰু শৰৎচন্দ্ৰৰ পিছত সাহিত্য জগতত প্ৰৱেশে

কৰিলেও তেওঁলোকৰ উত্তৰাধিকাৰীত্ব গ্ৰহণ কৰা নাই। বিভূতিভূষণৰ উপন্যাসৰ প্ৰেমত এক সংস্কাৰৰ চাপ আছে। তেওৰ নায়কসকল প্ৰেমৰ ক্ষেত্ৰত সৌভাগ্যৱান। তেওঁলোকৰ জীৱনত কেতিয়াও প্ৰেমৰ অভাৱ হোৱা নাই। তেওঁৰ নায়কসকলৰ অধিকাংশ একাধিক প্ৰেমময়ী নাৰীৰ সংস্পৰ্শলৈ আহিছে।

বিভূতিভূষণৰ প্ৰথম উপন্যাস **পথেৰ-পাঁচালী**ত হৰিহৰ আৰু সৰ্বজয়াৰ জীৱনৰ প্ৰথম ভাগৰ যৌৱনৰ প্ৰেমৰ সামান্য আভাস আছে। দহবছৰ দেশান্তৰী হৈ থকা হৰিহৰ এদিন সৰ্বজযাৰ পিতৃগৃহত পদাৰ্পন কৰিছে সৰ্বজয়াৰ লগত সংসাৰ কৰাৰ মানসেৰে। দুপৰীয়াৰ পিছত শহুৰৰ গাঁবৰ ঘাটত নাও আহি পালেহি। সৰ্বজযাক বিয়া কৰোৱাৰ পিছত মাত্ৰ এবাৰ হৰিহৰ এই গাঁৱলৈ আহিছিল। ওচৰৰ মানুহক সুধি সুধি তেও শহুৰৰ ঘৰত উপস্থিত হ'ল। তেওক দেখি এগৰাকী তৰুণী বাহিৰ ওলাই আহিল। হৰিহৰে ভাবিবলৈ ধৰিলে সেই তৰুণীগৰাকী কোন হ'ব পাৰে। ৰাতি দুপৰ যেতিয়া তৰুণীগৰাকী এখন মটকা শাড়ী পিন্ধি তেওঁৰ কোঠাত উপস্থিত হ'ল তেতিযা হৰিহৰ বিস্মিত হ'ল। দহবছৰৰ আগৰ বালিকাপত্নীৰ সাদৃশ্য এই সুন্দৰী তৰুণীত নাই। হৰিহৰৰ মন ৰোমাঞ্চিত হ'ল। ইমানদিনে পত্নীৰ খা-খবৰ নকৰাত তেও নিজে অনুতপ্ত হ'ল অ'ৰু পত্নীক লগতলৈ নিশ্চিন্দিপুৰলৈ আহি যুগ্মজীৱন আৰম্ভ কৰিলে। বাংলাৰ নিভৃত গ্ৰাম্য প্ৰান্তৰৰ বাঁহবনৰ ছায়াত সৰ্বজয়াৰ প্ৰেমপূৰ্ণ মনে হৰিহৰৰ আগমনৰ কাৰণে মাহৰ পিছত মাহ বছৰৰ পিছত বছৰ প্ৰতীক্ষা কৰাৰ পিছত হৰিহৰৰ আগমনত পূৰ্ণতা লাভ কৰিছে। বিবাহিত জীৱনত কঠিন সংসাৰযাত্ৰা আৰু আৰ্থিক অনাটনৰ হেঁচত সৰ্বজযা হৰিহৰৰ প্ৰথম জীৱনৰ ৰোমান্স পিছলৈ উত্তেজনাহীন ম্লান লৈছে।

অপৰাজিত উপন্যাসৰ অপু-অৰ্পনাৰ প্ৰেমত নাৰী পুৰুষৰ দেহজ প্ৰেমতকৈ বাৎসল্যপ্ৰেমেহে বিশেষ প্ৰাধান্য পাইছে। শুইথকা অপুক দেখি অৰ্পনাৰ মনত একপ্ৰকাৰ মাযা ওপজে। এই মাযাৰ স্বৰূপ বিভূতিভূষণে প্ৰকাশ কৰিছে— 'অপুৰ উপৰ তাহাৰ একটা অদ্ভুত স্নেহ গঢ়িয়া উঠিযাছে চেলেৰ ওপৰ মাযেৰ স্নেহৰ মত। অপুৰ কৌতুকপ্ৰিযতা চেনেমানযি খেয়াল সংসাৰানভিজ্ঞতা হাসিখুচি এসব অৰ্পনাৰ মাতৃত্বকে অদ্ভুতভাৱে জগাইয়া তুলিয়াছে।[৪] অৰ্পনাৰ সম্পৰ্কে অপুৰ চিন্তাও ইয়াৰ পৰিপূৰক– 'অপু ভাবে ঠিক এইভাবেই কথা বলিত মা অপুৰ অদ্ভুত মনে হয় মাযেৰ মত স্নেহশীলা সেৱাপৰাযণা সেই ৰকম অনন্তৰ্য্যামিনী।[৫] অকল অৰ্পনাই নহয় অপুৰ কাৰণে বায়েক দুৰ্গা ৰাণুদি লীলা— সকলো নাৰীযেই মাক সৰ্বজয়াৰ নিচিনা মাতৃমনৰ অধিকাৰী।[৬] বিভূতিভূষণৰ অপুৰ মাজত গোটেই জীৱন এটি চিৰকৈশোৰ লীলা কৰিছে। সেই চিৰকিশোৰে সকলো নাৰীৰ মাজতে মাক সৰ্বজয়াক বিচাৰি পায়। মাতৃস্নেহৰ প্ৰদীপেই তাৰ প্ৰেমৰ আৰতি। এই প্ৰেম বাৎসল্য প্ৰেমৰ ওপৰত ভৰদি থিয় হয় নিজৰ শক্তিত নিৰ্ভৰ নহয়।

বিভূতিভূষণৰ উপন্যাসৰ প্ৰেম দেহসৰ্বস্ব নহয়। মনৰ জগতৰ স্নিগ্ধ ভাব-কল্পনা সেৱা আৰু শান্তি তেওঁৰ প্ৰেমৰ অনুসংগ। বিভূতিভূষণৰ অবৈধ প্ৰেমো ইয়াৰ ব্যতিক্ৰম নহয়। অপৰাজিতৰ নায়ক অপু আৰু লীলাৰ কৈশোৰ প্ৰেম সমাজনিষিদ্ধ আৰু দুয়োৰে মাজত শ্ৰেণীভেদৰ প্ৰাচীৰো দুৰন্ত। লীলা আঢ্যৱন্ত জমিদাৰ পৰিয়ালৰ কন্যা আৰু অপু সামান্য ব্ৰাহ্মণৰ পুত্ৰ। লীলাৰ অপুৰ প্ৰতি আছে এক স্নেহভৰা অনুকম্পা। সেই অনুকম্পা অদৈহিক। সেই প্ৰেমৰ ইমান উচ্চ আৰু অহেতুক যে অপুৱে অৰ্পনাক বিয়া কৰোৱাৰ পিছতো তাত কোনো সংঘাতৰ সৃষ্টি হোৱা নাই।

বিভূতিভূষণৰ বাবে প্ৰেম আৰু ভাগৱত ভক্তিৰ মাজত কোনো পাৰ্থক্য নাই। **দৃষ্টিপ্ৰদীপৰ** জিতু মালতীৰ প্ৰেম ইয়াৰ উদাহৰণ। জিতুৰ মালতীৰ প্ৰতি যি মনোভাব তাৰ ব্যাখ্যা দিছে এনেদৰে— প্ৰেমেও বলতে পাৰি ভক্তিও বলতে পাৰি। ঈশ্বৰৰ প্ৰত সত্যিকাৰ ভক্তিৰ প্ৰকৃতি মালতীৰ প্ৰতি আমাৰ ভালবাসাৰ চেয়ে পৃথক নয়। একই অনুভূতিৰে দুটো আলাদা নাম মাত্ৰ। [৭] জিতুৰ চেতনাত প্ৰেমানুভূতি আৰু আধ্যাত্মানুভূতি প্ৰায় একহে মিলি আছে। জিতু-মালতীৰ প্ৰেমৰ প্ৰথম স্তৰত জতুৰ মনত এনে ভাৱৰেই উদয় হৈছে।[৮] দেৱতাক প্ৰেমিক আৰু প্ৰেমিকক দেৱতালৈ ৰূপান্তৰিত কৰাৰ যি অনুভূতি বাংলাৰ ঐতিহ্য আৰু যি ঐতিহ্য বাংলাৰ ৰবীন্দ্ৰকাব্যত নতুন প্ৰাণশক্তিৰে সঞ্জীৱিত তাৰেই অনুসৰণ বিভূতিভূষণৰ উপন্যাসত বিদ্যমান। এই অনুভূতি **দৃষ্টিপ্ৰদীপৰ** বাহিৰেও বিভূতিভূষণৰ প্ৰায় সকলো উপন্যাসতে বিয়পি আছে। শেষজীৱনত বৈকুণ্ঠলোক আৰু মৰ্ত্তলোকক সম্মিলিত কৰি লিখা **দেৱযান** উপন্যাসত ইয়াৰ পৰিপূৰ্ণ স্বাক্ষৰ আছে। **দৃষ্টিপ্ৰদীপৰ** জিতু-মালতীৰ প্ৰেমৰ প্ৰদীপ পৃথিৱীতে সীমাবদ্ধ। বিভূতিভূষণে হয়তো তাত সন্তুষ্ট হ'বপৰা নাছিল। সেয়ে পৰৱৰ্ত্তী উত্তৰণ **দেৱযান** একেবাৰে স্বৰ্গলোকত। দৃষ্টিপ্ৰদীপত মালতীৰ মৃত্যু সম্পৰ্কে জিতুৰ অনুভৱ— 'মালতী চলে গিয়েছে, কত দিন হ'ল পৃথিবী ছেড়ে কোনো প্ৰেমেৰ লোকে নক্ষত্ৰদেৰ দেশ, নক্ষত্ৰদেৰ মতই বয়সহীন হয়ে গিয়েছে। [৯] সেই প্ৰেমালোক নক্ষত্ৰদেশৰ কথাই দেৱযানত সন্নিৱিষ্ট হৈছে। পৃথিৱী ধূলি-বালিৰ ছাঁ যাতে একবিন্দুও নপৰে তেনেকুৱা এক আদৰ্শজগতৰ কাহিনী **দেৱযানৰ** বিষয়বস্তু। তাত পৃথিৱীৰ ধূলি-বালিৰ গোন্ধ নাই সঁচা কিন্তু অপূৰ্ণতা সত্বেও জিতু-মালতীৰ প্ৰেমে পাঠকৰ মনত যি সাঁচ বহুৱায় যায়, যতীন-পুষ্পৰ পূৰ্ণতাপ্ৰাপ্ত প্ৰেমে অন্তৰজগতত তেনে সাঁচ বহুৱাব নোৱাৰে। মৰ্ত্যবাসী আশালতাৰ স্মৃতিয়ে সেই পূৰ্ণতাত বাধা দিয়ে।

বিপিনেৰ-সংসাৰ উপন্যাসত পাঁচযোৰ নাৰী পুৰুষৰ অবৈধ প্ৰেম আছে। নায়ক বিপিন আৰু মানী বিপিন আৰু শান্তি বিপিনৰ দেউতাক বিনোদ আৰু কামিনী গোৱালিনী বিশ্বেশ্বৰ মাষ্টৰ আৰু বাগ্‌দী কন্যা আৰু পটল আৰু বীনাৰ অবৈধ প্ৰেম। সামাজিক বাধা নিষেধৰ কাৰণে এওঁলোকৰ প্ৰেমত দুৰ্বাৰতা আৰু তীব্ৰতা নাই। সকলোৰে প্ৰেমত বিভূতি সুলভ স্নিগ্ধতা কাৰুণ্য আৰু মাধুৰ্য্যৰ স্বাক্ষৰ

আছে। এই সকলোৰে প্ৰেম অদৈহিক। ইমানবিলাক অবৈধ প্ৰণয়ত এটাতো সৰ্বনাশৰ ইংগিত নাই। তেওৰ প্ৰেমৰ জুইত প্ৰেমিক-প্ৰেমিকা দাহ নাযায মাত্ৰ আলোকিত হয়। প্ৰেমৰ ব্যৰ্থতাই যন্ত্ৰণাৰ সৃষ্টি নকৰে মনত কৰুণ মধুৰ স্মৃতিৰ সৃষ্টি কৰে।

বিপিনেৰ-সংসাৰৰ নায়ক বিপিন জমিদাৰৰ নায়েব বিনোদৰ জ্যেষ্ঠ ল'ৰা। পলাশপুৰ জমিদাৰৰ নাযেব বিনোদে সাধাৰণ প্ৰজাক জুলুম কৰি জমিদাৰক খাজানা যোগান ধৰিছিল আৰু নিজেও বহুত সা-সম্পত্তিৰ মালিক হৈছিল। দেউতাকৰ পিছত বিপিনে লগৰ লগৰীযাৰ লগত মদ-ভাং খাই জুৱা খেলি দেউতাকৰ সম্পত্ত শেষ কৰিলে। দেউতাকৰ লগত জমিদাৰ ঘৰলৈ যাওঁতে বিপিনে জমিদাৰৰ ঘৰত ভিতৰে-বাহিৰে অবাধে বিচৰণ কৰিছিল। প্ৰথম অৱস্থাত মানীৰ প্ৰতি বিপিনৰ প্ৰেম দেহ-সম্পৰ্কহীন নাছিল। বৰং মনে মনে সি মানীৰ দেহ সম্ভোগ কৰিবলৈ সুযোগ বিচাৰিছিল। কিন্তু পিছলৈ অভাৱৰ সময়ত মানীৰ পৰা যথাৰ্থ সমবেদনা লাভ কৰি বিপিনিৰ প্ৰেম ভক্তিলৈ ৰূপান্তৰিত হয। মানীয়ে বিভিন্ন বাংলা চিকিৎসা বিষয়ক কিতাপ বিপিনক দি তাক সেই কিতাপ পঢ়ি গ্ৰাম্য চিকিৎসা কৰিবলৈ পৰামৰ্শ দিলে। মানীৰ পৰা পোৱা কিতাপৰ যোগেদি চিকিৎসা বিজ্ঞানৰ কিছু কথা শিকি দূৰ গাঁৱত চিকিৎসাসেৱা কৰিবলৈ ল'লে। মানীৰ প্ৰেমে বিপিনৰ জীৱনৰ গতি শুদ্ধ পথেৰে পৰিচালিত কৰিছে। শান্তিৰ পৰাও বিপিনে প্ৰেমৰ লগতে স্নেহ আৰু শ্ৰদ্ধা লাভ কৰিছে।

বিপিনেৰ সংসাৰত বিভূতিভূষণৰ নাযকে অপৰিচিত পথত পদক্ষেপ কৰিছে বিবাহিত হৈও বিপিন দুগৰাকী পৰস্ত্ৰীৰ প্ৰেমত মগ্ন। কিন্তু এই প্ৰেম মাত্ৰ স্থূল যৌনতৃপ্তিৰ বিযয নহয় তাক উচ্চতৰ নীতিধৰ্মৰ দীক্ষা প্ৰদান কৰিছে। অশিক্ষিত গ্ৰাম্যযুৱক বিপিনে সংসাৰৰ ব্যৰ্থতাৰ দুৰ্বহ বোজা বহন কৰিছে। তাৰ ৰুচি অপৰিমাৰ্জিত আৰু চিন্তা স্থূল। তথাপিও দুগৰাকী নাৰীৰ কোমল স্পৰ্শত ক্ৰমশঃ জীৱনৰ পংকিলতাৰ পৰা সি উদ্ধাৰহৈ সৎপথত বিচৰণ কৰিছে। প্ৰকৃত প্ৰেমৰ যি অপৰিসীম শক্তি আছে, বিপিনৰ মানী আৰু শান্তিৰ অবৈধ প্ৰেমৰ মাজতো সেই শক্তিৰ প্ৰভাৱ পৰিস্ফুট। প্ৰেমৰ এই অভিনৱ ৰূপৰ প্ৰতি বিভূতিভূষণৰ আকৰ্ষণ আকস্মিক আৰু অপ্ৰত্যাশিত। মানীৰ প্ৰেমে বিপিনক প্ৰজা অত্যাচাৰৰ পথৰ পৰা আঁতৰাই আনি নিজস্ব কৰ্মৰে জীয়াই থকাৰ প্ৰেৰণা দিলে। মানীৰ মতে এই পথত আত্মতৃপ্তি অৰ্থ আৰু পূণ্য সকলো আছে। মানীৰ প্ৰেমে বিপিনক অকল মহৎ আদৰ্শৰে অনুপ্ৰাণিত কৰাই নহয় তাৰ দৈনন্দিন সকলো ত্ৰুটি-বিচ্যুতিৰ পৰাও ৰক্ষা কৰিছে। এই প্ৰেমৰ প্ৰভাৱত তাৰ পত্নী মনোৰমাৰ প্ৰতিও মমতাবোধ জাগ্ৰত হৈছে।

বিপিনেৰ সংসাৰৰ অন্যান্য প্ৰেম সম্পৰ্কসমূহৰ বৈশিষ্ট্যও প্ৰায় একে। বিশ্বেশ্বৰে প্ৰেমৰ কাৰণে সৰ্বস্ব ত্যাগ কৰিছে। কামিনী গুৱালিনীৰ প্ৰেম লালসা বা বিলাস নহয়। মৃত বিনোদ চাতুজ্যোৰ প্ৰতি তাইৰ মমতা আৰু বিনোদ পুত্ৰ বিপিনৰ প্ৰতি তাইৰ প্ৰগাঢ় বাৎসল্যই চৰিত্ৰহীনা গোৱালিনীকো সূক্ষ্ম মানসিক স্তৰৰ উৰ্দ্ধলৈ তুলি আনিছে।

বীনাই তাইৰ ৰুদ্ধ জীৱনৰ হাহাকাৰ বুকুৰ মাজত চেপি ৰাখি পটলক পাহৰি যাবলৈ চেষ্টা কৰিছে।

বিভূতিভূষণৰ উপন্যাসসমূহৰ ভিতৰত একমাত্ৰ **অথৈজল** উপন্যাসতহে নায়ক শশাংকক সংসাৰৰ বন্ধনৰ পৰা বাহিৰ কৰি আনি বিভূতিভূষণে অবৈধ প্ৰেমৰ জীৱনৰ মাজত অতিবাহিত কৰাইছে। গাঁৱৰ চিকিৎসক শশাংক সমাজৰো এজন নেতৃস্থানীয় লোক। গাঁৱৰ মানুহৰ অনৈতিক অপৰাধত দণ্ড দিয়াত সি কঠোৰ। সেই কঠোৰতাৰ কাৰণেই দুশ্চৰিত্ৰৰ ধনী ৰামপ্ৰসাদ আৰু শান্তিক গাঁও ত্যাগ কৰিবলৈ বাধ্য কৰিছে। খেমতানাচ চাবলৈ গৈ ষোড়শী নৰ্ত্তকী পান্নাৰ প্ৰেমত পৰিল শশাংক। পান্নাৰ প্ৰেমৰ আকৰ্ষণত সি গাঁও-পত্নী-সন্তান ত্যাগ কৰি কলিকতাত থাকিবলৈ ল'লে। কিন্তু যিমান আকস্মিকভাৱে এই প্ৰেমৰ আবিৰ্ভাৱ হৈছিল সিমান আকস্মিকভাৱে ইয়াৰ পৰিসমাপ্তি ঘটিল। পান্নাৰ মাকে পুলিচৰ সহায়ত পান্নাক শশাংকৰ কাষৰ পৰা লৈ গ'ল। **অথৈজলৰ** নিষিদ্ধ প্ৰেম কাহিনীতো বিভূতিভূষণৰ স্বকীয়তা স্পষ্ট। তেও এই প্ৰেমতো লালসাৰ স্থূল প্ৰলেপ সনা নাই। বৰং এক দুৰ্লভ দৈৱী আলেকেৰে ইয়াক উজ্জ্বল কৰি তুলিছে। শশাংক-পান্নাৰ বিচ্ছেদৰ জ্বালাময় পৰিণতিৰ মাজৰ পৰা যি দীপ্তি প্ৰকাশ পাইছে সি একান্তভাৱেই বিভূতিভূষণৰ নিজস্ব চিন্তাৰ ফল। পান্নাৰ সৰলতাৰ লগত লীলা অৰ্পনাৰ চৰিত্ৰগত সৰলতা বিদ্যমান।

বিভূতিভূষণৰ শেষ উপন্যাস **ইছামতীৰ** নায়ক ভবানী। কুলীন ব্ৰাহ্মণ ভবানীচৰণ পঞ্চাছ বছৰ বিয়াবাৰু নকৰাকৈ দেশৰ বিভিন্ন ঠাইত সন্নাস জীৱন কটাই শেষত ৰাজাৰাম ৰায়ৰ তিনি ভগ্নী তিলু-বিলু আৰু নীলুক বিয়া কৰায়। পৌঢ় বয়সত প্ৰেমে ভবানীৰ জীৱনত যি আনন্দৰ অভিজ্ঞতা প্ৰদান কৰিলে মুক্ত ভ্ৰাম্যমান জীৱনৰ আনন্দও তাৰ তুলনাত তুচ্ছ। তিলুৰ গভীৰ প্ৰেমে পৌঢ় ভবানীক গাৰ্হস্থ্যজীৱনৰ শান্তি দিছে আৰু মনৰ স্বাভাৱিক ঈশ্বৰাভিমুখীতাকো তৃপ্ত কৰিছে। ভবনীৰ ধাৰণা হৈছে যে সি মিছাই সন্নাসী হৈছিল প্ৰেমৰ কাৰণে সি এতিয়া বাৰে বাৰে সংসাৰলৈ আহিবলৈ সাজু।

বিভূতিভূষণৰ উপন্যাস সাহিত্যৰ ভিতৰত **বিপিনেৰ সংসাৰ** আৰু **অথৈজলৰ** গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি। মানুহৰ ভাৱ জগতত প্ৰেমতকৈ কোনো জটিল অভিজ্ঞতা নাই। এই প্ৰেমৰ ৰহস্য আৰু গভীৰতা আপাতত সৰলতাৰ অন্তৰালত থকা বিস্ময় বৈষ্ণৱ কবিয়ে বৰ্ণনা কৰা ৰাধা-কৃষ্ণৰ প্ৰেমৰ লগত তুলনীয়। বিভূতিভূষণৰ দুয়োখন উপন্যাসৰ অবৈধ প্ৰেমতো অনিয়ন্ত্ৰিত গতিবিধিৰ উল্লেখ কম।

বিভূতিভূষণৰ উপন্যাসত গ্ৰাম্য আৰ্থ-সামাজিক জীৱন :

জমিদাৰ-প্ৰথা .

বিভূতিভূষণৰ প্ৰথম উপন্যাস **পথেৰ-পাঁচালী** ৰচনাৰ সময় ১৯২৯ চন। তেওঁৰ শেষ উপন্যাস **ইছামতী** ৰচনা হয় ১৯৫৬ চনত। বিভূতিভূষণৰ **পথেৰ-**

পাঁচালী অপৰাজিত দৃষ্টিপ্ৰদীপ বিপিনেৰ সংসাৰ আদি উপন্যাসসমূহ ৰচনা কৰা হৈছিল বংগদেশত বৃটিছ শাসনৰ কালত। সেই সময়ৰ বংগদেশৰ গাঁৱৰ জীৱন কৃষিনিৰ্ভৰ আছিল। মাটিৰ মালিক জমিদাৰ। জমিদাৰৰ আয়ৰ মূল পথ খাজনা। এজন জমিদাৰ বহুত মাটিৰ মালিক। সাধাৰণ বনুৱাসকলে জমিদাৰৰ মাটিত খেতি কৰাৰ বিনিময়ত বহুপৰিমাণৰ শস্য কৰ হিচাপে দিবলগীয়া হয়। গতিকে সাধাৰণ শ্ৰেণীৰ অৱস্থা দৰিদ্ৰ সীমাৰেখাৰ তলত থাকে। সেয়ে আৰ্থিক অৱস্থাৰ ওপৰত ভিত্তি কৰি গাঁৱৰ সমাজ দুটা শ্ৰেণীত বিভক্ত হৈছিল। এটা আঢ্যৱন্ত জমিদাৰ শ্ৰেণী আনটো দুখীয়া খেতিয়ক শ্ৰেণী।

বৃটিছ শাসন কটকটীয়া। জমিদাৰে সময়মতে খেতিয়কৰ পৰা খাজনা সংগ্ৰহ কৰি চৰকাৰৰ ঘৰত জমা দিব নোৱাৰিলে জমিদাৰী নীলামত যায়। ধনী জমিদাৰে কম ধনী জমিদাৰৰ নীলামৰ মাটি কিনি লয়। জমিদাৰী যাৰে হয় সাধাৰণ প্ৰজাও তাৰে হয়। মাটি আৰু খেতিযক উভযেই জমিদাৰৰ সম্পত্তি। জমিদাৰৰ যি মাটিত খেতিয়কে খেতি কৰে সেই মাটি আৰু শস্যৰ ওপৰতো খেতিয়কৰ অধিকাৰ নাইবা দাবী নেখাটে। গতিকে জমিদাৰ শ্ৰেণীয়ে খেতিয়কক শোষণ কৰি থাকে।

১৭৯৩ খৃঃত লৰ্ড কৰ্ণৱালিছে বংগদেশত চিৰস্থায়ী বন্দোৱস্তৰ প্ৰৱৰ্ত্তন কৰি জমিদাৰসকলক মাটিৰ সৰ্বস্বত্ব প্ৰদান কৰে। চিৰস্থায়ী বন্দোৱস্তৰ প্ৰৱৰ্ত্তনে বংগদেশত এক নতুন জমিদাৰশ্ৰেণীৰ সৃষ্টি কৰে যিসকল জমিদাৰ জাতীয় ঐতিহ্য আৰু বিবেকৰ দ্বাৰা পৰিচালিত নহৈ বৃটিছ শাসন ৰক্ষাকাৰী এটা ভূমিঅধিকাৰী শ্ৰেণীত পৰিণত হৈছিল। দেশৰ অৰ্থনৈতিক আৰু ৰাজনৈতিক কাৰণতেই লৰ্ড কৰ্ণৱালিছে এই বন্দোৱস্তৰ প্ৰৱৰ্ত্তন কৰিছিল। চিৰস্থায়ী বন্দোৱস্তৰ মূল উদ্দেশ্য আছিল জমিদাৰ সকলৰ দ্বাৰা খাজনা সংগ্ৰহৰ যোগেদি চৰকাৰী ৰাজহৰ নিৰাপত্তা প্ৰদান কৰা আৰু চহৰত নতুনকৈ গঢলৈ উঠা ধনীশ্ৰেণীক জমিদাৰীৰ অধিকাৰ ক্ৰয় কৰিবলৈ উৎসাহিত কৰা। চিৰস্থায়ী বন্দোৱস্তৰ যোগেদি বৃটিছ চৰকাৰে এনে এক শ্ৰেণীৰ জমিদাৰৰ সৃষ্টি কৰিলে যিসকলে নিজৰ স্বাৰ্থৰ খাতিৰতেই ইংৰাজ চৰকাৰৰ বিপক্ষে থিয় দিব নোৱাৰে। গতিকে ইয়াৰ যোগেদি ইংৰাজ চৰকাৰে প্ৰজাসাধাৰণৰ বিপ্লৱক প্ৰতিৰোধ কৰিবলৈ বিচাৰিছিল।

জমিদাৰ প্ৰথাৰ প্ৰৱৰ্ত্তনৰ লগে লগে বংগদেশত বৃটিছ শাসকৰ সহযোগত এটা নতুন সামাজিক ভিত্তি গঢ়ি উঠে। জমিদাৰ শ্ৰেণীৰ লগতে এটা সামাজিক শক্তি হিচাপে মধ্যবিত্ত শ্ৰেণীৰ আবিৰ্ভাৱ ঘটে। জমিদাৰৰ পৰা সৰু সৰু মাটিৰ অংশ লৈ এই মধ্যস্বত্বভোগীসকলে নিজকে মহাজন হিচাপে গঢ়ি তোলে। মাটি আৰু কৃষকৰ উন্নতিৰ কাৰণে আৰু কৃষকৰ আৰ্থিক দুৰৱস্থা দূৰ কৰিবৰ কাৰণে জমিদাৰসকলে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাছিল। জনসাধাৰণৰ দৰিদ্ৰতাৰ সুযোগ লৈ সুদখোৰ মহাজনী প্ৰথাই গ্ৰাম্য অৰ্থনীতিৰ ৰূপান্তৰ ঘটায়। জমিদাৰ, ব্যৱসায়ী আৰু ধনী ব্যক্তিসকলে এই সুদখোৰ মহাজনী ব্যৱসায়ত অংশ গ্ৰহণ কৰে। সফল মহাজনসকলে

মাটি কিনি ব্যৱসায় আৰম্ভ কৰে। সুদখোৰ মহাজনী স্বাৰ্থ মাটিৰ স্বাৰ্থৰ লগত সংযুক্ত হৈ গ্ৰাম্য অৰ্থনীতিৰ আৰু জটিল কৰি তোলে।

জমিদাৰসকল আছিল ভোগী আৰু বিলাসী। এই ভোগ-বিলাসে জনসাধাৰণৰ জীৱন দুখময় কৰি তুলিছিল। ভোগ-বিলাসী জমিদাৰবিলাক নিজৰ ভোগ বিলাস চৰিতাৰ্থ কৰিবৰ কাৰণে নগৰত থাকিবলৈ লৈছিল। ইয়াৰ ফলত জনসাধাৰণ দুই ধৰণে ক্ষতিগ্ৰস্ত হৈছিল। প্ৰথমতে নগৰত থাকিবলৈ লোৱাৰ কাৰণে জমিদাৰৰ আয় গাঁৱত খৰচ নোহোৱা হ'ল ফলত গাঁৱৰ অৰ্থনীতি ক্ষতিগ্ৰস্ত হ'ল। দ্বিতীয়তে নিজৰ আয় বৃদ্ধি কৰিবলৈ খাজনাৰ পৰিমাণ বৃদ্ধি কৰিলে। ফলত শোষণ বৃদ্ধি পালে খাজনাৰ হাৰ বাঢ়িল আৰু বৰ্দ্ধিত খাজনা দিবলগা হ'ল সাধাৰণ খেতিয়কে। ইয়াৰ উপৰিও জমিদাৰৰ ঘৰত উৎসৱ হ'লে প্ৰজাসকলে যথেষ্ট বৰঙণি আগবঢ়াব লাগিছিল। ...াক নোহোৱাকৈ উৎসৱত কাম কৰি দিব লাগিছিল। শোষণৰ আধিক্যই খেতিয়কৰ ...াল আৰু দুৰ্ভিক্ষৰ সৃষ্টি কৰিলে। কিন্তু জমিদাৰসকলে খেতিয়কৰ প্ৰতি ...নিতা অৱলম্বন কৰি লাহ-বিলাহত দিন কটাইছিল।

জমিদাৰ আৰু জমিদাৰ আশ্ৰিত বিষয়াই কেনেকৈ সৰ্বসাধাৰণ খাটি খোৱা মানুহক নিপীড়ন কৰিছিল তাৰ চিত্ৰ ফুটি উঠিছে বিভূতিভূষণৰ **পথেৰ-পাঁচালী দৃষ্টিপ্ৰদীপ বিপিনেৰ সংসাৰ** আৰু **ইছামতী** উপন্যাসত।

পথৰ-পাঁচালী উপন্যাসৰ নিশ্চিন্দিপুৰ গাঁৱৰ অন্নদাশংকৰ অৱস্থাপন্ন জমিদাৰ। পৰিয়ালৰ মানুহৰ দৈনন্দিন জীৱনযাত্ৰা পিন্ধা-উৰা উৎসৱ-পাৰ্বন সকলোতে আৰ্থিক স্বচ্ছলতা চকুত পৰে। গাঁৱৰ সকলো মানুহৰে কম বেছি পৰিমাণে মাটি আছিল। ঘৰত খোৱা-পিন্ধাৰ নাটনি হ'লে নাইবা কিবা কামত টকাৰ প্ৰয়োজন হ'লে অন্নদা ৰায়ৰ ওচৰলৈ নিশ্চিন্দিপুৰৰ গাঁৱৰ মানুহ মাটি বন্ধকত দিবলৈ আহে। টকাৰ বিনিময়ত অন্নদা ৰায়ে মাটি নিজৰ হস্তগত কৰে টকাৰ সুদ বাঢ়ি গৈ গৈ মাটিৰ দেনা অধিক হোৱাৰ কাৰণে খেতিয়কে শেষত কম পইচা দিলে মাটি ঘূৰাই নেপায়। ই জমিদাৰৰ সম্পত্তি হৈ পৰে। হৰিহৰৰ আম-কঠালৰ বাৰীখনো অন্নদাৰায়ক বন্ধকত দি সি পৰিয়ালৰ আৰ্থিক সংকটৰ জোৰা মাৰিছিল। মৃত্যুৰ সময়লৈকে সৰ্বজয়াৰ এটাই মাত্ৰ সাধ আছিল — আম-কঠালৰ বাৰীখন মোকোলাই পিতৃপুৰুষৰ সম্পত্তি অপুৱে যেন নিজৰ কৰি লয়।

হৰিহৰৰ মৃত্যুৰ পিছত সৰ্বজয়া এটা জমিদাৰৰ পৰিয়ালত ৰান্ধনী হিচাপে আছিল। জমিদাৰৰ ঘৰত ৰান্ধনিঘৰেই চাৰিটা। এটা নিৰামিষ ৰন্ধাৰ ঘৰ এটা কুটীৰ ঘৰ এটা মাছ-মাংস ৰন্ধাৰ ঘৰ আৰু এটা বাহিৰৰ চাকৰ-বাকৰৰ কাৰণে ৰন্ধা ঘৰ। চাকৰ-চাকৰণীৰ সংখ্যাও অলেখ। দুবেলা দুই তিনি সেৰ ঘিউ-তেল খৰচ কৰি জমিদাৰৰ ঘৰত ৰন্ধা হয়। জমিদাৰৰ পুতেকসকল কলিকতাত থাকি পঢ়া-শুনা কৰে। ঘৰত বিয়া-বাৰু আদি উৎসৱ হ'লে এমাহ মানৰ আগৰপৰাই জমিদাৰৰ প্ৰজাই কাম কৰি দিব

লাগে। জমিদাৰৰ এনে প্ৰতিপত্তিৰ মূলতে হ'ল সাধাৰণ খেতিয়কৰ পৰা পোৱা খাজনা।

অৰ্থলোভী আৰু ক্ষমতালোভী এই জমিদাৰসকলে প্ৰজাৰ লগতে আপোন মানুহবোৰকো কেনেকৈ শোষণ কৰিছিল আৰু বঞ্চনা কৰিছিল তাৰ উদাহৰণ আছে বিভূতিভূষণৰ **দৃষ্টিপ্ৰদীপ** উপন্যাসত। আঠঘৰাৰ জিতুৰ বৰদেউতাক অৱস্থাপন্ন জমিদাৰ। জিতুৰ দেউতাকে বাগানত চাকৰি কৰাৰ সুযোগলৈ বৰদেউতাকে ভায়েকৰ মাটি আত্মসাৎ কৰে। শেষত চাহ-বাগানৰ চাকৰি যোৱাত আঠঘৰাৰ নিজৰ ঘৰলৈ অহা জিতুৰ পৰিয়ালক বৰদেউতাকে সকলো মাটি নীলামত যোৱা বুলি কৈ পুতৌজনকভাৱে বাৰীৰ এচুকৰ কেঁচা ঘৰত থাকিবলৈ দিছিল। আঠঘৰা গাঁৱৰ অন্য এজন লোক হীৰু ঠাকুৰে জমিদাৰৰ ঘৰত কিছু পৈত্ৰিক মাটি আৰু দুখন আম-কঠালৰ বাৰী বন্ধক থৈ কিছু টকা লৈছিল। শেষত হীৰু ঠাকুৰৰ সেই টকা পৰিশোধ নোহোৱাত জমিদাৰে নীলামত সকলো বন্ধকী মাটি নিজৰ কৰি লয়। শেষত মানসিক ভাৰসাম্য হেৰুৱাই হীৰু ঠাকুৰৰ মৃত্যু হয়। জিতুৰ দেউতকৰো জমিদাৰৰ শোষণৰ প্ৰতিবাদ কৰিব নোৱাৰি শেষত মানসিক ভাৰসাম্য হেৰুৱাই মৃত্যু হয়। জমিদাৰে কেৱল আত্মীয়-স্বজন বা সাধাৰণ খেতিয়কক শোষণ কৰাই নহয় গাঁৱৰ মানুহক অনাটনৰ দিনত টকা ধাৰলৈ দি সেই টকাৰ সুদ লয়। অন্যহাতে মাটি-বাৰী বন্ধকত ৰাখি তাৰ বিনিময়ত টকা ধাৰলৈ দিয়ে নিৰ্দ্দিষ্ট সময়ৰ ভিতৰত ধাৰ শোধ কৰিব নোৱাৰিলে মাটি জমিদাৰৰ হাতলৈ যায়।

জমিদাৰৰ আশ্ৰিত নায়েবে কেনেকৈ সৰ্বসাধাৰণ খাটি খোৱা মানুহক নিপীড়ন কৰিছিল তাৰ এটি চিত্ৰ ফুটি উঠিছে বিভূতিভূষণৰ **বিপিনেৰ সংসাৰ** উপন্যাসত। পলাশপুৰৰ আঢ্যৱন্ত জমিদাৰ অনাদি চৌধুৰী। খাজনা সাধিবৰ কাৰণে জমিদাৰ নিজে নগৈ কাছাৰীৰ এজন নায়েব নিয়োগ কৰে। নায়েবে প্ৰজাসাধাৰণৰ পৰা খাজনা সংগ্ৰহ কৰি জমিদাৰৰ ঘৰত যোগান ধৰে। অনাদি চৌধুৰীৰ নায়েব আছিল বিনোদ চাটুজ্জ্যে। প্ৰজাক মাৰপিট কৰি নায়েব বিনোদে খাজনাৰ উপৰিও পুখুৰীৰ মাছ, বাৰীৰ শাক-পাচলি, গুৰ গাখীৰ ঘিউ মৌ আদি সংগ্ৰহ কৰিছিল। বিনোদে পলাশপুৰৰ জমিদাৰৰ আৰ্থিক উন্নতিৰ লগতে নিজৰ পৰিয়ালৰো সম্পত্তি বৃদ্ধি কৰিছিল। বিনোদৰ মৃত্যুৰ পিছত পুত্ৰ বিপিন পলাশপুৰৰ নায়েব নিযুক্ত হ'লেও সি দেউতাকৰ নিচিনা অত্যাচাৰী নাছিল। খেতিয়কে উপৰুৱা শস্য দিবলৈ অস্বীকাৰ কৰিলে জমিদাৰে মোকৰ্দমা তৰি খেতিয়কৰ পৰা খাজনা আদায় কৰিবলৈ হুকুম দিয়ে। বিনোদনায়েব অত্যাচাৰী হোৱাৰ কাৰণেই তাৰ আমোলত জমিদাৰৰ ঘৰলৈ 'দুধ-ঘিউ'ৰ সোঁত বৈছিল। মাছ-শাক-পাচলিৰ কথাই নাছিল। বিপিনে উপৰুৱা বস্তু বাদ দিও মাটিৰ খাজনা সাধিবলৈকে সক্ষম নোহোৱাত অৱশেষত চাকৰি ইস্তাফা দিবলগা হ'ল।

বিভূতিভূষণৰ একমাত্ৰ ঐতিহাসিক উপন্যাস **ইছামতীত** চিৰস্থায়ী বন্দোবস্তৰ

ফলত সৃষ্ট মধ্যবিত্ত মানুহৰ জীৱনৰ সুখ-দুখৰ ছবি আছে। বিভূতিভূষণে ইছামতীৰ ৰাজা ৰাম আৰু নালু পালৰ যোগেদি বংগদেশৰ চিৰস্থায়ী বন্দোবস্তৰ ছবি দাঙ্গি ধৰিছে। বৃটিছ জমিদাৰৰ বিষয়া ৰাজা ৰামে কেনেকৈ সৰ্বসাধাৰণ মানুহক অত্যাচাৰ কৰি খাজনা সংগ্ৰহ কৰিছিল তাৰ আভাস উপন্যাসখনত আছে। নালু পালে সম্পূৰ্ণ নিজৰ প্ৰচেষ্টাত ইংৰাজ চাহাবৰ পৰা মাটি কিনি জমিদাৰ হৈছিল। তথাকথিত অত্যাচাৰী জমিদাৰতকৈ সেয়ে নালু পাল সাধাৰণ মানুহৰ মাজৰে এজন আছিল। সাধাৰণ পানদোকানী নালু পালৰ জমিদাৰ হোৱাৰ বাসনা আছিল। গতিকে দোকানৰ পইচা ৰাহি কৰি সঞ্চয় কৰিছিল। নালু পাল বিত্ত সঞ্চয়ত যিমান পৰিশ্ৰমী সিমান পৰিশ্ৰমী সমাজৰ স্বীকৃতি আদায়ৰ কাৰণে। সি ধাৰ্মিক প্ৰায়ে ভৱানীৰ চণ্ডীমণ্ডপলৈ আহি ধৰ্মীয় কথা আলোচনা কৰে। তদুপৰি তাৰ আছে অবিৰত কৰ্মপ্ৰেৰণা। নীলকুঠিৰ মাটি কিনি জমিদাৰ হোৱালৈকে নালু পালে অবিৰত কৰ্মশক্তিৰে নিজকে ব্যস্ত ৰাখিছে নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ দোকানত। ভিতৰুৱা অঞ্চলৰ বিভিন্ন হাটলৈ কান্ধত দোকানৰ বস্তু ভাৰবান্ধি নি টকাৰ যোগাৰ কৰিছে। অৱশেষত নালুৰ সপোন বাস্তৱত পৰিণত হৈছে। সামান্য দোকানী নালু নিজ কৰ্মশক্তিৰে এদিন জমিদাৰ হৈছে। নিজৰ অফুৰন্ত কৰ্মশক্তি আৰু অধ্যৱসায়ৰ বলত জমিদাৰ হোৱা নালু পাল (বা লা) উপন্যাসৰে এটা বিৰল চৰিত্ৰ।

প্ৰখ্যাত বাংলা ঔপন্যাসিক শৰৎচন্দ্ৰৰ দত্তা আৰু পল্লীসমাজ উপন্যাসত গাঁৱত বাসকৰা জমিদাৰশ্ৰেণীৰ সমাজত একছত্ৰী প্ৰভুত্বৰ বৰ্ণনা আছে। তাৰাশংকৰ বন্দ্যোপাধ্যায়ৰ ধাত্ৰীদেৱতা উপন্যাসত জমিদাৰ শ্ৰেণীৰ প্ৰতিদিনৰ সমস্যা দুৰ্ভিক্ষ অনাবৃষ্টি আদি খাজনা অনাদায়ৰ কাৰণ হোৱা আৰ্থিক সংকট বিশদভাৱে আলোচিত হৈছে। তেখেতৰ কালিন্দীত জমিদাৰৰ সমস্যা আৰু জটিলতৰ। জ্ঞাতিবিৰোধ প্ৰজাবিদ্ৰোহ মাটিৰ স্বত্বলৈ হোৱা মামলা মোকৰ্দমা আৰু আধুনিক যন্ত্ৰসভ্যতাৰ প্ৰবলতৰ আৰু অধিকতৰ সুনিয়ন্ত্ৰিত শক্তিৰ সৈতে সংঘৰ্ষৰ ফলত জমিদাৰৰ দৈনন্দিন জীৱনে জটিল ৰূপ ধাৰণ কৰিছে। এই অভিজাত জমিদাৰ পৰিয়ালৰ ওপৰত পৰা দৈৱঅভিশাপ বিষয়বস্তু আৰু জটিল কৰি তুলিছে। প্ৰখ্যাত বাঙালী ঔপন্যাসিক প্ৰম নাথ বিশীৰ জোড়াদীঘিৰ চৌধুৰী পৰিবাৰ উপন্যাসত বাংলা জমিদাৰ সম্প্ৰদায়ৰ উদ্ভৱৰ কৌতূহলপূৰ্ণ আৰু তীক্ষ্ণ চিন্তাশীলতাৰ আলোকত উদ্ভাসিত সমাজ পৰিৱেশৰ চিত্ৰ আছে। জমিদাৰৰ ব্যক্তিগত জীৱন কাহিনী উপন্যাসখনত নাই। তেখেতৰ কেৰী চাহাবৰ মুন্সীত ইংৰাজ আৰু বাঙালী জমিদাৰৰ মিলনত উদ্ভৱ হোৱা সমস্যা বিশ্লেষণত নতুবা সমাজচেতনাৰ পৰিচয় আছে।

গ্ৰাম্য সাধাৰণ পৰিয়ালৰ আৰ্থিক জীৱন

বিভূতিভূষণৰ উপন্যাসত জমিদাৰৰ আৰ্থিক জীৱনৰ চিত্ৰ যেনেদৰে আছে খেতিয়কৰ আৰ্থিক চিত্ৰ তেনেদৰে নাই। ইয়াৰ কাৰণ বিভূতিভূষণৰ উপন্যাসৰ প্ৰায়বোৰ

কাহিনীৰে নায়ক ব্ৰাহ্মণ পৰিয়ালৰ। ব্ৰাহ্মণসকল মাটিৰ গৰাকী হ'লে জমিদাৰ হ'ব পাৰিছিল কিন্তু নিজে হালবাই খেতি কৰাৰ পৰম্পৰা ব্ৰাহ্মণসকলৰ নাছিল কাৰণে জমিদাৰে মাটিত সাধাৰণ অব্ৰাহ্মণ মানুহৰ দ্বাৰা খেতি কৰাইছিল। মাটিহীন ব্ৰাহ্মণ লোকৰ আৰ্থিক জীৱনৰ ছবিহে তেখেতৰ পথেৰ-পাঁচালী, দৃষ্টিপ্ৰদীপ আৰু বিপিনেৰ সংসাৰ উপন্যাসত প্ৰকাশ পাইছে।

বিভূতিভূষণৰ প্ৰথম উপন্যাস পথেৰ-পাঁচালীত হৰিহৰৰ পৰিয়ালৰ আৰ্থিক অৱস্থাৰ বৰ্ণনা আছে, সৰ্বজয়াক বিয়া কৰোৱাৰ পিছত হৰিহৰে দহবছৰ বংগদেশৰ বিভিন্ন ঠাই ভ্ৰমণ কৰি কটাইছিল। সৰ্বজয়াক লৈ সংসাৰ কৰাৰ পৰা হৰিহৰ সম্পূৰ্ণৰূপে গৃহস্থীহে পৰে। পৰিয়াল পোহপাল দিবৰ কাৰণে হৰিহৰে অন্নদা ৰায়ৰ সেৰেস্তাত গোমস্তাৰ কাম কৰিছিল। হৰিহৰ ব্ৰাহ্মণ। সেয়ে পৈত্ৰিক আমোলৰ শিষ্যসকলৰ ঘৰ সন্ধান কৰি গুৰুগিৰি আৰু পূজাৰ পুৰোহিত কৰি দুপইচা আৰ্জে। তাৰে অপু-দুৰ্গাৰে হৰিহৰৰ পৰিয়াল চলিবলৈকে টান। তদুপৰি দূৰসম্পৰ্কীয় বায়েক ইন্দিৰৰ ভৰণ-পোষণৰ দায়িত্বও হৰিৰ ওপৰতে। হৰিহৰৰ পত্নী সৰ্বজয়া আৰু ইন্দিৰ ঠাকৰুণৰ বিৰোধৰ মূলতেও আছে পৰিয়ালৰ আৰ্থিক দুৰৱস্থা। অপু-দুৰ্গাই নিশ্চিন্দিপুৰ গাঁৱৰ লোকৰ বাৰীয়ে বাৰীয়ে, পথে-ঘাটে পোৱা ফলমূল সংগ্ৰহ কৰি আনি মহা তৃপ্তিৰে খায়। কেতিয়াবা আম-কঠাল বিচাৰি লোকৰ বাৰীলৈ যাওঁতে গৃহস্থৰ গালি শপনিও খাব লগাত পৰে। হৰিহৰৰ পৈত্ৰিক আমোলৰ আম-কঠালৰ বাৰীখনো হৰিহৰে বন্ধকত দি পৰিয়ালৰ ভাত-কাপোৰৰ ব্যৱস্থা কৰিছে। অপু-দুৰ্গাই ল'ৰালি কালত মিঠাই খাবলৈ হেঁপাহ কৰিছিল। দেউতাকৰ অক্ষমতাৰ কাৰণে মিঠাইৰ ঠাইত চাউলভজা খাই থাকিবলগাৰ কৰুণ চিত্ৰ পথেৰ-পাঁচালীত আছে।[১০]

হৰিহৰৰ পৰিয়ালৰ দৰিদ্ৰতাৰ কঠোৰ চিত্ৰ ফুটি উঠিছে খাদ্যৰ অভাৱত অপু-দুৰ্গাৰ সৈতে সৰ্বজয়া অনাহাৰে থকা দিনবোৰৰ বৰ্ণনাত। হৰিহৰে চাকৰি বিচাৰি বিভিন্ন ঠাইত ঘূৰি ফুৰে। বাৰিষা ৰাতি ঘৰৰ চাল উকৰি পানী পৰে। সৰ্বজয়াই অপু-দুৰ্গাক বৰষুণৰ পৰা বচাবলৈ ৰাতিটোত কৈইবাঠাইতো বিচনা কৰিবলগা হয়। খাদ্য আৰু সু-চিকিৎসাৰ অভাৱত দুৰ্গাৰ মৃত্যু হোৱাৰ বৰ্ণনাত হৰিহৰৰ পৰিয়ালৰ দৰিদ্ৰতা ফুটি উঠিছে।[১১]

দৃষ্টিপ্ৰদীপৰ জিতুৰ দেউতাকে বাগানত চাকৰি কৰি থকা কালত পৰিয়াল স্বচ্ছল আছিল। চাকৰি যোৱাৰ পিছত গাঁৱৰ ঘৰত কোনো স্থায়ী আয় নথকাত পৰিয়ালটোৰ দৈনন্দিন জীৱন অভাৱপূৰ্ণ হৈ পৰে। জিতুৰ মাকে ওচৰ-চুবুৰীয়াৰ পৰা চাউল ধাৰলৈ খাব কৰি, খুজি কেতিয়াবা এসাজ খুৱালেও পৰিয়ালটো প্ৰায়ে লঘোনে থাকে। আৰ্থিক অনাটনৰ কাৰণেই জিতুৰ দেউতাকৰ অৱশেষত মানসিক হেৰুৱাই মৃত্যু হ'ল।

বিভূতিভূষণৰ উপন্যাসত গাঁৱৰ উৎসৱ, পূজা-পাৰ্বন আৰু সংস্কাৰ : চড়ক পূজা •

পথেৰ-পাঁচালী উপন্যাসত নিশ্চিন্দিপুৰ গাঁৱত হোৱা চড়ক-পূজাৰ বৰ্ণনা আছে। চড়কপূজা গাঁওঁখনৰ কাৰণে এটা ডাঙৰ উৎসৱ। পূজাৰ এমাহ মানৰ আগৰ পৰাই গাঁৱৰ বৈদ্যনাথ মজুমদাৰ আৰু বয়সস্থ কেইজনমানে চন্দাৰ বহী হাতত লৈ গাঁৱত ৰাজহুৱাকৈ পতা চড়কপূজাৰ কাৰণে ঘৰে ঘৰে চান্দা তোলে। পূজা আৰম্ভহোৱাৰ আগে আগে গাঁৱৰ ঘৰে ঘৰে গান-বাজনাসহ সন্ন্যাসীদল ঘূৰি ফুৰি গৃহস্থক আশীৰ্বাদ দিয়ে। আহাৰ নিদ্ৰা পৰিহাৰ কৰি অপু-দুৰ্গা আৰু গাঁৱৰ কম বয়সীয়া ল'ৰা-ছোৱালীবিলাক সন্ন্যাসীদলৰ পিছে পিছে চুবুৰীয়ে চুবুৰীয়ে ঘূৰি কটায়। খেজুৰৰ ডালেৰে চড়কপূজাৰ মণ্ডপ বেড়ি দিয় হয়। মণ্ডপৰ ওচৰত গছ-বন কাটি পৰিস্কাৰ কৰি ৰভা দিয়া হয়। ৰভাৰ তলত চড়কপূজাৰ ৰাতি যাত্ৰাদলে নাচ-গান কৰে। চড়কপূজা উপলক্ষ্যে গাঁৱত মেলা বহে। মেলাত বিভিন্ন ধৰণৰ ছবি থকা কিতাপ বিভিন্ন দেব-দেৱীৰ ছবিৰ পৰা আৰম্ভ কৰি নিত্য ব্যৱহাৰ্য্য অনেক বস্তু ওলায়। কোনোবাই সৰু ল'ৰা-ছোৱালীৰ খেল্‌না সামগ্ৰী বা বাঁহী বিক্ৰি কৰে।

চড়কপূজা চাবৰ কাৰণে গাঁৱৰ কৃষক পৰিয়ালৰ ল'ৰা-ছোৱালীয়ে ৰঙীণ কাপোৰ পিন্ধি শাৰী পাতি যায়। পূজ চাই ঘূৰি যাওঁতে ল'ৰাবোৰে মেলাত কিনা বাঁহী সুৰ লগাই বজাই যায়। সকলোৰে হাতে হাতে মেলাত কিনা সিঠাইৰ পুতলা হাতেসজা চৰাই, ৰঙীণ কাগজৰ বিচনি ৰং কৰা কলহ— কিবা নহয় কিবা থাকেই। কোনো কোনোৱে মেলাৰ দোকানত কিনা বুটভজা, ফুলৰি খাই আনন্দেৰে ঘৰলৈ উভতে। চড়কপূজাৰ পিছদিনা হৰিহৰ নিশ্চিন্দিপুৰ এৰি কাশীযাত্ৰা কৰিছিল। সুদীৰ্ঘ চৌৰিছ বছৰৰ পিছত অপু শিশুপুত্ৰ কাজলক লৈ জন্মভূমি নিশ্চিন্দিপুৰ গাঁৱলৈ পুনৰ ঘূৰি আহিছে চড়কপূজাৰ আগদিনা। চৌৰিছ বছৰৰ পিছতো পূজাৰ আগৰ উলহ-মালহ একে আছে। কিন্তু পূজা চাবলৈ অধীৰ আগ্ৰহেৰে যোৱা মানুহবোৰহে সলনি হৈছে। চড়কৰ মেলাই অপুক মনত পেলাই দিয়ে বায়েক দুৰ্গাৰ ৰঙাপাৰী দিয়া শাৰী পিন্ধি মেলা চাবলৈ যোৱাৰ দৃশ্যলৈ।[১২]

ছটপৰব •

আৰণ্যকৰ লবটুলিয়াৰ অৰণ্যবাসী লোকসকলৰ কাতিমাহত হোৱা ছটপৰব ডাঙৰ উৎসৱ। বিভিন্ন চুবুৰীৰ পৰা ছোৱালীবোৰে হালধীয়া ৰঙৰ শাৰী পিন্ধি দলে দলে কলবলিয়া নদীত ছট উটাবলৈ যায়। গোটেই দিনটো ছট উৎসৱৰ আনন্দ কৰে। সন্ধিয়া বস্তিসমূহৰ ওচৰেৰে গ'লে ছট-পৰৱৰ পিঠাভজাৰ গোন্ধ পোৱা যায়। ৰাতি পৰ্য্যন্ত ল'ৰা-ছোৱালীবিলাকে হাঁহি-ধেমালি কৰি গান গাই, যি ঠাইত বনৰীয়া জন্তুৰ ভয়ত মানুহে ৰাতি ওলাবলৈ ভয় কৰে, অৰণ্যৰ সেই ঠাইবিলাকো কল-হাস্যমুখৰ গীতৰ সুৰেৰে উৎসৱদীপ্ত এক বিস্তীৰ্ণ জনপদ কৰি তোলে। সন্ধ্যাৰ পিছৰ পৰা

উৎসৱৰ আনন্দত এজন আনদনৰ ঘৰলৈ গৈ ছটউৎসৱৰ প্ৰসাদ-পিঠা খায়। ৰঙীণ শাড়ী পৰিহিতা গাভৰুসকলে পিঠা পৰিৱেশন কৰে।

ঝুলন উৎসৱ ॰

আৰণ্যক উপন্যাসৰ অৰণ্যভূমিৰ ৰজা দেবৰুপান্নাৰ পৰিয়ালত ধুমধামেৰে শাওনমাহৰ পূৰ্ণিমা তিথিত ঝুলন উৎসৱ পতা হয়। অৰণ্যবাসী ৰাজপৰিয়ালে বহুত দিনৰ পৰা পৰম্পৰাগতভাৱে এই উৎসৱ পাতি আহিছে। ঝুলনৰ সময়ত বহুত দূৰৰ পৰা ৰাজপৰিয়ালৰ আত্মীয় স্বজন, ঝুলন উৎসৱত ভাগ ল'বলৈ আহে। উৎসৱৰ আগৰাতি জোনাকত ৰাজপৰিযাল আৰু গোটখোৱা আত্মীয়সকলৰ গাভৰু কন্যাসকলে নাচ-গানৰ আখৰা কৰে। ওৰেৰাতি মাদল বাজে। পিছদিনা ৰাতিপুৱা ওচৰ-চুবুৰীয়া অন্য গাভৰুসকল আহি পূজাঘৰ উৎসৱমুখৰ কৰি তোলে। সন্ধ্যাৰ আগতে ডেকা-গাভৰুৰ দল সাজিকাচি নাতিদূৰত থকা ধনঝৰি পাহাৰৰ ফালে শোভাযাত্ৰা কৰি যায়। পাহাৰৰ ওপৰৰ সমতলভূমিত এজোপা পুৰণি পিয়াল গছৰ গুৰি ফুল আৰু লতাৰে আবৃত কৰি সজায়। পূৰ্ণিমাৰ জ্যোৎস্নাপ্লাৱিত অপৰূপ সৌন্দৰ্য্যৰ মাজত খোপাত ফুলৰ মালা আৰু গাত ফুলৰ গহনা পিন্ধি তৰুণীৰ দলে ঝুলন গছজোপাক কেন্দ্ৰ কৰি ঘূৰি ঘূৰি নাচিবলৈ ধৰে। কাষে কাষে মাদল বজাই ডেকাবিলাকে নাচে। বহুত ৰাতি পৰ্যন্ত ডেকা-গাভৰুৰ নাচ গান চলি থাকে।[১৩] তৰুণ-তৰুণীৰ গীতৰ তালে তালে, উপস্থিত দৰ্শকৰ সৰল হাঁহিত পূৰ্ণিমা ৰাতিৰ পূৰ্ণচন্দ্ৰ অস্ত যোৱালৈকে ধনঝৰি পাহাৰ উৎসৱমুখৰ হৈ থাকে।

দুৰ্গাপূজা

পথেৰ-পাঁচালীৰ নিশ্চিন্দিপুৰ গাঁৱৰ আঢ্যৱন্ত গাংগুলীৰ ঘৰত প্ৰতিবছৰে দুৰ্গাপূজা ধুমধামেৰে পতা হয়। পূজালৈ অলপদিন থাকোঁতে কুমাৰে আহি দুৰ্গাদেৱীৰ প্ৰতিমা গঢ়ে। মালাকাৰে দেৱীৰ সাজপাৰ নিৰ্দ্দিষ্ট সময়ত যোগান ধৰে। মধুখালি বিলৰ গভীৰ পানীৰ পৰা পূজাৰ বাবে পদুমফুল তুলি অনা হয়। পূজাৰ কেইদিন ঘৰৰ প্ৰাঙ্গন উৎসৱৰ নতুন সাজেৰে সজ্জিত বালক-বালিকাৰে ভৰি পৰে। ল'ৰাবিলাকে পাতল ৰঙৰ জামা পিন্ধে ছোৱালীবিলাকে বিভিন্ন ৰঙৰ শাৰী পিন্ধি খোপাত ৰজনীগন্ধাৰ ফুল গুঁজি লয়। বিভিন্ন ঠাইৰ পৰা আত্মীয়-স্বজন আহি পূজাঘৰ উৎসৱমুখৰ কৰি তোলে। গাঁৱৰ সকলো লোকে উৎসৱৰ নিমন্ত্ৰণ পায়। গাঁৱৰ অতি দৰিদ্ৰ ঘৰেও পূজাৰ কেইদিনত অনাহাৰে থাকিবলগীয় নহয়। পূজাগৃহত নানা ধৰণৰ খোৱাবস্তু সকলোৱে পেটভৰাই খাবলৈ পায়। দীনু সানাইদাৰ দলৰ সংগীতৰ লহৰত নিশ্চিন্দিপুৰ গাঁৱৰ সকলোৱে শৰতক স্বাগতম জনায়।[১৪] দৰিদ্ৰজনৰ কাৰণেও দুৰ্গাপূজা প্ৰধান উৎসৱ। গাঁৱৰ বাহিৰত থকাজনো পূজাৰ সময়ত ঘৰলৈ আহে। ব্যক্তিগতভাৱে পূজা পাতিবলৈ যাৰ সামৰ্থ্য নাই তেওঁলোকে ৰাজহুৱাকৈ দুৰ্গাপূজ পাতে। পথেৰ-পাঁচালীৰ দৰিদ্ৰ হৰিহৰেও দুৰ্গাপূজাত অপু-দুৰ্গাৰ কাৰণে নতুন কাপোৰ আনে।

বিবাহ :

বিভূতিভূষণৰ উপন্যাসত বংগদেশৰ বিবাহ উৎসৱৰ বৰ্ণনা আছে। পথেৰ-পাঁচালীত সৰ্বজয়াই খাজনি হিচাপে আশ্রয় লোৱা জমিদাৰৰ ঘৰত বহাগৰ প্ৰথম পৰেকতে ৰৱবাবুৰ কন্যাৰ বিয়াৰ উপলক্ষ্যে গোটেই ঘৰ কোলাহলমুখৰ হৈ উঠিল। গয়া, এলাহাবাদ কলিকতা কাশী আদি বিভিন্ন ঠাইৰ পৰা আত্মীয়স্বজন আহি ঘৰ ভৰি পৰিল। বিয়ালৈ অহা সকলোৱেই ধনী লোক। প্ৰত্যেকৰে লগত নিজৰ নিজৰ চাকৰ-বাকৰ আহিছে। সন্ধ্যাৰ কিছু সময়ৰ আগতে দীঘল শোভাযাত্ৰা কৰি দৰা আহিল। ৰভাতলৰ বৰ্ণনাও বিস্তৃতভাৱে দিয়া হৈছে।[১৫] স্ত্ৰী-আচাৰৰ বিশদ বিবৰণ আছে। বিবাহৰ উপলক্ষে থিয়েটাৰৰ আয়োজন হ'ল। থিয়েটাৰৰ আনন্দ শেষ হোৱাৰ পিছত মহিলাসকলৰ প্ৰীতিভোজ। প্ৰীতিবোজৰ বিশদ বিবৰণ অপুৰ বিমুগ্ধ দৃষ্টিৰে প্ৰকাশলৈ আহিছে।[১৬]

অপৰাজিতৰ নায়ক অপু কলিকতাত চাকৰি কৰি থাকোঁতে বন্ধু প্ৰণবৰ লগত প্ৰণবৰ মোমায়েকৰ ছোৱালী অৰ্পনাৰ বিয়া খাবলৈ আহিল গঙ্গানন্দকাটি গাঁৱলৈ। বিয়াৰ দৰাৰ আসন সজোৱাৰ ভাৰ পৰিল অপুৰ ওপৰত। বিয়াঘৰৰ ৰভাতল আৰু বৰাসন সজোৱা আৰু দৰা আদৰাৰ বিশদ বিবৰণ লগতে দৰা-কন্যা অপু-অৰ্পনাৰ বিয়াৰ সাজপাৰৰ বিবৰণ আয়তীৰ মঙ্গলধ্বনি আৰু পুৰোহিতৰ মন্ত্ৰউচ্চাৰণৰ বিশদ বিবৰণ দিয়া হৈছে।[১৮]

বাল্য বিবাহ :

বিভূতিভূষণৰ পথেৰ-পাঁচালী আৰু দৃষ্টিপ্ৰদীপ উপন্যাসত বাল্য-বিবাহৰ বিবৰণ আছে। বাঙালী সমাজত কন্যাৰ আঠবছৰ বয়সৰ আগতেই বিয়া দিয়াৰ নিয়ম আছিল। তেনে বিবাহক গৌৰীদান বোলে। ছোৱালীক আঠবছৰ আগতে বিয়া দিব নোৱাৰিলে সমাজে ছোৱালীৰ পৰিয়ালক একঘৰীয়া কৰি ৰাখিছিল। সমাজৰ পৰা একঘৰীয়া হৈ থকাটো কঠিন কাৰণেই অভিভাৱকে কন্যাক যিকোনো উপায়েৰে বাল্যবিবাহ দিবলৈ বিচাৰিছিল। পথেৰ-পাঁচালীৰ সৰ্বজয়াৰ বিয়া হৈছিল আঠ বছৰ বয়সত নিশ্চিন্দিপুৰ গাঁৱৰ হৰিহৰৰ লগত। হৰিহৰ দহ বছৰ দেশান্তৰী হৈপুনৰ সৰ্বজয়াৰলগত সংসাৰ কৰাৰ সময়ত সৰ্বজয়া পূৰ্ণযৌৱনা গাভৰু। হৰিহৰৰ কন্যা দুৰ্গাকো কম বয়সতে নীলমণি ৰায়ৰ আত্মীয় নৰেনৰ লগত বিয়া দিয়াৰ যো-জা চলোৱা হৈছিল। দুৰ্গাৰ মৃত্যু হোৱাত নৰেনৰ লগত চলোৱা বিয়াৰ কথা-বতৰা ভঙ্গ পৰিল। দৃষ্টিপ্ৰদীপত জিতুৰ একমাত্ৰ সুন্দৰী ভনীয়েক সীতাক এজন বয়সস্থ লোকৰ লগত কম বয়সতে বিয়া দিয়া হয়। কেদাৰ ৰাজাৰ কেদাৰ কন্যা শৰতৰ বিয়া হৈছিল আঠবছৰ বয়সতে। বিয়াৰ দুবছৰৰ পিছত বিধবা হৈ গড়শিৱপুৰৰ ভগা অট্টালিকাটো ঘূৰি আহোঁতেও শৰৎ কিশোৰী।

বিধৱাৰ সংস্কাৰ আৰু ৰীতি-নীতি :

বাল্যবিবাহ প্ৰচলন থকাৰ কাৰণেই বিভূতিভূষণৰ সমসাময়িক সমাজত বিধৱাৰ সংখ্যা অধিক আছিল। সাধাৰণতে সামাজিক দায়বদ্ধতাৰ কাৰণে অভিভাৱকে কন্যাক বৃদ্ধৰ লগত বিয়া দিব লগা হৈছিল। বৃদ্ধৰ পিছত বালিকাসকলৰ বিধৱা হৈ পিতৃগৃহলৈ ঘূৰি আহে। বিধৱাৰ বেশ-ভূষা আৰু খাদ্য কঠোৰ বিধানৰ দ্বাৰা নিয়ন্ত্ৰিত। অৱশ্যে এই কঠোৰ বিধান ব্ৰাহ্মণ বিধৱাৰ ক্ষেত্ৰতহে প্ৰযোজ্য। অতুল সুৰে বাঙালীৰ সামাজিক ইতিহাস আলোচনা প্ৰসঙ্গত বিধৱাৰ বেশ-ভূষা আৰু খাদ্যৰ বিৱৰণ দাঙি ধৰিছে।[১৯]

বিভূতিভূষণৰ পথেৰ-পাঁচালী কেদাৰ ৰাজা আৰু বিপিনেৰ সংসাৰত বিধৱাৰ সমস্যা দাঙি ধৰা হৈছে। পথেৰ-পাঁচালীৰ অপু-দুৰ্গাৰ পেহীয়েক ইন্দিৰ ঠাকৰুণ কম বয়সতে বিধৱা হয়। তেওঁৰ কন্যা বিশ্বেশ্বৰী তেতিয়া দুবছৰীয়া। এদিন শহুৰৰ ঘৰৰ পৰা এখন চিঠিত আহিল ইন্দিৰৰ স্বামীৰ মৃত্যুসংবাদ। ইন্দিৰে তেতিয়াই অলংকাৰ খুলি গা-পা ধুই বগা সাজ পিন্ধিবলগীয়া হ'ল।[২০] বিধৱাৰ সাজ-পাৰৰ নিচিনাকৈ খাদ্যতো বাধা-নিষেধ আছে। অৱশ্যে এই বাধা-নিষেধ ব্ৰাহ্মণ ক্ষেত্ৰতহে প্ৰযোজ্য। ব্ৰাহ্মণ বিধৱাৰ মাছ-মাংস খোৱা নিষেধ। তদুপৰি একাদশী তিথিত উপবাসে থাকিব লাগে। বিপিনেৰ সংসাৰৰ বিপিনৰ বিধৱা ভগ্নী বীনাই গোটেই দিন একাদশীৰ ব্ৰত কৰে। আ-অলংকাৰো বিধৱাই পিন্ধা নিষেধ। বিপিনে বিধৱা ভনীয়েক বীনাৰ সোণৰ অলংকাৰ বিক্ৰী কৰি ভায়েক বলাইৰ চিকিৎসা কৰিছে। কেদাৰ ৰাজাৰ কেদাৰ কন্যা শৰৎ বিধৱা। প্ৰভাসে চহৰৰ পৰা আন মুখত ঘঁহা পাউদাৰ-গোন্ধতেল সুন্দৰী শৰতে প্ৰতিবেশী ৰাজলক্ষ্মীক দি দিছে। কম বয়সীয়া হ'লেও সমাজত বিধৱাৰ বিবাহ প্ৰচলন নাছিল। বিপিনেৰ সংসাৰৰ বীনাৰ প্ৰতিবেশী পটলৰ লগত ভালপোৱা গভীৰ আছিল যদিও সমাজৰ চকুত হেয় হোৱাৰ ভয়ত বিয়াৰ কাৰণে আগবাঢ়িব নোৱাৰিছিল।

কৌলিন্য প্ৰথা :

প্ৰাচীন কালৰ পৰা বংগদেশৰ ব্ৰাহ্মণ সমাজৰ মাজত কৌলিন্যপ্ৰথাৰ প্ৰচলন আছিল। কুলীন ব্ৰাহ্মণসকলে অন্য জাতৰ কন্যাৰ লগত বৈবাহিক সম্বন্ধ স্থাপন কৰাটো সামাজিকভাৱে নিষিদ্ধ। ব্ৰাহ্মণ পুত্ৰ সন্তানৰ বিবাহ সাধাৰণতে ব্ৰাহ্মণ কন্যাৰ লগতহে সম্পন্ন কৰা হয়। অন্য নীচ কুলৰ কন্যা বিয়া কৰালে তেওঁক সমাজৰ পৰা বহিষ্কাৰ কৰা হৈছিল। বিপিনেৰ সংসাৰ উপন্যাসৰ স্কুল শিক্ষক বিশ্বেশ্বৰ চক্ৰৱৰ্তীৰ প্ৰথম অৱস্থাত প্ৰেম সম্পৰ্কে কোনো ধাৰণা নাছিল। তাসানপোতাত শিক্ষকতা কৰি থাকোঁতে তেওঁৰ মতি নামৰ এগৰাকী বাগ্দী কন্যাৰ সৈতে দেখা হয়। জীৱনত কাহানিও নোপোৱা প্ৰেম মতিৰ যোগেদি পাই বিশ্বেশ্বৰে তাইক বিয়া কৰালে। মতি নিম্নজাতৰ বাগ্দী কন্যা হোৱাৰ কাৰণে ব্ৰাহ্মণ বিশ্বেশ্বৰক সমাজে একঘৰীয়া কৰিলে। অৱশেষত বিলৰ কাষত গাঁৱৰ পৰা দূৰত সাজি স্বামী-স্ত্ৰী দুয়ো নিঃসঙ্গ জীৱন যাপন কৰিবলগা হ'ল। ইছামতীৰ ৰাজাৰামৰ তিনি ভগ্নী তিলু, বিলু আৰু নীলু ব্ৰাহ্মণ দৰাৰ

অভাৱত বহু বয়সলৈকে অবিবাহিতা হৈ আছিল। কুলীন ব্ৰাহ্মণ ভবানীয়ে পৌঢ় বয়সত তিনি ভগ্নীক বিয়া কৰায়।

জাতিভেদ প্ৰথা :

বিভূতিভূষণৰ উপন্যাসত বংগদেশৰ গাঁৱত প্ৰচলিত জাতিভেদ প্ৰথাৰ বিৱৰণ আছে। পৰম্পৰাগতভাৱে বংগদেশৰ হিন্দু সমাজক দুটা বৰ্ণত বিভক্ত কৰা হৈছিল— ব্ৰাহ্মণ আৰু শূদ্ৰ। পুৰণি ভাৰতীয় হিন্দু সমাজত থকা চাৰিবৰ্ণৰ ভিতৰত ক্ষত্ৰিয় আৰু বৈশ্য বৰ্ণ বংগৰ সমাজত দৃষ্টিগোচৰ হোৱা নাছিল। মধ্যযুগৰ বংগসমাজ কৰ্মভিত্তিক ব্ৰাহ্মণ, বৈদ্য আৰু কায়স্থ এই তিনিটা ভাগত বিভক্ত আছিল। ব্ৰাহ্মণসকলে পূজা-সেৱা কৰিছিল আৰু সমাজত তেওলোকৰ স্থান উচ্চ আছিল। বিংশ শতিকালৈকে কায়স্থসকল গোৱাল, বাগ্দী, হাৰী আৰু ডোম এইকেইটা ভাগত বিভক্ত আছিল। ব্ৰাহ্মণৰ বাহিৰে বাকী বৰ্ণৰ মানুহক নীচ জাতি হিচাপে পৰিগণিত কৰা হৈছিল আৰু তেওলোকৰ মাজত সামাজিক বাধা নিষেধ আৰোপ কৰা হৈছিল। ড° অমিতাভ মুখাৰ্জীয়ে বিংশ শতাব্দীৰ বাঙালী সমাজৰ জাতিভেদৰ বিষয়ে মন্তব্য কৰিছে।[২১] ঔপন্যাসিক শৰৎচন্দ্ৰ চট্টোপাধ্যায়ৰ উপন্যাসত বাঙালী সমাজত প্ৰচলিত জাতিভেদ প্ৰথাৰ বিৱৰণ আছে।

পথেৰ-পাঁচালীৰ হৰিহৰ ব্ৰাহ্মণ। নিম্নজাতৰ মনুহৰ সৈতে হৰিহৰৰ পৰিয়ালৰ খোৱা-বোৱা নিষেধ। আনকি কাষৰ পাৰাতে বাস কৰা যুগীৰ ব্ৰাহ্মণসকলৰ ক্ষেত্ৰতো ইয়াৰ ব্যতিক্ৰম নহয়।[২২] নিম্নজাতৰ মানুহক শৰণ দিলেও বা নিম্নজাতৰ মানুহৰ ঘৰলৈ অহা যোৱা কৰিলেও ব্ৰাহ্মণসমাজে সেই ব্যক্তিজনক এঘৰীয়া কৰে। ব্ৰাহ্মণসকলে অন্য নিম্নজাতৰ মানুহে ৰন্ধা খাদ্য গ্ৰহণ নকৰে। তেনে লোকৰ ঘৰত খাবলগীয়া হ'লে ব্ৰাহ্মণজনে নিজে ৰান্ধি খায়। গৃহস্থই চাউল-শাক-পাচলি যোগান ধৰে। সেই সময়ত আঢ্যৱন্ত কায়স্থ পৰিয়ালে নাইবা ব্ৰাহ্মণ পৰিয়ালে ঘৰত ব্ৰাহ্মণ ৰান্ধনি নিয়োগ কৰি সেই ৰান্ধনিয়ে ৰন্ধা খাদ্য গ্ৰহণ কৰিছিল। **পথেৰ-পাঁচালীৰ** সৰ্বজয়াই হৰিহৰৰ মৃত্যুৰ পিছত এজন জমিদাৰৰ ঘৰত ৰান্ধনীৰ কাম কৰি জীৱন নিৰ্বাহ কৰাৰ উল্লেখ আছে। **আদৰ্শ হিন্দু হোটেলৰ** হাজাৰি ঠাকুৰে অলপদিন গোপলনগৰৰ এটা গন্ধবনিক পৰিয়ালত ৰান্ধনি কৰিছিল। সেই সময়ৰ সমাজত ব্ৰাহ্মণৰ স্থান উচ্চ আছিল। খেতি-বাতিৰ পথাৰৰ কাম বিশেষকৈ হালবোৱা কাম ব্ৰাহ্মণৰ ক্ষেত্ৰত নিষিদ্ধ।[২৩]

গ্ৰাম্য জীৱন আৰু অসমীয়া উপন্যাস ॰

অসমীয়া উপন্যাস সাহিত্যৰ জয়যাত্ৰা সূচনা হয় পদ্মনাথ গোহাঞিবৰুৱাৰ **'ভানুমতী'** ৰচনাৰে। ৰচনাৰ সময় ১৮৯০ চন। গোহাঞিবৰুৱাৰ **ভানুমতী** উপন্যাসে অসমীয়া উপন্যাসৰ বাট কাটি দিয়ে আৰু সেই বাটেৰে আগুৱাই যোৱা বেজবৰুৱা, ৰজনীকান্ত বৰদলৈ, হিতেশ্বৰ বৰবৰুৱা হৰিনাৰায়ণ দত্তবৰুৱা আদি ঔপন্যাসিকৰ উপন্যাসে অসমীয়া উপন্যাসক এক সমৃদ্ধ ৰূপ প্ৰদান কৰে। গোহাঞিবৰুৱা, বেজবৰুৱা, ৰজনীকান্ত

বৰদলৈ আদি প্ৰথম পৰ্য্যায়ৰ ঔপন্যাসিকসকলৰ উপন্যাসৰ বিষয়বস্তু আছিল ঐতিহাসিক। পটভূমি ঐতিহাসিক হ'লও এই উপন্যাসসমূহৰ মাজত অসমৰ গাঁৱৰ ছবি অংকিত হৈছে। গোহাঞিবৰুৱাৰ 'লাহৰী' উপন্যাস মানৰ অসম আক্ৰমণৰ পৰৱৰ্ত্তী সমস্যাৰ পটভূমিত ৰচিত। উপন্যাসখনৰ কাহিনী গাঁওভিত্তিক। আহোম ৰাজত্বৰ পৰৱৰ্ত্তীকালৰ অসমীয় গাঁৱৰ ছবি উপন্যাসখনত সুন্দৰ বৰ্ণনা কৰা হৈছে। মানৰ আক্ৰমণৰ পৰিপ্ৰেক্ষিতত অসমৰ গাঁৱলীয়া পৰিয়ালত দেখা দিয়া আৰ্থিক সংকট স্পষ্টৰূপত প্ৰকাশ পাইছে।

অসমীয়া উপন্যাসৰ সম্ৰাট আখ্যাপোৱা ৰজনীকান্ত বৰদলৈৰ প্ৰথম উপন্যাস মিৰি জিয়ৰীৰ বিষয়বস্তু সামাজিক। সোৱণশিৰি পাৰৰ মিৰি গাঁৱৰ ডেকা-গাভৰু জংকি আৰু পানেইৰ প্ৰেমৰ কৰুণ পৰিণতিৰ লগতে মিৰি-গাঁওখনৰ খেতি-পথাৰ, পৰ্ব-পুৰ্বাণ, লোকগীত আৰু সামাজিক আৰ্থিক জীৱনৰ ছবি উপন্যাসখনত সহৃদয়ভাৱে দাঙি ধৰা হৈছে। বৰদলৈৰ ঐতিহসিক উপন্যাসসমূহতো ইতিহাসৰ ঘটনাৰ লগে লগে গাঁৱৰ চহা খেতিয়কৰ জীৱনযাত্ৰা, ৰাতি-নীতি, পূজা-পাৰ্ৱন তিথি মহোৎসৱৰ চিত্ৰ প্ৰকাশ পাইছে। মনোমতী উপন্যাসত বৰপেটাৰ দৌল উৎসৱৰ বিৱৰণ, বৰপেটা অঞ্চলৰ গাঁওসমূহৰ পৰিচয়, চণ্ডী বৰুৱাৰ দৰে গাঁৱৰ সম্ভ্ৰান্ত লোকৰ ঘৰ-বাৰীৰ চিত্ৰ দাঙি ধৰা হৈছে। নিৰ্মল ভকত, ৰঙ্গিলী তাম্ৰেশ্বৰী মন্দিৰ আদি উপন্যাসত গাঁৱৰ খেতিৰ পথাৰত বোৱা-তোলা, পথাৰৰ টঙীঘৰত ধান ৰখা, গ্ৰাম্য-সমাজৰ আচাৰ-পদ্ধতি, আহাৰ, ভাওনা, বিয়া সবাহ, বাসস্থান আদি যথাযথভাৱে দাঙি ধৰা হৈছে।

দ্বিতীয় মহাসমৰৰ শেষৰ ফালে ৰচিত বীনা বৰুৱা ছদ্মনামত লিখা বিৰিঞ্চিকুমাৰ বৰুৱাৰ জীৱনৰ বাটত উপন্যাসে অসমীয়া উপন্যাসৰ এটা নতুন যুগৰ সূচনা কৰিলে। পৰৱৰ্ত্তী ঔপন্যাসিকসকলে তেওঁৰ উপন্যাসৰ পৰাই নতুন উপন্যাস ৰচনাৰ অনুপ্ৰেৰণা লাভ কৰিলে। অসমীয়া গ্ৰাম্য-জীৱনৰ আটাইবোৰ দিশ উপন্যাসখনত প্ৰতিফলিত হৈছে। গোলাঘাটৰ ওচৰৰ মৰঙি মৌজা। এই মৰঙি মৌজাৰ মৰঙি গাঁৱৰ এটি ৰজাদিনীয়া বৃটিছৰ দিনৰ মৌজাদাৰ পৰিয়ালৰ বিবাহ-অনুষ্ঠানেৰে কাহিনী আৰম্ভ কৰা হৈছে। গাঁৱৰ ঘৰ-বাৰী কথা-বতৰা আচাৰ-অনুষ্ঠান, ৰীতি-নীতি, বিয়া-সকাম, বোৱা-কটাৰ পৰা আৰম্ভ কৰি অসমীয়া গ্ৰাম্য জীৱনৰ পূৰ্ণাঙ্গ ৰূপ উপন্যাসখনত দাঙি ধৰা হৈছে। ৰাস্না বৰুৱা ছদ্মনামত লিখা একেজন ঔপন্যাসিকৰে সেউজীপাতৰ কাহিনী উপন্যাসৰ কাহিনী আৰম্ভ কৰা হৈছে এখন গাঁৱৰ পৰিৱেশত। গাঁৱৰ ল'ৰা মহেশ্বৰে গাঁৱৰ মিছা সন্দেহৰ বলি হৈ ঘৰৰ পৰা চাহ-বাগিচালৈ পলায়ন, চাহ-বাগিচাৰ নতুন সমাজখনতো নিজকে খাপ খুৱাব নোৱাৰি শেষত তাৰ পৰাও নিৰুদ্দেশ যাত্ৰা কৰিছে। উপন্যাসখনত গাঁৱৰ মাটিৰ সমস্যা, কু-সংস্কাৰ, ৰীতি-নীতি চিত্ৰ আছে।

স্বৰাজোত্তৰ কালৰ এক বৃহৎ সংখ্যক অসমীয়া উপন্যাসৰ পটভূমি গ্ৰাম্য জীৱন। যুদ্ধোত্তৰ যুগত ঔপন্যাসিক হিচাপে প্ৰতিষ্ঠা লাভ কৰা চৈয়দ আব্দুল মালিকে অসমৰ গ্ৰাম্য জীৱনৰ পটভূমিত ভালেখিনিখন উপন্যাস লিখিছে। মালিকৰ সমসাময়িক

ঔপন্যাসিক বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ আই উপন্যাসত গাঁৱৰ মানুহৰ খেতিৰ মাটিৰ সমস্যা উপস্থাপন কৰা হৈছে। গাঁৱৰ এগৰাকী ব্ৰাহ্মণ বিধৱা বাচাৰ মাক আইৰ পাৰিবাৰিক জীৱনৰ কথাৰ লগতে ঔপন্যাসিকে সংযোজন কৰিছে নৱ-প্ৰৱৰ্ত্তিত আধিয়াৰ আইনে গাঁৱত সৃষ্টি কৰা জটিল পৰিস্থিতিৰ। এখন গাঁৱৰ এগৰাকী ব্যক্তিৰ সমস্যাৰ পৰা আৰম্ভ কৰি গাঁওখনৰ আৰ্থিক দুৰৱস্থা, আধিয়াৰ আইনে খেতিয়কৰ মাজত সৃষ্টি কৰা আহুকলীয়া পৰিস্থিতি, ৰোগ-মৃত্যু-বাৰ্দ্ধক্য, অভাৱ-অনাটন, ঈৰ্ষা-অসূয়া, হত্যা-অপৰাধ আন আন উপন্যাসতো গাঁৱৰ সমাজ-জীৱনৰ চিত্ৰ আছে।

গাঁৱৰ খেতিয়কৰ মাটিৰ সমস্যা আৰু সনাতন বাপুৰ নিচিনা শোষকশ্ৰেণীয়ে কেনেকৈ গাঁৱৰ খেতিয়ক ৰসেশ্বৰক শোষণ কৰি সৰ্বস্বান্ত কৰিছে তাৰ বাস্তৱ চিত্ৰৰে ৰচিত হৈছে হোমেন বৰগোহাঞিৰ হালধীয়া চৰায়ে বাওধান খায় উপন্যাস। একেজন ঔপন্যাসিকৰ গ্ৰাম্য জীৱনভিত্তিক আন এখন উপন্যাস পিতা-পুত্ৰ। 'সামাজিক প্ৰমূল্যসমূহৰ পৰিৱৰ্ত্তনৰ কাৰণে দুটা যুগৰ মাজত কিদৰে আদৰ্শৰ সংঘাতে দেখা দিছে, পৰিৱৰ্ত্তিত পৰিবেশত গাঁৱলীয়া জীৱন কিদৰে বিপৰ্যস্ত হৈছে, অৰ্থনৈতিক আৰু ৰাজনৈতিক ব্যৱস্থাই সামাজিক জীৱনত কিদৰে সংকটৰ সৃষ্টি কৰিছে— এই সকলোবোৰ বাস্তৱ দৃষ্টিৰে অৱলোকন কৰিচে হোমেন বৰগোহাঞিয়ে পিতা-পুত্ৰ উপন্যাসত।"২৪

অমূল্য বৰুৱাই এই পদুমনি উপন্যাসত মাজুলীৰ মাহমৰীয়া সম্প্ৰদায়ৰ এখন গাঁৱৰ ৰীতি-নীতি, দৈনন্দিন জীৱনযাত্ৰাৰ প্ৰণালী, গএগ লোকৰ ধ্যান-ধাৰণাৰ বাস্তৱ চিত্ৰ দাঙি ধৰিছে। গাঁওখনত সমাজিক আৰু অৰ্থনৈতিক অৱক্ষয়ৰ যি ছবি ঔপন্যাসিকে দাঙি ধৰিছে, তাত সমাজ-সচেতনতা প্ৰকাশ পাইছে। উপন্যাসখনত গাঁৱৰ মানুহৰ দুখ-দুৰ্দশাৰ মূলতে যে তেওঁলোকৰ নিষ্কৰ্মা মনোভাব তকো ব্যক্তি কৰা হৈছে। এই পদুমণিত অসমৰ এখন বিশেষ গাঁৱৰে নহয়, অসমৰ প্ৰায় প্ৰতিখন গাঁৱৰ দুৰৱস্থা প্ৰতিফলিত হৈছে। মাহমৰীয়া গাঁওখনৰ মানুহৰ জীৱনযাত্ৰাৰ সহজ-সৰল ৰূপ আৰু কৃত্ৰিমতা বৰ্জিত কথ্য ভাষাৰ সুস্থ প্ৰয়োগে উপন্যাসখনৰ সৌষ্ঠৱ বঢ়াইছে।

লক্ষীনন্দন বৰাৰ গঙা চিলনীৰ পাখি উপন্যাসত সোনাই নদীৰ পাৰৰ এখন গাঁৱৰ ছবি ফুটি উঠিছে। নতুনকৈ প্ৰৱৰ্ত্তিত হোৱা পঞ্চায়তীৰাজ, নিৰ্বাচন আদি ৰাজনৈতিক ব্যৱস্থাই গাঁৱৰ ৰাইজৰ মাজত ভেদাভেদ আনিছে। সোনাই পাৰৰ গাঁৱত নতুনকৈ পকী আলিবাট হৈছে, ভিতৰুৱা গাঁওবিলাকৰ মাজত সংযোগ ব্যৱস্থা উন্নত হৈছে, নতুনকৈ বাচ-মটৰ চলিছে, কিন্তু এই নতুনত্বই গাঁৱৰ ক্ষুদ্ৰ ব্যৱসায়ী ভোগৰামৰ জীৱনলৈ কেনেকৈ বিপৰ্য্যয় আনিছে তাৰ সৰস বৰ্ণনা উপন্যাসখনত আছে। নগৰৰ লগত যোগাযোগ সহজ হোৱাত গাঁৱৰ মানুহে কিনা-বেচাৰ কাৰণে নগৰলৈ ঢাপলি মেলে। গতিকে মাটি-বাৰীহীন গাঁৱৰ যুৱক ভোগৰামৰ গাঁৱত ব্যৱসায়ী কৰিও দুসাজ খাবলৈ নোপোৱাৰ নিচিনা দুৰৱস্থাৰ সৃষ্টি হৈছে। সোণাইপৰীয়া গাভৰু বাসন্তীৰ প্ৰেম কাহিনীৰ লগতে সোণাইপাৰৰ প্ৰকৃতি গাঁৱৰ ৰাইজৰ ধ্যান-ধাৰণা আৰু জীৱনপদ্ধতিৰ আভাস

উপন্যাসখনত আছে। নতুন নাগৰিক ঔদ্যোগিক সভ্যতাই ঊনবিংশ শতিকাৰ কৃষিজীৱি সমাজত পেলোৱা কুপ্ৰভাৱ উপন্যাসখনত প্ৰতিফলিত হৈছে।

দেবেন্দ্ৰ নাথ আচাৰ্যৰ অন্য যুগ অন্য পুৰুষ উপন্যাসত যোৰহাটৰ সমীপৱৰ্তী গৰখীয়াদ'ল গাঁও অঞ্চলটো ইংৰাজৰ আমোলত হোৱা পৰিবৰ্তন কেতিয়া কেনেকৈ আহিল তাৰ বিৱৰণ আছে। ইংৰাজ আগমনৰ বিগত দিনৰ অসমৰ গাঁও অঞ্চলৰ নদন-বদন অবস্থাৰ কথা, অসমৰ প্ৰাকৃতিক পৰিৱেশ চহা লোকৰ ভূত-প্ৰেতৰ ওপৰত থকা বিশ্বাস বেজ-ওজাৰ চিকিৎসাৰ আবিৰ্ভাৱ আৰু প্ৰভাৱ, বিভিন্ন লোক-বিশ্বাস, উৎসৱৰ হাঁহি-আনন্দ আদিক কাহিনীৰ অন্তৰ্ভুক্ত কৰা হৈছে। উপন্যাসখনত বিগত যুগৰ সমাজজীৱনৰ এক প্ৰামাণ্য তথ্য পোৱা যায়। লগতে গ্ৰাম্যসভ্যতা আৰু গ্ৰাম্য জীৱনধাৰাৰ সংকট নিখুঁটভাৱে প্ৰকাশ পাইছে।

ঘনকান্ত গগৈৰ সোণৰ-নাঙল, দীননাথ শৰ্মাৰ নদাই, হিতেশ ডেকাৰ আজিৰ মানুহ আদি উপন্যাসতো গ্ৰাম্য জীৱনৰ মাটিৰ সমস্যা পোহৰলৈ আহিছে। আটাইকেইখন উপন্যাসেই স্বাধীনোত্তৰ কালৰ গ্ৰাম্য জীৱন আৰু সমস্যাৰ দলিল।

মালিকৰ গ্ৰাম্য জীৱনকেন্দ্ৰিক উপন্যাস ঃ

মালিকৰ উপন্যাসত অসমৰ গাঁৱলীয়া জীৱনৰ ছবি নিটোল আৰু যথাযথ ৰূপত জীৱন্ত হৈ উঠিছে। মালিকৰ সৰহসংখ্যক উপন্যাসৰ পটভূমি অসমৰ গ্ৰাম্য জীৱন। মালিক নিজেও গাঁৱৰ সন্তান। গাঁৱৰ প্ৰতি তেওঁৰ এক অহেতুক আকৰ্ষণ আছে। সাপ্তাহিক নীলাচলৰ এটা প্ৰবন্ধত মালিকে লিখিছে— 'মই এখন পুৰণি গাঁৱৰ কৃষকৰ ল'ৰা। মাটি পানী বন বোকাৰ লগত মোৰ আশৈশৱ সম্পৰ্ক। নগৰ বা নাগৰিক জীৱনৰ প্ৰতি মোৰ কোনো অশ্ৰদ্ধা বা বিৰাগ নাই। তথাপি গাঁৱৰ প্ৰতি মোৰ দুৰ্বলতা আছে। ই সংস্কাৰগতনে temperamental মই নাজানো। গাঁৱৰ কৃষকৰ জীৱনধাৰাত নদীৰ গভীৰ সোঁতৰ দৰে, ৰাতিৰ ৰহস্যময় ব্যাপ্তিৰ দৰে, অৰণ্যৰ নিবিড় আদিমতাৰ দৰে এটা আপোন আপোন লগা চিৰন্তনতা আছে। মই যিমানে পুৰণি ভিতৰুৱা গাঁৱৰ মাজলৈ সোমাই যাওঁ, সিমানে মোৰ জীৱনৰ বেছি কাষচাপি যোৱা যেন লাগে। জীৱনক বুকুৰ মাজত বিচাৰি পোৱা যেন লাগে। গাঁওবোৰত হাঁহি আৰু চকুলো গাত-গা লগাই থাকে, জীৱনৰ দৰেই মৃত্যুও সমানেই আপোন। গাঁৱৰ মানুহে মৰাশ কান্ধত লৈ যাওঁতেই ফুচুৰি কথা কৈ হাঁহিব পাৰে, বিয়াৰ ৰভাতলিত হাঁহি-খিকিন্দালিৰ মাজতো হিয়া-ঢাকুৰি কান্দিব পাৰে। গাঁৱৰ মানুহৰ হৃদয়বৃত্তি আধুনিক সভ্যতাৰ স্থূল যান্ত্ৰিকতাই সম্পূৰ্ণ শেষ কৰি পেলোৱা নাই।'[২৫]

মালিকৰ প্ৰথম প্ৰকাশিত উপন্যাস বনজুইৰ পটভূমি এখন গাঁও বৰপদুমণি। গাঁওখন পুৰণি। মানুহৰ প্ৰাচীন জীৱনধাৰাৰ জীৱনপদ্ধতিৰ চিন সকলোতে। গাঁওখনত মানুহ কম। গোটেই গাঁওখনত মানুহ মুঠেই তেৰঘৰ। বৰপদুমণি গাঁৱৰ এমাইল দূৰত আৰু এখন গাঁও বৰগাঁও। দুইখন গাঁৱৰ মাজত এমাইলজোৱা এখন হাবি। অৱশ্যে

দুয়োখন গাঁৱৰ মানুহে খৰি লিওঁতে হাবিখন পাতল হৈছে। এই বৰপদুমণি গাঁৱৰে যুৱক প্ৰেমধৰ আৰু প্ৰেমধৰৰ বিবাহিতা যুৱতী পত্নী জোনাক লৈ উপন্যাসৰ কাহিনী। জোনা আৰু গোলাপমাষ্টৰৰ অবৈধ প্ৰেমৰ জুয়ে কেনেকৈ প্ৰেমধৰৰ জীৱন চাৰখাৰ কৰিলে তাৰ সৰস বিৱৰণ উপন্যাসখনত আছে। গাঁওখনৰ খেতিৰ মাটি, বোৱা-তোলা, ধানদোৱা, বাৰী-ঘৰৰ যতাযথ বিৱৰণ আছে। জোনা আৰু গোলাপমাষ্টৰ পলাই গৈ অলপদিনৰ কাৰণে মাখনৰ কৰ্মস্থান উত্তৰপাৰৰ চাৰিকড়িয়া গাঁৱত আশ্ৰয় লৈছিল। উপন্যাসখনৰ বহুঠাই চাৰিকড়িয়া গাঁৱৰ বিৱৰণেৰে আগুৰি আছে। গাঁৱৰ পটভূমিত কাহিনীয়ে গঢ়লোৱা কাৰণে স্বাভাৱিকভাৱে গাঁৱৰ মানুহৰ ধ্যান-ধাৰণা, সুখ-দুখ, আশা-আকাঙ্ক্ষা হাঁহি-কোন্দোন আৰু গাঁৱৰ বাট-পথ, ৰ'দ-বৰষুণ বাৰিষা-খৰালিৰ বিৱৰণ উপন্যাসখনত আছে।

মালিকৰ জীয়া জুৰিৰ ঘাট উপন্যাসৰ কাহিনী নগৰৰ পৰা প্ৰায় চাৰি কিলোমিটাৰ দূৰৰ এখন গাঁৱৰ পটভূমিত ৰচিত। গাঁওখনৰ মানুহৰ জীৱন নিৰ্বাহ, ঘৰ-দুৱাৰ বিয়া-বাৰু আৰু আনুষঙ্গিক বিভিন্ন কথা উপন্যাসখনত বৰ্ণিত হৈছে। সমীপৱৰ্ত্তী বৰচোমনি গাঁৱৰ আৰ্থ-সমাজিক জীৱনৰ চিত্ৰ আৰু পাৰিবাৰিক জীৱনধাৰাৰ ছবি উপন্যাসখনত বিশদভাৱে আছে।

নল-বিৰিণা-খাগৰি মালিকৰ আন এখন গাঁৱৰ পটভূমিত ৰচিত সুখপাঠ্য উপন্যাস। তিনিকুৰি নে চাৰিকুৰি বছৰৰ আগতে ব্ৰহ্মপুত্ৰই পেলোৱা ওখ বালিচাপৰিত এঘৰ-দুঘৰকৈ ক'ৰবাৰ পৰা মানুহ আহি পামঘৰ সাজিছিল। লাহে লাহে ব্ৰহ্মপুত্ৰ বহুদূৰ আঁতৰি যোৱাত আৰু মানুহ আহি ঘৰ সাজিলেহি। গাঁওখনৰ মাজেদি মৌজুলি নদী বৈ গৈছে কাৰণে গাঁওখনৰ নাম মৌজুলি। সৰহ মানুহ বহাত পাম গুচি গাঁও হ'ল। দুৰণিৰ পৰা অহা মানুহখিনিৰ খেতি-পথাৰ ঘৰ-দুৱাৰ ডেকা-গাভৰুৰ প্ৰেম-প্ৰীতি ৰভামঘৰৰ ভাওনা (ভ'না)-সবাহ, বাৰিষা-খৰালি গাঁৱৰ হাবিত থকা যখিনী খেতৰ অজগৰ, গোমফেটি বনৰজা শিয়াল ছুচু-ফেউৰাৰ চিএৰেৰে আৱৰা মৌজুলি গাঁও মুখৰ। মৌজুলি গাঁৱৰ মানুহবিলাক নিৰক্ষৰ, ডেৰকুৰি কণী উণনি দিলে কেনেকৈ একুৰি পোন্ধৰটা পোৱালি ওলায় কোনেও বুজিব নোৱাৰে। গাঁওখনৰ ভিতৰত আটাইতকৈ বয়সীয়া বুঢ়া ব্ৰহ্মপুত্ৰ। তাৰ পিছতে বৰবিল। বৰবিল ব্ৰহ্মপুত্ৰৰে মৰিসুঁতি। আৰু গাঁৱৰ ৰভামঘৰটোও অতিকে পুৰণি।

আধাৰশিলা উপন্যাসৰ পটভূমি অসমৰ এখন পুৰণি গাঁও। পথাৰে-সমাৰে ঘৰে-বাৰীয়ে মাতে কথাই পুৰণিৰ কৰাল লাগি থকা। মুছলমান প্ৰধান গাঁওখনৰ মাজত পুৰণি মছজিদটো। মছজিদৰ সন্মুখতে দুহালিচা মাটিৰ বৰ পুখুৰীটো। গোটেই গাঁওখনে এই পুখুৰীৰ পৰাই পানী খায়। পুখুৰীৰ পাৰতে পাঁচজোপা বকুল, বহুত দিনৰ পুৰণি। বতৰ ভালথাকিলে গাঁৱৰ ল'ৰা-ছোৱালীয়ে বকুলৰ তলতে খেলে, কাজিয়া কৰে। কৃষিজীৱি গাঁওখনৰ খেতি-পথাৰ, উৎসৱ-পাৰ্বন, প্ৰেম-বিবাহ, মেল-বিচাৰ সকলো

বৰ্ণনাই উপন্যাসখনত আছে। গাঁৱৰ পটভূমিত চমীৰৰ জন্মৰ মাজেৰে আৰম্ভ হোৱা উপন্যাসখনত মাজথ খণ্ডত চমীৰৰ নগৰীয়া জীৱন আৰু দ্বিতীয় বিশ্বযুদ্ধৰ বৰ্ণনা আছে আৰু উপন্যাসখন শেষ হৈছে গাঁৱত চমীৰৰ মাক সোণপাহীৰ মৃত্যুৰে।

মালিকৰ দীৰ্ঘ কলেবৰৰ উপন্যাস ৰূপাবৰিৰ পলসত বাংলাদেশৰ এখন ভিতৰুৱা গাঁও সোণাপাৰা আৰু অসমৰ গাঁও ৰূপাবৰি ৰূপহী আৰু জৰাবাৰী গাঁৱৰ কথা আছে। ৰূপাবৰিৰ পলস উপন্যাসৰ কাহিনী আৰম্ভ হৈছে বংগদেশৰ এখন ভিতৰুৱা গাঁও সোণাপাৰাত। কাহিনী ১৯৩৬ চনৰ। ভাৰতবৰ্ষত তেতিয়া বৃটিছৰ ৰাজত্ব। বংগদেশৰ মাটিৰ মালিক তেতিয়া জমিদাৰ। জমিদাৰৰ মাটিৰ বুকুতি সংগ্ৰাম কৰি সোণাপাৰা গাঁৱৰ খেতিয়কে জীয়াই থাকিবলৈ আপ্ৰাণ চেষ্টা কৰে। গাঁওখনৰ খেতিয়ক মানুহখিনিৰ কাৰণে জীৱন মানে মাটি। 'মাংস খোৱা বনৰীয়া জন্তুৱে চিকাৰৰ বস্তুৰ গোন্ধলৈ ফুৰাৰ দৰে সিহঁতে মাটিৰ গোন্ধলৈ ফুৰে। কিন্তু জমিদাৰৰ বাহিৰে গাঁওখনৰ কাৰো নিজাকৈ মাটি নাই। মাটিৰ মোহ এৰিব নোৱাৰাৰ কাৰণেই নানা উৎপীড়ন-অত্যাচাৰ সহ্য কৰিও খেতিয়কে জমিদাৰৰ মাটিকে আকোঁৱালি ধৰি থাকে। মাটিৰ লগত মিলি থকা এই মানুহবোৰে এক স্বাভাৱিক সহজ ছন্দেৰে প্ৰকৃতিৰ মাহ-ঋতুৰ পৰিবৰ্ত্তনবোৰ গীতেৰে ধৰি ৰাখিবলৈ বিচাৰে। এই গীতৰ সুৰবোৰ গাঁৱৰ নদ-নদী খাল-পুখুৰী পথাৰ-বননি বালিচাপৰি সকলোতে উটি উফণ্ডি ফুৰে।"[২৬] কিন্তু এইখন প্ৰকৃতিয়ে সিহঁতক উদাৰ মৰম দিলেও আহাৰ দিব নোৱাৰে। খেতিৰ মাটিৰ গৰাকী জমিদাৰহে, গতিকে খেতিয়কৰ নিজে খেতিকৰা শস্যৰ ওপৰতো কোনো অধিকাৰ বা দাবী নেখাটে। কাহিনীৰ নায়ক বাবৰ জমিদাৰৰ পুতেকক মৰিয়াই অসমমুখী ৰেলত উঠিল। অসমত তেতিয়া নামনিত দুই এখন জমিদাৰী থাকিলেও বাকী অংশত ৰায়তী ব্যৱস্থা। মাটিৰ খাজনা দি সাধাৰণ মানুহো মাটিৰ গৰাকী হ'ব পাৰে। অসমলৈ আহি বাবৰে চৰিফ গাঁওবুঢ়াৰ ঘৰত হালোৱা হিচাপে কাম কৰিবলৈ ল'লে। বাবৰে গম পালে যে অসমত মাটিৰ মালিক কেৱল জমিদাৰ নহয়, অনাবাদী মাটিত খেতি কৰি সাধাৰণ খেতিয়কো মটিৰ গৰাকী হ'ব পাৰে। সেয়ে বহুতো বংগদেশৰ লোক আহি অসমত নিগাজীকৈ বসবাস কৰিবলৈ লৈছে।[২৭]

মালিকৰ সূৰুযমুখীৰ স্বপ্ন উপন্যাসৰ পটভূমি ধনশিৰি নদীৰ পাৰৰ ডালিম গাঁও। গাঁওখন কেইবাশ বছৰ পুৰণি। বুঢ়া বৰগছ কেইজোপা ধনশিৰিৰ পাৰৰ জয়াৰ মৰিশালীখন তাৰ সাক্ষী। গাঁওৰ বুঢ়া-বুঢ়ীৰ মুখত আগৰ দিনৰ সাধুকথাৰ শেষ নাই। নৈৰ ঘাটত গাঁৱৰ জীয়াৰী বোৱাৰীৰ মাৰযোৱা খোজৰ চিহ্ন আছে।[২৮] ধনশিৰি নদীৰ পশ্চিম পাৰে ডালিম গাঁও। হিন্দু-মুছলমান মিকিৰ-নেপালী সকলো লোকৰে সংমিশ্ৰণত ডালিম গাঁও। নদীৰ পাৰত বাস কৰে নেপালীমানুহ কেইঘৰে। গুচৰতে গৰু ম'হৰ খুটি। গাখীৰ বেচি গোমধান জলকীয়া, লাউ কোমোৰাৰ খেতি কৰি জীৱন নিৰ্বাহ কৰে। হিন্দুৰ ভিতৰত কছাৰী আৰু সুতকলীয়া কেইঘৰমান, এঘৰ বামুণ আৰু আঠঘৰ

মিকৰ বাকী সকলো লোক মুছলমান। দুটা চুবুৰীত দুভাগহে (ন-ডালিম আৰু পুৰণি ডালিম) থকা ডালিম গাঁও এখনহে। গাঁওখনত দুটা মছজিদ, এটা নামঘৰ আৰু এখন পঢ়াশালী আছে। ডালিম গাঁৱৰ বসতি সেৰেঙা। বহুত অনাবাদী মাটি পৰি আছে। গাঁওখনৰ দক্ষিণ আৰু পশ্চিমত নামঘৰ হাবিৰ কিছু অংশ আছে। হাবিৰ বাঘে কেতিয়াবা গাঁৱৰ মানুহৰ গোহালিৰ গৰু লৈ যায়। বনৰীয়া হাতীয়ে ধাননি মহতিয়ায়, ঘৰ ভাঙে। গাঁৱৰ পৰা বাহিৰ ওলাবৰ কোনো নিৰ্দ্ধাৰিত পথ নাই। গাঁওখনৰ মানুহৰ সুখ-দুখ, প্ৰেম-বিৰহৰ ছবি সুৰুযমুখীৰ স্বপ্ন উপজীব্য।

পদুমৰা হাবিৰ বাট উপন্যাসৰ পটভূমি বৰচোমনি নামৰ এখন গাঁও। গাঁওখনত বাসকৰা মাউপন্যাসুহ দুশঘৰ মানেই হ'ব। হিন্দু-মুছলমান বেলেগ বেলেগ জাত-কুল-ধৰ্মৰ মানুহ থুপখাই বৰচোমনি গাঁও হৈছে। গাঁওখনৰ মানুহ সৰহখিনিয়েই দুখীয়া। নিজাকৈ মাটি বাৰী নাই। অৱশ্যে কেইঘৰমান প্ৰতিপত্তিশালী মানুহো নোহোৱা নহয়। এনেকুৱা ধনী মানুহৰ সংখ্যা ছঘৰ। গাঁওখনৰ দুশঘৰ মানুহৰ ভিতৰত এই ছঘৰেই বেলেগ সমাজ কৰি থাকে। খেতিয়কৰ মাটিৰ সমস্যা পদুমৰা হাবিৰ বাট উপন্যাসত প্ৰতিফলিত হৈছে।

জেতুকা পাতৰ দৰে উপন্যাসৰ পটভূমি অসমৰ এখন কৈবৰ্ত্ত গাঁও। গাঁওখন বহুত পুৰণি। দুশ বছৰমানৰ আগতে ব্ৰহ্মপুত্ৰৰ এৰামাটিত গাঁওখনৰ মানুহখিনিৰ পূৰ্বপুৰুষ আহি বহিছিল। গাঁওখনৰ কাষেদি দিচৈ নদী বৈ গৈছে পুবৰ পৰা পশ্চিমলৈ। এফালে গেলাবিল। নৈৰ বালিচাপৰিত গাঁৱৰ মানুহে মাহ, সৰিয়হ, জলকীয়া আদিৰ খেতি কৰে। কৈবৰ্ত্ত গাঁওখনৰ মানুহখিনিৰ প্ৰধান ব্যবসায় মাছৰ। দিচৈনদী, গেলাবিল আৰু আন আন খাল-বিল আদিৰ মাছেই মানুহখিনিৰ জীৱিকা আৰ্জনৰ ক্ষেত্ৰ। কিছুমান লোকৰ অলপ অলপ খেতিৰ মাটি আছে। কাৰোবাৰ সৰুসুৰা দোকান আছে। যিসকলে মাছৰ ব্যবসায়ী কৰে তেওঁলোকৰ সৰহখিনি মানুহেই দুখীয়া। গাঁৱৰ মানুহখিনিৰ দৰিদ্ৰতা দূৰ কৰিবৰ কাৰণে আগবাটি আহিছে উচ্চশিক্ষিতা যুৱতী ৰাধা। কিন্তু নদীৰ মথাউৰি বান্ধি গাঁৱৰ বাইজক সুৰক্ষা দিয়া নিবনুৱা যুৱক-যুৱতীক কৰ্ম সংস্থাপন দিয়া আদি গাঁৱৰ সমস্যাবিলাক চৰকাৰক অৱগত কৰিবলৈ নৌপাওঁতেই পাঁচ ঠাইত মথাউৰি চিগি বানপানীয়ে গাঁওখন বুৰাই পেলালে। জেতুকা পাতৰ দৰেত অসমৰ অনুসূচীত জনজাতিৰ সমস্যাৰ বিশদ বিৱৰণ আছে। মালিকৰ এটা ধুমকেতুৰ শৰশয্যা অন্য যুগ ভিন্ন তীৰ্থ, জয়া-মণিকা ইত্যাদি বিহু মেটেকাৰ ফুল, কণ্ঠহাৰ, উইঁহাফলু, ধন্য নৰ তনু ভাল আদি উপন্যাসতো গ্ৰাম্য জীৱনে এক বিশেষ ভূমিকা গ্ৰহণ কৰিছে।

অসমীয়া গ্ৰাম্য জীৱনৰ ঘৰ-দুৱাৰ পিন্ধন-উৰণ, খোৱা-বোৱা গালি-শপনি উৎসৱ-পাৰ্বন আদিৰ এনে এটা দিশ নাই যিটো মালিকৰ উপন্যাসৰ কাহিনীৰ পটভূমিত তেজ-মঙহৰ দৰে লাগি থকা নাই। আচৰিত ৰঙৰ পয়োভৰৰ পৰা, দৰিদ্ৰজনৰ জুৰুলাতলৈকে

সকলো দিশতে মানিকৰ দৃষ্টি সমানে পৰিছে। তাঁতশাল, বাৰুনিঘৰ, ঢেঁকীশাল, গোঁসাই ঘৰ, পুখুৰীৰ পাৰ, পদুলিৰ মুখ আটাইবোৰতে অসমীয়াৰ আপোন আপোন পৰিবেশ জিলিকি উঠিছে।

মানিকৰ উপন্যাসত গ্ৰাম্য নাৰী-পুৰুষৰ প্ৰেম ঃ

মানিকৰ উপন্যাসত প্ৰেমে এক বিশেষ স্থান অধিকাৰ কৰিছে। তেওঁৰ ৰচিত প্ৰায় আটাইবোৰ উপন্যাসৰে মূল উপজীব্য হৈছে প্ৰেম। ক্ষণস্থায়ী আৰু উৰণীয়া প্ৰেমৰ পৰা আৰম্ভ কৰি গভীৰ হৃদয়গ্ৰাহ্য প্ৰেমলৈকে প্ৰেমৰ বিভিন্ন ৰূপ তেওঁৰ উপন্যাসৰ মাজেদি প্ৰকাশিত হৈছে। মানিকৰ উপন্যাসত প্ৰকাশ পোৱা প্ৰেমৰ স্বৰূপ একে আষাৰে ব্যাখ্যা কৰা টান। প্ৰেম সম্পৰ্কে মানিকৰ দৃষ্টিভংগী মূলতঃ ৰমন্যাসিক। প্ৰেম সম্পৰ্কে তেওঁ এটা অতি উচ্চ ধাৰণা পোষন কৰিছিল। এই ধাৰণা ভাবপ্ৰৱণতা আৰু কল্পনাৰ সমাহাৰত গঢ়লৈ উঠা। তেওঁৰ মতে প্ৰেম জীৱনৰ মূল শক্তি। জীৱনটো সুন্দৰ আৰু মহীয়ান কৰিবৰ বাবে প্ৰেমেই একমাত্ৰ অৱলম্বন। তেওঁৰ প্ৰেমৰ ধাৰণা গভীৰ আৰু জীৱনবোধৰ লগত জড়িত। প্ৰেমৰ মাজতে তেওঁ জীৱনৰ অৰ্থ বিচাৰি পায়। প্ৰেমে মানুহৰ জীৱন সুস্থ কৰি তোলে। প্ৰেমৰ মাজতে দেহ আৰু আত্মাৰ ছয়ামায়া সীমা তেওঁ বিচাৰি পায়। মানিকৰ উপন্যাসৰ মাজেদি প্ৰকাশপোৱা প্ৰেম মূলতঃ ইন্দ্ৰিয়গ্ৰাহ্য বা দেহজ প্ৰেম। মানিকৰ গল্প আৰু উপন্যাসৰ প্ৰেম সম্পৰ্কে ড নগেন শইকীয়াৰ মন্তব্য এই ক্ষেত্ৰত প্ৰণিধানযোগ্য— 'মানিকৰ গল্প আৰু উপন্যাসৰ ঘাই আধাৰ প্ৰেম। এই প্ৰেমে সামৰি লৈছে নৰ-নাৰীৰ প্ৰকৃতিপ্ৰেম, দেশপ্ৰেম আৰু সাৰ্বজনীন মানৱ প্ৰেমকো। ক'ব পাৰি প্ৰেমেই মানিকৰ ৰচনাৰ আধাৰশিলা। এই প্ৰেমত জটিলতা নাই কুটিলতা নাই, আছে এক ৰোমাণ্টিক আকাঙ্ক্ষা। স্বাভাৱিক স্বতঃস্ফূৰ্ত কোমলতা আৰু জীৱনৰ সকলো দুখ আৰু যন্ত্ৰণা পাহৰাই ৰাখিব পৰা আকাঙ্ক্ষা। [২৯]

মানিকৰ বনজুই উপন্যাসৰ নায়িকা জোনাৰ একাধিক ব্যক্তিৰ লগত প্ৰেমৰ সম্পৰ্ক। জোনাৰ প্ৰথম প্ৰেম প্ৰেমধৰ। গাঁওখনৰ প্ৰেমধৰতকৈ দেখাই-শুনাই, কথাই কামে বহুত ভাল ল'ৰাই বিয়া কৰাবলৈ বিচৰাতো জোনা প্ৰেমধৰকহে বিয়া কৰাবলৈ মান্তি হৈছিল। কাৰণ প্ৰেমধৰ এঘাৰপুৰা ৰূপিত মাটিৰ গৰাকী আৰু তাৰ নিজৰ বুলিবলৈ আৰু কোনো নাই। অগাধ সম্পত্তিৰ গৰাকী হোৱাৰ আশাতে জোনাই প্ৰেমধৰক বিয়া কৰাইছিল। বিয়াৰ পিছত প্ৰেমধৰৰ অকলশৰীয়া জীৱনটো আৰু তাৰ মাটি-বাৰী, গৰু-ছাগলী সকলোখিনি নিজৰ কৰি লৈ জোনা গিৰিহঁতনী হৈ পৰিল। জোনা-প্ৰেমধৰৰ প্ৰথম দুবছৰ দাম্পত্য জীৱন সুখৰে আছিল। বিয়াৰ দুবছৰৰ পিছতো জোনাৰ কোনো সন্তান নোহোৱাত দুয়ো আলোচনা কৰি গাঁৱৰে গোলাপ মাষ্টৰক চিকিৎসাৰ কাৰণে মতাই আনিলে। সন্তানহীনতাৰ চিকিৎসা কৰাৰ অজুহাতত জোনা-মাষ্টৰৰ প্ৰেমৰ সম্পৰ্ক গঢ়ি উঠিল। প্ৰেমধৰ পামতথকাৰ সুযোগতে জোনাই বহুত

উজাগৰী ৰাতি গোলাপ মাষ্টৰৰ দুবাহুত কটাই দিলে। এদিন গোলাপ-জোনা দুয়ো সমাজ নথকা, প্ৰেমধৰ নথকা ক'ৰবাৰ এখন দূৰ দেশলৈ গৈ দাম্পত্য জীৱন যাপন কৰিবৰ কাৰণে ঘৰৰ পৰা পলাল। মাখনৰ ঘৰত গোলাপ মাষ্টৰৰ লগত পলাই গৈ আশ্ৰয় লওঁতে জোনাই মাখনকো আকৰ্ষণ কৰিবলৈ যত্ন কৰিছিল।

বনজুইৰ জোনাৰ প্ৰেম ক্ষণস্থায়ী। তাই কোনো পুৰুষৰ লগতে স্থায়ীভাৱে জীৱন কটাব নোৱাৰে। ৰূপৰ বলেৰে বিভিন্ন ডেকাক আকৰ্ষণ কৰাই জোনাৰ মূল উদ্দেশ্য। জোনাৰ তুলনাত প্ৰেমধৰৰ প্ৰেম নিৰ্ভাজ। কোনো আপোন মানুহ নথকা প্ৰেমধৰৰ বিশ্বাস আৰু অকৃত্ৰিম মৰমেৰে তাইক আৱৰি ৰাখিব খুজিছিল। সহজ-সৰল প্ৰেমধৰৰ বিশ্বাস ভংগ কৰি মাষ্টৰৰ লগত পলাই যোৱা জোনাৰ তুলনাত প্ৰেধৰৰ প্ৰেম উদাৰ। গোলাপৰ লগত পলাই গৈ দুমাহৰ পছত সন্তানসম্ভৱা হৈ ঘূৰি অহা জোনাকো সি বহল অন্তৰেৰে আকোঁৱালি লৈচে। জোনাৰ সন্তান সোণক বোকাত ফুলা পদুম বুলি সাৱটি লোৱাতেই প্ৰেমধৰৰ প্ৰেমৰ মহত্ব প্ৰকাশ পাইছে। গোলাপ মাষ্টৰৰ প্ৰেম জোনাৰ নিচিনা ক্ষণস্থায়ী। জোনাৰ নিঃসঙ্গতাৰ সুবিধা গ্ৰহণ কৰি সি তাইৰ লগত বহু ৰাতি যাপন কৰিছে। দেহজ প্ৰেমেৰে জোনাৰ মন জয় কৰি শেষত তাইক পলুৱাই নিবলৈও সক্ষম হৈছে। প্ৰেমধৰৰ জোনাৰ প্ৰতি থকা বিশ্বাসৰ বিপৰীতে গোলাপ মাষ্টৰৰ আছিল বিশ্বাসহীনতা। তাৰ সন্দেহ যিজনী ছোৱালীয়ে গিৰিয়েকক এৰি তাৰ লগত পলাই আহিছে, তাই তাক এৰিও পলাই যাব পাৰে। পুলচিৰ হাতত ধৰা পৰাত গোলাপে জোনাক অকলে এৰি পলায়ন কৰিছে।

বনজুইৰ জোনাৰ নিচিনাকৈ নল-বিৰিণা-খাগৰিৰ নায়িকা ৰূপহীৰ বহু পুৰুষৰ লগত অবৈধ সম্পৰ্ক। গাভৰু কালতে বহু পুৰুষক শাৰীৰিক সৌন্দৰ্য্যৰে বলিয়া কৰি সুন্দৰী ৰূপহীয়ে গাঁৱৰে কৰ্মঠ যুৱক ভোগক বিয়া কৰালে। ভোগৰ লগত বিয়া হৈ নদন-বদন ঘৰখনৰ শ্ৰী-চেহেৰাকে সলনি কৰি পেলালেও ৰূপহীৰ স্বভাৱৰ কোনো সলনি নহ'ল। ভোগই নজনাকৈ এদিন পূৰ্বৰ প্ৰেমিক ধনাইৰ ঘৰত নৱবিবাহিতা পত্নী আৰু মাক নথকাৰ সুযোগ লৈ বহাগৰ এটা মিঠা দুপৰীয়া কটাইছিল। গাঁৱৰে বিবাহিত পুৰুষ পাঁচোটা ল'ৰা-ছোৱালীৰ দেউতাক কণমইনাৰ লগতো ৰূপহীৰ অবৈধ সম্পৰ্ক। উপন্যাসৰ শেষত গাঁৱলৈ চহৰ ফুৰিবলৈ অহা ডেকা গোঁসাইক সেৱা কৰিবলৈ গৈ ৰূপহী ডেকা গোঁসাইৰ প্ৰেমত পৰিল। এটা জোনাকৰাতি মৌজুৰি নদীৰ ৰূপালী বালিত ডেকা গোঁসাইৰ বাহুবন্ধনত কটোৱা ৰূপহীৰ প্ৰেম দেহসৰ্বস্ব।

নল-বিৰিণা-খাগৰিৰ এটা ব্যতিক্ৰমধৰ্মী প্ৰেমিক চৰিত্ৰ ৰহণ। ৰহণে সৰুৰে পৰা একে গাঁৱৰে ছোৱালী ৰূপহীক ভালপাইছিল। কিন্তু তাৰ ভালপোৱা প্ৰকাশ কৰিবলৈ নৌপাওঁতেই ভোগাইৰ লগত ৰূপহীৰ বিয়াহৈ গ'ল। ৰূপহীক বিয়া কৰাবলৈ নোপোৱাৰ বেজাৰত ৰহণ লাহে লাহে নিবোকা হৈ আহিল। ডাড়িয়ে-গোঁফে ভোবোকাৰ হৈ ৰাতিপুৱাতে ম'হটোৰ পিঠিত উঠি ঘৰৰ পৰা ওলাই যায়। ম'হটো বিলৰ কাষৰ

দলনিত এৰি সি হাবিয়ে-বননিয়ে উদ্দেশ্যহীনভাৱে ঘূৰি ফুৰে। ৰাতিও সি ঘৰত শুই থাকিব নোৱাৰে। নদীৰ পাৰৰ ঘাটত অকলে বহি থাকেগৈ। ৰূপহীক বিয়া কৰাবলৈ নেপালেও ঘৰৰ বাহিৰত সি অনবৰতে তাইক পহৰা দি থাকে। ৰূপহী নদীৰ ঘাটত গা ধুবলৈ গ'লে পাৰত বৈ থাকে ৰহণ। অকলে নদীৰ পৰা পানী আনিবলৈ গ'লে, পথাৰত ভুঁই কৰবলৈ গ'লে, ধান দাবলৈ গ'লে ৰূপহীক সি আলেঙে আলেঙে চাই থাকে। আনকি গভীৰ ৰাতি সি ৰূপহীৰ ঘৰৰ পদুলিমুখত বৈ থাকেহি। তাইক বিয়া নকৰালেও তাইৰ সকলো দায়িত্ব যেন ৰহণৰে। শেষত যেতিয়া জোনাকৰাতি নদীৰ বালিত ৰূপহীক ডেকা গোঁসাইৰ বাহু-বন্ধনত দেখিবলৈ পালে, সেইদিনা ৰহণ গাঁও এৰি নিৰুদ্দেশ হ'ল। গাঁৱৰ বহুতে ক'লে, ৰহণে মৌজুৰি নদীত পৰি আত্মহত্যা কৰিলে।

সূৰুযমুখীৰ স্বপ্ন উপন্যাসৰ নায়ক গুলচৰ প্ৰথম প্ৰেম চেনীমাই। পুৰণি ডালিম গাঁৱৰ ছোৱালী চেনীমাই। ধনশিৰি নদীৰ পাৰৰ প্ৰকৃতিৰ সৌন্দৰ্য্যৰ পৰশত প্ৰেমাতুৰ ধনশিৰিপৰীয়া ডেকা-গাভৰু গুলচ-চেনীমাইৰ হৃদয়লৈ সহজাত প্ৰকৃতিৰেই সংগোপনে আহিছিল প্ৰথম প্ৰেমৰ গুঞ্জন। গুলচ-চেনীমাইৰ এই প্ৰেম ধনশিৰিৰ পাৰৰ প্ৰকৃতিৰ দৰেই আছিল গভীৰ, নিষ্কলুষ আৰু উচ্ছল। সিহঁতৰ কাৰণে প্ৰেমৰ পৰিণতি বিয়া, গতিকে দুয়ো পলাই গৈ ইন্দ্ৰনেপালীৰ গোহালিঘৰত এৰাতি যাপন কৰিলে। পিছদিনা গাঁৱৰ মানুহে সিহঁতক বিচাৰি পালে। দেউতাকহঁতৰ হস্তক্ষেপত বিয়াখন নহ'ল। দুয়ো এৰাতি নিবিড়ভাৱে কটোৱাৰ মাদকতাখিনি বুকুত বান্ধি নিজৰ নিজৰ ঘৰলৈ গ'ল। গুলচে দেউতাকৰ ঘৰৰ পৰা খেদা খাই মাকৰ লগত বেলেগে থাকিবলৈ ল'লে।

ধনশিৰিৰ ইপাৰৰ পামলৈ অহা যোৱা কৰোঁতে গুলচ তৰাৰ সান্নিধ্যলৈ আহে। পামত অলপ সৰহকৈ মাটি ভাঙি নতুনকৈ এটা ঘৰ সাজি তৰাক সি বিয়া কৰোৱাৰ পৰিকল্পনা কৰিলে। এইবাৰ গুলচৰ প্ৰেমৰ হেঙাৰ হ'ল তৰাৰ মাহীমাক কপাহী। কপাহীয়ে তৰাক দেখুৱাই গুলচক ঘৰ লগাই শেষত নিজেহে গুলচৰ লগত বিয়াহে গ'ল। তৰা গুলচৰ লগত একেখন ঘৰতে থাকিও গুলচৰ পৰা নিৰ্দিষ্ট দূৰত্বত জীৱন যাপন কৰিব লগা হ'ল। গুলচৰ প্ৰেম গভীৰ আৰু সাহসী নহয়। চেনীমাইক ভাল পাই পলুৱাই নিয়াত তাৰ প্ৰেমত সাহসিকতা প্ৰকাশ পালেও পুনৰ দেউতাকহঁতৰ প্ৰতিবাদ কৰিব নোৱাৰি সি চেনীমাইক হেৰুৱালে। চেনীমাইক হেৰুৱাইও গুলচৰ তেনে কোনো গভীৰ মনোবেদনা নাছিল। তৰাক ভাল পাই কপাহীক বিয়া কৰাব লগা হোৱাতো তাৰ মনত বিশেষ ক্ষোভ নাই।[৩০] উপন্যাসৰ শেষত কপাহীক যেদি তৰাক নিজৰ কৰি লৈ গুলচে তৰাৰ প্ৰতি থকা গভীৰ প্ৰেমৰ পৰিচয় দিছে।

গুলচলৈ থকা মৰমবোৰ কথাৰে প্ৰকাশ কৰিব নোৱাৰিলেও চেনীমাইৰ গুলচৰ প্ৰতি প্ৰেম গভীৰ আছিল। দুয়োটাই সংসাৰ কৰাৰ মানসেৰে এদিন ৰাতি তাই ঘৰৰ

পৰা পলাই গৈছিল। কিন্তু পিছদিনা দেউতাকে তাইক ঘৰলৈ লৈ যোৱাত তাই প্ৰতিবাদ কৰিব নোৱাৰিলে। তাইৰ প্ৰেম দুৰ্বাৰ নহয়, সেয়ে তাই ঘৰৰ কথামতে বেমাৰী কলাইক বিয়া কৰাবলৈ মান্তি হৈছে। কপাহী প্ৰেমিকা নহয়, সুবিধাবাদী নাৰী। তাইৰমন স্থিৰ নহয়। নিজৰ দৈহিক প্ৰয়োজন পূৰাবলৈ তাই এজনৰ পিছত এজনক নাহৰ, গুলচ আৰু বচিৰতৰ জীৱনত ধুমুহা সৃষ্টি কৰিছে। সুৰুযমুখীৰ স্বপ্ন উপন্যাসৰ এটা মৰমলগা প্ৰেমিকা চৰিত্ৰ তৰা। তৰাৰ গুলচৰ প্ৰতি গভীৰ প্ৰেম। গভীৰ প্ৰেমৰ গইনা লৈ গুলচো এদিন তৰাৰ মনৰ চোতাললৈ আহিছে। তৰাই গুলচক লৈ এটা বঙা ভৱিষ্যতৰ স্বপ্ন দেখে— প্ৰিয়া হোৱাৰ, পত্নী হোৱাৰ মাতৃ হোৱাৰ গৃহিণী হোৱাৰ। তাই প্ৰাণটোৱে গুলচৰ বুকুৰ উম বিচাৰে।[৩১] এদিন মাহীয়েক নথকা অৱস্থাত তাই গুলচক প্ৰেম নিবেদন কৰিলে। গুলচে তাইক পামৰ ঘৰলৈ নি বিয়া কৰোৱাৰ প্ৰতিশ্ৰুতি দিলে। মাহীয়েক কপাহীয়ে চফিয়ত গাঁওবুঢ়াৰ অঁকৰা পুতেক বফিলৈ তৰাক বিয়া দিয়াৰ অভিসন্ধি বাস্তৱত পৰিণত হ'বলৈ নিদি তৰা গভীৰ ৰাতি চফিয়তৰ ঘৰৰপৰা পলাই আহি ঘৰ ওললাহি। ইফালে তৰাৰ ঠাইত কপাহী নিজে গুলচৰ লগত বিয়া হ'ল। পত্নীৰ মৰ্য্যদা নাপালেও পিছদিনা তৰা গুলচৰ ঘৰ ওলালগৈ। কপাহীক বিয়া কৰোৱাৰ পিছতো গুলচৰ প্ৰতি তাইৰ আদৰ যত্ন অকণো নকমিল। সচেতনভাৱেই তাই গুলচৰ সুখ-সুবিধাৰ প্ৰতি চকু দিয়ে। তাৰ চোলা-চুৰিয়া ধুই দিয়ে সি ভালপোৱা ধৰণে ৰান্ধি খুৱায়। সকলো সময়তে গুলচৰ সুখৰ কাৰণে তাৰ ওচৰে ওচৰে থাকে।[৩২] গুলচৰ দেউতাক ঢুকোৱাৰ দুখতো তাৰ দুখ সমভাগী হৈছে তৰা। অৱশেষত তৰাৰ মৌন প্ৰেমে সঁহাৰি পাইছে। গুলচে নিৰ্ভাজ প্ৰেমিকা তৰাক চিৰদিনৰ কাৰণে আঁকোৱালি লৈছে।

ৰূপাবৰিৰ পলস উপন্যাসৰ নায়ক বাবৰৰ লগত তিনিগৰাকী নাৰীৰ প্ৰেমৰ সম্পৰ্ক। বাবৰৰ প্ৰথম প্ৰেম মৰীয়ম। মৰীয়মক জমিদাৰৰ ডেকাপুত্ৰৰ কামনাৰ বলি হোৱাৰ পৰা ৰক্ষা কৰিবলৈ সি জমিদাৰ-পুত্ৰক মৰিয়াই গাঁৱৰ পৰা পলাব লগা হৈছিল। অসমলৈ পলাই যোৱাৰ বাটত বাবৰে সহযাত্ৰী হিচাপে পালে মুছলিমাক। ৰেলেৰে খোজকাটি অসমলৈ যোৱাৰ পথত বাবৰৰ মুছলিমাৰ লগত অন্তৰংগতা গঢ়ি উঠিল। গাঁওবুঢ়াৰ ঘৰত আশ্ৰয় লৈ বাবৰ গাঁওবুঢ়াৰ জীয়েক ৰাণীৰ প্ৰেমত পৰিল। গাঁওবুঢ়াৰ মৃত্যুৰ আগে আগে সি ৰাণীক বিয়া কৰাব লগা হ'ল। যুদ্ধৰ সময়ত কলিকতালৈ যাওঁতে অপ্ৰত্যাশিতভাৱে এদিন বাবৰে লগ পালে বংগদেশৰ গাঁৱত এৰি অহা প্ৰেমিকা মৰীয়মক। যুদ্ধৰ সময়ত পূবৱঙ্গৰ গাঁৱৰ পৰা ভগনীয়া হৈ গাঁৱৰ বহুত মানুহৰ লগত আহি তাই কলিকতাত আশ্ৰয় লৈছিল। মৰীয়মক বাবৰে তাৰ অসমৰ ঘৰলৈ লৈ আহিল। বাবৰৰ ঘৰ-পথাৰৰ সকলো কামৰ দায়িত্ব মৰীয়মে ল'লেও বাবৰৰ জীৱনৰ দায়িত্ব ল'ব নোৱাৰিলে। ইতিমধ্যে ৰাণীৰ লগত বাবৰৰ বিয়া ঠিক হৈছিল। মৰীয়মৰ প্ৰেম ত্যাগৰ মহিমাৰে উজ্জ্বল। প্ৰেমিক বাবৰৰ মঙ্গলৰ কাৰণে তাই নিজৰ

জীৱন উছৰ্গা কৰিছে। মৰীয়মৰ দৰে মুছলিমাৰো বাবৰৰ প্ৰতি ছলি আছিল অকৃত্ৰিম প্ৰেম। তাইৰ দেহৰ সান্নিধ্য লাভৰ আশাত অনেক ডেকা প্ৰলোভিত হ'লেও তাই যৌৱনৰ সকলো ঐশ্বৰ্য্য বাবৰৰ কাৰণে সঞ্চিত কৰি থৈছিল। ৰাণীৰ লগত বাবৰৰ বিয়া হোৱাত তাই নিজকে বাবৰৰ পৰা আঁতৰাই ৰাখিবলৈ যত্ন কৰিছে। বাবৰ জীৱনত প্ৰেমৰ অভাৱ হোৱা নাই। ৰাণী, মৰিয়ম আৰু মুছলিমা তিনিওগৰাকীৰ প্ৰেমেৰে বাবৰৰ জীৱন উপচি পৰিছে।

মালিকৰ জীয়া-জুৰিৰ ঘাট উপন্যাসত নৰ-নাৰীৰ ৰোমাণ্টিক প্ৰেমৰ পৰিবৰ্তে গ্ৰাম্য স্বামী-স্ত্ৰীৰ গভীৰ প্ৰেমৰ কাহিনীহে বৰ্ণিত হৈছে। গাঁৱৰ স্বামী-স্ত্ৰী জেহিৰ কণমাইৰ জীৱনযাত্ৰাৰ কঠিনতাৰ মাজেদি প্ৰেমৰ গভীৰতা প্ৰকাশ পাইছে। স্কুলশিক্ষক জেহিৰৰ দৰমহাৰ টকাকেইটা আৰু মাটিৰ ধানেৰে ল'ৰা-ছোৱালীৰে সৈতে পৰিয়ালটো চলিবলৈ কঠিন। তথাপিও কণমাইৰ প্ৰেমৰ কোমলতাই জেহিৰৰ জটিল জীৱনযাত্ৰাও সহজ কৰি তুলিছে। কণমায়ে জেহিৰৰ পৰা পৰিয়ালৰ অভাৱবোৰ লুকুৱাই ৰাখি দেওৰেক চালেহকো মৰমেৰে আবৰি ৰাখি অকৃত্ৰিম দাম্পত্য প্ৰেমৰ পৰিচয় দিছে। উপন্যাসখনৰ অন্য এহাল স্বামী-স্ত্ৰী চালেহ-চাৰাৰ মাজেদি প্ৰকাশ পাইছে দাম্পত্য জীৱনৰ গভীৰ প্ৰেম। চালেহে গাঁৱৰে বদিৰৰ জীয়কে আইতাক ভাল পাইছিল। নিবনুৱা যুৱক চালেহলৈ বদিৰে জীয়েকক বিয়া নিদিলে। ওচৰৰ গাঁৱৰ ৰহিম মণ্ডলৰ ছোৱালী সুন্দৰী চাৰাৰ লগতহে চালেহৰ বিয়া হ'ল। বিয়াৰ অলপ দিনৰ আগতে চালেহে গম পালে সি চিফিলিচ ৰোগত আক্ৰান্ত। চাৰাক বিয়া কৰালেও সি চাৰাক সান্নিধ্য দিব নোৱাৰিলে। দাম্পত্য জীৱনৰ সুখৰ পৰা বঞ্চিত হৈও চাৰাই নিজৰ সকলো কৰ্ত্তব্য কৰি চালেহক মৰমেৰে আবৰি ৰাখিলে। চাৰাৰ অকৃত্ৰিম প্ৰেমে চালেহক তাৰ বেমাৰৰ কথা অকপটে স্বীকাৰ কৰিবলৈ বাধ্য কৰিলে। চাৰাই পিতৃগৃহৰ পৰা অনা এজেহাৰ টকা চালেহৰ হাতত দিলে চিকিৎসাৰ কাৰণে। মৰমী সহনশীলা আৰু প্ৰেমিকা চাৰা জীয়া জুৰিৰ ঘাট উপন্যাসৰ এটা আকৰ্ষণীয় চৰিত্ৰ। চালেহ-চাৰাৰ সুস্থ বৈবাহিক জীৱনৰ ইঙ্গিতেৰে উপন্যাসখন সামৰা হৈছে।

জেতুকা পাতৰ দৰে উপন্যাসৰ ৰাধাৰ প্ৰেম অগাতুগতিক। মোমায়েকৰ ঘৰত থাকি ডাঙৰ-দীঘল হোৱা ৰাধাই সৰুৰে পৰা ভাল পাইছিল মোমায়েকৰ ঘৰত হালোৱা কামকৰা ৰজতক। ডেকাহে ৰজতে গাঁৱৰে হেমধৰ মাষ্টৰৰ নদীপাৰৰ বাৰীখনত ঘৰসাজি থাকিবলৈ ল'লে। ৰজত ঘৰৰা কাম বনত এলেহুৱা পঢ়াতো ভাল নহয়। শাসন কৰিবলৈ নিজৰ কোনো অভিভাৱক নোহোৱাত সি পঢা বাদ দিলে। ৰাধাই সুখ্যাতিৰে মেট্ৰিক পাছ কৰি কলেজত নাম লগালে। কলেজত পঢ়িলেও আৰু তাইক বিয়া কৰাবলৈ ঠিকাদাৰ, শিক্ষক ইঞ্জিনিয়াৰ আদি উচ্চশিক্ষিত ডেকাৰ অভাৱ নহ'লেও ৰাধাই এজে গাঁৱৰে কৈৱৰ্ত্ত ডেকা ৰজতকহে বিয়া কৰোৱাৰ সিদ্ধান্ত লৈছে।[৩৩]

আধাৰশিলা উপন্যাসৰ চন্দ্ৰীৰ আৰু পাভৰ প্ৰেম অলপ বেলেগ ধৰণৰ। পাভ

আৰু চমীৰ বয়সত বায়েক-ভায়েকৰ নিচিনা হ'লেও দুয়োৰে দুয়োৰে প্ৰতি আকৰ্ষণ গভীৰ। কৈশোৰত চমীৰৰ প্ৰতি পাভৰ মৰম মাত্ৰ বাল্যপ্ৰেম নহয়। তাত শাৰীৰিক আকৰ্ষণো আছে। গাঁৱৰ পৰা নগৰৰ স্কুলত পঢ়িবলৈ যাওঁতে আৰু চহৰৰ পৰা গাঁৱলৈ আহোঁতে চমীৰৰ প্ৰতি দেখুওৱা পাভৰ মৰম মাতৃসুলভ আৰু ভগ্নীসুলভ হ'লেও সি প্ৰকৃততে নিস্বাৰ্থ-অদৈহিক মৰম নহয়। পাভই হয়তো মনে মনে চমীৰক বিয়া কৰোৱাৰ কথা ভাবি আছিল আৰু সেয়ে দৈহিক আকৰ্ষণেৰে চমীৰক নিজৰ কৰি পোৱাৰ চেষ্টা কৰিছিল। আঘোণ মহীয়া চমীৰৰ লগত ধান দাবলৈ গৈ পথাৰত নৰানিৰ আঁৰত তামোল মুখত ধৰা বুলি চমীৰক বুকু পিহি দিবলৈ কোৱা, মাক-দেউতাকে নজনাকৈ চমীৰৰ লগত একেলগে এৰাতি যাপন কৰা আদি কাৰ্য্যই পাভৰ চমীৰৰ প্ৰতি থকা দেহজ প্ৰেম-আবেদনৰ ইঙ্গিত দিয়ে। নিজামৰ লগত বিয়া হোৱাৰ পিছতো তাই চমীৰক পাহৰিব পৰা নাছিল। গুনাহলৈ ভয় কৰিহে বিয়াৰ পিছত চমীৰৰ ওচৰত তাই সংযমশীল হ'বলৈ বাধ্য হৈছে।

উইঁহাফলুত আছে নায়ক কৰম আলিৰ প্ৰেম আৰু বিয়াৰ ৰসাল আৰু মনোগ্ৰাহী বিৱৰণ। প্ৰতিবেশী থোপোকা উকীলৰ চাৰিজনী ছোৱালীৰ এজনীৰ চিকিৎসা কৰিবলৈ গৈ উকীলৰ চাৰিওজনী ছোৱালীকে তাৰ ভাললগা আৰু শেষত বেমাৰী ছোৱালীজনীকেক বিয়া কৰোৱাৰ হাস্যমধুৰ চিত্ৰ উপন্যাসখনত আছে।

মালিকৰ উপন্যাসত গাঁৱৰ আৰ্থ-সামাজিক জীৱন ঃ

চৈয়দ আব্দুল মালিক যুদ্ধোত্তৰ যুগৰ এজন অগ্ৰণী ঔপন্যাসিক। তেখেতৰ গ্ৰাম্য পটভূমিত ৰচিত উপন্যাসত যুদ্ধোত্তৰ যুগৰ অসমৰ গ্ৰাম্য আৰ্থ-সামাজিক জীৱনৰ জীৱন্ত ছবি পোৱা যায়। দেশৰ ৰাজনৈতিকঅৱস্থা সংকটাপন্ন হ'লে আৰ্থিক অৱস্থাও শোচনীয় হয়। অন্যহাতে সমাজৰ অৰ্থনৈতিক অৱস্থাটোৱেই হ'ল সমাজৰ বুনিয়াদ। অৰ্থনৈতিক বুনিয়াদৰ ওপৰতেই গঢ়লৈ উঠে সমাজ জীৱনৰ বিভিন্ন সমস্যা আশা-ভৰসা। যুদ্ধোত্তৰ যুগৰ সময়সীমা চল্লিছৰ দশকৰ পৰা ধৰা হৈছে যদিও যুগটোৰ পটভূমি নিৰ্মাণ হ'বলৈ উপক্ৰম কৰিছিল তাৰ বহু আগৰপৰাই। গান্ধীজীৰ স্বৰাজ আন্দোলনৰ ঢৌ সমগ্ৰ ভাৰতবৰ্ষত ১৯২১ চনতে বিয়পি পৰিছিল। অসমো এই আন্দোলনৰ পৰা মুক্ত নাছিল। মহাত্মা গান্ধীৰ বিদেশী বস্তু বৰ্জন যঁতৰত কপাহ কাটি খদ্দৰ কাপোৰ বোৱাৰ ঢৌ সমগ্ৰ অসমৰ গাঁৱে ভুঞে বিয়পি পৰিছিল। স্বাধীনতা আন্দোলনৰ পোনপোটীয়া প্ৰবাহৰ ফলত অসমৰ জনসাধাৰণৰ ধ্যান-ধাৰণা বহু পৰিমাণে সলনি হ'ল আৰু পূৰ্বৰ ধ্যান-ধাৰণাৰ বিপৰীতে নতুন ধ্যান-ধাৰণাৰে জীৱন আৰু জগতক চাবলৈ শিকিলে। এনে ৰাজনৈতিক পটভূমিয়ে যুদ্ধোত্তৰ যুগৰ অসমীয়া কথা সাহিত্যৰ পৰিসৰ বৃদ্ধি কৰাত সহায় কৰিলে। ইংৰাজ শাসন কালত অসমৰ অৰ্থনৈতিক শোষণ তীব্ৰতৰ হৈ পৰিছিল। ইংৰাজ চৰকাৰৰ এনে শোষণৰ উপৰিও ১৯৩৪ চনত বংগদেশত হোৱা দুৰ্ভিক্ষয়ো অসমৰ অৰ্থনীতিৰ আঘাত সানিছিল। বংগদেশৰ লাখ

লাখ ভগনীয়া অসমলৈ আহিছিল অন্ন-বস্ত্ৰৰ সন্ধানত। মালিকৰ ৰূপাবৰিৰ পলস উপন্যাসত ইয়াৰ স্বাক্ষৰ আছে এই ভগনীয়াসকলে অসমৰ অৰ্থনীতিক অধিক জটিল কৰি তুলিছিল।

যুদ্ধোত্তৰ যুগৰ অসমীয়া কথা সাহিত্যৰ দুটা ধাৰা লক্ষ্য কৰা যায়। প্ৰথমটো হ'ল ফ্ৰয়দ এডলাৰ য়ং আদি মনোবিজ্ঞানীসকলৰ মনঃসমীক্ষণৰ আলোকত গঢ়লৈ উঠা মনস্তাত্বিক ধাৰা আৰু আনটো হ'ল সমাজবাদী চিন্তাধাৰাৰ প্ৰভাৱত গঢ়লৈ উঠা সামাজিক সচেতনতা। আৱাহন যুগত সাহিত্য ৰচনা আৰম্ভ কৰি যুদ্ধোত্তৰ যুগত প্ৰতিষ্ঠা লাভ কৰা আব্দুল মালিকৰ উপন্যাসত মনস্তাত্বিক আৰু আৰ্থসামাজিক দুয়োটা দিশেই পোহৰলৈ আহিছে। হেম বৰুৱাই Assamese literature গ্ৰন্থত এই সম্পৰ্কে যথাৰ্থ মন্তব্য কৰিছে।[৩৪] মালিকৰ উপন্যাসত গ্ৰাম্য জীৱনৰ বানপানী, কৃষকৰ মাটিৰ সমস্যা আদি উত্থাপন হৈছে।

ৰূপাবৰিৰ পলসত ভগনীয়াৰ সমস্যা

মালিকৰ ৰূপাবৰিৰ পলস উপন্যাসত অসমৰ সামাজিক আৰু অৰ্থনৈতিক জীৱনত ভগনীয়াই সৃষ্টি কৰা সমস্যাৰ কথা আছে। ১৯৪৭ চনত ভাৰতৰ স্বাধীনতা লাভৰ পিছত ভাৰতবৰ্ষ হিন্দুস্তান আৰু পাকিস্তানৰ নামেৰে দুইখণ্ডত বিভক্তহয়। স্বাধীনতাৰ পিছতে প্ৰাকৃতিক কাৰণত পূৱ-পাকিস্তানৰ আৰ্থিক পৰিস্থিতিয়ে ভয়াবহ ৰূপ ললে। ভয়াবহ আকালৰ কাৰণে পূৱ-পাকিস্তানৰ ভগনীয়াই ভাত বিচাৰি ভাৰতলৈ বিশেষকৈ অসমলৈ ঢাপলি মেলিলে।[৩৫] ভাৰতৰ সীমান্তৰক্ষী পুলিচ বাহিনীৰ চকুত ধুলি মাৰি এই বিদেশী মানুহবোৰ খোজকাটি ৰেলেৰে বাচেৰে অসমলৈ আহি থাকিবলৈ ধৰিলে। অসমৰ ভিতৰুৱা বাট-পথহীন চৰ-চাপৰি হাবি-জংঘলত এই ভগনীযাখিনিয়ে আশ্ৰয়লৈ খেতি-বাতি কৰি জীৱন-নিৰ্ভাহ কৰিবলৈ ল'লে। এই মানুহবোৰে অসমৰ ৰাজনৈতিক অৰ্থনৈতিক আৰু সামাজিক জীৱনত বিশেষ প্ৰভাৱ পেলালে।

ভগনীয়াসকলে পৰোক্ষভাৱে ৰাজনৈতিক সমস্যাৰ সৃষ্টি নকৰিলেও প্ৰত্যক্ষভাৱে সমস্যাৰ সৃষ্টি কৰিলে। ৰাজনৈতিক ক্ষেত্ৰত ভগনীয়াসকলৰ বিশেষ কোনো ভূমিকা নাছিল যদিও ৰাজনৈতিক অভিলাষ থকা কোনো কোনো থলুৱা লোকে সিহঁতৰ নাম ভোটিৰ লিষ্টত তুলি নিজৰ ভোট বেঙ্ক শক্তিশালী কৰাৰ চেষ্টা কৰিলে। ফলত এই ভগনীয়াসকলে ভোটাধিকাৰ পাই দেশৰ বৈধ নাগৰিক হৈ পৰিল। সুবিধাভোগী এই লোকবিলাকে অনুপযুক্ত লোকক ভোট দি অসমৰ ৰাজনীতিত এক সমস্যাৰ সৃষ্টি কৰিলে।

ভগনীয়াসকলৰ সকলোবিলাক মানুহেই আছিল খেতিয়ক। তাৰে কিছুমান বংগদেশৰ জমিদাৰৰ অত্যাচাৰত তিষ্ঠিব নোৱাৰি দেশ বিভাজনৰ আগতেই অসমলৈ আহিছিল। দেশ বিভাজনৰ পিছত তেওঁলোকক আইনং কৰি দেশৰ বাহিৰ কৰা হৈছিল যদিও পাকিস্তানত গৈ জীৱিকাৰ সুবিধা কৰিব নোৱাৰি পুনৰ অসমলৈ লুকাই

চুৰকৈ ঘূৰি আহিছিল। ভগনীয়াসকল পৰিশ্ৰমী। গতিকে জীৱিকাৰ কাৰণে সিহঁত পৰাশ্ৰয়ী নহ'লেও অসমৰ চৰ-চাপৰিৰ মাটিত স্থায়ীভাৱে থাকিবলৈ গৈ অসমৰ জনসংখ্যা বৃদ্ধিত সহায় কৰিলে। এই জনসংখ্যা বৃদ্ধিয়ে অসমৰ বিশেষ কোনো সমস্যাৰ সৃষ্টি নকৰিলেও দেশ বিভাজনৰ পূৰ্বে অসমলৈ অহা মুছলমান সমাজখনৰ কাৰণে এক সমস্যা হৈ উঠিল। নতুনকৈ অহা এই পাকিস্তানী মানুহবোৰ অবৈধভাৱে অহা আৰু অবৈধভাৱে থকা বিদেশী নাগৰিক। সিহঁতক আশ্ৰয় দিয়াটো বিপদজনক কথা। অন্যহাতে একে ধৰ্ম আৰু পূৰ্বৰ একে ঠাইৰে মানুহ হোৱাৰ কাৰণে সিহঁতৰ প্ৰতি একেবাৰে উদাসীন হ'বও নোৱাৰে। চৰ-চাপৰিত আশ্ৰয়লোৱা পাকিস্তানীসকলৰ বাহিৰেও অন্য কিছুমান ভগনীয়ালোক থলুৱা মুছলমান মানুহৰ ঘৰত কাম বিচাৰি আহে। একে ধৰ্মৰ লোক বুলি ভগনীয়াক আশ্ৰয় দিয়াৰ কাৰণে বহুতো মুছলমানলোক চৰকাৰী লঘু-লাঞ্ছনাৰ সন্মুখীন হ'বলগীয়া হ'ল। ফলত মুছলমান মানুহখিনিৰ মাজতে সামাজিক ব্যৱধান সৃষ্টি হ'ল।

কৃষকৰ মাটিৰ সমস্যা ঃ

গাঁৱৰ অৰ্থনৈতিক জীৱন নিৰ্ভৰ কৰে কৃষিৰ ওপৰত। মালিকৰ গাঁৱৰ পটভূমিত ৰচিত উপন্যাসসমূহত স্বাধীনতা লাভৰ পিছৰ কালৰ অসমৰ গাঁৱৰ আৰ্থিক জীৱনৰ চিত্ৰ আছে। মালিকৰ বনজুই, নল-বিৰিণা-খাগৰি, সুৰুযমুখীৰ স্বপ্ন পহমৰা হাবিৰ বাট আদি উপন্যাসৰ পটভূমি অসৰ কৃষিজীৱী গাঁও।

পহমৰা হাবিৰ বাট উপন্যাসত গাঁৱৰ কৃষকৰ মাটিৰ সমস্যাৰ কথা আছে। ৰূপজুলি নদীপৰীয়া বৰচোমনি গাঁৱৰ জনসংখ্যা প্ৰায় দুশঘৰ। গাঁওখনৰ ছয়-সাতঘৰ ধনী মানুহক বাদ দি বাকী সকলো মানুহেই দুখীয়া। আটাইকেইঘৰ দুখীয়া মানুহেই খেতিয়ক, কিন্তু কাৰো সৰহকৈ মাটি নাই। সকলোৰে পৰিয়ালত মানুহৰ সংখ্যা অধিক। গতিকে যি এহালিচা-দুহালিচা মাটি আছে, তাৰে বছৰটোৰ দুমাহমানহে খাবলৈ জোৰে। গাঁৱৰ পুৰণি নামঘৰৰ বৰপুখুৰীৰ পাৰত বহি মাটিহীন ৰাইজে পহমৰা সংৰক্ষিত বনাঞ্চলত মাটি ভাঙি খেতি কৰাৰ সিদ্ধান্ত লয়। পহমৰাত বৰচোমনি গাঁৱৰ ৰাইজে কেইবাবছৰো মাটি ভাঙি খেতি কৰিছে। হাবিৰ মাটি বৰ সাৰুৱা। চৰকাৰী মূল্যবান গছ নকটাকৈ গাঁৱৰ ৰাইজে হাবি ভাঙি ধান মাহ সৰিয়হৰ খেতি কৰে। বহা ঘৰ সাজি হাবিৰ বনৰীয়া জন্তুৰ পৰা শস্য ৰক্ষা কৰে। কিন্তু ধান পকিবলৈ ধৰোঁতেই পুলিচ-মিলিটেৰী লগাই চৰকাৰে শস্য নষ্ট কৰি দিয়ে। গতিকে গাঁৱৰ মাটিহীন মানুহখিনি দিনক দিনে দুখীয়া হৈ গৈ আছে। গাঁৱৰ মানুহৰ এটাই আশা-পহমৰা হাবিৰ মাটি ভাঙি খেতি কৰিব পাৰিলে পেট ভৰাই খাবলৈ পাব। গাঁৱৰ ডেকা-বুঢ়া, ল'ৰা-ছোৱালীৰ এটা দলে পহমৰা হাবিত কেইদিনমান কাম কৰি মাটি উলিয়াই খেতি কৰিবলৈ লওঁতেই এদিন এদল বন্দুকধাৰী পুলিচ মিলিটেৰী গৈ মানুহখিনিক গ্ৰেপ্তাৰ কৰিবলৈ বিচাৰিলে। বাৰে বাৰে খেতিৰ শস্য হেৰুৱাই খঙাল হৈ থকা মানুহখিনিয়ে দা-কুঠাৰ-

কোন লৈ নেখাই মধ্যাতকে যুদ্ধ কৰি মৰাই ভাল বুলি পুলিচ-মিলিটেৰীৰ লগত যুদ্ধত অৱতীৰ্ণ হ'ল। কেইবাজনো মৰিল কেইবাজনো আহত হ'ল। পদ্মমণা হাবিৰ সেউজীয়া পথাৰ তেজেৰে ৰাঙলী হ'ল। বৰচোমনি গাঁৱৰ মাটিহীন বাইজে পথাৰ ৰক্তাক্ত কৰিও খেতিৰ মাটি নেপালে।

খেতিৰ বাবে প্ৰয়োজন অক্লান্ত পৰিশ্ৰম আৰু মাটি। নিজৰ অক্লান্ত পৰিশ্ৰমেৰে মাটি থকা গাঁৱৰ লোকে শস্যপথাৰ সোণালী কৰাৰ ছবিও মানিকৰ উপন্যাসত আছে। বনজুইৰ নায়ক প্ৰেমধৰ বৰপদুমণি গাঁৱৰ আদৰ্শ খেতিয়ক। প্ৰেমধৰ এঘাৰ পুৰা মাটিৰ গৰাকী। সকলো মাটিতে পৰিশ্ৰম কৰি ধানখেতি কৰাৰ লগতে নদীপাৰৰ অনাবাদী মাটিতো সি মাহ, হালধি জলকীয়া, বেঙেনা, লাউ-কোমোৰাৰ খেতি কৰে। গতিকে প্ৰেমধৰৰ আৰ্থিক অৱস্থা নদন-বদন। গাঁওখনত মাটিহীন খেতিয়কো বহুত আছে। তেওঁলোক দৰিদ্ৰ। খেতিৰ মাটি থকা কৰ্মবিমুখ লোকৰ অৱস্থাও ভাল নহয়। তেনে এজন লোক ভদ্ৰেশ্বৰ। ভদ্ৰেশ্বৰৰ মাটি বহুত কিন্তু সি এলেহুৱা, গতিকে খেতিৰ ধানেৰে তাৰ বছৰটো খাবলৈ নোজোৰে। নল-বিৰিণা-খাগৰিৰ মৌজুৰি গাঁৱৰ খেতিয়ক ভোগ। বোগৰ বাৰীখন চালে চকুৰোবা। গাতে লাগি থকা খেতিৰ পথাৰ আৰু বহল বাৰীখনে ঘৰখন গুৱনি কৰি ৰাখে। মাটিৰ মৰমতে ভোগ পুৱাৰ পৰা গধূলিলৈকে দিনৰ দিনটো বাৰীখনত নাইবা পথাৰত কাম কৰি থাকে।

সূৰুযমুখীৰ স্বপ্ন উপন্যাসৰ নায়ক গুলচ খেতিয়ক। কিন্তু তাৰ মাটি নাই। চেনীমাইক পলুৱাই নিয়াৰ অপৰাধত দেউতাকে গুলচক ঘৰৰ পৰা উলিয়াই দিলে। চেনীমাইৰ মৰমৰ লগতে দেউতাকৰ খেতিৰ মাটি হেৰুৱাই সি ধনশিৰিৰ ইটোপাৰৰ চৰকাৰী মাটি ভাঙি খেতি কৰিবলৈ ল'লে। পুৱাৰ পৰা আবেলিলৈকে তাৰ আৰু অন্য চিন্তা নাই। নিজৰ বৰীয়াকৈ তিনিপুৰামান মাটি উলিয়াই একচনীয়া পট্টা কৰি ল'ব পাৰিলে গুলচে বাপেকৰ মাটিলৈ আশা নকৰিলেও চলিব। কোৰ-কুঠাৰ আৰু হাবিকটা দাৰে সি হাবি বননি কাটি যিমান পাৰে মাটি উলিয়ায়। নৈৰ বুকুৰ বহল পলসুৱা বালিচাপৰি সি শস্যৰে নদন-বদন কৰিলে। কপাহীক বিয়া কৰোৱাৰ পিছত গুলচৰ অকলশৰীয়া হাবিৰ মাজৰ পামঘৰটো লাহে লাহে স্থায়ী ঘৰলৈ পৰিণত হ'ল। কৰ্মপটু যুৱক গুলচে নদীপৰীয়া মাটিত অক্লান্ত পৰিশ্ৰমেৰে খেতি কৰি মাটিৰ সমস্যা নিজেই নোহোৱা কৰিছে।

মাছমৰীয়া সম্প্ৰদায়ৰ আৰ্থিক সমস্যা •

জেতুকা পাতৰ দৰে উপন্যাসৰ পটভূমি দিচৈ পৰীয়া এখন কৈৱৰ্ত্ত গাঁও। গাঁওখনৰ মানুহখিনিৰ জীৱিকাৰ মূল উপায় মাছৰ ব্যৱসায়। কিছুমানৰ অলপ অলপ খেতিৰ মাটিও আছে। কাৰোবাৰ সৰু সুৰা দোকান-পোহাৰো আছে আৰু দুই এজনে নগৰত চাকৰিও কৰে। যিকেইজনে নগৰত চাকৰি কৰে তেওঁলোকৰ গাঁৱৰ লগত সম্পৰ্ক ক্ষীনহৈ আছে। গাঁওখনৰ আৰ্থিক অৱস্থা এমুঠি চাকৰিয়ালৰ কাৰণে একো

উন্নত নহয়। গাঁৱৰ সৰহভাগ মানুহৰে প্ৰধান ব্যৱসায় মাছৰ। দিঁচৈ গেলাবিল আৰু আন আন বিল-খাল আদিয়েই মানুহখিনিৰ জীৱিকাৰ ক্ষেত্ৰ। মাছৰ ওপৰত নিৰ্ভৰশীল সৰহভাগ মানুহেই দুখীয়া। মাছৰ ব্যৱসায় কৰি ধনী হোৱাৰ আশা এইখন গাঁৱৰ মানুহে কৰিব নোৱাৰে। সৰু-ডাঙৰ কেইখনমান বিল খাল ডোং পুখুৰীত যিখিনি মাছ ধৰিব পাৰে সেইখিনি বেচি জীৱন নিৰ্বাহ কৰা গাঁওখনৰ বাসগুৱটা পৰিয়ালৰ কাৰণে সম্ভৱ নহয়। মীনমহলৰ ৰয়েল্টি, জালৰ আৰু জালবোৱা সূতাৰ দাম যথেষ্ট বাঢ়িল। নাৱৰ দামো বৃদ্ধি পালে। তদুপৰি মীনমহলৰ ঠিকাদাৰেই লাভৰ সৰহখিনি ওপৰতে পায়। ডাঙৰ বিলবিলাকত মাছ ধৰে বিহাৰী জালোৱাই। কাৰণ ডাঙৰ বিলৰ মাছ ধৰিবৰ কাৰণে বিলৰ ডাকত যিমান টকাদিব লাগে সিমান টকা গাঁৱৰ কাৰো নাই। খাল-ডোঙত যিকেইটা মাছ ধৰে তাকো পাচিত তিনিমাইল কান্ধেৰে কটিয়াই নি বজাৰত বেচাতো বহুতে বৰ কষ্টকৰ কাম বুলি ভাবে। যিকেইটা ল'ৰাই স্কুলৰ দুই-এশ্ৰেণী পঢ়িছে, সিহঁতে মাছমাৰি বজাৰত বেচিবলৈ লাজ কৰে। নগৰলৈ গৈ দুই-এখন হিন্দী চিনেমাৰ নায়কৰ নিচিনাকৈ পেণ্ট চোলা পিন্ধি ঘৰে ঘৰে আড্ডা দি ফুৰে। মালিকৰ জেতুকা পাতৰ দৰে উপন্যাসৰ নিচিনাকৈ মাছমৰীয়া জীৱনৰ পটভূমিত লিখা মহিম বৰাৰ এখন নদীৰ মৃত্যু নামৰ গল্পটোত মাছমৰীয়া সমাজৰ ার্থিক অৱক্ষয়ৰ ছবি দাঙি দৰিছে। সময়ৰ পৰিবৰ্ত্তনৰ লগে লগে মাছমৰীয়া মানুহকিনিৰ মনলৈ জড়তা আহিল। আগতে কৈৱৰ্ত্ত সমাজৰ ডেকা-ল'ৰা-বুঢ়া-তিৰোতা সকলো ডেকাবোৰ ক্ৰমে কৰ্মবিমুখ হৈ পৰিল। লংপেণ্ট পিন্ধা ডেকাই ঘৰে ঘৰে মেল মাৰি গাঁৱৰ অলিয়ে গলিয়ে তাচ-পাশা খেলি সময় কটাবলৈ ল'লে। গতিকে আগৰ গতিশীল সমাজ ক্ৰমে গতিহীন হৈ আহিল। কৰ্মবিমুখ কৈৱৰ্ত্ত ডেকাৰ আৰ্থিক অৱক্ষয়ৰ চিত্ৰ দুয়োজন কথা সাহিত্যিকেই সুন্দৰভাৱে ফুটাই তুলিছে।

বানপানীৰ সমস্যা •

গাঁৱৰ লোকৰ পিছৰপৰা আৰ্থিক অৱস্থাৰ অন্যতম কাৰণ বানপানী। মালিকৰ **পহুমৰা হাবিৰ বাট জেতুকা পাতৰ দৰে** আৰু **সূৰুযমুখীৰ স্বপ্ন** উপন্যাসত বানপানীয়ে সৃষ্টি কৰা ভয়াবহ সমস্যা বৰ্ণিত হৈছে।

পহুমৰা হাবিৰ বাট উপন্যাসৰ বৰচোমনি গাঁৱৰ পূবফালে বৈ গৈছে ৰূপজুলি নৈ। সৰু নৈ হ'লেও বাৰিষা ৰূপজুলিয়ে ভীষণ মূৰ্ত্তি ধাৰণ কৰে। নদীৰ পানীয়ে পাৰ বুৰায় খেতি-বাতি নষ্ট কৰে ঘৰ-দুৱাৰত এবুকু পানী হয়। কেতিয়াবা বৰ বান আহিলে কেতিৰ পথাৰ বালিৰে পুতিথৈ যায়। তেতিয়া কেইবাবছৰলৈকে পথাৰত খেতি নহয়। নৈখনে বৰচোমনি গাঁৱৰ মানুহৰ খেতি-পথাৰ নষ্ট কৰিলেও গাঁৱৰ মানুহখিনিৰ নদীখন বৰ মৰমৰ।[৩৬]

জেতুকা পাতৰ দৰে উপন্যাসত নদীপৰীয়া গাঁওখনত বানপানীয়ে সৃষ্টি কৰা তাণ্ডৱ লীলাৰ বৰ্ণনা আছে।[৩৭] বানপানীৰ পিছত চৰকাৰ আৰু স্বেচ্ছাসেৱী

অনুষ্ঠানসমূহে, কলেজৰ সমাজসেৱা বিভাগে আলিবাট, মথাউৰি আৰু স্কুল-কলেজৰ ৰিলিফকেম্পত থকা মানুহবিলাকক চাউল, দাইল, তেল-নিমখ আৰু ঔষধ বিলোৱা দৃশ্যই অসমৰ বানপানীৰ সমস্যা উদঙাই দেখুৱাইছে। সূৰুযমুখীৰ স্বপ্ন উপন্যাসত ধনশিৰি নদীৰ বানৰ করুণ চিত্র দাঙি ধৰা হৈছে। নদীৰ বানৰ পৰা ৰক্ষা পাবলৈ ডালিম গাঁৱৰ কাঠ-বাঁহৰ গোজ পুতি বিৰিণা খাগৰি কাটি তাৰ ওপৰত মাটি জাপি দি ভেটা বান্ধিলে। কিন্তু ৰাইজৰ সকলো কষ্ট অথলে গ'ল। দিনটো ধাৰাসাৰ বৰষুণ দিয়াৰ ফলত ৰাতিলৈ ধনশিৰিয়ে পাৰ ভাঙিলে।[৩৮]

সামাজিক জীৱনত নামঘৰ আৰু মছজিদৰ ভূমিকা ঃ

অসমৰ গাঁৱৰ লোকসকলৰ সামাজিক জীৱন পৰস্পৰ নির্ভৰশীল। গাঁৱৰ কৃষিনির্ভৰ মানুহক ঐক্যৰ ডোলেৰে বান্ধি ৰাখে গাঁৱৰ সমাজে। বেলেগ বেলেগ পৰিয়ালত বিভক্ত হৈ থাকিলেও গাঁৱৰ সকলো মানুহেই গাঁওখনৰ একতা অক্ষুণ্ণ ৰখাত সহায় কৰে। এইক্ষেত্ৰত গাঁৱৰ নামঘৰ আৰু মছজিদৰ ভূমিকা অপৰিসীম।

মালিকৰ উপন্যাসৰ নল-বিৰিণা-খাগৰিৰ আৰম্ভণিতে মৌজুৰি গাঁৱৰ বকুলতলৰ বৰনামঘৰৰ বর্ণনা আছে। গাঁৱৰ মানুহে বৰনামঘৰলৈ ভয় আৰু ভক্তি কৰে। তেওঁলোকৰ মুখে মুখে বৰনামঘৰৰ কীর্ত্তি কাহিনী।[৩৯] বৰনামঘৰটো গোটেই গাঁৱৰ মানুহে কষ্ট কৰি সাজিছিল। নামঘৰটোৰ বৰখুটাকেইটাৰ কথা নজনা মানুহ গাঁওখনত নাই। ডাঙৰ ডাঙৰ বুঢ়া কঠাল গছ কাটি নামঘৰৰ বৰখুটাকেইটা গাঁৱৰ ৰাইজে সাজিছিল। কণ বাঢৈৰ নাম গাঁৱৰ অজৰ অমৰ। ফুলচতি ডমৰা— সকলো কণবাঢৈয়ে নিজহাতে কাটিছিল। গাঁৱৰ মানুহৰ মতে নামঘৰোটা ব্ৰহ্মপুত্ৰতকৈও পুৰণি। মাজে মাজে গাঁৱৰ ইঘৰ-সিঘৰৰ মাজত কাজিয়া হয়। কিছুমানে বৰনামঘৰৰ পৰা ফাটি গৈ বেলেগ নামঘৰ সজাৰ কথা কয়। ৰতন গাঁওবুঢ়াৰ হস্তক্ষেপত সেইকথা তল পৰে। গোটেই গাঁওখনেই এঘৰ মানুহ। ব্ৰহ্মা, বিষ্ণু আদি দেৱতাইও খনে খনে কাজিয়া কৰিছিল। সেইবুলি নামঘৰে কি জগৰ লগালে। নামঘৰ নেভাগে। গাঁৱত লগা সৰু সুৰু কাজিয়াৰ সোধ-বিচাৰ হয় নামঘৰতেই। গাঁৱৰ গাঁওবুঢ়া, মেধি আদি বয়সস্থ সকলে ইয়াত আগভাগ লয়।

বহাগৰ পৰা আহাৰ মাহৰ ভিতৰত খেতি আৰম্ভ কৰাৰ আগতে মৌজুৰি গাঁৱৰ বৰনামঘৰত ৰাজহুৱা সবাহ-ভাওনা হয়। গাঁৱৰ গাঁওবুঢ়া, মেধিয়ে নাট মোলৰ পৰা ভাওনাৰ শেষলৈকে তদাৰক কৰে। গাঁৱৰ ডেকাবোৰে ভাওনাৰ বিভিন্ন ভাৱত অভিনয় কৰে। কেতিয়াবা কোনে কি ভাও ল'ব তাক লৈ তর্ক-বিতর্কও হয়। গাঁৱৰ গাঁওবুঢ়া সকলে ভাওনাৰ কৃষ্ণক ভক্তি কৰে।[৪০] যি বছৰ বাওনা ভাল হয় সেই বছৰ খেতি-বাতিও ভাল হয় বুলি গাঁৱৰ ৰাইজৰ বিশ্বাস। বহুত দিনলৈকে গাঁৱৰ ল'ৰা-বুঢ়া, গাভৰু-বোৱাৰীয়ে ভাওনাৰ কথা অচল কৰি থাকে।[৪১] চেঙেলীয়া ল'ৰাবোৰে গাঁৱত ভাওনা হোৱাৰ বহুদিন পিছলৈকে বাঁহ-কাঠৰ লাঠি লৈ ধেমালিতে ভীম-দুর্যোধনৰ

ভাও দিয়ে। সুৰুযমুখীৰ স্বপ্নৰ ডালিম গাঁৱৰ নামঘৰত গোঁসাই ঈশ্বৰ আহিলে ভাওনা হয়। ভাওনা হোৱাৰ পিছত গাঁৱৰ লʼৰাবোৰে চিঞৰি চিঞৰি ভাওনাৰ বচন মাতি ফুৰে।

পহুমৰা হাবিৰ বাট উপন্যাসৰ বৰচোমনি গাঁৱৰ ৰাইজে গাঁৱৰ ৰাজহুৱা সকলো কথা আলোচনা কৰিবলৈ গোট কায়হি নামঘৰৰ বৰপুখুৰীটোৰ পাৰত। গাঁৱৰ মাটিহীন লোকে পহুমৰা হাবিত মাটি ভাঙি খেতি কৰাৰ আলোচনা কৰে। নিৰ্বাচনৰ আগতে মন্ত্ৰী বিধায়কে নিৰ্বাচনী প্ৰচাৰ চলায় নামঘৰৰ প্ৰাঙ্গণত।

হিন্দু জনবসতিপূৰ্ণ গাঁৱত নামঘৰৰ যি ভূমিকা, মুছলমান জনবসতিৰ গাঁৱত সেই ভূমিকা পালন কৰে মছজিদে। সুৰুযমুখীৰ স্বপ্ন উপন্যাসৰ ডালিম গাঁৱৰ মছজিদত হোৱা ৰাজহুৱা ভোজৰ বৰ্ণনা আছে। মছজিদত বছৰি ভোজ দুটা হয়। এটা বহাগৰ মাজ বা জেঠৰ আগভাগত খেতিৰ আয়োজন কৰোঁতে, আনটো মাঘত খেতি চপোৱা শেষ হোৱাৰ পাছত। দুয়োটা ভোজকে গাঁৱৰ ৰাইজে অতি পবিত্ৰ বুলি ভাবে। বহুতে বেমাৰ আজাৰৰ পৰা আৰোগ্য হোৱাৰ কামনাত নাইবা কোনো বাঞ্ছিত আশা পূৰণ হোৱাৰ কামনাত ভোজৰ বৰঙণি আগবঢ়ায়। ভোজৰ দিনা গাঁৱৰ ৰাইজে ঘৰ-দুৱাৰ পৰিষ্কাৰ কৰি কাপোৰ কানি গা-পা ধুই চাফ-চিকুণ হৈ ঘৰে ঘৰে পিঠাগুৰি খুন্দে আৰু শালিকী পিঠা বনায়। মছজিদত একে ঠাইতে জকাই জকাই মাংসৰ তৰকাৰী ৰান্ধে। আবেলি গাঁৱৰ পুৰুষসকলে লʼৰা আৰু নাবালিকা ছোৱালীক লৈ মছজিদলৈ আহে। লগত অনা পিঠা ৰাজহুৱা পাচিত জমা দিয়ে। ভোজৰ ৰাজহুৱা বস্তু মাংসৰ তৰকাৰী আৰু পিঠা পাত পাৰি সকলোৱে খায়। শেষত ঘৰলৈ নিয়া পিঠা-তৰকাৰী টোপোলা বান্ধি সকলো ঘৰাঘৰি যায়।

ধৰ্মীয় অনুষ্ঠানৰ উপৰিও মছজিদত ৰাজহুৱা বিচাৰো হয়। আধাৰশিলা উপন্যাসৰ ৰহমান বুঢ়াৰ জীয়েক সোণপাহীয়ে অবিবাহিতা অৱস্থাতে এটা সন্তান জন্ম দিলে। শুকুৰবাৰে মছজিদৰ জুমা নামাজৰ পিছত ৰাইজে তাৰ বিচাৰ আৰম্ভ কৰিলে। বিভিন্ন আলোচনাৰ পিছত ৰাইজে ঠিক কৰিলে যে কলঙ্কিতা সোণপাহীক ঘৰত আশ্ৰয় দি ৰহমান বুঢ়াই গুণাহ কৰিছে যেতিয়া তেওঁ গাঁৱৰ ৰাইজৰ পৰা এঘৰীয়া হৈ থাকিব লাগিব। সোণপাহীক বিয়া দিয়াৰ পিছতহে ৰহমান বুঢ়াই গাঁৱৰ ৰাইজৰ লগত উঠা-বহা কৰিব পাৰিছিল। শুকুৰবাৰে মছজিদত জুমা নামাজ হয়। তালৈ গাঁৱৰ লʼৰা-ডেকা-বুঢ়া সকলো যোৱাটো নিয়ম। ঈদৰ নামাজত অংশগ্ৰহণ কৰা প্ৰতিজন মুছলমান পুৰুষৰে একান্ত কৰ্ত্তব্য।

ৰূপাবৰিৰ পলসত ৰূপাবৰি গাঁৱৰ মছজিদৰ বৰাতলত হোৱা ৰাজহুৱা মিলাদৰ বৰ্ণনা আছে। মিলাদত মৌলানা আছগড আলি চাহাবৰ বক্তৃতা কোৰাণ হদীছৰ উদ্ধৃতি হাফিজ আৰু জালালুদ্দিনৰ চৈইৰ সুৰে আকৰ্ষণীয় কৰি তুলিলে।[৪২] মিলাদৰ শেষৰ ভোজত মৌলানা চাহাবৰ বক্তৃতা তল পৰিল।

বিবাহ :

বিবাহ মানৱ জীৱনৰ এটা স্মৰণীয় ঘটনা। বিবাহৰ যোগেদি নাৰী-পুৰুষে যুগ্ম জীৱনৰ পাতনি মেলে। সুকুমমুখীৰ স্বপ্ন উপন্যাসত বিয়া সম্পৰ্কে ডালিম গাঁৱৰ মানুহৰ দৃষ্টিভংগী উদাৰ। গাঁৱত টকা-পইচা খৰচ কৰি বিয়া পাতিবপৰা মানুহ প্ৰায়েই নায়েই। সেয়ে ল'ৰা-ছোৱালীৰ মন মিলিলে পলুৱাই নি ঘৰ কৰাটো একো দোষণীয় নহয়।[৪৩] উপন্যাসৰ নায়ক গুলচে চেনীমাইক পলুৱাই নি বিয়া কৰোৱাৰ যত্ন কৰিছিল কিন্তু ধৰা পৰিল। তৰাকো পলুৱাই নি নিকাহ কৰোৱাৰ বন্দোবস্ত কৰিলে কিন্তু তাতো ঠগ খালে। অৱশেষত ডালিম গাঁৱৰ অলপ চহকী পৰিয়াল চফিয়াতৰ পুতেক ৰফি আৰু জীয়েক আটাইকেইজনীৰ ধুমধামেৰে বিয়া পাতিছিল।

জীয়া-জুৰিৰ ঘাট উপন্যাসত চালেহ-চানাৰ বিয়াৰ বৰ্ণনা আছে। চালেহৰ ককায়েক নবৌয়েক জেহিৰ-কণমাই, দদায়েক কাদিৰ আৰু গাঁৱৰ অন্য আপোন পৰিয়াল লগ লাগি বৰ আড়ম্বৰপূৰ্ণ নহ'লেও বেচ আয়োজনেৰেই বিয়াখন পাতিলে। নিবনুৱা কাৰণে বিয়া কৰাবলৈ ইচ্ছা নকৰা চালেহেও বিয়াৰ ধুমধামৰ মাজত আনন্দিত হ'বলৈ যথেষ্ট প্ৰেৰণা পালে। হাতী আৰু গৰুৰ গাড়ীৰে বিয়া হ'ল। বিয়াত কইনাঘৰীয়াৰ আদৰ-সাদৰ, কইনাৰ লগত দিয়া যৌতুক আদিৰ যথাযথ বিবৰণ আছে।[৪৪]

নল-বিবিশা-খাগৰিৰ নায়িকা ৰূপহী আৰু ভোগৰ বিয়াখন গাঁৱৰ বাইজৰ কাৰণে মনত থাকিবলগীয়া বিয়া। গাঁওখনৰ ভিতৰতে ধনী মানুহ বিকোদৰে ছটা ল'ৰাৰ মাজৰ একেজনী ছোৱালী ৰূপহীৰ বিয়া বৰধুমধামেৰে পাতিছিল। এফে গাঁৱৰে দৰা ভোগই পাঁচোটা দঁতাল হাতীৰে, আঠখন গৰুৰ গাড়ীৰে, ছয়োৰ ঢুলীয়াৰে ৰূপহীক বিয়া কৰাবলৈ দৰা হৈ আহিছিল। গাঁৱৰ মানুহৰ মুখে মুখে বহুত দিনলৈকে এই বিয়াৰ কথা কাহিনীৰ নিচিনাকৈ চলি আছিল। অৱশেষত বিকোদৰে ৰূপহীৰ মাক জয়ন্তীক পলুৱাইহে আনিছিল।

মালিকৰ কণ্ঠহাৰ উপন্যাসত পানদোকানী মইনৰ ভনীয়েক মৰীয়মৰ বিয়াৰ বিস্তৃত বৰ্ণনা আছে। "অসমীয়া মুছলমানৰ বিয়াৰ জোৰোণ বিয়াৰ ভালেমান দিনৰ আগতে হয়। ছোৱালীৰ ঘৰত কিবা অলংকাৰ-পাতি দি কথা বতৰা পাতি থলে বিয়া যিমান দিনৰ মূৰতে পাতক, কোনো কথা নাই, ছোৱালীজনী থৰি থলেই দুয়োৰৰ নিশ্চিত হ'ব পাৰে। কেতিয়াবা জোৰোণৰ লগতে বিয়াৰ দিনবোৰো ঠিক কৰি পেলায়।"[৪৫] জোৰোণ হৈ যোৱাৰ পিছত তাঁত লগোৱা, ঘৰ-চোতাল চাফা কৰা, খোৱাৰ যা-জোগাৰ সকলো কাম মাক-জীয়েক আইকণ মৰীয়মে তৎপৰতাৰে কৰিলে।[৪৬] বিয়াৰ দৰাও আহিল হাতীত উঠি। মাইকী মানুহবিলাক গৰুৰ গাড়ীত আৰু পুৰুষসকল খোজকাঢ়ি আহি কইনাঘৰ পালেহি। নিকাহ কৰি সবাঘৰীয়া মানুহক খুৱাই উঠোঁ মানে ৰাতি হ'ল। হেঁপাহেৰে কান্দি মাক-পুতেকে কইনা বিদায়দিলে। কন্ত মৰ' তনু ভাৰৰ নায়ক

শংকৰৰ বিয়াৰ আয়োজন কাপোৰ-কানি সোণ-ৰূপৰ অলংকাৰ আৰু ঢুলীয়া-খুলীয়া নামতী-নটুৱাৰ খেলধেমালিৰ বিস্তৃত বিৱৰণ আছে।[৪৭]

শিক্ষা ঃ

গ্ৰাম্য সমাজত আনুষ্ঠানিক শিক্ষাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া নহয়। মালিকৰ উপন্যাসত থকা গাঁৱৰ প্ৰতিজন মানুহেই অশিক্ষিত বা অৰ্দ্ধশিক্ষিত। গ্ৰাম্য অঞ্চলত কৰবাত দুই এখন পাঠশালা স্কুল থাকিলেও উচ্চশিক্ষাৰ অনুষ্ঠান নাই। অন্যহাতে নাৰী শিক্ষাৰ সুবিধা গ্ৰাম্য অঞ্চলত নাই। ল'ৰা-ছোৱালী একেলগে স্কুলত পঢ়াতো গাঁৱৰ মানুহে মানি ল'ব নোৱাৰে। গতিকে ছোৱালীক স্কুললৈ নপঠিয়ায়।[৪৮] নল বিৰিণা খাগৰিৰ মৌজুৰি গাঁৱৰ লোকসকলৰ লিখা-পঢ়া নাই যদিও তাৰ বাবে তেওঁলোকৰ আক্ষেপো নাই।[৪৯] পঢ়া-লিখা নকৰাকৈয়ে গাঁৱৰ প্ৰকৃতিৰ পৰা ল'ৰা ল'ৰা-ছোৱালীয়ে জীৱনৰ বাবে প্ৰয়োজনীয় শিক্ষা আয়ত্ব কৰে।[৫০] সূৰুযমুখীৰ স্বপ্নৰ ডালিম গাঁৱত এখন পাঠশালা স্কুল আছে। পোদ্দৰ-ঘোলটা ল'ৰাৰ নাম আছে স্কুলৰ হাজিৰা বহীত। সকলো ল'ৰা সদায় স্কুললৈ নাহে। জয়ৰাম পণ্ডিতে দৰ্মহা লবলৈ গোলাঘাট নগৰলৈ যায়।[৫১]

ৰীতি-নীতি আৰু সংস্কাৰ ঃ

অসমৰ গ্ৰাম্য সমাজৰ লগত কিছুমান ৰীতি-নীতি আৰু সংস্কাৰ অঙ্গাঙ্গীভাৱে জড়িতহৈ আছে। গাঁৱৰ মানুহে কিছুমান আচাৰ-ব্যৱহাৰ আৰু কাৰ্যক কৰ্ত্তব্য-অকৰ্ত্তব্য বুলি বিবেচনা কৰে আৰু সেইবোৰৰ লগত শুভ অশুভৰ বোধ নিহিতহৈ থাকে। নল বিৰিণা খাগৰি উপন্যাসত আহাৰ মাহৰ খেতিৰ সময়ত কেইবাদিনো ধৰি হোৱা অনাবৃষ্টিৰ কথা আছে। কৃষিনিৰ্ভৰ অসমীয়া সমাজত বহুদিন বৰষুণ নহ'লে ভেকুলী বিয়া পাতিলে বৰষুণ হয় বুলি বিশ্বাস। মৌজুৰি গাঁৱৰ মানুহে বৰষুণ দিবলৈ ভেকুলী বিয়া পতাৰ আলচ কৰে। বহুদিনৰ বৰষুণ নিদিলে যেনেকৈ ভেকুলী বিয়া পতাৰ নিয়ম তেনেকৈ বাঘধেনুও বজোৱা হয়।[৫২] বাঘধেনু বজালে বৰষুণ দিয়ে বুলি গাঁৱৰ মানুহে বিশ্বাস কৰে। গাঁৱৰ মানুহে যখিনী জলকুঁৱৰী আদি বিভিন্ন অপদেৱতাৰ বিশ্বাস কৰে।[৫৩] সূৰুযমুখীৰ স্বপ্ন উপন্যাসতো জলকুঁৱৰীৰ কথা আছে। গুলচক মাকে পৈত্ৰিক সম্পত্তি বেচিবলৈ মানা কৰিছে। গুলচক মাকে পৈত্ৰিক সম্পত্তি বেচিবলৈ মানা কৰিছে। গুলচক মাকৰ বিশ্বাস পৈত্ৰিক সম্পত্তি বেচিলে লক্ষ্মী যায়। ডালিম গাঁৱৰ মানুহে পৰম্পৰা মানি চলে। চফিয়ত গাঁওবুঢ়াৰ কেইবাটাও কুকুৰ আছে। কুকুৰ পোৱালি বুঢ়াই কাকো নিদিয়ে সঁচ যায় বুলি। বাৰীৰ আন-কটালৰ গুটিও লোকক নিদিয়ে। গুটি নিলে সঁচ যায়।[৫৪] ধন্য নৰ তনু ভাল উপন্যাসত জলকুঁৱৰীক সন্তুষ্ট কৰিবৰ কাৰণে ছাগলী আৰু ভোগ দিয়াৰ উল্লেখ আছে।[৫৫] বনজুই উপন্যাসত প্ৰেমধৰৰ পত্নী জোনা গোস্বাপমাষ্টৰৰ লগত পলাই গৈছিল। এমাহমান বিভিন্ন ঠাইত ঘূৰি ফুৰি জোনা পুনৰ প্ৰেমধৰৰ ঘৰলৈ ঘূৰি আহিল। সমাজে

পতিতাক সহজে গ্ৰহণ নকৰে। গতিকে ধাইজে জোনাক পৰাচ্ছিত কৰাইহে গ্ৰহণ কৰিছে।[৫৬]

বিভূতিভূষণ আৰু মালিকৰ উপন্যাসৰ গ্ৰাম্য জীৱনৰ তুলনামূলক অধ্যয়ন :

বিভূতিভূষণ আৰু চৈয়দআব্দুল মালিকৰ উপন্যাসত গ্ৰাম্য জীৱন প্ৰকাশত এটা কথা দৃষ্টিগোচৰ হয় যে গাঁৱত জন্মগ্ৰহণ কৰা দুয়োজন ঔপন্যাসিকে গ্ৰাম্য জীৱনৰ মনে-প্ৰাণে ভাল পায়। সেয়ে দুয়োজন ঔপন্যাসিকে গ্ৰাম্য জীৱনক প্ৰায়বোৰ উপন্যাসেৰে পটভূমি হিচাপে বাচি লৈছে। গাঁৱৰ জীৱনক তেওঁলোকে বেছি ওচৰৰ পৰা দেখা পোৱাৰ কাৰণে গ্ৰাম্য জীৱনৰ খুটি-নাটি তেওঁলোকৰ দৃষ্টিগোচৰ হোৱা স্বাভাৱিক।

বিভূতিভূষণ আৰু মালিক দুয়োজনেই গাঁওকেন্দ্ৰিক ঔপন্যাসিক। বিভূতিভূষণৰ উপন্যাসত গ্ৰাম্য জীৱনত প্ৰকৃতিয়ে বিশেষ প্ৰাধান্য লাভ কৰিছে। **পথেৰ-পাঁচালীত** অপু-দুৰ্গাৰ মাজেদি বংগদেশৰ গাঁৱৰ সমাজতকৈ গাঁৱৰ প্ৰকৃতিহে উজ্জ্বল হৈ ধৰা দিছে। নিশ্চিন্দিপুৰৰ গছ-লতা, জোপোহা, ঋতুৱে ঋতুৱে পৰিৱৰ্তনশীল বনশ্ৰী তেওঁৰ উপন্যাসত চিৰনতুন হৈ ধৰা দিছে। মালিকৰ উপন্যাসত গাঁওপ্ৰকৃতি কাহিনীৰ পটভূমি হ'লেও ঔপন্যাসিকে প্ৰকৃতিতকৈ কাহিনীৰ ওপৰতহে অধিকগুৰুত্ব দিছে। মালিকৰ উপন্যাসত চৰিত্ৰ-জগত আৰু সমাজজীৱনৰ সমান্তৰালভাৱে স্থিতি লাভ কৰি আছে মানুহৰ প্ৰতি উদাসীন প্ৰকৃতিজগত।

বিভূতিভূষণৰ উপন্যাসত গ্ৰাম্য সমাজজীৱনতকৈ গ্ৰাম্য পৰিয়ালৰ সুখ-দুখ অভাৱ-অনাটনৰ ছবি আছে। সমাজৰ পৰা বিছিন্ন কৰিও বিভূতিভূষণৰ উপন্যাসৰ চৰিত্ৰসমূহ চাব পাৰি। মালিকৰ উপন্যাসত গ্ৰাম্য সমাজজীৱনৰ ছবি বিভূতিভূষণতকৈ অধিক জীৱন্ত। অসমীয়া গ্ৰাম্য জীৱনৰ ঘৰ-দুৱাৰ, পিন্ধন-উৰণ, খোৱা বোৱা, উৎসব পাৰ্বন, আচাৰ-অনুষ্ঠান গালি-শপনি আদি এনে এটা দিশ নাই যিটো মালিকৰ উপন্যাসত প্ৰকাশ পোৱা নাই।

গাঁৱৰ দৰিদ্ৰ জসনসাধাৰণ প্ৰতি দুয়োজন ঔপন্যাসিকৰেই অনুকম্পা আছে। দুয়োজনেই গাঁৱৰ দৰিদ্ৰ সাধাৰণ মানুহৰ জীৱনক ওচৰৰ পৰা দেখা পাইছিল আৰু উপন্যাসৰ কাহিনী হিচাপে তেওঁলোকৰ জীৱন বাচি লৈছিল। বিভূতিভূষণৰ **পথেৰ-পাঁচালী দৃষ্টি-প্ৰদীপ** আৰু **অশনি-সংকেতত** গাঁৱৰ দৰিদ্ৰ জনসাধাৰণৰ ছবি সুন্দৰকৈ প্ৰকাশ পাইছে। মালিকৰ **পহমৰা হাবিৰ বাট, জেতুকা পাতৰ দৰে, নল বিৰিণা খাগৰি, বনজুই** আদি উপন্যাসত গাঁৱৰ দুখীয়া পৰিয়ালৰ আৰ্থিক সংকটৰ ছবি আছে।

বিভূতিভূষণৰ উপন্যাসত গাঁৱৰ কৃষিজীৱি পৰিয়ালৰ বৰ্ণনা পাবলৈ নাই। তেওঁৰ উপন্যাসৰ চৰিত্ৰসমূহ সাধাৰণতে ব্ৰাহ্মণ পৰিয়ালৰ। পথাৰত গৰুৰে হালেবোৱা কাম কৰাটো তেওঁলোকৰ সামাজিকভাৱে নিষেধ। গতিকে বিভূতিভূষণৰ উপন্যাসৰ

দৰিদ্ৰ গৃহস্থই পুৰোহিতগিৰি কৰি অৱস্থাপন্ন লোকৰ ঘৰত চণ্ডীপাঠ কৰি জীৱন নিৰ্বাহ কৰে। ধনী জমিদাৰসকল প্ৰত্যেক্ষভাৱে কৃষিকাৰ্য্যৰ লগত জড়িত নহয়। তেওঁলোকে খেতিয়কৰ খেতি তদাৰক কৰে। খেতিয়কে খাজনাৰ নামত খাদ্যশস্য জমিদাৰৰ ভঁড়ালত জমা দিয়ে। এনেকুৱা জমিদাৰৰ মাটিত খেতি কৰা খেতিয়ক বিভূতি উপন্যাসত পাৰলৈ নাই। মানিকৰ সৰহসংখ্যক উপন্যাসতে গাঁৱৰ খেতিয়ক জীৱনৰ ছবি আছে। সুন্দৰমুখীৰ স্বপ্ন, বনজুই, নল বিৰিণা খাগৰি জেতুকা পাতৰ দৰে আদি উপন্যাসত পুৰুষে পথাৰত হালবোৱা, কোৰমৰা কঠিয়া কঢ়িওৱা ডাঙৰি অনাৰ পৰা নাৰীয়ে ভূঁইবোৱা, কঠীয়া তোলা, ধানদোৱলৈকে বৰ্ণনা পোৱা যায়।

বিভূতিভূষণৰ উপন্যাসত গ্ৰাম্য-প্ৰেমৰ বৈচিত্ৰ নাই। তেওঁৰ উপন্যাসত প্ৰেম উত্তাপহীন। সকলো বিলাক প্ৰেমিক-প্ৰেমিকাই প্ৰেমৰ ক্ষেত্ৰত নিষ্ক্ৰিয়। মানিকৰ উপন্যাসত গ্ৰাম্য প্ৰেম নদীৰ কোবাল সোঁতৰ দৰে হিলদল ভঙা। মানিকে সামাজিক বাধা নিষেধলৈ ভ্ৰূক্ষেপ নকৰি মানুহৰ কামনা-বাসনাপূৰ্ণ আদিম প্ৰেম চিত্ৰিত কৰিছে সুন্দৰমুখীৰ স্বপ্ন, বনজুই, নল-বিৰিণা-খাগৰি, কণ্ঠহাৰ আধাৰশিলা আদি উপন্যাসত।

বিভূতিভূষণ বংগৰ লেখক। বংগৰ সমাজতেই জমিদাৰ প্ৰথাই প্ৰসাৰ আৰু বিস্তৃতি লাভ কৰিছিল। বিভূতিভূষণৰ গ্ৰাম্য জীৱনকেন্দ্ৰিক প্ৰায়বিলাক উপন্যাসতে জমিদাৰ প্ৰথাৰ উল্লেখ আছে যদিও জমিদাৰ প্ৰথাৰ দ্বাৰা সৃষ্ট জনসাধাৰণৰ গভীৰ সমস্যাৰ চিত্ৰ নাই।

মানিকৰ ৰূপাৰৰিৰ পলস উপন্যাসত জমিদাৰপ্ৰথাৰ দ্বাৰা সৃষ্ট সমস্যাৰ লগতে জমিদাৰৰ শোষণ আৰু অত্যাচাৰৰ মৰ্মস্পৰ্শী চিত্ৰ আছে।

বিভূতিভূষণে গাঁৱৰ সহজ-সৰল মানুহৰ ছবি তেওঁৰ উপন্যাসসমূহত সহৃদয়তাৰে অংকণ কৰিছে। মানিকে তেওঁৰ পৰিচিত গ্ৰাম্য সমাজৰ নৰ-নাৰীৰ অজটিল জীৱনৰ সজীৱ চিত্ৰ, তেওঁলোকৰ মহত্ব আৰু দুৰ্বলতাক সমানে প্ৰশ্ৰয় দি অংকন কৰিছে। সুন্দৰমুখীৰ স্বপ্নত অসমৰ এখন গাঁৱৰ ছবি আঁকোতে ঔপন্যাসিকে গোটেই অসমীয়া সমাজৰ ছবিকেই চিত্ৰিত কৰিছে। মানিকৰ গ্ৰাম্য সমাজৰ ছবি বিভূতিভূষণতকৈ অধিক জীৱন্ত।

চতুৰ্থ অধ্যায়ৰ পাদটীকা

১। "Many modern writers find their cultural and emotional lives in a metropolis, which may be both inimical and threatening,but which also provides for some whatever salvation if any may found "

What is structure 1980. Chapman essays, p. 189

২। বিভূতি ৰচনাৱলী সপ্তম খণ্ড, পৃঃ ৪৪৭।

৩। "কিন্তু সে ভালবাসাৰও গভীৰ ৰূপবৈচিত্ৰ দেখাইবাৰ তিনি প্ৰয়োজনবোধ কৰেন না। সে ভালবাসাৰ প্ৰবাহত হৃদয়েৰ পটভূমিকে স্পৰ্শ কৰিয়াছে মাত্ৰ। কিন্তু তাহাতে বান

ডাকিয়া তার দুইকূল প্লাবিত করিয়া দেয় না। এবং সেই বন্যা বাহিত পলিমৃত্তিকার ফসল ফলিয়া উঠে।

সেনগুপ্ত, বিশ্বরঞ্জন নিসংগ আরণ্যক বিভূতিভূষণ পৃ ১০২।

৪। বিভূতি রচনাবলী দ্বিতীয় খণ্ড পৃ. ১৪৭।

৫। পূর্বোক্ত গ্রন্থ পৃ ১৪৮।

৬। 'অপু ভাবে মা ঠিক এই ধরণের কথা বলিত। এই ধরণেরই স্নেহ-প্রীতি ভরা চোখে। সে দেখিয়াছে কি দিদি কি রাণুদি কি লীলা কি অর্পনা এদের সকলের মধ্যে মা যেন অল্পবিস্তর মিশাইয়া আছেন— ঠিক সময়ে ঠিক অবস্থায় ইহারা একই ধরণে কথা বলে চোখে মুখে একই ধরণের স্নেহ ফুটিয়া উঠে।"

বিভূতি রচনাবলী দ্বিতীয় খণ্ড পৃঃ ১২৭।

৭। বিভূতি রচনাবলী তৃতীয় খণ্ড পৃ° ১১০।

৮। 'বাইরের মাঠে এসে দাঁড়িয়ে মনে হ'ল আকাশ বাতাসের রূপ ও রং যেন এই এক মুহূর্তের মধ্যে ছাররাসিনীর কামারদের কাটানো বড় দীঘিটা সবই সেই আছে, কিন্তু মালতীর মুখের একটি কথায় সব এত সুন্দর এত অপরূপ এত মধুময় হয়ে উঠল কেন।

পূর্বোক্ত গ্রন্থ - পৃ ৯৪।

৯। বিভূতি রচনাবলী, তৃতীয় খণ্ড পৃ ১৩৮।

১০। বিভূতি রচনাবলী প্রথম খণ্ড পৃ ১০৮।

১১। পূর্বোক্ত গ্রন্থ পৃ ১১৬।

১২। "চড়কের মালা দেখিয়া হাসিমুখে ছেলেমেয়েরা ফিরিয়া যাইতেছে। কারো হাতে বাঁশের বাঁশি কারো হাতে মাটির রংকরা চোরা পালকি। একদল গ'ল গাংগুলী পাবার দিকে একদল সোণাদাংগা মাঠের মাটির পথে বাহিয়া। চাতিমবনের তলায় ধুলজুড়ি মাধবপুরের খেয়াঘাটে চব্বিশ বছর আগে যাহারা ছিল ছোট এইরকম মেলা দেখিয়া ভেঁপু বাজাইতে বাজাইতে তেলেভজা জিবেগজা হাতে ফিরিয়া গিয়াছে। আজ তাহাদের ছেলেমেয়েদের দল ঠিক আবার তাহাই করিতেছে।"

বিভূতি রচনাবলী, দ্বিতীয় খণ্ড পৃঃ ২৪৯।

১৩। 'কত রাত পর্যন্ত সমানভাবে নাচ ও গান চলিল। মাঝে মাঝে দলটি একটু বিশ্রাম করিয়া লয় আবার আরম্ভ করে— মাদলের বোল, জ্যোৎস্না বর্ষাস্নিগ্ধ বনভূমি, সুঠাম শ্যামা নৃত্য পরায়ণা তরুণী দল— সব মিলিয়া কোনো বড় শিল্পীর অংকিত একখানি ছবির মত তা শুধ্রী একটি মধুর সংগীতের মত তার আকুল আবেদন।

বিভূতি রচনাবলী পঞ্চম খণ্ড পৃ. ১১

১৪। "প্রভাতের আকাশে আগমনীর আনন্দ সুর বাজিয়া ওঠে। আসন্ন হেমন্তঋতুর অভ্যর্থনা নব ধানগুচ্ছের নব আগন্তুক শেফালিদের হিমালয়ের পার হইতে উড়িয়া আসা পথিক পাখী শ্যামার, শিশির স্নিগ্ধ মৃণাল কোটা হেমন্তলতার।"

বিভূতি রচনাবলী প্রথম খণ্ড পৃঃ ১১৯।

১৫। "বাহিরের উঠান নিমন্ত্রিতদের দলে ভরিয়া গিয়াছে। সারা উঠানটাতে শতরঞ্জি পাতা,

দৰিদ্ৰ গৃহস্থই পুৰোহিতগিৰি কৰি অৱস্থাপন্ন লোকৰ ঘৰত চণ্ডীপাঠ কৰি জীৱন নিৰ্বাহ কৰে। ধনী জমিদাৰসকল প্ৰত্যেক্ষভাৱে কৃষিকাৰ্য্যৰ লগত জড়িত নহয়। তেওঁলোকে খেতিয়কৰ খেতি তদাৰক কৰে। খেতিয়কে খাজনাৰ নামত খাদ্যশস্য জমিদাৰৰ ভঁড়ালত জমা দিয়ে। এনেকুৱা জমিদাৰৰ মাটিত খেতি কৰা খেতিয়ক বিভূতি উপন্যাসত পাবলৈ নাই। মানিকৰ সৰহসংখ্যক উপন্যাসতে গাঁৱৰ খেতিয়ক জীৱনৰ ছবি আছে। সুন্দৰমুখীৰ স্বপ্ন, বনজুই, নল বিৰিণা খাগৰি জেতুকা পাতৰ দৰে আদি উপন্যাসত পুৰুষে পথাৰত হালবোৱা কোবমৰা কঠিয়া কঢ়িওৱা ডাঙৰি অনাৰ পৰা নাৰীয়ে ভুঁইৰোৱা কঠীয়া তোলা, ধানদোৱলৈকে বৰ্ণনা পোৱা যায়।

বিভূতিভূষণৰ উপন্যাসত গ্ৰাম্য-প্ৰেমৰ বৈচিত্ৰ নাই। তেওঁৰ উপন্যাসত প্ৰেম উত্তাপহীন। সকলো বিলাক প্ৰেমিক-প্ৰেমিকাই প্ৰেমৰ ক্ষেত্ৰত নিষ্ক্ৰিয়। মানিকৰ উপন্যাসত গ্ৰাম্য প্ৰেম নদীৰ কোবাল সোঁতৰ দৰে হিলদল ভঙা। মানিকে সামাজিক বাধা নিষেধলৈ ভ্ৰূক্ষেপ নকৰি মানুহৰ কামনা-বাসনাপূৰ্ণ আদিম প্ৰেম চিত্ৰিত কৰিছে সুন্দৰমুখীৰ স্বপ্ন, বনজুই, নল-বিৰিণা-খাগৰি, কণ্ঠহাৰ, আধাৰশিলা আদি উপন্যাসত।

বিভূতিভূষণ বংগৰ লেখক। বংগৰ সমাজতেই জমিদাৰ প্ৰথাই প্ৰসাৰ আৰু বিস্তৃতি লাভ কৰিছিল। বিভূতিভূষণৰ গ্ৰাম্য জীৱনকেন্দ্ৰিক প্ৰায়বিলাক উপন্যাসতে জমিদাৰ প্ৰথাৰ উল্লেখ আছে যদিও জমিদাৰ প্ৰথাৰ দ্বাৰা সৃষ্ট জনসাধাৰণৰ গভীৰ সমস্যাৰ চিত্ৰ নাই।

মানিকৰ বাপাৰবিৰ পলস উপন্যাসত জমিদাৰপ্ৰথাৰ দ্বাৰা সৃষ্ট সমস্যাৰ লগতে জমিদাৰৰ শোষণ আৰু অত্যাচাৰৰ মৰ্মস্পৰ্শী চিত্ৰ আছে।

বিভূতিভূষণে গাঁৱৰ সহজ-সৰল মানুহৰ ছবি তেওঁৰ উপন্যাসসমূহত সহৃদয়ভাৱে অংকণ কৰিছে। মানিকে তেওঁৰ পৰিচিত গ্ৰাম্য সমাজৰ নৰ-নাৰীৰ অজটিল জীৱনৰ সজীৱ চিত্ৰ, তেওঁলোকৰ মহত্ব আৰু দুৰ্বলতাক সমানে প্ৰশ্ৰয় দি অংকন কৰিছে। সুন্দৰমুখীৰ স্বপ্নত অসমৰ এখন গাঁৱৰ ছবি আঁকোতে ঔপন্যাসিকে গোটেই অসমীয়া সমাজৰ ছবিকেই চিত্ৰিত কৰিছে। মানিকৰ গ্ৰাম্য সমাজৰ ছবি বিভূতিভূষণতকৈ অধিক জীৱন্ত।

চতুৰ্থ অধ্যায়ৰ পাদটীকা

১। "Many modern writers find their cultural and emotional lives in a metropolis, which may be both inimical and threatening, but which also provides for some whatever salvation if any may found "

What is structure 1980 Chapman essays, p 189

২। বিভূতি ৰচনাৱলী সপ্তম খণ্ড, পৃঃ ৪৪৭।

৩। "কিন্তু সে ভালবাসাৰও গভীৰ ৰূপবৈচিত্ৰ দেখাইবাৰ তিনি প্ৰয়োজনবোধ কৰেন না। সে ভালবাসাৰ প্ৰবাহত হৃদয়েৰ পটভূমিকে স্পৰ্শ কৰিয়াছে মাত্ৰ। কিন্তু তাহাতে বান

ডাকিয়া তার দুইকূল প্লাবিত করিয়া দেয় না। এবং সেই বন্যা বাহিত পলিমৃত্তিকায় ফসল ফলিয়া উঠে।"

সেনগুপ্ত, বিশ্বরঞ্জন নিসংগ আরণ্যক বিভূতিভূষণ পৃঃ ১০২।

৪। বিভূতি রচনাবলী দ্বিতীয় খণ্ড পৃঃ ১৪৭।

৫। পূর্বোক্ত গ্রন্থ পৃ. ১৪৮।

৬। "অপু ভাবে মা ঠিক এই ধরণের কথা বলিত। এই ধরণেরই স্নেহ-প্রীতি ঝরা চোখে। সে দেখিয়াছে কি দিদি কি রাণুদি কি লীলা কি অর্পনা এদের সকলের মধ্যে মা যেন অল্পবিস্তর মিশাইয়া আছেন— ঠিক সময়ে ঠিক অবস্থায় ইহারা একই ধরণে কথা বলে চোখে মুখে একই ধরণের স্নেহ ফুটিয়া উঠে।

বিভূতি রচনাবলী দ্বিতীয় খণ্ড পৃ' ১২৭।

৭। বিভূতি রচনাবলী তৃতীয় খণ্ড পৃ ১১০।

৮। 'বাইরের মাঠে এসে দাঁড়িয়ে মনে হ'ল আকাশ বাতাসের রূপ ও রং যেন এই এক মুহূর্তের মধ্যে ভাববাসিনীর কামারদের কাটানো বড় দীঘিটা সবই সেই আছে, কিন্তু মালতীর মুখের একটি কথায় সব এত সুন্দর এত অপরূপ এত মধুময় হয়ে উঠল কেন।

পূর্বোক্ত গ্রন্থ - পৃঃ ৯৪।

৯। বিভূতি রচনাবলী তৃতীয় খণ্ড পৃ ১৩৮।

১০। বিভূতি রচনাবলী প্রথম খণ্ড পৃ ১০৮।

১১। পূর্বোক্ত গ্রন্থ, পৃ ১১৬।

১২। "চড়কের মালা দেখিয়া হাসিমুখে ছেলেমেয়েরা ফিরিয়া যাইতেছে। কারো হাতে বাঁশের বাঁশি কারো হাতে মাটির রংকরা চোরা পালকি। একদল গ'ল গাংগুলী পাবার দিকে একদল সোণাদাংগা মাঠের মাটির পথে বাহিয়া। চাতিমবনের তলায় ধূলজুড়ি মাধবপুরের খেয়াঘাটে চব্বিশ বছর আগে যাহারা ছিল ছোট এইরকম মেলা দেখিয়া ভেঁপু বাজাইতে বাজাইতে তেলেভজা জিবেগজা হাতে ফিরিয়া গিয়াছে। আজ তাহাদের ছেলেমেয়েদের দল ঠিক আবার তাহাই করিতেছে।

বিভূতি রচনাবলী দ্বিতীয় খণ্ড, পৃঃ ২৪৯।

১৩। 'কত রাত পর্যন্ত সমানভাবে নাচ ও গান চলিল। মাঝে মাঝে দলটি একটু বিশ্রাম করিয়া লয় আবার আরম্ভ করে— মাদলের বোল, জ্যোৎস্না বর্ষাস্নিগ্ধ বনভূমি, সুঠাম শ্যামা নৃত্য পরায়ণা তরুণী দল— সব মিলিয়া কোনো বড় শিল্পীর অংকিত একখানি ছবির মত তা শুভ্রী, একটি মধুর সংগীতের মত তার আকুল আবেদন।

বিভূতি রচনাবলী পঞ্চম খণ্ড পৃঃ ১'

১৪। "প্রভাতের আকাশে আগমনীর আনন্দ সুর বাজিয়া ওঠে। আসন্ন হেমন্তঋতুর অভ্যর্থনা নব ধানগুচ্ছের নব আগন্তুক শেফালিদের হিমালয়ের পার হইতে উড়িয়া আসা পথিক পাখী শ্যামার, শিশির স্নিগ্ধ মৃণাল ফোটা হেমন্তসন্ধ্যায়।"

বিভূতি রচনাবলী প্রথম খণ্ড পৃঃ ১১৯।

১৫। "বাহিরের উঠান নিমন্ত্রিতদের দলে ভরিয়া গিয়াছে। সারা উঠানটাতে শতরঞ্জি পাতা,

একেকোণে চওড়া জৰিপাল লাল মখমলে মোড়া উচু বৰাসন জৰিৰ ঝলাৰ দোলানে নীল সাটিনেৰ চাদোঁৱা দুপাখে কিংখাপেৰ তাকিয়া বড় বড় বেলফুলেৰ মালা তিনিগাছা কৰিয়া চাদোঁৱাৰ খিলানে খিলানে টাঙানো। চাৰিপাশে বৰযাত্রীগণেৰ চেয়াৰ ও কৌচ। বিলাতী সেণ্ট ও গোলাপজলেৰ পিচ্‌কাৰী ঘন ঘন চুটিতেছে।

বিভূতি ৰচনাৱলী প্ৰথম খণ্ড পৃ° ১৬৩।

১৬। আজ মেয়েদেৰ প্রীতিভোজ। সন্ধ্যাৰ পৰ হইতেই নিমন্ত্রিত মহিলাদেৰ গাড়ী পিছনেৰ গেটে আসিতে শুৰু কৰিল। ভিতৰেৰ বড় দৰজা পাৰ হইয়া সন্মুখেই মেয়ে মহলেৰ দোতলাৰ বাৰান্দায় উঠিবাৰ চাওড়া মাৰ্বলেৰ সিঁড়িটা নীলফুলেৰ কাজ কৰা কাৰ্পেট দিয়া যোড়া। সাৰা বাৰান্দাতে ও সিঁড়িতে গ্যাসেৰ আলো, দোতলাৰ বাৰান্দায উঠিবাৰ মুখে বড গ্যাসেৰ ঝাৰ জ্বলিতেছে।

বিভূতি ৰচনাৱলী প্ৰথম খণ্ড পৃ ১৬৫।

১৭। 'নাটমন্দিৰে বৰাসন সাজোনেৰে ভাৰ পৰিল তাহাৰ উপৰ। প্রাচীন আমলেৰ বড জাজিম ও শতৰঞ্চিৰ উপৰ সাদা চাদৰ পাতিয়া ফৰাচ বিচানো কাচেৰ মেজ ও বাতিৰ ডুম টাঙানো দেবদাৰু পাতাৰ ফটক বাঁধা কাগজ কাটিয়া দম্পত্তিৰ উদ্দেশ্যে আশিসবাণী ৰচনা। সন্ধ্যাৰ সময় বৰ আসিবে।

বিভূতি ৰচনাৱলী দ্বিতীয খণ্ড পৃ ১১৭।

১৮। ৰেশমী চেলী পৰা সালংকাৰা কন্যাকে সভায় আনা হইল। বাডিৰ মধ্যে ঠাৎ শাঁখ বাজিয়া উঠিল উলুধ্বনি শোনা গেল লোকে ভিড কৰিয়া সম্প্রদান সভাৰ চাৰিদিকে গোল হইযা দঁডাইল। পুৰোহিতেৰ কথায় অপু চেলী পৰিল নূতন উপবীত ধাৰণ কৰিল কলেৰ পুতুলেৰ মত মন্ত্ৰপাঠ কৰিয়া গেল। শুভদৃষ্টিৰ সময় যে এক অপূৰ্ব ব্যাপাৰ। মেয়েটি লজ্জায় ভাগৰ চোখ দুটি নত কৰিয়া আছে, অপু কৌতূহলেৰে সহিত চাহিয়া দেখিল ভাল কৰিয়াই দেখিল।

বিভূতি ৰচনাৱলী দ্বিতীয খণ্ড পৃ ১২৭।

১৯। যে কোন বয়সেই সে বিধবা হোক না কেন তাকে শুদ্ধচাৰিণী হয়ে থান কাপড পৰতে হত ও অলংকাৰ পৰিহাৰ কৰতে হয়। মাছ মাস, ও অন্যান্য অনেক খাদ্য সামগ্ৰী গ্ৰহণ বৰ্জন কৰতে হত ও একাদশীৰ দিন উপবাসী থাকতে হত।'

সুৰ অতুল বাঙালৰ সামাজিক ইতিহাস পৃ ৮৮।

২০। 'তাহাৰ পৰ ইন্দিৰ ঠাকুৰণকে বাডী আসিযা তখনই হাতেৰ নোয়া ও প্ৰথম যৌবনেৰ সাধেৰ জিনিস বাপ মাযেৰ দেওযা বুপাৰ পৈঁছেজোৰা খুলিয়া ৰাখিযা কপালেৰ সিন্দুৰ মুচিয়া নদীত স্নান কৰিযা আসিতে হৈল।

বিভূতি ৰচনাৱলী প্ৰথম খণ্ড পৃঃ ১০।

২১। 'The freedom from caste restrictions about food and drink did not of aourse for a long time abtain in the villages and rural society remained rather conservative in matters of caste even at the end of the 19th century and he begining of the 20th century "

The Transformation of Caste A Mukherjee p 76

২২। "যুগীৰ বামুন বুলিয়া পাড়ায় জল খাইতে চাহিলে লোকে ঘটিতে কৰিয়া জল খাইতে

দেয়, তাহাও আবার মজিয়া জিতে হয়।

বিভূতি ৰচনাৱলী প্ৰথম খণ্ড পৃঃ ৯৫।

২৩। দ্ৰষ্টব্য— বিপিনেৰ সংসাৰ, পৃঃ ১৭৯

বিভূতি ৰচনাৱলী নৱম খণ্ড।

২৪। ভৱালী ড শৈলেন উপন্যাস : বিচাৰ আৰু বিশ্লেষণ পৃঃ ৪৩।

২৫। সাপ্তাহিক নীলাচল ১১ ফেব্ৰুৱাৰী ১৯৭০ মোৰ জীৱনৰ দৰ্শন ।

২৬। ৰূপাবৰিৰ পলস, পৃ ২০।

২৭। দ্ৰষ্টব্য : ৰূপাবৰিৰ পলস পৃ ৪০-৪১।

২৮। দ্ৰষ্টব্য সুৰুযমুখীৰ স্বপ্ন পৃ ১-২।

২৯। শইকীয়া ড° নগেন চৈ আ মা ৰচনাৱলী প্ৰথম খণ্ড ভূমিকা।

৩০। 'সিও কিবা ভাল বা কিবা বেয়া কাম এটা কৰিলো বুলি ভবাৰ দৰকাৰ বোধ নকৰিলে। তিৰোতা এজনী ঘৰখনত লাগে কপাহীয়েই হওক বা অন্যই হওক— কোনোবা সিংহাসনত তুলি থব।

সুৰুযমুখীৰ স্বপ্ন পৃঃ ১১৬।

৩১। সুৰুযমুখীৰ স্বপ্ন, পৃ ৫৯।

৩২। গৰু চৰাই থাকোঁতে হঠাৎ বৰষুণ আনিলে তায়ে লৰ মাৰি জাপি এটা দি আহেগৈ। ভৰিত হুল সোমালে মাটিত লেপেটা কাটি বহি তাই হুল উলিযাই দিয়ে। তমাল চোঁচোতে চেচুৰে কাটিলে তাই লৰি গৈ অকণমান নিমখ হালধি বান্ধি দিয়ে। কেতিয়াবা গৰমত কৰবাৰ পৰা আহিলে তায়ে ওচৰত বৈ বিচনীৰে বিচি দিয়ে তাৰ সুখৰ কাৰণে তাই ছাঁৰ দৰে তাৰ কাষে কাষে থাকে।

সুৰুযমুখীৰ স্বপ্ন পৃ ৯৫।

৩৩। 'মই যিমান যি নপঢ়ো লাগিলে, মই কৈৱৰ্ত্ত ছোৱালী। বিয়া যদি হয় কোনোবা তোৰ নিচিনা কৈৱৰ্ত্ত ল'ৰা এটাৰ লগতহে হ'ব। উচ্চ বংশৰ ল'ৰাৰ লগত নহয়। প্ৰফেচাৰেই হওক বা ইঞ্জিনীয়াৰেই হওক।"

প হা বা পা জে দ আৰু অগ্নিগৰ্ভা পৃঃ ১৬০।

৩৪। 'Constitutes the stuff of contemporary Assamese fiction both the psychological and socio-economic aspects Abdul Malik a link between the generations reflect in a mushell the passions and characteristics of both the Awahan and the post war period '

Assamese Literature, p 236 237

৩৫। পূব পাকিস্তানৰ অৰ্থনৈতিক পৰিস্থিতিয়ে ভয়াবহ আকাৰ আৰু ৰূপ ধাৰণ কৰিবলৈ ধৰিলে। বছৰি বছৰি প্ৰলয়ংকৰী বানপানী ঘূৰ্ণি বা মাৰলি আৰু কালবৈশাখীৰ কৰাল তাণ্ডৱে পূব পাকিস্তান নামৰ ভূখণ্ডক লণ্ড-ভণ্ড কৰিলে। দাৰিদ্ৰ্য জৰ্জৰিত হাজাৰ হাজাৰ শৰনাৰ্থী সীমা পাৰহৈ অসমৰ নগৰে চহৰে গাঁৱে ভূঁয়ে সোমাই পৰিল।

ৰূপাবৰিৰ পলস পৃ° ৩৬৮।

The Immaigrants (Expulsion from Assam) Act 1950

৩৬। নৈয়েই যদি খেতি-পথাৰত পলস নেপেলায় কিহে পেলাব? নৈখনেই গাঁওখনৰ জীৱনৰস যোগাইছে, নৈখনেই গাঁওখনৰ জীৱন কিন্তু নৈখনে গাঁৱৰ খেতিয়কখিনিৰ নাকনি-কাননি কৰি শিকাইছেও। বিশেষকৈ ওপৰকালে আজি কেইবছৰমানৰ আগতে মথাউৰি এটা বান্ধি দিয়াৰ ফলত নৈখনৰ আগৰ নিয়ম সলনি হ'ল। এতিয়া বৰচোমনি গাঁৱৰ বাইজে কেতিয়াবা খেতিৰ সময়তলগা পানী নেপায় কেতিয়াবা নলগা সময়ত পানী আগি গাঁও তল নিয়ায়। মানুহবোৰ বিতত হৈছে।

প হা ৰা জে পা দ আৰু অগ্নিগৰ্ভা পৃ° ১২।

৩৭। "নৈয়েই যদিখেতি পথাৰত পলস নেপেলায় কিহে পেলাব? নৈখনেই গাঁওখনৰ জীৱনৰস যোগাইছে, নৈখনেই গাঁওখনৰ জীৱন কিন্তু নৈখনে গাঁৱৰ খেতিয়কখিনিক নাকনি-কাননি কৰি শিকাইছেও। বিশেষকৈ ওপৰফালে আজি কেইবছৰমানৰ আগতে মথাউৰি এটা বান্ধি দিয়াৰ ফলত নৈখনৰ আগৰ নিয়ম সলনি হ'ল। এতিয়া বৰচোমনি গাঁৱৰ বাইজে কেতিয়াবা খেতিৰ সময়ত লগা সলনি হ'ল। এতিয়া বৰচোমনি গাঁৱৰ বাইজে কেতিয়াবা খেতিৰ সময়ত লগা পানী নেপায় কেতিয়াবা নলগা সময়ত পানী আহি গাঁও তল নিয়ায়। মানুহবোৰ বিতত হৈছে।

প হা ৰা জে পা দ আৰু অগ্নিগৰ্ভা পৃ ১২।

৩৭। একে ৰাতিয়ে ব্ৰহ্মপুত্ৰৰ বলিয়া বানে ম-ৰাম একাকাৰ কৰিলে। গৰু-ম'হবোৰ উটি গ'ল এটাও ৰক্ষা কৰিব পৰা নগ'ল। উজনিত একেবাহে বাৰ দিনধাৰাসাৰ বৰষুণ দিলে। বাইজে ভয় কৰিছিল বান আহিব বুলি। কিন্তু ইমান সোনকালে একে ৰাতিয়ে ইমান ডাঙৰ আৰু প্ৰলয়ংকৰী বান আহিব বুলি ভবা নাছিল। খেতিৰ পথাৰ পলসে পুতি পেলালে। দ ঠাইত থকা ঘৰবোৰৰ চালৰ ওপৰেদি পানী বাগৰিল।"

প হা ৰা জে পা দ আৰু অগ্নিগৰ্ভা পৃ. ১৫৬।

৩৮। 'বানৰ বাউলী সোঁতে গডা ভাঙি ভেটা ভাঙি সাপৰ দৰে আন্ধাৰৰ মাজে মাজে চাৰিওফালে বিয়পি পৰিছে। নৈৰ সোঁতৰ ভয়াবহ কাওঁ কাওঁ শব্দই ধৰিত্ৰীত কান্দোনৰ দৰে আৰ্ত্তনাদৰ সৃষ্টি কৰিছে। প্ৰচণ্ড দুৰ্বাৰ গতিৰে ধনশিৰিয়ে বাউলী চুলি মেলি আপোন মনে এফালৰ পৰা ছিলদল খহাই আনিছে। দুৰণিত বনৰীয়া জন্তুবোৰে আৰ্ত্তস্বৰে চিএৰি উঠিছে। সাঁজালি ধৰা ধাননি পথাৰবোৰে ৰাউচি জুৰি কান্দিছে।

সূৰুযমুখীৰ স্বপ্ন পৃ ২১৩।

৩৯। 'ৰাতি ৰাতি 'বাগত পুথিখন তিনিজনা সৰু সৰু দেৱতাই চোৰ-চিৰিয়ে নিনিয়াকৈ ৰখি থাকে। এবাৰ যে চ'তমহীয়া ধুমুহা বৰষুণত নামঘৰৰ মূধচ এৰাই গৈছিল নামঘৰৰ ভিতৰত পানী সোমাইছিল তেতিয়াও ভাগৱত পুথিখনৰ পাত এখিলাও লৰচৰ হোৱা নাছিল। প্ৰভুৰ লীলা বৰ নামঘৰৰ মহাইস্ত।"

চৈ আ মা ৰচনাৱলী, প্ৰথম খণ্ড পৃ. ৪০৪।

৪০। "ভাৰৰৰ সিপাৰেই পৰ্বতত ঈশ্বৰ থাকে। আৰু তাৰপৰাই তেওঁ মানুহৰ মইমতালি চাই থাকে। ভ'নাৰ দিনা ঈশ্বৰ ওপৰৰ পৰা নামি আহে আৰু কিচ্‌নৰ ভাওলোৱা জনৰ গাত লম্ভেছি। ভ'নাৰ কিচ্‌নও কিচনয়েই।

চৈ আ মানিক ৰচনাৱলী, পৃঃ ৪১৯।

৪১। কিচন যে ওলাইছিল সাইলাখ ছবিৰ কৃষ্ণ জনাহে জানিবা। ভ'না ভাল হ'লে জানিবা খেতি খোলাও ভাল হ'ব। মানুহে ভাল কৰো বুলি যেনেকৈ ভ'না ভাল কৰিব নোৱাৰে তেনেকৈ ভাল কৰো বুলিয়ে খেতিও ভাল কৰিব নোৱাৰে সেইবোৰ সকলো ঈশ্বৰৰ হাতত।

পূৰ্বোক্ত গ্ৰন্থ পৃঃ ৪৪৬।

৪২। এই দুনীয়া অস্থায়ী। আমি সকলো গুণাহগাৰ পাপী আমি এই দুনীয়াৰচিন্তা নকৰি আখেৰৰ অৰ্থাৎ পৰকালৰ চিন্তাহে কৰিব লাগে।

ৰূপাবৰিৰ পলস পৃ ৩১২।

৪৩। ডালিগা গাঁও সিপাৰীয়া গাঁৱত বিয়া অতি কমেই হয়। প্ৰায়ে পলুৱাই আনে বা পলাই যায়। পাছত ৰাইজক পান-তামোল দিলেই হ'ল। বিয়া পাতিবলৈ যোত্ৰ আছে বা কিমানৰ? সকলো দুখীয়া

সূৰুযমুখীৰ স্বপ্ন পৃ ১০৪ ১০৫।

৪৪। 'হাতী আৰু গাড়ীৰে বিয়া হ'ল। চালেহৰ অৱশ্যে মটৰৰ বিয়া পতাৰ ইচ্ছা আছিল। কিন্তু টকাৰ জোৰা নমৰিলগৈ। দৰাহে হাতীত উঠিও তাৰ বেয়া নেলাগিল পালেং, চকী ড্ৰেচিং টেবুল বাকচ পত্ৰ বহুত বস্তু দিলে ছোৱালীৰ লগত। বিয়াখনতহে বুজা গ'ল যে মণ্ডলৰ ৰস পম আছে। ছোৱালীৰ লগত আঙঠি আঠোটা বালা এযোৰ নেকলেচ এধাৰ দিয়াৰ উপৰিও দৰালৈ এটা বাখৰ খটোৱা আঙঠি দিলে। কইনাঘৰীয়া মানুহে বৰ আদৰ সাদৰো কৰিলে বৰ ৰং ৰহইচেৰে খুৱালে বুৱালেও।

চৈ আ মা ৰচনাৱলী পৃ ৯৫।

৪৫। কণ্ঠহাৰ পৃ ১৩৯।

৪৬। তাত দুজুতি ইতিমধ্যে বলে। আশী সূতাৰ চাদৰ পাঁচখন আৰু গামোচা দহখন। অন্য কাপোৰ কানি মইহে নগৰৰ পৰাই আনিব। কাণফুলযোৰ কৰালে হাতৰ চুড়ি দুপাতো গঢ়ালে। গাঁৱৰ কোনো কোনোৱে মাজে মাজে খবৰ কৰি গ'লহি। ঘৰটো চূণ দিয়াব লাগে ঘৰ চোতাল চিকুণাব লাগে। ৰাইজলৈ খোৱাৰ যা-যোগাৰ কৰিব লাগে। মাক-জীয়েক দুয়ো কৰাকে কৰি দিনে ৰাতিয়ে ব্যস্তহে থাকে।

কণ্ঠহাৰ পৃ ১৬৫।

৪৭। দ্ৰষ্টব্য ধন্য নৰ তনু ভাল পৃ ১৭২ ১৭৩ ১৭৪ ১৭৫।

৪৮। দ্ৰষ্টব্য কণ্ঠহাৰ পৃ ৬১ ৬২।

৪৯। তেজগোৰা চেহেৰাৰে মৌজুৰি গাঁৱৰ ভোগটো দেখনিয়াৰ মানুহ। লিখাপঢ়া অৱশ্যে একোকে নেজানে। সেইকাৰণে মৌজুৰিৰ অন্য জেকাবোৰৰ নিচিনাকৈয়ে তাৰো লাজ বা দুখ একো নাই। আমি হালোৱা চহা মানুহক বিদ্যা কেলেই? বুটি কোৰ আৰু কেঁকোৰা নাঙলটো ধৰিব পাৰিলেই আমাৰ বহুত।

চৈ আ মা ৰচনাৱলী প্ৰথম খণ্ড পৃ ৪৩০।

৫০। 'ইচকুলে জীয়াই থাকিবলৈ নিশিকায় পণ্ডিত পুৰোহিতে জীয়াই থাকিবলৈ নিশিকায় শিকায় মৌজুৰিৰ ঘাটে বৰবিলৰ বোকাই বৰহমপুৰত বালিয়ে শিকায় লহপহীয়া সেউজীয়া ধাননি পথাৰে জহালি জহালি গোদ্ধোৱা কাতিমহীয়া গেৰমেলা ধানে

আঘোণ-পুহৰ সোণবৰণীয়া ঠোক ওলমি মাটিলৈ হালি অহা পকা ধাননিয়ে। পথাৰখনেই পঢ়াশালী ঘৰৰ মজিয়াখনেই ঋষি মুনিৰ আশ্ৰম।

চৈ আ মা ৰচনাৱলী প্ৰথম খণ্ড পৃ ১৪২।

৫১। সূৰুযমুখীৰ স্বপ্ন পৃ ৪ ৫।

৫২। ভেকুলী বিয়া পাতিলে একা? বাঘধেনু বজাবলৈ ল'ৰাবোৰক লগাই দিবলগীয়া হ'ল। আৰু তেওঁজৰ বছৰ নে আগৰ বছৰ মনত নাই— ৰৰষুণ যে নাহিছিল বাঘধেনু বজালত ৰাতিলৈ গোপালপিতা বৰষুণ যে আহিছিল পাতলীয়া বাঁহৰ চেচু এচটা ৰচী এডালৰ মূৰত বান্ধি খৰকৈ ঘূৰালে গোঁ গোঁ মাত এটা দিয়ে সেযে বাঘধেনু। বাঘধেনু বজালে বৰষুণ দিয়ে।

চৈ আ মা ৰচনাৱলী প্ৰথম খণ্ড পৃ ৩৯৯।

৫৩। মৌজুৰিব নদীৰ পাৰৰ জযাৰ হাবিডোখৰত যখিনী আৰু খেতৰে দিনটো টকালি পাৰি বাগৰি ফুৰে। বৰবিলৰ মহযখ আছে এতিয়াও ----

ৰতন গাঁওবুঢ়াৰ আজোককাক যেতিযা আহিছিল তেতিয়া হেনো সোঁশবীৰে আঠহাত ন-হাত ওখ দ'ত আৰু বাক লগ পাইছিল।

চৈ আ মা ৰচনাৱলী প্ৰথম খণ্ড পৃ ৪০১।

৫৪। সূৰুযমুখীৰ স্বপ্ন পৃ ৪ ৫।

৫৫। 'ঘৰলৈ আম পকাৰ দিনত মানুহ গ'লে অৱশ্যে বুঢ়াই বাৰীৰ আম খাবলৈ যাচি দিযে কিন্তু খাওঁতে ৰখি থাকে— কাকো গুটি নিবলৈ নিদিযে। গুটি নিলে সঁচ যাব। ভাত খাবলৈ দিব পাৰি আঙুলি খাবলৈ দিব পাৰিনেকি? সঁচ নিদিবা সঁচ গ'ল মানে লখিমী গ'ল।

সূৰুযমুখীৰ স্বপ্ন পৃ ৪৩।

৫৬। 'তাই ব্যভিচাৰিণী। ব্যক্তিগতভাৱে প্ৰেমধৰৰ বিশেষ কোনো অভিযোগ নাই। কিন্তু জীৱন্ত এখন শুচি সমাজে পতিতাক সহজে গ্ৰহণ নকৰিব কৰিব নোৱাৰে পৰাচিতৰ দিহা কৰিব লাগিব।

চৈ আ মা ৰচনাৱলী প্ৰথম খণ্ড পৃ ২৩৫।

পঞ্চম অধ্যায়

বিভূতিভূষণ আৰু মালিকৰ উপন্যাসত নাগৰিক জীৱন ঃ

নাগৰিক জীৱন আৰু বাংলা উপন্যাস ঃ

ই‌ংৰাজসকলৰ ভাৰত শাসনৰ অধিকাংশ সময় কলিকতা ভাৰত সাম্ৰাজ্যৰ ৰাজধানী আছিল। ১৭৭৩ চনত ৰেগুলেটিং এক্ট আৰু ১৭৮৪ চনৰ পিটচ ইণ্ডিয়া এক্ট আইন দুখনে মাদ্ৰাজ আৰু বোম্বাইক বংগৰ তলতীয়া কৰিবলৈ আৰু কলিকতাত এজন গৱৰ্ণৰ জেনেৰেল দ্বাৰা ইংৰাজ অধিকৃত ভাৰত সাম্ৰাজ্য শাসন কৰিবলৈ নিৰ্দেশনামা জাৰী কৰিছিল। ইংৰাজ শাসিত ভাৰতবৰ্ষৰ ৰাজনৈতিক অৰ্থনৈতিক সকলো ক্ষেত্ৰতে কলিকতা চহৰৰ প্ৰভাৱ পৰিছিল। ডাচ পৰ্তুগীজ আৰু ফৰাচী বণিকসকলে কলিকতাৰ হুগলী নদীৰ পাৰত বৰৱসায় বাণিজ্য আৰম্ভ কৰাৰ পৰাই কলিকতাক কেন্দ্ৰ কৰি সমগ্ৰ ভাৰতবৰ্ষৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক প্ৰেক্ষাপট সলনি হ'বলৈ ধৰে। ১৬০০ চনত ইষ্ট ইণ্ডিয়া কোম্পানী গঠিত হয়। তাৰ লগে লগে কলিকতা চহৰক কেন্দ্ৰ কৰি গঢ়ি উঠে ভাৰতত ইষ্ট ইণ্ডিয়া কোম্পানীৰ সাম্ৰাজ্যবাদৰ স্বপ্ন। ইংৰাজ আগমনৰ পৰা তেওঁলোকৰ তিনিশ বছৰীয়া শাসন আৰু ভাৰতৰ পৰা প্ৰত্যাৱৰ্ত্তনৰ পিছতো ইংৰাজ ঔপনিবেশিক প্ৰাচীন কলিকতা চহৰখন বৈচিত্ৰময় হৈ থাকি গ'ল। ভাৰতবৰ্ষৰ সকলো জাতি উপজাতিৰ মানুহে বসবাস কৰাৰ উপৰিও কলিকতাৰ চীনা পৰ্তুগীজ এংল-ইণ্ডিয়ান আদি লোকসকলে নিজস্ব সংস্কৃতিৰে বসবাস কৰি আছে। গতিকে ভাৰতবৰ্ষত নগৰজীৱনৰ কথা আহিলেই কলিকতা মহানগৰৰ কথা প্ৰথমে মনলৈ আহে। ভাৰতৰ ভিতৰতে প্ৰাচীন এই চহৰখন কেইবাখনো বাংলা উপন্যাসৰ পটভূমি।

বাংলা উপন্যাস সাহিত্যত আধুনিকতাৰ প্ৰাণ প্ৰতিষ্ঠা হয় ৰবীন্দ্ৰনাথৰ হাতত। ৰবীন্দ্ৰনাথে তেওঁৰ উপন্যাসত ব্যক্তি সমাজ আৰু চৰিত্ৰৰ পাৰস্পৰিক নিগূঢ় সম্পৰ্ক ৰূপায়ণৰ মাজেদি যি জীৱনদৃষ্টি উন্মোচন কৰিছে তাৰ মাজত আধুনিক যুগৰ স্বৰূপ প্ৰতিফলিত হৈছে। ৰবীন্দ্ৰনাথৰ **চোখেৰ বালি নৌকাডুবি গোৰা** আৰু **যোগাযোগ** উপন্যাসত বাঙালী পাৰিবাৰিক জীৱনৰ লগতে কলিকতা চহৰৰ যান্ত্ৰিক জীৱনৰ দুই এখন ছবিও জিলিকি উঠিছে। অৱশ্যে ৰবীন্দ্ৰনাথৰ কোনোখন উপন্যাসতে নাগৰিক জীৱন বিশদভাৱে অংকিত হোৱা নাই সংক্ষিপ্তৰূপেহে আভাসিত হৈছে। **যোগাযোগত** নায়িকা কুমুৰ দৃষ্টিৰে কলিকতা চহৰ পাঠকৰ চকুত ধৰা দিছে। কুমুৰ জীৱন কলিকতাৰ ঘৰুৱা পৰিৱেশত সীমাবদ্ধ। কলিকতা চহৰৰ সৌন্দৰ্য্যৰিক্ত যান্ত্ৰিক জীৱন কুমুৱে মধুসুধনৰ ঘৰৰ ওখ ছাদৰ পৰা দেখা খণ্ডচিত্ৰৰ যোগেদি সামান্যভাৱে আভাসিত

হৈছে। **ৰবীন্দ্ৰনাথৰ গোৰা** উপন্যাস আৰম্ভ হৈছে উনৈশ শতিকাৰ কলিকতা চহৰৰ পৰিচিত স্বাভাৱিক ৰূপক আশ্ৰয় কৰি। মেঘমুক্ত শাওনমাহৰ এটা ৰাতিপুৱাৰ কৰ্মমুখৰ চহৰৰ সজীৱ চিত্ৰধৰ্মী বৰ্ণনাৰ মাধ্যমেৰে উপন্যাসৰ কাহিনী সূচনা কৰা হৈছে। ৰাস্তাৰ গাড়ী-ঘোঁৰাৰ বিৰামহীন যাত্ৰা ফেৰিৱালাৰ অবিৰাম চিঞৰৰ বাখৰ আৰু অহাযোৱা ঘৰুৱা কামৰ গৃহিণীৰ ব্যস্ততাৰে কলিকতা চহৰৰ যথাযথ ছবি এখন উপন্যাসখনৰ প্ৰথম পৰিচ্ছেদত দাঙি ধৰা হৈছে। উপন্যাসখনত বৰ্ষণমুখৰ কলিকতা চহৰৰ বাস্তৱ চিত্ৰ ফুটি উঠিছে। **নৌকাডুবি** উপন্যাসত কলিকতা চহৰ পটভূমি হিচাপে ব্যৱহৃত হৈছে, কিন্তু উপন্যাসখনৰ ক'তো নাগৰিক জীৱনৰ জটিল দ্বন্দ্ব-সমস্যাই আত্মপ্ৰকাশ কৰা নাই। **দুইবোন** কলিকতাৰ নাগৰিক উচ্চবিত্ত শ্ৰেণীৰ পাৰিবাৰিক জীৱনৰ পটভূমিত ৰচিত।

ৰবীন্দ্ৰনাথৰ পিছতে কলিকতাৰ নাগৰিক জীৱনৰ ছবি পোৱা যায় আশাপূৰ্ণা দেৱীৰ **প্ৰথম প্ৰতিশ্ৰুতি সুবৰ্ণলতা বকুলকথা** আৰু **উত্তৰাধিকাৰ** উপন্যাসত। প্ৰতিভা বসুৰ **মনেৰ-ময়ূৰ** উপন্যাসতো চহৰৰ খণ্ডচিত্ৰ এখন পোৱা যায়। তাৰাশংকৰ বন্দোপাধ্যায়ৰ **নীল আগুন** উপন্যাসত কলিকতাৰ শিয়ালদহ ষ্টেচনৰ প্লেটফৰ্মত বাস কৰা এটা দৰিদ্ৰ পৰিয়ালৰ কৰুণ ছবি চিত্ৰিত হৈছে। বনফুলৰ (বলাইচাঁদ মুখোপাধ্যায) **হাট-বাজাৰ** আৰু **অগ্নীশ্বৰ** উপন্যাসত নগৰ জীৱনৰ বিশেষকৈ ঔপন্যাসিকৰ নগৰৰ ডাক্তৰী অভিজ্ঞতাৰে সমৃদ্ধ। বিমল মিত্ৰৰ **কড়ি দিয়ে কিনলাম চাহেব বিবি গোলাম** আৰু **একক-দশক-শতক** উপন্যাসত নগৰজীৱনৰ যান্ত্ৰিক ছবি প্ৰতিফলিত হৈছে। সুনীল গংগোপাধ্যায়ৰ **সেই সময় প্ৰতিদ্বন্দ্বী** আৰু **একা এবং শয়েকজন** শীৰ্ষেন্দু মুখোপাধ্যাযৰ **পাৰ্থিব** আৰু সমৰেশ মজুমদাৰৰ **কালবেলা কালপুৰুষ** উপন্যাসত চহৰ জীৱনে ভুমুকি মাৰিছে।

দ্বিতীয় বিশ্বযুদ্ধ আৰু বাংলা উপন্যাস ঃ

দ্বিতীয় বিশ্বযুদ্ধই সমগ্ৰ জগতত বাস্তৱ ভাৱ-সংঘাত জীৱনৰ নিৰাপত্তাহীনতা সৃষ্টি কৰি জাতীয় আৰু ব্যক্তিগত জীৱনত এক অভাৱনীয় আলোড়ন সৃষ্টি কৰিছিল। যুদ্ধত জড়িত পৃথিৱীয়ে শত্ৰুধ্বংসৰ কাৰণে যি বিৰাট পৰিমাণৰ মৰণাস্ত্ৰ সংগ্ৰহ কৰিছিল তাৰ বিস্ফোৰণ শত্ৰু-মিত্ৰ সকলোৰে ওপৰত নিৰ্বিচাৰে প্ৰযোগ কৰিবলৈ উদ্যত হৈছিল। যুদ্ধৰ নিৰ্মম দানৱীয় শক্তিয়ে বাঙালীৰ শান্ত, নীতিসংযম জীৱনযাত্ৰাত বিপৰ্যয়ৰ সৃষ্টি কৰিছিল। প্ৰথমে ক্ষুদ্ৰ কলিকতা চহৰ যুদ্ধৰ প্ৰভাৱত প্ৰভাৱান্বিত হ'ল ক্ৰমে বংগদেশৰ গাঁও অঞ্চললৈও ইয়াৰ প্ৰভাৱ প্ৰসাৰিত হ'ল। সুদূৰ ৰণক্ষেত্ৰৰ গোলা-বাৰুদৰ শব্দই সমগ্ৰ আকাশ বতাহ কঁপাই তুলিলে। নিত্য ব্যৱহাৰ্য্য সামগ্ৰীৰ চৰাদামে আৰু কলিকতা চহৰত বোমা পৰাৰ আশংকাই, কলিকতাবাসী লোকক ভিতৰুৱা গাঁও অঞ্চলত আশ্ৰয় লবলৈ বাধ্য কৰিলে। যুদ্ধৰ সময়ত গাঁৱৰ জীৱনো অশান্ত। যুদ্ধৰ সৰ্বগ্ৰাসী প্ৰভাৱে গাঁৱৰ শান্ত নিৰিবিলি জীৱনো কোবাই গ'ল। খাদ্য বস্তুৰ

নাটনিযে গাঁও অঞ্চলত আত‌ংকৰ সৃষ্টি কৰিলে। কেইবাজনো বাঙালী ঔপন্যাসিকৰ উপন্যাসত যুদ্ধযুগৰ আত‌ংকগ্রস্ত জীৱনৰ ছবি প্রতিফলিত হৈছে।

বাংলা উপন্যাস সাহিত্যত দ্বিতীয় বিশ্বযুদ্ধৰ ছবি পোন প্রথম অংকিত হয় তাৰাশংকৰ বন্দোপাধ্যায়ৰ **মনন্তৰ** উপন্যাসত। উপন্যাসখন ৰচনা কৰা হৈছিল ১৯৪৪ চনৰ দ্বিতীয় বিশ্বযুদ্ধৰ পযোভৰৰ সময়ত। উপন্যাসখনত ঔপন্যাসিকে যুদ্ধৰ বোমা বর্ষণৰ ভয়ত আত‌ংকিত কলিকতা চহৰৰ স্বল্পকালস্থায়ী বিভীষিকাময় অভিজ্ঞতাক ৰূপ দিবলৈ চেষ্টা কৰিছে। তদুপৰি দুর্ভিক্ষক্লিষ্ট কঙ্কালসাৰ নৰ-নাৰীৰ কলিকতা চহৰত অৱস্থান খাদ্যনিযন্ত্রণ ব্যৱস্থাত দৰিদ্র আৰু মধ্যবিত্ত শ্রেণীৰ অপৰিসীম দুর্দশা মহাত্মা গান্ধীৰ একৈছদিন ব্যাপী হোৱা অনশনৰ কাৰণে সমগ্র দেশব্যাপী হোৱা উদ্বেগ ইত্যাদি যিবিলাক সমস্যাই জনসাধাৰণক আলোড়িত কৰিছিল সেই সমস্যাসমূহ উপন্যাসখনত অন্তর্ভুক্ত কৰা হৈছে। প্রবোধকুমাৰ স্যানালৰ **বনহংসী** উপন্যাসত যুদ্ধকালীন বিপর্য্যয়ে বা‌ংলাৰ সমাজ আৰু ব্যক্তিজীৱনৰ মনোজগতৰ যি ভাঙোন আনিলে তাৰ হুবহু বর্ণনা আছে। যুদ্ধৰ সমযত সাধাৰণ মানুহৰ অন্ন-বস্ত্রৰ অভাৱৰ নিদাৰুণ বেদনা অত্যাৱশ্যকীয় সাগ্রীৰ সংগ্রহত মানুহৰ দিনে-ৰাতিযে চেষ্টা চোৰা‌ং-বজাৰৰ আবির্ভাৱ আৰু যুদ্ধবিপর্য্যয়ৰ অর্থনৈতিক মর্য্যাদাৰ অৱলুপ্তিৰ বিশদ বিৱৰণ আছে। উপন্যাসখনত এটা মধ্যবিত্ত পৰিয়ালৰ স্থূল স্বার্থপৰতা ৰুচিৰ অমার্জিত পৰিৱর্ত্তন ভোগবাদী আকাঙ্ক্ষা আৰু পৰিযালৰ পৰম্পৰাগত নিয়ম অমান্যৰ প্রচেষ্টা কলাসন্মত ৰূপত প্রকাশ কৰা হৈছে। পৰিযালৰ প্রতিজন সদস্যই যুদ্ধৰ ঘূর্ণীবতাহৰ দ্বাৰা নিজ নিজ প্রকৃতি অনুযাযী উচ্ছৃঙ্খলতাৰ পথত অগ্রসৰ হৈছে। সুবোধ ঘোষৰ **কর্ণফুলিৰ ডাক** চুটিগল্পত মহাযুদ্ধৰ আৱর্ত্তত দেশব্যাপী হোৱা বিহুলতা আৰু এটা পৰিযালৰ ভাঙোন বর্ণনা কৰা হৈছে। গল্পৰ নাযকে চট্টগ্রামৰ অখ্যাত গাঁৱত বৈদেশক আক্রমণ প্রতিৰোধৰ প্রচেষ্টাত প্রাণবিসর্জনৰ স‌ংকল্প লৈছে।

বিমল মিত্রৰ **কড়ি দিয়ে কিনলাম** দ্বিতীয় বিশ্বযুদ্ধৰ পটভূমিত ৰচিত সুবৃহৎ উপন্যাস। যুদ্ধৰ কিছু আগৰপৰা বাঙালী সমাজজীৱনত যি ফাঁট মেলিছিল তাৰ আভাস লগতে যুদ্ধযুগৰ সমাজজীৱনৰ প্রাচীন আদর্শৰ কপট আৱৰণ আৰু নীতিবন্ধনে আত্মপ্রকাশ কৰিছে। যুদ্ধপূর্ব কলিকতাৰ অভিজাত সমাজৰ স্বার্থজড়িত জীৱন আৰু সীমাহীন ঔদ্ধত্যৰ বর্ণনাৰে উপন্যাসৰ কাহিনী আৰম্ভ কৰা হৈছে। এই অভিজ্ঞাত সমাজৰ চাৰিওফালে এক দুর্ভেদ্য আত্মগৰিমাৰে দূর্গ গঢ়ি উঠিছিল। কিন্তু যুদ্ধযুগৰ মূল্যবিভ্রান্তিয়ে এই আঢ্যৱন্ত পৰিয়াললৈ আনিলে আকস্মিক আৰু অভাৱনীয় পৰিৱর্ত্তন। প্রাচীন নীতিনির্ভৰ সমাজত এক নৈতিক আদর্শ আছিল। কিন্তু যুদ্ধ যুগৰ অর্থনৈতিক সংকটে চিৰপৰিচিত বাঙালী সমাজৰ নীতি-সংস্কাৰ আৰু ঔচিত্যবোধক লণ্ডভণ্ড কৰি দিলে। বিভ্রান্তিয়ে সতীৰ নিচিনা পতিপ্রাণা যুৱতীকো বেশ্যাবৃত্তি গ্রহণ কৰিবলৈ বাধ্য কৰিছে। সুমথনাথ ঘোষৰ **সর্বংসহা** উপন্যাসত দ্বিতীয় মহাযুদ্ধৰ পটভূমিত দেশত

যি নীতিবিপৰ্যয় আৰু জনকল্যাণবিৰোধী স্বাৰ্থজড়িত লোকৰ সৃষ্টি হৈছিল ঔপন্যাসিকে তীক্ষ্ণ সমাজ সচেতন দৃষ্টিভংগীৰে হৈ স্বাৰ্থজড়িত মহলৰ খণ্ডচিত্ৰসমূহ উপন্যাসখনত সন্নিবিষ্ট কৰিছে।

দ্বিতীয় বিশ্বযুদ্ধ আৰু বিভূতিভূষণৰ উপন্যাস ঃ

বিভূতিভূষণৰ **অনুবৰ্ত্তন অশনি-সংকেত** আৰু **অপৰাজিত** উপন্যাসত দ্বিতীয় বিশ্বযুদ্ধৰ আংশিক ছবি আছে।

বিভূতিভূষণৰ শিক্ষক-জীৱনক লৈ ৰচিত উপন্যাস **অনুবৰ্ত্তন**। কলিকতাৰ পিটাৰ লেনৰ বৃটিছ চাহাব ক্লকওৱেৰৰ এখন স্কুলত শিক্ষকতা কৰা কেইজনমান শিক্ষকৰ জীৱন দ্বিতীয় বিশ্বযুদ্ধই কেনেকৈ জোকাৰি গ'ল তাৰ আভাস উপন্যাসখনত আছে। শিক্ষক মি আলম নাৰায়ণবাবু যদুবাবু শ্ৰীশবাবু ক্ষেত্ৰবাবু জ্যোতির্বিনোদ—সকলোৰে কলিকতাত দৰিদ্ৰ জৰ্জৰিত জীৱন। তেওলোকৰ সাধাৰণ জীৱনো দ্বিতীয় বিশ্বযুদ্ধৰ আবিৰ্ভাৱে ওলট পালট কৰি দিলে। জাপানী বোমা আতংকত কলিকতাৰ স্কুল কলেজ সকলো বন্ধ হৈ গ'ল। এতিয়া সকলো মানুহ কলিকতা এৰি দূৰৱৰ্ত্তী বিভিন্ন গাঁৱলৈ পলাইছে। স্কুলৰ দৰ্মহা বহুতদিন পোৱা নাই। সকলোৰে অৰ্থ সংকট। কলিকতাৰ ব্লেক-আউটৰ আন্ধাৰ ৰাতি এৰোপ্লেনৰ শব্দ শুনিলেই মানুহ শংকিত হৈ পৰে। হাওৰা আৰু শিয়ালদহ ষ্টেচন লোকে লোকাৰণ্য।[১] যুদ্ধৰ সময়ছোৱাত কলিকতাৰ শিক্ষককেইজনৰ দৰে কলিকতাবাসী সকলো মানুহৰে জীৱন ওলট-পালট কৰি দিলে।

বিভূতিভূষণৰ গাঁৱৰ পটভূমিত ৰচিত **অশনি-সংকেত** উপন্যাসত গাঁৱৰ সাধাৰণ জীৱনযাত্ৰাত যুদ্ধই পেলোৱা প্ৰভাৱৰ কথা আছে। উপন্যাসৰ নাযক হৰিহৰপুৰ গাঁৱৰ গংগাচৰণ। হৰিহৰপুৰত গংগাচৰণ পৈত্ৰিক আছিল মাত্ৰ আম কঠালৰ বাৰী এখন। আত্মীয়সকলৰ শত্ৰুতাৰ কাৰণে আমবাগানখনো লোকৰ হাতলৈ গ'ল। ৰিক্ত হাতেৰে গংগাচৰণে পত্নীক লৈ গাঁও ত্যাগ কৰিলে। ভাতচালা বাসুদেৱপুৰ আদি ঠাইত ঘুৰি অৱশেষত গংগাচৰণে নতুন গাঁৱত বাস কৰিবলৈ ল'লে। গংগাচৰণে পাঠশালাৰ শিক্ষকতা আৰু গাঁৱৰ পুৰোহিত কৰি পৰিয়ালৰ অৱস্থা টনকিয়াল কৰি তুলিছিল। হঠাৎ দ্বিতীয় মহাযুদ্ধ আৰম্ভ হ'ল। গাঁৱৰ মানুহে আকাশত দুই এখন উৰাজাহাত দেখাৰ বাহিৰে যুদ্ধৰ একো কথাই গম নেপালে। সকলো লোক নিজৰ নিজৰ খেতিৰ পথাৰত ব্যস্ত। দেশৰ খবৰ নেৰাখিলেও হয। এইদৰে নিজস্ব গতিত চলিথকা গাঁওখনতো যুদ্ধৰ প্ৰভাৱ পৰিল। খেতিৰ উৎপাদন হোৱা সত্ত্বেও গাঁৱত খাদ্যৰ নাটনিয়ে দেখা দিলে। গাঁৱত উৎপাদিত সকলো খাদ্য সামগ্ৰী সৈনিকক খুৱাবৰ কাৰণে লৈ যোৱা হ'ল। প্ৰথমে অলপ অলপকৈ খোৱা বস্তুৰ দাম বাঢ়িল অৱশেষত এনে অৱস্থা হ'ল যে হাতত পইচা থাকিলেও বজাৰত চাউল পাবলৈ নোহোৱা হ'ল।[২] গাঁৱৰ মানুহে প্ৰথমতে ভাতৰ সলনি নদীৰ পাৰৰ হাবিত বিচাৰি কচু ঢেকীয়া কলমৌ আৰু বাৰীত হোৱা লাউ কোমোৰা আদি খাবলৈ আৰম্ভ কৰিলে। ক্ৰমে বনৰীয়া আলু-কচু-শাক-

পাতো নোহোৱা হ'ল। দ্রুতগতিত বৃদ্ধি পোৱা খাদ্যদুৰ্ভিক্ষৰ প্ৰথম বলি হ'ল মতি নামৰ এগৰাকী তিৰোতা। ইমানদিনে গাঁৱৰ মানুহে বিশ্বাস কৰিব পৰা নাছিল যে খাবলৈ নেপাইও এদিন গাঁৱৰ মানুহ মৰিব। চাউল নহলেও গাঁৱৰ হাবিয়ে-বননিয়ে থকা শাক-পাত আলু-কচু আৰু নদীৰ মাছ খাই জীয়াই থকাৰ আশা সকলোৱে কৰিছিল। কিন্তু আম গছৰ তলত পৰি থকা মতিৰ মৃতদেহটোৱে গাঁৱৰ সকলোকে বিপদৰ সংকেত দিলে। সেয়ে উপন্যাসখন **অশনি-সংকেত** নামেৰে নামকৰণ কৰা হৈছে। কাপালীৰ নিচিনা গাঁৱৰ সতী বোৱাৰীয়েও খাবলৈ নেপাই অৱশেষত দেহা বেচি যদু পোড়া ঠিকাদাৰৰ পৰা চাউল আনি পৰিয়ালৰ ভোক নিবাৰণ কৰিবলগা হ'ল।[৩]

অপৰাজিতৰ অপু কলেজত পঢ়ি থকা সময়ত বন্ধু অনিলৰ লগত যুদ্ধৰ চাকৰি বিচাৰি গৈছিল। যুদ্ধৰ সময়ত বিভূতিভূষণেও কলিকতাৰ স্কুলৰ চাকৰি এৰি গোপাল নগৰত চাকৰি কৰিবলৈ গৈছিল। গোপাল নগৰত শিক্ষকতা কৰি থকা কালত ভ্ৰাতৃ নুটুবিহাৰীলৈ লিখা চিঠিত মহাসমৰৰ সময়ৰ আক্ৰমণগ্ৰস্ত কলিকতা চহৰৰ কথা আছে। কলিকতাৰ বোমা আতংক আৰু বস্ত্ৰ-বস্তুৰ উৰ্দ্ধমূখী দামৰ কথা আৰু যুদ্ধ-পৰৱৰ্ত্তী কলিকতা চহৰৰ অস্থিৰ অৱস্থাৰ কথা আছে নুটুবিহাৰীলৈ লিখা অন্য এখন চিঠিত।[৪]

বিভূতিভূষণৰ উপন্যাসত নাগৰিক প্ৰেমৰ স্বৰূপ ঃ

সামাজিক পটভূমিত প্ৰেম সম্পৰ্কক পৰ্যবেক্ষণ কৰা বাংলা কথা সাহিত্যৰ বিশেষ ঐতিহ্য। উনবিংশ শতিকাৰ সামাজিক নৱচেতনাৰ পৃষ্ঠভূমিত উপন্যাসৰ জন্ম। সামাজিক পৰিৱৰ্ত্তনৰ লগে লগে নৰ-নাৰীৰ প্ৰেমৰ সম্পৰ্কৰ যি ৰূপান্তৰ ঘটিবলৈ আৰম্ভ কৰিলে তাৰ প্ৰকাশ বাংলা উপন্যাসত জন্মলগ্নৰ পৰাই আছে। নৰ-নাৰীৰ ব্যক্তিগত সম্পৰ্ক সামন্ততান্ত্ৰিক প্ৰথাবদ্ধতাৰ স্তৰ অতিক্ৰম কৰি নতুন ধনবাদী ব্যক্তি স্বাতন্ত্ৰ্যৰ স্তৰলৈ উন্নীত হ'বলৈ কৰা প্ৰয়াস আৰু তাৰ দ্বিধা দ্বন্দ্ব বিক্ষোভ মুখৰিত পদক্ষেপৰ উমান পোৱা যায় বিভূতিভূষণৰ পূৰ্বৱৰ্ত্তী ঔপন্যাসিক বঙ্কিমচন্দ্ৰ ৰবীন্দ্ৰনাথ আৰু শৰৎচন্দ্ৰৰ উপন্যাসত। ৰবীন্দ্ৰনাথ আৰু শৰৎচন্দ্ৰই উপন্যাসত আধুনিক প্ৰেমৰ সমস্যা উত্থাপন কৰিছে। নৰ-নাৰীৰ প্ৰেমৰ সম্পৰ্কৰ সমস্যা বিভূতি উপন্যাসত অনুপস্থিত।

অপৰাজিতত অপুৰ কলিকতাৰ নাগৰিক জীৱনৰ বিশদ বৰ্ণনা থাকিলেও ইয়াত প্ৰেম উপেক্ষিত। অপু-অৰ্পনাৰ বিবাহোত্তৰ প্ৰেম আদৰ্শনীয় আৰু বন্ধুত্বসুলভ। অৰ্পনাৰ গৃহিনীপৰায়ণতাই অপুক মুগ্ধ কৰে। অফিচৰ দিনটোৰ খাটনিৰ পিছত ঘৰলৈ আহি সি অৰ্পনাৰ লগত একেলগে কবিতা আবৃত্তি কৰে গান গায় অৰ্পনাৰ লগত বন্ধুৰ নিচিনাকৈ কথা পাতে। স্বামী-স্ত্ৰী বৈষয়িক চিন্তাৰ পৰা অপু-অৰ্পনা মুক্ত। কিন্তু অপু অৰ্পনাৰ এই আদৰ্শ প্ৰেম ক্ষণস্থায়ী। অৰ্পনাৰ মৃত্যুত আধুনিক নাগৰিক জীৱনত প্ৰায় দুৰূহ এই প্ৰেমৰ অৱসান ঘটে।

বিভূতিভূষণৰ একমাত্ৰ **অথৈজল** উপন্যাসতে নৰ-নাৰীৰ নাগৰিক প্ৰেমে প্ৰাধান্য পাইছে। **অথৈজলৰ** শশাংক-পান্নাৰ প্ৰেম দুঃসাহসিক। শশাংক গাঁৱৰ চিকিৎসালয়ৰ ডাক্তৰ। গাঁৱৰ মানুহক স্বাস্থ্য সচেতন কৰি তোলাৰ লগতে গাঁৱত সমিতি গঠন কৰি শশাংকই গাঁৱৰ বিবাদ সুমীমাংসা কৰাৰ উপৰিও গাঁৱত ঘটা অবৈধ প্ৰেমৰ ঘটনাতো হস্তক্ষেপ কৰিছিল। তেনে এজন নীতিবাগীশ লোক শশাংক খেমতা নাচনীৰ নাচ চাবলৈ গৈ পান্না নামৰ এজনী নাচনীৰ প্ৰতি আকৃষ্ঠ হ'ল। পত্নী সুৰবালাৰ বাহিৰে অন্য কোনো নাৰীৰ লগত ডাক্তৰৰ প্ৰেমভাৱ নাছিল। পান্নাৰ নাচ চাই মতলীয়া হৈ এদিন শশাংক পান্নাৰ লগত কলিকতা পালেগৈ। বাহ্যিক দৃষ্টিত পান্নাৰ প্ৰেম নিস্বাৰ্থ যদিও পান্না ছলনাময়ী। আসৰত ডাক্তৰক নৃত্যৰে আকৃষ্ট কৰি ৰাতি তাই ডাক্তৰৰ চেম্বাৰলৈ যায় অভিসাৰৰ কাৰণে। অপূৰ্ব ভংগীত কথাপাতি পান্নাই ডাক্তৰক মাতাল কৰি দিয়ে। ক্ৰমে পান্নাৰ সকলো ভংগী সকলো কথাই ডাক্তৰৰ ভাল লাগি যাবলৈ ধৰিলে। পান্নাৰ ভালপোৱাই ডাক্তৰক সুৰবালাৰ লগত দাম্পত্য জীৱনৰ অৱসান ঘটাই এক অনিশ্চিত জীৱন যাপন কৰিবলৈ বাধ্য কৰিলে। ৰূপহী পান্নাৰ যাদু স্পৰ্শত ডাক্তৰ পুলকিত হৈ উঠিল। পান্নাৰ প্ৰেমে এবটল মদতকৈ ডাক্তৰৰ কাৰণে বেচি মাদকতা আনে।[৫]

কলিকতাৰ পান্নাৰ থকা ঘৰ ভাল শ্ৰেণীৰ নহয়। প্ৰায় বেশ্যালয়ৰ নিচিনাই। তাত প্ৰায়ে গোটেই ৰাতি নাচ গান হয়। পান্না থকা ঘৰৰ গৰাকী বুঢীৰ পৰা শশাংকই এই কথাও জানিব পাৰিলে যে পান্নাই দেহা বেচি জীৱিকা নিৰ্বাহ কৰিবলগীয়া হয়। পান্নাৰ ঘৰলৈ বিভিন্ন শ্ৰেণীৰ পুৰুষৰ অহা-যোৱা চলে। তাই গাঁৱত নাচিবলৈ গ'লে প্ৰায়ে ডাক্তৰৰ নিচিনাকৈ এজন নহয় এজন পুৰুষ লাগি আছে। বহুতে পান্নাক বিয়া কৰাবলৈ বিচাৰে। পান্নাৰ ঘৰত কেইদিনমান থাকি ডাক্তৰ পান্নাক নজনোৱাকৈ কলিকতা এৰি ঘৰ পালেগৈ। ঘৰত সুৰবালাৰ আদৰ-সাদৰৰ মাজতো শশাংকৰ বাৰে বাৰে পান্নালৈ মনত পৰিল। মঙ্গলগঞ্জৰ চিকিৎসালয় পান্নাৰ বিৰহ তীব্ৰতৰ হ'ল। কলিকতাৰ পৰা পান্নাৰ মোহ এৰি ঘৰলৈ গ'লেও পুনৰ ঘৰৰ মোহ এৰি পান্নাৰ লগত প্ৰেমৰ দাম্পত্য জীৱন কটাবলৈ কলিকতাৰ ঘৰত ওলালগৈ। পানাৰ লগত কলিকতাৰ ভাড়া ঘৰত ডাক্তৰে স্বামী-স্ত্ৰী নিচিনাকৈ থাকিবলৈ ল'লে। পান্নাই নিজে নৃত্যগীত কৰি দুজনীয়া পৰিয়ালটোৰ জীৱিকা আৰ্জন কৰে। ডাক্তৰে চিকিৎসা নকৰাকৈ নিজে একো উপাৰ্জন কৰিবলৈ সক্ষম নহয়। সেয়ে পান্নাৰ উপাৰ্জনৰ ওপৰত নিৰ্ভৰশীল। ডাক্তৰৰ জন্ম হৈছিল এখন পৰিপূৰ্ণ ঘৰত বিয়াও হৈছিল সুৰবালাৰ লগত পৰিপূৰ্ণ ঘৰত। ঘৰখনৰ নিত্য প্ৰয়োজনীয় চকী মেজ বিচনা কাঁহী-বাতি আদি বস্তুৰ কথা কাহানিও ভাববিলগা হোৱা নাছিল। পান্নাৰ লগত সংসাৰ কৰিবলৈ গৈ ডাক্তৰে পদে পদে নিত্য প্ৰয়োজনীয় সামগ্ৰীৰ অভাৱ অনুভৱ কৰিলে। তথাপিও পান্নাৰ লগত থাকি যি সুখ পালে সুৰবালাৰ লগত সুদীৰ্ঘ তেৰ বছৰ দাম্পত্য জীৱনতো সেই সুখ পোৱা নাছিল।

হঠাৎ এদিন ডাক্তৰৰ মোহভঙ্গ হ'ল। পান্নাৰ প্ৰেমকো সৰ্বস্ব বুলি ভবা ডাক্তৰৰ কাষৰ পৰা পুলিচ লগাই পান্নাৰ মাতে তাইক লৈ গ'ল পুনৰ দেহাৰ ব্যৱসায় কৰিবলৈ। ডাক্তৰে বিচাৰিছিল পান্নাই কন্দা-কটা কৰি অন্ততঃ ডাক্তৰৰ প্ৰতি থকা প্ৰেমৰ পৰিচয় দিয়ক। কিন্তু পান্নাই সেয়াও নকৰিলে। পান্নাৰ প্ৰেম যৌনজ প্ৰেম বুলিও ক'ব নোৱাৰি। ডাক্তৰৰ লগত একেটা কোঠাতে থাকিও পান্নাই দুয়োৰে মাজত নিৰ্দ্দিষ্ট ব্যৱধান ৰক্ষা কৰি চলিছিল। ইফালে পান্নাই দেহাৰ ব্যৱসায় কৰি জীৱন নিৰ্বাহ কৰাৰ কথাও উপন্যাসখনত কোৱা হৈছে। পান্না শশাংকৰ ৰহস্যময় প্ৰেমৰ পৰিণতিৰে উপন্যাসখনৰ কাহিনী শেষ হৈছে।

বিভূতিভূষণৰ উপন্যাসত নাগৰিক আৰ্থ-সামাজিক জীৱন :

বিভূতিভূষণৰ **পথেৰ-পাঁচালী**ত কাশীৰ নগৰ অঞ্চলৰ **অপৰাজিত**ত কলিকতা চহৰৰ আৰু **কেদাৰ ৰাজা**ত কলিকতা চহৰৰ খণ্ডিত ছবি ফুটি উঠিছে। বিভূতিভূষণৰ একমাত্ৰ **অনুবৰ্ত্তন** উপন্যাসৰ পটভূমি কলিকতা চহৰ।

পথেৰ-পাঁচালী উপন্যাসত নিশ্চিন্দিপুৰ এৰি হৰিহৰ-সৰ্বজয়াই অপুক লৈ কাশীত অলপ দিনৰ কাৰণে বাস কৰিছিল। সৰ্বজয়া আৰু অপুৰ বিমুগ্ধ দৃষ্টিৰে কাশী চহৰ পাঠকৰ সন্মুখত ধৰা দিছে। কেইবাদিনো ৰেলযাত্ৰাৰ পিছত কাশীত উপস্থিত হৈ ভিতৰুৱা গলিৰ এটা সৰু ঘৰ ভাড়া লৈ হৰিহৰ-সৰ্জযা থাকিবলৈ ল'লে। জীৱিকাৰ সন্ধানত কাশীলৈ গৈ পূৰ্বপৰিচিত কোনো লোকৰ সন্ধান হৰিহৰে পোৱা নাছিল। বিভিন্ন ঠাইত যোগাযোগ কৰি তেও কেইটামান মন্দিৰৰ নিত্য পুৰণপাঠৰ কাম যোগাৰ কৰিলে। সৰ্বজযাৰ লগত আলোচনা কৰি দশাশ্বমেধ ঘাটত বহি পুৰাণপাঠ কৰি আৰু কথকতা কৰি আয় বঢ়ালে। কাশীত গাড়ী-মটৰৰ ভিৰ দেখি অপু আৰু সৰ্বজয়া অবাক হৈ গ'ল। ইমানবোৰ গাড়ী ঘোঁৰা একেলগে সৰ্বজয়াই কোনো দিন দেখা নাছিল। তাইৰ ইচ্ছা হয পথৰ কাষত বৈ অলপ সময় গাড়ী-মটৰৰ ভিৰ চোৱাৰ। কিন্তু লগত প্ৰতিৱেশী পাঞ্জাৱী মহিলা গৰাকী থাকে কাৰণে সৰ্বজয়াই লাজত গাড়ী-মটৰৰ ভিৰ চাবলৈ নেপায। অপু দিনৰ দিনটো কাসীৰ অলিয়ে-গলিয়ে ঘূৰি ফুৰে। হৰিহৰৰ ভাড়াঘৰৰ পৰা দশাশ্বমেধ ঘাট বেছি দূৰ নহয়। সদায আবেলি অপু তাত ফুৰিবলৈ যায। ঘাটত সদায মানুহৰ মেলাৰ নিচিনা ভিৰ। মানুহৰ হাঁহি-ধেমালি সাজ-পাৰ সি ঘূৰি ঘূৰি চায। সন্ধ্যাৰ পিছত ঘৰলৈ আহি মাকৰ ওচৰত ক'ত কি দেখিলে বৰ্ণনা কৰে। সৰ্বজযাৰ কাশীৰ এই খন্তেকীয়া সুখৰ জীৱন হৰিহৰৰ মৃত্যুত অৱসান ঘটে।

অপৰাজিতত অপুৰ বন্ধনমুক্ত মনে মনসাপোতা এৰি দেওযানপুৰ হাইস্কুলত পঢ়িবলৈ যোৱাৰ পৰাই নাগৰিক জীৱনৰ বিভিন্ন সমস্যাৰ সন্মুখীন হয়। চহৰৰস্কুলত পঢ়াটো অপুৰ কাৰণে এটা সপোন আছিল। দেওয়ানপুৰ হাইস্কুলত পঢ়িবলৈ গৈ অপুৰ এই সপোন বাস্তৱত পৰিণত হ'ল। দেওযান হাইস্কুলৰ পৰিৱেশে অপুক আনন্দিত

কৰিলে। সৰু নগৰখনৰ ৰাস্তা পদুলি সকলো নতুন যেন লাগিল। আবেলি সদায় স্কুলৰ খেলপথাৰৰ কাষৰ গছৰ তলত বহি সি সৰু নগৰখনৰ গাড়ী-মটৰ ঘৰ-দুৱাৰ চাই আপোনপাহৰা হয়। দেওয়ানপুৰতেই অপুৰ জীৱন-সংগ্ৰাম আৰম্ভ হয়। মাহে ছাত্ৰবৃত্তিৰ মুঠ পাঁচটকা মূলধনেৰে সি দেওয়ানপুৰত পঢ়িবলৈ আহিছে। আহোঁতে মনসাপোতাত অকলে থকা মাকক কথা দি আহিছে যে তাৰে কিছু পইচা সি মাকলৈ পঠাব। কিন্তু ছাত্ৰাবাসত থাকিবলৈ লৈ সি ছাত্ৰবৃত্তিৰ পাঁচটকা মাহৰ প্ৰথম ভাগতে খৰচ কৰি ৰিক্তহস্ত হয়। মাহৰে শেষত কেতিয়াবা সি আবেলি একো নোখোৱাকৈয়ে কটাবলগা হয়। নিশ্চিন্দিপুৰৰ বাল্যসংগী পটু আহি মাজে মাজে খৰচ বঢায়। শেষলৈকে অপুৰ ছাত্ৰাবাসত থকা সম্ভৱ নহল। কেইবামাহৰো দেনা বাকী হোৱাত সি হোষ্টেল এৰি জিলা উপায়ুক্তৰ ঘৰত ঘৰুৱা শিক্ষক হিচাপে থাকি হাইস্কুলৰ মেট্ৰিক পৰীক্ষা দি ঘৰলৈ উভতিল।

সুখ্যাতিৰে মেট্ৰিকুলেচন পৰীক্ষা পাছকৰি কলিকতাৰ কলেজত পঢ়িবলৈ যোৱাৰ পৰাই অপুৰ পুনৰ জীৱন সংগ্ৰম আৰম্ভ হয়। দেওয়ানপুৰত পঢোতে সি ছাত্ৰবৃত্তিৰ টকা পাইছিল। কলিকতাৰ কলেজত পঢ়িবলৈ সি মুক্তহস্তে যাবলগা হ'ল। মাক সৰ্বজয়াৰ তাক দিবলৈ আৰ্শীবাদৰ বাহিৰে আৰু একো নাছিল। দেওযানপুৰৰ সহপাঠী বন্ধু দেৱব্ৰতৰ মোমায়েকৰ ঘৰৰ মেছত থাকি সি কলিকতাৰ ৰিপন কলেজত নামভৰ্ত্তি কৰিলে। অলপদিনৰ পিছত মাহে পোন্ধৰ টকাৰ টিউচনৰ উপাৰ্জনেৰে সিছাত্ৰৰ মেছত থাকবিলৈ ল'লে। কলিকতাৰ ছাত্ৰজীৱনত দুজন বন্ধুৰ সান্নিধ্যই অপুক তাৰ আৰ্থিক অনাটনৰ কথা পাহৰাই ৰাখিছিল। এজন ধনীৰ ল'ৰা অনিল যাৰ ব্যক্তিত্বই অপুক আকৰ্ষণ কৰিছিল। আনজন কথা আৰু কামত সংযমী আৰু শৃংখলপ্ৰিয় প্ৰণৱ। অলপ দিনতে টিউচন বন্ধ হোৱাত অপুৱে কেতিযাবা এসাজ খাই কেতিয়াবা নোখোৱাকৈযে থাকে। প্ৰণৱৰ প্ৰচেষ্টাত কোনোবাদিনা সহপাঠী দুই এজন বন্ধুৰ মেছত এবেলা খাই কেতিযাবা নোখোৱাকৈয়ে অপুৰ দিনবিলাক পাৰ হ'বলৈ ধৰিলে। কেতিযাবা পূজাৰ ঘৰত দৰিদ্ৰ ছাত্ৰসকলৰ লগত ৰাতিৰ নিৰামিষ আহাৰ খায। কেতিযাবা দিনটো লঘোনে থাকি ভোকত কলমলায।[৬]

সেই সময়তে কলিকতাৰ এজন ডাক্তৰৰ কন্যা প্ৰীতিবালাৰ ঘৰুৱা শিক্ষক হিচাপে অপু নিযুক্ত হয। টিউচনৰ প্ৰথম মাহৰ দৰ্মহাৰে মাকলৈ কিছু টকা পঠাই বাকী পইচাৰে এমাহমান সি ভালদৰে খাই পঢ়ি পৰীক্ষাৰ বাবে সাজু হ'ল। দুমাহমানৰ পিছত তাৰ সেই টিউচনো নোহোৱা হ'ল। প্ৰীতিবালা ধনী ডাক্তৰৰ অদ্ভুত কন্যা। কাৰণে অকাৰণে তাই অপুৰ ওপৰত প্ৰভুত্ব খটুৱাবলৈ বিচাৰে অতীষ্ঠ হৈ সি টিউচন বাদ দিবলগীয়াত পৰিল। ইতিমধ্যে দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হৈছিল। যুদ্ধৰ প্ৰভাৱ কলিকতা চহৰলৈও বিয়পি পৰিল। বয়-বস্তুৰ উৰ্দ্ধমুখী দামে অপুৰ কলিকতীয়া জীৱন জটিল কৰি তুলিলে।[৭] শেষলৈ সি খবৰকাগজ বিক্ৰি কৰি পঢা থকাৰ খৰচ উলিওৱাৰ

কথা ভাৱিলে। বাতৰি কাগজ বিক্ৰি কৰি কলিকতাত নিজৰ খৰচ উলিয়াই অপুৱে আই এ পৰীক্ষা দি ঘৰলৈ গ'ল। ইতিমধ্যে মনসাপোতাত থকা তাৰ মাকৰ মৃত্যু হৈছিল। মনসাপোতাত মাকৰ শ্ৰাদ্ধাদি সম্পূৰ্ণ কৰি অপু পুনৰ কলিকতালৈ আহিল। ৰিপন কলেজৰ পৰা আই এ পাছ কৰি অপুৱে আৰু পঢ়াৰ প্ৰয়োজন বোধ নকৰিলে। সি কলিকতা তাৰ উৎসাহ নোহোৱা হ'ল। ইম্পিৰিয়াল লাইব্ৰেৰীত দিনটো পটি সন্ধিয়া এজন ছাত্ৰৰ গৃহশিক্ষকতা কৰি মাকৰ মৃত্যুৰ পিছত অকলশৰীয়া হোৱা অপুৰ দিনবোৰ ব্যস্ততাৰে পাৰ হ'ল।

বাতৰি প্ৰতিষ্ঠানৰ চাকৰি এটা পাই অপৰ কলিকতাৰ জীৱন গতলাগিল। চাকৰিটো তাৰ পছন্দৰ। বাতৰিৰ বাংলা অনুবাদ সি কৰে। নিজেও বিভিন্ন বিষয়ৰ প্ৰবন্ধ লিখে। ৰাতি ন বজাৰ পৰা তিনি বজালৈ কাম কৰিব লাগে। দিনত কাম নাথাকে কাৰণে দুপৰীয়া অলপ শুই আবেলিটো সি লাইব্ৰেৰীত কটাব পাৰে। দিনত কাম নাথাকে কাৰণে দুপৰীযা অলপ শুই আবেলিটো সি লাইব্ৰেৰীত কটাব পাৰে। কলিকতা চহৰত নিজৰ উপাৰ্জনেৰে এটা ভাড়াঘৰত থাকি সি কলিকতাখ কৰ্ম-কঠোৰ কোলাহলমুখৰ জীৱনৰ লগত নিজকে খাপ খুৱাই ল'লে। বন্ধু প্ৰণৱৰ মামাকৰ ছোৱালী অৰ্পনাৰ বিযা খাবলৈ গৈ অপ্ৰত্যাশিতভাৱে অপুৱে অৰ্পনাক বিযা কৰাবলগা হ'ল। বিযাৰ এবছৰৰ পিছত কলিকতাত অৰ্পনাৰ লগত সি দাম্পত্য জীৱন আৰম্ভ কৰিলে। কলিকতাৰ অপৰিছন্ন গলিৰ মাহে তেৰ টকাৰ এটা ভাড়াঘৰত সিহঁত থাকিবলৈ ল'লে। ঘৰটোত বতাহ চলাচল নহয। বাৰান্দাত বহিলে বতাহ পোৱা যায যদিও কাষতে থকা লেতেৰা ড্ৰেইনৰ পৰা আবৰ্জনাৰ গোন্ধ আহে। প্ৰতিৱেশী সকলো মানুহে অপৰিষ্কাৰকৈ জীৱন নিৰ্বাহ কৰে। নিজৰসৰু বাৰান্দাত অৰ্পনাই ৰজনীগন্ধা বিদ্যাপাতৰ গছ ৰুলেও নিজে পৰিষ্কাৰকৈ থাকিলেও প্ৰতিৱেশীৰ বিষাক্ত পৰিৱেশে তাক ম্লান কৰি পেলায। কলিকতা চহৰৰ অপৰিছন গলিৰ স্পষ্ট ছবি ঔপন্যাসিকে ফুটাই তুলিছে অপুৰ প্ৰতিৱেশীৰ অপৰিছন্ন পৰিৱেশৰ মাজেদি।[৮]

কলিকতাৰ কৰ্মব্যস্ত যান্ত্ৰিক জীৱনৰ ছবিও অপৰাজিতত স্পষ্ট।[৯] কেৱল অৰ্পনাই অপুৰ এই যান্ত্ৰিক জীৱনত আনন্দ প্ৰদান কৰে।[১০] অৰ্পনাৰ মৃত্যুৰ পিছত কলিকতাৰ জীৱন অপুৰ অসহ্য লাগিল। কলিকতাৰ ঘৰৰ প্ৰতিটো বস্তুতে অৰ্পনাৰ স্নেহস্পৰ্শ আছে। অৰ্পনাৰ স্মৃতিজডিত কলিকতা এৰি অপুৱে অনিৰ্দ্দিষ্ট পথত খোদ দিলে। কেইবাবছৰো ভাৰতৰ বিভিন্ন ঠাইত ঘূৰি অপু পুনৰ শিওপুত্ৰ কাজলক লৈ কলিকতালৈ আহিল। এই বিৰাট নগৰী কাজলৰ ওচৰত নতুন আৰু দুৰ্বোধ্য। অপু বিভিন্ন কামত ওলাই যাবলগীযা হ'লে দুৱাৰত তলা মাৰি কাজলক ঘৰৰ ভিতৰত থৈ যায। কাজলৰ বিস্ময়বিমুগ্ধ দৃষ্টিত কলিকতা চহৰ জিলিকি উঠিছে।[১১] কলিকতাত বাস কৰা গোটেই জীৱন অপুৱে আৰ্থিক অনাটনৰ মাজেৰেই কটাব লগা হ'ল। শেষলৈ কিতাপ লিখি কিছু টকা আয় হৈছিল যদিও তাৰ শিশুসুলভ স্বভাৱৰ কাৰণে সেই টকা অবাবত

খৰচ কৰি ৰিক্তহস্ত হৈছিল। কলিকতাৰ ছাত্ৰ জীৱনত বনধু অনিলক সি কৈছিল— 'আমৰা কখ্‌খনো কেৰাণীগিৰি কৰব না পয়সা পয়সা কৰব না কখখনো। সামান্য জিনিসে ভুলব না কখখনও।[১২] অৰ্পনাক বিয়া কৰোৱাৰ পিছৰ পৰা কলিকতাত কেৰাণী চাকৰি কৰি সি অভাৱ-অনাটনৰ জীৱনেই যাপন কৰিলে। অপৰাজিতৰ শেষত শিশুপুত্ৰ কাজলক নিশ্চিন্দিপুৰৰ ৰাণুদিৰ ওচৰত থৈ সি বিদেশযাত্ৰা কৰিছে।

কেদাৰ ৰাজাৰ নায়ক কেদাৰ প্ৰাচীন ৰাজবংশৰ লোক। গডশিৱপুৰ ৰাজবংশৰ বৃহৎ অট্টাকিাৰ ভগ্নাৱশেষৰ মাজত বাস কৰে বৃদ্ধ কেদাৰ ৰাজা আৰু তেওৰ বিধবা কন্যা শৰৎসুন্দৰী। কেদাৰ ৰাজাৰ পূৰ্বপুৰুষ প্ৰাচীন ৰাজবংশৰ কিংবদন্তি গাঁৱৰ মানুহৰ মুখে মুখে। বৰ্ত্তমান পিতা-পুত্ৰীৰ অৱস্থা ৰজাৰ দৰে নহয় সাধাৰণ প্ৰজাৰ দৰেহে। গাঁওখনৰ অৱস্থাপন্ন লোক সাতকড়ি চৌধুৰীৰ আত্মীয় এজন কলিকতাত থাকে। কলিকতাত তেওলোকৰ দুখন ঘৰ আৰু ব্যৱসায় আছে। তেওৰ পুত্ৰ প্ৰভাস গাড়ীলৈ সাতকড়ি চৌধুৰীৰ ঘৰলৈ আহোঁতে গাঁৱৰ ৰাইজে স্থানীয় প্ৰাথমিক বিদ্যালযখন সাজিবৰ কাৰণে প্ৰভাসক টকা বিচাৰিলে। স্কুলঘৰটোৰ কাৰণে কেদাৰ ৰাজাৰ ভগা প্ৰাচীন অট্টালিকাৰ পুৰণা ইটা চাবলৈ আহি প্ৰভাস কেদাৰকন্যা শৰৎসুন্দৰীৰ ৰূপত মুগ্ধ হ'ল। শৰতক লগ পাবৰ কাৰণে প্ৰভাসৰ গাঁৱলৈ অহাযোৱা ঘন হ'বলৈ ধৰিলে। কলিকতা চহৰ দেখুৱাবলৈ বুলি এদিন প্ৰভাস বন্ধু অৰুণৰ সৈতে পিতা-পুত্ৰীক নিজৰ গাড়ীত লৈ কলিকতালৈ যাত্ৰা কৰিলে।

দুই ভ্ৰমণকাৰী কেদাৰৰাজা আৰু শৰৎসুন্দৰীৰ দৃষ্টিৰে উপন্যাসখনত কলিকতা চহৰখন জিলিকি উঠিছে। কেদাৰে বহুবছৰৰ আগতে কলিকতা চহৰ দেখিছিল যদিও এতিয়া বহুত পৰিৱৰ্ত্তন হৈছে। গডশিৱপুৰৰ অৰণ্যৰ মাজত কটোৱা শৰতৰ কাৰণে কলিকতা চহৰ নতুন। দমদমাত অৰুণৰ বিশাল বাগানঘৰত থাকিদুয়ো কলিকতা চহৰ চোৱাৰ পৰিকল্পনা কৰিলে। প্ৰভাসৰ গাড়ীত উঠি শৰৎ-কেদাৰে বিস্ময়বিমুগ্ধ দৃষ্টিৰে কলিকতা চহৰ চাবলৈ ধৰিলে।[১৩] জাহাজঘাটৰ ওচৰত পানীৰ ওপৰত ঘৰ দেখি শৰৎ অবাক হ'ল।

চৌৰাঙ্গীৰ ফুটপাথেৰে খোজকাঢ়ি ধৰ্মতলাৰ ফালে যাওতে ৰাস্তাৰ কাষৰ দোকান হোটেল বিলাকৰ আলোক উজ্জ্বল অভ্যন্তৰ আৰু সজাই থোৱা বিভিন্ন পণ্যসামগ্ৰী শৰতে বিস্ময়বিমুগ্ধ দৃষ্টিৰে তধা লাগি চাবলৈ ধৰিলে। ইডেন-গাৰ্ডেনত বহুত সুসজ্জিত চাহাব মেমক দেখি শৰত বিস্ময়ত স্তম্ভিত। ইমান চাহাব মেমক একেলগে দেখাৰ কল্পনাও তাইৰ নাছিল। শৰতে ফুলৰ জোপোহাৰ কাষৰ বেঞ্চিত বহি অপলক দৃষ্টিৰে দুজন চাহাব মেমক চাই থাকিল। এখন দোকানত ফুলদানি দেখি তাইৰ ভাব হ'ল পাইৰা দিঘীৰ পাৰৰ জংঘলত ফুলা বনৰীয়া ফুল সজাই থবৰ কাৰণে ফুলদানিটো উপযুক্ত। এখন দোকানত ধুনীয়া শাড়ী দেখি বিধৱা শৰতৰ গডশিৱপুৰৰ প্ৰতিবেশী ৰাজলক্ষ্মীলৈ মনত পৰিল। নিজে নিপিন্ধিলেও ৰাজলক্ষ্মীৰ

কাৰণে এখন শাড়ী নিব পৰা হ'লে। কলিকতাৰ ফলমূলৰ দোকান দেখিও তাই বিস্ময় বোধ কৰিলে। তাই ভাবিছিল গাঁৱৰ হাটৰ নিচিনাকৈ কল কমলা অমিতা আদি দমাই থোৱা আছে। কিন্তু কলিকতাৰ ফলমূলৰ দোকানৰ সাজ-সজ্জা দেখি তাই আচৰিত হ'ল।[১৪] এখন দোকানত এটা বাঘৰ মুৰ সজাই থোৱা দেখি শৰৎ আচৰিত হ'ল। একেবাৰে জীৱন্ত যেন লগা এই বাঘৰ মূৰটোলৈ তাইৰ লোভ লাগিল। স্বামীৰ মৃত্যুৰ পিছৰ পৰা তাই গহনা-কাপোৰ একোৰে প্ৰতি আসক্ত নহয়। কিন্তু এই বাঘৰ মূৰটো নিজৰ দখললৈ আনি গড়শিৱপুৰৰ সকলো মানুহক দেখুৱাবলৈ তাইৰ মন গ'ল। দাম আঠৈশ টকা কাৰণে তাই সেই ইচ্ছা বাদ দিবলগীয়া হ'ল। ৰাতি থকাঘৰলৈ আহি তাইৰ নতুন অভিজ্ঞতা হ'ল। বুতাম টিপিলেই প্ৰতিটো কোঠা আৰু বাৰান্দাৰ চাকি জ্বলে। তাই বাৰে বাৰে বুতাম টিপি চাকি জ্বলাই-নুমাই সৰু ছোৱালীৰ দৰে আনন্দত মতলীয়া হ'ল।

উত্তেজনা আৰু আনন্দৰ মাজেৰে শৰতে কলিকতাৰ দিনবিলাক অতিবাহিত কৰিলে। পেনিটিৰ দ্বাদশ শিৱৰ মন্দিৰ কালীঘাটৰ কালীমন্দিৰ সকলোৱে শৰতক তীৰ্থদৰ্শনৰ আনন্দ প্ৰকাশ কৰিলে। কলিকতাৰ সকলো মানুহে শৰতলৈ ভেবালাগি চাই থকা দেখি শৰতে অস্বস্তি বোধ কৰিলে।[১৫] চিৰিয়াখানা চাবলৈ গৈ পিতা-পুত্ৰী দুয়ো সমবয়সীয়া বালক-বালিকাৰ নিচিনাকৈ পশু-পক্ষী চাই ঘূৰি ফুৰিল। কলিকতাৰ চিৰিয়াখানাৰ বাঘ সিংহ উটপখী আদি বিভিন্ন জীৱ-জন্তুৰ বিস্তৃত বিৱৰণ কেদাৰ ৰাজাত আছে। কথাছবি উপভোগ কৰোঁতে তাইৰ বাৰে বাৰে এটা প্ৰশ্ন মনলৈ আহিল— ছবিৰ মানুহে কেনেকৈ কথা কয়।

কলিকতাৰ বেশ্যালয়ৰ বেশ্যাৰ সাজ-সজ্জা নৃত্য-গীতৰ বিস্তৃত বিৱৰণ কেদাৰ ৰাজাত আছে। প্ৰভাস আৰু অৰণ্যৰ গড়শিৱপুৰৰ পৰা সুন্দৰী শৰতক কলিকতাত ফুৰাবলৈ অনাৰ উদ্দেশ্য আছিল কলিকতাৰ কোনোবা বেশ্যালয়ত সুন্দৰী শৰতক বেশ্যা কৰি ধন উপাৰ্জন কৰা। কেদাৰৰ অনুপস্থিতিত এদিন প্ৰবাসে অৰুণবাবুৰ ঘৰলৈ বুলি শৰতক লৈ গৈ বেশ্যালয় পোৱালেগৈ। কলিকতা চহৰৰ লগত শৰতৰ চিনাকি নাই। বেশ্যালয়ৰ ধাৰণা তাইৰ নাছিল। হেনা বিবিৰ বেশ্যালয়ক তাই সম্ভ্ৰান্ত বাঙালী পৰিয়ালৰ ঘৰ বুলিয়েই ভাবিছিল। প্ৰভাসে বৌদি বুলি চিনাকি কৰি দিয়া হেনাৰ ঘৰৰ চাফা বিচনা। পকা বেৰত বেছিভাগ বিলাতী মেম-চাহাবৰ ছবি। এখন টেবুলত হাৰমনিয়াম তবলা তানপুৰা আদি বাদ্যযন্ত্ৰ। ডাঙৰ কাঁচৰ আলমাৰীত বিবিধ সজোৱা বস্তু। শৰতে ভাবিলে তেওলোকৰ ঘৰত হয়তো গানৰ চৰ্চা হয়। হেনা বিবিৰ ঘৰত থকা অৱস্থাতে সাজ পাৰ সাজন কাচন দেখি তাই অবাক।[১৬] এই বয়সত ইমান সাজি কাচি গৃহিনী নেথাকে। তদুপৰি পান খাই হেনাৰ মুখ ৰাঙলী। হাৰমনিয়াম বজাই হেনাই নিজে গীত গোৱা দেখি শৰৎ অবাক হ'ল। কাষৰ ঘৰৰ পৰা কমলা আহিল। ৰঙা জড়িপাৰ শাড়ী পৰিহিতা খোপাত ফুল মুখত পাউদাৰ ঘঁহা নিখুট সাজেৰে কমলাক দেখি

শৰতে ভাবিলে, তাই হয়তো কৰবাত নিমন্ত্ৰণ খাবলৈ যাব। কমলাই দুটা গীত গাই তাইক মুগ্ধ কৰিলে।

হেনাবিবিৰ বেশ্যালয়ত এৰাতি কটাই শৰতে জানিব পাৰিলে যে ঠাইডোখৰ ভাল নহয়। হেনাৰ দুই এটা কথাত তাইৰ সন্দেহ উপজিল। হেনাই বাৰে বাৰে শতে মন কৰিলেই কলিকতাত ঘৰ গাড়ী লৈ সুখেৰে থকাৰ ব্যৱস্থা কৰি দিয়াৰ কথা ক'লে। শৰতে দুদিন থাকি গম পালে যে তাইক বেশ্যা কৰিবৰ কাৰণে বেশ্যালয়লৈ অনা হৈছে। ইতিমধ্যে অৰুণৰ যোগেদি কেদাৰক কোৱা হৈছে যে শৰতক বেশ্যালযত পোৱা হৈছে। উপাযান্ত হৈ কেদাৰে নিৰুদ্দেশ যাত্ৰা কৰিলে। ঘৰৰ বাহিৰৰ পৰা তলা লগাই হেনা থিযেটাৰৰ কামত বাহিৰলৈ গ'ল। ঘৰৰ ভিতৰত অকলে শৰৎ। বন্ধ ঘৰৰ খিড়িকীৰে শৰতে প্ৰতিবেশী দুই এজনৰ সহায় বিচাৰিলে। কোনো তাইক সহায কৰিবলৈ আগবাঢি নাহিল। শেষত বেশ্যা কমলাই তাইক অন্ধকাৰ জগতৰ পৰা উদ্ধাৰ কৰি ৰাজপথত এৰি দিলে।

এখন ঘোঁৰাগাড়ী ভাড়া কৰি শৰতে কালীঘাটলৈ যোৱাকে স্থিৰ কৰিলে। সন্ধিয়া কলিকতা মহানগৰীত গাঁৱৰ অবলা যুৱতী শৰৎ ঘোঁৰাগাড়ীত উঠি বিশাল জনস্ৰোতৰ মাজত এজন হৈ কাশীঘাটলৈ যাত্ৰা কৰিলে।[১৭] কাশীঘাটত গংগাত স্নান কৰি বেশ্যালয়ত দুদিন কটোৱাৰ পাপ ধুই নিকা কৰিলে। কাশীঘাটৰ কালীমন্দিৰৰ সন্ধিয়াৰ আৰতিৰ বিস্তৃত বৰ্ণনা কেদাৰ ৰাজ্যত আছে। কালীমন্দিৰৰ সন্ন্যাসিনীৰ প্ৰচেষ্টাত কাশীঘাটলৈ অহা এগৰাকী সম্ভ্ৰান্ত মহিলাৰ কামকৰা ছোৱালী হিচাপে শৰতে হাওৰা ষ্টেচনত ৰেলত উঠি লক্ষ্ণৌলৈ যাত্ৰা কৰিলে। হাওৰা ষ্টেচনৰ মানুহৰ ভিৰ আৰু দোকান বজাৰৰ হুলস্থুলীযা পৰিৱেশো প্ৰকাশলৈ আহিছে শৰতৰ বিমুগ্ধ দৃষ্টিৰে।

নাগৰিক জীৱন আৰু অসমীয়া উপন্যাস ঃ

অসমত প্ৰকৃত অৰ্থত নগৰৰ জন্ম হয ইংৰাজসকলৰ আগমনৰ লগে লগেহে। ১৮২৬ চনৰ ইযাণ্ডাবু সন্ধিৰ চৰ্ত অনুসৰি অসমত াহোম স্বৰ্গদেউসকলৰ ছশ বছৰীযা ৰাজত্বৰ অৱসান ঘটে আৰু অসমদেশ ইংৰাজৰ অধীনলৈ যায। আহোম যুগত নগৰৰ জীৱনধাৰণৰ পদ্ধতি আছিল গাঁৱৰ নিচিনা। ইংৰাজ ৰাজত্বৰ অসমৰ গ্ৰাম্য জীৱনৰ পৰা নগৰীযা জীৱন বিচ্ছিন্ন হৈ পৰিল। দেশ শাসনৰ কাৰণে নগৰ অঞ্চলত বিভিন্ন প্ৰশাসনিক কাৰ্য্যালয গঢ লৈ উঠিল। নগৰত চাকৰি কৰা হাকিম কেৰেণী আদি চাকৰিয়ালসকলে নিজকে গাঁৱৰ কৃষকতকৈ অভিজাত বুলি ভাবিবলৈ ল'লে নগৰৰ আশে-পাসে বজাৰ সৃষ্টি হোৱাত গাঁৱৰ জীৱনৰ লগত নগৰৰ সংস্পৰ্শ কমি আহিল। ইংৰাজ আমোলত অসমত বিভিন্ন উদ্যোগ গঢ লৈ উঠিল। উদ্যোগত কাম কৰা বনবা শ্ৰেণীৰ এখন নতুন সমাজ সৃষ্টি হ'ল। বনুৱাৰ অৰ্থনৈতিক শোষণ আৰু শ্ৰেণী দ্বন্দ্ব বৃদ্ধি পালে। স্বাধীনতাৰ পৰৱৰ্ত্তী কালত অসমত স্ত্ৰী-স্বাধীনতা আৰু স্ত্ৰী-শিক্ষাৰ প্ৰসাৰ হ'ল। স্ত্ৰী-স্বাধীনতা প্ৰসাৰৰ ফলত বিবাহৰ ধাৰণাও পৰিৱৰ্ত্তন হ'বলৈ ধৰিলে। বৌদ্ধিক

আৰু আৰ্থিক সাম্য বিবাহৰ ক্ষেত্ৰত প্ৰয়োজন বুলি ধাৰণা হ'ল। নাগৰিক সমাজৰ গণিকাৰ সমস্যাক লৈও উপন্যাস ৰচিত হ'ল। মাৰ্ক্সীয় দৰ্শনৰ প্ৰভাৱত সমাজবাদী চিন্তাৰ প্ৰকাশ ঘটিল। ফ্ৰয়েদৰ যৌন মনস্তত্ত্ব প্ৰকাশ ঘটিল আধুনিক উপন্যাসত।

অসমীয়া উপন্যাস সাহিত্যত নাগৰিক জীৱনে পোনপ্ৰথম আত্মপ্ৰকাশ কৰে বীনা বৰুৱা ছদ্মনামত লিখা বিৰিঞ্চিকুমাৰ বৰুৱাৰ জীৱনৰ বাটত উপন্যাসত। উপন্যাসখন প্ৰথম প্ৰকাশ হৈছিল ১৯৪৪ চনত দ্বিতীয় মহাযুদ্ধৰ ধামখুমীয়াৰ সময়ত। গাঁৱৰ পৰম্পৰাগত পৰিৱেশত আৰম্ভ হৈ উপন্যাসৰ কাহিনী শেষ হৈছে ইংৰাজশাসিত কৃত্ৰিম নগৰীয়া পৰিৱেশত। উপন্যাসৰ নায়ক কমলাকান্তৰ জন্ম ডিব্ৰুগড চহৰত। ডিব্ৰুগডৰ কাছাৰীৰ কেৰেণী মহীকান্ত বৰুৱাৰ বৰল'ৰা কমলাকান্তই নগৰত উচ্চশিক্ষা লাভ কৰি গাঁৱৰ জীৱনৰ প্ৰতি আগ্ৰহহীন হৈ পৰিছে। কমলাকান্ত যোগেদি পাঠকক গাঁৱৰ সহজ-সৰল পৰিৱেশৰ লগতে নগৰীয়া যান্ত্ৰিক কৃত্ৰিম পৰিৱেশৰ লগতো চিনাকি কৰি দিয়া হৈছে। বন্ধু ভনীয়েকৰ বিয়া খাবলৈ বন্ধুৰ গাঁৱৰ ঘৰলৈ গৈ প্ৰতিৱেশী বাপুৰাম বৰাৰ কন্যা তগৰক আঙঠি পিন্ধাই বিয়া কৰোৱাৰ প্ৰতিশ্ৰুতি দিলেও কমলাকান্তই বি এ পাছ কৰি হাকিম হ'বলৈ ইংৰাজ চৰকাৰৰখিতাপ খোৱা ৰায়বাহাদুৰ মাণিক হাজৰিকাৰ সহায়ৰ প্ৰযোজন হ'ল। কমলাকান্তই হাকিমৰ চাকৰি পালে কিন্তু ৰায়বাহাদুৰৰ সহায়ৰ বিনিময়ত তেওঁৰ কন্যা সুপ্ৰভাক বিয়া কৰাব লগা হ'ল। উপন্যাসৰ শেষত কমলাকান্ত সুপ্ৰভাৰ কৃত্ৰিম নাগৰিক দাম্পত্য জীৱনৰ ছবি স্পষ্টকৈ প্ৰকাশ পাইছে। আধুনিক মানুহৰ নিসংগতা অস্থিৰতা আৰু অন্তৰ্জগতৰ বিষাদৰ প্ৰকাশ আছে প্ৰফুল্লদত্ত গোস্বামীৰ **শেষ ক'ত** (১৯৪৮) আৰু **কেঁচা পাতৰ কঁপনি** (১৯৫২) উপন্যাসত।

স্বৰাজোত্তৰ যুগৰ ঔপন্যাসিক চৈয়দ আব্দুল মালিকে গ্ৰাম্য জীৱনৰ পটভূমিত ৰচিত উপন্যাসৰ লগতে নাগৰিক জীৱনৰ পটভূমিত ৰচিত উপন্যাসতো দক্ষতাৰ পৰিচয় দিছে। মালিকৰ **অঘৰী আত্মাৰ কাহিনী কণ্ঠহাৰ, মাটিৰ চাকি, ৰাতিৰ কবিতা সোণালী সূতাৰে বন্ধা ড অৰুণাভৰ অসম্পূৰ্ণ জীৱনী** আদি উপন্যাসত নগৰ-জীৱনৰ ছবি আছে। মালিকৰ সমসাময়িকভ [illegible] ৰচনাত হাত দিয়া ঔপন্যাসিক বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ অসমৰ তেল নগৰী ডিগবৈৰ পটভূমি হিচাপে লৈ লিখা দুখন উপন্যাস **প্ৰতিপদ** আৰু **বল্লৰী**। [illegible]িপদত উপন্যাস[illegible] তেল উদ্যোগৰ এদল কৰ্মচাৰীয়ে অৰ্থনৈতিক শোষণ আৰু সামাি[illegible] [illegible]ৰুদ্ধে থিয় দিছে। বল্লৰীত উদ্যোগকৰণ আৰু নতুন অৰ্থনৈতিক ব্যৱস্থা প্ৰৱৰ্তনৰ ফলত সমাজজীৱনলৈ অহা পৰিৱৰ্ত্তনে ব্যক্তি জীৱনত পেলোৱা প্ৰভাৱ সবিস্তাৰে বৰ্ণনা কৰা হৈছে। চহৰ জীৱনৰ নৈতিক মূল্যবোধৰ অৱক্ষয়ে গাঁৱৰ জীৱনকো প্ৰভাৱান্বিত কৰিছে। উপন্যাসখনৰ ডিগবৈ চহৰ যান্ত্ৰিক নাগৰিক সভ্যতাই জন্ম দিয়া অৱক্ষয়ৰ প্ৰতীক। চহৰৰ যান্ত্ৰিকতাই মানুহকো এটা যন্ত্ৰলৈ ৰূপান্তৰিত কৰিছে। আদৰ্শহীন ভোগবাদী আৰু ক্ষয়িষ্ণু নাগৰিক সমাজ এখনৰ ছবি বল্লৰীত যথাযথভাৱে দাঙি ধৰা হৈছে। স্বৰাজোত্তৰ যুগৰ অন্য

কেইবাজনো ঔপন্যাসিকৰ উপন্যাসত ছেগা-ছোৰোকাকৈ নাগৰিক জীৱনে ভুমুকি মাৰিছে। লক্ষ্মীনন্দন বৰাৰ **পাতাল ভৈৰৱী** আৰু চন্দ্ৰপ্ৰসাদ শইকীয়াৰ **মন্দাক্ৰান্তা** নগৰজীৱনকেন্দ্ৰিক উপন্যাস। যোগেশ দাসৰ **নিৰুপায় নিৰুপায়** নগৰীয়া মধ্যবিত্ত সমাজৰ প্ৰণয়মূলক কাহিনীৰ পটভূমিত ৰচিত। এখন বিস্তাৰমুখী নগৰৰ উপকণ্ঠৰ দ্ৰুত পৰিৱৰ্ত্তনৰ পটভূমিত **উৎকণ্ঠ উপকণ্ঠ** উপন্যাস ৰচনা কৰে যোগেশ দাসে। শীলভদ্ৰৰ **আঁহতগুৰি** উপন্যাসত কেনেকৈ এখন অখ্যাত ঠাই আগুৰি আঁতগুৰি নগৰলৈ ৰূপান্তৰিত হ'ল তাৰ ইতিহাস আছে। পেৰ-পেৰীয়া নামৰ অখ্যাত ঠাইখন নগৰলৈ ৰূপান্তৰিত হওতে যি সামাজিক ঔদ্যোগিক আৰু মানসিক প্ৰক্ৰিয়াৰ মাজেদি পৰিৱৰ্ত্তিত হৈছিল তাৰ ছবি এই উপন্যাসখনত আছে।

দ্বিতীয় বিশ্বযুদ্ধ আৰু অসমীয়া উপন্যাস ঃ

১৯৩৯ চনত আৰম্ভ হোৱা দ্বিতীয় বিশ্বযুদ্ধই সমগ্ৰ পৃথিৱীৰ সামাজিক ৰাজনৈতিক আৰু অৰ্থনৈতিক জীৱনত আমূল পৰিৱৰ্ত্তনৰ সূচনা কৰিলে। সমাজজীৱনত সৃষ্টি হ'ল বিভিন্ন ঘাত-প্ৰতিঘাত। আগৰ সহজ-সৰল জীৱনযাত্ৰাত সৃষ্টি হোৱা জটিলতাই দেখা দিলে। মানুহৰ নৈতিক মূল্যবোধৰ অৱনতি ঘটিল। সমাজজীৱনত সৃষ্টি হোৱা জটিলতাই সাহিত্যকো প্ৰভাৱান্বিত কৰিলে। একে সময়তে আৰম্ভ হ'ল ভাৰতজোৰা বিয়াল্লিছৰ গণ আন্দোলনৰ গণ বিপ্লৱ। হেমন্তকুমাৰ শৰ্মাৰ মতে— বিপ্লৱ কেৱল যুদ্ধ নাইবা ৰাজনীতিতে আবদ্ধ নাথাকিল। নৈতিক মানসিক সামাজিক সকলো ক্ষেত্ৰতে বিযপি পৰিল। এফালে বিয়াল্লিছৰ আন্দোলন তথা স্বদেশ উদ্ধাৰৰ কাৰণে উদ্বুদ্ধ হোৱা ভাৰতীয়ৰ অসীম ত্যাগ আৰু আত্মোৎসৰ্গৰ আদৰ্শ আনফালে দ্বিতীয় বিশ্বযুদ্ধৰ তগুৱ তথা মিলিটৰীৰ ৰাজত্ব অৰ্থনৈতিক সমস্যা আৰু দৰ্নীতিৰ আধিপত্য। এই দুই বিপৰীত শক্তিৰ প্ৰাবল্যত ভাৰতৰ আকাশ বতাহ কঁপি উঠিল। [১৮]

অসমলৈও ধুম ধামেৰে মিত্ৰশক্তিৰ সমৰসজ্জা আহিল। চুবুৰীয়া ৰাজ্য মণিপুৰত যেতিয়া জাপানী বোমা ফুটিল অসমবাসী আতংকিত হৈ পৰিল। অসমৰ ডুমডুমা চহৰ যুদ্ধৰ প্ৰাণকেন্দ্ৰ হৈ পৰিল। ইংৰাজ আৰু মাৰ্কিন সৈন্যৰ সমৰ উদ্যোগত গাঁৱে নগৰে গোটেই অসমখনতে উখল-মাখল লাগিল। অসমৰ হাবিৰ বাঁহ-কাঠ কাটি সৈন্যৰ শিবিৰ পতা হ'ল। স্কুল-কলেজ আদি শিক্ষানুষ্ঠানসমূহ সৈন্যৰ বাসস্থান হোৱাত শৈক্ষিক পৰিৱেশ বিনষ্ট হ'ল। আৰ্থিক দুৰৱস্থা খাদ্যৰ নাটনি আদিয়ে সাধাৰণ মানহকো যুদ্ধৰ ঠিকা কৰি ধন ঘটিবলৈ বাধ্য কৰিলে। স্কুল-কলেজ বন্ধহৈ যোৱাত আৰ্থিক অনাটনত পৰি শিক্ষকৰ লগতে ছাত্ৰইও যুদ্ধৰ কামত মনোনিবেশ কৰিলে। দেশৰ এই অস্থিৰ অৱস্থাই মানুহৰ বৌদ্ধিক চেতনা চিন্তাধাৰা আৰু জীৱনযাত্ৰা জটিলতৰ কৰি তুলিলে। সাহিত্যৰ ক্ষেত্ৰত যুদ্ধই নতুন অৰিহণা আগবঢ়ালে। দ্বিতীয় বিশ্বযুদ্ধ আৰু স্বাধীনতা আন্দোলনে অসমীয়া সাহিত্যৰ প্ৰকাশভংগী পটভূমি আৰু উদ্দেশ্যৰ পৰিৱৰ্ত্তন ঘটালে। তদুপৰি কবিতা গল্প উপন্যাস আদি সাহিত্যৰ সকলো শাখাকে কাৰ্ল মাৰ্ক্সৰ শ্ৰেণীসংগ্ৰাম

আৰু ফ্ৰয়েদৰ যৌন মন তত্ত্বই প্ৰবাৱান্বিত কৰিলে।

যুদ্ধ শেষহোৱা বছৰতে বিৰিঞ্চিকুমাৰ বৰুৱাৰ বীনা বৰুৱা ছদ্মনামত লিখা **জীৱনৰ বাটত** উপন্যাসত যুদ্ধ বিধস্ত সমাজজীৱনৰ চিত্ৰ নাথাকিলেও উপন্যাসখনে গ্ৰাম্য জীৱন চিত্ৰৰ নতুন কৌশল বিষযবস্তুৰ সংগঠন আৰু চৰিত্ৰসৃষ্টিত নতুনত্বৰ সন্ধান দিযে। যুদ্ধৰ পিছৰ পৰাই অসমীয়া উপন্যাস সাহিত্যত নৱজাগৰণৰ সূচনা হয। উপন্যাসত এই জাগৰণ মহম্মদ পীয়াৰৰ কেইখনমান উপন্যাসে। দ্বিতীয় বিশ্বযুদ্ধৰ কুফলত হোৱা আৰ্থিক সমস্যা মানুহৰ নৈতিক অধপতন হিন্দু-মুছলমানৰ বিৰাধ-সম্প্ৰীতি তেওৰ উপন্যাসৰ মূল উপজীব্য। যুদ্ধোত্তৰ যুগৰ আৰ্থিক সমস্যা আৰু নৈতিক সংঘাতক লৈ দীননাথ শৰ্মাই **সংগ্ৰাম মাটি আৰু মানুহ** আৰু **নদাই** নামৰ তিনিখন উপন্যাস লিখিছিল। যুদ্ধই সৃষ্টি কৰা সামাজিক সমস্যাৰ ছবি থাকিলেও এই উপন্যাসসমূহত যুদ্ধৰ প্ৰত্যক্ষ ছবি পাবলে নাই।

অসমীয়া উপন্যাস সাহিত্যত দ্বিতীয় বিশ্বযুদ্ধক পটভূমি হিচাপে লৈ ৰচিত একমাত্ৰ সাৰ্থক উপন্যাস যোগেশ দাসৰ **ডাৱৰ আৰু নাই**। উপন্যাসখন প্ৰকাশ হয় ১৯৫৫ চনত। এটা নিম্নবিত্ত পৰিয়াল আৰু তাৰ লগত জড়িত বনুৱাশ্ৰেণীৰ জীৱনধাৰলৈ যুদ্ধৰ তাণ্ডৱে কেনেকৈ পৰিৱৰ্ত্তন আনিলে উপন্যাসখনত তাক সবিস্তাৰে বৰ্ণনা কৰা হৈছে। ঔপন্যাসিক যোগেশ দাসৰ দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰত্যক্ষ অভিজ্ঞতা আছিল। ডাৱৰ আৰু নাইৰ পাতনিতে তেও লিখিছে— মই ডেকা কালৰ কোমল বযসত নিজে এই মহাযুদ্ধৰ এটা ক্ষুদ্ৰ অংশৰ মাজত সোমাই পৰিছিলো। উজনি অসমৰ ডুমডুমা নগৰৰ ওচৰৰ দুকুৰিখনমান চাহ বাগিচাৰ মাজত চুকেৰিটিং সামৰিক বিমান ঘাটিত তেতিযা এটা সৰু চাকৰি কৰিবলৈ গৈ মই যুদ্ধখন প্ৰত্যক্ষ কৰিছিলো। [১৯] তেওৰ ডাৱৰ আৰু নাই উপন্যাসৰ পটভূমিও এই চুকেৰিটিং চাহ বাগিচা। ১৯৪৫ চনত জাপানৰ হিৰোচিমাত আনবিক বোমা পেলোৱা জাৰ্মানীয়ে মিত্ৰ শক্তিৰ ওচৰত আত্মসমৰ্পন কৰাৰ লগে লগে যুদ্ধৰ অৱসান ঘটে। যুদ্ধখনৰ গতি প্ৰকৃতিয়ে যুদ্ধৰ সৈনিক আৰু আৰ্থিক জনসাধাৰণৰ মাজত কেনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছিল আৰু মানুহৰ সামাজিক আৰ্থিক মানসিক পৰিৱৰ্ত্তনৰ আভাস উপন্যাসখনত আছে।

যুদ্ধযুগৰ নৈতিক অৱক্ষয়ৰ সময়তো উপন্যাসখনৰ নায়ক বাখৰ চৰিত্ৰটো অটল ন্যাযনিষ্ঠা আৰু আত্মসংযমৰ কাৰণে জিলিকি আছে। যুদ্ধৰ অনৈতিক বতাহে সকলোকে স্পৰ্শ কৰিলেও বাখৰ আৰু ভীমক টলাব নোৱাৰিলে। দৃঢভাৱে দুযো যুদ্ধৰ অনৈতিক প্ৰভাৱৰ পৰা আঁতৰি থাকিবলৈ যত্ন কৰিলে। যুদ্ধখনে শান্তিপ্ৰিয অসমীয়া ব্যক্তি-জীৱন আৰু সমাজ-জীৱনক জোকাৰি গ'ল। মানহৰ চিন্তাধাৰাৰ প্ৰকৃতি সলনি হ'ল। চাহবাগানৰ বনুৱা ঠিকাদাৰ ব্যৱসাযী ছাত্ৰ শিক্ষক খেতিযক কোনেও যুদ্ধৰ কুপ্ৰভাৱৰ পৰা আঁতৰি থাকিব নোৱাৰিলে। সকলোৱে সোঁৱে-বাঁৱে যুদ্ধৰ ঘনঘটাত ব্যস্ত হৈ পৰিল। যুদ্ধ সদায় নেথাকে কিন্তু ধন ঘটিব পাৰিলে সি থাকি যাব। বাখৰ

এটা ব্যতিক্ৰমধৰ্মী চৰিত্ৰ। যুদ্ধৰ প্ৰভাৱৰ পৰা আঁতৰত থাকিবলৈ যত্ন কৰিলেও সি যুদ্ধৰ দুৰ্যোগপূৰ্ণ পৰিৱেশৰ পৰা নিজকে আঁতৰাই ৰাখিব নোৱাৰিলে। দোষী-নিৰ্দোষী সকলোৰে সংসাৰত জুই জ্বলাই যোৱা যুদ্ধৰ প্ৰভাৱ কিন্তু খন্তেকীয়া। যুদ্ধ শেষ হোৱাৰ পিছত ইয়াৰ উত্তেজনা নোহোৱা হৈছে আৰু সমাজলৈ স্বাভাৱিক জীৱন ঘূৰি আহিছে।

এজনী জাপানী ছোৱালী গল্পৰে বিশ্বযুদ্ধৰ সুদূৰ প্ৰসাৰী প্ৰভাৱক জীৱন্তভাৱে দাঙি ধৰা বীৰেন্দ্ৰকুমাৰ ভট্টাচাৰ্য্যৰ সাহিত্য অকাডেমীৰ বঁটা প্ৰাপ্ত **ইয়াৰুইঙ্গম**ত দ্বিতীয় বিশ্বযুদ্ধৰ সময়ৰ নগাৰাজ্যৰ বিপন্ন জীৱনধৰাৰ বাস্তৱ ছবি আছে। টাংখুল নগাভূমি যুদ্ধৰ সময়ত কিছুদিন জাপানীৰ অধিকাৰত আছিল। বৃটিছ-মাৰ্কিন মিত্ৰ শক্তিৰ লগত জাপানীৰ সংঘৰ্ষৰ ফল স্বৰূপে নগাভূমি বহুপৰিমাণে ক্ষতিগ্ৰস্ত হৈছিল। যুদ্ধ শেষ হোৱাৰ পিছতো যুদ্ধৰ বিভীষিকা আৰু নিষ্ঠুৰতাই নগাৰাজ্যৰ জীৱনধাৰা বিপন কৰি ৰখাৰ ইতিহাস **ইয়াৰুইঙ্গম**ত আছে।

দ্বিতীয় বিশ্বযুদ্ধ আৰু মালিকৰ উপন্যাস ঃ

চৈয়দ আব্দুল মালিকৰ সীমিত সংখ্যক উপন্যাসত দ্বিতীয় বিশ্বযুদ্ধৰ কিছু বিক্ষিপ্ত ছবি বিদ্যমান। মালিক নিজেও কম সময়ৰ বাবে যুদ্ধৰ চাকৰিত মকৰল হৈছিল। সেয়ে যুদ্ধৰ গতি বিধি ওচৰৰ পৰা দেখা পোৱা মালিকে অসমৰ জাতীয় জীৱনক কোবাই যোৱা যুদ্ধৰ দুই-এটা দিশ **বনজুই আধাৰশিলা ৰূপাবৰিৰ পলস** আদি উপন্যাসত ভূমুকি মাৰিছে।

গ্ৰাম্য পটভূমিত ৰচিত মালিকৰ **বনজুই** উপন্যাসত দ্বিতীয় মহাযুদ্ধৰ আতংকৰ কথা আছে।[২০] উপন্যাসখনত গোলাপ মাষ্টৰ অনিচ্ছাকৃতভাৱে হলেও যুদ্ধৰ লগত জড়িতহৈ পৰিছে। জোনাক পলুৱাই নিয়াৰ অপৰাধত পুলিচৰ পৰা পলাই আত্মগোপন কৰিবৰ কাৰণে গোলাপ মাষ্টৰ যুদ্ধৰ মিলিটেৰী ঠিকাদাৰৰ মহৰী সোমাল। যুদ্ধৰ চাকৰি কৰি থাকোতে গোলাপ মাষ্টৰে যুদ্ধৰ ভীষণৰূপ দেখিবলৈ পালে। সৈন্য চাউনীৰ পৰা প্ৰতিদিন যিবোৰ সৈন্য ওলাই যায় সেইবোৰ আৰু কোনোদিন ঘূৰি নাহে। ঘূৰি আহে কেৱল আহত সৈন্য আৰু মৃত সৈন্য। সৈন্য-হস্পিতেলত চিকিৎসা কৰি আহত সৈন্যবোৰ পৰিযালৰ বোজা হৈ ঘৰলৈ ঘূৰি যায়। যুদ্ধক্ষেত্ৰৰ হাঁহিবোৰ বিকট নৈৰাশ্যভৰা আনন্দবোৰ ক্ষণস্থায়ী নিষ্প্ৰাণ।[২১] ক্ষণস্থায়ী আনন্দৰ কাৰণে সৈন্যবোৰে মাজে মাজে তিৰোতাৰ লগ বিচাৰে। মিলিটেৰী অফিচাৰৰ কেম্পলৈ মাজে মাজে অসমীয়া বঙালী দুই এজনী ছোৱালী আহে। কোনোবা ঠিকাদাৰে আনি সিহঁতক অফিচাৰক ভেটি হিচাপে দিয়ে। এৰাতি-দুৰাতি অফিচাৰৰ লগত থাকি থাকি সিহঁত অদৃশ্য হয়। এইদৰে যুদ্ধখনে একশ্ৰেণী বেশ্যাৰ জন্ম দিয়ে। বয়-বস্তুৰ জুইছাই দামে সাধাৰণ মানুহৰ জীৱন দুৰ্বিসহ কৰি তোলে। বহুতো যুৱক যুদ্ধৰ চাকৰি বিচাৰি সৈন্যশিবিৰলৈ অহাযোৱা কৰিবলৈ ধৰে। গাঁৱৰ সহজ-সৰল জীৱনতো যুদ্ধৰ চিপাহীয়ে

জীয়ৰী বোৱাৰীক অশালীন ব্যৱহাৰ কৰি আতংকৰ সৃষ্টি কৰে।

ৰূপাবৰিৰ পলস উপন্যাসৰ নায়ক বাবৰ বংগদেশৰ পৰা পলাই আহি অসমৰ ৰূপাবৰি গাঁৱৰ চৰিফ গাঁওবুঢ়াৰ ঘৰত হালোৱা সোমাইছিল। ইতিমধ্যে যুদ্ধ আৰম্ভ হ'ল। বাবৰে খেতিৰ কামৰ লগতে যুদ্ধৰ ব্যৱসায় কৰিবলৈ ল'লে। গংৱৰ পৰা শাক-পাচলি হাঁহ-কুকুৰা বিচাৰি মিলিটেৰী ঠিকাদাৰক যোগান ধৰাই তাৰ ব্যৱসায়। গাঁৱৰ শান্তিত থকা অসমীয়া মানুহৰ জীৱনলৈ অশান্তিৰ ধুমুহা কটিয়াই অনা যুদ্ধখনৰ বিৱৰণে উপন্যাসখনৰ বহুঠাই আগুৰি আছে।[২২] যুদ্ধখনে বহুত ধনী মানুহ দুখীয়া কৰিলে বহুত দুখীয়া মানুহ যুদ্ধৰ ঠিকা কৰি ধনী হ'ল। যুদ্ধখনে বহুত ডেকা গাভৰুক নষ্ট কৰিলে। বহুতো গাভৰুৱে যুদ্ধৰ সৈন্যক নিজৰ দেহা বেচি পেটৰ ভাত মোকোলাবলগীয়া হ'ল। বহুত নিবনুৱা ডেকাই খাকী পেণ্ট কামিজ পিন্ধি মিলিটাৰী অফিচাৰৰ লগত আত্মীয়তা গঢ়ি তুলি যুদ্ধৰ পৰিৱেশৰ সুযোগ লৈ সৈনিকক ছোৱালী যোগানধৰি লাভৱান হোৱাৰ সুযোগ গ্ৰহণ কৰিলে। গাঁৱৰ মানুহৰ শান্ত নিৰিবিলি জীৱনৰ ওপৰতো যুদ্ধই প্ৰভাৱ পেলালে। বয়বস্তুৰ দাম দুগুণ বৃদ্ধি পালে।

অপ্ৰত্যাশিতভাৱেই বিশ্বজোৰা দ্বিতীয় মহাসমৰ এদিন শেষহৈ গ'ল। কিয় কেনেকৈ ক'ত যুদ্ধখন শেষ হ'ল মানুহে ধৰিবই নোৱাৰিলে। পৃথিৱীজোৰা যুদ্ধ লাগিলে সকলোতে লাগে ভাগিলে সকলোতে ভাগে। জাপানৰ হিৰোশিমাত আমেৰিকাই এটম ব'ম পেলালে। সেয়ে হেনো যুদ্ধখন হঠাৎ বন্ধ হ'ল।[২৩] যুদ্ধৰ অবিৰাম কোলাহলেৰে ভৰা বতাহজাক আকৌ শান্ত হৈ পৰিল। সকলোকে ৰুগ্ন কৰি তোলা এটা মহামাৰী হঠাৎ নোহোৱা হৈ সকলোকে ৰোগমুক্ত কৰি তোলাৰ দৰে মানুহৰ মনবোৰ পাতল পাতল লাগিল।

আধাৰশিলা উপন্যাসৰ যুদ্ধত ঠিকাৰ কাম কৰা চমীৰৰ যোগেদি যুদ্ধৰ পৰিৱেশ প্ৰত্যক্ষ হৈছে। পৃথিৱীজোৰা দ্বিতীয় মহাযুদ্ধ। গাঁও আৰু নগৰৰ সকলো মানুহৰে জীৱনতে যদ্ধই প্ৰভাৱ পেলালে।[২৪] কোনো মানুহেই সৰহদিন যুদ্ধৰ সৰ্বগ্ৰাসী কৱলৰ পৰা নিজকে আঁতৰাই ৰাখিব নোৱাৰিলে। প্ৰত্যক্ষ বা পৰোক্ষভাৱে দেশৰ প্ৰায় সকলো মানুহ যুদ্ধৰ লগত জড়িত হৈ পৰিল। স্কুল-কলেজ বন্ধ হৈ যোৱাত শিক্ষক ছাত্ৰ সকলো যুদ্ধৰ ঠিকা কৰি ধন ঘটাত ব্যস্ত হ'ল। সাধাৰণ মানুহৰ কাৰণে যুদ্ধ এক নতুন মৰণ কৌশলৰূপে প্ৰকট হৈ উঠিল। মানুহৰ চকুত বিস্ময়ৰ সৃষ্টিকৰি যুদ্ধৰৰ মৰণাস্ত্ৰবোৰে মানুহৰ আদিম বৰ্বৰতাৰ পৰিচয় দিলে। যুদ্ধৰ ঠিকা কৰি **আধাৰশিলাৰ** নায়ক চমীৰ অজস্ৰ ধনৰ গৰাকী হ'ল। যুদ্ধখনে তাক মদ খাবলৈ শিকালে চিগাৰেট খাবলৈ শিকালে আৰু লগতে শিকালে নাৰীৰ লগত সম্পৰ্ক গঢ়ি তুলিবলৈ। যুদ্ধখনে এদন বেশ্যাৰ জন্ম দিলে।

ড **অৰুণাভৰ অসম্পূৰ্ণ জীৱনীত** অৰুণাভে যুদ্ধ সম্পৰ্কে নিজৰ অভিজ্ঞতাৰ কথা বন্ধুলৈ লিখা চিঠিত উল্লেখ কৰিছে।[২৫] যুদ্ধক ঘৃণা কৰিলেও যুদ্ধৰ সময়ত

সাধাৰণ মানুহো যুদ্ধৰ প্ৰভাৱত পৰে। বন্দুক বৰপেটাৰ কোলাহলে মানুহৰ শুভবুদ্ধি আৰু বিবেকৰ বাণী স্তব্ধ কৰি দিয়ে।

মালিকৰ জ্যোতিপ্ৰসাদৰ জীৱনভিত্তিক ৰূপতীৰ্থৰ যাত্ৰী উপন্যাসত কম পৰিসৰতে যুদ্ধৰ ভয়াবহতা আৰু দেশত খাদ্যৰ নাটনি বৰ্ণনা আছে— দোকান পোহাৰত খোৱা বস্তু কাপোৰ-কানি একো পাবলৈ নাই চেনী নাই কেৰাচিন নাই কাপোৰ নাই। অসামৰিক মানুহৰ কাৰণে একো নাই। আছে আকাল, আছে দুৰ্ভিক্ষ আছে অপমান আৰু অপমৃত্যু। ২৬

মালিকৰ উপন্যাসত নাগৰিক প্ৰেমৰ স্বৰূপ ঃ

মালিকৰ অঘৰী আত্মাৰ কাহিনী মাটিৰ চাকি সোণালী সূতাৰে বন্ধা এটা সূৰ্য্য দুখন নদী আৰু এখন মৰুভূমি ড অৰুণাভৰ অসম্পূৰ্ণ জীৱনী আদি উপন্যাসত নাগৰিক প্ৰেমৰ স্বৰূপ প্ৰকাশ পাইছে।

অঘৰী আত্মাৰ কাহিনীত মন্ত্ৰীপুত্ৰ মৃগাংক সংস্কৃতিবান আৰু উৎসাহী ডেকা। মৃগাংক সংস্কৃতিৰ কামত গুৱাহাটীত ঘূৰি ফুৰোতে ৰচনা নামৰ ছোৱালী এজনীৰ প্ৰেমত পৰিল। অপৰাজিতা আৰু মৃগাংকৰ মাজৰ সম্পৰ্কত প্ৰথম অৱস্থাত প্ৰেম নাছিল। মৃগাংকই অপৰাক তেওঁৰ সাংস্কৃতিক জীৱনৰ সংগী হিচাপেহে গ্ৰহণ কৰিছিল। বহুমুখী প্ৰতিভাৰ শিল্পী অপৰাই তাইৰ নিজৰ ভৱিষ্যতৰ চিন্তাতেই ক্ৰমে ক্ৰমে মৃগাংকক যেন গ্ৰাস কৰি আনিলে ৰচনা নিস্প্ৰভ হৈ পৰিল। অপৰাই দেহ আৰু মনেৰে মৃগাংকক বান্ধি পেলালে। সমাজৰ বান্ধোন নেমানি মৃগাংক আৰু অপৰাৰ জীৱন উন্মুক্ত জোৱাৰত উটি গ'ল। মৃগাংকৰ প্ৰেমৰ পাত্ৰী ৰচনা নামৰ ছোৱালীজনী জনসমুদ্ৰত হেৰাই গ'ল। ৰহস্যজনকভাৱে এদিন মৃগাংক আৰু অপৰা ৰেলত উঠি বম্বেলৈ গ'ল। গুৱাহাটীবাসীয়ে নেজানিলে যে অপৰা অবাঞ্ছিত মাতৃত্বৰ পৰা ৰক্ষা পাবৰ কাৰণেহে বম্বেলৈ গৈছে। বম্বেৰ পৰা ঘূৰি আহি অপৰাই গা-বেয়া বুলি অভিনয় বাদ দিলে। নতুন শিল্পীয়ে অপৰাৰ ঠাই দখল কৰিলে। ক্ৰমে অপৰাৰ অভিনয় প্ৰতিভাৰ কথা গুৱাহাটীবাসীয়ে পাহৰি গ'ল। মৃগাংক অলপদিনৰ কাৰণে কলিকতালৈ গৈ ছমাহতে ঘূৰি নাহিল। সি পাহৰি গ'ল— অপৰা নামৰ ছোৱালী এজনীক সি বিয়া কৰোৱাৰ প্ৰতিশ্ৰুতি যি মাতৃত্বৰ পথত আগবঢ়াইছিল। মৃগাংক এজন সুবিধাবাদী প্ৰেমিক। ৰচনাক সমগ্ৰসত্ত্বা দি ভাল পালেও শেষত অপৰাৰ প্ৰেমত মতলীয়াহৈ ৰচনাক পাহৰি গ'ল। অপৰাক অবাঞ্ছিত মাতৃত্বৰ পথত আগবঢ়াই পিছত সি আত্মগোপন কৰিলে। চৌধুৰীবাৰী বাগিচালৈ মেনেজাৰ হৈ আহি মৃগাংকই পুনৰ নিৰঞ্জনৰ বিবাহিতা পত্নী অপৰাৰ লগত অবৈধ সম্পৰ্কত লিপ্ত হ'ল। অপৰাৰ লগত সম্পৰ্ক থাকিলেও মৃগাংকই অপৰাক সামাজিকভাৱে বিয়া কৰাবলৈ নিবিচাৰে। সেয়ে দেউতাকে পাতিবলৈ লোৱা তাৰ বিয়াত মৃগাংকই সন্মতি দিছে।

অঘৰী আত্মাৰ কাহিনীৰ শশাংকৰ প্ৰেমত সংযম আৰু গভীৰতা আছে।

কলিকতাত আইন পঢ়িবলৈ গৈ সি এটা মাৰাঠী পৰিয়ালৰ পেয়িং গেষ্ট হৈ আছিল। ছায়াই কেতিয়াবা শশাংকই নজনাকৈ তাৰ কাপোৰ-কানি ধুই তাৰ কোঠা পৰিষ্কাৰ কৰি শশাংকৰ মনৰ মাজত ঠাই কৰি লৈছিল। সেয়াই আছিল দুয়োৰে প্ৰেমৰ সূত্ৰপাত। যোশীৰ ঘৰত শশাংক দিনে দিনে ছায়াৰ ক্ৰাষচাপি আহিছিল। শশাংকৰ কাৰণে ছায়াই আছিল নাৰীৰ প্ৰথম সান্নিধ্য আৰু সহচৰ্য।[২৭] যোশী পৰিয়ালে ছায়াৰ বিয়াৰ এটা চৰ্ত ৰাখিছিল। বিয়াৰ পিছত জোঁৱাই যোশীৰ ঘৰত ঘৰজোঁৱাই হৈ থাকিব লাগিব। তেওঁলোকৰ সা-সম্পত্তিৰো মালিক হ'ব জী-জোঁৱাই। শশাংকৰ সা-সম্পত্তিৰ প্ৰতি আকৰ্ষণ নাছিল। ছায়াক বিচাৰিলেও সি যোশী পৰিয়ালৰ সম্পত্তি অথবা ঘৰজোঁৱাই হ'বলৈ বিচৰা নাছিল। তাৰ কাৰণে বাট চোৱাৰ প্ৰতিশ্ৰুতি দি ছায়া পঢ়িবৰ কাৰণে আমেৰিকালৈ গ'ল। আমেৰিকালৈ যোৱাৰ পিছতো ছায়া আৰু শশাংকৰ মাজত চিঠিপত্ৰৰ আদান-প্ৰদান হৈছিল। এদিন এখন টেলিগ্ৰামৰ পৰা শশাংকই জানিবলৈ পালে যে ছায়াই আত্মহত্যা কৰিলে। ছায়াৰ আত্মহত্যাই শশাংকক অঘৰী জীৱন যাপন কৰিবলৈ বাধ্য কৰিলে।

অপৰাজিতাৰ প্ৰেম গভীৰ। নিৰঞ্জনক বিয়া কৰালেও অপৰাই প্ৰথম প্ৰেম মৃগাংকক ভাল পাই আছিল। অপৰা-নিৰঞ্জনৰ সুখী বৈবাহিক জীৱনত আউল লগাইছিল অপৰা-মৃগাংকৰ পূৰ্বৰ প্ৰেমৰ সম্পৰ্কই। অপৰা থকা নগৰখনৰ পৰা পোন্ধৰ কিলোমিটাৰ দূৰত থকা চৌধুৰীবাৰী বাগিচালৈ যেতিয়া মৃগাংক মেনেজাৰ হৈ আহিল তেতিয়া সমাজসেৱাৰ অজুহাতত অপৰাই পুনৰ মৃগাংকৰ লগত অবৈধ সম্পৰ্ক গঢ়ি তুলিলে। নিৰঞ্জন দায়িত্বশীল প্ৰেমিক। প্ৰথমে অপৰা নিৰঞ্জনৰ আদৰ্শ জগতৰ সহযোগী আছিল পিছলৈ জীৱনৰ সহচৰী কৰিলে। নিৰঞ্জনে বিয়াৰ পিছতো গুৱাহাটীত অকলশৰীয়া অপৰাৰ বেমাৰী মাকৰ লগত থাকিবলৈ লৈ নিজৰ মহানুভৱতাৰ পৰিচয় দিলে। বিয়াৰ ডেৰ বছৰৰ পিছত অপৰাৰ মাকৰ মৃত্যুৰ পিছতহে কাৰ্য্যক্ষেত্ৰ সলনি কৰি নিৰঞ্জনে গুৱাহাটী এৰিলে। বিয়াৰ আগতে অপৰাৰ অবাঞ্ছনীয় মাতৃত্বৰ কথা জানিও নিৰঞ্জনে অপৰাক কোনো অবাঞ্ছনীয় আচৰণ কৰা নাছিল। অৱশ্যে অপৰাৰ অতীত কলংকৰ কথা জানিব পাৰি জীৱনৰ সকলো উত্তাপ হেৰুৱাই পেলোৱা নিৰঞ্জনৰ মাজত মধ্যবিত্ত শিক্ষিতৰ থুনকা প্ৰেমহে প্ৰতিফলিত হৈছে। **অঘৰী আত্মাৰ কাহিনীৰ** প্ৰেম সম্পৰ্কে ড নগেন শইকীয়াৰ মন্তব্য এইক্ষেত্ৰত প্ৰণিধানযোগ্য— চৈয়দ আব্দুল মালিকৰ ৰচনাত প্ৰেমে এটা বিশেষ স্থান লাভকৰি আহিছে। এই প্ৰেমেই জীৱনৰ আধাৰশিলা স্থাপন কৰি আহিছে যুগে যুগে কিন্তু অঘৰী আত্মাৰ কাহিনী এই ক্ষেত্ৰত ব্যতিক্ৰম কাৰণ ইয়াত প্ৰেম প্ৰয়োজনত পৰিণত হ'ব খোজে বা প্ৰয়োজনে প্ৰেক বাধাগ্ৰস্ত কৰে। তদুপৰি মধ্যবিত্ত নাগৰিক জীৱন এই সংক্ৰান্তিৰ সময়ত হৈ পৰিছে অসহায় হতাশ আৰু বিচ্ছিন্ন। [২৮]

মাটিৰ চাকি উপন্যাসত হিৰণ্যৰ লগত তিনিগৰাকী নাৰীৰ প্ৰেমৰ সম্পৰ্ক।

নমিতাৰ প্ৰেম গতানুগতিক নহয়। নগৰখনৰ আঢ্যৱন্ত লোক মাধৱ চলিহাৰ একমাত্ৰ কন্যা নমিতা চলিহাই বিলাসিতাৰ মাজত পৰিপাটিকৈ থাকবিলৈ বিচাৰে। নমিতাৰ চলন-ফুৰণ আৰু কথা-বতৰাত এটা মাৰ্জিত ৰুচি আৰু আভিজাত্যৰ প্ৰকাশ আছে। ভাৰতৰ বিভিন্ন ঠাইৰ কলেজত সাতবছৰ পঢ়ি তাই বি এ পাছ কৰি এতিয়া নগৰখনৰ সমাজসেৱাৰ কামত ব্ৰতী হৈছে। চলিহাৰ অকলশৰীয়া ঘৰখনত নমিতাৰ অৱসৰক ব্যস্ত কৰি তুলবিৰ বাবে অহা নানা বন্ধু আছে। তাৰ ভিতৰত পৱন দত্ত অন্যতম। পৱন চকুতলগা ল'ৰা চেল টেক্সৰ চুপাৰিণ্টেণ্ডেণ্ট কৰে। পৱন দিনটোত প্ৰায এবাৰ নমিতাৰ ওচৰলৈ আহে। অফিচ শেষ কৰি আবেলি গা-ধুই নতুন সাজ পিন্ধি পৱন নমিতাৰ ঘৰ পাযহি। নমিতাৰ পৱনক ভাল লাগে। ডেকা মানুহবোৰ পৱনৰ নিচিনা অলপ উচ্ছল নিৰ্ভীক আৰু ৰসাল হোৱাটো নমিতাই বিচাৰে। পৱনৰ ব্যক্তিত্বও নমিতাৰ বাবে আকৰ্ষণীয।

চহৰখনলৈ নতুনকৈ অহা আৰ্ট-এণ্ড লাইফ ষ্টুডিঅ'ৰ চিত্ৰশিল্পী হিৰণ্য চৌধুৰীৰ সান্নিধ্যলৈ আহে নমিতা। নমিতাই প্ৰথমবাৰৰ বাবে নগৰখনত হিৰণ্যৰ চিত্ৰ প্ৰদৰ্শনী পাতিলে। পূৰবী নাট্যমঞ্চটাৱে অলপ নতুন ৰূপ ল'লে। হলটোত হিৰণ্যৰ ছবিবোৰ বিষয অনুসৰি সজোৱা হ'ল। পষ্টাৰ মাৰি হিৰণ্য চৌধুৰী সম্পৰ্কেও কিছু প্ৰচাৰ চলোৱা হ'ল। নমিতাই নগৰখনৰ মূল মানুহখিনিৰ ঘৰে ঘৰে গৈ কিছু প্ৰচাৰ চলালে। হিৰণ্যৰ ছবি প্ৰদৰ্শনীৰ দুৱাৰ মুকলি কৰিলে নমিতাৰ দেউতাক মাধৱ চলিহাই। চিত্ৰ প্ৰদৰ্শনীযে নমিতাক হিৰণ্যৰ কাষ চপাই নিলে। নমিতা ক্ৰমে হিৰণ্যৰ প্ৰেমৰ জগতলৈ সোমাই আহিল। 'নাৰীৰ প্ৰেমে পৃথিৱীৰ হাজাৰ শিল্পীক যুগে যুগে প্ৰেৰণা যোগাইছে। [২৯] নমিতাইও তাইৰ প্ৰেমৰ পোহৰেৰে শিল্পী হিৰণ্যক প্ৰেৰণা যোগাব বিচাৰে। নমিতাৰ হৃদয আকাশত পৱন দত্ত এতিয়া এটা নিষ্প্ৰভ বিশেষত্বহীন নগন্য নক্ষত্ৰ মাত্ৰ। তাৰ সলনি তাই হিৰণ্যক ধ্ৰুব নক্ষত্ৰ কৰি ল'ব খোজে। নমিতাই হিৰণ্যক নিজৰ এখন ছবি আকিবলৈ দি তাৰ প্ৰেমৰ জগতলৈ সোমাই যোৱাৰ চেষ্টা চলালে। জবাৰ টি বি চিকিৎসাৰ কাৰণে নাইনিতাললৈ যাবলৈ ওলাই নমিতাক ঘৰত মাত লগাবলৈ গৈ হিৰণ্যই জানিব পাৰিলে যে নমিতা তাৰ কাৰণে গোটেই জীৱন বাট চাবলৈ প্ৰস্তুত বেল ষ্টেচনত নমিতাই ঘূৰি আহি বাটৰ মৰত তাইক পোৱাৰ প্ৰতিশ্ৰুতিৰে হিৰণ্যক বিদায দিলে।

মাটিৰ চাকি নমিতাৰ প্ৰেমৰ মাজত নতুনত্ব আছে। নমিতাৰ প্ৰেমৰ ধাৰণা আধুনিক। তাই জীৱনক চিনি পাবলৈ বিচাৰে প্ৰেমৰ মাজেদি। প্ৰেম আত্মাৰ সম্পৰ্ক। তাইৰ মতে ভালপোৱা আৰু বিয়াহোৱা দুটা সুকীয়া কথা প্ৰেম গভীৰতম আত্মিক অনুভূতি সি কামনা মোহ বা আসক্তি নহয়। উপন্যাসখনত প্ৰেম সম্পৰ্কে নমিতাৰ নিজস্ব দৰ্শন প্ৰকাশ পাইছে।[৩০] তাইৰ মতে প্ৰেম স্বৰ্গীয বস্তু। পৱন দত্তক বিয়া কৰালে তাই এটা দীঘলীয়া বৈচিত্ৰহীন জীৱন কটাব লাগিব। পৃথিৱীৰ হেজাৰ

হেজাৰ ডেকা-গাভৰু এনে গতানুগতিক জীৱনৰ মাজত সোমাই পৰাতে সন্তুষ্ট যদিও নমিতা ইয়াত সন্তুষ্ট থাকিবলৈ নিবিচাৰে। তাই অন্তৰদেৱতাক জগাই তুলিবলৈ বিচাৰে, প্ৰেমৰ আৰতি গীতেৰে। এই গীতৰ অৰ্থ পৱনে বুজি নেপায় বুজি পায় শিল্পী হিৰণ্যই। সেয়ে তাই হিৰণ্যৰ কাৰণে গোটেই জীৱন বাট চাবলৈ প্ৰস্তুত।

হিৰণ্যৰ প্ৰেম নিস্বাৰ্থ। তাৰ প্ৰেম আনপক্ষৰ প্ৰয়োজনৰ ওপৰথ নিৰ্ভৰ কৰি গঢ লয। শিল্পী জীৱনৰ নতুন অভিজ্ঞতা বিচাৰি ঘৰৰ পৰা এদিন সি ওলাই আহিছিল নতুন সৃষ্টিৰ স্বপ্ন বুকুত বান্ধি। দৈনন্দিন জীৱনৰ সুখ দুখ আৰু ৰাজনীতি অৰ্থনীতি সমাজ আৰু সংস্কাৰৰ পৰা দূৰৰ এখন জগতত সি শিল্পসাধনাৰ কামনা কৰিছিল। সি জীৱনৰ মাজলৈ সমস্যা নহয় সৌন্দৰ্য্য বিচাৰিহে আহিছিল। কিন্তু চহৰখনত একান্তমনে শিল্পসাধনা কৰিবলৈ আহি সি পৰী জবা নমিতা আৰু ৰাধাৰ জীৱনৰ বিভিন্ন সমস্যাৰ সংস্পৰ্শলৈ আহিল। এইসকলোলৈকে আছে হিৰণ্যৰ মৰমভৰা অনুকম্পা টি বি হোৱা জবাৰ দাযিত্ব লবলৈ কোনো নাই। নমিতা পৱন দত্তৰ বাগ্‌দত্তা হ'লেও নমিতাই ভাল পায শিল্পী হিৰণ্যক। ৰমজান বুঢাৰ নাতিনী পৰীয়েও মৰমৰ আব্দাৰ-অভিমান কৰিব জানে। বেশ্যা ৰাধাক হিৰণ্যই ঘিণ কৰে কিন্তু তাইৰ চেতাৰৰ সংে হিৰণ্যক উন্মনা কৰে অভিভূত কৰে। তাইৰ চেতাৰৰ সুৰে পৃথিৱীলৈ অমৃত নমাই আনে। হিৰণ্য তেতিয়া ৰাধাৰ অস্তিত্ব পাহৰি চেতাৰৰ সুৰত নিমগ্ন হয। বন্ধু চিৰাজলৈ লিখা চিঠিত হিৰণাই এই নাৰীকেইগৰাকীৰ লগত থকা তাৰ আত্মিক সম্পৰ্কৰ কথা স্বীকাৰ কৰিছে।[৩১] হিৰণ্যৰ জীৱনৰ লগত জবা পৰী ৰাধা আদি কেইবাগৰাকীও নি সঙ্গ ছোৱালী জড়িত হৈ আছে। এই সকলোৰে জীৱনত হিৰণ্যৰ সহায-সহানুভূতিৰ প্ৰযোজন। বেশ্যা ৰাধাই হিৰণ্যৰ পৰা জীৱনৰ নিৰাপত্তা বিচাৰে। টি বি হোৱা জবাৰ চিকিৎসাৰ দাযিত্ব ল'বলগা হৈছে। কিশোৰী পৰীযে প্ৰেমৰ অৰ্থ নুবুজিলেও তাই হিৰণ্যক নিজৰ কৰি ৰাখিবলৈ বিচাৰে। হিৰণ্যক নমিতাই ভাল পায তাৰ প্ৰেমৰ সান্নিধ্য বিচাৰে। হিৰণ্যৰ মতে নমিতাক তাৰ প্ৰেমৰ প্ৰযো ন নাই। ধনীৰ কন্যা নমিতা হিৰণ্যৰ প্ৰেমৰ অবিহনেও জীযাই থাকিব পাৰিব। কিন্তু হিৰণ্যৰ প্ৰেমে জবা পৰী ৰাধাৰ জীৱনক নিৰাপত্তা দিয়ে।

মাটিৰ চাকিৰ পৱন দত্তৰ প্ৰেম অহেতুক নহয়। নমিতাক পৱনে ভাল পায ধনী পিতৃৰ একমাত্ৰ কন্যা হোৱাৰ কাৰণেহে। নমিতাৰ দেউতাকৰ সম্পত্তিত্তৰ ওপৰতো পৱনৰ চকু।[৩২] সদায আবেলি নমিতাৰ ঘৰলৈ আহি নমিতাৰ লগত অন্তৰংগভাৱে কটাবলৈ পৱনে ভাল পায। সন্ধিয়া প্ৰাযে নমিতাক কাযত বহুৱাই গাড়ীৰে নদীৰ পাৰত ফুৰিবলৈ যায়। পৱনে ভাৱে তাৰ চাকৰি গাড়ী আৰু সামাজিক ষ্টেটাছে নমিতাক ভাল পাই যাবলৈ প্ৰেৰণা যোগাব। কিন্তু নমিতা শিল্পী হিৰণ্যৰ প্ৰতি আকৰ্ষিত হোৱাত পৱনে যিমান পাৰে সোনকালে নমিতাক বিয়া কৰোৱাৰ প্ৰস্তুতি চলালে।

সোণালী সূতাৰে বন্ধা উপন্যাসৰ ৰীতা আৰু পৱিত্ৰ চলিহাৰ বিয়া হৈছিল

পাৰস্পৰিক গভীৰ প্ৰেমৰ পৰিণতি স্বৰূপে। ৰীতা-পৱিত্ৰৰ দাম্পত্য জীৱনত একোৰে অভাৱ নাছিল।[৩৩] **দুয়োৰে দুয়োৰে প্ৰতি থকা গভীৰ প্ৰেমত তেওঁলোকৰ জীৱন চিৰ বসন্তময় হৈ পৰিছিল। বিয়াৰ দহবছৰৰ পিছলৈকে তেওঁলোকৰ কোনো সন্তান নোহোৱাত ৰীতাৰ মন দুশ্চিন্তাৰে ভৰি পৰিল। ৰীতাই পৱিত্ৰক ভাল পায় কিন্তু সেই ভালপোৱাৰ সাৰ্থকতা ক'ত যদি তাই স্বামীক এটা সন্তান দিব নোৱাৰে। এইক্ষেত্ৰত পৱিত্ৰ নিস্পৃহ।**[৩৪] **ৰীতাৰ কথামতে দুয়ো ভাৰতৰ বিভিন্ন প্ৰান্তৰ ডাক্তৰৰ ওচৰত পৰীক্ষা কৰালে। সকলো ডাক্তৰে ৰীতাক আশ্বাস দিলে চিন্তাৰ কোনো কাৰণ নাই।**

পৱিত্ৰই সন্তানৰ পিতৃ হোৱাটোকে জীৱনৰ চৰম সাফল্য বুলি নেভাৱে। তেওঁ নিজকে ব্যস্ত ৰাখে ব্যৱসায় বঢ়োৱাত। ধনী ঐশ্বৰ্যশালী আৰু প্ৰভাৱশালী হোৱাত। বাহিৰৰ ডাক্তৰৰ পৰা পৱিত্ৰই জানিব পাৰিছিল যে তেওৰ সন্তান জন্ম দিবপৰা শক্তি নাই। আঘাত পাব বুলি ৰীতাক তেও এই কথা নক'লে। ৰীতাই ডাক্তৰ অনন্ত কাকতীৰ ওচৰত চিকিৎসা কৰাৰ চলেৰে ডাক্তৰ দ্বাৰাই মাতৃ হোৱাৰ নিখুঁট পৰিকল্পনা কৰিলে। তাইৰ পৰিকল্পনা সফল হ'ল। ডাক্তৰ অনন্ত কাকতিৰ দ্বাৰা তাই মাতৃত্বৰ পথত আগবাঢ়িল। কিন্তু ৰীতা আৰু পৱিত্ৰৰ বিশ্বাসৰ বান্ধোন শিথিল হ'ল। ৰীতা আৰু পৱিত্ৰৱ প্ৰেম আছিল অকৃত্ৰিম গভীৰ বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত। সেই আন্তৰিক প্ৰেমকে লৈ ৰীতা জীযাই থাকিব পাৰিলেহেঁতেন। কিন্তু ৰীতাৰ মাতৃ হোৱাৰ দুৰ্বাৰ হেঁপাহ সেই প্ৰেমক অপমান কৰিলে। উপন্যাসৰ শেষত পৱিত্ৰই 'মানুহৰ সন্তান নন্দিতাক তেওৰ লগত থৈ ৰীতাক নন্দিতাৰ প্ৰকৃত পিতৃ ডাক্তৰ অনন্তৰ লগত জীৱন যাপনৰ পৰামৰ্শ দিছে।

এটা সূৰ্য্য দুখন নদী এখন মৰুভূমি উপন্যাস দ্বিতীয় মহাসমৰৰ পটভূমিত আৰম্ভ হৈছে তেতিযাৰ অবিভক্ত পাকিস্তানৰ লাহোৰ চহৰত। উপন্যাসখনত ৰাজ্জাক গুল্‌নাৰ চাজ্জাদ জমিলা আৰু জাহাঙ্গীৰ খাঁ-জমিলাৰ প্ৰেম কাহিনী বিবৃত হৈছে। বাঈজী গণিকাৰ কন্যা গুল্‌নাৰ আৰু কবি ৰাজ্জাক আনচাৰিৰ চিনাকি হৈছিল নগৰৰ আঢ্যৱন্ত লোক নবাব মমতাজৰ নাচ-গানৰ মজলিছত। গুলনাৰে মজলিছত ৰাজ্জাক আনচাৰিৰ কবিতা সুৰ দি গাইছিল। ৰাজ্জাকে নিজে লিখা কবিতা আবৃত্তি কৰি সমবেতক মুগ্ধ কৰিছিল। অনুষ্ঠানৰ শেষত দুযোৰে চিনাকি হ'ল। সেই মজলিছৰ ৰাতিযেই ৰাজ্জাক গুলনাৰৰ চিনাকি প্ৰেমলৈ ৰূপান্তৰিত হ'ল। প্ৰথমে কিছু গোপনীযতা ৰক্ষা কৰি ইজনে সিজনক লগ পাই মনৰ কথা পাতিছিল। ৰাজ্জাক তীক্ষ্ণ বুদ্ধিৰ মেধাৰী ল'ৰা। তেও বি এ পাছ কৰিছিল আৰু কলেজত পঢ়াৰ দিনতে এজন কবিৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল। তেও দুই প্ৰকাৰৰ কবিতা লিখিছিল উৰ্দু পৰম্পৰাগত প্ৰেমৰ কবিতা আৰু দেশপ্ৰেমমূলক কবিতা।

বাঈজী-কন্যা গুল্‌নাৰৰ লগত কবি ৰাজ্জাকৰ প্ৰেম আৰু আত্মীয়তাই ৰাজ্জাকৰ **পৰিয়াল আৰু গুণগ্ৰাহীসকলৰ মাজত আলোড়ন সৃষ্টি কৰিছিল। আপোন পৰিযালে**

ৰাজ্জাকক সততে গুল্‌নাৰৰ লগত সম্পৰ্ক ৰক্ষাত বাধা আৰোপ কৰিবলৈ ধৰিলে। কিন্তু সকলোকে অবাক কৰি ৰাজ্জাকে ধৰ্মীয় ৰীতি অনুসৰি গুল্‌নাৰক বিয়া কৰালে। প্ৰগতিশীল ডেকাকেইজনমানে ৰাজ্জাক-গুল্‌নাৰক অভিনন্দন জনোৱাৰ বাহিৰে আত্মীয়-স্বজন কোনেও কথাটো ভাল নেপালে। লাহোৰত তিনিবছৰ থাকি দুবছৰীয়া কন্যা সন্তানটো লৈ ৰাজ্জাক-গুল্‌নাৰ আত্মপ্ৰতিষ্ঠাৰ কাৰণে এখন বেলেগ সমাজ বিচাৰি দিল্লীলৈ যাত্ৰা কৰিলে। দিল্লীত ৰাজ্জাকে এখন উৰ্দু কাকতৰ সম্পাদনা বিভাগত কাম কৰি আৰু গুল্‌নাৰে দিল্লী আকাশবাণী কেন্দ্ৰত গীত গাই জীৱিকা নিৰ্বাহ কৰিছিল। সেই সময়ত দ্বিতীয় বিশ্বযুদ্ধ আৰু ভাৰতৰ স্বাধীনতা আন্দোলন পূৰ্ণ পযোভৰেৰে চলিছিল। দেশপ্ৰেমমূলক কবিতাৰে যুদ্ধ বিৰোধী প্ৰচাৰ চলোৱাৰ অপৰাধত ৰাজ্জাকক কাৰাৰুদ্ধ কৰা হ'ল আৰু ভগ্নস্বাস্থ্যৰে কাৰাবাসৰ পৰা এলোৱাৰ অলপ পিছতে ৰাজ্জাকক আনচাৰি নামৰ সৰ্বজনপ্ৰিয় কবিজনৰ মৃত্যু হ'ল। ৰাজ্জাকৰ প্ৰেম নিভাজ আছিল। সি ভদ্ৰসমাজৰ অৱহেলিত বেশ্যা বাঈজীৰ কন্যাকে মহত্ব প্ৰতিষ্ঠা কৰিছে। ৰাজ্জাকৰ মৃত্যুত গুল্‌নাৰে হেৰুৱালে এজন সঁচা প্ৰেমিক আৰু দায়িত্বশীল স্বামীক।

উপন্যাসৰ শেষত কন্যা জমিলা আৰু চাজ্জাদ হায়দৰৰ প্ৰেমৰ কাহিনী আছে। ৰাজ্জাকৰ মৃত্যুৰ পিছত জমিলাক লৈ গুলনাৰ লক্ষ্ণৌৰ ওস্তাদ জাহাঙ্গীৰ খাঁৰ তত্বাৱধানত থাকিবলৈ ল'লে। প্ৰথম অৱস্থাত গুল্‌নাৰে জাহাঙ্গীৰ খাঁৰ ওচৰত সংগীতশিক্ষা গ্ৰহণ কৰিছিল। লাহে লাহে জমিলা ডাঙৰ হোৱাত জমিলাকো ওস্তাদ জাহাঙ্গীৰ খাঁই বৰ মনোযোগেৰে গীত শিকোৱা আৰম্ভ কৰিলে। জমিলাইও অধিক নিষ্ঠাৰে জাহাংগীৰৰ সকলো সংগীত শিক্ষা আয়ত্ব কৰাৰ প্ৰস্তুতি চলাইছিল। সেই সময়তে জাহাংগীৰ খাঁৰ শিয্যত্ব গ্ৰহণ কৰিবলৈ অসমৰ পৰা আহিল এজন যুৱনক চাজ্জাদ হায়দৰ। জাহাংগীৰ খাঁৰ ওচৰত একেলগে চাজ্জা-জমিলাই আযত্ব কৰিছিল নতুন নতুন ৰাগ-ৰাগিনী নতুন নতুন সুৰ। জাহাঙ্গীৰৰ পৃষ্ঠপোষকতাত চাজ্জাদ-জমিলাৰ আৰম্ভ হ'ল এক নতুন প্ৰেমৰ জগত। বছৰে বাগৰ সলাইছিল। চাজ্জাদ-জমিলা সুৰ সাধনাৰ মাজেদি দুয়ো দুযোৰে কাষ চাপি গৈছিল। ওস্তাদ জাহাঙ্গীৰ খাঁৰ প্ৰতি শ্ৰদ্ধা অটুট ৰাখি দুযো গভীৰ প্ৰেমৰ জগতত বিচৰণ কৰিছিল।[৩৫] একনিষ্ঠ আৰু ঐকান্তিক সাধনাৰ ফলত চাজ্জাদৰ ঐশ্বৰ্য্যশালী কণ্ঠত সুৰৰ অধিষ্ঠাত্ৰী দেৱীয়ে আত্মপ্ৰকাশ কৰাত সাফল্য আৰু জযৰ পথত অগ্ৰসৰ হৈছিল। একে সময়তে জমিলাক সতীৰ্থ হিচাপে পোৱাত জমিলাৰ সৌন্দৰ্য্যৰ অতুলনীয় আবেদনক আৰু ঐশ্বৰ্যময় কৰি তুলিছিল হৃদয়ভৰা এক সুকুমাৰ সৌন্দৰ্য্যই। জমিলাৰ নিচিনা এজনী ছোৱালীক অভাৱনীয়ভাৱে জীৱনৰ বাটত লগপাই যোৱাটো চাজ্জাদৰ বাবে এক দুৰ্লভ অভিজ্ঞতা আছিল।

কেইবাটাও বছৰ সহচৰ্যত থাকি চাজ্জাদে অনুমান কৰিছিল যে জমিলাৰ ওস্তাদৰ প্ৰতি একান্ত শ্ৰদ্ধা-ভক্তি অনুৰক্তি থকাটো যিমান সহজে বুজিব পাৰি ওস্তাদৰ জমিলাৰ প্ৰতি প্ৰকৃত মনোভাৱ সহজে বুজিব নোৱাৰি। বয়সত পিতৃতুল্য

ওস্তাদৰ চকুত জমিলা নিজ কন্যাসদৃশ নে ওস্তাদৰ সকলো চিন্তা কল্পনাৰখ কেন্দ্ৰবিন্দু চাজ্জাদৰ বুজাত অসুবিধা হ'ল। 'জমলাৰ ওচৰত জাহাঙ্গীৰ খাঁৰ কাৰণে যেন আছিল অনন্ত এক যৌৱনৰ উৎস এক সজীৱ প্ৰাণময় প্ৰেৰণা। জমিলা কাষত থাকিলে ওস্তাদ খাঁ চাহেবে যেন এক নতুন উন্মাদনা লাভ কৰিছিল। জমিলাৰ লগত সুৰ মিলাই গাওঁতে ওস্তাদৰ কণ্ঠৰপৰা যি গভীৰ দৰদ নিগৰি পৰিছিল তাৰ লগত যেন মিহলি হৈ আছিল এটা প্ৰাণৰ এটা আত্মাৰ সকলো ভাষাহীন উন্মাদনা।'[৩৬] ওস্তাদে লিখি লুকুৱাই থোৱা কিছুমান চিঠিৰ পৰা চাজ্জাদে গম পালে যে ওস্তাদ জাহাঙ্গীৰ খাঁৰ প্ৰেমিকা জমিলা। তেও অন্তৰ দি জমিলাক ভাল পায়। কিন্তু তেওঁৰ কন্যাৰ বয়সীয়া এগৰাকী ছাত্ৰীৰ প্ৰেমত পৰা কথাষাৰ স্বীকাৰ কৰাটো ওস্তাদৰ কাৰণে অপমানজনক।

চাজ্জাদ আৰু জমিলাৰ মাজত গঢ়ি উঠিছিল সহজাত ডেকা গাভৰুৰ প্ৰেম। ওস্তাদেও চাজ্জাদ-জমিলাৰ মনৰ ভাব বুজিছিল। তেওঁলোকৰ প্ৰেমক শ্ৰদ্ধা জনাই ওস্তাদে দুয়োৰে বিয়াৰ প্ৰস্তাৱ আগবঢ়াইছিল। নিজে অসুখী হৈও জমিলাক চাজ্জাদলৈ বিয়া দি অভিভাৱকৰ দায়িত্ব পালন কৰিবলৈ বিচাৰিছিল। কিন্তু চাজ্জাদে নিজৰ সুখৰ কাৰণে ওস্তাদৰ ওচৰৰ পৰা জমিলাক কাঢ়ি আনিবলৈ মান্তি নহয়। সেয়ে জমিলাৰ স্মৃতি বুকুত বান্ধি সঙ্গীত শিক্ষা সাং কৰি ঘৰলৈ ঘূৰি যোৱাকে ঠিক কৰিলে। জীৱনৰ শ্ৰেষ্ঠতন আৰু প্ৰিয়তমজনক গুৰুৰ ওচৰত উছৰ্গা কৰি চাজ্জাদ গৃহমুখী ৰেলত উঠিল।

উপন্যাসখনৰ গুল্‌নাৰ-ৰাজ্জাক জমিলা-চাজ্জাদ জমিলা-ওস্তাদ সকলোৰে প্ৰেমত ত্যাগৰ আদৰ্শ আছে।

ড° অৰুণাভৰ **অসম্পূৰ্ণ জীৱনী** উপন্যাসৰ নায়ক অৰুণাভৰ জীৱনত তিনিগৰাকী নাৰীৰ প্ৰেমৰ সম্পৰ্ক।

অৰুণাভৰ প্ৰথম প্ৰেম আছিল সমাজসেৱা কৰি ঘূৰি ফুৰা এজনী সাধাৰণ ছোৱালী। অৰুণাভৰ প্ৰতিভাৰ শ্ৰদ্ধাৱান ছোৱালীজনীৰ ৰূপে তেওঁক আকৰ্ষণ কৰিছিল। সেই সময়তে মাক-দেউতাকে অৰুণাভৰ বিয়া ঠিক কৰিছিল ধনী জমিদাৰৰ কন্যা উত্তৰাৰ লগত। উত্তৰাৰ নিচিনা ৰূপৱতী গাভৰু কমেইহে আছিল। দৈহিক সৌন্দৰ্য্য আৰু উচ্চ শিক্ষিতা উত্তৰাৰ কাৰণে অৰুণাভৰ বাহিৰে উপযুক্ত দৰা পোৱাটো সহজসাধ্য নাছিল। আপত্তি নকৰাকৈ অৰুণাভে উত্তৰাক বিয়া কৰাবলৈ মানিত হ'ল। প্ৰথম প্ৰেমিকাকো তেও ক'লে 'উত্তৰাৰ মোৰ কাৰণে ঠিক কৰাৰ পিছত মই দেখিছো উত্তৰা বৰ ধুনীয়া আৰু ভাল ছোৱালী। উত্তৰাক নেপালে মই সুখী হ'ব নোৱাৰিম।'[৩৭] বিয়াৰ ছমাহৰ পিছতেই উচ্চ শিক্ষাৰ কাৰণে অৰুণাভ ইউৰোপলৈ গ'ল। ডক্তৰেট ডিগ্ৰীলৈ ইউৰোপৰ পৰা ঘূৰি অহাৰ পিছত তেও যেতিয়া চহৰৰ কলেজখনত শিক্ষকতা কৰিছিল, তেওঁলোকৰ বৈবাহিক জীৱন সুখৰ আছিল। তেওলোকৰ এজনী ছোৱালীও আছিল।

বিশাল পৰিসৰৰ চহৰখনৰ ভিতৰতে ধুনীয়া ৰাজ অট্টালিকাৰ নিচিনা ঘৰটোত অৰুণাভ-উত্তৰাই আনন্দৰেই জীৱন নিৰ্বাহ কৰিছিল। তেওলোকৰ ছোৱালী উষা ক্ৰমে ডাঙৰহৈ আহিছিল। সেই সময়তে অৰুণাভৰ ঘৰত আশ্ৰয়প্ৰাৰ্থী হ'ল মীনা নামৰ এজনী ছোৱালী। পত্নী উত্তৰাই গাভৰু মীনাক আশ্ৰয় দিয়াত বেয়া পালেও অৰুণাভৰ মুখ খুলি একো কোৱা নাছিল। কিন্তু তাই লক্ষ্য কৰিছিল যে অৰুণাভ ক্ৰমে মীনাৰ প্ৰেমত পৰিছে। আশ্ৰয় লোৱাৰ অলপ দিনৰ পিছতে ঘৰৰ সকলোৱে জানিব পাৰিলে যে মীনা সন্তানসম্ভৱা। অৰুণাভে পলৰীয়া এজনী গৰ্ভৱতী ছোৱালী আশ্ৰয়দিয়াত উত্তৰা লজ্জিত হ'ল। ওচৰ চুবুৰীয়াই অৰুণাভক লৈ বুবু-বাবা আৰম্ভ কৰিলে। ডাক্তৰৰ কিন্তু হস্পিতালত মীনাৰ ল'ৰাটো হ'লত আনন্দৰ সীমা নোহোৱা হ'ল। যেন তেওঁৰ নিজৰহে ল'ৰা হৈছে। নিজে সদায় হস্পিতেললৈ গৈ মীনাৰ খবৰ লোৱাৰ উপৰিও উত্তৰা আৰু কন্যা উষাকো লৈ যায়। ডেৰমাহ হস্পিতেলত থকাৰ পিছত মীনা সুস্থহৈ কেঁচুৱাটোৰ সৈতে ঘৰলৈ আহিল। অলপদিনৰ পিছত এমাহমানৰ কাৰণে অৰুণাভ বিদেশলৈ যাবলগা হ'ল। অৰুণাভ চিন্তিত হ'ল তেওঁৰ অৱৰ্ত্তমানত উত্তৰা আৰু মীনাৰ মাজত অবাঞ্ছিত কাজিয়াৰ সূত্ৰপাত হয় বুলি। এইবাৰ বিদেশযাপনত তেও মীনা আৰু তাইৰ কেঁচুৱাটোলৈ মনত পৰি ব্যাকুলহৈ পৰিল। তেও অনুভৱ কৰিলে যে তেও মীনাক ভাল পাবলৈ আৰম্ভ কৰিছে।

ডেৰমাহৰ পিছত বিদেশৰ পৰা ঘূৰি আহি অৰুণাভ উত্তৰা-মীনাৰ মিলাপ্ৰীতি দেখি আচৰিত হ'ল। নাৰীসুলভ ঈৰ্ষা যিমানেই নেথাকক উত্তৰাৰ মাৰ্জিত ৰুচিবোধ আৰু শালীনতা আছে। সেযে ডেৰটা মাহ মীনাৰ লগত মধুৰ সম্পৰ্ক ৰক্ষা কৰি চলিছে। কিন্তু অৰুণাভ অহাৰ পিছৰ পৰা উত্তৰা পুনৰ উদাসীন হৈ পৰিল। হয়তো অৰুণাভে মীনাক মৰমেৰে আবৰি ৰাখিবলৈ বিচৰাত পত্নী হিচাপে উত্তৰাই সহজভাৱে ল'ব নোৱাৰিলে। উত্তৰাই ভাৱে, অৰুণাভ আৰু তাইৰ দাম্পত্য প্ৰেমৰ অন্তৰায় মীনা। মীনাক অৰুণাভৰ জীৱনৰ পৰা অপসাৰণ কৰিব নোৱাৰি নাইবা তাৰ চেষ্টা নকৰি উত্তৰা নিজেই কন্যা উষাক লৈ ডাক্তৰৰ জীৱনৰ পৰা আঁতৰি গ'ল।

উত্তৰাৰ অনুপস্থিতিত মীনা কেঁচুৱাটো লৈ অৰুণাভৰ ঘৰতেই থাকিল। অৰুণাভৰ অনুভৱ হ'ল মীনাৰ অবিহনে হেজাৰজনী উত্তৰাইও তেওঁৰ প্ৰাণৰ পূৰ্ণতা দিব নোৱাৰে। মীনাই ডক্টৰৰ জীৱন পূৰ্ণ কৰি তুলিলে ধন্য কৰি তুলিলে। অৰুণাভৰ ভাষাত—

তোমাৰ সান্নিধ্যৰে তোমাৰ প্ৰাণৰ গোপন ঐশ্বৰ্য্যৰে তোমাৰ নাৰীত্বৰ অপাৰ্থিৱ যাদুস্পৰ্শৰে তুমি মোক সেই সত্যৰ পথত আগবঢাই দিলা যি সত্য আছে দূৰৰ এটা নক্ষত্ৰৰ ফালে অপলক চাই থাকি আত্মহাৰা হোৱাৰ উপলব্ধিত। আকাশৰ বুকুৰ এটা দূৰণীয়া সৰু তৰাৰ দৰেই তুমি শান্ত উজ্জ্বল নিৰ্বাক মৌন।[৩৮] এই তৰাটোৰ ফালে চাই অৰুণাভে পত্নী উত্তৰাকো পাহৰি পেলাব পাৰে।

তাৰ পিছতেই ডাক্তৰৰ জীৱনলৈ আহিল অন্য এগৰাকী ছোৱালী শেৱালী।

শেৱালীক পলুৱাই নি বিয়া কৰাই বসন্তই বহুত ঠাই ঘূৰি শেষত অৰুণাভৰ ঘৰত আশ্ৰয় ল'লে। বসন্তই অৰুণাভৰ ঘৰৰ বাৰীত কাম-বন কৰে। শেৱালীয়ে ঘৰৰ ভিতৰত অৰুণাভৰ আলপৈচান ধৰে অৰুণাভৰ ভাত চাহৰ যোগান ধৰে কাপোৰ-কানিৰ হিচাপ ৰাখে। ইতিমধ্যে অৰুণাভৰ পত্নী উত্তৰা তেওৰ জীৱনৰ পৰা আঁতৰি গৈছিল। গতিকে শেৱালীযে সকলো সময়তে অৰুণাভৰ লগত লাগি থাকি ইটো সিটো কৰি দিযে। অৰুণাভৰ নিচিনা মানুহ এজনৰ আলপৈচান ধৰি সেৱা শুশ্ৰূষা কৰিবলৈ পোৱাটো বসন্তই প্ৰথম অৱস্থাত নিজৰ সৌভাগ্য বুলিযে ভাবিছিল। কিন্তু পিছলৈ অৰুণাভৰ মৰম পাই শেৱালীয়ে বসন্তলৈ পিঠি দিলে। কেতিযাবা দিনৰ দিনটো তাই ডক্টৰৰ লগতে থাকে। বসন্তক দেখাকে নিদিযে তাৰ লগত কথা-বতৰাও কমকৈ পতা হ'ল। শেষলৈ বসন্তই শেৱালীক লগকে নেপোৱা হ'ল। আনকি ৰাতিও তাই বঙলাৰ ভিতৰতে থাকিবলৈ ল'লে। বসন্তহঁতৰ যিটো বাহিৰৰ ঘৰ আছিল তালৈ ৰাতিও নহা হ'ল। হ'লেও শেৱালীক সদায দেখি থকাৰ কাৰণে বসন্ত প্ৰায় সুখতে আছিল।

এদিন অৰুণাভে বসন্তক মাতি নি ক'লে যে অলপদিনৰ ভিতৰতে শেৱালীক লৈ তেও বাহিৰলৈ যাব। অৰুণাভ নথকাত বসন্তই তেওঁৰ ঘৰ-দুৱাৰ চাব লাগিব। তাৰ কাৰণে বসনতক খৰচ-পাতি দিযা হ'ব। বসন্তই শেৱালীক লগধৰি মনৰ কথা ক'লে। তাই অৰুণাভৰ লগত গুচি গ'লে সি কেনেকৈ থাকিব সি শেৱালীৰ লগতে যাবলৈ বিচাৰে। উত্তৰত শোলীযে ক'লে যে ইমান ডাঙৰ মানুহ এজনৰ লগত দেশ বিদেশলৈ যাবলৈ পোৱাটো ভাগ্যৰ কথা। আপোন পৰিযাল এৰি বসন্তৰ লগতপলাই আহি সংসাৰ পতা শেৱালীযে বসন্তক অকলে এৰি ডক্টৰৰ লগত যাবলৈ কুণ্ঠাবোধ নকৰিলে।

শেৱালী অৰুণাভৰ লগত বিদেশলৈ যোৱাৰ পিছতো বসন্তই সুদীৰ্ঘ বিছবছৰ শেৱালীৰ কাৰণে বাটচালে। অৰুণাভৰ মৃত্যুৰ পিছত সি আশা কৰিছিল যে শেৱালী তাৰ লগত থাকিবলৈ আহিব। সেই আশাৰে সি ৰেজা চাহাবৰ লগত শেৱালীক দেখা কৰিবলৈ দিল্লী পালেগৈ। কিন্তু শেৱালীযে তাক নিৰাশ কৰিলে। তাই বসন্তৰ লগত নেথাকে। শেৱালী তাৰ লগত নাথাকিলেও অসমলৈ ঘূৰি অহাতে সি আনন্দিত। বসন্তৰ প্ৰেম নিভাঁজ। বসন্তৰ তুলনাত অৰুণাভৰ প্ৰেমৰ স্থিৰতা নাই। নিজৰ সংস্পৰ্শলৈ অহা প্ৰায সকলো নাৰীৰ প্ৰতি তেও আকৰ্ষিত হৈছে।

মালিকৰ উপন্যাসত নাগৰিক আৰ্থ-সামাজিক জীৱন ঃ

মালিকৰ উপন্যাসত নাগৰিক জীৱনে বৰ্ণাঢ্য ৰূপত আত্মপ্ৰকাশ কৰিছে। তেওৰ উপন্যাসত নগৰভাসী ৰাজনীতিবিদ শিল্পী চাকৰিজীৱি বনুৱা, পানদোকানী আদি সকলো শ্ৰেণীৰ লোকৰে আৰ্থসামাজিক জীৱনৰ ছবি সহানুভূতিৰে অংকন কৰিছে।

অঘৰী আত্মাৰ কাহিনীত নাগৰিক আৰ্থ-সামাজিক জীৱন

অঘৰী আত্মাৰ কাহিনী উপন্যাস নাগৰিক মধ্যবিত্ত সমাজৰ আৰ্থ-সামাজিক

আৰু ৰাজনৈতিক জীৱনৰ পটভূমিত ৰচিত। শশাংকৰ পিতাক মন্মথ চৌধুৰী একালত নামকৰা উকীল আছিল। পিছলৈ কংগ্ৰেছৰ সক্ৰিয় ৰাজনীতিত অংশগ্ৰহণ কৰি বিধায়ক আৰু মন্ত্ৰী হয়। তেওঁৰ জীৱনৰ সৰহখিনি সময় বিধান সভাতে কটাইছিল। ভোটৰ সময়ত তেও একো নকৰে ঘৰতে বহি থাকে। এজেণ্টে ভোটৰ প্ৰচাৰ চলায়। ভোটৰ আগে আগে এজেণ্টক কিছু পইচা দিয়ে ভোটাৰক দিবলৈ। শশাংকৰ মতে ভোটৰ দুদিনমানৰ আগতে— দেউতা মেজখনৰ কাষত বহে। ড্ৰয়াৰৰ পৰা চেকবুকটো আৰু জেপৰ পৰা ফাউণ্টেনটো উলিয়ায়। একলাখ টকাৰ এখন চেক লিখে আৰু তাৰ পিছত গাডীখনলৈ লৈ বেংকলৈ যায। তাৰ পিছত ঘৰলৈ আহি বহি থাকে। সেই সাধুকথাৰ ৰজাৰ ভঁড়ালৰ পৰা এটা টুনী আহি এটা ধান নিয়াদি এজেণ্টবোৰ আহি থাকে। হাত পাতে দেউতাই এজাপ নোট পেলাই দিযে। তাৰ পিছত ইলেকচন হয় তাৰ পিছত ভোট গণনা হয।"[৩৯] মন্মথ চৌধুৰী টকাৰ জোৰত সদায় ভোটত জিকে। তেও ভোটত জিকাটো ৰাইজৰ সমৰ্থনৰ ওপৰত নিৰ্ভৰ নকৰে।[৪০] টকা খৰচ কৰি ৰাইজৰ সমৰ্থন নোহোৱাকৈ মন্ত্ৰী হোৱা মন্মথ চৌধুৰীৰ নিচিনা ৰাজনীতবিদে চৰকাৰী টকা আত্মসাৎ কৰি নিজে বিলাসী জীৱন যাপন কৰে। গুৱাহাটীৰ ভৰলুমুখত চাৰিওফালে ইটাৰ ওখ পকী দেৱালেৰে ঘেৰা ধুনীয়া আৰ চি চি ঘৰটো মন্মথ চৌধুৰীৰ। সমগ্ৰ গুৱাহাটীতে তেতিয়া তেনেকুৱা সুদৃশ্য আৰু মনোৰম ঘৰ দ্বিতীয় এটা নাছিল। বিধায়ক হৈ থাকোঁতে তেও ছিলঙতো এটা ধুনীয়া ঘৰ সজাইছিল। তেওঁৰ টকা-পইচা উভৈনদী। লাখ লাখ টকা খৰচ কৰি তেও মন্ত্ৰী হৈ থাকোঁতে কেইবাখনো চাহ বাগিচা কিনিছিল। শশাংকৰ মতে— 'বাগিচা কিনাৰ সৰহখিনি টকা হয়তো দেউতাই মন্ত্ৰী হিচাপে পোৱা ঘোচৰ টকা। [৪১] মন্ত্ৰী হিচাপে উচ্ছৃংখলভাৱে কেৱল ধন ঘটাই নহয় মন্মথ চৌধুৰীযে এটা উচ্ছৃংখল জীৱনো যাপন কৰিছিল। তেও দুগৰাকী বিয়া কৰাইছিল। এগৰাকী ছিলঙৰ ঘৰত আৰু আনগৰাকী গুৱাহাটীৰ ঘৰত ৰাখিছিল। দুযোজনী পত্নী জীৱিত অৱস্থাতে মন্ত্ৰী মন্মথ চৌধুৰীযে অপৰাৰ মাক বিধৱা স্বৰ্ণলতাক ৰক্ষিতা হিচাপে ৰাখিছিল। শশাংকৰ ˜ ‚ আজিৰ যুগটো স্বাৰ্থপৰ সুবিধাবাদী আৰু বণিয়া ৰাজনীতিবিদৰে যুগ।"[৪২] - ' চৌধুৰীৰ নিচিনা ৰাজনৈতিক নেতাই জাতিটোৰ অধ পতন আনিছে।

নিৰঞ্জন আদৰ্শ ৰাজনীতিবিদ। নিৰঞ্জন আৰু অপৰাৰ দাম্পত্য জীৱনত দে˜ আৰু মনৰ সম্পৰ্কৰ অৱসান ঘটাই, দুযো যান্ত্ৰিক যৌথজীৱন যাপন কৰিছে। পাৰিবাৰিক জৱনৰ বিশৃংখলা আৰু বিফলতাৰ কাৰণে দুযো নিজকে সামাজিক কামত ব্যস্ত ৰাখিছে। এসময়ৰ বুদ্ধিদীপ্ত মেধাৱী ছাত্ৰ নিৰঞ্জন এতিয়া কংগ্ৰেছ অফিচৰ সম্পাদক। অপৰা কংগ্ৰেছী নহয়। দুয়ো দুটা বিপৰীতমুখী ৰাজনৈতিক আদৰ্শৰ অনুগামী। কংগ্ৰেছ পাৰ্টিৰ কৰ্মী হ'লেও নিৰঞ্জনে দেশসেৱক ব্ৰত হিচাপে লৈছে। মন্ত্ৰী বিধায়ক হৈ মন্মথ চৌধুৰীৰ দৰে ৰাজহুৱা টকাৰে ব্যক্তিত জীৱন আৰামৰ কৰি থুলিবলৈ বিচৰা নাই।

নিৰঞ্জনে পেটে-ভাতে খাই থাকিও এজন আদৰ্শ ৰাজনীতিবিদৰ দৰে নিজকে দেশসেৱাত নিমগ্ন ৰাখিছে।

অসমত আৰ্থিকভাৱে মন্থৰ জীৱনযাত্ৰাত গতিশীল পুঁজিবাদে যি পৰিৱৰ্ত্তনৰ আগজাননী দিছে, শশাংকৰ যোগেদি উপন্যাসখনত তাৰ ছবি দাঙি ধৰা হৈছে। শশাংক মন্মথ চৌধুৰীৰ পুত্ৰ। ইচ্ছাকৰা হ'লে মন্ত্ৰীপুত্ৰ হিচাপে সি এটা বিলাসী জীৱন যাপন কৰিব পাৰিলেহেঁতেন। কিন্তু শশাংকই নিজৰ পৰিচয়ৰে জীয়াই থাকিবলৈ বিচাৰে। নিজৰ উপাৰ্জনেৰে কলিকতাত আইন পঢ়ি আহি সি নিজাকৈ ব্যৱসায় আৰম্ভ কৰে। শশাংকই অসমলৈ আহি এটা মটৰ কাৰখানা খুলিলে। পুৰণি মটৰগাড়ী কিনি কাৰখানাত ভালকৰি ৰং চং দি নতুন কৰি বিক্ৰি কৰে। তাৰ ব্যৱসায়ত লাভ বহুত। সৎভাৱে শ্ৰম কৰি জীৱিকা আৰ্জন কৰাটো সি তাৰ কৰ্ত্তব্য বুলি ভাবে। দেউতাকৰ অসৎ উপায়েৰে আৰ্জিত সম্পত্তিৰ প্ৰতি সি আকৃষ্ট নহয়। কিন্তু ককায়েক মৃগাংকই দেউতাকে ঘোচৰ টকাৰে কিনা বাগিচাখনৰ আয় অসৎ উপায়েৰে খৰচ কৰি ধ্বংস কৰাত সি বাগিচাখন ৰক্ষা কৰিবৰ কাৰণে উঠিপৰি লাগিছে। তাৰ মতে বাগিচাখন এটা জাতীয় সম্পত্তি। তাক ৰক্ষা কৰাটো সি তাৰ কৰ্ত্তব্য বুলি ভাবে।[৪৩]

অঘৰী আত্মাৰ কাহিনীত মালিকে কলিকতা নিবাসী মাৰাঠী পৰিয়াল সদানন্দ যোশীৰ আৰ্থিক জীৱনৰ ছবি সহৃদয়তাৰে অংকণ কৰিছে। ৰেল-ষ্টেচনৰ উচ্চ পদস্থ কৰ্মচাৰী চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰা সদানন্দ যোশীৰ উপাৰ্জন তেনেই সীমিত। অৱসৰপ্ৰাপ্ত যোশীয়ে এখন বেচৰকাৰী ফাৰ্মত হিচাপৰক্ষকৰ কাম কৰে। মিচেচ যোশী এখন টেইলৰিং আৰু এম্ব্ৰইদাৰী স্কুলৰ শিক্ষয়ত্ৰী। তেওলোকৰ তোলনীয় ছোৱালী ছায়াই দিনত কলেজত কলা বিভাগত পঢ়ে ৰাতি দুখন ৰেস্তোৰাঁত গান গায়। তদুপৰি শশাংকক তেওঁলোকে পেয়িং গেষ্ট ৰাখিছে। তাৰ পৰাও কিছু আয় হয়।

অঘৰী আত্মাৰ কাহিনী উপন্যাসৰ পটভূমি অসমৰ গুৱাহাটী নগৰ। গুৱাহাটীৰ নাগৰিক পৰিৱেশত মন্ত্ৰীপুত্ৰ মৃগাংক আৰু শিল্পী অপৰাজিতাৰ কাহিনীয়ে উপন্যাসখনৰ সৰহ ঠাই আগুৰি আছে। শশাংকৰ যোগেদি সেই সময়ৰ কলিকতা মহানগৰৰ খণ্ডচিত্ৰ এখনো উপন্যাসখত দেখিবলৈ পোৱা যায়। উপন্যাসৰ নায়িকা অপৰাজিতা নিৰঞ্জনক বিয়া কৰোৱাৰ পিছত অসমৰ অন্য এখন চহৰত থাকিবলৈ লৈছিল। সেই চহৰখনত অপৰাৰ সমাজসেৱা আৰু নিৰঞ্জনৰ দেশসেৱাৰ মাজেদি সাংস্কৃতিক জীৱনৰ ছবিও জিলিকি উঠিছে।

নগৰৰ যান্ত্ৰিক জীৱনৰ ছবি উপন্যাসখনৰ কেইবাঠাইতো আছে। নিৰঞ্জনৰ যোগেদি ঔপন্যাসিক নাগৰিক যান্ত্ৰিক জীৱনৰ ছবি উদঙাই দিছে।[৪৪] জীৱনলৈ ভয় কৰি জীয়াই থকাটোৱেই আধুনিক মানুহৰ স্বভাৱ। নিৰঞ্জনৰ মতে অকলে জীয়াই থাকিবলৈ ভয় কৰাৰ কাৰণেই শশাংকই ব্যৱসায় কৰিছে, নিৰঞ্জনে কংগ্ৰেছ পাৰ্টীৰ অফিচৰ চাকৰি কৰিছে আৰু অপৰাই সমাজসেৱা কৰিছে। নগৰীয়া মানুহ অসুখী

হোৱাৰ কাৰণ নিৰঞ্জনে ব্যক্ত কৰিছে।[৪৫] অপৰা নিৰঞ্জনৰ অসুস্থ বৈবাহিক জীৱনৰ কথা অপৰাই শশাংকৰ ওচৰত অকপটে স্বীকাৰ কৰিছে।[৪৬] শশাংকও জীৱন যুঁজত অসহায়। সি প্ৰতিজ্ঞা কৰিছিল পাপ নকৰিবলৈ। কিন্তু পাপৰ পৰা সি দেউতাক অপৰাৰ মাক অপৰা মৃগাংক কাকো ৰক্ষা কৰিব নোৱাৰিলে। তাৰ মতে লোকৰ পাপৰ নীৰব সাক্ষীজনো সমানেই পাপী। অঘৰী আত্মাৰ কাহিনীত শশাংক অপৰা স্বৰ্ণলতা ছায়া নিৰঞ্জন আটাইবোৰ চৰিত্ৰই অসহায় আৰু আত্মবেদনাৰে দগ্ধ।

মাটিৰ চাকি উপন্যাসত নাগৰিক আৰ্থ-সামাজিক জীৱন :

মাটিৰ চাকি উপন্যাসত ব্যৱসায়ী শিল্পী চাকৰিজীৱী লোকৰদ্বাৰা আৰম্ভ কৰি দোকানী বনুৱা বেশ্যালৈকে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ আৰ্থ-সামাজিক জীৱন প্ৰকাশত ঔপন্যাসিক দক্ষতাৰ পৰিচয় দিছে। মাটিৰ চাকিৰ পটভূমি অসমৰ এখন সৰু চহৰ জমিদাৰ উকীল আৰু ব্যৱসায়ী জগন্নাথ চৌধুৰীৰ পুত্ৰ হিৰণ্য সৰুৰে পৰা অলপ স্বাধীনচিতীয়া ধৰণৰ। পশ্চিম ভাৰতৰ এখন আৰ্ট স্কুলত ছবি আঁকা অধ্যয়ন কৰি সি নিজাক ষ্টুডিঅ খুলি ছবি আঁকি স্ব-নিৰ্ভৰশীল হ'বৰ কাৰণে সৰু চহৰখনলৈ আহিল। হিৰণ্যৰ উদ্দেশ্য ছবি আঁকি আত্মনিৰ্ভৰশীল জীৱন যাপন কৰা। হোটেলত কেইদিনমান থাকি সি ভাড়াঘৰ বিচৰাত লাগিল। চহৰখনত কম টকাত ভাড়াঘৰ পাবলৈ নাই। ছবি আঁকি জীৱন-নিৰ্বাহ কৰাটো যে জটিল হ'ব হিৰণ্যৰ অনুমান কৰিবলৈ বেচি দিন নালাগিল। স্ব-নিৰ্ভৰশীল হ'বলৈ আহি সি পৰীহঁতৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিল। ভাড়াঘৰ বুলি ৰমজান বুঢাৰ কৰ্তৃত্বত থকা মাধৱ চলিহাৰ যিটো ঘৰ লৈছিল তাৰো ভাড়া দিয়া নাই। ৰমজানৰ নাতিনী পৰীয়ে যি ৰান্ধি খুৱায় তাকে খায়। তাৰো পইচা দিয়া নাই। হিৰণ্যৰ ছবিৰ গ্ৰাহক কম আয় সীমিত। টি বি হোৱা জবাৰ চিকিৎসাৰ দায়িত্বও হিৰণ্যই ল'ব লগা হ'ল। হিৰণ্যৰ শিল্প সাধনা আৰু আৰ্থিক দুৰৱস্থাৰ ছবিৰে উপন্যাসখনৰ সৰহঠাই আগুৰি আছে।

সেইখন চহৰতে জাফৰ মহমুদ মোস্তাকৰ নিচিনা সাধাৰণ খাটিখোৱা মানুহো থাকে। মহমুদে কাৰখানাত মেকানিকৰ কাম কৰে। দিনটো কাম কৰি গধূলি সি মদ নাখালে থাকিব নোৱাৰে। সি ৰাতি সাধাৰণ মদৰ দোকানখনলৈ আহি মদৰ গিলাচত মুখ দিয়ে। অপল মাতাল হ'লেই হোটেলৰ এটা চুকত বহি গীত গায়। কেতিয়াবা দুই-তিনিদিন মদ খাবলৈ নাপালে সি দাৰ্শনিক হৈ পৰে। তাৰ নিজৰ ঘৰ নাই। য'তে-ত'তে থাকে। মহমুদ হৃদয়বান। নিজৰ একো নাথাকিলেও সি লোকৰ উপকাৰ কৰিবলৈ সততে যত্ন কৰে। মোস্তাকৰ ঘৰ আছে, কিন্তু তাৰ ঘৰৰ চৌকা সদায় নজ্বলে। তাৰ মতে ঘৰ নেথাকিলেই ভাল। তেতিয়া ৰাতি ঘৰলৈ নগ'লেও হ'ল। কাৰখানাত কাম কৰি আহি সি ৰাতি নন্দ বগাই জাফৰহঁতৰ লগত মেল মাৰে। সিয়ো হৃদয়বান, পৰোপকাৰী। বেশ্যা ৰাধাক সি গ্ৰাহক যোগাৰ কৰি দিয়ে।

জাফৰক তাৰ আৰ্জনৰ পইচাৰে নোজোৰে। ঘৰত তাৰ বিধৱা বৌৱেক আৰু

ভতিজাক। বৌৰেকজনী অসুখীয়া। সদায় অসুখ হৈয়ে থাকে। ঘৰৰ দৈনন্দিন খৰচৰ উপৰিও বৌৰেকৰ চিকিৎসাৰ কাৰণে কিছু খৰচ কৰিব লাগে। সেয়ে পৰীক ভাল পালেও সি বিয়া কৰাবলৈ ভয় কৰে। জানোচা নিজে বিয়া কৰালে বৌৰেকহঁতক পোহপাল দিয়াত অসুবিধা হয়। এনেও তাৰ জমা পইচা নেথাকে।

নগৰখনলৈ নতুনকৈ আহি শিল্পী হিৰণ্য ৰমজান বুঢ়াৰ দোকানঘৰৰ ওপৰৰ সৰু কোঠাটো ভাড়ালৈ থাকিবলৈ ল'লে। ঠাইখিনিৰ প্ৰায়বিলাক বাসিন্দা দুখীয়া খাটি খোৱা লোক। সাধাৰণ দোকানী মটৰ ড্ৰাইভাৰ কাৰখানাৰ বনুৱা সস্তীয়া চাহৰ হোটেলৰ মালিক মাটিৰ প্ৰতিমা সজা কুমাৰ নাপিত— সকলো সাধাৰণ মানুহ। ওচৰৰে এটা ঘৰত থাকে বেশ্যা ৰাধা। আৰ্থিকভাৱে দুবন এই সৰু মানুহখিনিৰ জীৱন একেডাল সূতাৰে গাঁথা পৰস্পৰ নিৰ্ভৰশীল। জাফৰ নন্দ মহম্মুদ ধন বগাই আটাইকেইটা মটৰ মেকানিক। ৰাতিলৈকে অভাৰটাইম কৰি সিহঁত চিনাকি হোটেলখনলৈ আহি পৰিয়ালৰ সুখ-দুখৰ কথাৰ পোহাৰ মেলে। 'মান অভিমান খং ৰাগৰ মাজেদি চলে সিহঁতৰ বন্ধুত্বৰ আদান-প্ৰদান। আটাইকেইটাৰে দুখৰ সংসাৰ। অভাৰটাইম কৰিও পৰিয়াল চলাবলৈ নোজোৰে। নগৰখনৰ কোনোবা ধনী মানুহৰ গাড়ী গেৰেজলৈ ভাল কৰিবলৈ আনিলে সিহঁতে গাড়ীৰ দুই-এটা অংশ চুৰ কৰি বাহিৰা দুপইচা ঘটা পৰিকল্পনা কৰে। জাফৰে চুৰি বিদ্যাত মত নিদিয়ে। তাৰ দৃঢ়মত— চুৰ কৰা মহাপাপ। গতিকে সিহঁতৰ বাহিৰা উপাৰ্জন নহয়। মহমুদে টেবুলত তবলা বজাই গান আ ৰম্ভ কৰে। লগৰ জাফৰ-নন্দহঁত তাৰ গান শুনি অভ্যস্ত। গতিকে সি কাৰো প্ৰশংসা নেপায়। আৰ্থিক অনাটনৰ বাহিৰে সিহতৰ জীৱনত মৰম-চেনেহৰ অনাটন নাই। ইটোৱে সিটোক টানে আপদে সহায় কৰে। কাৰোবাৰ ঘৰত অসুখ অশান্তি হ'লে আটায়ে খবৰ কৰে। বেশ্যা হ'লেও ৰাধা সিহঁতৰ আপোন কাৰণ দৰকাৰ হ'লে সিহঁতে ছবিমাষ্টৰৰ ছবি কিনি হোটেলত আঁৰে।

নগৰখনৰ ভিতৰতে মাধৱ আঢ্যৱনত মানুহ। আগতে ওকালতি কৰিছিল। তাৰ পিছত ডাঙৰ ডাঙৰ ঠিকা কৰি কিছু টকা ঘটিলে। তাৰ পিছত নগৰপালিকা উপাধ্যক্ষ হ'ল। বহুত বুদ্ধিৰে নগৰৰ ভালেমান মানুহৰ মাটি বন্ধক লৈ কিনি নিজৰ অৱস্থা টনকিয়াল কৰিলে। নগৰৰ মাটিবোৰত বিভিন ভাড়াঘৰ সজাই দিলে। নগৰখনৰ সৰহখিনি ভাড়াঘৰ মাধৱ চলিহাৰে। চোৰাং ব্যৱসায় কৰিও বহুত টকা ঘটিলে। আঢৈ লাখ টকাৰ এখন চাহ বাগিচাও তেওঁৰ আছে। 'অসমীয়া উচ্চ মধ্যবিত্ত আৰু ধনী শ্ৰেণীয়ে যিখিনি লাগতিয়াল অলাগতিয়াল সামগ্ৰী হ'লে নিজক অভিজাত আৰু ক'লচাৰ্ড বুলি প্ৰমাণ কৰিব পাৰে তাৰ কোনো সামগ্ৰীৰ অভাৱ চলিহাৰ ঘৰত নাই। [৪৭]

চলিহাৰ পত্নী নমিতাৰ এঘাৰ বছৰ হওঁতেই মৃত্যু হয়। পত্নী জীয়াই থাকোঁতেই জয়াৰ লগতচলিহাৰ গোপন সম্পৰ্ক আছিল। পত্নীৰ মৃত্যুৰ সুযোগ লৈ নমিতাৰ

ৰক্ষণাবেক্ষণৰ কাৰণে চলিহাই জয়াকেই নিয়োগ কৰিলে। জয়াৰ লগত চলিহাৰ অবৈধ সম্পৰ্কৰ কথা নগৰখনৰ সকলোৱেই জানিছিল। অন্যৰ সমালোচনা আৰু কটু মন্তব্যলৈ বিশেষ ভ্ৰূক্ষেপ নকৰি জয়াই নমিতাক চোৱা-মেলাৰ দায়িত্ব ল'লে। চলিহাই নমিতাৰ ৰক্ষণাক্ষেণৰ ভাৰ জযাৰ ওপৰত এৰি দিযাৰ যোগেদিও জয়াক ভোগৰ সামগ্ৰীৰূপে পালে। নগৰখনৰ ভিতৰত চলিহা প্ৰতিপত্তিশালী ধনী মানুহ আৰু চলিহায়ো দ্বিতীয় বিবাহ নকৰোৱাৰ সিদ্ধান্ত কৰিছিল। সমাজে যেন চলিহা আৰু জযাৰ সম্পৰ্কটোক স্বীকাৰেই কৰি লৈছিল।[48] জয়া আৰু জবাৰ কাৰণে চলিহাই সুকীয়া ঘৰ-বাৰী কৰি দিছে। জযাৰ ঘৰৰ সকলো খৰচ-পাতি চলিহাই দিয়ে। টকা-পইচা ঘৰ-বাৰীৰ চিন্তা নথকাৰ কাৰণে জযাই চলিহাক সন্তুষ্ট কৰাতে লাগি থাকিব পাৰে। চলিহাৰ লগত জয়াৰ সম্পৰ্কৰ কথা জানিয়েই বহুত লোক তাইৰ ৰূপত আকৃষ্ট হ'লেও, তাইৰ কাষ চাপিবলৈ সাহ নকৰে। অন্যৰ কাৰণে জয়া চলিহা পৰিযালৰে এজন।

অঘৰী আত্মাৰ কাহিনীৰ মন্ত্ৰীপুত্ৰ মন্মথ চৌধুৰীৰ নিচিনাকৈ মাটিৰ চাকিৰ মাধৱ চলিহাৰ একমাত্ৰ কন্যা নমিতা চলিহাই নগৰৰ সাংস্কৃতিক সংগঠনৰ কামত আগভাগ লয। নগৰত থিয়েটাৰ ভেৰাইটি শ্ব গানৰ মজলিছ আৰ্ট প্ৰদৰ্শন তাঁতৰ কাপোৰৰ মেলা— সকলো নমিতাৰ প্ৰচেষ্টাত হয়। 'নমিতাৰ চেষ্টাত হোৱা কোনো অনুষ্ঠানত নগৰৰ বাইজৰ সহযোগিতাৰ অভাৱ নহয়।[49] নগৰখনৰ পূৰবী ৰঙ্গমঞ্চত ভেৰাইটি শ্ব পাতে। নগৰৰ সংস্কৃতিপ্ৰেমী সকলো মানুহকে নিমন্ত্ৰণ জনোৱা হয। নগৰখনত নতুনকৈ স্থাপন হোৱা 'আৰ্ট এণ্ড লাইফ ষ্টুডিঅ'ৰ শিল্পী হিৰণ্যও বাদ নপৰে। আধুনিক গীত নৃত্য ভাযোলিন বাঁহী চেতাৰ আদিৰে শ্ব উপভোগ্য। শ্বৰ কৃতকাৰ্য্যতাতে প্ৰকাশ পায় নমিতাৰ দক্ষতা। পূৰবী'ত হিৰণ্য চৌধুৰীৰ ছবিৰ প্ৰদৰ্শনী পতা হয নমিতাৰ প্ৰচেষ্টাত। নগৰখনত অসমীয়া চিত্ৰশিল্পীৰ ছবি প্ৰদৰ্শন সেয়ে প্ৰথম। অসমত চিনেমা থিযেটাৰৰ প্ৰতি দৰ্শক আগ্ৰহী হ'লেও চিত্ৰশিল্পৰ প্ৰতি আগ্ৰহী নহয়। নমিতাই চিত্ৰ-প্ৰদৰ্শনীখন সফলভাৱে পৰিচালনা কৰাৰ দিহা কৰিলে। হিৰণ্যৰ প্ৰতিভাৰ নগৰখনত অলপ প্ৰচাৰ চলালে। অন্য সভা-সমিতি থিয়েটাৰ চিনেমা আদি চাবলে অহাৰ দৰেই ছবি চাবলৈও নগৰ পুৰুষ-মহিলা আনকি সৰু সৰু ল'ৰা-ছোৱালীও আহিল। নমিতা আৰু হিৰণ্যই দৰ্শকক ছবি বিলাকৰ মৰ্মাৰ্থ বুজাই দিলে। চিত্ৰ প্ৰদৰ্শনীৰ সফলতাত পৱন দত্তইও বহুখিনি সহায় কৰিলে।

কণ্ঠহাৰত নাগৰিক আৰ্থ-সামাজিক জীৱন

কণ্ঠহাৰ উপন্যাসৰ নাযক মইন পানদোকানী। পানদোকানখনেই তাৰ জীৱিকাৰ একমাত্ৰ পথ, গাঁৱৰ ঘৰত তাৰ বিধৱা মাক আৰু ভনীয়েক আছে। গাঁৱত তাৰ পৈত্ৰিক মাটি-বাৰী দুডৰামান আছিল। মাকে তাত খেতি কৰায। নগৰত তাৰ পানদোকানখন। প্ৰথমে ঘৰ নাছিল— অকণমান চালিৰ তলত চিগাৰেট বিড়ি জুইশলা বাদাম আৰু তামোল-পানেৰে সি ব্যৱসায় আৰম্ভ কৰিছিল মাত্ৰ আঠটকা মূলধনেৰে। নগৰপালিকাৰ

অনুমতি লৈ পিছত সি এখন কাঠৰ দোকানঘৰ কৰিলে। মইন ল'ৰাটো হিচাৰী। সাত বছৰত সি পাঁচশমান টকা সাঁচিছে। তাৰে সি নগৰত নিজাকৈ এডোখৰ মাটি ল'ব। তাৰ পিছত ঘৰ সাজি গাঁৱত থকা মাক-ভনীয়েকক লৈ আহিব।

দোকানী মইনৰ নিচিনাকৈ নগৰত জীৱন নিৰ্বাহ কৰা বহুতৰ আৰ্থ-সামাজিক জীৱনৰ চিত্ৰও মইনৰ যোগেদি পাঠকৰ দৃষ্টিগোচৰ হৈছে। তাৰ নিচিনাকৈ জীৱন নিৰ্বাহ কৰা বহুতৰ লগত তাৰ চিনাকি হৈছে বহুতৰ লগত আত্মীয়তা গঢ়ি উঠিছে। মইনৰ দোকানৰ ওচৰতে থকা চিনেমা-হলটোৰ গেটকীপাৰ বাসুদেৱ। কেতিযাবা মইনক বিনাপইচাৰে চিনেমা দেখুৱায়। তাৰ পৰিযালত ল'ৰা ছোৱালী এহালেৰে চাৰিজন সদস্য। গেট কীপাৰৰ পইচাৰে মদ নেখালে পৰিয়ালটো চলিলহেঁতেন। এতিয়া পৰিযাল পোহপাল দিয়াত অসুবিধা। মইনৰ মতে পইচা বচাই মদ খাব লাগে। মইনৰ দোকানৰ মুখৰ বেঞ্চত বহি সি হিন্দী চিনেমাৰ আলোচনা আৰম্ভ কৰে। কোনখন চিনেমাত কোন নায়ক আছে, কোন নাযিকাই অভিনয় কৰিছে তাৰ মুখস্থ। চিনেমাৰ কাহিনীও সি থোৰতে কৈ দিব পাৰে। পইচা নিদিযাকৈ বিড়ি এটা খাই সি ঘৰলৈ যাযগৈ। ড্ৰাইভাৰ জিয়াওৰ আৰু মহেন্দ্ৰও মইনৰ চিনাকি। জিয়াওৰক মইনে এটা কথাৰ কাৰণে ভাল পায় সি মদ নেখায়। মহেন্দ্ৰই দিনত ড্ৰাইভাৰ কৰি ৰাতি মদ খায়। তাৰ মতে মদ নেখালে গা বিষায়। কলেজৰ ওচৰতে চুলেইমান দৰ্জিৰ দোকান 'দি ফেছন হাউচ'। চোলা ভাল চিলায়। সকলো কলেজৰ ল'ৰাই তাতে চোলা চিলাবলৈ দিয়ে। চুলমোনৰ ব্যৱসায় ৰমৰমীয়া। মেচিন চলাবৰ কাৰণে দোকানত সি তিনিটা ল'ৰাও ৰাখিছে।

হাকিমৰ গাড়ী ড্ৰাইভাৰ দিদাৰত। অকল গাড়ী চলোৱাই নহয় সি হাকিমৰ ঘৰৰ অন্য কামো কৰে। সদায় ৰাতিপুৱা হাকিমৰ দাঢ়ি খুৰাবৰ বাবে মইনৰ দোকানৰ পৰা এখন ব্লেড কিনে। দিদাৰতৰ যোগেদিযে হাকিমৰ ঘৰৰ সকলো খা-খবৰ মইনে পায়। চাৰিআলিত পহৰা দিয়া-ট্ৰেফিক পুলিচ মোবাৰকৰ লগতো মইনৰ চিনাকি। কেতিয়াবা বিড়ি এটা জ্বলাবৰ কাৰণে আহি মইনৰ দোকানৰ আগৰ বেঞ্চখনত অলপ বহেহি। মোবাৰকৰ লগত মইনে দুই চাৰিটা সুখৰ-দুখৰ কথা পাতে। মোবাৰকৰ তিনিজনী ভনীয়েক বিয়া দিবলগীয়া আছে। মনে মনে ভাবে মইনলৈ এজনী ভনীযেকক দিবপৰা হ'লে নগৰত সুখতে থাকিলহেঁতেন। মইনক সি দুপৰীয়া ভাত খাবলৈ পঠাই দোকানখন ৰখি দিযে। তাৰ কাৰণে হাকিমৰ গাড়ী ড্ৰাইভাৰ দিদাৰত। অকল গাড়ী চলোৱাই নহয় সি হাকিমৰ ঘৰৰ অন্য কানো কৰে। সদায় ৰাতিপুৱা হাকিমৰ দাঢ়ি খুৰাবৰ বাবে মইনৰ দোকানৰ পৰা এখন ব্লেড কিনে। দিদাৰতৰ যোগেদিয়ে হাকিমৰ ঘৰৰ সকলো খা-খবৰ মইনে পায়। চাৰিআলিত পহৰা দিয়া-ট্ৰেফিক পুলিচ মোবাৰকৰ লগতো মইনৰ চিনাকি। কেতিয়াবা বিড়ি এটা জ্বলাবৰ কাৰণে আহি মইনৰ দোকানৰ আগৰ বেঞ্চখনত অলপ বহেহি। মোবাৰকৰ লগতমইনে দুই চাৰিটা সুখৰ-দুখৰ কথা

পাতে। মোবাৰকৰ তিনিজনী ভনীয়েক বিয়া দিবলগীয়া আছে। মনে মনে ভাবে, মইনলৈ এজনী ভনীযেকক দিবপৰা হ'লে নগৰত সুখতে থাকিলহেঁতেন। মইনক সি দুপৰীয়া ভাত খাবলৈ পঠাই দোকানখন ৰখি দিয়ে। তাৰ কাৰণে মইন মোবাৰকৰ ওচৰত কৃতজ্ঞ। গাঁৱৰ ঘৰত খেতি-বাতি আছে কাৰণে মোবাৰকে ঘৰলৈ পইচা নপঠালেও চলে। ৰামচৰণ নাপিত মইনৰ চিনাকি। মইনক সি দুখ কৰি কয়— 'দিনে আৰ্জি দিনে খাও। ইয়াত চলিব লাগে ঘৰলৈকো পঠাব লাগে ঘৰতো বুঢ়া বাবা আছে, মাহী আই আছে, ভনীজনী আছে, তবে ভগবানৰ দয়া যে মানুহৰ চুলতো নবঢাকৈ নেথাকে। নহলেযে আমৰ আমাৰ কি দিগ্‌দাৰ হ'লহেঁতেন।"৫০ ৰামচৰণৰ অভিযোগ বিলাতত তিৰোতা মানুহেও চুলি কটায়। আমাৰ ইয়াত আকৌ মাইকী মানুহে মূৰত কেচি নলগায়েই। মাইকী মানুহে চুলি কাটিলে ৰামচৰণৰ আয় আৰু বাঢ়িলহেঁতেন। ঘৰে ঘৰে গৈ চুলি নেকাটি সি নগৰতে এখন চেলুন সাজিলহেঁতেন।

সৰু নগৰখনৰ চাৰিআলিত অৱস্থিত মইনৰ পানদোকানখন। দোকানত বহি বহি সি নগৰৰ প্ৰতিঘৰৰে খবৰ পায। তাৰ দোকানৰ সন্মুখৰ বেঞ্চত বহি তামোল পান-চিগাৰেট খাই ল'ৰাবোৰে আড্ডা দিয়ে। মইনে তামোল কাটি থাকোতে সিহঁতৰ কথালৈও কাণ দিযে। নগৰখনৰ কাৰ ছোৱালীৰ কাৰ লগত বিয়াৰ বন্দৱস্ত হৈ আছে, ভোটত কোন পাৰ্টিৰ জয় হ'ব কোন কলেজীযা ডেকাই ঠুতৰীত দাড়ি ৰাখিছে, সকলো খবৰ দোকানৰ আড্ডাৰ পৰাই মইনে সংগ্ৰহ কৰে।

কলেজখনৰ দৰ্শনৰ অধ্যাপক চৌধুৰী মইনৰ দোকানলৈ প্ৰাযে আহে। চৌধুৰীৰ সকলো কথাতে দাৰ্শনিক দৃষ্টিভংগী। কথা বতৰা অসংলগ্ন। কেতিয়াবা দোকানৰ বস্তু লৈ পইচা দিবলৈ পাহৰে কেতিযাবা বস্তু একো নোলোৱাকৈ পইচা দিয়ে। দোকানৰ সন্মুখত থকা চকীখনত বহি জৰি গছজোপাৰ ফালে চাই চিন্তা কৰে। চৌধুৰীৰ ঘৰৰ ৰান্ধনি বাপুৰাম কেতিযাবা প্ৰফেচাৰৰ ধপাত নিবলৈ দোকনলৈ আহে। মইনে চৌধুৰীৰ ঘৰুৱা খবৰ তাৰ পৰা লয়। চৌধুৰী প্ৰফচৰে খুউব জলকীয়া খায়।পত্নীয়ে এম এল এ হোৱাৰ পিছৰ পৰা সদায় প্ৰফেচাৰৰ লগত বিবাহ বিচ্ছেদৰ কথা কয়। অৱশ্যে বাপুৰামে তেওঁৰ যত্ন লয়। চৌধুৰীৰ ল'ৰা দুটাই তেওৰ ধপাত চুৰকৰি খায়। মইনে বাৱে প্ৰফেচাৰৰ ঘৰুৱা জীৱন সুখৰ নহয কাৰণে এইদৰে দোকানে পোহাৰে বক্তৃতা দি সময খৰচ কৰে। সহকৰ্মী অধ্যাপকসকলে চৌধুৰীয়ে দোকানে-পোহাৰে বক্তৃতা দিয়া কথাটো ভাল নাপায।

মালিকে নগৰখনত বাস কৰা তথাকথিত ভদ্ৰলোকসকলৰ মুখাও খুলি দিছে মইনৰ দোকানৰ মুখত বহা আড্ডাৰ যোগেদি। ডেকা ল'ৰা বাদেই, গৰমকালি জোনাকৰাতি চহৰৰ ভাল ভাল মানুহেই বহি চিনেমা ৰাজনীতি নগৰপালিকাৰ ভোট আৰু নগৰৰ কাৰোবাৰ ঘৰৰ কেলেংকাৰীৰ কথা আলোচনা কৰে। ফজিল কেৰেণী জয়নাথ পেচকাৰ, চৰিফ মাষ্টৰ দুষ্ক ঠিকাদাৰৰ নিচিনা নগৰখনৰ গণ্যমান্য লোকেও আলোচনাত ভাগ

লয়। আন্তঃৰাষ্ট্ৰীয় কথাৰ পৰা আৰম্ভ কৰি চহৰৰ ধনী-দুখীয়া সকলো মানুহৰ কথা আলোচনা হয়। 'জয়নাথ পেচকাৰৰ নিচিনা ঘোচখোৱা মানুহ গোটেই জিলাখনত নাই। জজৰ পেচকাৰ। চেচন্চ কেচবোৰ পায়।'[৫১] দুষ্ক ঠিকদাৰে ডাঙৰ ডাঙৰ লাখটকীয়া ঠিকা লয়। এচ ডি অ ইঞ্জিনিয়াৰ মহৰী— সকলোকে ঘোচ খুৱায়। ঠিকাদাৰৰ মতে— 'চৰকাৰৰ কাম হ'ব লাগে আমাৰ টকা হ'ব লাগে। যুদ্ধৰ পিছৰ পৰা চৰকাৰৰ কাম হ'লেই ফাঁকি দিয়া মনোবৃত্তি সকলোৰে হৈছে।

বিভূতিভূষণ আৰু মালিকৰ উপন্যাসত নাগৰিক জীৱনৰ তুলনামূলক অধ্যয়ন ঃ

বাংলাৰ গ্ৰাম্য প্ৰকৃতিক মনে-প্ৰাণে ভালপোৱা বিভূতিভূষণৰ উপন্যাসত নগৰ জীৱনেও ঠায়ে ঠায়ে ভূমুকি মাৰিছে। **পথেৰ-পাঁচালী** আৰু **অপৰাজিত**ৰ নায়ক অপু জীৱনৰ বেছিভাগ সময় কলিকতা চহৰত থাকিলেও নগৰৰ হুলস্থূলীয়া পৰিৱেশ তাক সদায় বিৰক্তি দিয়ে। নগৰ জীৱনৰ জটিলতাও অপুৰ যোগেদি স্পষ্টকৰি তোলা হৈছে। মালিকৰ উপন্যাসত গ্ৰাম্য জীৱনৰ দৰে নগৰ জীৱনেও বৰ্ণাঢ্য ৰূপত আত্মপ্ৰকাশ কৰিছে, গাঁৱৰ সহজ-সৰল জীৱনৰ দৰে নগৰৰ কৃত্ৰিমতাপূৰ্ণ যান্ত্ৰিক জীৱনৰ ছবিও মালিকে সহৃদয়তাৰে অংকণ কৰিছে।

বিভূতিভূষণ আৰু মালিক দুযোজন ঔপন্যাসিকে দ্বিতীয় বিশ্বযুদ্ধৰ বিভীষিকা নিজ চকুৰে দেখিবলৈ পাইছিল। দুযোজনৰ উপন্যাসতে যুদ্ধযুগৰ যন্ত্ৰণা প্ৰকাশ পাইছে। মালিকৰ **বনজুই, আধাৰশিলা ৰূপাবৰিৰ পলস** আদি উপন্যাসত যুদ্ধযুগৰ আৰ্থ সামাজিক জীৱন প্ৰতিফলিত হৈছে।

বিভূতিভূষণৰ উপন্যাসত প্ৰেম প্ৰায় উপেক্ষিত। **অথৈজল**ত খেমতা নাচনী পান্নাৰ প্ৰেমত মতলীয়া ডাক্তৰ শশাংকই কলিকতা চহৰত পান্নাৰ লগত কটোৱা ছবিৰ মাজেদি প্ৰেমৰ গভীৰতা আৰু নিস্বাৰ্থতা প্ৰকাশ পাইছে। কেদাৰ ৰাজাত কলিকতা চহৰৰ বেশ্যালয়ৰ বিশদ বিৱৰণ আছে। মালিকৰ উপন্যাসত প্ৰেমে প্ৰধান ভূমিকা গ্ৰহণ কৰিছে। মালিকৰ **অঘৰী আত্মাৰ কাহিনী মাটিৰ চাকি ড অৰুণাভৰ অসম্পূৰ্ণ জীৱনী সোণালী সূতাৰে বন্ধা** আদি উপন্যাসত নাগৰিক প্ৰেমৰ জটিল ৰূপ প্ৰকাশ পাইছে। দৈহিক প্ৰেমৰ সমস্যা প্ৰকাশত মালিক সফল হৈছে। **জয়া-মণিকা ইত্যাদি আৰু জীয়া জুৰিৰ ঘাটত** বেশ্যাৰ আৰ্থিক মানসিক আৰু সামাজিক সমস্যা প্ৰকটহৈ ধৰা দিছে।

বিভূতিভূষণৰ **অপৰাজিত**ৰ কাজল আৰু **আদৰ্শ হিন্দু হোটেলৰ** হাজাৰি ঠাকুৰ নগৰপ্ৰেমিক। কাজল কম সময়ৰ কাৰণেহে পাঠকৰ সন্মুখত ধৰা দিছে। গংগানন্দকাটিৰ ককাদেউতাকৰ শাসন ছিঙি দেউতাক অপুৰ লগত কলিকতালৈ অহা কাজলৰ চকুত নগৰৰ চিত্ৰ জীৱন্ত হৈ ধৰা দিছে। ৰাতিপুৱা নানা ফেৰিৱালা চিঞৰৰ বাখৰ কৰি যায় খবৰ কাগজ বিক্ৰেতা নানা প্ৰকাৰৰ কাগজ নানা প্ৰকাৰৰ মন্তব্যৰে আগবাটি যায়।

ক্ৰমে বেলা দুপৰ হয়। অফিচৰ চাকৰিয়াল আৰু স্কুল কলেজৰ ছাত্ৰ-ছাত্ৰী দল বান্ধি খোজকাঢ়ি পথ সৰগৰম কৰি তোলে। ট্ৰাম আৰু বাচসমূহ যাত্ৰীৰ ভৰত কোনোমতে চলে। লাহে লাহে দুপৰীয়া ৰাস্তা ঘাটত নীৰৱতাই বিৰাজ কৰে। নিস্তব্ধ নিৰ্জনতাৰ মাজত হঠাৎ এঠা কাউৰীয়ে কা কা কৰি উঠে।[৫২] ঘৰৰ খিড়িকীৰ কাষত বহি কাজলে নগৰৰ এনেকুৱা নিত্য নৈমিত্তিক ঘটি থকা সৰু সৰু ঘটনাবোৰৰ লগত নিজক জড়িত কৰি পেলায। হাজাৰি ঠাকুৰ নগৰৰ কোলাহলৰ মাজত থাকি 'শহৰেৰ কল কোলাহল কৰ্মব্যস্ততাকে পছন্দ কৰিযা ফেলিযাছে।[৫৩] চহৰৰ কৰ্মব্যস্ততা হৈ-চৈ মানুহৰ অহা-যোৱা হুলস্থূল এইবিলাকৰ মাজত হাজাৰিযে কৰ্মপ্ৰেৰণা লাভ কৰে।

মালিকৰ অঘৰী আত্মাৰ কাহিনীত নগৰ জীৱনধাৰাৰ ৰুদ্ধশ্বাস অৱস্থা এটা দাঙি ধৰা হৈছে। উপন্যাসখনৰ কাহিনীত সু-বিন্যস্ত নহ'লেও নিৰঞ্জন শশাংক আৰু অপৰাৰ মাজেদি আধুনিক নাগৰিক লোকৰ অস্থিৰ মানসিকতা দাঙি ধৰাত ঔপন্যাসিক সফল হৈছে। নাগৰিক সভ্যতাই সৃষ্টি কৰা আধুনিকতা আৰু অভিজাত মানুহৰ চ'ৰা উদঙাই দেখুওৱাত ঔপন্যাসিক কৃতকাৰ্য্য হৈছে। নগৰীয়া লোকৰ যান্ত্ৰিকতা কৃত্ৰিমতা আৰু নগৰৰ অভিজাত শ্ৰেণীৰ ভণ্ডামিক মালিকে নগৰকেন্দ্ৰিক উপন্যাসসমূহত উদঙাই দেখুৱাইছে।

তুলনামূলক বিচাৰত দেখা যায় যে অসমৰ নগৰকেন্দ্ৰিক জীৱনৰ আৰ্থ-সামাজিক দিশ আৰু বিভিন্ন সামাজিক সমস্যাসমূহৰ ৰূপায়ণ মালিকৰ উপন্যাসত স্পষ্ট হৈ ধৰা দিছে। বিভূতিভূষণৰ ৰচনাত বাংলা সমাজৰ গ্ৰাম্য জীৱনহে বেছি জীৱন্ত নাগৰিক জীৱন জীৱন্ত নহয়। বাংলা নগৰকেন্দ্ৰিক জীৱনৰ যি ছবি বিভূতিভূষণে দাঙি ধৰিছেয তাৰ তুলনাত মালিকৰ ৰচনা বেছি ব্যাপক আৰু স্পষ্ট।

দেৱযান— বিভূতিভূষণৰ অধ্যাত্মচেতনা প্ৰধান উপন্যাস ঃ

দেৱযান বিভূতিভূষণৰ বিস্ময়কৰ সৃষ্টি ভাৰতীয সাহিত্য ভাৰতীয সংস্কৃতিৰ ভেটিৰ ওপৰত প্ৰতিষ্ঠিত। উপনিষদীয ঐতিহ্যই ভাৰতীয সংস্কৃতিক এক সুদৃঢ় পৰম্পৰা দান কৰিছে, উপনিষদীয় পৰম্পৰাৰ পৰা লাভ কৰা মোক্ষ-প্ৰাপ্তিৰ আকাঙ্ক্ষাই ভাৰতীয় ব্যক্তিজীৱন নিয়ন্ত্ৰণ কৰি আছে। উপনিষদৰ ব্ৰহ্মধাৰণা আৰু পৰলোক চেতনাক বিষয়বস্তু হিচাপে লৈ লিখা বিভূতিভূষণৰ দোকান ভিন্নস্বাদৰ উপন্যাস।

বিভূতিভূষণৰ অধ্যাত্মচেতনাৰ প্ৰকাশ ঘটে **দৃষ্টিপ্ৰদীপ** উপন্যাসৰ জিতুৰ যোগেদি। জিতু অতীন্দ্ৰিয দৃষ্টিশক্তিৰ অধিকাৰী। সি অকস্মাৎ জাগ্ৰত স্বপ্নৰ নিচিনাকৈ কোনো মানুহৰ পূৰ্বইতিহাস বা ভৱিষ্যতৰ চিত্ৰ দেখিবলৈ পায। এই অন্তৰ্দৃষ্টিৰ সহায়ত সি প্ৰতিবেশী পানীৰ আসন্ন মৃত্যু তাৰ অনুপস্থিতিত গাঁৱত আযোজিত সীতাৰ বিযা মাকৰ অন্তিম ৰোগশয্যা ককাযেক নীতুৰ মৃত্যু আদি ঘটনাৰ আগজাননী পাইছিল। অন্য মানুহে তাৰ এই শক্তিক কল্পনা বিভ্ৰম আৰু তাক পাগল বুলি আখ্যা দিলেও এই অলৌকিক শক্তিৰ ওপৰত তাৰ অসীম শ্ৰদ্ধা আছিল।

বিভূতিভূষণৰ অধ্যাত্মচেতনা প্ৰধান উপন্যাস দেৱযান এক দু সাহসী কল্পনাৰ পৰিচায়ক। উপন্যাসখনৰ বিষয়বস্তু মৃত্যু— পৰৱৰ্ত্তী জীৱন। এই জীৱন সাধাৰণতে লোকসমাজৰ দ্বাৰা অবিশ্বাস্য। সাধাৰণ মানুহে মৃত্যুকেই জীৱনৰ সমাপ্তি বুলি ধৰি লয়। মৃত্যুপৰৱৰ্ত্তী জীৱন তেওলোকৰ কল্পনাৰ বাহিৰত। দেৱযানত মৃত্যু পূৰ্ণচ্ছেদ নহয় অন্য এক বৃহত্তৰ জীৱনৰ সূত্ৰপাতহে।

দেৱযানত গ্ৰন্থ আৰম্ভ কৰা হৈছে ব্ৰহ্মধাৰণা সম্বলিত শ্বেতাশ্বত উপনিষদৰ এটা শ্লোক ভগৱদ গীতাৰ এটা শ্লোক শ্ৰীঅৰবিন্দৰ ব্ৰহ্ম সম্পৰ্কীয় ধাৰণাৰ উদ্ধৃতি আৰু Henry Bergson ৰ আত্মা-ঈশ্বৰ আৰু প্ৰেম সম্পৰ্কীয় God is Love and object of love Divine love is not a thing of God It is God Himself God needs us just as we need God The universe is the more visible tangible aspect of love and of the need of love " উদ্ধৃতিৰে। ঔপন্যাসিকে এই অতীন্দ্ৰিয় অনুভূতিৰ মৃত্যুৰ সিপাৰৰ জগতখনক আলোকিত কৰিছে কাব্যময় ভাষাৰে। তাৰ পাহাৰৰ শিখৰে শিখৰে ৰঙীণ পোহৰৰ মেলা। পোহৰ-দি গঢা ফুল চৰাই গছ-লতা সকলো। এদেশেৰ বাতাসে একটা অদ্ভুত শান্তি ও আনন্দেৰে বাৰ্ত্তা – একটি বিচিত্ৰ জীৱ[illegible] উল্লাসেৰে ইঙ্গিত। [১] ব্যঞ্জনাৰ সহায়তহে নক্ষত্ৰ জ্যোৎস্নাৰে আলোকিত জীৱন উল্লাসৰ ছবি উপন্যাসখনত স্পষ্ট কৰি তোলা হৈছে।

বিনোদপুৰৰ যতীন নামৰ লোকজনে জ্বৰত মৃত্যুবৰণ কৰিছে। জীৱিত অৱস্থাত সি পত্নী আশালতাৰ দ্বাৰা অৱহেলিত। যতীনৰ লগত তিনিবছৰ দাম্পত্য জীৱন কটাই দুটা সৰু সৰু ল'ৰা-ছোৱালী লৈ আশালতাই তাক ত্যাগ কৰি মাকৰ ঘৰলৈ গুচি গ'ল। দুবাৰো যত্ন কৰি যতীনে আশাক নিজৰ ঘৰলৈ ঘূৰাই আনিব নোৱাৰিলে। সি উচ্চশিক্ষিত হলেও দৰিদ্ৰ কাৰণে কষ্ট পাইছে। নিৰ্জন পৰিত্যক্ত ঘৰত মানুহৰ অগোচৰত মৃত্যু।

যতীনৰ মৃত্যুৰ পিছৰ কাহিনী আত্মালোক'ত— যাক সাধাৰণ লোকে স্বৰ্গ বুলি কয়। মৃত্যুৰ পিছত সি লগ পালে বাল্যসঙ্গী পুষ্পক। পুষ্পই তাক লৈ গ'ল তাৰ আত্মাৰ উপযোগী তৃতীয় স্তৰলৈ। সাগঞ্জ কেওটাৰ গংগাৰ ঘাটত শৈশৱত সি পুষ্পৰ খেলৰ লগৰী আছিল। যতীনে শৈশৱ কটাইছিল সাগঞ্জত কেওটাৰ মাহীয়েকৰ ঘৰত। সেই সূত্ৰে প্ৰতিবেশী পুষ্পক লি লগ পাইছিল। তেৰ বছৰ বয়সতে বসন্ত ৰোগত পুষ্পৰ মৃত্যু হয। তেতিয়াৰ পৰা তাইৰ আত্মা স্বৰ্গৰ তৃতীয় স্তৰৰ অধিবাসী। তৃতীয় স্তৰত পুষ্পই বাল্যকালৰ সাগঞ্জ-কেওটাৰ গংগাৰ পাৰৰ প্ৰকৃতিৰ ৰূপ সৃষ্টি কৰি লৈছে।

মৃত্যুৰ সিপাৰৰ আত্মাৰ সেই জগত বৰ অদ্ভুত। পুষ্পৰ জ্ঞানমতে মৃত্যুৰ সিপাৰৰ এই জগতৰ সাতটা স্তৰ। পাৰ্থিৱ জীৱনে সৎকৰ্মৰ দ্বাৰা আত্মাৰ স্তৰপ্ৰাপ্তি নিৰ্দিষ্ট কৰে। যি জ্ঞান আৰু প্ৰেমত মহান তেওঁ ওপৰৰ পৰা ওপৰস্তৰলৈ গতি কৰে

পুষ্পৰ অনাবিল প্ৰেমৰ আকৰ্ষণে যতীনকো উচ্চস্তৰৰ বাসিন্দা কৰি তুলিলে। এই স্তৰৰ বায়ুমণ্ডল চিৰ-নিস্তব্ধতা আৰু পবিত্ৰতাৰে ভৰপূৰ। দেশটা পৃথিৱীৰ মতই। তাৰ পায়েৰ তলায় নদী গছপালা মাঠ সবই আছে। কিন্তু তাদেৰ সৌন্দৰ্য অনেক বেশি। আকাশেৰ দিকে চেয়ে দেখলে সূৰ্য দেখা যায়না অথচ অন্ধকাৰও নেই। ভাবি চমৎকাৰ এক ধৰণেৰ অপাৰ্থিব মৃদু আলোকে সমগ্ৰ দেশটা উদ্ভাসিত। গছপালাৰ পাতা ঘন সবুজ নানা ধৰণেৰ ফুল সেগুলো যেন আলো দিয়ে তৈৰী।"[২]

আত্মা নিজ শক্তিবলে ... পৰা গ্ৰহান্তৰত পৰিভ্ৰমণ কৰে। মাজে মাজে দেখা যায় গ্ৰহসমূহৰ আজন্ম প... দেৱতাক। তেওলোক বিদ্যুতৰ শিখাৰ নিচিনা উজ্জ্বল। যাৰ যি দৃশ্য প্ৰিয় সেই দৃশ্য শাশ্বত কালৰ কাৰণে সৃষ্টি কৰি ৰাখিছে। পুস্পৰ মতে এদেশেৰ বস্তুৰ ওপৰে চিন্তাৰ শক্তি খুব বেশি। পৃথিৱীৰ বস্তুৰ মত এখানকাৰ বস্তু নয়। আৰও অনেক সূক্ষ্ম অন্য ধৰণেৰ। সৃষ্টি কৰতে হ'লে পৃথিৱীতেও যেমনি চিন্তাৰ দৰকাৰ এখানে তাৰ চেয়েও বেশি দৰকাৰ। চিন্তাৰ শকিতেক যে বাড়াতে পেৰেছে, ইচ্ছামতে চালাতে পাৰে সে এদেশেৰ বড় কাৰিগৰ।[৩]

পৃথিৱীৰ মোহ এৰি আধ্যাত্মিক চিন্তাত দিন কটাব নোৱাৰিলে স্বৰ্গৰ ...ও মাজে মাজে আত্মা আহি পৃথিৱীত পুনৰ জন্মগ্ৰহণ কৰে। যতীনে বাল্যসঙ্গী পুষ্পৰ লগত স্বৰ্গৰ তৃতীয় স্তৰত বাস কৰিলেও সি তাৰ মন স্থিৰ কৰিব পৰা নাই। পুষ্পইও তাৰ আঘাতত ব্যথাভৰা জীৱন কটাইছে। যতীনৰ আনন্দৰ কাৰণে তাই সুন্দৰ জোনাকৰাতি সৃষ্টি কৰিছে, কিন্তু সেই সময়তো যতীন পত্নী আশালতাৰ চিন্তাত ব্যাকুল হয়। আশালতাৰ ওচৰলৈ যতীনে ঘনে ঘনে স্বৰ্গলোকৰ পৰা যাতায়ত কৰে। দ্বিধাচাৰিনী হলেও সি আশালতাক পাহৰিব নোৱাৰে। প্ৰেম আৰু কৰুণাৰ দ্বাৰা যতীনৰ আত্মাই যি মুকিত লাভ কৰিছিল পৃথিৱীবাসী আশালতাৰ আকৰ্ষণত সি তাক অস্বীকাৰ কৰি পৃথিৱীত পুনৰ জন্মগ্ৰহণ কৰিছে।

ঔপন্যাসিকে উপনিষদৰ বেদান্ত আলোচনাত দেৱযানত কৰিছে। বেদান্তৰ মতে মন একান্তভাৱে ঈশ্বৰৰ ওচৰত বিলীন কৰি দিব পাৰিলে আত্মাৰ মুক্তি সম্ভৱ। ভগৱানৰ লগত একাত্মবোধেই মুক্তি। যোগ-সাধনাৰ অবিহনে মুক্তি সম্ভৱ নহয়। প্ৰসঙ্গক্ৰমে ঔপন্যাসিক উপনিষদৰ দুটা চৰাইৰ কাহিনী উপস্থাপন কৰিছে আৰু আত্মা পৰমাত্মা সম্পৰ্কীয় তথ্যৰ সন্ধান দিছে।[৪] সংসাৰত থাকিও সংসাৰৰ মায়ামোহৰ পৰা নিজক মুক্ত কৰি একনিষ্ঠভাৱে ঈশ্বৰ চিন্তাত মগ্ন হ'ব পাৰিলেহে আত্মাৰ মুক্তি সম্ভৱ।

বিভূতিভূষণে মৃত্যুক এক শিল্পলৈ উন্নীত কৰিছে। দেৱযান গ্ৰন্থত মৃত্যু পৰৱৰ্ত্তী জীৱন মাননুহৰ অজ্ঞাত। নায়ক যতীনে মৃত্যুৰ পিছত আৰু বেছি জীৱন্ত ৰূপ লাভ কৰিছে। মৃত্যুৱে তাৰ জীৱনত গতিক ৰুদ্ধ নকৰি বৃহত্তৰ ক্ষেত্ৰলৈ প্ৰসাৰিত কৰিছে। যতীনৰ মতে মৃত্যু আনন্দময়। জীৱিত অৱস্থাত সি পত্নীৰ দ্বাৰা উপেক্ষিত হৈ এক কৰুণ নিঃসঙ্গ জীৱন যাপন কৰিছিল। মৃত্যুৰ পিছত সি পুষ্পৰ লগত

স্বৰ্গৰাজ্যত এক আনন্দময় জীৱন কটাবলৈ সক্ষম হৈছে। বিভূতিভূষণে যতীনৰ মাজেদি মৃত্যুৰ যি আনন্দময় ৰূপ প্ৰকাশ কৰিছে— তেওঁৰ প্ৰথম উপন্যাস **পথেৰ-পাঁচালীতে** ইয়াৰ বীজ নিহিত হৈ আছে। বালক অপু বায়েক দুৰ্গাৰ মৃত্যুত ভীতিগ্ৰস্ত হোৱা নাই বৰং ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছে পৃথিৱীত বহুত দুখ সহ্য কৰা বায়েকৰ আত্মাই যেন স্বৰ্গৰাজ্যৰ আনন্দ লাভ কৰে। বালক অপু হৰিহৰৰ মৃত্যুৰ পিছতো ভয় ভাৱৰ দ্বাৰা ভীতিগ্ৰস্ত হোৱা নাই। তাৰ মতে ৰোগত জীৱন যুদ্ধত পৰাজিত হোৱা দেউতাক এক স্বপ্ন মাত্ৰ। বিভূতিভূষণে মৃত্যুৰ লগত জীৱনৰ অবিচ্ছেদ্যতাৰ যি বিশ্বাস **পথেৰ-পাঁচালীত** অপুৰ বালক চেতনাৰে আভাসিত কৰিছে **দেবযানত** তাক যুক্তিৰ দ্বাৰা বিশ্লেষণ কৰিবৰ যত্ন কৰিছে। মৃত্যুৰ মাজেদিয়ে যে জীৱন নৱীকৰণ হয় সেই সত্যটো ফুটাই তুলিবৰ কাৰণে তেওঁ এটা চিত্ৰকল্প প্ৰযোগ কৰিছে। মৃত্যুৰ মাজেদি মানুহৰ বালস্মৃতিপূৰ্ণ প্ৰকৃতিলৈ প্ৰত্যাৱৰ্ত্তন কৰে। বিভূতিভূষণৰ মৃত্যুচেতনা আনন্দাশ্ৰয়ী। মৃত্যুৰ যি সুন্দৰ মূৰ্ত্তি আৰু মৰ্ত্তজীৱনৰ যি অম্লান গৌৰৱ বিভূতিভূষণে **দেবযানত** চিত্ৰিত কৰিছে, তাত শ্ৰী অৰবিন্দৰ দৰ্শন নিহতহৈ আছে।

দেবযানত বিভূতিভূষণে অধ্যাত্মপ্ৰেমৰ লগতে মানৱপ্ৰেমৰো জয়গান গাইছে। পৃথিৱী আৰু মানুহৰ প্ৰতি উদাসীনতা তেওঁ প্ৰদৰ্শন কৰা নাই। তেওঁৰ মতে পৃথিৱীখন মায়া নহয। পাৰ্থিৱ জীৱনত স্নেহ-প্ৰীতিৰ অপৰিসীম। **তৃণাংকুৰ** দিনলিপিত বিভূতিভূষণে ইযাৰ ব্যাখ্যা আগবঢাইছে।[৫] অধ্যাত্মদৰ্শন প্ৰধান উপন্যাস হলেও **দেবযান** বৈচিত্ৰ্যহীন আৰু নিৰস নহয়। আধ্যাত্মিক চিন্তাক বিভূতিভূষণে পাৰ্থিব জীৱনৰ পৰা বিচ্ছিন্ন কৰা নাই। ৰণেন্দ্ৰকুমাৰ দেৰ মন্তব্য এই ক্ষেত্ৰত প্ৰণিধানযোগ্য।[৬] মৃত্যুপৰৱৰ্ত্তী কাহিনী হলেও বাস্তৱ জীৱনত উপলক্ষ ঘাত-প্ৰতিঘাত আশা-নিৰাশা আনন্দ-বেদনা উপন্যাসৰ নাযক নাযিকা। যতীন পুষ্পৰ জীৱনটো আছে। এযা যেন পৃথিৱীবাসী মানুহৰে কথা মাত্ৰ পৰিৱেশ ভিন্ন। তাৰাশংকৰ বন্দোপাধ্যাযৰ আৰোগ্য নিকেতন উপন্যাসৰ মূল উপজীব্য জীৱন লীলা নহয জীৱন মৃত্যুৰ সংগ্ৰামৰ ছন্দেৰে ৰূপাযিত জীৱনদৰ্শন। এইক্ষেত্ৰত দেবযানৰ লগত আৰোগ্য নিকেতনৰ সাদৃশ্য আছে।

চৈযদ আব্দুল মালিকৰ জীৱনীভিত্তিক উপন্যাস ঃ

কোনো মহৎ লোকৰ জীৱনৰ আধাৰত ৰচিত উপন্যাসে জীৱনীমূলক উপন্যাস। জীৱনীমূলক উপন্যাসৰ বিষযবস্তু সাধাৰণতে প্ৰখ্যাত কোনো মহৎ লোকৰ জীৱনৰ পৰা গ্ৰহণ কৰা হয। যিজন ব্যক্তিৰ জীৱনৰ আধাৰত উপন্যাস লিখা হয সেই ব্যক্তিজন সমাজজীৱনৰ লগত অঙ্গাঙ্গীভাবে জড়িতহৈ থাকে। গতিকে নিপুণ ঔপন্যাসিকৰ হাতত ব্যক্তি-জীৱনৰ মাজেদি সমাজ-জীৱনৰ ছবিও জীৱনীমূলক উপন্যাসত স্পষ্ট হৈ উঠে। এই শ্ৰেণীৰ উপন্যাসত ঐপন্যাসিকে ব্যক্তিজনৰ জীৱন কল্পনাৰে পুনৰ্নিৰ্মাণ কৰে।

অসমীয়া জীৱনীভিত্তিক উপন্যাসৰ শুভাৰম্ভ ঘটে চৈয়দ আব্দুল মালিকৰ

তিনিটা খণ্ডত ৰচিত জ্যোতিপ্ৰসাদ আগৰৱালা জীৱনীভিত্তিক **ৰূপতীৰ্থৰ যাত্ৰী উপন্যাসৰ** যোগেদি। ১৯৬৩ চনত ৰচিত প্ৰথম খণ্ড আৰু ১৯৬৫ চনত ৰচিত দ্বিতীয় খণ্ডৰ কাহিনী ঔপন্যাসিকে শেষ কৰে ২০০০ চনত তৃতীয় খণ্ডৰ ৰচনাৰ যোগেদি তেওঁৰ দেহাৱসানৰ আগে আগে। ১৯৭৬ চনত মেদিনী চৌধুৰীৰ ৰচিত **বণ্ডুকা বেহাৰ** মহাপুৰুষ মাধৱদেৱৰ জীৱনীভিত্তিক প্ৰথম উপন্যাস। বিষ্ণুৰাভাৰ বৈচিত্ৰময় জীৱনৰ আধাৰত চৌধুৰীয়ে ১৯৮২ চনত ৰচনা কৰে **ফেৰেংগাদাও**। মহাপুৰুষ শংকৰদেৱৰ জীৱনভিত্তিক **ধন্য নৰ তনু ভাল** (১৯৮৭) মালিকৰ এখন সুখপাঠ্য উপন্যাস। একে বিষয়বস্তুৰে লক্ষ্মীনন্দন বৰাই ৰচনা কৰে **যাকেৰি নাহিকে উপাম** ১৯৯৩ চনত। ১৯৯৫ চনত ৰচিত তিলোত্তমা মিশ্ৰৰ **স্বৰ্ণলতা** আৰু নিৰুপমা বৰগোহাঞিৰ **অভিযাত্ৰী** দুখন উল্লেখযোগ্য জীৱনীমূলক উপন্যাস। নীলিমা দত্তৰ **বিদ্যুৎপ্ৰভা** (১৯৯৭) অন্য এখন জীৱনীমূলক উপন্যাস। ১৯৯৩ চনত তিনিখন জীৱনীমূলক উপন্যাস প্ৰকাশ হয়। প্ৰথমখন জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱনীভিত্তিক চন্দ্ৰপ্ৰসাদ শইকীয়াৰ **তোৰে মোৰে আলোকৰে যাত্ৰা**। অন্য দুখন প্ৰথিতযশা কথাশিল্পী চৈয়দ আব্দুল মালিকৰ উপন্যাস **প্ৰেম অমৃতৰ নদী** আৰু লক্ষ্মীনন্দন বৰাৰ **সেহি গুণনিধি**। দুয়োখন উপন্যাসেই মহাপুৰুষ মাধৱদেৱৰ জীৱনভিত্তিক।

মালিকৰ মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ জীৱনভিত্তিক উপন্যাস দুখন ক্ৰমে ধন্য নৰতনু ভাল আৰু প্ৰেম অমৃতৰ নদী। মহপুৰুষ দুজনাৰ বিস্তৃত জীৱন কাহিনী পোৱা যায় চৰিত পুথিসমূহত। চৰিত পুথিসমূহ মহপুৰুষ শংকৰদেৱ মাধৱদেৱ আৰু আন আন বৈষ্ণৱধৰ্ম প্ৰচাৰক সকলৰ জীৱনী সাহিত্য। এই গ্ৰন্থসমূহ ৰচনা কৰা হৈছিল শংকৰ-মাধৱৰ গুণমুগ্ধ শিষ্যসকলৰ দ্বাৰা। মহাপুৰুষ দুজনাৰ তিৰোভাৱৰ পিছত তেওলোকৰ কাৰ্য আৰু গুণাৱলী প্ৰচাৰ কৰাটো শিষ্যসকলে তেওলোকৰ কৰ্ত্তব্য বুলি ভাবিছিল। ধৰ্মীয় আলোচনাৰ লগতে সত্ৰাধিকাৰসকলে গুৰু দুজনাৰ গুণাৱলীও শিষ্যসকলৰ আগত বৰ্ণনা কৰিছিল। কিছুমান শিষ্যই গুৰুবন্দনা থকা কাহিনীসমূহ লিপিবদ্ধ কৰি পুথি ৰচনা কৰিছিল। এই পুথিসমূহেই চৰিত পুথি। চৰিত পুথিসমূহ ৰচনা কৰা হয় সোতৰশ শতিকাৰ পৰা ওঠৰশ শতিকাৰ ভিতৰত।

ৰূপতীৰ্থৰ যাত্ৰীৰে জীৱনীমূলক উপন্যাস ৰচনাত হাতদিয়া মালিকৰ দুখন সুখপাঠ্য জীৱনীমূলক উপন্যাস **ধন্য নৰ তনু ভাল** আৰু **প্ৰেম অমৃতৰ নদী**। উপন্যাস দুখনত মহাপুৰুষ দুজনাৰ জীৱনকাহিনীৰ লগতে চৰিত পুথিসমূহৰ দৰে সমসাময়িক সামাজিক ৰাজনৈতিক অৰ্থনৈতিক ধৰ্মীয় সাংস্কৃতিক জীৱন আৰু অসমৰ প্ৰকৃতিজগতৰ মনোৰম ছবি পোৱা যায়। শংকৰদেৱ আৰু মাধৱদেৱ দুয়োজন মহাপুৰুষৰ জীৱন একেডাল সূতাৰে গঁথা। এজনৰ পৰা আনজনক বিচ্ছিন্ন কৰিলে কাহিনী আধৰুৱা হয়। **ধন্য নৰ তনু ভালৰ** নায়ক শংকৰদেৱ হলেও মাধৱদেৱেও কাহিনীত ভূমিকা গ্ৰহণ কৰিছে। **প্ৰেম অমৃতৰ নদীৰ** নায়ক মাধৱদেৱ হলেও শংকৰদেৱৰ

প্ৰসঙ্গও বহুবাৰ আহিছে। ঔপন্যাসিকৰ সচেতনতা সত্বেও **প্ৰেম অমৃতৰ নদী** উপন্যাসত **ধন্য নৰ তনু ভাল**ৰ কিছু কথা পুনৰাবৃত্তি হৈছে।

ধন্য নৰ তনু ভালত ঔপন্যাসিকে হোজা গাঁৱলীয়া লোকৰ কথোপকথনৰ আৰু কাম-কাজৰ যোগেদি সমসাময়িক সমাজ-জীৱনৰ ছবি মূৰ্ত্ত কৰি তুলিছে। উপন্যাসৰ আৰম্ভণিতে কলিয়াবৰৰ পৰা মহেন্দ্ৰ কন্দলিৰ টোলত শিক্ষাগ্ৰহণ কৰা শংকৰৰ কাৰণে বাৰভূঞাৰ ঘৰলৈ সাঁচি গছৰ বাকলি ভাৰবান্ধি অনা দেহিৰাম আৰু ওচৰৰ মাছমৰীয়া গাঁৱৰ কণপাই আৰু গাঠলুৰ কথোপকথনৰ মাজেদি বাৰভূঞাৰ ঘৰ ওচৰৰ ব্ৰাহ্মণ গাঁৱৰ আৰু মাছমৰীযা লোকৰ সামাজিক জীৱনৰ আভাস পোৱা যায়। উপন্যাসখনৰ বিভিন্ন ঠাইত আৰ্থ-সামাজিক জীৱনৰ ছবি ফুটি উঠিছে।[৭]

ধন্য নৰ তনু ভালৰ নায়ক শংকৰদেৱ। শংকৰদেৱৰ বাল্যকাল মহেন্দ্ৰ কন্দলিৰ টোলত শিক্ষালাভ বিবাহ নামঘৰ প্ৰতিষ্ঠা চিহ্নযাত্ৰাৰ যোগেদি নাট্য-অভিনয় সাহিত্য ৰচনা মাধৱদেৱৰ সৈতে মিলন ধৰ্মপ্ৰচাৰ তীৰ্থযাত্ৰা আৰু দেহাৱসানলৈকে উপন্যাসৰ কাহিনীয়ে সামৰি লৈছে। মালিকৰ সহজ বৰ্ণনাভংগীয়ে সকলো ঘটনা সুখপাঠ্য কৰি তুলিছে।

উপন্যাসখনত শংকৰদেৱৰ সমসাময়িক ৰাজনৈতিক জীৱনৰ বিস্তৃত বিৱৰণ আছে। ভাৰতবৰ্ষৰ পূব প্ৰান্তৰ ভূমিখণ্ডৰ সমগ্ৰ অঞ্চলটোৰ চিনাকি দিব পৰাকৈ এটা নিৰ্দ্দিষ্ট নাম তেতিয়া নিৰ্ণয হোৱা নাছিল। যিটো অঞ্চল যিয়ে শাসন কৰে সেই শাসকৰ নামেৰেই ৰাজ্যখণ্ডৰ নামকৰণ কৰা হৈছিল। ভোট আঁকা ডফলা মৰান চুতীযা আহোম কছাৰী খাচী-জয়ন্তীয়া গাৰো কোচ কমতা ইত্যাদি ৰাজ্যত সেই সেই ৰজাই ৰাজত্ব কৰিছিল। আহোম ৰাজ্যত ৰাজত্ব কৰা ৰজাসকলৰ বিস্তৃত ৰাজনৈতিক জীৱনৰ বিৱৰণ আৰু শংকৰদেৱক কৰা বিভিন্ন লঘু-লাঞ্ছনাৰ বিৱৰণ উপন্যাসখনত আছে।

শিষ্ট সংস্কৃতিৰ লগতে লোক-জীৱনৰ অনেক সমল **ধন্য নৰ তনু ভাল**ত বিচাৰি পোৱা যায়। উপন্যাসৰ আৰম্ভণিতে আইচেনা টেম্বুৱানীৰ পানীত পৰা ঘটনাটো জলকুঁৱৰীৰ চকু পৰা বুলি বিশ্বাস কৰা আৰু পুৰণ বেজৰ হতুৱাই জৰা-ফুঁকা কৰা কথাখিনি লোকজীৱনৰ ওচৰচপা।[৮] পাৰ-পোৱালি কোমোৰাৰে নৈত পূজা দি জলকুঁৱৰীক সন্তুষ্ট কৰাত লোক-বিশ্বাস জড়িতহৈ আছে। শংকৰদেৱৰ সময়ত শাক্ত ধৰ্মত বিভিন্ন ধৰ্মীয় লোক বিশ্বাস জড়িত হৈ আছিল। ৰহিলা বুঢীয়ে দেৱীৰ আগত বলি যাবলৈ ওলোৱা ভোগীৰ ইচ্ছাক বাধা দিবলৈ সাধাৰণ মানুহে সাহস নকৰাৰ কথা কৈছে।[৯]

প্ৰাচীন অসমৰ সমাজ-ব্যৱস্থা ৰীতি-নীতি আৰু অন্ধ-বিশ্বাসৰ হুবহু বিৱৰণ উপন্যাসখনত আছে। কলংপাৰৰ বামুণ গাঁৱৰ পুৰণ বেজ— এই ক্ষেত্ৰত এটা উল্লেখযোগ্য চৰিত্ৰ। দেও-ভূত আলখনি যখিনী লগা মুনিহ-তিৰোতাক মন্ত্ৰ জাৰি বন দৰৱ খুৱাই ভাল কৰে পুৰণ বেজে। দাঁত পোকে খোৱা মানুহৰ দাঁত-মুখ জাৰি পোক উলিযায।

ৰাতিখোৱা সম্প্ৰদায়ৰ ক্ৰিয়া-কৰ্মৰ বিশদ বিৱৰণ উপন্যাসখনত আছে।[১০]

অসমীয়া মানুহে ঘৰতে কাপোৰ বোৱা বিবিধ ফুলবচা পাট পলু পোহা আদি কাম ঔপন্যাসিকে সুন্দৰভাৱে উপস্থাপন কৰিছে। ভূঞা খাতৰ তাঁতী গাঁৱৰ জীয়ৰী-বোৱাৰী সকলোৱে খেতি পথাৰৰ দিনকেইটা বাদ দি বছৰৰ সকলো সময়তে তাঁতশালখনত ব্যস্ত থাকে। জেতুকী সোণপাহী আৰু ৰহিলা বুঢীৰ কথোপকথনৰ মাজেদি উপন্যাসখনত জনসমাজৰ চিত্ৰ অংকণ কৰিছে। উপন্যাসখনত প্ৰকাশ পোৱা গ্ৰাম্য জীৱনো অতি মনোৰম। ডেকাগিৰি শংকৰৰ বিয়াৰ ছবিখন উপন্যাসখনত জিলিকি আছে। শংকৰে বিয়া কৰাবলৈ সন্মতি জনালে। কন্যা বুঢাখাঁৰ জীয়াৰী সূৰ্য্যৱতী। শংকৰৰ বিবাহ অনুষ্ঠানৰ লগত ৰজিতা খুৱাই অসমীয়া সাজ-পাৰ গহনা-গাঁথৰিৰ সুবহ ছবি এখন ঔপন্যাসিকে দাঙি ধৰিছে।[১১] ধন্য নৰ তনু ভালত ৰাধিকা শান্তিয়ে পলৰে পানী আনি টেম্বুৰানী জান বন্ধা অলৌকিক ঘটনাটো অন্য বাস্তৱ ঘটনাৰ দৰে মনোৰমকৈ বৰ্ণনা কৰিছে। এইক্ষেত্ৰত ঔপন্যাসিকৰ মন্তব্য উল্লেখযোগ্য।[১২]

শংকৰদেৱে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সংমিশ্ৰণক গঢ়ি তোলা নাট ভাওনাৰ কথা মালিকে উপস্থাপন কৰিছে ভোগৰি যোগেদি।[১৩] উপন্যাসখনৰ তৃতীয় খণ্ডত ঔপন্যাসিকে বৈষ্ণৱবাদৰ অভ্যুত্থান আৰু বিকাশৰ লগত সংগতি ৰাখি ইছলাম ধৰ্মৰ আগমন স্থিতি আৰু সম্প্ৰসাৰণৰ লেখ দিছে। ইছলামধৰ্মীসকলে বৈষ্ণৱসকলৰ দৰে অনাদি অনন্ত আৰু নিৰাকাৰ আল্লাৰ অস্তিত্বৰ ওপৰত একান্ত বিশ্বাস স্থাপন কৰে। ঔপন্যাসিকে হিন্দু মুছলমানৰ ধৰ্মীয় গণ্ডীৰ বাহিৰত মানৱ ধৰ্মৰ ওপৰতহে অধিক গুৰুত্ব দিছে। মানুহৰ মাত্ৰ এটাই ধৰ্ম— মানৱ ধৰ্ম। শংকৰদেৱক তেওঁ সৰ্বভাৰতীয় প্ৰেক্ষাপটত প্ৰতিষ্ঠা কৰিছে। শংকৰদেৱে অন্ত্যজ জাতিসমূহক নাম-ধৰ্মৰ মাজেদি এক নতুন সামাজিক মৰ্য্যদা দান কৰিছিল। শংকৰদেৱৰ উদ্দেশ্য আছিল কুসংস্কাৰমুক্ত এখন সমাজ গঢ়ি তোলা। দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণলৈ যাওতে শংকৰদেৱে ধৰ্মীয় গোড়ামীৰ বিৰুদ্ধে সৰৱ বিদ্ৰোহ ঘোষণা ঔপন্যাসিকে প্ৰেম ভ্ৰাতৃত্ব আৰু মৈত্ৰিৰ আদৰ্শৰ সন্ধান পাইছে।[১৪] শংকৰদেৱে সকলো জাতিৰ পৰিচয়ৰ উৰ্ধত মানুহৰ মানৱীয় পৰিচয় প্ৰতিষ্ঠা কৰিছে। শংকৰদেৱে প্ৰতিষ্ঠা কৰা নামঘৰৰ যোগেদিয়ে ঔপন্যাসিকে অসমীয়া সংস্কৃতিক সৰ্বভাৰতীয় দৰবাৰত প্ৰতিষ্ঠা কৰাৰ ইংগিত দিছে।[১৫] সাধাৰণ চহা লোকৰ কথোপকথনৰ মাজেদি ঔপন্যাসিকে শংকৰদেৱে প্ৰৱৰ্ত্তন কৰা বৈষ্ণৱ ধৰ্মৰ মহত্ব প্ৰকাশ কৰিছে। গম্ভীৰ আৰু তাত্ত্বিক আলোচনাৰ মাজে মাজে চহা লোকৰ ধেমেলীয়া কথা-বতৰাৰ মাজেদি শংকৰ-মাধৱৰ জনজীৱনৰ ওপৰত পৰা প্ৰভাৱ দেখুৱাবলৈ যত্ন কৰিছে।[১৬] শংকৰদেৱে সংস্কৃতত নিলিখি অসমীয়া ভাষাত লিখিবলৈ লোৱাৰ কাৰণ গৰখীয়া কলাইৰ যোগেদি ব্যক্ত কৰিছে। মালিকৰ সাৱলীল কথনভংগীয়ে ধন্য নৰ তনু ভালক এখন মনোৰম উপন্যাস কৰি তুলিছে।

মালিকৰ মাধৱদেৱৰ জীৱনভিত্তিক প্ৰেম অমৃতৰ নদী উপন্যাসখন ধন্য নৰ

তনু ভাল উপন্যাসৰ পৰিপূৰকহে। মনপৰশা প্ৰাকৃতিক সৌন্দৰ্য্যৰে আৰম্ভ কৰা উপন্যাসখনৰ প্ৰধান চৰিত্ৰ মাধৱদেৱ। মাধৱদেৱৰ পিতৃ গোবিন্দগিৰি বণ্ডুকাৰ শাসক প্ৰতাপনাৰায়ণৰ মজিন্দাৰ বিষয়া আছিল। পিছত বৰদোৱাৰ আলিপুখুৰীলৈ আহি বেপাৰ বাণিজ্য কৰি জীৱন নিৰ্বাহ কৰিছিল। বৰদোৱাত ভোটৰ অত্যাচাৰত তিষ্ঠিব নোৱাৰি গোবিন্দগিৰিয়ে পত্নী মনোৰমাক লৈ ৰৌতালৈ বুলি দোলৰে যাত্ৰা আৰম্ভ কৰিলে। দোলাভাৰীৰ দ্বাৰা সৰ্বস্বান্ত হৈ নাৰায়ণপুৰৰ উজীৰ হৰিশিঙা বৰাৰঘৰত আশ্ৰয় ল'ব লগা হয়। উত্তৰ লক্ষীমপুৰৰ হৰিশিঙা বৰাৰ ঘৰতে মাধৱৰ জন্ম হয়। মাধৱৰ প্ৰকৃতিপ্ৰেমিক ঔপন্যাসিতে মাধৱৰ চৰিত্ৰত দৈৱগুণো আৰোপ কৰিছে। মাধৱৰ বাস্তৱ-বুদ্ধিৰ পৰিচয পোৱা যায় এটা ঘটনাৰ মাজত। ঘাগৰি মাঝিৰ ঘৰলৈ যাওতে বাটতে এঘৰ মানুহৰ পাটপলুৱে এদিন পাত নোখোৱাত মানুহঘৰেকান্দি-কাটি হুৱাদুৱা লগালে। মাধৱে ডলাৰ পলুক কোমল পাত দিয়াত খালে। গৃহস্থই পলুৱে পাত খোৱাত আনন্দিত হৈ তেওলোকক এদিনৰ আশ্ৰয় দিলে।

মাধৱৰ যৌৱনত কৰ্মোদ্যম বেহা-বেপাৰ আধ্যাত্মিক চিন্তা আৰু শংকৰৰ লগ পোৱাৰ পিছত জীৱনৰ পৰিৱৰ্ত্তিত ৰূপ ঔপন্যাসিকে সুন্দৰকৈ উপস্থাপন কৰিছে। শংকৰদেৱক লগ পোৱাৰ আগলৈকে শাক্ত মাধৱৰ বিভিন্ন মঠ-মন্দিৰ দৰ্শনৰ বৰ্ণনা উপন্যাসখনত বিস্তৃতভাৱে আছে। শংকৰদেৱ আৰু মাধৱদেৱ দুয়োৰে ধৰ্মীয় দৰ্শন একে হলেও ব্যক্তিত্বৰ প্ৰভেদ আছে। শংকৰদেৱে সংসাৰ ধৰ্ম বজন কৰা নাছিল। তেও জীৱনত দুবাৰো বিযা কৰাই গৃহস্থীৰ জীৱন যাপন কৰিছিল যদিও গৃহস্থীৰ ভোগ-বিলাসত মত্ত নহৈ আধ্যাত্মিক চিন্তাত দিন কটাইছিল। মালিকে মাধৱদেৱৰ ব্যক্তিত্বৰ বিষয়ে মন্তব্য কৰিছে— মাধৱদেৱে সংসাৰৰ মাযামোহৰ পৰা নিজক আঁতৰাই ৰাখি আত্মাৰ মুক্তি সাধন কৰি গৈছিল। সেযা মাধৱ পুৰুষৰ নিজস্ব ব্যক্তিত্বৰ এক অক্ষয কীৰ্ত্তিস্তম্ভ।[১৭] ধন্য নৰ তনু ভালত মাধৱে বিযা কৰোৱা-নকৰোৱা কথাটো সহজকৈ কোৱা হৈছে— মাধৱক মনৰ বল থকা মানুহ বুলি। প্ৰেম অমৃতৰ নদীত বিযা নকৰোৱাৰ ক্ষেত্ৰত মাধনদেৱ দৃঢমনা।[১৮] ক্ষুদ্ৰ কলেৱৰৰ উপন্যাসখনত ঔপন্যাসিকে মাধৱদেৱৰ ব্যক্তিত্ব ফুটাই তুলিবলৈ সক্ষম হৈছে।

ৰূপতীৰ্থৰ যাত্ৰী ঃ

মালিকৰ **ৰূপতীৰ্থৰ যাত্ৰী** উপন্যাসে অসমীযা জীৱনী উপন্যাসৰ জয়যাত্ৰা সূচনা কৰিলে। তিনিটা খণ্ডত ৰচিত উপন্যাসখন অসমৰ মহান শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালাৰ কৰ্মময় জীৱনৰ পটভূমিত ৰচিত। উপন্যাসৰ নাযক জ্যোতিময জ্যোতিপ্ৰসাদৰে অন্য নাম।

ৰূপতীৰ্থৰ যাত্ৰীৰ প্ৰথম খণ্ড আৰম্ভ হৈছে জোতিপ্ৰসাদৰ ইউৰোপ যাত্ৰাৰ পৰা। ইটালীত গীত আৰু বাদ্যযন্ত্ৰৰ শিক্ষালাভ কৰি থাকোতে জ্যোতিময মিৰাণ্ডা নামৰ এগৰাকী সুন্দৰী শিল্পীৰ সান্নিধ্যলৈ আহে। সঙ্গীত সাধনাৰ সঙ্গী মিৰাণ্ডাৰ প্ৰতি

জ্যোতিপ্ৰসাদৰ দৈহিক আকৰ্ষণ নাথাকিলেও তেওঁক সঙ্গীত সাধনাৰ জীৱনজোৰা প্ৰেৰণা আগবঢ়াইছিল মিৰাগুাই। বিদেশৰ পৰা ঘূৰি আহি কথাছবি নিৰ্মাণৰ পৰিকল্পনা কৰি তেও 'জয়মতী' ছবিৰ প্ৰযোজনাৰ দায়িত্ব লয়। সেই সময়ত জ্যোতিৰ ঘৰৰ বনকৰা ছোৱালী চিলিৰ মাজত তেও চিত্ৰলেখাৰ স্বৰূপ উপলব্ধি কৰিবলৈ লৈছিল। চিলিৰো জ্যোতিৰ প্ৰতি আকৰ্ষণ আছিল। উপন্যাসৰ দ্বিতীয় খণ্ডত পলাতক অৱস্থাত জ্যোতিয়ে চিলিৰ ঘৰত আশ্ৰয় লৈ এটা নিবিড ৰাতি যাপন কৰিছিল।

জ্যোতিময়ে নিৰ্মাণ কৰা জয়মতী কথাছবিৰ ডালিমী চৰিত্ৰত অভিনয় কৰা ৰচনা নামৰ ছোৱালীজনীৰ প্ৰতিও তেও আকৰ্ষিত হৈছিল। কথাছবিত অভিনয় কৰাৰ কাৰণে জ্যোতিযে তাইক নানা কৌশলেৰে উপযুক্ত কৰি গঢ়ি তুলিছিল। কথাছবিত অভিনয় কৰাৰ বাবে সমাজত অৱহেলিত জীৱন যাপন কৰিব লগা এই ছোৱালীজনীৰ জীবনৰ সকলো দাযিত্ব তেও লৈছিল। ৰচনাই চিলিৰ দৰেই জ্যোতিক ভাল পাইছিল যদিও অপ্ৰকাশিত হৈয়ে ৰ'ল। কলিকতাত কথাছবিৰ শেষ কামখিনি কৰিবলৈ গৈ জ্যোতিয়ে উৎপল চৌধুৰী নামৰ ব্যৱসায়ীজনৰ কবলৰ পৰা ৰচনাক উদ্ধাৰ কৰিছিল। চৌধুৰীযে ৰচনাক পণ্যবস্তুৰূপে ব্যৱহাৰ কৰিবলৈ লোৱাত তেও অসন্তুষ্ট হয় আৰু সি দিয়া টকাৰ চেকখন চৰম অৰ্থাভাৱৰ সমযতো ঘূৰাই দিয়ে। এই কাল্পনিক ঘটনাটোৱে জ্যোতিৰ মহানুভৱতাৰ পৰিচয় দযে। কথাছবি নিৰ্মাণৰ অন্তৰায়-অৰ্থাভাৱৰ কথা উপন্যাসখনত আছে। কথাছবি নিৰ্মাণত ফণী শৰ্মা আৰু বিষ্ণুৰাভাৰ অৱদান উল্লেখ আছে।

ৰূপতীৰ্থৰ যাত্ৰীৰ দ্বিতীয় খণ্ড দেশৰ স্বাধীনতা আদোলনত জ্যোতিপ্ৰসাদৰ ভূমিকা আৰু পলাতক জীৱন যপনৰ কাহিনীৰে ৰচিত। ঔপন্যাসিকে জ্যোতিৰ পাৰিবাৰিক জীৱনৰ মধুৰতম বৰ্ণনাৰে দ্বিতীযখণ্ড আৰম্ভ কৰিছে। জ্যোতিময নিজে শিল্পী। চাৰিবছৰীয়া কন্যা অঞ্জলীকো শিল্পী কৰি তোলাৰ পৰিকল্পনা কৰিছে পত্নী সাৱিত্ৰীৰ লগত। তেওঁৰ দ্বিতীয় ছবি ইন্দ্ৰমালতীযে ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হ'ল। ইতিমধ্যে দেশৰ স্বাধীনতা আন্দোলনে তীব্ৰৰূপ ধাৰণ কৰিলে। স্কুলীয়া ছাত্ৰ থাকোঁতেই কংগ্ৰেছৰ আহ্বানত জ্যোতিময়ে দেশৰ স্বাধীনতা আন্দোলনত জপিয়াই পৰিছিল। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত সক্ৰিয়ভাবে অংশগ্ৰহণ কৰি কাৰাবৰণ কৰিছিল।

জ্যোতিময়ে পুনৰ দেশৰ মুক্তিক ব্ৰত হিচাপে গ্ৰহণ কৰিলে। জ্যোতিময় ভাষাত 'মই নেতা নহয় কৰ্মীও নহয় কেৱল ব্ৰতী। দেশৰ ৰাজনৈতিক মুক্তি মোৰ ব্ৰত। পৰাধীনতাত মানুহৰ আত্মাই মুক্তি লাভ কৰিব নোৱাৰে মুক্ত শিল্পী হবলৈ মুক্ত মানুহ হব লাগিব। তাৰ কাৰণে লাগে দেশৰ স্বাধীনতা ৰাজনৈতিক মুক্তি। [১৯] দেশৰ স্বাধীনতাৰ কাৰণে জ্যোতিময়ে আশ্ৰয় ললে বিপ্লৱৰ। গাঁৱে গাঁৱে মানুহ একত্ৰিত কৰি বিপ্লৱৰ বাণীৰে তেওঁলোকৰ মন স্বাধীনতাৰ ৰণত জপিয়াই পৰিবৰ কাৰণে আগ্ৰহী কৰি তুলিলে। স্বাধীনতা আন্দোলনৰ সমসাময়িকভাৱে দ্বিতীয় বিশ্বযুদ্ধৰ

ঘটনাই অসমতো প্ৰভাৱ পেলাইছিল। মহাসমৰকালীন অসমৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতিয়ে ব্যক্তি আৰু সমাজ জীৱনলৈ অনা পৰিৱৰ্তনসমূহৰ ইঙ্গিত ঔপন্যাসিকে দিবলৈ যত্ন কৰিছে। ইংৰাজ শাসনকালত অসমৰ জনসাধাৰণৰ দাৰিদ্ৰ্যৰ ছবিখন উপন্যাসখনত স্পষ্ট। তেজপুৰ অঞ্চলৰ স্বৰাজকৰ্মী আৰু আন্দোলনৰ চিত্ৰ কল্পনাৰ সহযোগত জীৱন্ত কৰি তোলা হৈছে। পলাতক অৱস্থাত জ্যোতিময়ে গাঁও অঞ্চলত লগ পোৱা চৰিত্ৰবিলাকো আকৰ্ষণীয়।

ৰূপতীৰ্থৰ যাত্ৰীৰ তৃতীয় খণ্ডৰ কলেৱৰ সৰু। দেশৰ স্বাধীনতাৰ পিছত জ্যোতিময় দুৰাৰোগ্য ৰোগত শয্যাশ্ৰয়ী হয়। জ্যোতিময়ৰ বিগতে জীৱনৰ ৰোমন্থনেৰে আৰু অন্তিম জীৱনৰ শোচনীয় পৰিস্থিতিৰ ইঙ্গিতেৰে তৃতীয় খণ্ড সামৰণি মৰা হৈছে। **ৰূপতীৰ্থৰ যাত্ৰীৰ** জ্যোতিপ্ৰসাদৰ জীৱনৰ বিভিন্ন দিশ পোহৰলৈ আহিছে। জ্যোতিপ্ৰসাদৰ শিল্প-চেতনা বিপ্লৱী-চেতনা সাহিত্যকৃতি আৰু প্ৰগতিবাদী ভাৱধাৰা উপন্যাসখনত চিত্ৰিত হৈছে।

জীৱনীমূলক উপন্যাস ৰচনাত মালিক সফল হৈছে। শংকৰদেৱৰ জীৱনীভিত্তিক **ধন্য-নৰ তনু ভালত** মালিকে চৰিত পুথিত প্ৰকাশিত শংকৰদেৱৰ ব্যক্তিত্ব আৰু আদৰ্শ নিখুঁটভাবে দাঙি ধৰিছে। শংকৰদেৱক মানুহ হিচাপে প্ৰতিষ্ঠা কৰাত ঔপন্যাসিক সফল হৈছে। **প্ৰেম অমৃতৰ নদীত** মালিকে ক্ষুদ্ৰ পৰিসৰত মাধৱদেৱক এজন উদাৰ বিনয়ী প্ৰতিভাশালী শিল্পীৰূপে অংকণ কৰিছে। অবিবাহিত মাধৱদেৱৰ চৰিত্ৰৰ অন্যতম বৈশিষ্ট্য— নাৰীৰ প্ৰতি মাতৃজ্ঞান মালিকে সহৃদয়তাৰে দাঙি ধৰিছে। ৰূপতীৰ্থৰ যাত্ৰী চৈয়দ আব্দুল মালিকৰে নহয় অসমীয়া সাহিত্যৰে প্ৰথম জীৱনীমূলক উপন্যাস ৰচনাৰ এক শক্তিশালী পদক্ষেপ। তিনিওজন প্ৰথিতযশা মহান পুৰুষ শংকৰদেৱ মাধৱদেৱ আৰু জ্যোতিপ্ৰসাদৰ জীৱনীভিত্তিক উপন্যাস কেইখন মালিকৰ শ্ৰেষ্ঠ উপন্যাস সমূহৰ ভিতৰত অন্যতম।

বিভূতিভূষণ আৰু মালিকৰ উপন্যাস ৰীতিৰ নিজা বিশেষত্বসমূহৰ তুলনা কৰিলে দেখা যায় যে বিভূতিভূষণৰ অলৌকিক ভাৱৰ ৰচনা-ৰীতি মালিকৰ উপন্যাসত অনুপস্থিত। বিভূতিভূষণৰ ৰহস্যময় ধ্যান-ধাৰণা সূক্ষ্ম অনুভৱৰ ফলশ্ৰুতি। পৰলোকৰ প্ৰতি থকা ধাৰণা বিভূতিভূষণৰ উচ্চ পৰ্য্যায়ৰ আৰু কাব্যিক গুণসম্পন্ন। এনে সূক্ষ্ম কাম মালিকৰ উপন্যাসত পোৱা নাযায়।

জীৱনীমূলক উপন্যাস ৰচনা মালিকৰ এক গুৰুত্বপূৰ্ণ উদ্ভাৱন। বিভূতিভষণৰ ৰচনাত জীৱনীমূলক উপন্যাস নাই। তিনিজন বিশিষ্ট ব্যক্তিক লৈ উপন্যাস ৰচনা কৰি মালিকে তেওলোকৰ ব্যক্তিত্ব লোকমানসত অধিক উজ্জ্বল কৰি তুলিছে। উপন্যাস কেইখনিত ঐতিহাসিক গুণ আৰু কলাযুগ দুযোটাই আছে।

বিভূতিভুষণে আধ্যাত্মচেতনা প্ৰধান **দেবযান** আৰু মালিকৰ জীৱনী উপন্যাস তিনিখনে নিজ নিজ ভাষা সাহিত্যক সমৃদ্ধ কৰিছে। এই দুয়োটা দিশত দুয়োজনৰ মাজত তুলনা সম্ভৱ নহয় যদিও দুযোজনৰে অৱদানসমূহৰ গুৰুত্ব সমান বুলি প্ৰতীয়মান

কৰিব পাৰি।

বিভূতিভূষণৰ উপন্যাসৰ কথনভংগী ঃ

বিংশ শতাব্দীৰ বাংলা প্ৰথিতযশা সাহিত্যকসকলৰ ভিতৰত বিভূতিভূষণ বন্দোপাধ্যাযৰ নাম অন্যতম। ১৯২৯ চনত প্ৰকাশিত **পথেৰ-পাঁচালী** ৰচনাৰে বাংলা উপন্যাস সাহিত্যত প্ৰতিষ্ঠা লাভ কৰা বিভূতিভূষণে তেওঁৰ উপন্যাসৰ কথনভংগীৰ জৰিযতে বাংলা ভাষাৰ এক নিটোল ৰূপ ধৰি ৰাখিবলৈ সক্ষম হৈছে।

বৰ্ণনাৰ চিত্ৰ ধৰ্মীতাই বিভূতিভূষণৰ উপন্যাসক এক অনন্য সৌন্দৰ্য্য প্ৰদান কৰিছে। তেওঁৰ প্ৰথম উপন্যাস **পথেৰ-পাঁচালীত** অপু-দুৰ্গাৰ নিশ্চিন্দিপুৰৰ ঘটনাসমূহ ছবিৰ নিচিনাকৈ গাঁথি যোৱা হৈছে। **পথেৰ-পাঁচালী** গঠনত পাঠকে নিশ্চিন্দিপুৰৰ আমবাগান পুখুৰীৰ পাৰ নদীৰ ঘাট যাত্ৰাৰ আসৰ সকলোতেই ঘূৰিব লাগিব অপু-দুৰ্গাৰ পিচে পিচে। অপু-দুৰ্গাৰ অঞ্জনসনা দৃষ্টিৰে পাঠক ঘুৰি যাব পাৰে শৈশৱলৈ। শিওৰ চকুৰে জগত দেখাৰ এই প্ৰৱণতা বাংলা সাহিত্যত অভিনৱ। নিশ্চিন্দিপুৰৰ প্ৰতিটো বৰ্ণনাই পাঠকৰ চকুত ছবিৰ নিচিনাকৈ স্পষ্টকৈ জিলিকি থাকে। এক একবাৰ ঝিমঝিমে হাওয়ায কত কি লতাপাতাৰ তিক্ত মধুৰ গন্ধ ভাসিয়া আসে ঠিক দুপুৰবেলা অনেক দূৰেৰ কোনো বড গছেৰ মাথাৰ উপৰ হইতে গাঙচিত টানিয়া ডাকে যেন এই ছোট গ্ৰামখনিৰ অতীত-বৰ্ত্তমান সমস্ত ছোটখাটে সুখ-দু খ শান্তি দ্বন্দ্বেৰ জৰ্দ্ধ শৰৎ মধ্যাহ্নেৰ ৰৌদ্ৰভৰা নীল নিৰ্জন আকাশ পথে এক উদাস গৃহবিৰাগী পথিক দেৱতাৰ সুকণ্ঠেৰ আবদাৰ দূৰ হইতে দূৰে মিলাইয়া চলিয়াছে। [20] আৰু এখন ছবি— তাহাৰ পৰে সকলে গিযা ঘুমাইয়া পডে। ৰাত্ৰি গভীৰ হয। ছাতিম ফুলেৰ উগ্ৰ সুবাসে হেমন্তেৰ আঁচলগা শিশিৰাৰ্দ্ৰ নৈশ বাযু ফুৰাইয়া যায়। মধ্য ৰাত্ৰে বেণুবনশীৰ্ষ কৃষ্ণপক্ষেৰ চাঁদেৰ ম্লান জ্যোৎস্না উটিযা শিশিৰ সিক্ত গাছ পালায় ডালে-পাতায় চিকমিক কৰে। আলো-আঁধাৰেৰ অপৰূপ মাযাম বনপ্ৰান্ত ঘুমন্ত পৰীৰ দেশেৰ মত ৰহস্যভৰা। শন্‌শন্ কৰিযা হঠাৎ হযতো এক ঝলক হাওয়া সোঁদলিৰ ডাল দুলাইয়া তেলাকুচো— কোপেৰ মাথা কপাঁইয়া বহিযা যায়। [21] **পথেৰ-পাঁচালীৰ** প্ৰতিটো পৃষ্ঠাতে এনে ছবি বিদ্যমান। বিভূতিভূযণে এই চিত্ৰসমূহ প্ৰাণৰ সকলো আৱেগ-স্নেহেৰে আঁকিছে। তেওঁৰ তুলিকাৰ স্পৰ্শ অতি নিপুণ। উজ্জ্বল আৰু অপটু ৰেখাপাতে চিত্ৰমালাৰ কোনো অংশকে আমনিলগা কৰা নাই। যি ভাষা আৰু লিখনভংগীৰ সহাযত বিভূতিভূষণে এই চিত্ৰমালা আঁকিছে তাৰ সহজ-সৰল গতিত পাঠকে নিজকে বিচাৰি পায।

বিভূতিভূষণৰ প্ৰায সকলো ৰচনাতে কবি বিভূতিভূষণৰ পৰিচয় আছে। আৱেগপ্ৰৱণ গদ্য আৰু কাব্য প্ৰায় অভিন্ন। **পথেৰ-পাঁচালীৰ** প্ৰতিটো পৃষ্ঠাতেই আৱেগৰ ঝংকাৰ আছে।[22] বাক্যগুণৰ কাৰণেই বিভূতিভূষণৰ সাহিত্য সুখপাঠ্য হৈ পৰিছে। **পথেৰ-পাঁচালীৰ** প্ৰায় সকলো কাব্যিক বৰ্ণনাই পাঠকক আনন্দত আপ্লুত কৰি ৰাখিব পাৰে।

অপৰাজিতৰ অপুৰ বাল্যস্মৃতি ৰোমন্থন আবেগপ্ৰৱণ কৰিৰ দৰে— 'মধুৰ প্ৰভাতেৰ পদ্মফুলেৰ মত ছিল দিনগুলা। - আকাশ ছিল নির্মল বাতাসকি শান্ত নবীন উৎসাহ ভৰা মধুছন্দ। মধুৰ নিশ্চিন্দিপুৰ। মধুৰ ইছামতীৰ কালমৰ্মৰ। মধুৰ তাহাৰ দু খী দিদি দুৰ্গাৰ স্নেহভৰা ডাগৰ চোখেৰ স্মৃতি। কত দুৰ ক–ত দূৰে চলিয় গিয়াছে সে দিনেৰ জীৱন। খেলাঘৰেৰ দোকানে নোনা পাতাৰ পান বিক্ৰী সেই সতুদাৰ মাকাল ফল চুৰি কৰিয়া দৌৰ দেওয়া। [২৩]

বিভূতিভূষণৰ ৰচনাশৈলীৰ এটা প্ৰধান বিশেষত্ব হৈছে ভাষাৰ সহজ-সৰল প্ৰকাশ। ভাষাৰ সৰলতাই তেওঁৰ ৰচনাক সজীৱ কৰি তুলিছে। বিভূতিভূষণৰ বৰ্ণনা সাৱলীল। **পথেৰ-পাঁচালীৰ** সৰ্বজয়াৰ প্ৰাঞ্জল কথনভংগীয়ে পাঠকক আপ্লুত কৰে। সৰ্বজয়া বলিল— এলে এসো ভাত তৈৰী। খেয়ে আমায় উদ্ধাৰ কৰো— তাৰ পৰ আবাৰ কোন দিকে বেৰুতে হবে বেৰোও। বৈশেখ মাসেৰ দিন সকলেৰ মেয়ে দ্যাখো গে যাও সেঁজুৰি কৰছে, শিৱপূজো কৰচে— আৰ অত বড ধাডী মেয়ে দিন ৰাত কেৱল টো টো সে সকাল হতে না হতে বেৰিয়েচে আৰ এখন এই বেলা দুপুৰ ঘূৰে গিয়েছে— এখন এল বাডী। মাথাটাৰ চিৰি দ্যাখো না। না একটু তেল দেওয়া— না একটু চিৰুনি ছোঁয়ানো— কে বলবে বামুনেৰ মেয়ে। [২৪] সৰ্বজযাৰ এই কথনভংগীৰলগত মালিকৰ **সূৰুযমুখীৰ স্বপ্নৰ** গুলচৰ মাকৰ কথনভংগীৰ মিল আছে।

বিভূতিভূষণৰ উপন্যাসৰ অন্যতম বৈশিষ্ট্য হ'ল প্ৰকৃতিৰ সাৱলীল বৰ্ণনা। দিনলিপিসমূহতো তেও বাৰে বাৰে বাংলা প্ৰকৃতিৰ মোহনীয় ৰূপ বৰ্ণনা কৰিছে। প্ৰকৃতি আৰু নিৰ্জনতাপ্ৰিয় বিভূতিভূষণে **পথেৰ-পাঁচালী অপৰাজিত** আৰু **আৰণ্যক** গ্ৰন্থত বাংলা প্ৰকৃতিক কল্পনাৰ আলোকেৰে আলোকিত কৰি উপস্থাপন কৰিছে।

পথেৰ-পাঁচালীত বিভূতিভূষণে বাংলাৰ গ্ৰাম্য প্ৰকৃতিৰ মাজত অপু-দুৰ্গাক বিচৰণ কৰাই এই বালক-বালিকাৰ দৃষ্টিৰে নিশ্চিন্দিপুৰৰ প্ৰকৃতিৰ সৌন্দৰ্য্য ধৰি ৰাখিবলৈ যত্ন কৰিছে। গোটেই উপন্যাসখনত নিশ্চিন্দিপুৰৰ প্ৰকৃতিৰ সেউজীয়া বোল লাগি আছে। হৰিহৰৰ ভগা খেৰী ঘৰ প্ৰকৃতিৰ নিৰ্জনতাৰ মাজত। ঔপন্যাসিকৰ সজীৱ বৰ্ণনাই নিৰ্জনতা প্ৰকাশ কৰাত সফল হৈছে।[২৫] **অপৰাজিতৰ** অমৰকণ্টক পাৰ্বত্য অঞ্চলৰ অৰণ্য বৰ্ণনাই পাঠকক মুগ্ধ কৰে।[২৬]

আৰণ্যক বাংলা সাহিত্যত প্ৰথম আৰু একমাত্ৰ প্ৰকৃতিবিষয়ক উপন্যাস। প্ৰকৃতি ইযাত এটা চৰিত্ৰৰ সমানেই জীৱন্ত। অৰণ্য প্ৰকৃতিৰ ৰহস্য আৰু বিস্ময়বোধ অলৌকিক আৰু অবিশ্বাস্য বিভিন্ন কাহিনী আৰু অৰণ্যমনৰৰ নিভাঁজ সৰলতাৰ বৰ্ণনাৰে উপন্যাসখন ভৰপূৰ। দিকচক্ৰবালে দীৰ্ঘ নীলৰেখা মতো পৰিদৃশ্যমান এই পাহাড ও বন দুপৰি বিকালে সন্ধ্যায কত স্বপনে আনে মনে। এৰ জ্যোৎস্না এৰ বন-বনানী এৰ নিৰ্জনতা এৰ ৰহস্য এৰ সৌন্দৰ্য্য এৰ মানুষজনৰ পাখীৰ ডাক বন্য

ফুলশোভা— সবই মনে অদ্ভুত। মনে এমন এক গভীৰ শান্তি ও আনন্দ আনিয়া দেয় জীৱনে যাহা কখনো কোথাও পাই নাই। তাৰ উপৰে বেশি কৰিয়া অদ্ভুত লাগে ওই মহালিখাৰূপেৰ শৈলমালা ও মোহনপুৰ ৰিজার্ভ ফৰেষ্টৰ সীমাৰেখা চক্ৰ অৰণ্য প্ৰকৃতিৰ এক নিজস্ব সৌন্দৰ্য্য আছে। বিভূতিভূষণৰ মনোৰম প্ৰকাশভঙ্গীত এই সৌন্দৰ্য্য আৰু উজ্জ্বল হৈ জিলিকি উঠিছে।

গ্ৰাম্য পৰিবেশ বৰ্ণনাত বিভূতিভূষণৰ ভাষাই প্ৰাণ পাই উঠে। গাঁৱৰ জীৱনক তেওঁ হৃদয়েৰে ভাল পায়। **পথেৰ-পাঁচালীত** গ্ৰাম্য জীৱনৰ চিত্ৰণ অতি সজীৱ আৰু স্পষ্ট ৰূপত দাঙি ধৰা হৈছে। গাঁৱলীয়া জীৱনৰ বিচিত্ৰ ৰূপ প্ৰতিভাত হৈ উঠা উপন্যাসখনত আছে গাঁৱলীয়া মানুহৰ আচাৰ-বিচাৰ চাল-চলন জাত-পাত বিচাৰ কু-সংস্কাৰ অভাৱে আৱৰি থকা সংসাৰৰ শ্ৰীহীন ৰূপ পৰনিন্দা-পৰচৰ্চা আদি জীৱনৰ অকল্যাণকৰ প্ৰবৃত্তি সমূহৰ আনুপুংখ বিৱৰণ। গ্ৰাম্য মানুহৰ অজ্ঞতা নিৰ্মমতা সৰলতা আতিথ্য সৌহাদ্য আৰু গ্ৰাম্য প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য্যৰ বৰ্ণনাই উপন্যাসখনক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে। গ্ৰাম্য প্ৰকৃতিৰ সৌদৰ্য্যৰ বৰ্ণনাই উপন্যাসখনক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে।

বঙালী জনজীৱনৰ লগত জড়িত বিভিন্ন ৰূপকথা লোকগীত (ছড়া)[১] সাঁথৰ (উক্তি)[২] পটন্তৰ[৩] বিভূতিভূষণৰ উপন্যাসত সততে দৃষ্টিগোচৰ হয়।

মালিকৰ উপন্যাসৰ কথনশৈলী ঃ

মালিকৰ ৰচনাত এটা আকৰ্ষণীয় গুণ হ'ল তেওঁৰ সাৱলীল কথনভংগী। বিংশ শতাব্দীৰ বিৰল প্ৰতিভাৰ অধিকাৰী মালিকে প্ৰায় যাঠি বছৰৰো অধিক কাল সাহিত্য সাধনাৰে অসমীয়া সাহিত্যলৈ বিভিন্ন দিশত অবদান আগবঢাই থৈ গ'ল। মালিকৰ কথনভংগীৰ এক নিজস্ব ষ্টাইল আছে। অসমীয়া ভাষাৰ ওপৰত থকা দখলে মালিকৰ ৰচনাকে উৎকৃষ্ট সাহিত্যৰূপে পৰিচয় প্ৰদান কৰিছে। ভাষাৰ ক্ষেত্ৰত সাৱলীল হ'লে সাহিত্য পাঠকৰ বাবে গ্ৰহণযোগ্য আৰু সুখপাঠ্য হৈ পৰে। মালিকৰ উপন্যাসসমূহ কথনভংগীৰ মাধুৰ্য্যই অনুপম কৰি তুলিছে।

মালিকৰ উপন্যাসৰ কথনভংগীৰ এটা মন কৰিবলগীয়া বিশেষত্ব হ'ল শব্দ প্ৰয়োগৰ আৰু বৰ্ণনাৰ স্বকীয়তা। তেওঁলোকৰ সুখপাঠ্য উপন্যাস **সূৰুযমুখীৰ স্বপ্ন** আৰম্ভ কৰিছে ডালিম গাঁৱৰ এক মনোৰম বৰ্ণনাৰে। সেইখনে কথা কয়। বহুত পুৰণি কথা। কথাবোৰ দুয়োপাৰৰ গৰাত লাগি ৰয়। বিৰিণাৰ পাতত বহুদিনলৈ লাগি থাকে।

কেইবা শ বছৰ পুৰণা গাঁও। আলৰ বুঢ়া বৰগছ কেইজোপা তাৰ সাক্ষী হৈ পাৰৰ জয়াৰ মৰিশালীখন তাৰ সাক্ষী।[২৮] ঔপন্যাসিকৰ বৰ্ণনাত ধনশিৰীপৰীয়া ডালিম গাঁওখন ছবিৰ নিচিনাকৈ পাঠকৰ চকুৰ আগত জিলিকি উঠে। শব্দপ্ৰয়োগত মালিকৰ মন কৰিবলগীয়া বিশেষত্ব হ'ল শব্দৰ বিচিত্ৰতা। তৎসম অৰ্ধতৎসম তদ্ভৱ শব্দৰ মাজে মাজে ইংৰাজী আৰু আৰবী পাৰ্চীমূলীয়া শব্দ ব্যৱহাৰ কৰি তেওঁ বৰ্ণনীয়

বিষয়ক স্পষ্ট কৰি তোলে। **সুৰুযমুখীৰ স্বপ্নৰ** চন্দ্ৰৰ কথা বতৰাই পাঠকক আমোদ দিয়ে। বিশেষ বিশেষ শব্দ প্ৰয়োগত যেনে আব্বাজান মাহিটি খাদা আল্লা দুনিয়া নামাজ ৰোজা নিকাহ আদি শব্দ প্ৰয়োগৰ দ্বাৰা মুছলমান সমাজৰ ধৰ্মীয় সংস্কৃতিক স্পষ্ট কৰি তুলিছে।

প্ৰসঙ্গৰ লগত মিলাই ফকৰা যোজনা আৰু পটন্তৰ ব্যৱহাৰ কৰিব পৰাটো মালিকৰ কথনভংগীৰ অন্য এক বিশেষত্ব। বামুণেই মৰক বা লগুনেই ছিগক নৈয়ে নৈয়ে বাট বাটে বাটে ঘাট তিৰি নদী ভাটো কোৱা এই চাৰিৰ আসে নোপোৱা শালক শিঙিয়ে হাঁহে দুই ম্হৰ যুঁজ লাগে মজত বিৰিণাৰ মৰণ আভোকৰ নমুঠিয়েই আঁটিছে, ল'ৰাই পানী পেলায় বৰে পিছলি পৰে পলৰীয়া গৰুৰ বাটে বাটে ঘাঁহ কটাৰি ধৰাবা শিলে তিৰোতা বলাবা কিলে গৰুৰ আগত টোকাৰি বায় শিং জোকাৰি ঘাঁহ খায় আদি ঘৰুৱা প্ৰৱচনসমূহ মালিকৰ উপন্যাসত সততে চকুত পৰে। লোকসাহিত্যৰ অন্তৰ্গত বিভিন্ন গীত-মাতৰ যথাযথ প্ৰয়োগে মালিকৰৰ উপন্যাসক এক নতুন মাত্ৰা দিছে।

মালিকৰ কথনভংগীৰ অন্য এটা বিশেষত্ব হ'ল— শব্দ প্ৰয়োগৰ বিশেষ কৌশলেৰে সৃষ্টি কৰা হাস্যৰস। সাধাৰণ কথাটোকে পোনপটীয়াকৈ নকৈ পাক লগাই বৰ্ণনা দীঘলীয়া কৰাটো মালিকৰ উপন্যাসৰ কথনভংগীৰ বিশেষ বৈশিষ্ট্য। কেতিয়াবা এনে হাস্যৰস নিৰ্দোষ আমোদৰ খোৰাক নহৈ ব্যঙ্গাত্মক হৈ পৰে। মালিকৰ **উইহাফলু** উপন্যাসৰ কৰম আলি এটা হাস্যৰসাত্মক চৰিত্ৰ। উপন্যাসৰ আৰম্ভণিতে কৰম আলিৰ সাজপাৰ চশমাযোৰ চাইকেলখন আৰু চাইকেল চলোৱাৰ ধৰণৰ বিৱৰণে হাস্যৰসৰ যোগান ধৰে। কৰম আলিৰ প্ৰতি দিয়া লেখকৰ বহুতো মন্তব্যই তথাকথিত ডাক্তৰৰ চিকিৎসাৰ প্ৰতি কটাক্ষপাত কৰিছে— কিন্তু আজিলৈকে তেওৰ দাৱাই খাই বা বেজী লৈ কোনোবা মৰিছে বুলিও ক'ব নোৱাৰি। কৰম আলি ডাক্তৰ কি ৰুস্তম পালোৱান যে যমৰ হাতত ধৰি নিব খোজা জীউটো কাটি ৰাখিব।[২৯] কৰম আলিৰ বিয়াৰ ঘটনাটো হাস্য ৰসাত্মক। থোপোকা উকীলৰ ঘৰলৈ অহাযোৱা কৰোঁতে তাৰে এজনীৰ প্ৰেমত পৰিছিল ডাক্তৰ। উকীলে যেতিয়া বিয়াৰ প্ৰস্তাৱ দিলে ডাক্তৰে বন্ধু বান্ধৱৰ সহযোগত ভোজ-ভাতৰ দিহা কৰি বিয়া পাতিলে। বিয়াৰ পিছত কইনাৰ ওৰণি ডাঙি কৰম আলি আচৰিত হ'ল। সেইজনী ডাক্তৰে চিকিৎসা কৰি ভাল কৰা ছোৱালীজনীহে।

মালিকৰ উপন্যাসৰ বাক্য গাঁঠনিৰ এটা নিজস্ব শৈলী আছে। তেওৰ উপন্যাসৰ প্ৰায়বোৰ বাক্যই চুটি চুটি আৰু সৰল। উপন্যাসৰ কাহিনী আগবঢ়াই নিওতে যেতিয়াই মালিক আৱেগিক হৈ পৰে তেতিয়াই তেওৰ স্বাভাৱিক বাক্য গঠনে কাব্যিক ৰূপ লয়। উদাহৰণ স্বৰূপ— শীৰ্ণ ধনশিৰি ফটিক নীলা পানী তৰাং শুকান গঢ়াবোৰ থিযদি আছে। সিহঁতৰ বুকুত আকণ্ঠ তৃষ্ণা। ধনশিৰি এদিন ওফন্দি আহিব সিহঁতৰ

ওকান বুকু তিযাই দিব। নৈৰ বালিত পানী বিচাৰি অহা বনহৰিণীৰ খুৰাৰ খোজ। সিহঁত জাক পাতি আহে পানী খায গুচি যায়। পাখী নকপোৱাকৈ শগুণবোৰ অকলে অকলে মেঘহীন আকাশৰ বুকুত উৰি ফুৰে।[৩০] নল বিৰিণা খাগৰিৰ মৌজুৰি নদীৰ বানপানীৰ বৰ্ণনাও কাব্যিক। মৌজুৰিৰ পানী নীলা কজলা বৰনৈৰ পানী বগা নিমিলে। বৰহমপুতৰৰ পানী আহি আহি পিয়ালি পাইহি এৰাতিমান তাতে থমক মাৰি বৈ থাকে তাৰ পিছত নামঘৰৰ ভেটিৰ মাটি গালে মুখে সানি লৈ মণিকুট চুই সিংহাসনলৈ নিলগৰে পৰা সেৱা এটা জনাই আকৌ ঘূৰি যায়।[৩১] এযা যেন সহজ সৰল ভাষাত লিখা এক প্ৰকাৰৰ কবিতাই। বিশিষ্ট সমালোচক ড নগেন শইকীয়াদেৱৰ মন্তব্য এই ক্ষেত্ৰত প্ৰণিধানযোগ্য   তেওঁৰ যিকোনো এখন উপন্যাস বা যিকোনো এটা গল্প মেলি লওক দেখিব আৰম্ভণিযেই কেৱল কাব্যিক নহয শেষ পৰ্য্যন্ত তাত যি সামগ্ৰিক প্ৰতীতি আৰু আবেদন তাৰ মাজতো কাব্যিক উপলব্ধি আৰু অনুভৱেই ঝংকৃত হৈছে।[৩২]

তথাকথিত গ্ৰাম্য সমাজত প্ৰযোগ হোৱা কিছুমান শব্দই মালিকৰ উপন্যাসসমূহক গ্ৰাম্য পৰিবেশ প্ৰকাশ সহায কৰছে। বৰহমপুতৰ নিলগ নিগাজী ৰিং উদং বিৰিঙানি বৰবিল খেতৰ যখ টকালি খকাখুন্দা তেওজৰ বছ্ৰ বঢা-টুটা কেৰেচ বিয়াগোম জয জননী কৌটিকলীযা গোপালপিতা গেজেপনি কিৰিষি আজলমথালি আদি শব্দবোৰ গ্ৰাম্য পৰিবেশৰ লগত খাপ-খাই পৰিছে। গ্ৰাম্য-পৰিবেশৰ লগত সংগতি ৰাখি চৰিত্ৰৰ মুখত অশ্লীল শব্দও তেও ব্যৱহাৰ কৰিছে।

মালিকৰ উপন্যাসৰ জনপ্ৰিযতাৰ মূলতে আছে তেওৰ ৰোমাণ্টিক প্ৰেমেৰে উজ্জল গাঁওভিত্তিক লোকজীৱনৰ পটভূমি আৰু যোজনা-পটন্তৰেৰে সমৃদ্ধা জতুৱা ঠাঁচযুক্ত কথনভংগী। 'পাটীত পৰি মাকে অলপ সৰু মাতেৰে নিজকে কোৱাদি ক'ল— লগৰ আটাইবোৰে বিয়া কৰালে ল'ৰা বাপুকী হ'ল। বা-বলাই ফুৰিলে ঘৰ হবনে? মন থিৰ কৰিব লাগে তেহে। হলিগৈ পদুলিশুঙাৰ সাঁচ। গোট ডেকা মানুহটো ঘৰলৈ চকু দিবৰ মন নাই টলৌ টলৌ ঘূৰি ফুৰিলেই ঘৰ হ'ব ভাত কাপোৰ হব।[৩৩] **সূৰুযমুখীৰ স্বপ্নৰ** গুলচৰ মাকৰ গ্ৰাম্য ঠাঁচযুক্ত এই স্বাভাৱিক কথাই গ্ৰাম্য সমাজৰ ছবি এখন দাঙিধৰাত সফল হৈছে। **নল বিৰিণা খাগৰিৰ** কথনভংগী জনজীৱনৰ আৰু ওচৰচপা 'শিকায মৌকুৰিৰ ঘাটে বৰবিলৰ বোকাই বৰহমপুতৰ বালিযে শিকায় লহপহীযা সেউজীযা ধাননি পথাৰে জহালি জহালি গোন্ধোৱা কাতিমহীযাৰ গেৰমেলা ধানে আঘোণ-পুহৰ সোণবৰণীযা ঠোক ওলমি মাটিলৈ হালি অহা পকা ধাননিযে।
পথাৰখনেই পঢাশালি ঘৰৰ মজিযাখনেই ঋষি-মুনিৰ আশ্ৰম।[৩৪]

অৱহেলিত নিপীড়িত মাটিহীন কৃযকৰ জীৱন কাহিনীৰ ওপৰত ভিত্তি কৰি লিখা **পছমৰা হাবিৰ বাট** উপন্যাসত লেখকৰ ভাযাই ক্ষুৰধাৰ ৰূপ লৈছে "টকা-চকা দিবলৈ নাই। এইখন আমাৰ দেশ। এই দেশৰ মাটি আমাৰ মাটি আমাৰ মাটিত আমি

খেতি কৰিম তাৰ কাৰণে কুকুৰ পোৱালিহঁতক ঘোচ দিবলৈ যাম কেলেই? [৩৫] সুবিধা বুজি ঔপন্যাসিকে তথাকথিত চৰকাৰৰো সমালোচনা কৰিছে কঠোৰ ভাষাৰে। যোৱা কুৰি বছৰে চৰকাৰটোৱে আমাৰ কাৰণে খেতিয়কৰ কাৰণে কি ফুটুকাৰ ফেনটো কৰিলে? মাটিৰ খাজনা উঠাই দিম বুলি কৈছিলে নহয় দিলে?[৩৬] স্বাধীনতাৰ কুৰি বছৰৰো পিছতো দেশৰ চৰকাৰে সাধাৰণ লোকৰ কাৰণে ভাবিবলৈ অৱসৰ নোপোৱা কথাই ঔপন্যাসিকক ভবাই তুলিছে।

গ্ৰাম্য পৰিৱেশৰ বৰ্ণনাত মালিকৰ ভাষাই প্ৰাণপাই উঠে। **বনজুই**ৰ বৰপদুমণি গাঁৱৰ আঘোণৰ পৰিৱেশৰ বৰ্ণনা মালিকে এনেদৰে দিছে সোণ বৰণীয়া ধাননি পথাৰলৈ ধুঁৱলি ওৰণি লৈ আঘোণ নামি আহে। সিৰসিৰ কৰি ধানৰ পাতবোৰ কঁপে। মাণিকী-মধুৰীৰ থোকবোৰ দোঁখায় কলাজহাৰ নতুন গোন্ধ পথাৰত বিয়পি পৰে। ৰাতি দুই চাৰিটা চেঙেলীয়া বাহিৰে অন্য ডেকা-বুঢ়া বাহিৰ নোলায়। জুইৰ কাষত মিঠা মৰম থুপখাই থাকে। সেই উমলগা মৰমবোৰ সাধুকথাৰ নিচিনৈ আপোন জোনবাইৰ সমান পুৰণি ধাননি পথাৰৰ পথৰুৱা আলিৰ নিচিনা চিনাকি।[৩৭] মালিকৰ প্ৰায় সকলো উপন্যাসতে গ্ৰাম্য পৰিৱেশৰ এনে মনোৰম ৰূপ দেখিবলৈ পোৱা যায়। ড দীপ্তি ফুকন পাটগিৰিয়ে কৈছে— 'মালিকৰ প্ৰত্যেক ৰচনাৰ ভাষাৰ এক বিশেষ পাৰদৰ্শিতা হ'ল পৰিৱেশৰ সুন্দৰ বৰ্ণনা। সহজ সৰল ভাষাৰে পৰিৱেশৰ বৰ্ণনা দাহি ধৰোঁতে মালিকৰ ভাষাত থকা দখল সহজেই অনুমেয়। '[৩৮]

বহুবক্তিতা মালিকৰ উপন্যাসৰ অন্যতম বৈশিষ্ট্য। নিজৰ মতাদৰ্শ প্ৰকাশ কৰিবলৈ বা বাকপটুতাৰ বাবে মালিকে কাহিনীৰ বাবে মালিকে কাহিনীৰ বাবে অপ্ৰযোজনীয় বৰ্ণনাৰে উপন্যাসৰ কলেৱৰ বৃদ্ধি কৰে। **ধন্য নৰ তনু ভাল**ৰ আৰম্ভণিতে ঔপন্যাসিকে সাচিপাত আৰু কলম-চিয়াঁহী প্ৰস্তুতৰ বিৱৰণ নিজাববীয়াকৈ দিছে। উপন্যাসৰ কাহিনীৰ বাবে অপ্ৰয়োজনীয় হলেও মালিকে সাৱলীল ভাষাৰে সাচিপাত প্ৰস্তুতৰ দৰকাৰী তথ্য প্ৰদান কৰিছে। একেখন উপন্যাসতে তৃতীয় অধ্যায়ত মালিকে ইছলাম ধৰ্মৰ মূল নীতি আৰু ইয়াৰ প্ৰসাৰৰ কথা মিতব্যয়িতাৰে দাঙি ধৰিছে। কাহিনীৰ সংহতিত বাধাৰ সৃষ্টি কৰিলেও উপন্যাসৰ সৌন্দৰ্য্যই বিঘ্নিত কৰা নাই। মালিকৰ উপন্যাসত দীঘল অপ্ৰাসঙ্গিক বৰ্ণনাবোৰ ইমান সুন্দৰকৈ সজোৱা থাকে যে সি পাঠকক কাহিনীৰ মাজলৈ সোমাই যোৱাত সহায়হে কৰে। ড কৰবী ডেকা হাজৰিকাৰ মতে 'অৱশ্যে এই কথা ঠিক যে পঢ়ি থকাৰ সময়ত সুন্দৰ কাহিনী কথকৰ দৰে মালিকে পাঠকক মন্ত্ৰমুগ্ধ কৰি ৰাখিব পাৰে। বহুত পিছত আমেজ কাটি গ'লেহে মনত খেয়াল-বহুতো বাক্যৰ দেখোন প্ৰয়োজনেই নাছিল। [৩৯]

মালিকৰ উপন্যাসৰ কথাশৈলী বিচিত্ৰ। কেতিযাবা তেওঁৰ গদ্য সৰল কেতিযাবা কাব্যিক। কেতিয়াবা হাস্যৰসাত্মক কেতিযাবা যুক্তমূলক আৰু ব্যঙ্গাত্মক। তেওঁৰ কথনভংগীয়ে সকলো শ্ৰেণীৰ পাঠককে মুগ্ধ কৰি ৰাখে। পৰিৱেশ পৰিস্থিতি আৰু চৰিত্ৰ অনুযায়ী

ঔপন্যাসিকৰ ভাষাই ভিন ভিন ৰূপ লয়। মালিকৰ প্ৰতিখন উপন্যাসতে বাকপটু ৰোমাণ্টিক হাস্যৰসিক কবি আৰু বিচিত্ৰ অভিজ্ঞতালব্ধ ঔপন্যাসিকজন জিলিকি আছে।[৪০]

বিভূতিভূষণ আৰু মালিক দুয়োজন ঔপন্যাসিকৰে ভাষা সোৱাদ লগা দুয়োজনৰ উপন্যাসত ভাষাই বক্তব্য বিষয় স্পষ্ট কৰি তুলিছে। দুয়োজনৰ উপন্যাসসমূহত নিজ নিজ ভাষাৰ সৌন্দৰ্য্য সংৰক্ষণ কৰিছে। দুযোজনৰ আকৰ্ষনীয কথাশৈলীযে উপন্যাসসমূহৰ প্ৰতি পাঠকৰ আকৰ্ষণ বৃদ্ধি কৰিছে। গতিকে ভাষাৰ ক্ষেত্ৰত দুযোজন ঔপন্যাসিকৰ দক্ষতা সমান। দুযোজন ঔপন্যাসিকৰ ভাষা কাব্যিক। দুয়োজন ঔপন্যাসিকে নিজৰ নিজৰ জন-জীৱনৰ ব্যৱহাৰিক কথনভংগীৰ নিজস্ব বৈশিষ্ট্যসমূহ উপন্যাসত ধৰি ৰাখিবলৈ সক্ষম হৈছে।

পঞ্চম অধ্যায়ৰ পাদটীকা

১। ষ্টেশন লোকে লোকাৰণ্য অত সকলেও। বউ ঝি ছেলে মেযে লটবহৰ মুটে বিচানা ধামা ট্ৰাঙ্ক গুড়েৰ ভাড তেলেৰ টিন ছাতালাঠিৰ বাণ্ডিল চ্যাঁ ভ্যাঁ হৈ চৈ। টিকিটি কাতেতে গিযা দেখিলেন টিকিটেৰ জালান খোলে নাই। সাৰি সাৰি মুটে মোটঘাট দডাইয়া পিছনে পিছনে বউ ঝি ছেলে মেযে পুৰুষ।

বিভূতি ৰচনাৱলী ২য় খণ্ড পৃ ১২৯।

২। ধানচাল হঠাৎ যেন কৰ্পূৰেৰ মত দেশ থেকে উৰে গেল কোথায। এক দানা চাল কোথাও পাওযা যাযনা। অত বড গোবিন্দপুৰেৰ হাটে চাল আসে না আজকাল। খালি ধান কাঠা হাতে দলে দলে লোক ফিৰে ফিৰে যাচ্চে চাল অভাবে। হাহাকাৰ পডে গিযেছে হাটে হাটে।

বিভূতি বীথিকা পৃ ৬৬।

৩। দ্ৰষ্টব্য বিভূতি বীথিকা পৃ ৯৬-৯৭।

৪। 'কলকাতায বোমা পডলে পলাযমান জনতা আশ্ৰযেৰ জেন্যে। এখানে আলু এক আনা সেৰ বেগুন দু সেৰ পযসায মাছ আট আনা ছয় আনা চাল ৬ টাকা কাল কলকাতায গিযেছিলাম সে চেহাৰা আৰ নেই। শিযালদহেৰ কাছে দোকানপচাৰ সব দগ্ধদগ্ধস্তুপে পৰিণত। মীৰ্জাপুৰ ষ্ট্ৰীটে ক্ষত্ৰিৰ পৰিমাণ বেশি। লোকজন তেমন চলচে না। প্ৰায় সব দোকান বন্ধ মাজে মাজে দু চাৰখাৰ দোকান খোলা লোক এখনও স্বাভাৱিক অৱস্থায আসেনি।

Bengal এৰ অৱস্থা ভাল নয। এ সমযে বিহাৰে একখানা বাডি থেকে খুবই উপকাৰ হযছে। ক'ত লোক ঘাটশিলা অঞ্চলে থেকে চাইছে। কলকাতাৰ ক' লোক কলকাতায বাডী কৰবাৰ জন্যে এখন অনুতাপ কৰছে।

বিভূতি ৰচনাৱলী পৃ ৪৮৩ ৪৯২ ৪৯৩।

৫। এক বোতল উগ্ৰ সুৰাৰ চেয়েও মাদকতা আনে।

বিভূতি ৰচনাৱলী ষষ্ঠ খণ্ড পৃ ২০৮।

৬। কলেজ হইতে বাহিৰা হৈয়া বৈকালে তাহাৰ এত ক্ষুধা পায় যে গা ঝিম ঝিম কৰে

পেটে যেন একঝাঁক বোতল ফুল ফুটাতেছে— পইচা জুতাইছে পাৰিলে অপু এ সময়টা পথেৰ ধাৰেৰ দোকান হইতে এক পইচাৰ চোলাভাজা কিনিয়া খায়।

বিভূতি ৰচনাৱলী দ্বিতীয় খণ্ড পৃ ৫৭।

৭। এখানে কেহ কাহাকেও পোঁচে না। ইয়োৰোপে যুদ্ধ বাধিয়া গত কয়েক মাসেৰ মধ্যে কাপড়েৰ দাম এত চড়িয়াছে যে কাপড় আৰ কেনা যায় না। ভাল কাপড় তাহাৰ মোটে আছে একখানা একটি টুইল শার্ট সম্বল। চেলেবেলা হইতেই ময়লা কাপড় পৰিতে সে ভাসবাসে না দু তিনদিন অন্তৰ সাবান দিয়া কাপড় কাচিয়া শুকাইলে তাহাই পৰিয়া বাহিৰ হইতে পাৰে।

বিভূতি ৰচনাৱলী দ্বিতীয় খণ্ড পৃ ৫৯।

৮। জীবনেৰ সকল সৌন্দৰ্য্য পবিত্ৰতা মাধুৰ্য্য এখানে পলে পলে নষ্ট কৰিয়া দেয়। এই আবহাওয়াৰ বিষাক্ত বাষ্পে মনেৰ আনন্দকে গলা টিকিয়া মাৰে। চোখে পীড়া দেয় যে অসুন্দৰ তা হিদেৰ অঙ্গেৰ আভৰণ। থাকিতে জানে না বাস কৰিতে জানে না শুকৰপালেৰ মত খায় আৰু কাদায় গড়াগড়ি দিয়া মহা আনন্দে দিন কাটায়।

বিভূতি ৰচনাৱলী দ্বিতায় খণ্ড পৃ ১৪২।

৯। এ তো একৰঙ্গা ছবিৰ মত বৈচিত্ৰহীন কৰ্মব্যস্ত একঘেয়ে জীৱন। সাৰাদিন এখানে অপসেৰ বদ্ধজীৱনে ৰোকড় খতিয়ান মৰ্টগেজ ইনকামট্যাক্সেৰ কাগজেৰ সমন্ধে পৰামৰ্শ কৰা এটৰ্নিদেৰ নামে বড় বড় চিঠি মুশাবিদা কৰা সন্ধ্যায় পায়ৰাৰ খোপেৰ মত অপৰিস্কাৰ নোংৰা বাসাবাড়িতে ফিৰিয়া তখাই আবাৰ চেলে পড়াইতে ছোটা।

বিভূতি ৰচনাৱলী দ্বিতীয় খণ্ড পৃ ১৪৪।

১০। ভাগ্যে সে অৰ্পনাকে পাইয়াছিল। এই ছোট্ৰ পায়ৰাৰ খোপেৰ যে গৃহ বলিয়া মনে হয় সে শুধু অৰ্পনা এখানে আছে বলিয়া নতুবা চৌকি টুল বাচন কোসন জালানাৰ পৰ্দা এসব সংসাৰ নয় অৰ্পনা যখন বিশেষ ধৰণেৰ শাড়িটি পৰিয়া ঘৰে মধ্যে ঘোৰাফেৰা কৰে অপু ভাৱে এ স্নেহনীড় শুধু ওৰেই চাৰিধাৰে ঘিৰিয়া ওৰই মুখেৰ হাসি বুকেৰ স্নেহ যেন পৰম আশ্ৰয়নীড় ৰচনা সে ওৰই ইন্দ্ৰজাল।

বিভূতি ৰচনাৱলী দ্বিতীয় খণ্ড পৃ ১১৪।

১১। যে গলিৰ মোড়ে দড়াইয়া বড় ৰাস্তাৰ গাড়ি ঘোড়া দেখিতে লাগিল। অবাক জলপান জিনিটো কি। বৰাৰ দেওৰা দুটা পয়সা কাছে ছিল এক পয়সাৰ অবাক জলপান কিনিয়া খাইয়া সে সত্যই অবাক হইয়া গেল। মনে হইল এমন অপূৰ্ব জিনিস সে জীৱনে আৰ কখনো খাই নাই।

কাজল চিৰিযাখানা দেখিল গড়েৰ কাঠ দেখিল। মিউজিযামে আধুনালুপ্ত সেবালেৰ কাচ্ছপেৰ প্ৰস্তৰীভূত বৃহৎ খোলা ডুটি দেখিযা সে অনেকক্ষণ অবাক ইহয়া চাহিয়া দাড়াইয়া কি ভাবিল।

গোলদীঘিতে মাছেৰ ঝাঁক দেখিযা সে সকলেৰ অপেক্ষা খুশী। এত বড় বড় মাছ আৰ এত একসঙ্গে। মেলা চেলেমেযে মাছ দেখিতে জুটিযাছে বৈকালে।

বিভূতি ৰচনাৱলী দ্বিতীয খণ্ড পৃ ১২৭ ২১৮।

১২। বিভূতি ৰচনাৱলী দ্বিতীয খণ্ড পৃ ৮৫।

১৩। প্ৰথমে যশোৱা ৰোডেৰ দুধাৰে বাগানবাড়ি ও কচুৰি পানা বোঝাই ছোট ছোট জলা ছাড়িয়ে বেলগেছেৰ মোড়েৰ আলোকোজ্জ্বল দৃশ্য দেখে পিতা পুত্ৰী বিস্ময়ে নিৰ্বাক হয়ে পড়ল। ওদেৰ দুজনেৰ মুখে আৰ কোনে কথা নেই। গাড়ী ওখান থেকে এসে পড়ল কৰ্ণওয়ালিস ষ্ট্ৰীটে। এবং দুধাৰ দোকান পসাৰ থিয়েটাৰ চিনেমা ইলেট্ৰিক আলোৰ বিজ্ঞাপন দোকানেৰ বাইৰে শো কোসে বহু বিচিত্ৰ কাপড, পোশাক পুতুল আয়না সেণ্ট সাবোন স্নো প্ৰভৃতি সুদৃশ্য সমাবেশেৰ মধ্যে দিয়ে গাড়ি এসে গড়ল হ্যৰিসন ৰোডৰ মোড়ে।

সাৰ্চলাইট ঘুৰিয়ে ঘুৰিয়ে লাল একখানা বড ষ্টীমাৰ আস্তে আস্তে যাচ্ছে নদীৰ মাঝখান বেয়ে সুবেশা নৰ-নাৰীৰা জেটিৰ ওপৰ বেড়িয়ে বেড়াচ্ছে— চাৰিদিকে একটা যেন আনন্দ ও উৎসাহেৰ কোলাহল।

মন ময়ুৰী পৃ ৪৪২ ৪৪৩।

১৪। এত স্তূপীকৃত বেদানা কমলালেবু কিসমিস আনাৰস আঙ্গুৰ যে এক জাযগায় থাকতে পাৰে একথা সে জানত এখানে আসবাৰ আগে? তবুও তো এগুলো তাৰ পৰিচিত ফল পড়াগাঁযেৰ মেয়ে— অন্য কত শত প্ৰকাৰেৰ ফল ৰায়ছে যা সে কখনো চক্ষেও দেখে নি— নামও শোনে নি।

মন ময়ুৰী পৃ ৪৪৬।

১৫। এখানকাৰ লোক এমনভাবে তাৰ মুখেৰ দিকে হাঁ কৰে চেয়ে আছে কেন? শহৰেৰ লোকেৰ এমন খাৰাপ অভ্যাস কেন? আজ ক'দিন থেকেই সে লক্ষ্য কৰছে। অপৰিচিত মেয়েদেৰ দিকে এমনভাবে চেয়ে থকা বুঝি ভদ্ৰতা? শৰতেৰ জানা ছিল কলকাতাৰ লোকে শিক্ষিত তাদেৰ ধৰণ কৰণ খুব ভদ্ৰ হবে তাদেৰ দেখে গড়শিৱপুৰেৰ মতো পড়াগাঁয়েৰ লোকেৰা শিখবে। এখন দেখা যাচ্ছে তাৰ উল্টো।

মন ময়ুৰী পৃ ৪৫০।

১৬। পেটে পাড়া চুলে ফিৰিঙ্গি খোপা গাযে গহনাও মন্দ নেই— বাড়িতে ৰযেছে বসে এদিকে পাযে আবাৰ চটিজুতো মখমলেৰ ওপৰ জৰিব কাজ কৰা।

মন ময়ুৰী পৃ ৪৬৪।

১৭। গড়েৰ মাঠ দিযে যখন গাড়ী তখন শৰতৰ মনে হ'ল একটা বিশাল জনস্ৰোতৰ মধ্যে সেও একজন। প্ৰকাণ্ড মাঠটাৰ মধ্যে দিযে কত ৰাস্তা কত গাড়ি ঘোড়া ট্ৰাম গাড়ি লোকজন ছুটেছে। দূৰ গংগাবক্ষে বড বড জাহাজেৰ মাস্তুল দেখা যাচ্ছে। সকলেৰ ওপৰ উপুৰ হয়ে নীল আকাশেৰ কতকটা দেখা যাচ্ছে। মুচুকুন্দ চাঁপা গাছেৰ সাৰিৰ নিচে সাহেবদেৰ চেলেমেয়দেৰ ঠেলে নিযে বেড়াচ্ছে ছোট ছোট ঠ্যালা গাড়িতে। জীৱনটা ছোট নয় সংকীৰ্ণ নয়। এত বড জগতে যদি সবাই বেঁচে থাকে নিজেৰ নিজেৰ পথে— সেও থাকবে।

মন ময়ুৰী পৃ ৫১২।

১৮। শৰ্মা ড হেমন্তকুমাৰ অসমীযা সাহিত্যত দৃষ্টিপাত পৃ ২৮১।

১৯। দাস যোগেশ ডাৱৰ আৰু নাই পাতনি।

২০। যুদ্ধই ভীষণৰূপ ধাৰণ কৰিছে। অসমৰ প্ৰায় সকলো ঠাই যুদ্ধক্ষেত্ৰলৈ ৰূপান্তৰিত

হৈছে। ৪২ৰ গণবিপ্লৱ শান্ত হৈ পৰিছে। মণিপুৰত ভীষণ যুদ্ধ লগাৰ ভয়াবহ বাতৰিয়ে অসমৰ বুকুত আতংকৰ সৃষ্টি কৰিছে। অতি ক্ষণস্থায়ী আৰু অপ্ৰিয় হ'লেও যুদ্ধখনে অসমৰ ডেকাদলৰ নিবনুৱা সমস্যা কিছু সমাধান কৰিছে।

চৈ আ মালিক ৰচনাৱলী প্ৰথম খণ্ড পৃ ২৩৮।

২১। চৈযদ আব্দুল মালিক ৰচনাৱলী প্ৰথম খণ্ড পৃ ২৪৪।

২২। 'যুদ্ধখনে বহুতৰে বহুত দুৰ্গতি আনিলে। বহুত শান্তিৰে থকা মানুহৰ লটি ঘটি হ'ল। বহুত ভৰ গাঁও এৰি মানুহ উঠি যাবলগীয়া হ'ল। গাঁৱত যুদ্ধৰ বিমানঘাটি হ'ল মিলিটাৰী কেম্প হ'ল। স্কুল কলেজৰ ঘৰবোৰ মিলিটাৰীৰ হস্পিতেল হ'ল। নগৰৰ ধনী মানুহৰ বঙলাঘৰ মিলিটাৰী অফিচাৰৰ অফিচ আৰু বাসস্থানৰ কাৰণে লৈ লোৱা হ'ল। মুকলি ধাননি পথাৰ বনুৱাৰ শিবিৰ হ'ল।

ৰূপাৱৰিৰ পলস পৃ ২৫৬।

২৩। অচল হৈ পৰা যুদ্ধৰ অস্ত্ৰ শস্ত্ৰবোৰ য'তে আছিল ত'তে পৰি ৰ'ল। সেইবোৰ কাৰ সম্পত্তি কোনেও ক'ব নোৱাৰে। সিহঁত পৰি থাকিব। সিহঁতক মামৰে খাব। সিহঁত জহি পমি যাব। মৃত সৈনিকৰ হাড়ৰ লগত সিহঁতৰ হাড় মিলি পৰিব। —যুদ্ধখন লাগিল আৰু ভাগিল। কোনে কিয় যুদ্ধখন লগালে কোনে কিয় যুদ্ধখন ভাঙিলে বহুতে বুজিব নোৱাৰিলে। নিস্পন্দ ভাঙি এজাক ধুমুহা আহিছিল পাৰহৈ গ'ল।

ৰূপাৱৰিৰ পলস পৃ ২৫৬।

২৪। প্ৰথমে মানুহে ভয় খালে বিস্মিত হ'ল যুদ্ধৰ পৰা আঁতৰি থাকিবলৈ চেষ্টা কৰিলে। কিন্তু ক্ৰমে যুদ্ধ কাষচাপি আহিল চাৰিওফালৰ পৰা লেলিহান জিভা মেলি যুদ্ধই সবলোকে আগুৰি ধৰিলে।

আধাৰশিলা পৃ ১৪২।

২৫। মহাসমৰ শেষ হ'ল। যুদ্ধখনৰ পৰা কৰা লাভ হ'ল আৰু কাৰ ক্ষতি হ'ল বিচাৰ কৰাৰ প্ৰয়োজন নাই। যুদ্ধৰ পৰা কোনোবেই লাভৱান নহয়। অস্বাভাৱিকভাৱে কিছুমান মানুহ মৰিল কেইহেজাৰ কোটিমান টকা নষ্ট হ'ল কিছুমান গাঁও নগৰ ধ্বংস হ'ল আৰু আকৌ এবাৰ ইতিহাসক সাক্ষী ৰাখি মানুহে হাতেকামে প্ৰকাশ কৰি দেখুৱালে যে কুৰি শতিকাতো কিছুমান মানুহ আদিম জিঘাংসু পশুৰ স্তৰতে আছে। সভ্যতা সংস্কৃতিৰ ধ্বংস আৰু অপমান আগৰদৰেই আজিৰ মানুহে বিনা দ্বিধাই কৰি আছে।

ড অৰুণাভৰ অসম্পূৰ্ণ জীৱনী পৃ ১৫০।

২৬। ৰূপতীৰ্থৰ যাত্ৰী পৃ ২০৯।

২৭। জীৱনত কোনো কাহানিও কাৰো প্ৰতি অনুভৱ নকৰা এটা দুৰ্বলতা মই ছায়াৰ কাৰণে অনুভৱ কৰাইছিলো।

এইজনী ছোৱালীক অন্তৰ ঢালি দি ভালপোৱাত কোনো লজ্জা বা অপমানৰ কথা নাই বুলিয়ে শশাংকই বিশ্বাস কৰিছিল। আৰু সেয়াই আছিল শশা কৰ জীৱনত নাৰীৰ প্ৰথম সান্নিধ্য আৰু সহচৰ্য।

অঘৰা আত্মাৰ কাহিনী পৃ ৩১ ১০৬।

২৮। শইকীয়া ড নগেন ভাৰতৰ সাংস্কৃতিক ঐতিহ্য আৰু অন্যান্য ৰচনা পৃ ১৩৪।

২৯। মাটিৰ চাকি পৃ ১৫১।

৩০। 'বিয়া পুৰুষ নাৰীৰ দৈহিক মিলনৰ সামাজিক ব্যৱস্থা। আদিম মানৱ সমাজৰ এটা প্ৰাচীন অবিচিত্ৰ ৰীতি। এই বিয়াত মানুহৰ মনৰ কোনো উন্নতি কোনো সংস্কাৰৰ পৰিচয় নাই। মানুহৰ হৃদয়বৃত্তিৰ ক্ৰমবিকাশৰ পৰিচয় আছে প্ৰেমত। কামনা আৰু সম্ভোগৰ উৰ্দ্ধত দেহবিবেচনা জাতি ধৰ্ম উচ্চ-নীচ বিবেচনাৰ উৰ্দ্ধে মানুহৰ অন্তৰলোকে যি বিশাল মুক্তি লাভ কৰি মানুহৰ পৰিচযতে মানুহক সাৱটি ধৰিব খোজে সেয়ে প্ৰেম ভালপোৱা।

মাটিৰ চাকি পৃ ১৪৬।

৩১। পৰীৰ আব্দাৰবোৰ মোৰ ভাল লাগে জবাৰ অভিমান আৰু বেদনা ভাল লাগে নমিতাৰ নিৰ্ভীক আত্মসমৰ্পন ভাল লাগে আৰু ভাল লাগে ৰাধাৰ বেশ্যা ৰাধাৰ অদৃশ্য শ্ৰদ্ধা আৰু অনুৰক্তি। জবা নামৰ বেমাৰী ছোৱালী এজনীক হিৰণ্যই ভাল পাই পেলাইছে।

মাটিৰ চাকি পৃ ১৬৮।

৩২। 'নমিতা অকল নমিতাই নহয় নমিতা সম্পত্তি নমিতা মটৰ গাড়ী নমিতা চলিহাৰ ভাবী উত্তৰাধিকাৰী।

মাটিৰ চাকি ৮৪।

৩৩। 'টকা পইচা সুখ শান্তি প্ৰাচুৰ্য্য বৈভৱ স্বাস্থ্য স্বাচ্ছন্দ্য সকলো চাৰিওপিনে উভৈনদী।

সোণালী সূতাৰে বন্ধা পৃ ১৬।

৩৪। ৰীতাক পোৱাৰ পিছত মোৰ জীৱনৰ সকলো অভাৱ শেষহৈ গ'ল। মোতকৈ সুখী আৰু কোন আছে? এনেযে অন্য এটা অভাবৰ কথা চিন্তা কৰি অসুখী হোৱাৰ কোনো অৰ্থ নাই।

সোণালী সূতাৰে বন্ধা পৃ ২২।

৩৫। 'সুৰ আৰু সানিধ্যৰ মাজেদি জমিলা চাজ্জাদ আৰু চাজ্জাদ-জমলাৰ মন আৰু হৃদয ওচৰ চাপি গৈছিল। কিন্তু দুয়োৰে ওস্তাদ জাহাংগীৰ খাঁৰ প্ৰতি গভীৰ ভয় আৰু শ্ৰদ্ধা আছিল। মাৰ্জিত সীমাৰ ভিতৰত তেওলোক উভযে নিজৰ প্ৰাণৰ অনুভূতিক আৱদ্ধ কৰি ৰাখিছিল।

এটা সূৰ্য্য দুখ। নদী এখন মৰুভূমি পৃ ৮৪।

৩৬। এটা সূৰ্য্য দুখন নদী আৰু এখন মৰুভূমি পৃ ৮৮।

৩৭। ড অৰুণাভৰ অসম্পূৰ্ণ জীৱনী পৃ ১২৮।

৩৭। ড অৰুণাভৰ অসম্পূৰ্ণ জীৱনী পৃ ১২৮।

৩৯ অঘৰী আত্মাৰ কাহিনী পৃ ১২৪।

৪০। 'দহটকা ৰূপ নাইবা এবটল দেশীমদ দি য'ত এশটা ভোট কিনিব পাৰি তাত ৰাইজৰ সমৰ্থনৰ কোনো মূল্য নাই।

পূৰ্বোক্ত গ্ৰন্থ পৃ ১২৪।

৪১। পূৰ্বোক্ত গ্ৰন্থ পৃ ৮৪।

৪২। পূৰ্বোক্ত গ্ৰন্থ পৃ ৬৬।

৪৩। 'বাগিচা কিনা সৰহখিনি টকা হয়তো দেউতাই মন্ত্ৰী হিচাপে পোৱা ঘোচৰ টকা। কিন্তু দেউতাই কিনিলে কাৰণেই বাগিচাখনতো বেয়া হৈ নেযায়। এজনে বেয়া উপায়েৰে পটিলে কাৰণেই আন এজনে বেয়া উপায়েৰে তাক ভৰাই দিব এইটো সমৰ্থনযোগ্য নহয়।।

অঘৰী আত্মাৰ কাহিনী পৃ ৮৪।

৪৪। আজিৰ মানুহবোৰৰ অকলে জীযাই থকাৰ সাহস নাই। নিজকলৈ অকলশৰে জীযাই থকাৰ আনন্দও আমি উপলব্ধি কৰিব নোৱাৰো। নিজলৈকে আমাৰ আটাইতকৈ বেচি ভয়। আজিৰ মানুহৰ নিজত্বৰ কোনো দৃঢ় ভিত্তি নাই।

অঘৰী আত্মাৰ কাহিনী পৃ ৫৬।

৪৫। কোনো যুগৰ মানুহে নিজকে ইমান তন তনকৈ ফঁহিয়াই চোৱা নাছিল। হয় মানুহ আছিল দেৱতা নহয় পশু। মানুহৰ ভাৱ অনুভূতি চেণ্টিমেণ্ট ইনটিস্কট কাম কথা এইবোৰৰ প্ৰতিটোকে কাহিনীও ইমান নিষ্ঠুৰভাবে বিশ্লেষণ যত্ন কৰা নাছিল। নিজৰ বিষয়ে মানুহৰ জ্ঞান যিমানে বেচি হৈছে, সিমানে মানুহ অসুখী হৈছে।

অঘৰী আত্মাৰ কাহিনী পৃ ৫৮।

৪৬। 'আমি দুযো অসুখী খাউণ্ড আৰু মই এই কথা আনে নেজানে নুবুজে। আপোনাৰ বাহিৰে আজিলৈকে মই কাকো কোৱা নাই।

অঘৰী আত্মাৰ কাহিনী পৃ ১০৩ ১০৪।

৪৭। মাটিৰ চাকি পৃ ২৬।

৪৮। মাটিৰ চাকি পৃ ৯৩।

৪৯। পূৰ্বোক্ত গ্ৰন্থ পৃ ৩১।

৫০। কণ্ঠহাৰ পৃ ২৯।

৫১। কণ্ঠহাৰ পৃ ৩৯।

৫২। বিভূতি ৰচনাৱলী দ্বিতীয খণ্ড পৃ ২১৮ ২২৪।

৫৩। বিভূতি ৰচনাৱলী চতুৰ্থ খণ্ড পৃ ৬৭৮।

ষষ্ঠ অধ্যায়

দেৱযান— বিভূতিভূষণৰ অধ্যাত্মচেতনা প্ৰধান উপন্যাস ঃ

দেৱযান বিভূতিভূষণৰ বিস্ময়কৰ সৃষ্টি ভাৰতীয় সাহিত্য ভাৰতীয় সংস্কৃতিৰ ভেটিৰ ওপৰত প্ৰতিষ্ঠিত। উপনিষদীয় ঐতিহ্যই ভাৰতীয় সংস্কৃতিক এক সুদৃঢ় পৰম্পৰা দান কৰিছে, উপনিষদীয় পৰম্পৰাৰ পৰা লাভ কৰা মোক্ষ-প্ৰাপ্তিৰ আকাঙ্ক্ষাই ভাৰতীয় ব্যক্তিজীৱন নিয়ন্ত্ৰণ কৰি আছে। উপনিষদৰ ব্ৰহ্মধাৰণা আৰু পৰলোক চেতনাক বিষয়বস্তু হিচাপে লৈ লিখা বিভূতিভূষণৰ দোকান ভিন্নস্বাদৰ উপন্যাস।

বিভূতিভূষণৰ অধ্যাত্মচেতনাৰ প্ৰকাশ ঘটে **দৃষ্টিপ্ৰদীপ** উপন্যাসৰ জিতুৰ যোগেদি। জিতু অতীন্দ্ৰিয় দৃষ্টিশক্তিৰ অধিকাৰী। সি অকস্মাৎ জাগ্ৰত স্বপ্নৰ নিচিনাকৈ কোনো মানুহৰ পূৰ্বইতিহাস বা ভৱিষ্যতৰ চিত্ৰ দেখিবলৈ পায়। এই অন্তৰ্দৃষ্টিৰ সহায়ত সি প্ৰতিৱেশী পানীৰ আসন্ন মৃত্যু তাৰ অনুপস্থিতিত গাঁৱত আযোজিত সীতাৰ বিয়া মাকৰ অন্তিম ৰোগশয্যা ককায়েক নীতুৰ মৃত্যু আদি ঘটনাৰ আগজাননী পাইছিল। অন্য মানুহে তাৰ এই শক্তিক কল্পনা বিভ্ৰম আৰু তাক পাগল বুলি আখ্যা দিলেও এই অলৌকিক শক্তিৰ ওপৰত তাৰ অসীম শ্ৰদ্ধা আছিল।

বিভূতিভূষণৰ অধ্যাত্মচেতনা প্ৰধান উপন্যাস **দেৱযান** এক দু সাহসী কল্পনাৰ পৰিচায়ক। উপন্যাসখনৰ বিষযবস্তু মৃত্যু— পৰৱৰ্ত্তী জীৱন। এই জীৱন সাধাৰণতে লোকসমাজৰ দ্বাৰা অবিশ্বাস্য। সাধাৰণ মানুহে মৃত্যুকেই জীৱনৰ সমাপ্তি বুলি ধৰি লয। মৃত্যুপৰৱৰ্ত্তী জীৱন তেওলোকৰ কল্পনাৰ বাহিৰত। দেৱযানত মৃত্যু পূৰ্ণছেদ নহয অন্য এক বৃহত্তৰ জীৱনৰ সুত্ৰপাতহে।

দেৱযানত গ্ৰন্থ আৰম্ভ কৰা হৈছে ব্ৰহ্মধাৰণা সম্বলিত শ্বেতাশ্বত উপনিষদৰ এটা শ্লোক ভগৱদ গীতাৰ এটা শ্লোক শ্ৰীঅৰবিন্দৰ ব্ৰহ্ম সম্পৰ্কীয ধাৰণাৰ উদ্ধৃতি আৰু Henry Bergson ৰ আত্মা-ঈশ্বৰ আৰু প্ৰেম সম্পৰ্কীয় God is Love and object of love Divine love is not a thing of God It is God Himself God needs us just as we need God The universe is the more visible tangible aspect of love and of the need of love উদ্ধৃতিৰে। ঔপন্যাসিকে এই অতীন্দ্ৰিয অনুভূতিৰ মৃত্যুৰ সিপাৰৰ জগতখনক আলোকিত কৰিছে কাব্যময ভাষাৰে। তাৰ পাহাৰৰ শিখৰে শিখৰে ৰঙীণ পোহৰৰ মেলা। পোহৰ দি গঢা ফুল চৰাই গছ-লতা সকলো। এদেশেৰ বাতাসে একটা অদ্ভুত শান্তি ও আনন্দেৰে বাৰ্ত্তা — একটি বিচিত্ৰ জীৱন উল্লাসেৰে ইঙ্গিত। [1] ব্যঞ্জনাৰ সহায়তহে নক্ষত্ৰ জ্যোৎস্নাৰে আলোকিত জীৱন উল্লাসৰ ছবি উপন্যাসখনত স্পষ্ট কৰি তোলা হৈছে।

বিনোদপুৰৰ যতীন নামৰ লোকজনে জ্বৰত মৃত্যুবৰণ কৰিছে। জীৱিত অৱস্থাত

সি পত্নী আশালতাৰ দ্বাৰা অৱহেলিত। যতীনৰ লগত তিনিবছৰ দাম্পত্য জীৱন কটাই দুটা সৰু সৰু ল'ৰা-ছোৱালী লৈ আশালতাই তাক ত্যাগ কৰি মাকৰ ঘৰলৈ গুচি গ'ল। দুবাৰো যত্ন কৰি যতীনে আশাক নিজৰ ঘৰলৈ ঘূৰাই আনিব নোৱাৰিলে। সি উচ্চশিক্ষিত হ'লেও দৰিদ্ৰ কাৰণে কষ্ট পাইছে। নিৰ্জন পৰিত্যক্ত ঘৰত মানুহৰ অগোচৰত মৃত্যু।

যতীনৰ মৃত্যুৰ পিছৰ কাহিনী আত্মালোক'ত— যাক সাধাৰণ লোকে স্বৰ্গ বুলি কয়। মৃত্যুৰ পিছত সি লগ পালে বাল্যসঙ্গী পুষ্পক। পুষ্পই তাক লৈ গ'ল তাৰ আত্মাৰ উপযোগী তৃতীয় স্তৰলৈ। সাগঞ্জ কেওটাৰ গংগাৰ ঘাটত শৈশৱত সি পুষ্পৰ খেলৰ লগৰী আছিল। যতীনে শৈশৱ কটাইছিল সাগঞ্জত কেওটাৰ মাহীয়েকৰ ঘৰত। সেই সূত্ৰে প্ৰতিৱেশী পুষ্পক লি লগ পাইছিল। তেৰ বছৰ বয়সতে বসন্ত ৰোগত পুষ্পৰ মৃত্যু হয়। তেতিয়াৰ পৰা তাইৰ আত্মা স্বৰ্গৰ তৃতীয় স্তৰৰ অধিবাসী। তৃতীয় স্তৰত পুষ্পই বাল্যকালৰ সাগঞ্জ-কেওটাৰ গংগাৰ পাৰৰ প্ৰকৃতিৰ ৰূপ সৃষ্টি কৰি লৈছে।

মৃত্যুৰ সিপাৰৰ আত্মাৰ সেই জগত বৰ অদ্ভুত। পুষ্পৰ জ্ঞানমতে মৃত্যুৰ সিপাৰৰ এই জগতৰ সাতটা স্তৰ। পাৰ্থিৱ জীৱনে সংকৰ্মৰ দ্বাৰা আত্মাৰ স্তৰপ্ৰাপ্তি নিৰ্দিষ্ট কৰে। যি জ্ঞান আৰু প্ৰেমত মহান তেওঁ ওপৰৰ পৰা ওপৰস্তৰলৈ গতি কৰে পুষ্পৰ অনাবিল প্ৰেমৰ আকৰ্ষণে যতীনকো উচ্চস্তৰৰ বাসিন্দা কৰি তুলিলে। এই স্তৰৰ বায়ুমণ্ডল চিৰ-নিস্তব্ধতা আৰু পবিত্ৰতাৰে ভৰপূৰ। দেশটা পৃথিৱীৰ মতই। তাৰ পায়েৰ তলায় নদী গছপালা মাঠ সবই আছে। কিন্তু তাদেৰ সৌন্দৰ্য অনেক বেশি। আকাশেৰ দিকে চেয়ে দেখলে সূৰ্য দেখা যায়না অথচ অন্ধকাৰও নেই। ভাবি চমৎকাৰ এক ধৰণেৰ অপাৰ্থিৱ মৃদু আলোকে সমগ্ৰ দেশটা উদ্ভাসিত। গছপালাৰ পাতা ঘন সবুজ নানা ধৰণেৰ ফুল সেগুলো যেন আলো দিয়ে তৈৰী।[২]

আত্মা নিজ শক্তিবলে গ্ৰহৰ পৰা গ্ৰহান্তৰত পৰিভ্ৰমণ কৰে। মাজে মাজে দেখা যায় গ্ৰহসমূহৰ আজন্ম পথিক দেৱতাক। তেওঁলোক বিদ্যুতৰ শিখাৰ নিচিনা উজ্জ্বল। যাৰ যি দৃশ্য প্ৰিয় সেই দৃশ্য শাশ্বত কালৰ কাৰণে সৃষ্টি কৰি ৰাখিছে। পুষ্পৰ মতে এদেশেৰ বস্তুৰ ওপৰে চিন্তাৰ শক্তি খুব বেশি। পৃথিৱীৰ বস্তুৰ মত এখানকাৰ বস্তু নয়। আৰও অনেক সূক্ষ্ম অন্য ধৰণেৰ। সৃষ্টি কৰতে হ'লে পৃথিৱীতেও যেম্‌নি চিন্তাৰ দৰকাৰ এখানে তাৰ চেয়েও বেশি দৰকাৰ। চিন্তাৰ শকিতেক যে বাড়াতে পেৰেছে, ইচ্ছামতে চালাতে পাৰে সে এদেশেৰ বড় কাৰিগৰ।[৩]

পৃথিৱীৰ মোহ এৰি আধ্যাত্মিক চিন্তাত দিন কটাব নোৱাৰিলে স্বৰ্গৰ পৰাও মাজে মাজে আত্মা আহি পৃথিৱীত পুনৰ জন্মগ্ৰহণ কৰে। যতীনে বাল্যসঙ্গী পুষ্পৰ লগত স্বৰ্গৰ তৃতীয় স্তৰত বাস কৰিলেও সি তাৰ মন স্থিৰ কৰিব পৰা নাই। পুষ্পইও তাৰ আঘাতত ব্যথাভৰা জীৱন কটাইছে। যতীনৰ আনন্দৰ কাৰণে তাই সুৰদৰ জোনাকৰাতি সৃষ্টি কৰিছে, কিন্তু সেই সময়তো যতীন পত্নী আশালতাৰ চিন্তাত

ব্যাকুল হয়। আশালতাৰ ওচৰলৈ যতীনে ঘনে ঘনে স্বৰ্গলোকৰ পৰা যাতায়ত কৰে। দ্বিধাচাৰিনী হলেও সি আশালতাক পাহৰিব নোৱাৰে। প্ৰেম আৰু কৰুণাৰ দ্বাৰা যতীনৰ আত্মাই যি মুকিত লাভ কৰিছিল পৃথিৱীবাসী আশালতাৰ আকৰ্ষণত সি তাক অস্বীকাৰ কৰি পৃথিৱীত পুনৰ জন্মগ্ৰহণ কৰিছে।

ঔপন্যাসিকে উপনিষদৰ বেদান্ত আলোচনাত দেবযানত কৰিছে। বেদান্তৰ মতে মন একান্তভাৱে ঈশ্বৰৰ ওচৰত বিলীন কৰি দিব পাৰিলে আত্মাৰ মুক্তি সম্ভৱ। ভগৱানৰ লগত একাত্মবোধেই মুক্তি। যোগ-সাধনাৰ অবিহনে মুক্তি সম্ভৱ নহয়। প্ৰসঙ্গক্ৰমে ঔপন্যাসিক উপনিষদৰ দুটা চৰাইৰ কাহিনী উপস্থাপন কৰিছে আৰু আত্মা-পৰমাত্মা সম্পৰ্কীয় তথ্যৰ সন্ধান দিছে।[৪] সংসাৰত থাকিও সংসাৰৰ মায়ামোহৰ পৰা নিজক মুক্ত কৰি একনিষ্ঠভাৱে ঈশ্বৰ চিন্তাত মগ্ন হ'ব পাৰিলেহে আত্মাৰ মুক্তি সম্ভৱ।

বিভূতিভূষণে মৃত্যুক এক শিল্পলৈ উন্নীত কৰিছে। **দেবযান** গ্ৰন্থত মৃত্যু পৰৱৰ্ত্তী জীৱন মাননুহৰ অজ্ঞাত। নায়ক যতীনে মৃত্যুৰ পিছত আৰু বেছি জীৱন্ত ৰূপ লাভ কৰিছে। মৃত্যুৱে তাৰ জীৱনত গতিক ৰুদ্ধ নকৰি বৃহত্তৰ ক্ষেত্ৰলৈ প্ৰসাৰিত কৰিছে। যতীনৰ মতে মৃত্যু আনন্দময়। জীৱিত অৱস্থাত সি পত্নীৰ দ্বৰা উপেক্ষিত হৈ এক কৰুণ নিঃসঙ্গ জীৱন যাপন কৰিছিল। মৃত্যুৰ পিছত সি পুষ্পৰ লগত স্বৰ্গৰাজ্যত এক আনন্দময় জীৱন কটাবলৈ সক্ষম হৈছে। বিভূতিভূষণে যতীনৰ মাজেদি মৃত্যুৰ যি আনন্দময ৰূপ প্ৰকাশ কৰিছে— তেওৰ প্ৰথম উপন্যাস **পথেৰ-পাঁচালীতে** ইয়াৰ বীজ নিহিত হৈ আছে। বালক অপু বাযেক দুৰ্গাৰ মৃত্যুত ভীতিগ্ৰস্ত হোৱা নাই বৰং ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা জনাইছে পৃথিৱীত বহুত দুখ সহ্য কৰা বায়েকৰ আত্মাই যেন স্বৰ্গৰাজ্যৰ আনন্দ লাভ কৰে। বালক অপু হৰিহৰৰ মৃত্যুৰ পিছতো ভয় ভাৱৰ দ্বাৰা ভীতিগ্ৰস্ত হোৱা নাই। তাৰ মতে ৰোগত জীৱন যুদ্ধত পৰাজিত হোৱা দেউতাক এক স্বপ্ন মাত্ৰ। বিভূতিভূষণে মৃত্যুৰ লগত জীৱনৰ অবিচ্ছেদ্যতাৰ যি বিশ্বাস **পথেৰ-পাঁচালীত** অপুৰ বালক চেতনাৰে আভাসিত কৰিছে **দেবযানত** তাক যুক্তিৰ দ্বাৰা বিশ্লেষণ কৰিবৰ যত্ন কৰিছে। মৃত্যুৰ মাজেদিযে যে জীৱন নৱীকৰণ হয় সেই সত্যাটো ফুটাই তুলিবৰ কাৰণে তেওঁ এটা চিত্ৰকল্প প্ৰয়োগ কৰিছে। মৃত্যুৰ মাজেদি মানুহৰ বাল্যস্মৃতিপূৰ্ণ প্ৰকৃতিলৈ প্ৰত্যাৱৰ্ত্তন কৰে। বিভূতিভূষণৰ মৃত্যুচেতনা আনন্দাশ্ৰয়ী। মৃত্যুৰ যি সুন্দৰ মূৰ্ত্তি আৰু মৰ্ত্তজীৱনৰ যি অম্লান গৌৰৱ বিভূতিভূষণে **দেবযানত** চিত্ৰিত কৰিছে, তাত শ্ৰী অৰবিন্দৰ দৰ্শন নিহতহৈ আছে।

দেবযানত বিভূতিভূষণে অধ্যাত্মপ্ৰেমৰ লগতে মানৱপ্ৰেমৰো জয়গান গাইছে। পৃথিৱী আৰু মানুহৰ প্ৰতি উদাসীনতা তেওঁ প্ৰদৰ্শন কৰা নাই। তেওৰ মতে পৃথিৱীখন মায়া নহয়। পাৰ্থিৱ জীৱনত স্নেহ-প্ৰীতিৰ অপৰিসীম। তৃণাংকুৰ দিনলিপিত বিভূতিভূষণে ইয়াৰ ব্যাখ্যা আগবঢাইছে।[৫] অধ্যাত্মদৰ্শন প্ৰধান উপন্যাস হলেও **দেবযান** বৈচিত্ৰ্যহীন আৰু নিৰস নহয়। আধ্যাত্মিক চিন্তক বিভূতিভূষণে পাৰ্থিব জীৱনৰ পৰা বিচ্ছিন্ন কৰা

নাই। ৰণেন্দ্ৰকুমাৰ দেৰ মন্তব্য এই ক্ষেত্ৰত প্ৰণিধানযোগ্য।[৬] মৃত্যুপৰবৰ্ত্তী কাহিনী হলেও বাস্তৱ জীৱনত উপলক্ষ ঘাত-প্ৰতিঘাত আশা-নিৰাশা আনন্দ-বেদনা উপন্যাসৰ নায়ক নায়িকা। যতীন পুষ্পৰ জীৱনটো আছে। এয়া যেন পৃথিৱীবাসী মানুহৰে কথা মাত্ৰ পৰিৱেশ ভিন্ন। তাৰাশংকৰ বন্দোপাধ্যায়ৰ আৰোগ্য নিকেতন উপন্যাসৰ মূল উপজীব্য জীৱন লীলা নহয় জীৱন মৃত্যুৰ সংগ্ৰামৰ ছন্দেৰে ৰূপায়িত জীৱনদৰ্শন। এইক্ষেত্ৰত দেবযানৰ লগত আৰোগ্য নিকেতনৰ সাদৃশ্য আছে।

চৈয়দ আব্দুল মালিকৰ জীৱনীভিত্তিক উপন্যাস ঃ

কোনো মহৎ লোকৰ জীৱনৰ আধাৰত ৰচিত উপন্যাসে জীৱনীমূলক উপন্যাস। জীৱনীমূলক উপন্যাসৰ বিষযবস্তু সাধাৰণতে প্ৰখ্যাত কোনো মহৎ লোকৰ জীৱনৰ পৰা গ্ৰহণ কৰা হয়। যিজন ব্যক্তিৰ জীৱনৰ আধাৰত উপন্যাস লিখা হয় সেই ব্যক্তিজন সমাজজীৱনৰ লগত অঙ্গাঙ্গীভাৱে জড়িতহৈ থাকে। গতিকে নিপুণ ঔপন্যাসিকৰ হাতত ব্যক্তি-জীৱনৰ মাজেদি সমাজ-জীৱনৰ ছবিও জীৱনীমূলক উপন্যাসত স্পষ্ট হৈ উঠে। এই শ্ৰেণীৰ উপন্যাসত ঐপন্যাসিকে ব্যক্তিজনৰ জীৱন কল্পনাৰে পুনৰ্নিৰ্মাণ কৰে।

অসমীয়া জীৱনীভিত্তিক উপন্যাসৰ শুভাৰম্ভ ঘটে চৈয়দ আব্দুল মালিকৰ তিনিটা খণ্ডত ৰচিত জ্যোতিপ্ৰসাদ আগৰৱালা জীৱনীভিত্তিক **ৰূপতীৰ্থৰ যাত্ৰী** উপন্যাসৰ যোগেদি। ১৯৬৩ চনত ৰচিত প্ৰথম খণ্ড আৰু ১৯৬৫ চনত ৰচিত দ্বিতীয় খণ্ডৰ কাহিনী ঔপন্যাসিকে শেষ কৰে ২০০০ চনত তৃতীয় খণ্ডৰ ৰচনাৰ যোগেদি তেওঁৰ দেহাৱসানৰ আগে আগে। ১৯৭৬ চনত মেদিনী চৌধুৰীৰ ৰচিত **বণ্ডুকা বেহাৰ** মহাপুৰুষ মাধৱদেৱৰ জীৱনীভিত্তিক প্ৰথম উপন্যাস। বিষ্ণুৰাভাৰ বৈচিত্ৰময় জীৱনৰ আধাৰত চৌধুৰীয়ে ১৯৮২ চনত ৰচনা কৰে **ফেৰেংগাদাও**। মহাপুৰুষ শংকৰদেৱৰ জীৱনভিত্তিক **ধন্য নৰ তনু ভাল** (১৯৮৭) মালিকৰ এখন সুখপাঠ্য উপন্যাস। একে বিষয়বস্তুৰে লক্ষ্মীনন্দন বৰাই ৰচনা কৰে **যাকেৰি নাহিকে উপাম** ১৯৯৩ চনত। ১৯৯৫ চনত ৰচিত তিলোত্তমা মিশ্ৰৰ **স্বৰ্ণলতা** আৰু নিৰুপমা বৰগোহাঞিৰ **অভিযাত্ৰী** দুখন উল্লেখযোগ্য জীৱনীমূলক উপন্যাস। নীলিমা দত্তৰ **বিদ্যুৎপ্ৰভা** (১৯৯৭) অন্য এখন জীৱনীমূলক উপন্যাস। ১৯৯৩ চনত তিনিখন জীৱনীমূলক উপন্যাস প্ৰকাশ হয়। প্ৰথমখন জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱনীভিত্তিক চন্দ্ৰপ্ৰসাদ শইকীয়াৰ **তোৰে মোৰে আলোকৰে যাত্ৰা**। অন্য দুখন প্ৰথিতযশা কথাশিল্পী চৈয়দ আব্দুল মালিকৰ উপন্যাস **প্ৰেম অমৃতৰ নদী** আৰু লক্ষ্মীনন্দন বৰাৰ **সেহি গুণনিধি**। দুয়োখন উপন্যাসেই মহাপুৰুষ মাধৱদেৱৰ জীৱনভিত্তিক।

মালিকৰ মহাপুৰুষ শংকৰদেৱ আৰু মাধৱদেৱৰ জীৱনভিত্তিক উপন্যাস দুখন ক্ৰমে ধন্য নৰতনু ভাল আৰু প্ৰেম অমৃতৰ নদী। মহপুৰুষ দুজনাৰ বিস্তৃত জীৱন কাহিনী পোৱা যায় চৰিত পুথিসমূহত। চৰিত পুথিসমূহ মহপুৰুষ শংকৰদেৱ মাধৱদেৱ

আৰু আন আন বৈষ্ণৱধৰ্ম প্ৰচাৰক সকলৰ জীৱনী সাহিত্য। এই গ্ৰন্থসমূহ ৰচনা কৰা হৈছিল শংকৰ-মাধৱৰ গুণমুগ্ধ শিষ্যসকলৰ দ্বাৰা। মহাপুৰুষ দুজনাৰ তিৰোভাৱৰ পিছত তেওঁলোকৰ কাৰ্য আৰু গুণাৱলী প্ৰচাৰ কৰাটো শিষ্যসকলে তেওঁলোকৰ কৰ্ত্তব্য বুলি ভাবিছিল। ধৰ্মীয় আলোচনাৰ লগতে সত্ৰাধিকাৰসকলে গুৰু দুজনাৰ গুণাৱলীও শিষ্যসকলৰ আগত বৰ্ণনা কৰিছিল। কিছুমান শিষ্যই গুৰুবন্দনা থকা কাহিনীসমূহ লিপিবদ্ধ কৰি পুথি ৰচনা কৰিছিল। এই পুথিসমূহেই চৰিত পুথি। চৰিত পুথিসমূহ ৰচনা কৰা হয় সোতৰশ শতিকাৰ পৰা ওঠৰশ শতিকাৰ ভিতৰত।

ৰূপতীৰ্থৰ যাত্ৰীৰে জীৱনীমূলক উপন্যাস ৰচনাত হাতদিয়া মালিকৰ দুখন সুখপাঠ্য জীৱনীমূলক উপন্যাস **ধন্য নৰ তনু ভাল** আৰু **প্ৰেম অমৃতৰ নদী**। উপন্যাস দুখনত মহাপুৰুষ দুজনাৰ জীৱনকাহিনীৰ লগতে চৰিত পুথিসমূহৰ দৰে সমসাময়িক সামাজিক ৰাজনৈতিক অৰ্থনৈতিক ধৰ্মীয় সাংস্কৃতিক জীৱন আৰু অসমৰ প্ৰকৃতিজগতৰ মনোৰম ছবি পোৱা যায়। শংকৰদেৱ আৰু মাধৱদেৱ দুয়োজন মহাপুৰুষৰ জীৱন একেডাল সূতাৰে গঁথা। এজনৰ পৰা আনজনক বিচ্ছিন্ন কৰিলে কাহিনী আধৰুৱা হয়। **ধন্য নৰ তনু ভাল**ৰ নায়ক শংকৰদেৱ হলেও মাধৱদেৱেও কাহিনীত সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে। **প্ৰেম অমৃতৰ নদী**ৰ নায়ক মাধৱদেৱ হলেও শংকৰদেৱৰ প্ৰসঙ্গও বহুবাৰ আহিছে। ঔপন্যাসিকৰ সচেতনতা সত্বেও **প্ৰেম অমৃতৰ নদী** উপন্যাসত **ধন্য নৰ তনু ভাল**ৰ কিছু কথা পুনৰাবৃত্তি হৈছে।

ধন্য নৰ তনু ভালত ঔপন্যাসিকে হোজা গাঁৱলীয়া লোকৰ কথোপকথনৰ আৰু কাম-কাজৰ যোগেদি সমসাময়িক সমাজ-জীৱনৰ ছবি মূৰ্ত্ত কৰি তুলিছে। উপন্যাসৰ আৰম্ভণিতে কলিয়াবৰৰ পৰা মহেন্দ্ৰ কন্দলিৰ টোলত শিক্ষাগ্ৰহণ কৰা শংকৰৰ কাৰণে বাৰভূঞাৰ ঘৰলৈ সাঁচি গছৰ বাকলি ভাৰবান্ধি অনা দেহিৰাম আৰু ওচৰৰ মাছমৰীয়া গাঁৱৰ কণপাই আৰু গাঠলুৰ কথোপকথনৰ মাজেদি বাৰভূঞাৰ ঘৰ ওচৰৰ ব্ৰাহ্মণ গাঁৱৰ আৰু মাছমৰীয়া লোকৰ সামাজিক জীৱনৰ আভাস পোৱা যায়। উপন্যাসখনৰ বিভিন্ন ঠাইত আৰ্থ-সামাজিক জীৱনৰ ছবি ফুটি উঠিছে।[৭]

ধন্য নৰ তনু ভালৰ নায়ক শংকৰদেৱ। শংকৰদেৱৰ বাল্যকাল মহেন্দ্ৰ কন্দলিৰ টোলত শিক্ষালাভ বিবাহ নামঘৰ প্ৰতিষ্ঠা চিহ্নযাত্ৰাৰ যোগেদি নাট্য-অভিনয়, সাহিত্য ৰচনা মাধৱদেৱৰ সৈতে মিলন ধৰ্মপ্ৰচাৰ তীৰ্থযাত্ৰা আৰু দেহাৱসানলৈকে উপন্যাসৰ কাহিনীয়ে সামৰি লৈছে। মালিকৰ সহজ বৰ্ণনাভংগীয়ে সকলো ঘটনা সুখপাঠ্য কৰি তুলিছে।

উপন্যাসখনত শংকৰদেৱৰ সমসাময়িক ৰাজনৈতিক জীৱনৰ বিস্তৃত বিৱৰণ আছে। ভাৰতবৰ্ষৰ পূব প্ৰান্তৰ ভূমিখণ্ডৰ সমগ্ৰ অঞ্চলটো ... চিনিকি দিব পৰাকৈ এটা নিৰ্দ্দিষ্ট নাম তেতিয়া নিৰ্ণয় হোৱা নাছিল। যিটো অঞ্চল ...য়ে শাসন কৰে সেই শাসকৰ নামেৰেই ৰাজ্যখণ্ডৰ নামকৰণ কৰা হৈছিল। ভোট আঁকা, ডফলা মৰান-

চুতীয়া আহোম কছাৰী খাচী-জয়ন্তীয়া গাৰো কোচ কমতা ইত্যাদি ৰাজ্যত সেই সেই ৰজাই ৰাজত্ব কৰিছিল। আহোম ৰাজ্যত ৰাজত্ব কৰা ৰজাসকলৰ বিস্তৃত ৰাজনৈতিক জীৱনৰ বিৱৰণ আৰু শংকৰদেৱক কৰা বিভিন্ন লঘু-লাঞ্ছনাৰ বিৱৰণ উপন্যাসখনত আছে।

শিষ্ট সংস্কৃতিৰ লগতে লোক-জীৱনৰ অনেক সমল ধন্য নৰ তনু ভালত বিচাৰি পোৱা যায়। উপন্যাসৰ আৰম্ভণিতে আইচেনা টেম্বুৱানীৰ পানীত পৰা ঘটনাটো জলকুঁৱৰীৰ চকু পৰা বুলি বিশ্বাস কৰা আৰু পুৰণ বেজৰ হতুৱাই জৰা-ফুঁকা কৰা কথাখিনি লোকজীৱনৰ ওচৰচপা।[৮] পাৰ-পোৱালি কোমোৰাৰে নৈত পূজা দি জলকুঁৱৰীক সন্তুষ্ট কৰাত লোক-বিশ্বাস জড়িতহৈ আছে। শংকৰদেৱৰ সময়ত শাক্ত ধৰ্মত বিভিন্ন ধৰ্মীয় লোক বিশ্বাস জড়িত হৈ আছিল। ৰহিলা বুঢীয়ে দেৱীৰ আগত বলি যাবলৈ ওলোৱা ভোগীৰ ইচ্ছাক বাধা দিবলৈ সাধাৰণ মানুহে সাহস নকৰাৰ কথা কৈছে।[৯]

প্ৰাচীন অসমৰ সমাজ-ব্যৱস্থা ৰীতি-নীতি আৰু অন্ধ-বিশ্বাসৰ হুবহু বিৱৰণ উপন্যাসখনত আছে। কলংপাৰৰ বামুণ গাঁৱৰ পুৰণ বেজ— এই ক্ষেত্ৰত এটা উল্লেখযোগ্য চৰিত্ৰ। দেও-ভূত আলখনি যখিনী লগা মুনিহ-তিৰোতাক মন্ত্ৰ জাৰি বন দৰব খুৱাই ভাল কৰে পুৰণ বেজে। দাঁত পোকে খোৱা মানুহৰ দাত-মুখ জাৰি পোক উলিয়ায়। ৰাতিখোৱা সম্প্ৰদায়ৰ ক্ৰিয়া-কৰ্মৰ বিশদ বিৱৰণ উপন্যাসখনত আছে।[১০]

অসমীয়া মানুহে ঘৰতে কাপোৰ বোৱা বিবিধ ফুলবচা পাট-পলু পোহা আদি কাম ঔপন্যাসিকে সুন্দৰভাৱে উপস্থাপন কৰিছে। ভূঞা খাতৰ তাতী গাঁৱৰ জীয়ৰী-বোৱাৰী সকলোৱে খেতি পথাৰৰ দিনকেইটা বাদ দি বছৰৰ সকলো সময়তে তাতশালখনত ব্যস্ত থাকে। জেতুকী সোণপাহী আৰু ৰহিলা বুঢীৰ কথোপকথনৰ মাজেদি উপন্যাসখনত জনসমাজৰ চিত্ৰ অংকণ কৰিছে। উপন্যাসখনত প্ৰকাশ পোৱা গ্ৰাম্য জীৱনো অতি মনোৰম। ডেকাগিৰিৰ শংকৰৰ বিয়াৰ ছবিখন উপন্যাসখনত জিলিকি আছে। শংকৰে বিয়া কৰাবলৈ সন্মতি জনালে। কন্যা বুঢ়াখাঁৰ জীয়াৰী সূৰ্য্যৱতী। শংকৰৰ বিবাহ অনুষ্ঠানৰ লগত ৰজিতা খুৱাই অসমীয়া সাজ পাৰ গহনা-গাঁথৰিৰ হুবহু ছবি এখন ঔপন্যাসিকে দাঙি ধৰিছে।[১১] ধন্য নৰ তনু ভালত ৰাধিকা শান্তিয়ে পলৰে পানী আনি টেম্বুৱানী জান বন্ধা অলৌকিক ঘটনাটো অন্য বাস্তৱ ঘটনাৰ দৰে মনোৰমকৈ বৰ্ণনা কৰিছে। এইক্ষেত্ৰত ঔপন্যাসিকৰ মন্তব্য উল্লেখযোগ্য।[১২]

শংকৰদেৱে সমাজৰ সকলো শ্ৰেণীৰ লোকৰ সংমিশ্ৰণক গঢ়ি তোলা নাট ভাওনাৰ কথা মালিকে উপস্থাপন কৰিছে ভোগৰি যোগেদি।[১৩] উপন্যাসখনৰ তৃতীয় খণ্ডত ঔপন্যাসিকে বৈষ্ণৱবাদৰ অভ্যুত্থান আৰু বিকাশৰ লগত সংগতি ৰাখি ইছলাম ধৰ্মৰ আগমন স্থিতি আৰু সম্প্ৰসাৰণৰ লেখ দিছে। ইছলামধৰ্মীসকলে বৈষ্ণৱসকলৰ দৰে অনাদি অনন্ত আৰু নিৰাকাৰ আল্লাৰ অস্তিত্বৰ ওপৰত একান্ত বিশ্বাস স্থাপন কৰে। ঔপন্যাসিকে হিন্দু মুছলমানৰ ধৰ্মীয় গণ্ডীৰ বাহিৰত মানৱ ধৰ্মৰ ওপৰতহে

অধিক গুৰুত্ব দিছে। মানুহৰ মাত্ৰ এটাই ধৰ্ম— মানব ধৰ্ম। শংকৰদেৱক তেওঁ সৰ্বভাৰতীয় প্ৰেক্ষাপটত প্ৰতিষ্ঠা কৰিছে। শংকৰদেৱে অন্ত্যজ জাতিসমূহক নাম-ধৰ্মৰ মাজেদি এক নতুন সামাজিক মৰ্য্যদা দান কৰিছিল। শংকৰদেৱৰ উদ্দেশ্য আছিল কুসংস্কাৰমুক্ত এখন সমাজ গঢ়ি তোলা। দ্বিতীয়বাৰ তীৰ্থ ভ্ৰমণলৈ যাওতে শংকৰদেৱে ধৰ্মীয় গোড়ামীৰ বিৰুদ্ধে সৰব বিদ্ৰোহ ঘোষণা ঔপন্যাসিকে প্ৰেম ভ্ৰাতৃত্ব আৰু মৈত্ৰিৰ আদৰ্শৰ সন্ধান পাইছে।[14] শংকৰদেৱে সকলো জাতিৰ পৰিচয়ৰ উৰ্ধত মানুহৰ মানৱীয় পৰিচয় প্ৰতিষ্ঠা কৰিছে। শংকৰদেৱে প্ৰতিষ্ঠা কৰা নামঘৰৰ যোগেদিয়ে ঔপন্যাসিকে অসমীয়া সংস্কৃতিক সৰ্বভাৰতীয় দৰবাৰত প্ৰতিষ্ঠা কৰাৰ ইংগিত দিছে।[15] সাধাৰণ চহা লোকৰ কথোপকথনৰ মাজেদি ঔপন্যাসিকে শংকৰদেৱে প্ৰৱৰ্ত্তন কৰা বৈষ্ণৱ ধৰ্মৰ মহত্ব প্ৰকাশ কৰিছে। গম্ভীৰ আৰু তাত্বিক আলোচনাৰ মাজে মাজে চহা লোকৰ ধেমেলীয়া কথা-বতৰাৰ মাজেদি শংকৰ-মাধৱৰ জনজীৱনৰ ওপৰত পৰা প্ৰভাৱ দেখুৱাবলৈ যত্ন কৰিছে।[16] শংকৰদেৱে সংস্কৃতত নিলিখি অসমীয়া ভাষাত লিখিবলৈ লোৱাৰ কাৰণ গৰখীয়া কলাইৰ যোগেদি ব্যক্ত কৰিছে। মালিকৰ সাৱলীল কথনভংগীয়ে ধন্য নৰ তনু ভালক এখন মনোৰম উপন্যাস কৰি তুলিছে।

মালিকৰ মাধৱদেৱৰ জীৱনভিত্তিক প্ৰেম অমৃতৰ নদী উপন্যাসখন ধন্য নৰ তনু ভাল উপন্যাসৰ পৰিপূৰকহে। মনপৰশা প্ৰাকৃতিক সৌন্দৰ্য্যৰে আৰম্ভ কৰা উপন্যাসখনৰ প্ৰধান চৰিত্ৰ মাধৱদেৱ। মাধৱদেৱৰ পিতৃ গোবিন্দগিৰি বণ্ডুকাৰ শাসক প্ৰতাপনাৰায়ণৰ মজিন্দাৰ বিষয়া আছিল। পিছত বৰদোৱাৰ আলিপুখুৰীলৈ আহি বেপাৰ বাণিজ্য কৰি জীৱন নিৰ্বাঙ কৰিছিল। বৰদোৱাত ভোটৰ অত্যাচাৰত তিষ্ঠিব নোৱাৰি গোবিন্দগিৰিয়ে পত্নী মনোৰমাক লৈ বৌতালৈ বুলি দোলৰে যাত্ৰা আৰম্ভ কৰিলে। দোলাভাৰীৰ দ্বাৰা সৰ্বস্বান্ত হৈ নাৰায়ণপুৰৰ উজীৰ হৰিশিঙা বৰাৰঘৰত আশ্ৰয় ল'ব লগা হয়। উত্তৰ লক্ষীমপুৰৰ হৰিশিঙা বৰাৰ ঘৰতে মাধৱৰ জন্ম হয়। মাধৱৰ প্ৰকৃতিপ্ৰেমিক ঔপন্যাসিতে মাধৱৰ চৰিত্ৰত দৈৱগুণো আৰোপ কৰিছে। মাধৱৰ বাস্তৱ-বুদ্ধিৰ পৰিচয় পোৱা যায় এটা ঘটনাৰ মাজত। ঘাগৰি মাঝিৰ ঘৰলৈ যাওতে বাটতে এঘৰ মানুহৰ পাটপলুৱে এদিন পাত নোখোৱাত মানুহঘৰেকান্দি-কাটি হুৱাদুৱা লগালে। মাধৱে ডলাৰ পলুক কোমল পাত দিয়াত খালে। গৃহস্থই পলুৱে পাত খোৱাত আনন্দিত হৈ তেওঁলোকক এদিনৰ আশ্ৰয় দিলে।

মাধৱৰ যৌৱনত কৰ্মোদ্যম বেহা-বেপাৰ আধ্যাত্মিক চিন্তা আৰু শংকৰক লগ পোৱাৰ পিছত জীৱনৰ পৰিবৰ্ত্তিত ৰূপ ঔপন্যাসিকে সুন্দৰকৈ উপস্থাপন কৰিছে। শংকৰদেৱক লগ পোৱাৰ আগলৈকে শাক্ত মাধৱৰ বিভিন্ন মঠ-মন্দিৰ দৰ্শনৰ বৰ্ণনা উপন্যাসখনত বিস্তৃতভাৱে আছে। শংকৰদেৱ আৰু মাধৱদেৱ দুয়োৰে ধৰ্মীয় দৰ্শন একে হলেও ব্যক্তিত্বৰ প্ৰভেদ আছে। শংকৰদেৱে সংসাৰ ধৰ্ম বৰ্জন কৰা নাছিল। তেওঁ জীৱনত দুবাৰো বিয়া কৰাই গৃহস্থীৰ জীৱন যাপন কৰিছিল যদিও গৃহস্থীৰ

ভোগ-বিলাসত মত্ত নহৈ আধ্যাত্মিক চিন্তাত দিন কটাইছিল। মালিকে মাধৱদেৱৰ ব্যক্তিত্বৰ বিষয়ে মন্তব্য কৰিছে— 'মাধৱদেৱে সংসাৰৰ মায়ামোহৰ পৰা নিজক আঁতৰাই ৰাখি আত্মাৰ মুক্তি সাধন কৰি গৈছিল। সেয়া মাধব পুৰুষৰ নিজস্ব ব্যক্তিত্বৰ এক অক্ষয় কীৰ্ত্তিস্তম্ভ।[১৭] ধন্য নৰ তনু ভালত মাধৱে বিয়া কৰোৱা-নকৰোৱা কথাটো সহজকৈ কোৱা হৈছে— মাধৱক মনৰ বল থকা মানুহ বুলি। প্ৰেম অমৃতৰ নদীত বিয়া নকৰোৱাৰ ক্ষেত্ৰত মাধনদেৱ দৃঢ়মনা।[১৮] ক্ষুদ্ৰ কলেৱৰৰ উপন্যাসখনত ঔপন্যাসিকে মাধৱদেৱৰ ব্যক্তিত্ব ফুটাই তুলিবলৈ সক্ষম হৈছে।

ৰূপতীৰ্থৰ যাত্ৰী ঃ

মালিকৰ **ৰূপতীৰ্থৰ যাত্ৰী** উপন্যাসে অসমীয়া জীৱনী উপন্যাসৰ জয়যাত্ৰা সূচনা কৰিলে। তিনিটা খণ্ডত ৰচিত উপন্যাসখন অসমৰ মহান শিল্পী জ্যোতিপ্ৰসাদ আগৰৱালাৰ কৰ্মময় জীৱনৰ পটভূমিত ৰচিত। উপন্যাসৰ নায়ক জ্যোতিময় জ্যোতিপ্ৰসাদৰে অন্য নাম।

ৰূপতীৰ্থৰ যাত্ৰীৰ প্ৰথম খণ্ড আৰম্ভ হৈছে জ্যোতিপ্ৰসাদৰ ইউৰোপ যাত্ৰাৰ পৰা। ইটালীত গীত আৰু বাদ্যযন্ত্ৰৰ শিক্ষালাভ কৰি থাকোতে জ্যোতিময় মিৰাণ্ডা নামৰ এগৰাকী সুন্দৰী শিল্পীৰ সান্নিধ্যলৈ আহে। সঙ্গীত সাধনাৰ সঙ্গী মিৰাণ্ডাৰ প্ৰতি জ্যোতিপ্ৰসাদৰ দৈহিক আকৰ্ষণ নাথাকিলেও তেওঁক সঙ্গীত সাধনাৰ জীৱনজোৰা প্ৰেৰণা আগবঢাইছিল মিৰাণ্ডাই। বিদেশৰ পৰা ঘূৰি আহি কথাছবি নিৰ্মাণৰ পৰিকল্পনা কৰি তেও 'জয়মতী ছবিৰ প্ৰযোজনাৰ দায়িত্ব লয়। সেই সময়ত জ্যোতিৰ ঘৰৰ বনকৰা ছোৱালী চিলিৰ মাজত তেও চিত্ৰলেখাৰ স্বৰূপ উপলব্ধি কৰিবলৈ লৈছিল। চিলিৰো জ্যোতিৰ প্ৰতি আকৰ্ষণ আছিল। উপন্যাসৰ দ্বিতীয় খণ্ডত পলাতক অৱস্থাত জ্যোতিয়ে চিলিৰ ঘৰত আশ্ৰয় লৈ এটা নিবিড ৰাতি যাপন কৰিছিল।

জ্যোতিময়ে নিৰ্মাণ কৰা **জয়মতী** কথাছবিৰ ডালিমী চৰিত্ৰত অভিনয় কৰা ৰচনা নামৰ ছোৱালীজনীৰ প্ৰতিও তেও আকৰ্ষিত হৈছিল। কথাছবিত অভিনয় কৰাৰ কাৰণে জ্যোতিয়ে তাইক নানা কৌশলেৰে উপযুক্ত কৰি গঢ়ি তুলিছিল। কথাছবিত অভিনয় কৰাৰ বাবে সমাজত অৱহেলিত জীৱন যাপন কৰিব লগা এই ছোৱালীজনীৰ জীৱনৰ সকলো দায়িত্ব তেও লৈছিল। ৰচনাই চিলিৰ দৰেই জ্যোতিক ভাল পাইছিল যদিও অপ্ৰকাশিত হৈয়ে ৰ'ল। কলিকতাত কথাছবিৰ শেষ কামখিনি কৰিবলৈ গৈ জ্যোতিয়ে উৎপল চৌধুৰী নামৰ ব্যৱসায়ীজনৰ কবলৰ পৰা ৰচনাক উদ্ধাৰ কৰিছিল। চৌধুৰীয়ে ৰচনাক পণ্যবস্তুৰূপে ব্যৱহাৰ কৰিবলৈ লোৱাত তেও অসন্তুষ্ট হয় আৰু সি দিয়া টকাৰ চেকখন চৰম অৰ্থাভাৱৰ সময়তো ঘূৰাই দিয়ে। এই কাল্পনিক ঘটনাটোৱে জ্যোতিৰ মহানুভৱতাৰ পৰিচয় দয়ে। কথাছবি নিৰ্মাণৰ অন্তৰায়-অৰ্থাভাৱৰ কথা উপন্যাসখনত আছে। কথাছবি নিৰ্মাণত ফণী শৰ্মা আৰু বিষ্ণুৰাভাৰ অৱদান উল্লেখ আছে।

ৰূপতীৰ্থৰ যাত্ৰীৰ দ্বিতীয় খণ্ড দেশৰ স্বাধীনতা আন্দোলনত জ্যোতিপ্ৰসাদৰ ভূমিকা আৰু পলাতক জীৱন যপনৰ কাহিনীৰে ৰচিত। ঔপন্যাসিকে জ্যোতিৰ পাৰিবাৰিক জীৱনৰ মধুৰতম বৰ্ণনাৰে দ্বিতীয়খণ্ড আৰম্ভ কৰিছে। জ্যোতিময় নিজে শিল্পী। চাৰিবছৰীয়া কন্যা অঞ্জলীকো শিল্পী কৰি তোলাৰ পৰিকল্পনা কৰিছে পত্নী সাবিত্ৰীৰ লগত। তেওঁৰ দ্বিতীয় ছবি ইন্দ্ৰমালতীয়ে ৰাইজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হ'ল। ইতিমধ্যে দেশৰ স্বাধীনতা আন্দোলনে তীব্ৰৰূপ ধাৰণ কৰিলে। স্কুলীয়া ছাত্ৰ থাকোঁতেই কংগ্ৰেছৰ আহ্বানত জ্যোতিময়ে দেশৰ স্বাধীনতা আন্দোলনত জপিযাই পৰিছিল। ১৯৩০ চনৰ আইন অমান্য আন্দোলনত সক্ৰিযভাবে অংশগ্ৰহণ কৰি কাৰাবৰণ কৰিছিল।

জ্যোতিময়ে পুনৰ দেশৰ মুক্তিক ব্ৰত হিচাপে গ্ৰহণ কৰিলে। জ্যোতিময় ভাষাত 'মই নেতা নহয কৰ্মীও নহয কেবল ব্ৰতী। দেশৰ ৰাজনৈতিক মুক্তি মোৰ ব্ৰত। পৰাধীনতাত মানুহৰ আত্মাই মুক্তি লাভ কৰিব নোৱাৰেষ মুক্ত শিল্পী হবলৈ মুক্ত মানুহ হব লাগিব। তাৰ কাৰণে লাগে দেশৰ স্বাধীনতা ৰাজনৈতিক মুক্তি। [১৯] দেশৰ স্বাধীনতাৰ কাৰণে জ্যোতিময়ে আশ্ৰয় ললে বিপ্লৱৰ। গাঁৱে গাঁৱে মানুহ একত্ৰিত কৰি বিপ্লৱৰ বাণীৰে তেওলোকৰ মন স্বাধীনতাৰ ৰণত জপিয়াই পৰিবৰ কাৰণে আগ্ৰহী কৰি তুলিলে। স্বাধীনতা আন্দোলনৰ সমসাময়িকভাৱে দ্বিতীয় বিশ্বযুদ্ধৰ ঘটনাই অসমতো প্ৰভাৱ পেলাইছিল। মহাসমৰকালীন অসমৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক পৰিস্থিতিয়ে ব্যক্তি আৰু সমাজ জীৱনলৈ অনা পৰিবৰ্ত্তনসমূহৰ ইঙ্গিত ঔপন্যাসিকে দিবলৈ যত্ন কৰিছে। ইংৰাজ শাসনকালত অসমৰ জনসাধাৰণৰ দাৰিদ্ৰ্যৰ ছবিখন উপন্যাসখনত স্পষ্ট। তেজপুৰ অঞ্চলৰ স্বৰাজকৰ্মী আৰু আন্দোলনৰ চিত্ৰ কল্পনাৰ সহযোগত জীৱন্ত কৰি তোলা হৈছে। পলাতক অৱস্থাত জ্যোতিময়ে গাঁও অঞ্চলত লগ পোৱা চৰিত্ৰবিলাকো আকৰ্ষণীয়।

ৰূপতীৰ্থৰ যাত্ৰীৰ তৃতীয় খণ্ডৰ কলেবৰ সৰু। দেশৰ স্বাধীনতাৰ পিছত জ্যোতিময় দুৰাৰোগ্য ৰোগত শয্যাশ্ৰয়ী হয়। জ্যোতিময়ৰ বিগতে জীৱনৰ ৰোমন্থনেৰে আৰু অন্তিম জীৱনৰ শোচনীয় পৰিস্থিতিৰ ইঙ্গিতেৰে তৃতীয় খণ্ড সামৰণি মৰা হৈছে। ৰূপতীৰ্থৰ যাত্ৰীৰ জ্যোতিপ্ৰসাদৰ জীৱনৰ বিভিন্ন দিশ পোহৰলৈ আহিছে। জ্যোতিপ্ৰসাদৰ শিল্প-চেতনা বিপ্লৱী-চেতনা সাহিত্যকৃতি আৰু প্ৰগতিবাদী ভাবধাৰা উপন্যাসখনত চিত্ৰিত হৈছে।

জীৱনীমূলক উপন্যাস ৰচনাত মালিক সফল হৈছে। শংকৰদেৱৰ জীৱনীভিত্তিক ধন্য-নৰ তনু ভালত মালিকে চৰিত পুথিত প্ৰকাশিত শংকৰদেৱৰ ব্যক্তিত্ব আৰু আদৰ্শ নিখুঁটভাবে দাঙি ধৰিছে। শংকৰদেৱক মানুহ হিচাপে প্ৰতিষ্ঠা কৰাত ঔপন্যাসিক সফল হৈছে। প্ৰেম অমৃতৰ নদীত মালিকে ক্ষুদ্ৰ পৰিসৰত মাধৱদেৱক এজন উদাৰ বিনয়ী প্ৰতিভাশালী শিল্পীৰূপে অংকন কৰিছে। অবিবাহিত মাধৱদেৱৰ চৰিত্ৰৰ অন্যতম বৈশিষ্ট্য— নাৰীৰ প্ৰতি মাতৃজ্ঞান মালিকে সহৃদয়তাৰে দাঙি ধৰিছে। ৰূপতীৰ্থৰ যাত্ৰী

চৈয়দ আব্দুল মালিকৰে নহয় অসমীয়া সাহিত্যৰে প্ৰথম জীৱনীমূলক উপন্যাস ৰচনাৰ এক শক্তিশালী পদক্ষেপ। তিনিওজন প্ৰথিতযশা মহান পুৰুষ শংকৰদেৱ মাধৱদেৱ আৰু জ্যোতিপ্ৰসাদৰ জীৱনীভিত্তিক উপন্যাস কেইখন মালিকৰ শ্ৰেষ্ঠ উপন্যাস সমূহৰ ভিতৰত অন্যতম।

বিভূতিভূষণ আৰু মালিকৰ উপন্যাস ৰীতিৰ নিজা বিশেষত্বসমূহৰ তুলনা কৰিলে দেখা যায় যে বিভূতিভূষণৰ অলৌকিক ভাৱৰ ৰচনা-ৰীতি মালিকৰ উপন্যাসত অনুপস্থিত। বিভূতিভূষণৰ ৰহস্যময় ধ্যান-ধাৰণা সূক্ষ্ম অনুভৱৰ ফলশ্ৰুতি। পৰলোকৰ প্ৰতি থকা ধাৰণা বিভূতিভূষণৰ উচ্চ পৰ্য্যায়ৰ আৰু কাব্যিক গুণসম্পন্ন। এনে সূক্ষ্ম কাম মালিকৰ উপন্যাসত পোৱা নাযায়।

জীৱনীমূলক উপন্যাস ৰচনা মালিকৰ এক গুৰুত্বপূৰ্ণ উদ্ভাৱন। বিভূতিভূষণৰ ৰচনাত জীৱনীমূলক উপন্যাস নাই। তিনিজন বিশিষ্ট ব্যক্তিক লৈ উপন্যাস ৰচনা কৰি মালিকে তেওঁলোকৰ ব্যক্তিত্ব লোকমানসত অধিক উজ্জ্বল কৰি তুলিছে। উপন্যাস কেইখনিত ঐতিহাসিক গুণ আৰু কলাযুগ দুযোটাই আছে।

বিভূতিভূষণে আধ্যাত্মচেতনা প্ৰধান দেবযান আৰু মালিকৰ জীৱনী উপন্যাস তিনিখনে নিজ নিজ ভাষা সাহিত্যক সমৃদ্ধ কৰিছে। এই দুয়োটা দিশত দুয়োজনৰ মাজত তুলনা সম্ভৱ নহয় যদিও দুয়োজনৰে অৱদানসমূহৰ গুৰুত্ব সমান বুলি প্ৰতীয়মান কৰিব পাৰি।

বিভূতিভূষণৰ উপন্যাসৰ কথনভংগী :

বিংশ শতাব্দীৰ বাংলা প্ৰথিতযশা সাহিত্যকসকলৰ ভিতৰত বিভূতিভূষণ বন্দোপাধ্যায়ৰ নাম অন্যতম। ১৯২৯ চনত প্ৰকাশিত **পথেৰ-পাঁচালী** ৰচনাৰে বাংলা উপন্যাস সাহিত্যত প্ৰতিষ্ঠা লাভ কৰা বিভূতিভূষণে তেওঁৰ উপন্যাসৰ কথনভংগীৰ জৰিয়তে বাংলা ভাষাৰ এক নিটোল ৰূপ ধৰি ৰাখিবলৈ সক্ষম হৈছে।

বৰ্ণনাৰ চিত্ৰ ধৰ্মীতাই বিভূতিভূষণৰ উপন্যাসক এক অনন্য সৌন্দৰ্য্য প্ৰদান কৰিছে। তেওঁৰ প্ৰথম উপন্যাস **পথেৰ-পাঁচালীত** অপু-দুৰ্গাৰ নিশ্চিন্দিপুৰৰ ঘটনাসমূহ ছবিৰ নিচিনাকৈ গাঁথি যোৱা হৈছে। **পথেৰ-পাঁচালী** গঠনত পাঠকে নিশ্চিন্দিপুৰৰ আমবাগান পুখুৰীৰ পাৰ নদীৰ ঘাট যাত্ৰাৰ আসৰ সকলোতেই ঘূৰিব লাগিব অপু-দুৰ্গাৰ পিচে পিচে। অপু-দুৰ্গাৰ অঞ্জনসনা দৃষ্টিৰে পাঠক ঘূৰি যাব পাৰে শৈশৱলৈ। শিশুৰ চকুৰে জগত দেখাৰ এই প্ৰৱণতা বাংলা সাহিত্যত অভিনৱ। নিশ্চিন্দিপুৰৰ প্ৰতিটো বৰ্ণনাই পাঠকৰ চকুত ছবিৰ নিচিনাকৈ স্পষ্টকৈ জিলিকি থাকে। এক একবাৰ ঝিমঝিমে হাওয়ায় কত কি লতাপাতাৰ তিক্ত মধুৰ গন্ধ ভাসিয়া আসে ঠিক দুপুৰবেলা অনেক দূৰেৰ কোনো বড গছেৰ মাথাৰ উপৰ হইতে গাঙচিত টানিয়া ডাকে যেন এই ছোট গ্ৰামখনিৰ অতীত-বৰ্ত্তমান সমস্ত ছোটখাটে সুখ-দুঃখ শান্তি দ্বন্দ্বেৰ জৰ্দ্ধ শৰৎ মধ্যাহ্নেৰ ৰৌদ্ৰভৰা নীল নিৰ্জন আকাশ পথে এক উদাস গৃহবিৰাগী পথিক

দেৱতাৰ সুকণ্ঠৰ আবদাৰ দূৰ হইতে দূৰে মিলাইয়া চলিযাছে।"[২০] আৰু এখন ছবি— 'তাহাৰ পৰে সকলে গিযা ঘুমাইয়া পড়ে। ৰাত্রি গভীৰ হয়। ছাতিম ফুলেৰ উগ্র সুবাসে হেমন্তেৰ আঁচলগা শিশিৰার্দ্র নৈশ বাযু ফুৰাইয়া যায়। মধ্য ৰাত্রে বেণুবনশীর্ষ কৃষ্ণপক্ষেৰ চাঁদেৰ স্নান জ্যোৎস্না উটিয়া শিশিৰ সিক্ত গাছ পালায় ডালে-পাতায় চিকমিক কৰে। আলো-আঁধাৰেৰ অপৰূপ মাযাম বনপ্রান্ত ঘুমন্ত পৰীৰ দেশেৰ মত ৰহস্যভৰা। শন্‌শন কৰিযা হঠাৎ হয়তো এক ঝলক হাওয়া সোঁদলিৰ ডাল দুলাইয়া তেলাকুচো— কোপেৰ মাথা কপাঁইযা বহিয়া যায়। [২১] **পথেৰ-পাঁচালীৰ** প্রতিটো পৃষ্ঠাতে এনে ছবি বিদ্যমান। বিভূতিভূষণে এই চিত্রসমূহ প্রাণৰ সকলো আকুল-স্নেহেৰে আঁকিছে। তেওঁৰ তুলিকাৰ স্পর্শ অতি নিপুণ। উজ্জ্বল আৰু অপটু ৰেখাপাতে চিত্রমালাৰ কোনো অংশকে আমনিলগা কৰা নাই। যি ভাষা আৰু লিখনভংগীৰ সহাযত বিভূতিভূষণে এই চিত্রমালা আঁকিছে তাৰ সহজ-সৰল গতিত পাঠকে নিজকে বিচাৰি পায়।

বিভূতিভূষণৰ প্রায় সকলো ৰচনাতে কবি বিভূতিভূষণৰ পৰিচয আছে। আবেগপ্রৱণ গদ্য আৰু কাব্য প্রায অভিন্ন। **পথেৰ-পাঁচালীৰ** প্রতিটো পৃষ্ঠাতেই আবেগৰ ঝংকাৰ আছে।[২২] বাক্যগুণৰ কাৰণেই বিভূতিভূষণৰ সাহিত্য সুখপাঠ্য হৈ পৰিছে। পথেৰ-পাঁচালীৰ প্রায় সকলো কাব্যিক বর্ণনাই পাঠকক আনন্দত আপ্লুত কৰি ৰাখিব পাৰে। অপৰাজিতৰ অপুৰ বাল্যস্মৃতি ৰোমন্থন আবেগপ্রৱণ কবিৰ দৰে— 'মধুৰ প্রভাতেৰ পদ্মফুলেৰ মত ছিল দিনগুলা। - আকাশ ছিল নির্মল, বাতাসকি শান্ত নবীন উৎসাহ ভৰা মধুছন্দ। মধুৰ নিশ্চিন্দিপুৰ। মধুৰ ইছামতীৰ কালমর্মৰ। মধুৰ তাহাৰ দুঃখী দিদি দুর্গাৰ স্নেহভৰা ডাগৰ চোখেৰ স্মৃতি। কত দূৰ ক—ত দূৰে চলিয় গিযাছে সে দিনেৰ জীৱন। খেলাঘৰেৰ দোকানে নোনা পাতাৰ পান বিক্রী সেই সতুদাৰ মাকাল ফল চুৰি কৰিয়া দৌৰ দেওয়া। [২৩]

বিভূতিভূষণৰ ৰচনাশৈলীৰ এটা প্রধান বিশেষত্ব হৈছে ভাষাৰ সহজ-সৰল প্রকাশ। ভাষাৰ সৰলতাই তেওঁৰ ৰচনাক সজীৱ কৰি তুলিছে। বিভূতিভূষণৰ বর্ণনা সাবলীল। **পথেৰ-পাঁচালীৰ** সর্বজয়াৰ প্রাঞ্জল কথনভংগীয়ে পাঠকক আপ্লুত কৰে। 'সর্বজয়া বলিল— এলে এসো ভাত তৈৰী। খেয়ে আমায় উদ্ধাৰ কৰো— তাৰ পৰ আবাৰ কোন দিকে বেৰুতে হবে বেৰোও। বৈশেখ মাসেৰ দিন সকলেৰ মেয়ে দ্যাখো 'গে যাও সেঁজুৰি কৰছে, শিৱপূজো কৰচে— আৰ অত বড় ধাড়ী মেয়ে দিন ৰাত কেৱল টো টো সে সকাল হতে না হতে বেৰিযেচে আৰ এখন এই বেলা দুপুৰ ঘুৰে গিয়েছে— এখন এল বাড়ী। মাথাটাৰ চিৰি দ্যাখো না। না একটু তেল দেওয়া— না একটু চিৰুনি ছোঁয়ানো— কে বলবে বামুনেৰ মেয়ে। [২৪] সর্বজয়াৰ এই কথনভংগীৰলগত মালিকৰ সূৰুযমুখীৰ স্বপ্নৰ গুলচ্‌ৰ মাকৰ কথনভংগীৰ মিল আছে।

বিভূতিভূষণৰ উপন্যাসৰ অন্যতম বৈশিষ্ট্য হ'ল প্ৰকৃতিৰ সাৱলীল বৰ্ণনা। দিনলিপিসমূহতো তেওঁ বাৰে বাৰে বাংলা প্ৰকৃতিৰ মোহনীয় ৰূপ বৰ্ণনা কৰিছে। প্ৰকৃতি আৰু নিৰ্জনতাপ্ৰিয় বিভূতিভূষণে **পথেৰ-পাঁচালী অপৰাজিত** আৰু **আৰণ্যক** গ্ৰন্থত বাংলা প্ৰকৃতিক কল্পনাৰ আলোকেৰে আলোকিত কৰি উপস্থাপন কৰিছে।

পথেৰ-পাঁচালীত বিভূতিভূষণে বাংলাৰ গ্ৰাম্য প্ৰকৃতিৰ মাজত অপু-দুৰ্গাৰ বিচৰণ কৰাই এই বালক-বালিকাৰ দৃষ্টিৰে নিশ্চিন্দিপুৰৰ প্ৰকৃতিৰ সৌন্দৰ্য্য ধৰি ৰাখিবলৈ যত্ন কৰিছে। গোটেই উপন্যাসখনত নিশ্চিন্দিপুৰৰ প্ৰকৃতিৰ সেউজীয়া বোল লাগি আছে। হৰিহৰৰ ভগা খেৰী ঘৰ প্ৰকৃতিৰ নিৰ্জনতাৰ মাজত। ঔপন্যাসিকৰ সজীৱ বৰ্ণনাই নিৰ্জনতা প্ৰকাশ কৰাত সফল হৈছে।[২৫] **অপৰাজিত**ৰ অমৰকণ্টক পাৰ্বত্য অঞ্চলৰ অৰণ্য বৰ্ণনাই পাঠকক মুগ্ধ কৰে।[২৬]

আৰণ্যক বাংলা সাহিত্যত প্ৰথম আৰু একমাত্ৰ প্ৰকৃতিবিষয়ক উপন্যাস। প্ৰকৃতি ইয়াত এটা চৰিত্ৰৰ সমানেই জীৱন্ত। অৰণ্য প্ৰকৃতিৰ ৰহস্য আৰু বিস্ময়বোধ অলৌকিক আৰু অবিশ্বাস্য বিভিন্ন কাহিনী আৰু অৰণ্যমনৰ নিভাঁজ সৰলতাৰ বৰ্ণনাৰে উপন্যাসখন ভৰপূৰ। দিকচক্ৰবালে দীৰ্ঘ নীলৰেখা মতো পৰিদৃশ্যমান এই পাহাড ও বন দুপৰি বিকালে সন্ধ্যায় কত স্বপনে আনে মনে। এৰ জ্যোৎস্না এৰ বন-বনানী এৰ নিৰ্জনতা এৰ ৰহস্য, এৰ সৌন্দৰ্য্য এৰ মানুষজনৰ পাখীৰ ডাক বন্য ফুলশোভা— সবই মনে অদ্ভুত। মনে এমন এক গভীৰ শান্তি ও আনন্দ আনিয়া দেয় জীৱনে যাহা কখনো কোথাও পাই নাই। তাৰ উপৰে বেশি কৰিয়া অদ্ভুত লাগে ওই মহালিখাৰূপেৰ শৈলমালা ও মোহনপুৰ ৰিজাৰ্ভ ফৰেষ্টেৰ সীমাৰেখা।[২৭] অৰণ্য প্ৰকৃতিৰ এক নিজস্ব সৌন্দৰ্য্য আছে। বিভূতিভূষণৰ মনোৰম প্ৰকাশভঙ্গীত এই সৌন্দৰ্য্য আৰু উজ্জ্বল হৈ জিলিকি উঠিছে।

গ্ৰাম্য পৰিৱেশ বৰ্ণনাত বিভূতিভূষণৰ ভাষাই প্ৰাণ পাই উঠে। গাঁৱৰ জীৱনক তেওঁ হৃদয়েৰে ভাল পায়। **পথেৰ-পাঁচালী**ত গ্ৰাম্য জীৱনৰ চিত্ৰণ অতি সজীৱ আৰু স্পষ্ট ৰূপত দাঙি ধৰা হৈছে। গাঁৱলীয়া জীৱনৰ বিচিত্ৰ ৰূপ প্ৰতিভাত হৈ উঠা উপন্যাসখনত আছে গাঁৱলীয়া মানুহৰ আচাৰ-বিচাৰ চাল-চলন জাত-পাত বিচাৰ কু-সংস্কাৰ অভাৱে আৱৰি থকা সংসাৰৰ শ্ৰীহীন ৰূপ পৰনিন্দা-পৰচৰ্চা আদি জীৱনৰ অকল্যাণকৰ প্ৰবৃত্তি সমূহৰ আনুপুংখ বিৱৰণ। গ্ৰাম্য মানুহৰ অজ্ঞতা নিৰ্মমতা সৰলতা আতিথ্য সৌহাদ্য আৰু গ্ৰাম্য প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য্যৰ বৰ্ণনাই উপন্যাসখনক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে। গ্ৰাম্য প্ৰকৃতিৰ সৌন্দৰ্য্যৰ বৰ্ণনাই উপন্যাসখনক এক বিশেষ মাত্ৰা প্ৰদান কৰিছে।

বঙালী জনজীৱনৰ লগত জড়িত বিভিন্ন ৰূপকথা লোকগীত (ছড়া)[১] সাঁথৰ (উক্তি)[২], পটন্তৰ[৩] বিভূতিভূষণৰ উপন্যাসত সততে দৃষ্টিগোচৰ হয়।

মালিকৰ উপন্যাসৰ কথনশৈলী ঃ

মালিকৰ ৰচনাত এটা আকৰ্ষণীয় গুণ হ'ল তেওঁৰ সাৱলীল কথনভংগী। বিংশ শতাব্দীৰ বিৰল প্ৰতিভাৰ অধিকাৰী মালিকে প্ৰায় যাঠি বছৰৰো অধিক কাল সাহিত্য সাধনাৰে অসমীয়া সাহিত্যলৈ বিভিন্ন দিশত অৱদান আগবঢ়াই থৈ গ'ল। মালিকৰ কথনভংগীৰ এক নিজস্ব ষ্টাইল আছে। অসমীয়া ভাষাৰ ওপৰত থকা দখলে মালিকৰ ৰচনাকে উৎকৃষ্ট সাহিত্যৰূপে পৰিচয় প্ৰদান কৰিছে। ভাষাৰ ক্ষেত্ৰত সাৱলীল হ'লে সাহিত্য পাঠকৰ বাবে গ্ৰহণযোগ্য আৰু সুখপাঠ্য হৈ পৰে। মালিকৰ উপন্যাসসমূহ কথনভংগীৰ মাধুৰ্যই অনুপম কৰি তুলিছে।

মালিকৰ উপন্যাসৰ কথনভংগীৰ এটা মন কৰিবলগীয়া বিশেষত্ব হ'ল শব্দ প্ৰয়োগৰ আৰু বৰ্ণনাৰ স্বকীয়তা। তেখেতৰ সুখপাঠ্য উপন্যাস **সুৰুযমুখীৰ স্বপ্ন** আৰম্ভ কৰিছে ডালিম গাঁৱৰ এক মনোৰম বৰ্ণনাৰে। নৈখনে কথা কয়। বহুত পুৰণি কথা। কথাবোৰ দুয়োপাৰৰ গৰাত লাগি ৰয়। বিৰিণাৰ পাতত বহুদিনলৈ লাগি থাকে।

কেইবা শ বছৰ পুৰণা গাঁও। আলৰ বুঢ়া বৰগছ কেইজোপা তাৰ সাক্ষী নৈৰ পাৰৰ জয়াৰ মৰিশালীখন তাৰ সাক্ষী।[২৮] ঔপন্যাসিকৰ বৰ্ণনাত ধনশিৰীপৰীয়া ডালিম গাঁওখন ছবিৰ নিচিনাকৈ পাঠকৰ চকুৰ আগত জিলিকি উঠে। শব্দপ্ৰয়োগত মালিকৰ মন কৰিবলগীয়া বিশেষত্ব হ'ল শব্দৰ বিচিত্ৰতা। তৎসম, অৰ্ধতৎসম, তদ্ভৱ শব্দৰ মাজে মাজে ইংৰাজী আৰু আৰবী পাৰ্চীমূলীয়া শব্দ ব্যৱহাৰ কৰি তেওঁ বৰ্ণনীয় বিষয়ক স্পষ্ট কৰি তোলে। **সুৰুযমুখীৰ স্বপ্নৰ** চন্দ্ৰৰ কথা বতৰাই পাঠকক আমোদ দিয়ে। বিশেষ বিশেষ শব্দ প্ৰয়োগত যেনে আব্বাজান মাহিটি খাদা আল্লা দুনিয়া, নামাজ ৰোজা নিকাহ আদি শব্দ প্ৰয়োগৰ দ্বাৰা মুছলমান সমাজৰ ধৰ্মীয়-সংস্কৃতিক স্পষ্ট কৰি তুলিছে।

প্ৰসঙ্গৰ লগত মিলাই ফঁকৰা-যোজনা আৰু পটন্তৰ ব্যৱহাৰ কৰিব পৰাটো মালিকৰ কথনভংগীৰ অন্য এক বিশেষত্ব। বামুণেই মৰক বা লগুনেই ছিগক নৈয়ে নৈয়ে বাট বাটে বাটে ঘাট তিৰি নদী ভাটো কোৱা এই চাৰিৰ আসে নোপোৱা শালক শিঙিয়ে হাঁহে দুই ম্হৰ যুঁজ লাগে মজত বিৰিণাৰ মৰণ আভোকৰ নমুঠিয়েই আঁটিছে, ল'ৰাই পানী পেলায বৰে পিছলি পৰে পলৰীয়া গৰুৰ বাটে বাটে ঘাঁহ, কটাৰি ধৰাবা শিলে তিৰোতা বলাবা কিলে গৰুৰ আগত টোকাৰি বায় শিং জোকাৰি ঘাহ খায় আদি ঘৰুৱা প্ৰৱচনসমূহ মালিকৰ উপন্যাসত সততে চকুত পৰে। লোকসাহিত্যৰ অন্তৰ্গত বিভিন্ন গীত-মাতৰ যথাযথ প্ৰয়োগে মালিকৰৰ উপন্যাসক এক নতুন মাত্ৰা দিছে।

মালিকৰ কথনভংগীৰ অন্য এটা বিশেষত্ব হ'ল— শব্দ প্ৰয়োগৰ বিশেষ কৌশলেৰে সৃষ্টি কৰা হাস্যৰস। সাধাৰণ কথাটোকে পোনপটীয়াকৈ নকৈ পাক লগাই বৰ্ণনা দীঘলীয়া কৰাটো মালিকৰ উপন্যাসৰ কথনভংগীৰ বিশেষ বৈশিষ্ট্য। কেতিয়াবা

এনে হাস্যৰস নির্দোষ আমোদৰ খোৰাক নহৈ ব্যঙ্গাত্মক হৈ পৰে। মালিকৰ ডঁইহাফলু উপন্যাসৰ কৰম আলি এটা হাস্যৰসাত্মক চৰিত্ৰ। উপন্যাসৰ আৰম্ভণিতে কৰম আলিৰ সাজপাৰ চশমাযোৰ চাইকেলখন আৰু চাইকেল চলোৱাৰ ধৰণৰ বিৱৰণে হাস্যৰসৰ যোগান ধৰে। কৰম আলিৰ প্ৰতি দিয়া লেখকৰ বহুতো মন্তব্যই তথাকথিত ডাক্তৰৰ চিৰিৎসাৰ প্ৰতি কটাক্ষপাত কৰিছে— কিন্তু আজিলৈকে তেওৰ দাৱাই খাই বা বেজী লৈ কোনোবা মৰিছে বুলিও ক'ব নোৱাৰি। কৰম আলি ডাক্তৰ কি ৰুস্তম পালোৱান যে যমৰ হাতত ধৰি নিব খোজা জীউটো কাটি ৰাখিব। [২৯] কৰম আলিৰ বিয়াৰ ঘটনাটো হাস্য-ৰসাত্মক। থোপোকা উকীলৰ ঘৰলৈ অহাযোৱা কৰোতে তাৰে এজনীৰ প্ৰেমত পৰিছিল ডাক্তৰ। উকীলে যেতিয়া বিয়াৰ প্ৰস্তাৱ দিলে ডাক্তৰে বন্ধু-বান্ধৱৰ সহযোগত ভোজ-ভাতৰ দিহা কৰি বিয়া পাতিলে। বিযাৰ পিছত কইনাৰ ওৰণি ডাঙি কৰম আলি আচৰিত হ'ল। সেইজনী ডাক্তৰে চিকিৎসা কৰি ভাল কৰা ছোৱালীজনীহে।

মালিকৰ উপন্যাসৰ বাক্য গাঁঠনিৰ এটা নিজস্ব শৈলী আছে। তেওঁৰ উপন্যাসৰ প্ৰায়বোৰ বাক্যই চুটি চুটি আৰু সৰল। উপন্যাসৰ কাহিনী আগবঢাই নিওতে যেতিযাই মালিক আৱেগিক হৈ পৰে তেতিযাই তেওৰ স্বাভাৱিক বাক্য গঠনে কাব্যিক ৰূপ লয়। উদাহৰণ স্বৰূপ— শীর্ণ ধনশিৰি ফটিক নীলা পানী তৰা, শুকান গঢাবোৰ থিযদি আছে। সিহঁতৰ বুকুত আকণ্ঠ তৃষ্ণা। ধনশিৰি এদিন ওফন্দি আহিব সিহঁতৰ শুকান বুকু তিয়াই দিব। নৈৰ বালিত পানী বিচাৰি অহা বনহৰিণীৰ খুৰাৰ খোজ। সিহঁত জাক পাতি আহে, পানী খায গুচি যায। পাখী নকপোৱাকৈ শগুণবোৰ অকলে অকলে মেঘহীন আকাশৰ বুকুত উৰি ফুৰে।[৩০] নল বিৰিণা খাগৰিৰ মৌজুৰি নদীৰ বানপানীৰ বর্ণনাও কাব্যিক। মৌজুৰিৰ পানী নীলা কজলা বৰনৈৰ পানী বগা নিমিলে। ব্ৰহ্মপুত্ৰৰ পানী আহি আহি পিয়ালি পাইহি এৰাতিমান তাতে থমক মাৰি ৰৈ থাকে তাৰ পিছত নামঘৰৰ ভেটিৰ মাটি গালে-মুখে সানি লৈ মণিকুট চুই সিংহাসনলৈ নিলগৰে পৰা সেৱা এটা জনাই আকৌ ঘূৰি যায়।[৩১] এয়া যেন সহজ সৰল ভাষাত লিখা এক প্ৰকাৰৰ কবিতাই। বিশিষ্ট সমালোচক ড নগেন শইকীয়াদেৱৰ মন্তব্য এই ক্ষেত্ৰত প্ৰণিধানযোগ্য তেওৰ যিকোনো এখন উপন্যাস বা যিকোনো এটা গল্প মেলি লওক দেখিব আৰম্ভণিয়েই কেৱল কাব্যিক নহয শেষ পর্য্যন্ত তাত যি সামগ্রিক প্ৰতীতি আৰু আবেদন তাৰ মাজতো কাব্যিক উপলব্ধি আৰু অনুভৱেই ঝংকৃত হৈছে।[৩২]

তথাকথিত গ্ৰাম্য সমাজত প্ৰয়োগ হোৱা কিছুমান শব্দই মালিকৰ উপন্যাসসমূহক গ্ৰাম্য-পৰিৱেশ প্ৰকাশ সহায় কৰছে। ব্ৰহ্মপুত্ৰ নিলগ নিগাজী ৰি, উদং বিৰিঙানি বৰবিল খেতৰ যথ টকালি, খকাখুন্দা, তেওজৰ বছৰ বঢা-টুটা কেৰেচ বিয়াগোম জয়-জননী কৌটিকলীয়া গোপালপিতা গেজেপনি কিৰিবি আজলমথালি আদি শব্দবোৰ

গ্ৰাম্য-পৰিৱেশৰ লগত খাপ-খাই পৰিছে। গ্ৰাম্য-পৰিৱেশৰ লগত সংগতি ৰাখি চৰিত্ৰৰ মুখত অশ্লীল শব্দও তেওঁ ব্যৱহাৰ কৰিছে।

মালিকৰ উপন্যাসৰ জনপ্ৰিয়তাৰ মূলতে আছে তেওঁৰ ৰোমাণ্টিক প্ৰেমেৰে উজ্জ্বল গাঁওভিত্তিক লোকজীৱনৰ পটভূমি আৰু যোজনা-পটন্তৰেৰে সমৃদ্ধ জতুৱা ঠাঁচযুক্ত কথনভংগী। পাটীত পৰি মাকে অলপ সৰু মাতেৰে নিজকে কোৱাদি ক'ল— লগৰ আটাইবোৰে বিয়া কৰালে ল'ৰা বাপুকী হ'ল। বা-বলাই ফুৰিলে ঘৰ হবনে? মন থিৰ কৰিব লাগে তেহে। হলিগৈ পদুলিশুঙাৰ সাঁচ। গোট ডেকা মানুহটো ঘৰলৈ চকু দিবৰ মন নাই টলৌ টলৌ ঘূৰি ফুৰিলেই ঘৰ হ'ব ভাত কাপোৰ হব।[৩৩] সূৰুযমুখীৰ স্বপ্নৰ গুলচৰ মাকৰ গ্ৰাম্য ঠাঁচযুক্ত এই স্বাভাৱিক কথাই গ্ৰাম্য সমাজৰ ছবি এখন দাঙিধৰাত সফল হৈছে। নল বিৰিণা খাগৰিৰ কথনভংগী জনজীৱনৰ আৰু ওচৰচপা 'শিকায় মৌকুৰিৰ ঘাটে বৰবিলৰ বোকাই বৰহমপুতৰ বালিয়ে শিকায় লহপহীয়া সেউজীয়া ধাননি পথাৰে জহালি জহালি গোন্ধোৱা কাতিমহীয়াৰ গেৰমেলা ধানে আঘোণ-পুহৰ সোণবৰণীয়া ঠোক ওলমি মাটিলৈ হালি অহা পকা ধাননিয়ে। পথাৰখনেই পঢ়াশালি ঘৰৰ মজিয়াখনেই ঋষি-মুণিৰ আশ্ৰম।'[৩৪]

অৱহেলিত নিপীড়িত মাটিহীন কৃষকৰ জীৱন কাহিনীৰ ওপৰত স্তিত কৰি লিখা পহুমৰা হাবিৰ বাট উপন্যাসত লেখকৰ ভাষাই ক্ষুৰধাৰ ৰূপ লৈছে 'টকা-চকা দিবলৈ নাই। এইখন আমাৰ দেশ। এই দেশৰ মাটি আমাৰ মাটি আমাৰ মাটিত আমি খেতি কৰিম তাৰ কাৰণে কুকুৰ পোৱালিহঁতক ঘোচ দিবলৈ যাম কেলেই?'[৩৫] সুবিধা বুজি ঔপন্যাসিকে তথাকথিত চৰকাৰৰো সমালোচনা কৰিছে কঠোৰ ভাষাৰে। যোৱা কুৰি বছৰে চৰকাৰটোৱে আমাৰ কাৰণে খেতিয়কৰ কাৰণে কি ফুটুকাৰ ফেনটো কৰিলে? মাটিৰ খাজনা উঠাই দিম বুলি কৈছিলে নহয় দিলে?[৩৬] স্বাধীনতাৰ কুৰি বছৰৰো পিছতো দেশৰ চৰকাৰে সাধাৰণ লোকৰ কাৰণে ভাবিবলৈ অৱসৰ নোপোৱা কথাই ঔপন্যাসিকক ভবাই তুলিছে।

গ্ৰাম্য পৰিৱেশৰ বৰ্ণনাত মালিকৰ ভাষাই প্ৰাণপাই উঠে। বনজুইৰ বৰপদুমণি গাঁৱৰ আঘোণৰ পৰিৱেশৰ বৰ্ণনা মালিকে এনেদৰে দিছে সোণ বৰণীয়া ধাননি পথাৰলৈ ধূঁৱলি ওৰণি লৈ আঘোণ নামি আহে। সিৰসিৰ কৰি ধানৰ পাতবোৰ কঁপে। মাণিকী-মধুৰীৰ থোকবোৰ দোঁখায কলাজহাৰ নতুন গোন্ধ পথাৰত বিযপি পৰে। ৰাতি দুই চাৰিটা চেঙেলীয়া বাহিৰে অন্য ডেকা-বুঢ়া বাহিৰ নোলায়। জুইৰ কাষত মিঠা মৰম থুপখাই থাকে। সেই উমলগা মৰমবোৰ সাধুকথাৰ নিচিনৈ আপোন জোনবাইৰ সমান পুৰণি ধাননি পথাৰৰ পথৰুৱা আলিৰ নিচিনা চিনাকি।[৩৭] মালিকৰ প্ৰায সকলো উপন্যাসতে গ্ৰাম্য পৰিৱেশৰ এনে মনোৰম ৰূপ দেখিবলৈ পোৱা যায। ড° দীপ্তি ফুকন পাটগিৰিয়ে কৈছে— 'মালিকৰ প্ৰত্যেক ৰচনাৰ ভাষাৰ এক বিশেষ পাৰদৰ্শিতা হ'ল পৰিৱেশৰ সুন্দৰ বৰ্ণনা। সহজ-সৰল ভাষাৰে পৰিৱেশৰ বৰ্ণনা দাহি

ধৰোঁতে মালিকৰ ভাষাত থকা দখল সহজেই অনুমেয়।[৩৮]

বহুবঙ্কিতা মালিকৰ উপন্যাসৰ অন্যতম বৈশিষ্ট্য। নিজৰ মতাদৰ্শ প্ৰকাশ কৰিবলৈ বা বাকপটুতাৰ বাবে মালিকে কাহিনীৰ বাবে মালিকে কাহিনীৰ বাবে অপ্ৰয়োজনীয় বৰ্ণনাৰে উপন্যাসৰ কলেৱৰ বৃদ্ধি কৰে। ধন্য নৰ তনু ভালৰ আৰম্ভণিতে ঔপন্যাসিকে সাঁচিপাত আৰু কলম-চিয়াঁহী প্ৰস্তুতৰ বিৱৰণ নিজাববীয়াকৈ দিছে। উপন্যাসৰ কাহিনীৰ বাবে অপ্ৰয়োজনীয় হলেও মালিকে সাৱলীল ভাষাৰে সাঁচিপাত প্ৰস্তুতৰ দৰকাৰী তথ্য প্ৰদান কৰিছে। একেখন উপন্যাসতে তৃতীয় অধ্যাযত মালিকে ইছলাম ধৰ্মৰ মূল নীতি আৰু ইয়াৰ প্ৰসাৰৰ কথা মিত্যব্যয়িতাৰে দাঙি ধৰিছে। কাহিনীৰ সংহতিত বাধাৰ সৃষ্টি কৰিলেও উপন্যাসৰ সৌন্দৰ্য্যহি বিঘ্নিত কৰা নাই। মালিকৰ উপন্যাসত দীঘল অপ্ৰাঙ্গিক বৰ্ণনাবোৰ ইমান সুন্দৰকৈ সজোৱা থাকে যে সি পাঠকক কাহিনীৰ মাজলৈ সোমাই যোৱাত সহায়হে কৰে। ড কৰবী ডেকা হাজৰিকাৰ মতে 'অৱশ্যে এই কথা ঠিক যে পটি থকাৰ সময়ত সুন্দৰ কাহিনী কথকৰ দৰে মালিকে পাঠকক মন্ত্ৰমুগ্ধ কৰি ৰাখিব পাৰে। বহুত পিছত আমেজ কাটি গ'লেহে মনত খেয়াল-বহুতো বাক্যৰ দেখোন প্ৰযোজনেই নাছিল।[৩৯]

মালিকৰ উপন্যাসৰ কথাশৈলী বিচিত্ৰ। কেতিযাবা তেওঁৰ গদ্য সৰল কেতিয়াবা কাব্যিক। কেতিযাবা হাস্যৰসাত্মক কেতিযাবা যুক্তমূলক আৰু ব্যঙ্গাত্মক। তেওৰ কথনভংগীযে সকলো শ্ৰেণীৰ পাঠককে মুগ্ধ কৰি ৰাখে। পৰিৱেশ পৰিস্থিতি আৰু চৰিত্ৰ অনুযায়ী ঔপন্যাসিকৰ ভাষাই ভিন ভিন ৰূপ লয। মালিকৰ প্ৰতিখন উপন্যাসতে বাকপটু ৰোমাণ্টিক হাস্যৰসিক কবি আৰু বিচিত্ৰ অভিজ্ঞতালব্ধ ঔপন্যাসিকজন জিলিকি আছে।[৪০]

বিভূতিভূষণ আৰু মালিক দুযোজন ঔপন্যাসিকৰে ভাষা সোৱাদ লগা দুযোজনৰ উপন্যাসত ভাষাই বক্তব্য বিষয স্পষ্ট কৰি তুলিছে। দুযোজনৰ উপন্যাসসমূহত নিজ নিজ ভাষাৰ সৌন্দৰ্য্য সংৰক্ষণ কৰিছে। দুযোজনৰ আকৰ্ষনীয কথাশৈলীযে উপন্যাসসমূহৰ প্ৰতি পাঠকৰ আকৰ্ষণ বৃদ্ধি কৰিছে। গতিকে ভাষাৰ ক্ষেত্ৰত দুয়োজন ঔপন্যাসিকৰ দক্ষতা সমান। দুযোজন ঔপন্যাসিকৰ ভাষা কাব্যিক। দুযোজন ঔপন্যাসিকে নিজৰ নিজৰ জন-জীৱনৰ ব্যৱহাৰিক কথনভংগীৰ নিজস্ব বৈশিষ্ট্যসমূহ উপন্যাসত ধৰি ৰাখিবলৈ সক্ষম হৈছে।

ষষ্ঠ অধ্যায়ৰ পাদটীকা

১। বিভূতি ৰচনাৱলী ষষ্ঠ খণ্ড পৃ ৩০ দেবযান।

২। বিভূতি ৰচনাৱলী ষষ্ঠ খণ্ড পৃ ১৩ দেবযান।

৩। বিভূতি ৰচনাৱলী ষষ্ঠ খণ্ড পৃ. ১৩ দেবযান।

৪। একটি গাছেৰ দুটিডালে ওপৰে-নীচে দুটি পাখী বসে ৰয়েছে। নীচেৰ পাখীটা মিষ্ট ফল খাচে কটু ফল খাচেচ। ওপৰৰে পাখী নিৰ্বিকাৰ অৱস্থায় বসে আছে। সুখ দুঃখে উদাসীন নিজ মহিমায মগ্ন একটি পৰমাত্মা অপৰ পাখীটি ইন্দ্ৰিয়সুখময জীৱাত্মা।

নীচেৰ পাখীটি যখন ওপৰে উঠি ওপৰেৰ পাখীটিৰ সংগে মিশে এক হয়ে যাবে তখনই তাৰ মুক্তি।

বিভূতি ৰচনাৱলী ষষ্ঠ খণ্ড পৃ ৪৭ দেবযান।

৫। বেদান্ত মায়া illusion নয় যে এক দার্শনিক পৰিভাষা মাত্ৰ। তাৰ অর্থ স্বতন্ত্ৰ। কিন্তু যাঁৰা লৌকিক অর্থে মায়া শব্দটো গ্ৰহণ কৰেন ও অর্থগত তত্ত্বটি মনে মনে বিশ্বাস কৰে হৃষ্ট হয়ে উঠেন। তাৰা ভুলে যান মানুষওতো এই অসীম ৰহস্যভৰা সৃষ্টিৰ অন্তৰ্গত। তাৰা নিজৰে মধ্যে যে আৰও অনেক বেশী সম্ভাব্যতা অনেক বেশী জটিলতা আৰও বেশি ৰহস্য।

বিভূতি ৰচনাৱলী চতুর্থ খণ্ড পৃ ২১৮ তৃণাংকুৰ।

৬। ঐশ্বৰিক শক্তিকে বিভূতিভূষণ পার্থিব জীৱন থেকে বিচিত্ৰ মনে কৰেন নি। এবং তুচ্ছ বস্তুৰ মধ্যে জীৱনেৰ ৰসবিগলিত ৰূপ আবিষ্কাৰ কৰেচেন।

দে ৰণেন্দ্ৰকুমাৰ বাংলা উপন্যাসে আধুনিক পর্য্যায় পৃঃ ৯৬।

৭। খেতি বাতি বাঁহ বেতৰ কামত লাগি থকাৰ উপৰিও সি বছৰত কেতিয়াবা এবাৰ কেতিযাবা দুবাৰ নাৱেৰে ভাটিৰ বেপাৰ কৰিবলৈ যায়। তামোল পানৰ লগতে পাট মুগাৰ কাপোৰ বেতৰ জপা পেৰা পেটাৰী আৰু তাঁত শালৰ সা-সঁজুলি টৌলোঠা দোৰপাতি নাচনী মহৰ শিঙৰ মাকো হেঙুল হাইতাল বোলোৱা বতোলা চুঙা আৰু উষা চেৰেকীও ৱানত তুলি বেচিবলৈ নিযে।

ধন্য নৰ তনু ভাল পৃ ২৭৬-৭৭।

৮। নৈখনত কেবাজনাও জলকুঁৱৰী আছে বুলি গাঁৱৰ সকলোৰে জানে। বেছি নহলেও পুৰণ বেজক ছাগলী এটাই চাউল এদোন দিব লাগিব নহলে জৰা ফুঁকাই কাম নিদিযে।

ধন্য নৰ তনু ভাল পৃ ২০।

৯। গোসানীৰ আগত বলি যাবলৈ ওলোৱা মানুহক কয় ভোগী। সাধাৰণ মানুহে কয ভুগী। বলি যাবলৈ ওলোৱা এনেকুৱা ভোগীযে যি মন যায় কৰিব পাৰে যি খাবৰ মন যায তাকে খাব পাৰে যি তিৰোতাকে সম্ভোগ কৰিবৰ মন যায কৰিব পাৰে।

ধন্য নৰ তনু ভাল পৃ ৯।

১০। দ্ৰষ্টব্য পৃ ৫১ ৫২।

১১। লোকাপাৰ গামখাৰু সাতসৰী চিপাতমণি থুৰীযা পেজেৰা বিবি দুগদুগী ভুএগ্ৰাঘৰৰ মর্য্যদাৰ লগত ৰজিতা খুৱাই লোৱা হ'ল। সেইদৰে গোটখালে গুণাৰ বনকৰা মেখেলা ৰিহা চেলে, গামোচা। জাপিসজীয়াৰ ঘৰৰ পৰা আহিল মুৰত ৰূপৰ টুপ খুউৱা সৰুদৈযা জাপি কঁহাৰৰঘৰৰ পৰা আহিল চকচকীযা কাঁহৰ বাতি কাঁহী লোটা চৰিযা বটা শৰাই।

ধন্য নৰ তন ভাল পৃ ৭১।

১২। 'লগে লগে প্ৰতিষ্ঠিত হ'ল এক নতুন মানবীয় আদর্শ। অখ্যাত চেম্বুৰানী জানৰ পাৰত এক অখ্যাত নাৰীযে সামাজিক পুনৰ মূল্যাযণৰ আৰু সামাজিক বিপ্লৱৰ এক নতুন অধ্যায়ৰ পাতনি মেলিলে।

ধন্য নৰ তনু ভাল পৃ ১৭১।

১৩। দ্রষ্টব্য ধন্য নৰ তনু ভাল পৃ ২৭৯।
পূর্বোক্ত গ্রন্থ পৃ ৪২৯।

১৪। ধর্মৰ গোড়ামিৰ বিৰুদ্ধে সৰব বিদ্রোহ কৰা কবীৰৰ জীৱনৰ মাজত যেন শংকৰদেৱেও আৰ্হি আৰু প্রেৰণাৰ থলৰ সন্ধান পাইছিল। মানুহক মানুহ বুলি স্বীকৃতি দিয়া ম নুহক মানুহৰ মর্য্যাদা দিয়া সেয়ে ধর্ম কবীৰে চিঞৰি কৈছিল। শংকৰদেৱেও মানুহৰ এই পৰিচয়ৰে প্রতিষ্ঠাৰ সংগ্রাম কৰি গৈছিল সমগ্র জীৱন। কেৱল মানুহ কিয়? কুকুৰ শৃগাল গর্দভৰো আত্মাৰাম।

ধন্য নৰ তনু ভাল পৃ ৪২৯।

১৫। দ্রষ্টব্য ধন্য নৰ তনু ভাল পৃ ২১৩।

১৬। থ থ সেইবোৰ জাত পাতৰ দিন উকলিল আৰু। শংকৰদেৱে বোলে কৈছে, কৈৱৰ্ত্তৰ হাতেৰে নালাগে গৰীয়া মুছলমানৰ হাতে খালেও ধর্ম নষ্ট নহয় জাত নেযায়ে। সকলো মানুহৰ হাত হেনো একেটাই। মানুহৰ জাত।

ধন্য নৰ তনু ভাল পৃ ২১৭।

১৭। পাতনি প্রেম অমৃতৰ নদী।

১৮। সংসাৰৰ মাযাজালত সোমাই পৰি যে নিষ্কাম উদাৰ নিস্বার্থ ধর্মীয় জীৱন যাপন কৰাটো সহজ কথা নহয় সেই কথা খোলাখুলিকৈ কৈ দিবলৈ মাধৱে সংকোচ নকৰে।

প্রেম অমৃতৰ নদী পৃ ৬৬।

১৯। ৰূপতীর্থৰ যাত্রী পৃ ২৭ দ্বিতীয় খণ্ড।

২০। বিভূতি ৰচনাৱলী প্রথম খণ্ড পৃ ৩৪ পথেৰ পাঁচালী।

২১। বিভূতি ৰচনাৱলী প্রথম খণ্ড পৃ ৭০ পথেৰ পাঁচালী।

২২। 'বাড়িতে বৈকালেৰ ছাযা পড়িযা আসিযাছে। সম্মুখেৰ দৰজাৰ কাছে যে বাশঁবনাত ঝুকিয়া পড়িযাছে তাহাৰ একগাছা ঝুলিয়া পৰা শুকনো কাঞ্চিতে তাহাৰ পৰিচিত সেই লেজ্‌বোলা হল্‌দে পাখীটা আসিয়া বসিয়াছে। নীলমণি ৰাযেৰ পোৰো ভিটা গছপালাৰ ঘন ছাযায ভৰিযা গিযাছে। অপু ৰোয়াকে দড়াইযা দূৰেৰ সেই অশ্বত্থ গাছটাৰ মাথাৰ দিকটায চাহিযা দেখিল একটু ৰাঙা ৰোদ গাছেৰ মাথায এখনো মাখানো মগৰডালে একটা কি সাদা মত দুলিযাছে, হয় বক না কাহাৰ ঘূৰি চিঙিঁয়া।

বিভূতি ৰচনাৱালী প্রথম খণ্ড পৃ ৩৪ ৩৫।

২৩। বিভূতি ৰচনাৱলী দ্বিতীয় খণ্ড পৃ ৩৫ অপৰাজিত।

২৪। বিভূতি ৰচনাৱলী প্রথম খণ্ড পৃ ৩২ পথেৰ পাঁচালী।

২৫। তাহাদেৰ ঘৰেৰ জালনাৰ কযেক হাত দূৰেই বাড়ীৰ পাঁচিল এবং পাঁচিলেৰ ওপাৰ হইতেই পাঁচিলেৰ গা ঘেঁৰিযা কি বিশাল— আগাচাৰ জংঘল আৰম্ভ হইয়াছে। জালনায বসিযাশুধু চোখে পড়ে অবুজ সমুদ্রেৰ ঢেউয়েৰ সত ভাঁটশেওযা গাছেৰ মাথাগুলো এগাছে ওগাছে দোদুল্যমান কত ৰকমেৰ লতা প্রাচীন বাঁশঝড়েৰ শীর্ষ বযসেৰ ভাৰে যেখানে সোঁদালি বনচালতা গাছেৰ উপৰ ঝুকিয়া পড়িয়াছে। তাহাৰ নীচেৰ কালোমিটাৰ বুকে খঞ্জন পাখীৰ নাচ।

বিভূতি ৰচনাৱালী প্ৰথম খণ্ড পৃ ৬৯-৭০।

২৬। নিবিড় বনানীৰ প্ৰান্তে উচ্চ তৃণভূমি তাৰই মধ্যে খড়েৰ বাংলাঘৰ একটা পাটকুয়া কুলীদেৰ কামেৰ খুপৰী পিছনে ও দক্ষিণে গাহাড় সেদিকেৰ ঘন বন কতদূৰ পৰ্যন্ত বিস্তৃত তাহা চোখে দেখিয়া আন্দাজ কৰা যায় না। ক্ৰোশে পৰ ক্ৰোশ ধৰিয়া পাহাৰ একটাৰ পিছনে আৰ একটা আৰু গভীৰ জন মানৱহীন অৰণ্য সীমা নাই কূল কিনাৰা নাহ।

বিভূতি ৰচনাৱালী দ্বিতীয় খণ্ড পৃ ৬৪।

২৭। বিভূতি ৰচনাৱলী পঞ্চম খণ্ড পৃ ৪৯ আৰণ্যক।

১ পথেৰ পাঁচালী পৃ ১৬ ২৮ ৪৫ ৮৯ ১০০ ১০২।

ইছামতী পৃ ৬৬ ১০০ ১০১।

কেদাৰ ৰাজা পৃ ৩৭৪।

২ অপৰাজিত পৃ ২১৫ ২৩৬।

কেদাৰ ৰাজা পৃ ৪০৯।

৩ পথেৰ পাঁচালী পৃ ৮৩।

দৃষ্টি প্ৰদীপ পৃ ৫।

অশনি সংকেত পৃ ১১।

২৮। সূৰুযমুখীৰ স্বপ্ন পৃ ১ ২।

২৯। উঁইহাফলু, পৃ ১৬।

৩০। সূৰুযমুখীৰ স্বপ্ন পৃ ৭৭।

৩১। মালিক ৰচনাৱলী প্ৰথম খণ্ড পৃ ৪৩৬।

৩২। পাতনি মালিক ৰচনাৱলী প্ৰথম খণ্ড।

৩৩। সূৰুযমুখীৰ স্বপ পৃ ৭৩।

৩৪। মালিক ৰচনাৱলী প্ৰথম খণ্ড পৃ ৪৪২।

৩৫। পহমৰা হাবিৰ বাট জেতুকা পাতৰ দৰে আৰু অগ্নিগৰ্ভা পৃ ১৮।

৩৬। পহমৰা হাবিৰ বাট জেতুকা পাতৰ দৰে আৰু অগ্নিগৰ্ভা পৃ ২০।

৩৭। মালিক ৰচনাৱলী প্ৰথম খণ্ড পৃ ১৪২ বনজুই।

৩৮। ড দীপ্তি ফুকন পাটগিৰি গৰীয়যী অষ্টম বছৰ ষষ্ঠ সংখ্যা।

৩৯। সাহিত্যৰ চিন্তা ছায়া পৃ ২৬।

৪০। ধানৰ পাতত সৈউজ থৈ এটা আহিন মৰিল। কাতিৰ বতাহত ধান গাভিনী হোৱাৰ বেহানি।

চৈ আ মালিক ৰচনাৱলী প্ৰথম খণ্ড পৃ ৪৫৫।

উপসংহাৰ

বিভূতিভূষণ বন্দোপাধ্যায় আৰু চৈয়দ আব্দুল মালিকৰ নিৰ্বাচিত প্ৰতিনিধিমূলক উপন্যাস কেইখনৰ বিচাৰ-বিশ্লেষণ আৰু অধ্যয়ণৰ পিছত তলত দিয়া সিদ্ধান্তকেইটা ঘাইকৈ প্ৰতিপন্ন হ'ল।

১ বিভূতিভূষণ বন্দোপাধ্যায় আৰু চৈযদ আব্দুল মালিকে একক অৱদানেৰে যথাক্ৰমে বাংলা আৰু অসমীয়া উপন্যাস সাহিত্য সমৃদ্ধ কৰিছে।

২ বিভূতিভূষণৰ উপন্যাসৰ প্ৰায় আটাইবোৰ নায়ক চৰিত্ৰৰ মাজত কল্পনাপ্ৰৱণ ভাবুক, প্ৰকৃতিপ্ৰীতিসম্পন্ন সংবেদনশীল আৰু ৰোমাণ্টিক লেখক বিভূতিভূষণৰ আত্মপ্ৰকাশ ঘটিছে। তেওঁৰ নাৰীচৰিত্ৰসমূহৰ মাজেদি স্নেহপৰাযণা মাতৃৰূপ প্ৰকাশ পাইছে। মমতামযী সৰলা সংসাৰী সুদৰী পতিপ্ৰাণা সেৱানিপুণা আৰু সহানুভূতিশীলা বংগদেশৰ নাৰী তেওৰ উপন্যাসৰ নায়িকা। মালিকৰ উপন্যাসৰ চৰিত্ৰই বৈচিত্ৰপূৰ্ণ ৰূপত আত্মপ্ৰকাশ কৰিছে। চৰিত্ৰৰ জটিল মানসিকতা প্ৰকাশত মালিক সফল হৈছে। মালিকৰ নাৰী চৰিত্ৰত মানসিক সমস্যাৰ লগে লগে দেহৰ সমস্যাও প্ৰকট হৈ উঠিছে। বিভূতিভূষণৰ ৰচনাত এনে সমস্যা অনুপস্থিত।

৩ সাধাৰণ মানুহৰ প্ৰতি সহানুভূতিশীল আৰু মানৱতাবাদী দৃষ্টিভংগী দুযোজনৰ উপন্যাসতে প্ৰকাশ পাইছে।

৪ বিভূতিভূষণৰ উপন্যাসত প্ৰকৃতিযে মুখ্য ভূমিকা গ্ৰহণ কৰিছে। তেজ মঙহৰ মানুহৰ নিচিনাকৈ বিভূতিভূষণৰ উপন্যাসত প্ৰকৃতি জীৱন্ত। আৰণ্যকত প্ৰকৃতি মুখ্য চৰিত্ৰ। বিভূতিভূষণে প্ৰকৃতিৰ মাজত মানুহৰ মৰম আৰু উদাৰতা দেখা পাইছে। মালিকৰ উপন্যাসত চৰিত্ৰ মুখ্য প্ৰকৃতি গৌণ। প্ৰকৃতিৰ সৌন্দৰ্য্যমযী ৰূপৰ লগতে ধ্বংসকাৰী ৰূপো মালিকৰ উপন্যাসত ধৰা দিছে। প্ৰকৃতি বৰ্ণনাত দুযোজন ঔপন্যাসিকেই ৰোমাণ্টিক। প্ৰকৃতিবৰ্ণনাত তেওঁলোকৰ ভাষা আবেগপ্ৰৱণ কৰিব নিচিনাকৈ প্ৰাণ পাই উঠে।

৫ গ্ৰাম্য জীৱন প্ৰকাশত দুযোগৰাকী ঔপন্যাসিকেই সফল হৈছে। গ্ৰাম্য জন-জীৱনত দুয়োজনেই গ্ৰাম্যজীৱনকেন্দ্ৰিক উপন্যাসসমূহত ধৰি ৰাখিবলৈ যত্ন কৰিছে। মালিকৰ উপন্যাসত অসমৰ গ্ৰাম্য আৰ্থ সামাজিক জীৱন যথাযথভাৱে প্ৰতিফলিত হৈছে। বিভূতিভূষণৰ উপন্যাসত গ্ৰাম্য প্ৰকৃতিযে বিশেষ প্ৰাধান্য পাইছে। মালিকৰ উপন্যাসক কৰ্মমুখৰ গ্ৰাম্য সমাজ-জীৱনৰ লগত জডিত পথাৰত হালবোৱা ভুঁইৰোৱা কঠীয়াতোলা মাছমৰা ঘৰসজা তাঁতবোৱা আদি গতানুগতিক কামবোৰ মনোৰমকৈ বৰ্ণিত হৈছে।

৬ চৈযদ আব্দুল মালিকে নগৰজীৱনকেন্দ্ৰিক উপন্যাসসমূহত নগৰ জীৱনৰ জটিলতা প্ৰকাশ কৰাত সফল হৈছে। দ্বিতীয় বিশ্বযুদ্ধৰ প্ৰত্যক্ষ অভিজ্ঞতা দুযোজন

ঔপন্যাসিকৰে আছিল। যুদ্ধযুগৰ যন্ত্ৰণা-অস্থিৰতা আৰু সামাজিক-সাংস্কৃতিক-ৰাজনৈতিক অস্থিৰতা নি সঙ্গতা আৰু জটিলতা প্ৰকাশত মালিক বেছি সজীৱ আৰু সফল।

৭ দুয়োজন ঔপন্যাসিকৰ কথনভংগী সৰল আৰু নিমজ। দুয়োজনৰ উপন্যাসৰ ভাষা অতি ঘৰুৱা জনজীৱনৰ ওচৰচপা। বিভূতিভূষণ আৰু মালিকে যথাক্ৰমে বাংলা আৰু অসমীয়া ভাষাৰ খণ্ডবাক্য প্ৰৱচন ফঁকৰা-যোজনা সাঁথৰ আদিৰ যথাযথ ব্যৱহাৰেৰে উপন্যাসসমূহ সমৃদ্ধ কৰিছে। মালিকৰ ভাষাই মাজে মাজে লঘু কৌতুক আৰু মৰ্মস্পৰ্শী বৰ্ণনাৰে চমৎকাৰ ৰূপ লাভ কৰিছে।

৮ জীৱনী উপন্যাস ৰচনাত মালিকে স্বকীয় প্ৰতিভাৰ পৰিচয় দিয়াৰ দৰে বিভূতিভূষণে অৰণ্যক বিষয়বস্তু হিচাপে লৈ লিখা উপন্যাস **আৰণ্যক** আৰু আধ্যাত্মিক চেতনাপ্ৰধান উপন্যাস **দেৱযানত** স্বকীয় প্ৰতিভাৰ পৰিচয় দিছে।

৯ বিভূতিভূষণৰ তুলনাত মালিকৰ উপন্যাসৰ সংখ্যা অধিক। মালিকৰ নিচিনাকৈ অধিকসংখ্যক উপন্যাসেৰে সাহিত্য সমৃদ্ধ কৰা ঔপন্যাসিক বিৰল।

এইখিনি আলোচনাৰ ভিত্তিত দেখা যায় যে নিজা নিজা ক্ষেত্ৰত দুয়োজনেই সফল আৰু অপ্ৰতিদ্বন্দ্বী। সৰ্বভাৰতীয় সাহিত্যত দুযোজন লেখকৰ অৱদানৰে বিশেষ মূল্য আছে। বিভূতিভূষণ আৰু মালিকৰ এজনৰ প্ৰভাৱ আনজনত পৰা নাই যদিও কিছুমান সমজাতীয় বৈশিষ্ট্য দুয়োৰে ৰচনাত ফুটি উঠিছে। পশ্চিমবংগ আৰু অসমৰ সামাজিক আৰু প্ৰাকৃতিক পৰিৱেশৰ মাজত থকা সাদৃশ্যৰ বাবে আৰু সৰ্বভাৰতীয় জন-জীৱনৰ মাজত থকা কিছুমান উমৈহতীয়া লক্ষণৰ বাবে এই দুয়োজন লেখকৰ ৰচনাত সাদৃশ্য অনুভূত হয়। তুলনাৰ দ্বাৰা বুজা গ'ল যে বংগদেশৰ শ্ৰেষ্ঠ সাহিত্যিক বিভূতিভূষণতকৈ অসমৰ চৈয়দ আব্দুল মালিকৰ ৰচনাৰাজি কোনোগুণে কম মূল্যৰ নহয। তুলনাৰ পোহৰত এইটো প্ৰতীয়মান হয নে মালিকৰ ৰচনাসমূহ সৌন্দৰ্য্য আৰু বলিষ্ঠতাৰ ফালৰ পৰা বিভূতিভূষণৰ ৰচনাৰ সমপৰ্য্যায়ৰ। এই দুজন শ্ৰেষ্ঠ লেখকৰ ৰচনাৰ আলোচনাৰ দ্বাৰা অসমীয়া আৰু বাংলা অসমীয়া আৰু বাংলা সাহিত্যৰ স্বৰূপ বুজি উঠাত বহু পৰিমাণে সফল হ'ব পাৰি।

গ্ৰন্থপঞ্জী

অসমীয়া

মুখ্য সমল

মালিক চৈয়দ আব্দুল

অঘৰী আত্মাৰ কাহিনী
গুৱাহাটী বুক ষ্টল (১৯৬৯)
গুৱাহাটী।

অন্য আকাশ অন্য তৰা
দত্তবৰুৱা কোম্পানী গুৱাহাটী
প্ৰথম প্ৰকাশ ১৯৬২।

অমৰ মায়া
মিত্ৰ এজেন্সি তিনিচুকীয়া
প্ৰথম প্ৰকাশ ১৯৭০।

আধাৰশিলা
মিত্ৰ এজেন্সি তিনিচুকীয়া
প্ৰথম প্ৰকাশ ১৯৬৬।

এটা সূৰ্য্য দুখন নদী আৰু এখন মৰুভূমি
মিত্ৰ এজেন্সি তিনিচুকীয়া
তৃতীয় প্ৰকাশ।

কবিতাৰ নাম লাভা
ষ্টুডেন্ট'চ এম্পৰিয়াম
ডিব্ৰুগড়।

কণ্ঠহাৰ
ভাৰতী বুক ষ্টল
গোলাঘাট
প্ৰথম প্ৰকাশ ১৯৮৯।

ছবিঘৰ
বাণী মন্দিৰ ডিব্ৰুগড
প্ৰথম প্ৰকাশ ১৯৫৮।

জয়া মণিকা ইত্যাদি
শ্ৰীভূমি পাবিলিচিং

ত্ৰিশূল
শ্ৰীভূমি পাবলিচিং
প্ৰথম প্ৰকাশ ১৯৬৮।

ড অৰুণাভৰ অসম্পূৰ্ণ জীৱনী
ষ্টুডেন্ট'চ এম্পৰিয়াম ডিব্ৰুগড
দ্বিতীয় প্ৰকাশ ১৯৮৬।

ধন্য নৰ তনু ভাল
ষ্টুডেন্ট'চ ষ্টৰচ গুৱাহাটী
দ্বিতীয় প্ৰকাশ ১৯৯১।

প্ৰাচীৰ আৰু প্ৰান্তৰ
মিত্ৰ এজেন্সি
প্ৰথম প্ৰকাশ ১৯৬৪।

প্ৰেম অমৃতৰ নদী
বুক হাইভ পানবজাৰ গুৱাহাটী
প্ৰথম প্ৰকাশ ১৯৯৯।

পদুমৰা হাবিৰ বাট, জেতুকা পাতৰ দৰে আৰু অগ্নিগৰ্ভা
এল বি এচ পাবলিকেচন গুৱাহাটী
দ্বিতীয় প্ৰকাশ ১৯৮৯।

বন্দৰ কামিজ বেলুন
মধু প্ৰকাশ দেৰগাঁও
প্ৰথম প্ৰকাশ ১৯৯১।

বালিৰ বুকুত সোণৰ চেকুৰা
ষ্টুডেন্ট'চ ষ্টৰচ গুৱাহাটী
প্ৰথম প্ৰকাশ ২০০০।

মাটিৰ চাকি
ষ্টুডেন্ট'চ ষ্টৰচ গুৱাহাটী
দ্বিতীয় প্ৰকাশ ১৯৮৯।

মোৰ বাবে তুমি নুৰুৱা মালতীফুল
ইমপ্ৰিন্ট গুৱাহাটী
দ্বিতীয় প্ৰকাশ ১৯৯৫।

মনুষ্যত্বৰ মৰিশালীত
ষ্টুডেন্ট'চ ষ্টৰচ গুৱাহাটী
প্ৰথম প্ৰকাশ ১৯৯৪।

মৌমিঠা হৃদয়ৰ ভাষা
ষ্টুডেণ্ট'চ ষ্টৰচ গুৱাহাটী
প্ৰথম প্ৰকাশ ২০০১।

ৰজনীগন্ধাৰ চকুলো
মিত্ৰ এজেন্সি তিনিচুকীয়া
প্ৰথম প্ৰকাশ ১৯৬৪।

ৰূপতীৰ্থৰ যাত্ৰী (তিনিটা খণ্ড একত্ৰে)
নবীন পুস্তকালয যোৰহাট
প্ৰথম প্ৰকাশ ২০০১।

ৰাতিৰ কবিতা
ষ্টুডেণ্ট'চ ষ্টৰচ গুৱাহাটী
দ্বিতীয প্ৰকাশ ১৯৯৬।

ৰূপাবৰিৰ পলস
বুক এম্পোৰিযাম কলিকতা
প্ৰথম প্ৰকাশ ১৯৮০।

শৰীলত একুৰা জুই
ষ্টুডেণ্ট'চ ষ্টৰচ গুৱাহাটী
নতুন সংস্কৰণ ১৯৯৭।

সুৰুযমুখীৰ স্বপ্ন
ভৱানী পাবলিচিং
অষ্টম প্ৰকাশ ১৯৯০।

সোণালী সুতাৰে বন্ধা
ইমপ্ৰিণ্ট গুৱাহাটী
দ্বিতীয প্ৰকাশ ১৯৯৫।

ৰচনাৱলী

চৈযদ আব্দুল মালিকৰ ৰচনাৱলী - প্ৰথম খণ্ড ১৯৯৮
কস্তুৰী প্ৰকাশ

চৈযদ আব্দুল মালিকৰ ৰচনাৱলী দ্বিতীয় খণ্ড ১৯৯৯
কস্তুৰী প্ৰকাশ

চৈয়দ আব্দুল মালিকৰ ৰচনাৱলী তৃতীয় খণ্ড ১৯৯৯
কস্তুৰী প্ৰকাশ

চৈযদ আব্দুল মালিকৰ ৰচনাৱলী - চতুৰ্থ খণ্ড ২০০০
কস্তুৰী প্ৰকাশ

চৈয়দ আব্দুল মালিকৰ ৰচনাৱলী - পঞ্চম খণ্ড ২০০০
কস্তুৰী প্ৰকাশ

গৌণ সমল ঃ

কটকী ড প্ৰফুল্ল
<u>স্বৰাজোত্তৰ অসমীয়া উপন্যাস সমীক্ষা</u>
বীণা লাইব্ৰেৰী গুৱাহাটী
প্ৰথম প্ৰকাশ ১৯৭৯।

গোহাঁই ড হীৰেণ
<u>সাহিত্যৰ সত্য</u>
বৰুৱা এজেন্সি গুৱাহাটী
প্ৰথম প্ৰকাশ ১৯৭০।
<u>উপন্যাসৰ আধুনিক সমালোচনা</u>
<u>পদ্ধতি আৰু প্ৰকল্প</u>
এল বি এচ পাবলিকেচন গুৱাহাটী
প্ৰথম প্ৰকাশ ১৯৮৫।

গোস্বামী ড সত্যেন্দ্ৰ নাৰাযণ
<u>অসমীয়া সাহিত্যৰ কথা</u>
ষ্টুডেণ্ট'চ এম্পৰিযাম গুৱাহাটী
দ্বিতীয় প্ৰকাশ ১৯৯১।

ডেকা হাজৰিকা ড কৰবী
<u>সাহিত্য চিন্তা ছায়া</u>
বনলতা ডিব্ৰুগড ১৯৮৯।

দাস যোগেশ
<u>ডাৱৰ আৰু নাই</u>
চেতনা প্ৰকাশ গুৱাহাটী
নৱম সংস্কৰণ ১৯৯২।

নেওগ ড মহেশ্বৰ
<u>অসমীয়া সাহিত্যৰ ৰূপৰেখা</u>
চন্দ্ৰ প্ৰকাশ গুৱাহাটী
অষ্টম তাওৰণ ১৯৯৫।

বৰা প্ৰফুল্ল চন্দ্ৰ
<u>চৈযদ আব্দুল মালিক</u>
শ্ৰীভূমি পাবলিচিং কোম্পানী কলিকতা

প্ৰথম প্ৰকাশ ১৯৭৬।
<u>অসমীয়া সাহিত্য আধুনিক যুগ</u>
ষ্টুডেণ্ট'চ ষ্টৰচ গুৱাহাটী
প্ৰথম প্ৰকাশ ১৯৯৫।

বৰা ড মহেন্দ্ৰ
<u>সাহিত্য আৰু সাহিত্য</u>
বনলতা ডিব্ৰুগড
প্ৰথম প্ৰকাশ ১৯৮৮।
<u>সাহিত্য উপক্ৰমণিকা</u>
ষ্টুডেণ্ট'চ ষ্টৰচ গুৱাহাটী
প্ৰথম প্ৰকাশ ১৯৮৫।

বৰা ৰবীন্দ্ৰচন্দ্ৰ
<u>সাহিত্য সমীক্ষা</u>
পূৰ্বাকাশ প্ৰকাশন গুৱাহাটী
প্ৰথম প্ৰকাশ ১৯৮৭।

বৰুৱা ড প্ৰহ্লাদ কুমাৰ
<u>চিন্তাৰ আভাস</u>
বনলতা ডিব্ৰুগড
তৃতীয় সংস্কৰণ ১৯৯২।
<u>উপন্যাস</u>
বনলতা ডিব্ৰুগড
প্ৰথম প্ৰকাশ ১৯৮৩।

বৰুৱা বীণা
<u>জীৱনৰ বাটত</u>
বীণা লাইব্ৰেৰী গুৱাহাটী
ষষ্ঠ সংস্কৰণ ১৯৮৫।

বৰুৱা ৰাস্না
<u>সেউজী পাতৰ কাহিনী</u>
চপলা সাহিত্য সদন শ্বিলং
দ্বিতীয় সংস্কৰণ ১৯৬৩।

ভৰালী ড শৈলেন কুমাৰ
<u>উপন্যাস বিচাৰ আৰু বিশ্লেষণ</u>
বাণী প্ৰকাশ গুৱাহাটী

প্ৰথম প্ৰকাশ ১৯৮৯।

অসমীয়া ঐতিহাসিক উপন্যাস

বাণী প্ৰকাশ গুৱাহাটী

দ্বিতীয় প্ৰকাশ ১৯৮৭।

মিশ্ৰ ড কৃষ্ণকুমাৰ

বিৰিঞ্চিকুমাৰ বৰুৱা আৰু প্ৰফুল্ল দত্ত গোস্বামীৰ উপন্যাস

ষ্টুডেন্ট'চ ষ্টৰচ গুৱাহাটী

প্ৰথম প্ৰকাশ ১৯৯১।

শইকীয়া ড নগেন

ভাৰতৰ সাংস্কৃতিক ঐতিহ্য আৰু অন্যান্য ৰচনা

বনলতা ডিব্ৰুগড

প্ৰথম প্ৰকাশ ১৯৯৩।

শৰ্মা ড সত্যেন্দ্ৰনাথ

অসমীয়া উপন্যাসৰ ভূমিকা

সৌমাৰ প্ৰকাশ গুৱাহাটী

প্ৰথম প্ৰকাশ ১৯৯৩।

অসমীয়া উপন্যাসৰ ভূমিকা

সৌমাৰ প্ৰকাশ গুৱাহাটী

দ্বিতীয় প্ৰকাশ ২০০১।

শৰ্মা ড গোবিন্দ প্ৰসাদ

উপন্যাস আৰু অসমীয়া উপন্যাস

ষ্টুডেন্ট'চ ষ্টৰচ গুৱাহাটী

প্ৰথম প্ৰকাশ ১৯৯৫।

শৰ্মা ড হেমন্ত কুমাৰ

অসমীয়া সাহিত্যৰ দৃষ্টিপাত

বীণা লাইব্ৰেৰী গুৱাহাটী

সপ্তম তাঙৰণ ১৯৯৭

শৰ্মা শশী

সাহিত্য বাস্তৱৰ স্বপ্ন

জাৰ্ণেল এম্পৰিয়াম গুৱাহাটী

প্ৰথম প্ৰকাশ ১৯৮৭।

শৰ্মা তীৰ্থনাথ

উপনিষদ অষ্টক

অসম প্ৰকাশন পৰিষদ।

সম্পাদিত গ্ৰন্থ

ডেকা ড উমেশ
ৰায ড নীলমোহন
সাহিত্য সমগ্ৰ
নৱজীৱন প্ৰকাশ গুৱাহাটী ২০০০।

দত্ত বিনীতা
অসমীয়া সাহিত্যত নাৰী
সদৌ অসম লেখিকা সমাৰোহ সমিতি
তেজপুৰ ১৯৯৫।

বৰগোহাঞি হোমেন
মালিক
ষ্টুডেণ্ট'চ ষ্টৰচ গোলাঘাট
১৯৮৯।

বৰকটকী, বীৰেন
ঔপন্যাসিক ৰজনীকান্ত বৰদলৈ
অসম সাহিত্য সভা
১৯৯৬।

বৰবৰা পবিত্ৰ
হাজৰিকা হেমেন চন্দ্ৰ
সাহিত্যাচাৰ্য্য চৈযদ আব্দুল মালিক
অভিনন্দন গ্ৰন্থ
গুৱাহাটী ১৯৯৯।

আলোচনী-পত্ৰিকাবিদৰ প্ৰবন্ধ

গোস্বামী ড ভৃগুনোহন
ধন্য নৰ তনু ভাল আৰু মালিক
গৰিযসী অষ্টম বছৰ ষষ্ঠ সংখ্যা
মাৰ্চ ২০০১
সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীয়া

ডেকাহাজৰিকা ড কৰবী
'মালিকৰ ৰচনাত নাৰীৰ বৈশিষ্ট্য
গৰিযসী অষ্টম বছৰ ষষ্ঠ সংখ্যা
মাৰ্চ - ২০০১
সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীয়া

তালুকদাৰ ফণী
'অসমীয়া উপন্যাস
অসমীয়া সাহিত্য সভা পত্ৰিকা
চতুৰ্দশ বছৰ ১৮৭৭ শক
দ্বিতীয় আৰু তৃতীয সংখ্যা
সম্পাদক প্ৰেমধৰ ৰাজখোৱা

পাঠক ভাৰত চন্দ্ৰ
'যুগৰ জীৱন দৰ্শন আৰু সাহিত্য
প্ৰহৰী প্ৰথম বছৰ চতুৰ্থ সংখ্যা
শাওন - ১৮৯০
সম্পাদক যোদেশ দাস

পাটগিৰি ড দীপ্তি ফুকন
মালিকৰ ৰচনাত ভাষাৰ মাধুৰ্য'
গৰিয়সী অষ্টম বছৰ ষষ্ঠ সংখ্যা
মাৰ্চ - ২০০১
সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীয়া

বৰা ড হেম
'মালিকৰ শ্ৰেষ্ঠ উপন্যাস দহখন
গৰিযসী অষ্টম বছৰ যষ্ঠ সংখ্যা
মাৰ্চ - ২০০১
সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীযা

বৰা প্ৰফুল্লচন্দ্ৰ
চৈযদ আব্দুল মালিকৰ সূৰুযমুখীৰ স্বপ্ন
গৰিযসী ষষ্ঠ বছৰ দ্বিতীয সংখ্যা
নৱেম্বৰ ৯৮
সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীযা

বৰমুদৈ আনন্দ
'মহাপুৰুষ জীৱনভিত্তিক উপন্যাস
ভক্তি আন্দোলনৰ আঁত ধৰি
গৰিযসী অষ্টম বছৰ তৃতীয় সংখ্যা
ডিচেম্বৰ ২০০২
সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীয়া

বৰুৱা ড প্ৰহ্লাদ কুমাৰ

চৈয়দ আব্দুল মালিকৰ জনপ্ৰিয়তা
গৰিয়সী অষ্টম বছৰ ষষ্ঠ সংখ্যা
মাৰ্চ - ২০০১
সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীয়া

মালিক চৈয়দ আব্দুল
মোৰ জীৱন দৰ্শন
সাপ্তাহিক নীলাচল
১১ ফেব্ৰুৱাৰী ১৯৭০

শইকীয়া কেশৱ
'মালিকৰ সমাজ চেতনা
গৰিয়সী অষ্টম বছৰ ষষ্ঠ সংখ্যা
মাৰ্চ - ২০০১
সম্পাদক চন্দ্ৰপ্ৰসাদ শইকীয়া

শৰ্মা দীননাথ
অসমীয়া উপন্যাস
অসম সাহিত্য সভা পত্ৰিকা সপ্তদশ বছৰ
প্ৰথম সংখ্যা ১৮৮০ শক বহাগ-শাওন
সম্পাদক সত্যেন্দ্ৰনাথ শৰ্মা

শৰ্মা ড সত্যেন্দ্ৰ নাথ
উপন্যাসত নায়ক
ৰামধেনু বিশেষ ভাৰতীয় সাহিত্য সংখ্যা
ফাগুন - চ'ত ১৮৮৫ শক
সম্পাদক ৰাধিকা মোহন ভাগৱতী

শৰ্মা গোবিন্দপ্ৰসাদ
মালিকৰ 'সূৰুযমুখীৰ স্বপ্ন'ত মানৱতা
গৰিয়সী অষ্টম বছৰ সপ্তম সংখ্যা
এপ্ৰিল ২০০১

শাস্ত্ৰী বিশ্বৰঞ্জন
'নাটক আৰু উপন্যাস
ৰামধেনু ১৮শ বছৰ দশম একাদশ সংখ্যা
মাৰ্চ - ২০০১
সম্পাদক ৰাধিকামোহন ভাগৱতী

বাংলা

মুখ্য সমল ॰

<u>বিভূতি ৰচনাৱলী</u> প্ৰথম খণ্ড
যুগ্ম সম্পাদক ৰমা বন্দোপাধ্যায়
গজেন্দ্ৰ কুমাৰ মিত্ৰ
মিত্ৰ ও ঘোষ এজেন্সী পাৱলিশাস লি
প্ৰথম প্ৰকাশ ২৮ শে ভাদ্ৰ ১৪০১

<u>বিভূতি ৰচনাৱলী</u> দ্বিতীয় খণ্ড
প্ৰথম প্ৰকাশ ১৪০২

<u>বিভূতি ৰচনাৱলী</u> তৃতীয় খণ্ড
প্ৰথম প্ৰকাশ ১৪০২

<u>বিভূতি ৰচনাৱলী</u> চতুৰ্থ খণ্ড
প্ৰথম প্ৰকাশ ১৪০৩

<u>বিভূতি ৰচনাৱলী</u> পঞ্চম খণ্ড
প্ৰথম প্ৰকাশ ১৪০৩

<u>বিভূতি ৰচনাৱলী</u> ষষ্ঠ খণ্ড
প্ৰথম প্ৰকাশ ১৪০৩

<u>বিভূতি ৰচনাৱলী</u> সপ্তম খণ্ড
প্ৰথম প্ৰকাশ ১৪০৪

<u>বিভূতি ৰচনাৱলী</u> অষ্টম খণ্ড
প্ৰথম প্ৰকাশ ১৪০৪

<u>বিভূতি ৰচনাৱলী</u> নৱম খণ্ড
প্ৰথম প্ৰকাশ ১৪০৪

<u>বিভূতি ৰচনাৱলী</u> দশম খণ্ড
প্ৰথম প্ৰকাশ ১৪০৫

বন্দোপাধ্যায় বিভূতিভূষণ
<u>মন ময়ুৰী</u>
সাহিত্যম প্ৰকাশ
প্ৰথম প্ৰকাশ আগ্ৰহায়ন ১৩৮৬

<u>বিভূতি বীথিকা</u>
সাহিত্যম প্ৰকাশ কলিকতা
পুনৰমুদ্ৰণ - ১৩৭৯

গৌণ সমল ॰

ঘোষ তাৰাশংকৰ

জীৱনেৰ পাঁচালীকাৰ বিভূতিভূষণ

কলিকতা

প্ৰথম প্ৰকাশ ১৯৭২

চট্টোপাধ্যায় সুনীলকুমাৰ

বিভূতিভূষণ দেশে বিদেশে

প্যাপিৰাম কলিকতা

প্ৰথম প্ৰকাশ ১৯৯১

দেব ৰণেন্দ্ৰকুমাৰ

বাংলা উপন্যাস আধুনিক পৰ্য্যায়

বুকলেণ্ড কলিকতা - ৬

প্ৰথম প্ৰকাশ ১৯৮০

দে অশোককুমাৰ

বাংলা উপন্যাসেৰ উৎসসন্ধান

জিজ্ঞাসা কলিকতা

প্ৰথম প্ৰকাশ ১৯৭৪

চট্টোপাধ্যায় সুনীলকুমাৰ

চহাৰ মানুষ বিভূতিভূষণ

কলিকতা ওৰিয়েণ্ট বুক কোম্পানী

প্ৰথম প্ৰকাশ ১৯৭০

বন্দোপাধ্যায় শ্ৰীকুমাৰ

বংগসাহিত্যে উপন্যাসেৰ ধাৰা

মডাৰ্ণ বুক এজেন্সি কলিকতা-১৯৮৮

বাংলাসাহিত্যেৰ বিকাশেৰ ধাৰা

ওৰিয়েণ্ট বুক কোম্পানী কলিকতা

প্ৰথম প্ৰকাশ ১৯৬৩

বন্দোপাধ্যায় সুভাষ

বাংলা উপন্যাসেৰ লৌকিক উপাদান

ক্যালকাটা পাবলিকেশ্যন

কলিকতা - ১৩৮৪

বন্দোপাধ্যায় সৰোজ

বাংলা উপন্যাসেৰ কালান্তৰ

দে'জ পাবলিচিং কলিকতা-১৯৮৮

ভট্টাচার্য গৌৰিশংকৰ

অপুৰ পাঁচালী

কলিকতা

প্রথম প্রকাশ ১৯৭০

ভট্টাচার্য দেৱীপদ

উপন্যাসেৰ কথা

জি এ ই পাবলিশার্স কলিকতা-১৯৭৪

মান্না গুণময

বাংলা উপন্যাসেৰ শিল্পাঙ্কি

ভাষা ও সাহিত্য কলিকতা-১৯৯৫

মল্লিক ৰসেন্দ্রনাথ

বিভূতি সাহিত্য পৰিক্রমা

কলিকতা ১৯৬০

ৰায় বাণী

নিসংগ বিভূতিভূষণ

কলিকতা ১৯৫৬

ৰায দেবেশ

উপন্যাস নিয়ে

দেজ পাবলিশিং কলিকতা-১৯৯১

ৰাযচৌধুৰী গোপীকা নাথ

বিভূতিভুষণ মান ও শিল্প

পুস্তকবিপনি কলিকতা-১৯৭৮

বাংলা কথাসাহিত্য প্রকৰণ ও প্রৱণতা

পুস্তকবিপনি কলিকতা ১৯৯১

লাহিডী কার্ত্তিক

বাংলা উপন্যাসেৰ ৰূপকল্প ও প্রযুক্তি

সাৰস্বত লাইব্রেৰী কলিকতা-১৯৭২

বাস্তৱতা ও বাংলা উপন্যাস

সাৰস্বত লাইব্রেৰী কলিকতা-১৯৭৪

শ্ব ৰামেশ্বৰ

আধুনিক বাংলা উপন্যাস

উত্তৰসূৰী প্রকাশ কলিকতা-১৯৮২

সেনগুপ্ত বিশ্বৰঞ্জন

নিসংগ আৰণ্যক বিভূতিভূষণ
কলিকতা
প্ৰথম প্ৰকাশ ১৯৬৯

সেন সুকুমাৰ
বাঙ্গালা সাহিত্যেৰ ইতিহাস
চতুৰ্থ সংস্কৰণ ১৯৭৬
বাঙ্গালা সাহিত্যেৰ কথা
কলিকতা বিশ্ববিদ্যালয় কলিকতা
প্ৰথম প্ৰকাশ ১৯৬৩
বাঙ্গালা সাহিত্যেৰ গদ্য
ইষ্টাৰ্ণ পাবলিশাৰ্স কলিকতা
প্ৰথম প্ৰকাশ ১৩৮৩

সুৰ অতুল
বাঙালা ও বাঙালীৰ বিবৰ্ত্তন
সাহিত্যলোক কলিকতা ১৯৮৬

আলোচনীৰ পত্ৰিকাদিৰ প্ৰবন্ধ •

চট্টোপাধ্যায ভক্তিমাধৱ
প্ৰথম বাংলা উপন্যাস প্ৰসঙ্গে
অমৃতবাজাৰ পত্ৰিকা কলিকতা
১ লা শ্ৰাৱণ ১৩৮২

ভট্টাচাৰ্য শংকৰলাল
উপন্যাসেৰ আকাৰ ও প্ৰকাৰ
আনন্দবাজাৰ কলিকতা ২৮৬৮১

ইংৰাজী

Allen, Walter
The English Novel, 1959
Penguin Books
Harmonds Worth 1962
Reading a Novel
Phoenix House London 1948

Barua Hem
Assamese Literature 1995
Sahitya Akademi Delhi

Dey, Susil Kr

Bengali Literature in Ninteenth Century (1757 1957)
Firm K L Mukhopadhyaya Publishers 1962

Foster E M
Aspects of the Novel, 1927
Penguin Books
Harmonds Worth 1970

Fox, Ralph
The Novel and the People
Foreign Language Publishing
House Moscow, 1954

James, Henry
The Art of Fiction
Vilsin Press, New York 1951

Sen Amit
Notes on the Bengal Reniassance
National Book Agency
Calcutta, 1957

Turnel M
The Novel in Franch, Vintage
Books, New York, 1958

গৱেষণা পদ্ধতি সম্পৰ্কীয় সহায়ক গ্ৰন্থ ঃ

শইকীয়া ড নগেন
গৱেষণা পদ্ধতি পৰিচয়
বনলতা ডিব্ৰুগড
প্ৰথম প্ৰকাশ ১৯৯৬

Anderson Durston Porte
Thesis and Assignment
Wiley Eastern Ltd
Istend 1970

পরিশিষ্ট

বিভূতিভূষণ বন্দ্যোপাধ্যায়

চৈয়দ আব্দুল মালিক